

১৯৮১ - ১৯৯০

অসম

অসম

(১৯৮১-১৯৯০)

গৱেষণা সহযোগী

কৃষ্ণ কান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়, অসম

নন্দ তালুকদাৰ ফাউণ্ডেচন

সূচীপত্ৰ

অসম আন্দোলন

ইতিমধ্যে ইয়াৰ আগৰ খণ্ডত কেনেকুৱা ঐতিহাসিক পৰিক্ৰমাৰ অন্তত অসম আন্দোলনৰ সূত্ৰপাত ঘটিছিল তাৰ এক সম্যক বিৱৰণ দিয়া হৈছে। অসমীয়া তথা অসমৰ সমূহ খিলঞ্জীয়া লোকে গৃহভূমিতে অস্তিত্বহীন হৈ পৰাৰ দীৰ্ঘদিনীয়া শংকাৰ অৱধাৰিত ফল হিচাপেই আমি অসম আন্দোলনক চিহ্নিত কৰিব পাৰোঁ। এই শংকা যে তাৎক্ষণিকভাৱে গা কৰি উঠিছিল এনে নহয়। স্বৰাজোত্তৰ সময়ছোৱাত অসমৰ ৰাজনৈতিক ঘটনাপ্ৰবাহ আৰু স্বাধীনতাৰ বহু আগৰে পৰা অসমৰ খিলঞ্জীয়া লোকসকলে ভুগি অহা

১৯৮১

৩ জানুৱাৰী ঃ মহিম বৰাক তেওঁৰ 'ৰাতি ফুলা ফুল' নামৰ গল্প সংকলনৰ বাবে ১৯৮০ চনৰ প্ৰকাশন পৰিষদ বঁটাৰ বাবে নিৰ্বাচন কৰে।

৪ জানুৱাৰী ঃ ১৯৭৯ চনৰ প্ৰকাশন পৰিষদ সাহিত্য বঁটা মেদিনী মোহন চৌধুৰীক 'তাত নদী নাছিল' উপন্যাসৰ বাবে আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

৫ জানুৱাৰী ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড আদালতে অসম বিশেষ ক্ষমতা (প্ৰেছ) আইনৰ কাৰ্যকাৰিতা স্থগিত কৰাৰ সম্পৰ্কত ৰায়দান কৰে। এই ৰায়দান মৰ্মে দ্য আছাম ট্ৰিবিউন আৰু দৈনিক অসম বাতৰিকাকত দুখনক চৰকাৰে কোনো বাতৰি, মতামত বা সংবাদ প্ৰকাশ কৰিবলৈ অনুমতি নিদিয়াৰ কাৰণ লিখিতভাৱে জনাবলৈ চৰকাৰক নিৰ্দেশ দিয়ে। ৰাজ্যত বিদেশী নাগৰিক থকা বুলি উত্থাপিত অভিযোগৰ ভিত্তিত অসমত চলি থকা আন্দোলনৰ লগত সম্পৰ্ক থকা আৰু ৰাজহুৱা শৃংখলা হানি কৰিব পৰা বাতৰিৰ বাহিৰে সকলো বিষয় আৱেদনকাৰীক প্ৰকাশ কৰিবলৈ এই সেৱাযোগে ক্ষমতা প্ৰদান কৰা হয়। অসমৰ তথ্য আৰু জনসম্পৰ্কৰক্ষী সঞ্চালকে ২ (২) (গ) দফা অনুযায়ী ক্ষমতা প্ৰয়োগ কৰোঁতে কোনো বাতৰি, মতামত বা সংবাদ প্ৰকাশ কৰিবলৈ অনুমতি নিদিলে তাৰ কাৰণ লিখিতভাৱে দৰ্শাবলৈ নিৰ্দেশ দিয়ে আৰু মতামতসমূহ কোনোধৰণৰ সালসলনি নকৰাকৈ ৰাজহুৱা শৃংখলাৰ প্ৰতি লক্ষ্য ৰাখি সঞ্চালকক প্ৰকাশ কৰিবলৈ অনুমতি প্ৰদান কৰে।

উল্লেখযোগ্য যে দ্য আছাম ট্ৰিবিউন আৰু দৈনিক অসমৰ পৰিচালনা পক্ষ আৰু 'আছাম ট্ৰিবিউন' কৰ্মীপক্ষই দুখন আৱেদনযোগে আৰু গুৱাহাটী প্ৰেছ ক্লাব, অসম সাংবাদিক সন্থা আৰু অসম ইউনিয়ন অব ৱৰ্কিং জাৰ্নেলিষ্টে আন এখন আৱেদনযোগে যথোপযুক্ত নিৰ্দেশাৱলীৰ অভাৱ বুলি উক্ত আইনৰ বৈধতাৰ প্ৰত্যাহ্বান জনাইছিল।

৭ জানুৱাৰী ঃ অসম চৰকাৰে অত্যাৱশ্যকীয় সেৱা বাহাল (অসম) আইন, ১৯৮০ৰ কাৰ্যকাৰিতা আৰু তিনি মাহৰ বাবে বঢ়াই দিয়ে।

জনগাঁথনিগত শংকাৰ সংমিশ্ৰিত এক প্ৰতিক্ৰিয়া হিচাপেই অসমত এই বৃহৎ গণ আন্দোলনটোৰ জন্ম হৈছিল। যাঠিৰ দশকত গড়মূৰীয়া সত্ৰৰ সত্ৰাধিকাৰ পীতাম্বৰ দেৱগোস্বামীয়ে ভাৰতৰ তদানীন্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুলৈ এখন পত্ৰ প্ৰেৰণ কৰি অসমৰ মানুহৰ এই শংকাকেই ব্যক্ত কৰিছিল। ১৯৫২ চনত লিখা এই পত্ৰখন বাতৰিকাকতত প্ৰকাশ কৰাৰ লগতে ইয়াৰ প্ৰতিলিপি ছপা কৰি ৰাইজৰ মাজত বিলাই দিয়া হৈছিল।

নেহৰুলৈ লিখা পত্ৰখনৰ এঠাইত দেৱগোস্বামীয়ে এনেদৰে লিখিছিল— 'ভাৰতৰ উত্তৰ-পূব প্ৰান্তৰ প্ৰহৰীস্বৰূপ অসমক পাকিস্তানৰ অঞ্চলবিশেষত পৰিণত কৰাৰ চক্ৰান্তৰে, অগণন পাকিস্তানী আহি ৰাজ্যখনৰ সৰ্বনাশ কৰিবলৈ ওলোৱা দেখি, অসমৰ প্ৰজাবৰ্গই অসম চৰকাৰক এই ভয়ানক বিপদৰ কথা বাৰম্বাৰ জনাই থকা সত্ত্বেও আমালোক ৰাইজক চৰকাৰে আকৌ পাকিস্তানী অনুপ্ৰৱেশ তেনেদৰে হোৱা নাই বুলিহে জনাইছে আৰু আপোনাকো সম্ভৱতঃ সেইদৰেই জনাই দিছে। তথাপি, আপুনিও যোৱা ডিচেম্বৰ মাহৰ শেহত, গুৱাহাটীৰ ৰাজহুৱা সভাত সামান্যভাৱে অসমত ব্যাপক পাকিস্তানী অনুপ্ৰৱেশৰ কথা স্বীকাৰ কৰিছে। তাৰ কিছু আগতে কেন্দ্ৰীয় গৃহ মন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়েও পাকিস্তানীৰ ব্যাপক অনুপ্ৰৱেশৰ কথা প্ৰকাৰান্তৰে স্বীকাৰ কৰিছে। সকলোবিলাক কথা দেখি-শুনি এইটো নিঃসন্দেহে ক'ব পাৰি যে অসম চৰকাৰে অস্বীকাৰ কৰিলেও অসমত পাকিস্তানীৰ ব্যাপক অনুপ্ৰৱেশৰ কথা সম্পূৰ্ণ সত্য। এতিয়া আপুনি এই সমস্যাত বিশেষ গুৰুত্ব নিদিলেও, যেতিয়া পাকিস্তানী লোকে অসমত সংখ্যাগৰিষ্ঠতা লাভ কৰি অসমত নানা উপায়ে আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিব তেতিয়া আপুনি অসমৰ অৱস্থা বুজি পালেও তাৰ প্ৰতিকাৰ কৰিবলৈ আপোনাৰ শক্তি নাথাকিব বুলি আমি ঘোৰ সন্দেহ কৰো।...'

● সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে এবছৰে বন্ধ কৰি ৰখা বঙাইগাঁও তেল শোধনাগাৰত উৎপাদন কৰিবলৈ অনুমতি প্ৰদান কৰে।

● ভাৰতীয় জনতা পাৰ্টীয়ে অসমৰ পৰা ১৯৭১ চনৰ পিচত সোমোৱা বিদেশীক সোনকালে খেদি পঠিয়াবলৈ গোটেই ভাৰততে 'অসম দিন' পালন কৰে।

১৬ জানুৱাৰী : সাহিত্যিক যোগেশ দাসলৈ 'পৃথিৱীৰ অসুখ' নামৰ গল্পপুথিখনৰ বাবে সাহিত্য অকাদেমী বঁটা।

১৭ জানুৱাৰী : ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি অটল বিহাৰী বাজপেয়ীয়ে অসমৰ বিদেশী নাগৰিকৰ প্ৰসংগত আগবঢ়োৱা সাতদফীয়া আঁচনিখনক সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সম্পাদক ভৃগু কুমাৰ ফুকনে এটা যুটীয়া বিবৃতিযোগে আগন্তুক আলোচনাত ভিত্তি হিচাপে লোৱাত সন্মতি প্ৰদান কৰে।

২১ জানুৱাৰী : অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু মাদ্ৰাজৰ প্ৰাক্তন ৰাজ্যপাল বিষ্ণুৰাম মেধিৰ উজানবজাৰৰ নিজ বাসভৱনত দেহাৱসান। ১৮৮৮ চনৰ ৪ এপ্ৰিলত হাজোত জন্মগ্ৰহণ কৰা অসমৰ 'লৌহমানৱ' বুলি পৰিচিত বিষ্ণুৰাম মেধিয়ে কটন কলেজিয়েট স্কুলৰ পৰা ১৯০৭ চনত এণ্ট্ৰেঞ্চ, ১৯১১ চনত কলিকতাৰ প্ৰেছিডেঞ্চী কলেজৰ পৰা স্নাতক আৰু ঢাকা বিশ্ববিদ্যালয়ৰ পৰা এম এছ চি ডিগ্ৰী লয়। ১৯০৫ চনত স্বদেশী আন্দোলনত যোগ দিয়া মেধিয়ে ১৯২১ চনত এবছৰৰ বাবে কাৰাবাস খাটে। ১৯২৬ চনত গুৱাহাটীত কংগ্ৰেছ অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ তেওঁ যুটীয়া সম্পাদক হয়। ১৯৩০-৩৯ চনত তেওঁ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা ১৯৩০-৫৯ চনত তেওঁ ৰাষ্ট্ৰীয় কংগ্ৰেছৰ সদস্য হয়। গোপীনাথ বৰদলৈৰ আকস্মিক মৃত্যুত ১৯৫০ চনত তেওঁ অসমৰ মুখ্যমন্ত্ৰী হয়।

২৯ জানুৱাৰী : হিৰণ্য কুমাৰ ভট্টাচাৰ্য আৰু লক্ষ্মীনন্দন বৰাক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত (১৯৮০) গ্ৰেপ্তাৰ।

● ষষ্ঠ পৰিকল্পনাত চৰকাৰী খণ্ডত অসমৰ বাবে ১,১১৫ কোটি টকা।

৭ ফেব্ৰুৱাৰী : ভাৰতীয় চাহ বৰ্ডৰ

সত্ৰাধিকাৰদেৰে পত্ৰখনৰ শেহৰ ফালে পুনৰ এনেদৰে লিখিছে— '...আপোনাৰ জৰিয়তে মই অসমৰ হিন্দু, মুছলমান আৰু খ্ৰীষ্টান সকলো ভাইকে ধীৰ-স্থিৰ আৰু নিৰপেক্ষভাৱে ভাবি চাবলৈ সনিৰ্বন্ধে অনুৰোধ কৰোঁ— অসমলৈ যদি পাকিস্তানীৰ ব্যাপক আমদানি হোৱাই নাই তেন্তে যোৱা ছেনছাছত লোকসংখ্যা শতকৰা ৪৪ ভাগ কেনেকৈ বাঢ়িল। কিছুমান মহকুমাত দেখা যায় যে সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ লোকেই সংখ্যাগৰিষ্ঠ হৈছে বা হ'বৰ উপক্ৰম হৈছে। অসমত জনসংখ্যা বৃদ্ধিৰ স্বাভাৱিক হাৰ আৰু যোৱা কেইবছৰমানত শিল্প-বাণিজ্যৰ কাৰণে অসমলৈ অহা অতি বেছি ৫০ হেজাৰ লোকৰ হিচাপ ধৰিও গণনাত ওপৰঞ্চি পোৱা বাকী বহু লাখ লোক (অন্যুন ৬ লাখ) পাকিস্তানৰ পৰাই নাহিনো ক'ৰ পৰা আহিল? অসমত মাটিহীন হিন্দু-মুছলমান-খ্ৰীষ্টান-বৌদ্ধ থলুৱা লোকৰ সংস্থাপনৰ কাৰণেই ৰাজ্যখনত অতি নাটনি হৈছে। এনেস্থলত বে-আইনীভাৱে অহা লাখ লাখ পাকিস্তানী লোকে অসমৰ অৰ্থনীতিত এটা ভয়ানক সংকটৰ সৃষ্টি নকৰিবনে?'

দেখা গৈছে যে ভাৰতত ব্ৰিটিছ শাসন চলি থকাৰ শেষ সময়ছোৱাত অসমক পাকিস্তানত অন্তৰ্ভুক্ত কৰাৰ বাবে পাকিস্তান প্ৰত্যাশী অংশটোৱে ব্যাপক চেষ্টা চলাইছিল আৰু এই প্ৰচেষ্টাৰ এক অংশ হিচাপে প্ৰব্ৰজনক ৰাজনৈতিক কৌশল হিচাপে ব্যৱহাৰ কৰিছিল। এই ষড়যন্ত্ৰৰ পৰা অসমৰ খিলঞ্জীয়া লোকে সাময়িক সকাহ পালে যদিও স্বাধীনতাৰ পিচতো অসমক পাকিস্তান কৰাৰ প্ৰক্ৰিয়া অব্যাহত থাকিল। ষাঠিৰ দশকত অসমীয়া ভাষাৰ মৰ্যাদা বঢ়াবলৈ সন্মিলিতভাৱে ভালেমান পদক্ষেপ হাতত লোৱা হৈছিল বাবে অনুপ্ৰৱেশৰ বিৰুদ্ধে ব্যাপক প্ৰতিক্ৰিয়া গঢ় লৈ উঠা নাছিল। চৰকাৰী পৰ্যায়ত অনুপ্ৰৱেশ সমস্যাটো আলোচিত হৈছিল আৰু চৰকাৰে কিছুমান নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছিল।

১৯৬৫ চনত কেন্দ্ৰীয় চৰকাৰৰ চোৰাংচোৱা বিভাগৰ ইণ্টেলিজেঞ্চ

পোনপ্ৰথমবাৰৰ কাৰণে এটা আঞ্চলিক কাৰ্যালয় গুৱাহাটীত মুকলি।

১২ ফেব্ৰুৱাৰী ঃ ডিব্ৰুগড় আৰু গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত বোমা বিস্ফোৰণ।

১৩ ফেব্ৰুৱাৰী ঃ নগাঁৱৰ পুৰণিগুদামত অইল ইণ্ডিয়াৰ পাইপৰ ওপৰত বোমা বিস্ফোৰণ।

১৪ ফেব্ৰুৱাৰী ঃ গুৱাহাটীৰ বামুণীমৈদামৰ ৰে'ললাইনৰ ওপৰত বোমা বিস্ফোৰণ।

২২ ফেব্ৰুৱাৰী ঃ অসম বিশেষ ক্ষমতা (প্ৰেছ) আইনৰ ম্যাদ অসম চৰকাৰে আৰু দুমাহৰ কাৰণে বৃদ্ধি কৰে।

২৩ ফেব্ৰুৱাৰী ঃ অসমৰ মুখ্যমন্ত্ৰী চৈয়দা আনোৱাৰা টাইমুৰে তেওঁৰ মন্ত্ৰীসভাত নতুনকৈ ৫জন মন্ত্ৰী অন্তৰ্ভুক্ত কৰে। ইয়াৰ পূৰ্ণ পৰ্যায়ৰ মন্ত্ৰীসকল হৈছে— ৰণেন্দ্ৰ বসুমতাৰী, মহম্মদ ইদ্ৰিছ, লীলাময় দাস আৰু ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী দুজন হ'ল— প্ৰসাদ দলে আৰু মুক্তাদিৰ চৌধুৰী।

• ১৯৮০ চনৰ বানত ক্ষতিগ্ৰস্ত হোৱা ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ মেৰামতিৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২১৫ লাখ টকা মঞ্জুৰ কৰে।

২৬ ফেব্ৰুৱাৰী ঃ দেশৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম কয়লাভিত্তিক বিদ্যুৎ উৎপাদন প্ৰকল্প বঙাইগাঁও তাপবিদ্যুৎ কেন্দ্ৰৰ ৬০ মেগাৱাট উৎপাদনক্ষম প্ৰথমটো গোট, বিত্ত আৰু বিদ্যুৎ বিভাগৰ মন্ত্ৰী কেশৱ চন্দ্ৰ গগৈয়ে উদ্বোধন কৰে।

• বিশিষ্ট সাহিত্যিক তথা বুৰঞ্জীবিদ বেণুধৰ শৰ্মাৰ মৃত্যু। ১৯৫৩ চনত ধুবুৰীত অনুষ্ঠিত সাহিত্য সভাৰ ৰূপালী জয়ন্তী অধিৱেশনৰ মূল সভাৰ তেওঁ সভাপতি আছিল। ১৯৬০ চনত 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' গ্ৰন্থখনিৰ বাবে তেওঁ সাহিত্য অকাদেমী বঁটা লাভ কৰে।

২৭ ফেব্ৰুৱাৰী ঃ আনোৱাৰা টাইমুৰ মন্ত্ৰীসভা ১৬জনলৈ বৃদ্ধি।

৫ মাৰ্চ ঃ অসমৰ যোগীঘোপাত ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং নিৰ্মাণৰ উদ্দেশ্যে কাৰিকৰী অৰ্থনৈতিক উপযুক্ততাৰ অধ্যয়ন, বিশদ অনুসন্ধান আৰু বিতং প্ৰজেক্ট ৰিপৰ্ট প্ৰস্তুতিৰ বাবে ১৯৮০ চনৰ নৱেম্বৰত ৫.১৬ নিযুত টকা মঞ্জুৰ কৰা হয়।

১৯ মাৰ্চ ঃ ১০৪ দিনীয়া চৈয়দা আনোৱাৰা টাইমুৰ নেতৃত্বাধীন

ব্যুৰ'ৰ তদানীন্তন সঞ্চালক বি এন মল্লিকে গৃহ বিভাগলৈ অসমত Prevention of Infiltration from Pakistan (PIP) আঁচনিৰ সম্প্ৰসাৰণৰ প্ৰস্তাৱ দি এটা টোকা প্ৰেৰণ কৰিছিল।

গণ আন্দোলনৰ আৰম্ভণি

ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে ১৯৭৯ চনৰ ২৮ মাৰ্চত মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পিচত সমষ্টিটোৰ নিৰ্বাচনৰ প্ৰসংগ ওলাওঁতেই ভোটদাতাৰ তালিকাক লৈ এক অভূতপূৰ্ব হুলস্থুলৰ সৃষ্টি হয়। ইয়াৰ আগতে ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত শ্যামলাল শাকধৰে অসম চৰকাৰলৈ দুবাৰকৈ জাননী প্ৰেৰণ কৰি সতৰ্ক কৰি দিছিল যে অসমৰ ভোটাৰ তালিকাত ভালেসংখ্যক বিদেশী লোকৰ নাম অন্তৰ্ভুক্ত হৈ আছে। শাকধৰে লগতে শংকাও ব্যক্ত কৰিছিল যে অসমৰ ভোটাৰ তালিকাত যদি এনেদৰে বাংলাদেশী লোকৰ নাম অন্তৰ্ভুক্ত হৈ থাকে আৰু ইয়াক যদি ব্যাহত কৰিব পৰা নাযায় তেন্তে বিংশ শতিকাৰ শেষলৈ অসমৰ জনসংখ্যা সেই সময়ৰ তুলনাত দুগুণ হৈ পৰিব।

শাকধৰে প্ৰকাশ কৰা এই শংকাকে মূল অস্ত্ৰ হিচাপে লৈ ১৯৭৯ চনৰ ৮ জুনত সদৌ অসম ছাত্ৰ সন্থাই ১২ ঘণ্টীয়া অসম বন্ধৰে বিদেশী বিতাড়ন আন্দোলনৰ আনুষ্ঠানিক শুভাৰম্ভ ঘটায়। আন্দোলনটোক অধিক শক্তিশালী কৰিবলৈ তথা জনসমৰ্থন দৃঢ় কৰাৰ বাবে ১৯৭৯ চনৰ ২৫-২৬ আগষ্টত ডিব্ৰুগড় আইন মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত সদৌ অসম গণ সংগ্ৰাম পৰিষদ গঠন কৰা হয়। এই গণ সংগ্ৰাম পৰিষদত যোগদান কৰা দল-সংগঠনবোৰ আছিল ক্ৰমে— অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, অসম যুৱ সমাজ, অসম জাতীয়তাবাদী দল, পূৰ্বাঞ্চলীয় লোক পৰিষদ, কাৰ্বি পৰিষদ, প্লেইন ট্ৰাইবেল কাউঞ্চিল (ব্ৰহ্ম গোট)

মন্ত্ৰীসভাৰ বিৰুদ্ধে বিৰোধী পক্ষৰ অনাস্থা প্ৰস্তাৱ উত্থাপন।

২৩ মাৰ্চ ঃ টাইমুৰ মন্ত্ৰীসভাৰ বিৰুদ্ধে বিৰোধী পক্ষই উত্থাপন কৰা অনাস্থা প্ৰস্তাৱটো বিধানসভাই ৫৩-৪৩টা ভোটত অগ্ৰাহ্য কৰে।

২৪ মাৰ্চ ঃ অসমৰ ১৯৮১-৮২ চনৰ চলিত বিত্তীয় বছৰটোৰ বাবে ৩৬ কোটি ৪১ লাখ টকাৰ ঘাটি বাজেট বিধানসভাত দাখিল। বাজেটত নতুন কৰ-কাটলৰ প্ৰস্তাৱ নাই।

৩০ মাৰ্চ ঃ ১৯৮০ চনৰ বানপানীত অসমত হোৱা ক্ষয়ক্ষতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ ১২ কোটি ৭২ লাখ টকাৰ সাহায্য মঞ্জুৰ কৰে।

● দাবী মঞ্জুৰি কৰ্তন প্ৰস্তাৱত টাইমুৰ চৰকাৰৰ পৰাজয়। কাৰাগাৰ শিতানত গৃহ মন্ত্ৰী ৰমেশ চন্দ্ৰ চহৰীয়াই বিচৰা ১৯৮০-৮১ চনৰ পৰিপূৰক দাবী মঞ্জুৰিৰ ওপৰত উত্থাপিত কৰ্তন প্ৰস্তাৱৰ ভোটগ্ৰহণত চৰকাৰী পক্ষই হাৰ মানিব লগা হোৱাত আৰু তাৰ পৰিপ্ৰেক্ষিতত বিৰোধী পক্ষই আনোৱাৰা টাইমুৰৰ চৰকাৰৰ পদত্যাগ দাবী কৰাৰ ফলত ৰাজ্য বিধানসভাত ৩০ মাৰ্চত অদ্ভুত নাটকীয় পৰিস্থিতিৰ সূত্ৰপাত হয়।

১ এপ্ৰিল ঃ ৰাজ্যপাল লালন প্ৰসাদ সিঙে এখন নতুন অধ্যাদেশ জাৰি কৰে। এই অধ্যাদেশখন হ'ল ১৯৮১ চনৰ অসম বিনিয়োজন (ভোট অন একাউণ্ট) অধ্যাদেশ। ইয়াৰ জৰিয়তে একত্ৰীকৃত নিধিৰ পৰা ধন উলিয়াই চৰকাৰক খৰচ কৰাৰ কৰ্তৃত্ব দিয়া হয়।

৫ এপ্ৰিল ঃ হিৰণ্য ভট্টাচাৰ্য আই পি এছৰ পৰা বৰ্খাস্ত। বিদেশী নাগৰিকৰ প্ৰশ্নক লৈ চলা আন্দোলনত লিপ্ত বুলি ২৯ জানুৱাৰীত ৰাষ্ট্ৰীয় নিৰাপত্তা আইনমৰ্মে আটক হোৱা অসমৰ পুলিচ বিভাগৰ ডি আই জি হিৰণ্য কুমাৰ ভট্টাচাৰ্যক ভাৰতীয় পুলিচ সেৱাৰ পৰা বৰ্খাস্ত কৰা হৈছে।

৬ এপ্ৰিল ঃ উজনি অসমৰ আয়ুক্ত ই এছ পাৰ্থসাৰথিৰ পুৱা ১০.১৫ বজাত যোৰহাটত তেওঁৰ কাৰ্যালয়ত উচ্চ ক্ষমতাসম্পন্ন বোমা এটাৰ বিস্ফোৰণত শোকাৱহ মৃত্যু।

১৭ এপ্ৰিল ঃ ২৩,৭০০জন প্ৰতিনিধিয়ে যোগদান কৰা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সোণালী জয়ন্তী উৎসৱ নগাঁৱত

আৰু সদৌ অসম জনজাতি সংঘ। পিচলৈ গণ সংগ্ৰাম পৰিষদত বিভিন্ন কলেজ শিক্ষক সংগঠনসমূহেও যোগ দিবলৈ আৰম্ভ কৰে। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, আছুৰ উদ্যোগত গণ সংগ্ৰাম পৰিষদ গঠন কৰা হৈছিল যদিও গণ সংগ্ৰাম পৰিষদৰ অধীনত সমূহীয়াভাৱে আন্দোলনৰ কাৰ্যসূচী চলাই থকাৰ সমান্তৰালভাৱে আছুৱে নিজাববীয়াকৈ আন্দোলনৰ কাৰ্যসূচী ল'বলৈ এৰা নাছিল। অসম আন্দোলনক এক সামূহিক ৰূপ প্ৰদান কৰাৰ ক্ষেত্ৰত আছুৱে বিশেষ ভূমিকা ল'ব পাৰিলেহেঁতেন যদিও এই আন্দোলনত নিজৰ একক আধিপত্য বিস্তাৰ কৰি আন্দোলনটোৰ সংঘবদ্ধতাৰ দিশত আছুৱে ভালেমান প্ৰত্যাহ্বানৰহে সৃষ্টি কৰিছিল। অসম আন্দোলনৰ পিচৰ সময়ছোৱাত তথা অসম গণ পৰিষদ চৰকাৰ গঠনৰ সময়ছোৱাত গণ সংগ্ৰাম পৰিষদত অন্তৰ্ভুক্ত কিছু দল-সংগঠনৰ লগত আছুৰ মতবিৰোধে এই কথাকে কিছু পৰিমাণে প্ৰমাণ কৰে। গণ সংগ্ৰাম পৰিষদত কিছুসংখ্যক কৰ্মচাৰী পৰিষদো জড়িত হৈছিল। এই কৰ্মচাৰী সংগঠনসমূহ হ'ল— সদৌ অসম কৰ্মচাৰী পৰিষদ, সদৌ অসম কেন্দ্ৰীয়-অৰ্ধকেন্দ্ৰীয় কৰ্মচাৰী পৰিষদ, অসম বিদ্যুৎ কৰ্মী পৰিষদ, সদৌ অসম বেংক কৰ্মচাৰী পৰিষদ, সদৌ অসম চৰকাৰী নিগম আৰু প্ৰতিষ্ঠান কৰ্মী ফেডাৰেচন আদি।

৮ জুনৰ অসম বন্ধৰ পিচত ১৯৭৯ চনৰ ৬ নৱেম্বৰত জজ খেলপথাৰত আছু-গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত এক বিশাল গণসমাৱেশ আয়োজন কৰা হয়। ইয়াৰ পিচতে আৰম্ভ হয় অসম আন্দোলনৰ ধাৰাবাহিক সংগ্ৰামৰ কাৰ্যসূচী। ১৯৭৯ চনৰ ১২ৰ পৰা ১৭ নৱেম্বৰলৈ গণ সত্যাগ্ৰহ আৰু ১৯-২১ নৱেম্বৰলৈ চৰকাৰী কাৰ্যালয়বোৰত পিকেটিং কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ১২ নৱেম্বৰৰ পৰা আৰম্ভ হোৱা গণ সত্যাগ্ৰহৰ প্ৰভাৱ সমগ্ৰ অসমতে পৰা পৰিলক্ষিত হৈছিল। বঙাইগাঁৱৰ পৰা কেইবাহাজাৰ সত্যাগ্ৰহীয়ে প্ৰায় ১৮ কিলোমিটাৰ বাট খোজকাঢ়ি

উদ্‌যাপন কৰা হয়।

১৮ এপ্ৰিল : নাগৰিক অধিকাৰ সংক্ৰান্তত লোক সংঘৰ সভাপতি আৰু উচ্চতম ন্যায়ালয়ৰ শীৰ্ষস্থানীয় অধিবক্তা ভি এম তাৰাকুণ্ডেই গুৱাহাটীত অসমৰ নাগৰিক অধিকাৰ সন্থা মুকলি কৰে।

২১ এপ্ৰিল : অসমৰ বিদেশী লোক সম্পৰ্কীয় সমস্যা মীমাংসা কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰৰ হৈ গৃহ মন্ত্ৰী জাইল সিঙে নতুন আলোচনাৰ কাৰণে অসমৰ আন্দোলনকাৰী ছাত্ৰ নেতাসকলক ৰাজধানীলৈ আমন্ত্ৰণ জনায়।

৫ মে' : প্ৰেছ আইন চেঞ্চৰ কৰা ধাৰা অবৈধ বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰায়দান কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৯৬০ চনৰ অসম বিশেষ ক্ষমতা (প্ৰেছ) আইনৰ ২ (২) অনুচ্ছেদৰ 'গ' ধাৰাটো বাতিল কৰি অসাংবিধানিক বুলি ৰায় দিয়ে। ৰাজ্যৰ তিনিখন দৈনিক বাতৰিকাকতে প্ৰকাশ কৰিবলগীয়া সকলো বিষয়বস্তু প্ৰকাশ কৰাৰ আগেয়ে ৰাজ্যৰ তথ্য আৰু জনসংযোগ বিভাগৰ ওচৰত দাখিল কৰিবলৈ আইনখনৰ জৰিয়তে চৰকাৰে নিৰ্দেশ দি জাৰি কৰা জাননীখনো উচ্চ ন্যায়ালয়ে বাতিল কৰে।

৮ মে' : দলীয় হাইকমাণ্ড আৰু কেন্দ্ৰীয় নেতৃত্বই তেওঁলোকৰ দাবী পূৰণ নকৰাৰ প্ৰতিবাদ জনাই ৬জন বিধায়কৰ ই কংগ্ৰেছ ত্যাগ।

- অসম সাহিত্য সভাৰ অষ্টচত্বাবিংশ অধিৱেশন তিনিচুকীয়াৰ সৰ্বানন্দ সিংহ নগৰত আৰম্ভ হয়। এইবাৰৰ সভাপতি সীতানাথ ব্ৰহ্ম চৌধুৰী।

১১ মে' : ৰাষ্ট্ৰীয় ছাব-জুনিয়ৰ ফুটবল প্ৰতিযোগিতাত তৃতীয়বাৰৰ বাবে অসম চেম্পিয়ন।

১৪ মে' : তিনিদিনীয়া আলোচনাৰ পিচত ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ কৰ্ণধাৰ কমিটীয়ে অসমৰ বিদেশী নাগৰিক সম্পৰ্কত নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ আৰু অসমৰ আন্দোলনকাৰীসকলৰ মাজত হ'ব লগা আলোচনাৰ বাবে ২৫জনীয়া প্ৰতিনিধি দল এটা প্ৰেৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰে ৬জন সদৌ অসম ছাত্ৰ সন্থাৰ আৰু ১৯জন গণ সংগ্ৰাম পৰিষদৰ সদস্য।

১৭ মে' : বিদেশী নাগৰিকৰ প্ৰশ্নত অসম বিধানসভাৰ ৰাজনৈতিক দলৰ

ৰইটামাৰীত সত্যাগ্ৰহ পালন কৰিছিল। অসম চৰকাৰে গণ সত্যাগ্ৰহে সৰ্বাত্মক ৰূপ পৰিগ্ৰহণ কৰালৈ লক্ষ্য ৰাখি অসমৰ সকলো স্কুল-কলেজ অনিৰ্দিষ্ট কালৰ বাবে বন্ধ কৰি দিয়ে। গুৱাহাটী মহকুমাত ১৪৪ ধাৰা ঘোষণা কৰা হয়। ১২ নৱেম্বৰত ডুমডুমাৰ ওচৰৰ তৰা চাহ বাগিচাৰ ১,০০০ সত্যাগ্ৰহীক শান্ত কৰিবলৈ পুলিচে গুলীচালনা কৰে আৰু ফলত পাঁচজন লোক গুৰুতৰভাৱে আহত হয়। তাৰে দুজনৰ পিচত মৃত্যু ঘটে। দ্বিতীয় দিনা অৰ্থাৎ ১৩ নৱেম্বৰতো সকলো ঠাইতে সত্যাগ্ৰহীৰ সংখ্যা ভালেখিনি বৃদ্ধি পায়।

ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ দাবী আৰু নাম অপসাৰণৰ বাবে বিভিন্ন দাবী উত্থাপন হোৱালৈ লক্ষ্য ৰাখি অসমৰ নিৰ্বাচনী বিষয়াই ৩৮৭জন পঞ্জীয়ক বিষয়া নিয়োগ কৰিছিল। সেই সময়ৰ অসমৰ যুটীয়া মুখ্য নিৰ্বাচনী বিষয়াজনে মন্তব্য কৰিছিল যে দাবী আৰু আপত্তিবোৰ মীমাংসা কৰাৰ ক্ষেত্ৰত আইনী ন্যায্যতাৰ বিষয়টোকহে মুখ্য অগ্ৰাধিকাৰ দিয়া হ'ব। দাবীদাৰসকলে কি কি সাক্ষ্যৰ বা নথিৰ ভিত্তিত ভাৰতৰ নাগৰিকত্ব পাব পাৰে তাক যুক্তিসহকাৰে প্ৰমাণ কৰিব পাৰিব লাগিব; একেদৰে যাৰ বিৰুদ্ধে আপত্তি আছে তেনে আপত্তিৰ ক্ষেত্ৰতো সেইসকল লোকৰ নাম কিহৰ আধাৰত ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰিব লাগে তাৰো বলিষ্ঠ প্ৰমাণ দাঙি ধৰিব পাৰিব লাগিব। কোনো আপীল যদি আগবঢ়োৱা হয় তেন্তে তাক সেইসমূহ জিলাৰ নিৰ্বাচনী বিষয়াই বিচাৰ কৰিব। কোনো আৱেদন ২৫ দিনৰ ভিতৰত নিষ্পত্তি কৰাৰ সময়সীমা ধাৰ্য কৰি দিয়া হৈছিল। দাবী আৰু আপত্তি নিষ্পত্তিৰ সময়সীমা ধৰি দিয়া হৈছিল মাথোঁ ৩০ দিন। অসমৰ বিদেশী নাগৰিক চিনাক্তকৰণ তথা নাগৰিকত্ব দাবীৰ হাজাৰ-বিজাৰ গোচৰ-আৱেদন নিষ্পত্তি কৰিবলৈ এই সময়সীমা আছিল তেনেই উপহাসমূলক। ৩০ দিনৰ ভিতৰত সমগ্ৰ দাবী-আপত্তি নিষ্পত্তি কৰি এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰি উলিওৱাটো

নেতাসকলৰ লগত কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ ১৯ মে'ত হ'বলগীয়া সভাখন গৃহ মন্ত্ৰী জাইল সিঙে অনিৰ্দিষ্ট কাললৈ স্থগিত ৰাখে।

২১ মে'ঃ অসমৰ বিদেশী নাগৰিকৰ প্ৰশ্নটোৰ ক্ষেত্ৰত ১৭ মে'ৰ পৰা চলা আলোচনা কালত চৰকাৰ আৰু আন্দোলনৰ নেতৃবৰ্গই কোনো সন্মতিসূচক সমাধানসূত্ৰত উপনীত হোৱাত ব্যৰ্থ হোৱাত আলোচনা জুন মাহৰ তৃতীয় সপ্তাহলৈকে স্থগিত।

২২ মে'ঃ অসমৰ বিদেশী নাগৰিক সংক্ৰান্ত সমস্যাৰ মীমাংসাৰ বাবে নতুন দিল্লীত অসম আন্দোলনৰ নেতৃবৰ্গই ১৯৬১-৭১ চনৰ সময়ছোৱাৰ বিদেশী নাগৰিক সম্পৰ্কত পূৰ্বতে পোষণ কৰা মতৰ সংশোধন ঘটাই এক নতুন প্ৰস্তাৱ আগবঢ়ায়। আলোচনাকাৰী দলৰ মূল প্ৰস্তাৱটো আছিল, যদিহে অৱশিষ্ট বিদেশী নাগৰিকসকলক (শৰণাৰ্থীয়েই হওক বা অনুপ্ৰৱেশকাৰীয়েই হওক) অসমৰ পৰা আন ৰাজ্যলৈ নিয়া হয় তেন্তে তেওঁলোকে পঞ্জীভুক্ত ২,১৪,০০০ শৰণাৰ্থীক গ্ৰহণ কৰিবলৈ সন্মতি দিয়ে। তেওঁলোকে কয় যে এই পঞ্জীভুক্ত শৰণাৰ্থীসকল ১৯৬৪-৭১ চনৰ সময়ছোৱাৰ। উল্লেখযোগ্য যে সেই সময়ত চৰকাৰী তথ্য মতে ১৯৬১-৭১ চনৰ ভিতৰত প্ৰায় ১.৩ নিযুত শৰণাৰ্থী অসমলৈ আহে। ৰাষ্ট্ৰীয় দায়বদ্ধতাৰ কাৰণে এই পঞ্জীভুক্ত শৰণাৰ্থীসকলক অসমৰ পৰা পঠোৱাৰ পৰা বাদ দিয়াত আলোচনাকাৰী সদস্যসকলে সন্মতি দিয়ে।

২৬ মে' ঃ অসম চৰকাৰে ১৯৭৮ চনত গঠিত সাংস্কৃতিক বিষয়ক উপদেষ্টা ব'ৰ্ডৰ ঠাইত এখন নতুন ব'ৰ্ড গঠন কৰে। ৪০জন সদস্যৰে গঠিত এই ব'ৰ্ডত সাংস্কৃতিক বিভাগৰ মন্ত্ৰী গোলোক ৰাজবংশীক সভাপতি, ৰাজ্যমন্ত্ৰী জয়চন্দ্ৰ নাগবংশীক উপ-সভাপতি আৰু সাংস্কৃতিক সঞ্চালক ধৰণীধৰ চৌধুৰীক সদস্য হিচাপে লোৱা হয়।

৪ জুন ঃ অনুপ্ৰৱেশ ৰোধ কৰিবলৈ অসম-বাংলাদেশ সীমান্তৰ গুৰুত্বপূৰ্ণ ঠাইবোৰত দেৱাল আৰু কাঁইটীয়া তাঁৰৰ বেৰ দিবলৈ কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্ত লয়।

১১-১২ জুন ঃ অসমত সৰ্বাত্মক

একপ্ৰকাৰ অসম্ভৱ কাম আছিল বুলি ক'ব পাৰি।

প্ৰিয়ৰঞ্জন দাশমুন্সিৰ বক্তব্য

গণ সত্যাগ্ৰহে সমগ্ৰ অসমতে ব্যাপক ৰূপ লোৱাৰ সময়তে পশ্চিম বংগ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি আৰু কেন্দ্ৰীয় চৰকাৰৰ এগৰাকী প্ৰাক্তন মন্ত্ৰী প্ৰিয়ৰঞ্জন দাশমুন্সিয়ে ১৯৭৯ চনৰ ১৩ নৱেম্বৰত অসমৰ পৰিস্থিতি সন্দৰ্ভত কলিকতাত এখন সংবাদমেল আয়োজন কৰে। সংবাদমেলখনত তেওঁ কয় যে অসমৰ পৰিস্থিতিৰ যাতে অধিক অৱনতি ঘটিব নোৱাৰে তাৰ বাবে ৰাজ্যখনত কেন্দ্ৰীয় সংৰক্ষিত বাহিনী (চি আৰ পি এফ) নিয়োগ কৰিব লাগে। এনে এক মন্তব্যক অসমবাসীয়ে চূড়ান্ত অসমবিদ্বেষ বুলি গণ্য কৰিলে আৰু অসমীয়া-বঙালীৰ মাজত সংঘাত লগাৰ ক্ষেত্ৰত ইয়ে সাৰ-পানী যোগালে। অসমৰ আভ্যন্তৰীণ বিষয় এটাত পশ্চিম বংগৰ লোক এজনে অনধিকাৰ মন্তব্য কৰাৰ বাবে সমগ্ৰ অসমবাসী জাঙুৰ খাই উঠিছিল। এনে মন্তব্য প্ৰদান কৰাই নহয়, পশ্চিমবংগ কংগ্ৰেছে কলিকতাৰ 'আছাম হাউছ'ত ১৯ নৱেম্বৰত অনশন কৰাৰ সিদ্ধান্ত লয় আৰু মুখ্যমন্ত্ৰী জ্যোতি বসুৱে সংখ্যালঘু সম্প্ৰদায়ৰ ওপৰত নিৰ্যাতন বন্ধ কৰাৰ দাবী তোলে। দাশমুন্সি আৰু জ্যোতি বসুৱে অসম সন্দৰ্ভত তাৎপৰ্যপূৰ্ণ মন্তব্য কৰাৰ সময়তে ১৩ নৱেম্বৰত বৰপেটাৰোডত এক শক্তিশালী বোমা বিস্ফোৰণ ঘটে। সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ এটি সঁজাতী দল বৰপেটালৈ গৈ আছিল। এই বিস্ফোৰণৰ ফলত তিনিজন লোক আহত হয়। এই সময়তে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ, চমুকৈ আৰ এছ এছৰ সচিব ৰাজেন্দ্ৰ সিং আৰু পূৰ্বাঞ্চলৰ মাণ্ডলিক সংগঠক কে এছ সুদৰ্শনে অসমৰ বিভিন্ন ঠাই ভ্ৰমণ কৰে। ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম কৰ্তন কৰিবলৈ তেওঁলোকে ভাৰত চৰকাৰৰ ওচৰত অনুৰোধ জনায় আৰু একে সময়তে কেইবাঠাইতো তেওঁলোকে সভা-সমিতি পাতে। উল্লেখনীয়

কৰ্মবিৰতি পালন।

১৫ জুন : সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত ১২ ঘণ্টীয়া অসম বন্ধ পালন।

২২ জুন : অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বাগ্মীবৰ নীলমণি ফুকন স্মাৰক ডাক টিকট সভাৰ সভাপতি সীতানাথ ব্ৰহ্মচৌধুৰীয়ে যোৰহাটত আনুষ্ঠানিকভাৱে মুকলি কৰে।

২৫-২৭ জুন : সৰ্বাত্মক অসহযোগ আন্দোলন পালন।

২৮ জুন : অসম-নাগালেণ্ডৰ বিবদমান ঠাইত অসমৰ মুখ্যমন্ত্ৰী আনোৱাৰা টাইমুৰে স্কুল, গিৰ্জা আৰু মছজিদ নিৰ্মাণ কৰিবলৈ অনুমতি দিয়ে।

- মুখ্যমন্ত্ৰী চৈয়দা আনোৱাৰা টাইমুৰ নেতৃত্বাধীন সংখ্যালঘু ২০৫ পাঁচদিনীয়া অসমৰ কংগ্ৰেছ (ই) মন্ত্ৰীসভাৰ পদত্যাগ।

৩১ জুন : অসমত দ্বিতীয়বাৰৰ বাবে ৰাষ্ট্ৰপতিৰ শাসন। কোনো দলেই চৰকাৰ গঠন কৰিবলৈ সক্ষম নহয় বুলি অসমক দ্বিতীয়বাৰৰ কাৰণে ৰাষ্ট্ৰপতিৰ শাসনলৈ নিয়া হয়। বিধানসভা সাময়িকভাৱে বাতিল কৰা হয়।

৮ জুলাই : দিল্লীত বিদেশী নাগৰিকৰ প্ৰসংগত কেন্দ্ৰীয় চৰকাৰ আৰু অসমৰ আলোচনাকাৰী নেতাসকলৰ মাজত পুনৰ হোৱা আলোচনাত কৰ্তৃত্ববিহীন বিদেশী লোকক অসমৰ বাহিৰত সংস্থাপিত কৰাৰ বিষয়ে চৰকাৰে আগবঢ়োৱা প্ৰস্তাৱ অসমৰ আন্দোলনৰ নেতৃবৃন্দই অগ্ৰাহ্য কৰে আৰু ১৯৬১ আৰু ১৯৭১ চনৰ ভিতৰত অসমত অনুপ্ৰৱেশ কৰা সকলো বিদেশী নাগৰিকক অন্যান্য ৰাজ্যৰ মাজত ভগাই দিয়াৰ দৃষ্টিভংগী দোহাৰে।

১৫ জুলাই : আন্দোলনকাৰী আৰু ভাৰত চৰকাৰৰ পুনৰ আলোচনা অনুষ্ঠিত। আলোচনা ব্যৰ্থ।

৯ আগষ্ট : অসমৰ নৱনিযুক্ত ৰাজ্যপাল প্ৰকাশ মেহৰোট্ৰাই ৰাজভৱনত শপত গ্ৰহণ কৰে।

১৪ আগষ্ট : যোৰহাটৰ পৰা প্ৰকাশিত দৈনিক জনমভূমি কাকতৰ সম্পাদক প্ৰফুল্ল বৰুৱা, মুদ্ৰক আৰু প্ৰকাশক অৰুণ বৰঠাকুৰক শেষ নিশা গ্ৰেপ্তাৰ কৰে। বৰুৱা আৰু বৰঠাকুৰক চৰকাৰৰ বিৰুদ্ধে অপৰাধমূলক ষড়যন্ত্ৰ, ভাবুকি, সাম্প্ৰদায়িক উত্তেজনা বঢ়োৱা প্ৰমুখে

যে অসম আন্দোলনৰ যেতিয়া ধৰ্মনিৰপেক্ষ কাৰ্যসূচী চলি আছিল সেই সময়তে আৰ এছু এছুৰ অসম প্ৰৱেশে আন্দোলনটোৰ ক্ষেত্ৰত ধৰ্মীয় মেৰু বিভাজন ঘটোৱাত উদগনি যোগাইছিল। পৰৱৰ্তী সময়ত আৰ এছু এছু-জনসংঘই অসম আন্দোলনত প্ৰভাৱ বিস্তাৰ কৰাক লৈ আন্দোলনৰ নেতৃত্বত বিভাজনৰ সৃষ্টি হ'বলৈ আৰম্ভ কৰে। মুছলমান সম্প্ৰদায়ৰ কিছুসংখ্যক আন্দোলনকাৰী নেতাই মুকলিভাৱে হিন্দুত্ববাদী সংগঠন দুটাৰ প্ৰৱেশক সন্দেহৰ দৃষ্টিৰে চাইছিল।

নৱেম্বৰ মাহৰ এই গণ সত্যাগ্ৰহত আন কিছুমান বিভ্ৰান্তিমূলক কথাৰো প্ৰচাৰ চলোৱা হৈছিল। ৯ নৱেম্বৰত উজনি অসমৰ বিভিন্ন ঠাইত অসমীয়াত লিখি প্ৰচাৰ চলোৱা হৈছিল যে এই আন্দোলন সকলো অনা-অসমীয়া লোকৰ বিৰুদ্ধে। অসমৰ বিভিন্ন ঠাইত সমসাময়িকভাৱে প্ৰচাৰ চলোৱা হৈছিল যে এই আন্দোলন কেৱল বিদেশীৰ বিৰুদ্ধে নহয়, বহিৰাগতসকলৰ বিৰুদ্ধেও। এনে প্ৰচাৰে অনা-অসমীয়া ভালেসংখ্যক সম্প্ৰদায়ৰ মাজত তুমুল সন্দেহৰ সূত্ৰপাত ঘটায়। ৯ নৱেম্বৰত ডিব্ৰুগড় জিলাৰ চাহ বনুৱাসকলে এখন সভা পাতি আন্দোলনৰ বিৰুদ্ধাচৰণ কৰাৰ সিদ্ধান্ত লয়। সেই সময়ত চাহ মজদুৰ সংঘৰ যুটীয়া সম্পাদক আছিল পৱনসিং ঘাটোৱাৰ। তেওঁ এই প্ৰৰোচনাত প্ৰলুব্ধ নহ'বলৈ চাহ বনুৱাসকলক আহ্বান জনায় আৰু এই আন্দোলন যে অনা-অসমীয়া নহয়, কেৱল বিদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধেহে তাক স্পষ্ট কৰি দিয়ে।

নিৰ্বাচন ঘোষণা আৰু তাৰ পৰৱৰ্তী পৰ্যায়

গণ সত্যাগ্ৰহ, পিকেটিং আদিয়ে সমগ্ৰ অসমতে এক সৰ্বাত্মক ৰূপ লোৱাৰ পিচত ভোটাৰ তালিকাৰ সংশোধনী অবিহনে মুখ্য নিৰ্বাচন আয়ুক্ত এছু এল শাকধৰে ২১ নৱেম্বৰত অসমতো বাকী ৰাজ্যৰ লগতে একে ধৰণৰ কাৰ্যসূচী মতে নিৰ্বাচন অনুষ্ঠিত কৰাৰ ঘোষণাই যেন জ্বলা জুইত

ছটা গোচৰত জড়িত কৰা হৈছে। ১৫ তাৰিখে তেওঁলোকে জামিন পায়।

১৭ আগষ্ট ঃ কেন্দ্ৰীয় চৰকাৰে অসমৰ বিদেশী লোক সম্পৰ্কীয় বিবাদৰ সু-মীমাংসাৰ বাবে ১২ দফীয়া এক সূত্ৰ আগবঢ়ায়। চৰকাৰ আৰু অসমৰ আন্দোলনকাৰী নেতৃবৰ্গৰ মাজত পৰৱৰ্তী সময়ত হ'ব লগা আলোচনাৰ তিনিটা প্ৰধান ভিত্তি হ'ল—

(১) অনুপ্ৰৱেশ বন্ধ কৰা,

(২) বিদেশী লোকক ধৰা পেলোৱা আৰু

(৩) নাগৰিকত্ব দিয়া নাইবা নাগৰিকত্ব নোপোৱা প্ৰব্ৰজনকাৰীক সংস্থাপিত কৰা। ১৯৬১ আৰু ১৯৭১ চনৰ মাজৰ কালছোৱাত অসমত প্ৰৱেশ কৰা লোকসকলৰ নাগৰিকত্বৰ দাবী বিবেচনা কৰিবলৈ এই প্ৰস্তাৱত ব্যৱস্থা থাকে। ১৯৬১ চনৰ আগেয়ে অসমত প্ৰৱেশ কৰা সকলো বিদেশী লোকক স্বাভাৱিক প্ৰক্ৰিয়াত নাগৰিকত্ব দিয়াৰ লগতে ১৯৭১ চনৰ পিচত প্ৰৱেশ কৰাসকলক বহিষ্কাৰ কৰাৰ কথা এই প্ৰস্তাৱত উল্লেখ থাকে। প্ৰস্তাৱটোৰ ব্যাখ্যা এনেধৰণৰ—

(১) বিদেশী লোকৰ অবৈধ অনুপ্ৰৱেশ বন্ধ কৰাৰ উদ্দেশ্যে সীমান্তত নিৰাপত্তামূলক ব্যৱস্থা অধিক শক্তিশালী কৰিবলৈ সক্ৰিয় ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(২) অসমত ভোটাৰসকলক ফটো সহিতে পৰিচয়পত্ৰ দিয়া হ'ব।

(৩) ভৱিষ্যতে নাগৰিকত্বৰ প্ৰমাণপত্ৰ কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃপক্ষইহে দিব।

(৪) প্ৰতিটো পৰিয়ালৰ বাবে এখন পঞ্জী প্ৰস্তুত কৰা হ'ব।

(৫) জন্ম-মৃত্যুৰ পঞ্জী উপযুক্তভাৱে ৰখাত গুৰুত্ব দিয়া হ'ব।

(৬) চৰকাৰী মাটিত বেদখল বন্ধ কৰাৰ ব্যৱস্থা কঠোৰভাৱে বলৱৎ কৰা হ'ব।

(৭) নাগৰিক আইন, বিদেশী নাগৰিক আইন আৰু পাৰপত্ৰ আইনকে ধৰি সংশ্লিষ্ট আইন আৰু সংবিধানৰ ভিত্তিত বিদেশী নাগৰিকক ধৰা হ'ব। সেইটো কৰিবলৈ যাওঁতে চৰকাৰী নথিপত্ৰৰ সহায় লোৱা হ'ব। এইক্ষেত্ৰত সকলো প্ৰমাণপত্ৰ, ভূমি সম্পৰ্কীয় নথি, ৰেচন কাৰ্ড ১৯৫১ চনৰ ৰাষ্ট্ৰীয়

ঘিউহে ঢালিলে। ইয়াৰ পিচৰ নৱেম্বৰ আৰু ডিচেম্বৰ মাহ আছিল আন্দোলন, প্রতিবাদৰ বিভিন্ন ধৰণৰ ক্রিয়া-প্রতিক্রিয়া আৰু হিংসাৰ সমাহাৰেৰে ভৰা। এই সময়তে যোগেন হাজৰিকা মন্ত্রীসভাৰ পতন ঘটে আৰু ১৯৭৯ চনৰ ১০ ডিচেম্বৰত অসম আন্দোলনৰ প্রথমগৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰে ভৱানীপুৰত প্ৰাণ দিব লগা হয়।

যোগেন হাজৰিকা মন্ত্রীসভাৰ পতন ঘটাৰ পিচত কেন্দ্রীয় মন্ত্রীসভাৰ পৰামৰ্শ মতে ১২ ডিচেম্বৰত অসমত পোনপ্রথমবাৰৰ বাবে ৰাষ্ট্রপতিৰ শাসন বলৱৎ কৰা হয়। অৱশ্যে ৰাষ্ট্রপতিৰ শাসন জাৰি কৰিলেও বিধানসভা ভংগ কৰি দিয়া হোৱা নাছিল।

জানুৱাৰী মাহ, ১৯৮০

অসমৰ জনসাধাৰণে বাৰম্বাৰ নিৰ্বাচন বন্ধ ৰাখিবলৈ আন্দোলন, সত্যাগ্ৰহ আদি কাৰ্যসূচী লোৱাৰ পিচতো তেনে দাবীবোৰক বিশেষ গুৰুত্ব প্ৰদান কৰা নহ'ল। ইয়াৰ ফলত ১৯৮০ চনৰ ১ জানুৱাৰীত ৫৮ ঘণ্টীয়া অসম বন্ধৰ আহ্বান জনোৱা হ'ল। ইয়াৰ আগতে ৩০ ডিচেম্বৰত জনতা পাৰ্টীৰ বিধায়কসকলে ১২ ঘণ্টীয়া অনশন ধৰ্মঘট পালন কৰি নিৰ্বাচন বন্ধ কৰাৰ দাবী তুলিছিল।

জানুৱাৰী মাহৰ ৩ আৰু ৫ তাৰিখে বৰ্তমান বাক্সা জিলাৰ বাগানপাৰাৰ ন-বস্তিত এক ভয়ানক হত্যা সংঘটিত হ'ল। উক্ত অঞ্চলত ছাত্ৰনেতা দিলীপ হুজুৰীক দিন-দুপৰতে হত্যা কৰা হৈছিল তথা আন কেইজনমান ছাত্ৰ ঘুণীয়া হ'ল। বাগানপাৰাৰ এই ঘটনাৰ পিচতে উত্তৰ কামৰূপত (বৰ্তমানৰ বাক্সা জিলাৰ অন্তৰ্গত) ব্যাপক পৰিমাণে হিংসাত্মক ঘটনা ঘটিবলৈ ধৰে। দিলীপ হুজুৰীৰ হত্যাকাণ্ডৰ পিচত পৰিকল্পিতভাৱে বাংলাভাষী তথা বাঁওপন্থী দলৰ সমৰ্থকসকলৰ ঘৰত আক্ৰমণ চলাই অগ্নিসংযোগৰ ঘটনা সংঘটিত কৰা হৈছিল। ৬ জানুৱাৰীত কামৰূপ জিলা

নাগৰিকপঞ্জী, ভোটাৰ তালিকা আৰু এই সম্পৰ্কীয় অন্যান্য নথিপত্ৰৰ পৰা বিবেচনা কৰা হ'ব। বিদেশী নাগৰিকক চিনাক্ত কৰিবলৈ যাওঁতে কোনো লোকক যাতে জোৰ-জুলুম কৰা নহয় তাৰ প্ৰতি নজৰ দিয়া হ'ব।

(৮) ১৯৬১ চনৰ আগেয়ে অসমত প্ৰৱেশ কৰা আৰু তাত বসবাস কৰা লোকক স্বাভাৱিক প্ৰক্ৰিয়াতে নাগৰিকত্ব দিয়া হ'ব।

(৯) (ক) ১৯৬১ আৰু ১৯৭১ চনৰ মাজত অসমলৈ অহা বিদেশী নাগৰিকক ধৰা হ'ব আৰু এই উদ্দেশ্যে সংশ্লিষ্ট সকলোৰে আস্থাভাজন এটা প্ৰক্ৰিয়া গঠন কৰা হ'ব।

(খ) ধৰা পেলোৱা প্ৰতিজন বিদেশী নাগৰিকক নাগৰিকত্বৰ বাবে থকা দাবীৰ ক্ষেত্ৰত তিনি মাহৰ ভিতৰত প্ৰামাণ্য নথিপত্ৰ এই উদ্দেশ্যে গঠিত ন্যায়াধিকৰণৰ ওচৰত দাখিল কৰাৰ সুবিধা দিব লাগিব। তেনে প্ৰামাণ্য নথিপত্ৰ দাখিল কৰিব নোৱৰা বিদেশী নাগৰিকক নাইবা ন্যায়াধিকৰণে অগ্ৰাহ্য কৰা তেনে লোকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হ'ব।

(গ) নাগৰিকত্বৰ দাবীৰ ক্ষেত্ৰত ন্যায়াধিকৰণৰ বিচাৰৰ কিবা খুঁত থাকিলে বিশেষ আপীলৰ দ্বাৰা ন্যায়াধিকৰণৰ ওচৰত আবেদন কৰিব পাৰিব।

(ঘ) নাগৰিকত্বৰ অধিকাৰৰ দাবী অগ্ৰাহ্য হোৱা নাইবা ভোটাৰ তালিকাৰ পৰা নাম বাদ পৰাসকলক অসমৰ বাহিৰত সংস্থাপন কৰা হ'ব। অসমৰ বাহিৰত অস্থায়ীভাৱে বসবাস নকৰাসকলক নাগৰিকত্ব দিয়া নহয়।

(১০) ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত অসমত প্ৰৱেশ কৰা বিদেশী লোকসকলৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হ'ব আৰু তেওঁলোকক বহিষ্কাৰ কৰিবলৈ ব্যৱস্থা লোৱা হ'ব।

(১১) ৰাজ্যখনত প্ৰৱেশ কৰা অথচ আগেয়ে বহিষ্কৃত লোকসকলক পুনৰ বহিষ্কাৰ কৰা হ'ব, আৰু

(১২) অসমীয়া লোকসকলৰ সাংস্কৃতিক-ভাষিক স্বকীয়তা আৰু ঐতিহ্য ৰক্ষা আৰু সমৃদ্ধ কৰাৰ কাৰণে ৰক্ষাকৱচ দিয়া হ'ব।

১৮ আগষ্ট : গোৱালপাৰা জিলাৰ ধুবুৰী চহৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ

ছাত্র সন্থাই হুজুৰীৰ মৃত্যুৰ বাবে শোক দিৱস পালন কৰে আৰু ৮ জানুৱাৰীত সদৌ অসম ছাত্র সন্থা আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ আহ্বানমৰ্মে অসমজুৰি শোক দিৱস পালন কৰা হয়। ৬, ৭ জানুৱাৰীত বৰ্তমানৰ বৰপেটা জিলাৰ অন্তৰ্গত সৰ্থেবাৰী, মাটিখোৱা, নেউলৰ ভিঠা, কাৱৈমাৰী আদি স্থানত কেইবাখনো গাঁও অভিবাসী মুছলমানে জ্বলাই দিয়ে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে পুলিচে গুলীচালনা কৰিব লগা হোৱাত দুজন লোকৰ মৃত্যু হয়। ৭ জানুৱাৰীত বৰ্তমানৰ নলবাৰী জিলাৰ মুকালমুৱাত সংঘৰ্ষ হয় আৰু আন্দোলনকাৰীৰ আক্ৰমণত দুজন লোকৰ মৃত্যু হয়। আন্দোলনকাৰীয়ে মুকালমুৱা অঞ্চলৰ বাংলাভাষী লোকৰ ঘৰত সংঘবদ্ধ আক্ৰমণ চলাইছিল। ৮ জানুৱাৰীত উত্তৰ কামৰূপক অশান্ত অঞ্চল হিচাপে ঘোষণা কৰা হয়।

দুলীয়াজানৰ হত্যাকাণ্ড

৯ জানুৱাৰীৰ পৰা অসমৰ তৈলক্ষেত্ৰসমূহত পিকেটিং কৰাৰ সিদ্ধান্ত লোৱা হয়। এই ঘোষণাৰ পিচতে কেন্দ্ৰীয় চৰকাৰে তেনে স্থানবোৰ সংৰক্ষিত অঞ্চল বুলি ঘোষণা কৰে। পিকেটিঙৰ প্ৰতি সমৰ্থন জনাই যিসকল কৰ্মচাৰীয়ে নিজ সেৱাৰ পৰা বিৰত আছিল বা আন্দোলনকাৰীৰ হেঁচাত পৰি কামত যোগ দিব পৰা নাছিল সেইসকল কৰ্মচাৰীৰ দৰমহাৰ এটা অংশ কটা হৈছিল। ১০ জানুৱাৰীত প্ৰতিবাদ দিৱস পালন কৰা হয়। পিকেটিঙৰ ফলত তেল সৰবৰাহত ব্যাঘাত জন্মিছিল আৰু ইয়াৰ প্ৰতিক্ৰিয়াস্বৰূপে অসমলৈ খাদ্য কঢ়িয়াই অনা প্ৰায় এহাজাৰ ট্ৰাকক অসমত প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাছিল। ইয়াৰ মাজতে ১৯৮০ চনৰ ১০ জানুৱাৰীত ইন্দিৰা গান্ধীয়ে পুনৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ পদ দখল কৰে। প্ৰধানমন্ত্ৰীৰ পদ দখল কৰিয়েই গান্ধীয়ে খাৰুৱা তেলৰ সৰবৰাহ বন্ধ হোৱালৈ লক্ষ্য ৰাখি আছুৰ লগত আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়।

নিলগৰ চৌধুৰী চৰ আৰু ফুলকাততাৰী নামৰ গাঁও দুখনত নিশা সদলবলে অসংখ্য নাৱেৰে বস্তু-বাহানি ল'ৰা-তিৰোতা, অস্ত্ৰ-শস্ত্ৰ লৈ শ শ বাংলাদেশী লোকে সীমান্ত অতিক্ৰম কৰি প্ৰৱেশ কৰে আৰু সেই অঞ্চলত বসবাস কৰা খিলঞ্জীয়া পৰিয়ালসমূহক তাৰ পৰা খেদি পঠায়।

২০ আগষ্ট ঃ গুৱাহাটীৰ ৰে'ল ষ্টেচনত পাণ্ডু-গুৱাহাটী শ্বাটল ৰে'লখনে তিনিচুকীয়া মেইলৰ শেষৰটো দবাত খুন্দা মৰাৰ ফলত ৫জন লোক নিহত, ২৭জন আহত।

২৩ আগষ্ট ঃ অসমৰ বিদেশী নাগৰিক সন্দৰ্ভত ৬ দিন ধৰি হোৱা আলোচনা ১৯৬১-৭১ৰ কালছোৱাত প্ৰৱেশ কৰা বিদেশী লোকসকলৰ সন্দৰ্ভত হোৱা অচলাৱস্থাৰ ফলত পুনৰ ব্যৰ্থ হয় আৰু চৰকাৰী পক্ষৰ অনুৰোধৰ ফলত এসপ্তাহৰ বাবে স্থগিত ৰখা হয়। আন্দোলনকাৰীসকলে ১৯৬১-৭১ৰ ভিতৰৰ কিছুমান লোকক যিসকলে নাগৰিকত্বৰ দাবী কৰিবলৈ অৰ্হতা থকা বা সেইসকলক অসমত থাকিবলৈ দিয়া হ'ব বোলা চৰকাৰী প্ৰস্তাৱটোৰ স্পষ্টীকৰণ বিচাৰে— উক্ত প্ৰস্তাৱটো একপ্ৰকাৰ প্ৰত্যাখ্যান কৰে।

২ ছেপ্টেম্বৰ ঃ ৰাজ্যিক সংগীত মহাবিদ্যালয় উদ্বোধন কৰা হয়। উদ্বোধন কৰে ৰাজ্যপালৰ উপদেষ্টা ভি নটৰাজনে।

৫ ছেপ্টেম্বৰ ঃ তেজপুৰৰ পৰা প্ৰকাশিত তিনিদিনীয়া বাতৰিকাকত মহাজাতিৰ সম্পাদক-মুদ্ৰক প্ৰণৱ সিংহক ১২১, ১২১ (ক), ১২৪ (ক) ধাৰাত অভিযুক্ত কৰি গ্ৰেপ্তাৰ।

১১ ছেপ্টেম্বৰ ঃ গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত নিৰ্মাণ কৰা বিমলা প্ৰসাদ চলিহা সোঁৱৰণী ছুইমিং পুলটো ৰাজ্যপাল প্ৰকাশ মেহৰোট্ৰাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

১৬ ছেপ্টেম্বৰ ঃ গুৱাহাটীৰ জুৰোডটোৰ নাম আনুষ্ঠানিকভাৱে ৰাধাগোবিন্দ বৰুৱাৰ নামেৰে নামকৰণ কৰা হয়।

২৬ ছেপ্টেম্বৰ ঃ সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা মাধ্যম আন্দোলনৰ বিশিষ্ট নেতা প্ৰসন্ন নাৰায়ণ চৌধুৰীৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু।

ইফালে ১৮ জানুৱাৰীত তেল প্ৰতিষ্ঠানত পিকেটিং কৰিবলৈ শ শ লোক ওলাই আহে। উক্ত দিনা পিকেটিংকাৰীসকলৰ ওপৰত আৰক্ষীয়ে গুলীবৰ্ষণ কৰাত চাৰিজন লোক নিহত হয়। পুলিচৰ গুলীত নিহত এইসকল লোক আছিল— অজিত নেওগ, নগেন ডেকা, নৃপেন বৰা আৰু কুমুদ গগৈ। ১৮ জানুৱাৰীৰ পুলিচৰ এই নৃশংস আক্ৰমণৰ প্ৰতিবাদস্বৰূপে ২৬ জানুৱাৰীত গণৰাজ্য দিৱসৰ চৰকাৰী কাৰ্যসূচী বৰ্জন কৰা হৈছিল।

ইন্দিৰা গান্ধীৰ মন্তব্য

১৯৮০ চনৰ ২৫ জানুৱাৰীত ভাৰতবৰ্ষৰ নৱনিৰ্বাচিত প্ৰধানমন্ত্ৰীগৰাকীৰ এটা বক্তব্যই সমগ্ৰ অসম জোকাৰি যায়। প্ৰধানমন্ত্ৰীয়ে তেওঁৰ বক্তব্যত এনেদৰে কৈছিল ঃ 'দিল্লীলৈ অহা সকলো লোককে লগ পাবলৈ মই আগ্ৰহী। ভিন্ন শ্ৰেণীৰ লোকে আন ভিন ভিন লোকসকলক বিদেশী বুলি কৈছে। আমি চাব লাগিব কোন বিদেশী হয় আৰু কোন বিদেশী নহয়। যিসকল লোক আমাৰ সৈতে সুখ-দুখৰ সমভাগী হৈছে, নিৰ্বাচনত ভোটদান কৰিছে তথা আমাৰ সৈতে আছে আৰু যিসকলে দীৰ্ঘদিনৰ বাবে ইয়াত বসবাস কৰি আহিছে— সেইসকলক বিদেশী বুলি ক'ব পৰা নাযায়। যদিহে অসমে এনে লোকসকলক গ্ৰহণ কৰিব নিবিচাৰে তেন্তে আমি তেওঁলোকৰ বাবে আন ঠাইৰ ব্যৱস্থা কৰিব লাগিব।'

প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনা

১৯৮০ৰ ১ আৰু ২ ফেব্ৰুৱাৰীত সমগ্ৰ অসমতে গণ-অনশন পালন কৰা হয়। ২ ফেব্ৰুৱাৰীত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ সৈতে প্ৰধানমন্ত্ৰীৰ আলোচনা অনুষ্ঠিত হয়। ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত যোৱা এই দলটোত আছিল— ভৃগু কুমাৰ ফুকন, ভৰত

২৭ অক্টোবৰ ঃ অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ বিষয়ে দিল্লীত পুনৰ আলোচনা।

৩ নৱেম্বৰ ঃ অসমৰ বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰিবৰ কাৰণে মন স্থিৰ কৰি আলোচনাত নবহিলে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃবৃন্দ কেন্দ্ৰীয় চৰকাৰৰ সৈতে ভৱিষ্যতে আলোচনাত নবহে।

৪ নৱেম্বৰ ঃ নিঃস্বাৰ্থ সেৱা কাৰ্যৰ বাবে যমুনালাল বাজাজ বঁটা অমলপ্ৰভা দাসলৈ।

১০ নৱেম্বৰ ঃ গুৱাহাটীৰ অসম টেক্সটাইল্‌ছ ইনষ্টিটিউটত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত এক বিশাল গণসমাৱেশ আয়োজন কৰা হয় আৰু এই সমাৱেশত কেন্দ্ৰীয় চৰকাৰৰ লগত হোৱা আলোচনাত আন্দোলনকাৰীয়ে আগবঢ়োৱা ১৭ দফীয়া প্ৰস্তাৱক যদি কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ নকৰে, তেন্তে পৰৱৰ্তী সময়ত আন্দোলনকাৰীসকলে এক প্ৰবল আন্দোলন গঢ়ি তোলাৰ ভাবুকি দিয়ে।

- আছুৰ উদ্যোগত জজ খেলপথাৰত কেন্দ্ৰীয় গণসমাৱেশ পালন।

১২ নৱেম্বৰ ঃ দহ মাহৰ বিৰতিত আন্দোলনকাৰী তথা সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ সদস্যসকলে ১৯ নৱেম্বৰৰ পৰা ৩০ নৱেম্বৰ (১৯৮১)লৈ তিনিখলপীয়া কাৰ্যসূচীৰ যোগেদি আন্দোলন পুনৰ সক্ৰিয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু এই যুটীয়া বৈঠকে ১৯ নৱেম্বৰত নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰৰ লগত হ'ব লগা আলোচনাক পৰোক্ষভাৱে অগ্ৰাহ্য কৰি আলোচনাৰ বাবে কেন্দ্ৰীয় নেতৃবৃন্দক গুৱাহাটীলৈ আমন্ত্ৰণ কৰে।

১৭ নৱেম্বৰ ঃ সৰ্বমুঠ ১০ হাজাৰ টেলিফোনৰ সংযোগ দিব পৰা এটা নতুন টেলিফোন এক্সচেঞ্জৰ ভৱন গুৱাহাটীত উদ্বোধন।

১৮ নৱেম্বৰ ঃ অসমৰ আন্দোলনকাৰীসকলে আহ্বান কৰা ৩৬ ঘণ্টীয়া অসম বন্ধৰ কাৰ্যসূচীৰ সময়ছোৱাত অসমত ৰে'লৰে, ডাক বিভাগ আৰু বিমানবন্দৰৰ কাম-কাজ আৰু ইয়াৰ পৰিচালনা সম্পৰ্কীয় সেৱাত

নৰহ, ললিত ৰাজখোৱা, মানছিং ৰংপি, আবু নাছেৰ, ইফতিকাৰ হুছেইন বৰা, ধ্ৰুৱপ্ৰসাদ বৈশ্য, দেৱপ্ৰসাদ বৰা আৰু অধ্যাপক কুমুদ নাথ শৰ্মা। আছুৰ দলটোৱে প্ৰধানমন্ত্ৰীৰ হাতত জমা দিবলৈ ১১৯ পৃষ্ঠাৰ এখন স্মাৰকপত্ৰও লগত লৈ গৈছিল। আছুৰ দলটোৱে প্ৰধানমন্ত্ৰীৰ সৈতে ৮০ মিনিট ধৰি আলোচনা চলায় যদিও আলোচনাত কোনো সিদ্ধান্ত নোলাল। এই আলোচনাত আন্দোলনকাৰীসকলৰ ফালৰ পৰা দাবী তোলা হৈছিল যে ১৯৫১ চনৰ ভিত্তিত ভোটাৰ তালিকা শুদ্ধ কৰিব লাগে আৰু তাৰ আধাৰতে বিদেশী বহিষ্কাৰ কৰিব লাগে। ইন্দিৰা গান্ধীয়ে ১৯৫১ চনৰ সলনি ১৯৭১ চনক ভিত্তিবৰ্ষ হিচাপে ল'বলৈ আহ্বান জনাইছিল।

এই সময়তে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী জ্যোতি বসুৱে প্ৰধানমন্ত্ৰীৰ সৈতে আছুৱে কৰা আলোচনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে যদিহে বিদেশী বিতাড়নত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী মান্তি হয় তেন্তে পশ্চিম বংগই কোনো লোকক আশ্ৰয় প্ৰদান নকৰিব। জ্যোতি বসুৱে এই আন্দোলনৰ সৈতে বিদেশী শক্তি জড়িত থকাৰ শংকাও ব্যক্ত কৰিছিল। ৫ ফেব্ৰুৱাৰীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে তেওঁলোকে কৰা দাবীসমূহৰ ভিতৰত নিম্ন উল্লিখিত দাবীসমূহ চৰকাৰে মানি ল'ব বুলি এক ঘোষণা আগবঢ়ায়। এই দাবীসমূহ হ'ল—

(১) বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা বাতিল কৰা হ'ব আৰু বিদেশীসকলক বহিষ্কাৰ কৰা হ'ব।

(২) অসমত পুনৰ নিৰ্বাচন পতাৰ আগতে সংশ্লিষ্ট ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম বাদ দিয়া হ'ব।

(৩) অসমত যিকোনো নিৰ্বাচনৰ বাবে প্ৰস্তুত কৰি উলিয়াব লগা ভোটাৰ তালিকাত যাতে বিদেশী নাগৰিকৰ নামৰ প্ৰৱেশ নঘটে তাৰ বাবে এক শক্তিশালী নিৰ্বাচনী যন্ত্ৰ তৈয়াৰ কৰা হ'ব।

(৪) অসমত কাম কৰা সকলো ভাৰতীয় নাগৰিকক চিনাক্ত

ধৰ্মঘট নিষিদ্ধ কৰি কেন্দ্ৰীয় চৰকাৰে অসমৰ কৰ্মচাৰীসকললৈ এক আদেশ জাৰি কৰে।

• অসমৰ প্ৰাক্তন ডি আই জি হিৰণ্য কুমাৰ ভট্টাচাৰ্যই তেওঁক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ বিৰুদ্ধে দিয়া ৰিট আৱেদনখন উচ্চতম ন্যায়ালয়ে অগ্ৰাহ্য কৰে।

১৯ নৱেম্বৰ ঃ ১৯ আৰু ২০ তাৰিখত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানক্ৰমে দেশক বিদেশীমুক্ত কৰাৰ দাবীত অসম বন্ধ।

৩০ নৱেম্বৰ ঃ ১২ ঘণ্টীয়া পথবন্ধ পালন।

১৪-১৫ ডিচেম্বৰঃ আন্দোলনকাৰী-সকলৰ উদ্যোগত আইন অমান্য আন্দোলন পালন।

২১ ডিচেম্বৰ ঃ অসমত ৰাষ্ট্ৰপতিৰ শাসন ৩০ ডিচেম্বৰৰ পৰা পুনৰ ছমাহলৈ বৃদ্ধি।

• পাটনাত অনুষ্ঠিত ২৭ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেম্‌ছ ফুটবলত উত্তৰ প্ৰদেশক (২-০) পৰাজিত কৰি অসম দল চেম্পিয়ন।

২৬ ডিচেম্বৰ ঃ ব্ৰহ্মপুত্ৰৰ ওপৰত ভোমোৰাগুৰিত ৬০ কোটি টকা ব্যয় কৰি সাজিবলগীয়া কলীয়াভোমোৰা দলঙৰ নিৰ্মাণকাৰ্য আৰম্ভ। ৩,৪৯৫ মিটাৰ দীঘল (শৰাইঘাট দলঙতকৈ দীঘল) এই দলংখনৰ নিৰ্মাণৰ নিবিদামৰ্মে হিন্দুস্থান কনষ্ট্ৰাক্‌চন কোম্পানী লিমিটেড চুক্তিবদ্ধ হৈছে।

২৭ ডিচেম্বৰ ঃ ৪৩সংখ্যক ৰাষ্ট্ৰীয় টেবুল টেনিছ প্ৰতিযোগিতাৰ ছোৱালীৰ ছিংগল্‌ছত অসমৰ মিতা সিন্‌হা ৰায় চেম্পিয়ন।

৩১ ডিচেম্বৰ ঃ আছুৰ আহ্বানত ৩৪ ঘণ্টীয়া অসম বন্ধ পালন।

• অবৈধ বিদেশী নাগৰিকক ৰাজ্যৰ পৰা বিতাড়ন কৰাৰ দাবীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে আহ্বান কৰা পথবন্ধ কাৰ্যসূচীত নগাঁৱৰ ডিমৌত অংশগ্ৰহণ কৰা জনসাধাৰণৰ ওপৰত পুলিচে গুলীচালনা কৰোঁতে তিনিজন ছাত্ৰ নিহত।

কৰাৰ বাবে পৰিচয়পত্ৰ দিয়া হ'ব আৰু পৰিচয়পত্ৰৰ সৈতে ফটো সংযোজিত কৰা হ'ব।

(৫) প্ৰতিৱেশী ৰাষ্ট্ৰৰ সৈতে থকা অসমৰ সীমাত যাতে কোনো বিদেশীৰ অসমত প্ৰৱেশ নঘটে তাৰ বাবে ব্যৱস্থা লোৱা হ'ব।

(৬) ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু গৃহ মন্ত্ৰী জাইল সিঙে আন্দোলনকাৰীসকলক উল্লিখিত দাবীসমূহ পূৰণ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাৰ কিছুদিন পিচতে ২০ ফেব্ৰুৱাৰীত জাইল সিং আৰু পি চি শেঠী অসমলৈ আহে। তেওঁলোকে আন্দোলনকাৰীসকলক আন্দোলন বন্ধ ৰাখিবলৈ আহ্বান জনায়। ২৪ ফেব্ৰুৱাৰীত কেন্দ্ৰীয় চৰকাৰে ১৯৭১ চনক ভিত্তিবৰ্ষ হিচাপে লৈ সমস্যাটোৰ সমাধান কৰিবলৈ বিচাৰে যদিও আন্দোলনৰ নেতৃবৰ্গই তাত সন্মতি জ্ঞাপন নকৰিলে।

পশ্চিম বংগৰ প্ৰতিক্ৰিয়া

অসম আন্দোলন চলি থকাৰ সময়ত অসমৰ আভ্যন্তৰীণ বিষয়ত পশ্চিম বংগ চৰকাৰ তথা সোঁ-বাঁও নিৰ্বিশেষে ৰাজ্যখনৰ ৰাজনৈতিক দলসমূহে দৃষ্টিকটু ৰূপত হস্তক্ষেপ কৰাটো পৰিলক্ষিত হৈছিল। জাইল সিং আৰু শেঠীয়ে আন্দোলনৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰি সিদ্ধান্ত লোৱাৰ সময়তে এই সিদ্ধান্তক লৈ পশ্চিম বংগত তুমুল প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। ইয়াৰ আগতে ১৯৮০ চনৰ ২৬ জানুৱাৰীত পশ্চিম বংগৰ কংগ্ৰেছ নেতা ড° জয়নাল আবেদিনে পশ্চিম বংগ বিধানসভাত বাঁওপন্থী চৰকাৰক আহ্বান জনায় যে অসম আন্দোলনৰ বিৰুদ্ধে এক অহিংস প্ৰতিৰোধ আন্দোলন গঢ়ি তুলিব লাগে। একেদৰে ২৮ ফেব্ৰুৱাৰীত পশ্চিম বংগ বিধানসভাত এক প্ৰস্তাৱযোগে এনেদৰে কোৱা হয়— 'The way the non-Assamese Indians are being branded as foreigners and driven out of Assam is fought with grave consequences and

১৯৮২

১ জানুৱাৰী ঃ পুলিচৰ গুলীচালনাত তেজপুৰত তিনিজন নিহত হয়। নগাঁৱৰ শিঙিয়াত পুলিচৰ গুলীচালনাত এজন নিহত।

৪ জানুৱাৰী ঃ মহানগৰীত বলৱৎ থকা ১৪৪ ধাৰা আইন অমান্য কৰি সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ কাৰ্যনিৰ্বাহকৰ সদস্যকে ধৰি ৫০জনৰো অধিক নেতাই গ্ৰেপ্তাৰ বৰণ কৰে।

● চৰকাৰে জাৰি কৰা ১৪৪ ধাৰা ভংগ কৰিবলৈ আছু-গণ সংগ্ৰাম পৰিষদৰ কাৰ্যনিৰ্বাহকসকলে শোভাযাত্ৰা কৰে।

৫ জানুৱাৰী ঃ গুৱাহাটী উকীল সন্থা, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ উকীল সন্থা আৰু গুৱাহাটী তৰণী সন্থাৰ সদস্যসকলে সকলো আদালত-ন্যায়াধিকৰণ আদি বৰ্জন কৰি যুটীয়াভাৱে মহানগৰীৰ পথত মৌন সমদল উলিয়াই ১৪৪ ধাৰা ভংগ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ বৰণ কৰে।

● ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ভৰত নৰহ, স্বেচ্ছাসেৱক বাহিনীৰ প্ৰধান জয়নাথ শৰ্মা, গগন দত্ত, গিৰীন বৰুৱা আৰু যতীন মালীক আটক।

● অসমৰ বিদেশী নাগৰিক সম্পৰ্কীয় বিষয়ত ১৮ জানুৱাৰীত হ'ব লগা আলোচনাৰ বাবে অসমৰ আন্দোলনকাৰীসকলৰ লগতে কেন্দ্ৰীয় চৰকাৰে ৬টা বিৰোধী দলৰ নেতৃবৃন্দক আনুষ্ঠানিকভাৱে আমন্ত্ৰণ জনায়। আমন্ত্ৰিত লোকসকল হ'ল— ইন্দ্ৰজিৎ গুপ্ত (চি পি আই), এইচ কে সুৰজিত (চি পি এম), চৰণ সিং (লোকদল), ৰবীন্দ্ৰ বাৰ্মা (জনতা), এ বি বাজপেয়ী (বিজেপি) আৰু ভেলা পাছৱান শাস্ত্ৰী (কংগ্ৰেছ)।

১০-১১ জানুৱাৰী ঃ আছু-গণ সংগ্ৰাম পৰিষদৰ দ্বাৰা আইন অমান্য আন্দোলন ঘোষণা।

১২ জানুৱাৰী ঃ প্ৰাক্তন বিত্ত মন্ত্ৰী কেশৱ চন্দ্ৰ গগৈ অসম কংগ্ৰেছ (ই) বিধায়িনী দলৰ নেতা নিৰ্বাচিত।

১৩ জানুৱাৰী ঃ অসমৰ নতুন মুখ্যমন্ত্ৰী কেশৱ চন্দ্ৰ গগৈৰ শপত গ্ৰহণ।

১৮ জানুৱাৰী ঃ বিদেশী নাগৰিকৰ প্ৰশ্ন

this house is concerned over its implications. This movement is directed against all non-Assamese Indians irrespective of religious affiliations– Hindus, Muslims, Buddhists and Christians. Indians living in Assam for a long time are all branded as foreigners.' অসমত থকা সকলো অনা-অসমীয়াক বিদেশী বুলি আখ্যায়িত কৰি সেইসকলক অসমৰ পৰা খেদিবলৈ বিচৰাটো ভাৰতবৰ্ষৰ সামগ্ৰিক অখণ্ডতা আৰু ঐক্যৰ বাবে এক ডাঙৰ ভাবুকি বুলি পশ্চিম বংগ বিধানসভাই শংকা অনুভৱ কৰিছিল। অসম আৰু মেঘালয়ত চলি থকা আন্দোলনসমূহ আগ্ৰাসী জাতীয়তাবাদী, আঞ্চলিকতাবাদী আৰু বিচ্ছিন্নতাবাদী বুলি পশ্চিম বংগৰ বিধানসভাৰ প্ৰস্তাৱটোত কোৱা হৈছিল আৰু ভাৰতবৰ্ষৰ ঐক্য আৰু অখণ্ডতাৰ প্ৰতি এক ভাবুকি বুলি কোৱা হৈছিল— 'This movement in Assam and Meghalaya has assumed the character of aggressive nationalism, provincialism and secessionism. The concept of Indian unity and integrity is being threatended by this movement.'

১৯৮০ চনৰ ১ মাৰ্চত ইন্দিৰা গান্ধীয়ে সংসদৰ মজিয়াত বিৰোধী দলৰ নেতৃবৰ্গক অসম আন্দোলনৰ বিষয়ে অৱগত কৰায় আৰু মীমাংসাৰ বাবে বিৰোধী দলসমূহৰ পৰা উপদেশ বিচাৰে। ১৯৭১ চনৰ ২৫ মাৰ্চকে বিদেশী নাগৰিক চিনাক্তকৰণৰ আধাৰ হিচাপে ল'ব লাগে বুলি সৰহভাগ বিৰোধী ৰাজনৈতিক দলৰ পৰা মত প্ৰকাশ কৰা হয়। চি পি আই (এম)ৰ পৰা বক্তব্য আগবঢ়োৱা হয় যে অসমৰ বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়াটোত মানৱীয় দৃষ্টিভংগী জড়িত হৈ থকাটো অতীব প্ৰয়োজনীয়।

১৯৮০ চনৰ ৭ মাৰ্চত ইন্দিৰা গান্ধীৰ সৈতে দ্বিতীয়লানি আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত অংশ ল'বৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ

সম্পৰ্কে পোনপ্ৰথমবাৰৰ বাবে চৰকাৰ, বিৰোধী পক্ষ আৰু আন্দোলনকাৰী নেতাৰ মাজত দিল্লীত ত্ৰিপাক্ষিক আলোচনা আৰম্ভ।

২০ জানুৱাৰী ঃ ত্ৰিপাক্ষিক আলোচনাত সীমাৰ নিৰাপত্তা সম্পৰ্কত মীমাংসা। ভৱিষ্যতৰ অনুপ্ৰৱেশত বাধা দিবৰ উদ্দেশ্যে অসম-বাংলাদেশ সীমান্ত ৰক্ষা কৰাৰ ক্ষেত্ৰত এটা চাৰিদফীয়া মীমাংসাত উপনীত হয়। অনুপ্ৰৱেশ বন্ধ কৰাৰ অৰ্থে ব্যৱস্থা গ্ৰহণ আৰু বিদেশীক চিনাক্তকৰণ কৰাৰ অৰ্থে চৰকাৰী খচৰা সূত্ৰ এটা উদ্ভাৱন কৰা সম্পৰ্কত মীমাংসা হোৱাৰ পিচতে ত্ৰিপাক্ষিক আলোচনাৰ সামৰণি পৰে। বিদেশী চিনাক্তকৰণৰ বাবে চৰকাৰে খচৰা সূত্ৰ এটা উদ্ভাৱন কৰা বিষয়ত আন্দোলনৰ নেতৃবৰ্গই নীতিগতভাৱে কোনো আপত্তি নকৰিলে।

২৬ জানুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে গণৰাজ্য দিৱসৰ দিনটোত ১২ ঘণ্টাৰ কাৰণে 'অসম সান্ধ্য আইন' পালন কৰে।

২৮ জানুৱাৰী ঃ ৰাষ্ট্ৰীয় নিৰাপত্তা আইনত গ্ৰেপ্তাৰ কৰা অসমৰ সীমান্ত বিভাগৰ দায়িত্বত থকা প্ৰাক্তন ডি আই জি হিৰণ্য কুমাৰ ভট্টাচাৰ্যক এবছৰ পূৰ্ণ হোৱাত গুৱাহাটী কাৰাগাৰৰ পৰা মুক্তি।

৫ ফেব্ৰুৱাৰী ঃ গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজত নাও দুৰ্ঘটনাত ৩জনৰ মৃত্যু।

৮ ফেব্ৰুৱাৰী ঃ বিদেশী নাগৰিক সম্পৰ্কীয় প্ৰশ্নত ত্ৰিপাক্ষিক আলোচনাত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃবৰ্গই কয় যে ৰাজ্যখনত বিদেশী নাগৰিক চিনাক্তকৰণৰ বাবে যিবোৰ নথিপত্ৰৰ প্ৰয়োজন সেইবোৰৰ লগত মাটিৰ দলিল, ৰেচন কাৰ্ড আৰু স্কুলৰ প্ৰমাণপত্ৰৰ লেখীয়া ৰাজহুৱা নথিপত্ৰক সামৰি লোৱা নহ'ব। তেনে নথিপত্ৰ সামৰি লোৱা মানে অসমত লাখ লাখ বিদেশী নাগৰিকক গ্ৰহণ কৰা।

১৩ ফেব্ৰুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গই স্পষ্টকৈ কয় যে অসমে ১৯৬১-৭১ৰ ভগনীয়াক কেতিয়াও গ্ৰহণ নকৰে। গৃহ মন্ত্ৰী জাইল সিঙে স্পষ্টভাৱে ঘোষণা কৰে যে দেশ বিভাজনৰ পিচত অসমলৈ

লগতে সদৌ অসম গণ সংগ্ৰাম পৰিষদকো আহ্বান জনোৱা হৈছিল। এই আলোচনাত উল্লিখিত দুই সংগঠনৰ দ্বাৰা যুটীয়াভাৱে প্ৰস্তুত কৰা এক চুক্তিপত্ৰক আলোচনাৰ আধাৰ হিচাপে ল'বলৈ অনুৰোধ জনোৱা হয়। এই আধাৰপত্ৰ গ্ৰহণ কৰিলে আন্দোলনকাৰীসকলে আন্দোলন বন্ধ ৰাখিব বুলিও প্ৰতিশ্ৰুতি দিয়া হয়। এই আলোচনা ১২ মাৰ্চপৰ্যন্ত চলে যদিও আলোচনাৰ কোনো সুফল দেখা পোৱা নগ'ল। ১২ এপ্ৰিলত ইন্দিৰা গান্ধী অসম ভ্ৰমণলৈ আহে আৰু আন্দোলনকাৰীসকলৰ লগত আলোচনাত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে আন্দোলনকাৰীসকলক পুনৰ ১৯৭১ চনটোকে ভিত্তিবৰ্ষ হিচাপে ল'বলৈ আহ্বান জনায় যদিও আন্দোলনকাৰীসকলে এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে।

১৯ এপ্ৰিলৰ আন্দোলন

ভাৰত চৰকাৰৰ সৈতে উপৰ্যুপৰি হোৱা আলোচনাত কোনো সমাধানসূত্ৰ নোলোৱাত অসমৰ প্ৰায়সংখ্যক লোককে এক হতাশাই জুমুৰি দি ধৰিছিল। এনেতে ১৯৮০ চনৰ ১৯ এপ্ৰিলৰ দিনা গুৱাহাটীত এক গণবিক্ষোভৰ ঘটনা সংঘটিত হয়। উক্ত দিনা সান্ধ্য আইন ভংগ কৰি হাজাৰ হাজাৰ জনতাই ৰাজপথেৰে নাৰেংগীত অৱস্থিত অইল ইণ্ডিয়াৰ কাৰ্যালয়লৈ সমদল কৰি আগবাঢ়িল। ২০ এপ্ৰিলৰ দিনা নাৰেংগী তৈলক্ষেত্ৰত সান্ধ্য আইন জাৰি কৰা হয়। অৱশ্যে আন্দোলনকাৰীৰ তীব্ৰ দাবীৰ ওচৰত সেও মানি অৱশেষত অসম চৰকাৰে সান্ধ্য আইন উঠাই ল'ব লগা হয়।

৩০ মে'ৰ বিবৃতি

১৯৮০ চনৰ ৩০ মে'ত সদৌ অসম ছাত্ৰ সন্থাই এক বিবৃতি প্ৰকাশ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু

অহা ভগনীয়াসকলক আশ্ৰয় আগবঢ়াবৰ বাবে থকা এক ৰাষ্ট্ৰীয় দায়বদ্ধতাৰ পৰা চৰকাৰ পিছুহঁহকি নাযায়। অসম আন্দোলনৰ নেতৃবৰ্গই আজি পৰিষ্কাৰভাৱে জনাই দিয়ে যে কোনো আইনগত সমৰ্থন নথকা গোপন নীতি-নিৰ্দেশিকাৰ কাৰণেই অসমৰ ৰাইজে আগৰ পূব পাকিস্তানৰ পৰা অহা ১৯৬১-৭১ চনৰ কালৰ ভগনীয়াসকলক কেতিয়াও গ্ৰহণ নকৰে।

১৭ মাৰ্চ ঃ ৬৪ দিনীয়া কেশৱ গগৈ মন্ত্ৰীসভাৰ বিৰুদ্ধে বিধানসভাত অনাস্থা প্ৰস্তাৱ উত্থাপন।

১৮ মাৰ্চ ঃ মুখ্যমন্ত্ৰী কেশৱ চন্দ্ৰ গগৈ নেতৃত্বাধীন ৰাজ্যৰ ৬৫ দিনীয়া কংগ্ৰেছ (ই) মন্ত্ৰীসভাৰ পদত্যাগ।

- বড়ো নৃত্যৰ বাবে অসমৰ কামিনী কুমাৰ নাৰ্জাৰীলৈ সংগীত নাটক একাডেমীৰ ৰাষ্ট্ৰীয় বঁটা।

১৯ মাৰ্চ ঃ অসম বিধানসভা ভংগ আৰু ৰাষ্ট্ৰপতিৰ শাসন।

২৫ মাৰ্চ ঃ অসমৰ পৰা বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত অসমৰ অধিবক্তাসকলে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানক্ৰমে আদালত বৰ্জন কৰে আৰু মহকুমাধিপতি আৰু জিলা উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান কৰে।

২৯-৩১ মাৰ্চ ঃ আন্দোলনকাৰীসকলৰ উদ্যোগত খেতিয়কৰ সমাৱেশ ঘটোৱা আৰু ৩১ মাৰ্চত কৃষকৰ দ্বাৰা স্মাৰকপত্ৰ প্ৰদান কৰা হয়।

২৯ মাৰ্চ ঃ গৃহ মন্ত্ৰী জাইল সিঙৰ দ্বাৰা উত্থাপিত অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন শীৰ্ষক বিল এখন ৰাজ্যসভাত গৃহীত হোৱাৰ লগে লগে সংসদত এই শাসন ব্যৱস্থাৰ প্ৰতি অনুমোদন জনোৱা হয়। লোকসভাত ১৯ মাৰ্চতে অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন সংক্ৰান্ত ঘোষণাত অনুমোদন জনোৱা হৈছিল।

৩ এপ্ৰিল ঃ ৭ এপ্ৰিলত নতুন দিল্লীত অসমৰ বিদেশী সমস্যা সন্দৰ্ভত হ'ব লগা ত্ৰিপাক্ষিক আলোচনাৰ বাবে ছাত্ৰ সন্থাৰ ১১জনীয়া দল ঘোষণা। তেওঁলোক হ'ল— প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, ললিত ৰাজখোৱা, নুৰুল হুছেইন, অৰুণ শৰ্মা, দিগেন বৰা, যতীন মালী, ৰমেন কলিতা, বিপুল দাস, গগন দত্ত আৰু নৰেন তাঁতী।

ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক ভৰত নৰহে সকলো সম্প্ৰদায়ৰ ভাৰতীয় নাগৰিকৰ মাজত সদ্ভাব, একতা আৰু সমন্বয় অটুট ৰাখিবলৈ বিবৃতিটোত এনেদৰে কয়— 'আজি অসমৰ বিভিন্ন অঞ্চলৰ থলুৱা ৰাইজ বিদেশী লোকৰ দ্বাৰা আঘাতপ্ৰাপ্ত হৈছে। থলুৱা ৰাইজৰ নিৰাপত্তা নোহোৱা হৈছে। চৰকাৰে দায়িত্ব পালন কৰাত শোচনীয়ভাৱে ব্যৰ্থ হৈছে। এইসকল বিপদগ্ৰস্ত ৰাইজৰ সাৰথি হ'বলৈ সভাপতি আৰু ভাৰপ্ৰাপ্ত সম্পাদকে স্বেচ্ছাসেৱক বাহিনীক আহ্বান জনাইছে।' সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত আঞ্চলিক পৰ্যায়ত গঢ় লৈ উঠা স্বেচ্ছাসেৱক বাহিনীবোৰৰ উদ্যোগতে পৰৱৰ্তী সময়ত বিভিন্ন ঠাইত হিংসাত্মক আৰু কূটাঘাতমূলক কাৰ্য সংঘটিত হৈছিল।

অজিত শৰ্মাৰ প্ৰস্তাৱ

ইপিনে ইয়াৰ আগতে ৩১ মাৰ্চত ৰাজ্যপাল লালন প্ৰসাদ সিঙে শ্বিলঙত এখন আলোচনা অনুষ্ঠিত কৰি সদৌ অসম ছাত্ৰ সন্থাক উপস্থিত থাকিবলৈ অনুৰোধ জনাইছিল। আলোচনাত ৰাজ্যপালে ১৯৬৭ চনটোক ভিত্তিবৰ্ষ হিচাপে মানিবলৈ ছাত্ৰ সন্থাক টানি অনুৰোধ জনোৱা বুলি বাতৰি প্ৰকাশ পায় যদিও পৰৱৰ্তী সময়ত ৰাজ্যপালে এই প্ৰস্তাৱৰ সত্যতা নুই কৰে। ৰাজ্যপাল আৰু গৃহ মন্ত্ৰী জাইল সিঙে আন্দোলনকাৰীসকললৈ ৰাজ্যসভাৰ সাংসদ অজিতকুমাৰ শৰ্মাৰ দ্বাৰা দুটা প্ৰস্তাৱ প্ৰেৰণ কৰা বুলি বাতৰি ওলাইছিল। শৰ্মাৰ মতে ৰাজ্যপাল লালন প্ৰসাদ সিঙে দাঙি ধৰা প্ৰস্তাৱ অনুসৰি ১৯৬৭ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত বিদেশী নাগৰিক নিৰ্ণয় হ'ব লাগে। শৰ্মাৰ মতে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ইতিমধ্যে নিশ্চিত কৰি লোৱা ১৯৭১ চনত ভিত্তিবৰ্ষৰ সলনি অসমৰ পৰিস্থিতিলৈ লক্ষ্য ৰাখি ৰাজ্যপালে ১৯৬৭ চনটোকহে ভিত্তিবৰ্ষ কৰিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক জনাইছিল। ছাত্ৰ সন্থাই এই বিষয়ত তেওঁলোকৰ মতামত

৭ এপ্ৰিল ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী জাইল সিং, অসম আন্দোলনৰ নেতৃবৰ্গ আৰু পাঁচটা বিৰোধী দলৰ নেতৃবৰ্গৰ মাজত তৃতীয়লানি ত্ৰিপাক্ষিক বৈঠক আৰম্ভ।

৯ এপ্ৰিল ঃ চৰকাৰ, বিৰোধী নেতৃবৃন্দ আৰু অসমৰ আন্দোলনকাৰী নেতৃবৰ্গৰ মাজত চলা আলোচনাত অগ্ৰগতি নহ'ল।

১৮ এপ্ৰিল ঃ তৃতীয় ত্ৰিপাক্ষিক আলোচনা অমীমাংসিতভাৱে সমাপ্ত।

৬ মে' ঃ ২৮ ঘণ্টীয়া অসম বন্ধ পালন।

১২ মে'ঃ ভাৰত চৰকাৰে ২১জন সদস্যক লৈ ব্ৰহ্মপুত্ৰ ব'ৰ্ড গঠন কৰে। ব'ৰ্ডৰ চেয়াৰমেন, ভাইচ চেয়াৰমেন, জেনেৰেল মেনেজাৰ আৰু বিত্তীয় সদস্য এই চাৰিজন স্থায়ী সদস্য। বাকী সোতৰজন কেন্দ্ৰ, ৰাজ্য, চৰকাৰী বিভাগ আদিৰ প্ৰতিনিধি থাকিব। ১৯৮১ চনৰ ২৭ আগষ্টত ব্ৰহ্মপুত্ৰ ব'ৰ্ড (সংশোধনী) আইন ১৯৮০ত ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰাৰ পিচত ব্ৰহ্মপুত্ৰৰ জলৰাশি উপযুক্তভাৱে নিয়ন্ত্ৰণ কৰি বান নিয়ন্ত্ৰণ, খহনীয়া ৰোধ আৰু অন্যান্য জনহিতকৰ কামৰ বাবে কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ ব'ৰ্ড গঠন কৰাৰ কথা ঘোষণা কৰে।

২ জুন ঃ অসমৰ শ্ৰমিক আন্দোলনৰ আগশাৰীৰ নেতা, প্ৰাক্তন বিধায়ক অতুল চন্দ্ৰ শইকীয়াৰ গুৱাহাটীত মৃত্যু।

৭ জুন ঃ বিশিষ্ট প্ৰাচ্যতত্ত্ববিদ, সংস্কৃত পণ্ডিত, লব্ধপ্ৰতিষ্ঠ সাহিত্যিক, শিক্ষাবিদ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৃষ্ণকান্ত সন্দিকৈৰ ডিব্ৰুগড়ত দেহাৱসান।

৮ জুন ঃ সন্ধিয়া ৬ বজাত সমগ্ৰ অসমতে নিষ্প্ৰদীপ পালন।

৯ জুন ঃ গুৱাহাটীৰ ফটাশিল-আমবাৰীৰ বজাৰ এলেকাত এটা শক্তিশালী বোমাৰ বিস্ফোৰণত ২০জন লোক নিহত আৰু ২৬জন আহত।

● অসমত থকা বিদেশী লোকসকলৰ প্ৰশ্নত হোৱা ষষ্ঠলানি ত্ৰিপাক্ষিক আলোচনা চাৰি দিন ধৰি চলাৰ মূৰকত মীমাংসা নোহোৱাকৈ ৬ ডিচেম্বৰলৈ স্থগিত।

১৫ জুন ঃ ২৪ ঘণ্টীয়া অসম বন্ধ পালন।

১৭ জুন ঃ অসম সাহিত্য সভাৰ দ্বাৰা প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদ মিত্ৰদেৱ

জনোৱাৰ কথা আছিল যদিও ৰাজ্যপাল লালন প্ৰসাদ সিঙে ছাত্ৰ সন্থাৰ পৰা কোনো মতামত নাপালে।

১১ অক্টোবৰৰ আলোচনা

১৯৮০ চনৰ ১১ অক্টোবৰত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ সৈতে আন্দোলনকাৰীসকলৰ এক আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা, যতীন গোস্বামীসহ মুঠ ২১জনীয়া দল এটাই অংশগ্ৰহণ কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা ১৯৭১ চনটোকে বিদেশী চিনাক্তকৰণৰ ভিত্তিবৰ্ষ হিচাপে ল'বলৈ আহ্বান জনোৱা হয়। তাৰ আগতে অসমত প্ৰৱেশ কৰা বিদেশীসকলক বহিষ্কাৰ কৰাটো অসম্ভৱ বুলিও কেন্দ্ৰ চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল। স্বাভাৱিকতে আন্দোলনকাৰীসকলে তেওঁলোকৰ পূৰ্বৰ স্থিতিত আঁকোৰগোঁজ হৈ থাকি ভাৰত চৰকাৰৰ এই প্ৰস্তাৱ মানি নল'লে।

১৯৮১ চনৰ ঘটনাপ্ৰবাহ

১৯৮০ চনৰ বিভিন্ন আলোচনা-বিলোচনা, আন্দোলন, বন্ধ আদিয়ে বিদেশী সমস্যাৰ কোনো ফলপ্ৰসূ সমাধানসূত্ৰ উলিয়াব পৰা নাছিল। ইপিনে নিৰৱচ্ছিন্ন আন্দোলনে অসমৰ শৈক্ষিক বাতাৱৰণ স্থবিৰ কৰি দিছিল। এনে এক পৰিৱেশত অতিষ্ঠ হৈ বহুতে মুকলিভাৱে আন্দোলনটোৰ নেতিবাচক দিশবোৰলৈ আঙুলিয়াই দিবলৈ আৰম্ভ কৰিছিল। শৈক্ষিক প্ৰতিষ্ঠানবোৰ ক্ষতিগ্ৰস্ত হোৱাৰ বাবে আন্দোলন সমৰ্থন কৰা অভিভাৱকসকলো আন্দোলনকাৰী নেতৃত্বৰ প্ৰতি সমালোচনামুখৰ হোৱা দেখা গৈছিল।

১৯৮১ চনৰ জানুৱাৰীৰ মাজভাগৰ পৰা পৰীক্ষাৰ বাবে আন্দোলনবোৰ অঘোষিতভাৱে স্থগিত ৰখা হয়। ১৯৮১ চনৰ মে'ত নতুন দিল্লীত পুনৰ

মহন্ত অধিকাৰীক 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান।

২০ জুন ঃ বৰ্ষীয়ান সাহিত্যসেৱী অতুলচন্দ্ৰ হাজৰিকাক অসম সাহিত্য সভাৰ দ্বাৰা 'সাহিত্যাচাৰ্য' উপাধি প্ৰদান।

২২ জুন ঃ শৰৎ চন্দ্ৰ সিংহ অসম প্ৰদেশ কংগ্ৰেছ (এছ) কমিটীৰ সভাপতি হিচাপে নিৰ্বাচিত।

১১ জুলাই ঃ অসমত ২০০ কোটি টকা ব্যয়েৰে চৰকাৰী খণ্ডত তিনিটা পেট্ৰ'কেমিকেল প্ৰকল্প নিৰ্মাণ কৰিবৰ বাবে কেন্দ্ৰই এটা প্ৰস্তাৱত অনুমোদন জনায়।

২৮ জুলাই ঃ ১৯৮২-৮৩ চনৰ অসমৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ২৫৫.৯৩ কোটি টকা ধাৰ্য কৰে।

৩ আগষ্ট ঃ লোকসভাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী আৰ ভেংকটৰমনে অসমত ৰাষ্ট্ৰপতিৰ শাসন আৰু ৬ মাহৰ বাবে বঢ়াবৰ কাৰণে সদনৰ অনুমোদন বিচাৰি এক বিধিবদ্ধ প্ৰস্তাৱ দাঙি ধৰে।

৭ আগষ্ট ঃ বিদেশী নাগৰিকৰ সমস্যা সমাধান নকৰাপৰ্যন্ত আৰু নিৰ্বাচনৰ ভোটাৰ তালিকা সংশোধন নকৰাপৰ্যন্ত অসমত নিৰ্বাচন অনুষ্ঠিত নকৰাৰ কথা ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্ত আৰ কে ত্ৰিবেদীয়ে স্পষ্ট কৰি দিয়ে।

১৪ আগষ্ট ঃ অসমৰ আঞ্চলিক দলসমূহৰ ভিতৰত পূৰ্বাঞ্চলীয় লোক পৰিষদ, কাৰ্বি আংলং গণ সন্মিলন (কে এ পি চি) আৰু কাছাৰ খিলঞ্জীয়া গণ সন্মিলনে (চি আৰ পি চি) 'সৰ্বদলীয় নেতা সন্মিলন' (এ পি এল চি) নামেৰে এক উমৈহতীয়া সংগঠনত চামিল হৈ অসমৰ বিদেশী নাগৰিকৰ সমস্যা প্ৰসংগত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ দ্বাৰা আগবঢ়োৱা সূত্ৰৰ ভিত্তিত সেই সমস্যা সমাধান কৰাৰ বাবে প্ৰস্তাৱ আকাৰে দাবী জনায়।

১৮ আগষ্ট ঃ সংসদী পৰিক্ৰমা মন্ত্ৰী ভীষ্ম নাৰায়ণ সিঙে অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ সমাধানৰ প্ৰসংগত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ লগত ২৫ আগষ্টত হ'বলগীয়া চতুৰ্থ পৰ্যায়ৰ ত্ৰিপাক্ষিক আলোচনাৰ বাবে ৫টা বিৰোধী দলৰ নেতাক আমন্ত্ৰণ জনায়।

আলোচনা আৰম্ভ হয়। এই আলোচনাত গৃহ মন্ত্ৰী জাইল সিং, ৰাজ্যিক গৃহ মন্ত্ৰী যোগেন্দ্ৰ মাকোৱানাই অংশগ্ৰহণ কৰাৰ বিপৰীতে আন্দোলনকাৰীসকলক প্ৰতিনিধিত্ব কৰিছিল ক্ৰমে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, অতুল বৰা, যতীন গোস্বামী আদি নেতাই। আলোচনাত পুনৰ ১৯৭১ চনকে আধাৰ বছৰ হিচাপে মানি ল'বলৈ প্ৰচণ্ড হেঁচা প্ৰয়োগ কৰা হয়। নেতৃবৰ্গই এনে প্ৰস্তাৱ পুনৰ প্ৰত্যাখ্যান কৰে। আলোচনা ব্যৰ্থ হোৱাৰ পিচত আন্দোলনৰ নেতৃবৰ্গ অসমলৈ উভতি আহে। এই ব্যৰ্থতাৰ পিচত জুন মাহত সৰ্বাত্মক ৰূপত আন্দোলন আৰম্ভ হয়।

২৭ অক্টোবৰত নতুন দিল্লীত পুনৰ আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত আন্দোলনকাৰীসকলৰ ফালৰ পৰা প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনে অংশগ্ৰহণ কৰে। কৃষ্ণস্বামী ৰাও চাহাবে চৰকাৰী পক্ষক প্ৰতিনিধিত্ব কৰিছিল। এই আলোচনাৰ অন্তত এখন খচৰা প্ৰস্তুত কৰি উপস্থাপন কৰা হয়। খচৰাত উপস্থাপিত বিষয়সমূহ হ'ল—

(১) বিদেশী নাগৰিকক সংবিধানৰ সংশ্লিষ্ট আইন যেনে— নাগৰিকত্ব আইন (১৯৫৫), বিদেশী আইন (১৯৪৬), পাছপ'ৰ্ট আইন (১৯৫২)ৰ আধাৰত চিনাক্ত কৰিব লাগে।

(২) অসম-বাংলাদেশ সীমান্তত এটা ৰাস্তা নিৰ্মাণ কৰিব লাগে।

(৩) আগৰ চুক্তিবোৰত উল্লেখ কৰা উপবন্ধবোৰ অনুযায়ী অসমক সুৰক্ষিত কৰি ৰাখিব পৰা সকলো ব্যৱস্থা অটুট থাকিব লাগে।

১৯৮২ বৰ্ষৰ কাৰ্যাৱলী

দেখা যায় যে ১৯৮০ চনৰ তুলনাত ১৯৮১ চনত আন্দোলনকাৰীসকলে আন্দোলনতকৈ আলোচনা-বিলোচনাত বেছি মনোনিৱেশ কৰিছিল। ফলত ১৯৮০ৰ তুলনাত ১৯৮১ চনত আন্দোলনৰ কাৰ্যসূচীৰ তীব্ৰতাও ভালেখিনি কমি গৈছিল। একেদৰে এই বৰ্ষতে

সেইসকল হৈছে— ইন্দ্ৰজিত গুপ্ত (চি পি আই), ৰবীন্দ্ৰ বাৰ্মা (জনতা), এ বি বাজপেয়ী (বিজেপি), কে পি উন্নিকৃষ্ণণ (কংগ্ৰেছ) আৰু হৰকিষণ সিং সুৰজিৎ (চি পি এম)।

২৪ আগষ্ট ঃ অসমৰ বিদেশী সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত ত্ৰিপাক্ষিক আলোচনাত বহিবৰ বাবে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ মুঠ ৩৩জন সদস্যই দিল্লী অভিমুখে যাত্ৰা কৰে।

২৫ আগষ্ট ঃ বিদেশী নাগৰিকৰ সমস্যা সন্দৰ্ভত ত্ৰিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ মুঠ ৩৩জনীয়া প্ৰতিনিধি দলে ১৯৬১ আৰু ১৯৭১ চনৰ ভিতৰত প্ৰৱেশ কৰা বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ নীতিক লৈ চৰকাৰ আৰু অসম আন্দোলনকাৰী নেতাসকলে দুঘণ্টা কাল আলোচনা কৰে। ১৯৬১ আৰু ১৯৭১ চনৰ ভিতৰত অসমত প্ৰৱেশ কৰা লোকৰ চিনাক্তকৰণৰ বাবে এক নীতি যুগুত কৰিবলৈ গৃহ মন্ত্ৰীয়ে আহ্বান জনায়।

২৬ আগষ্ট ঃ ত্ৰিপাক্ষিক আলোচনাত বিদেশীক চিনাক্ত কৰা আৰু তেওঁলোকক কিহৰ ভিত্তিত বিদেশী বুলি চিনাক্ত কৰা হ'ব সেইটো থিৰ কৰিবলৈ জনতাৰ সংসদীয় সদস্য ৰবীন্দ্ৰ বাৰ্মাই প্ৰস্তাৱ দিয়ে। ছাত্ৰ সন্থাই বিদেশী চিনাক্ত কৰিবৰ বাবে ১২৬টা বিধানসভা সমষ্টিত কৰ্তৃত্ব গঠন কৰিবৰ বাবে চৰকাৰে দিয়া পৰামৰ্শ তেওঁলোকে গ্ৰহণ কৰে; কিন্তু এই কৰ্তৃত্ব কেনেকৈ আৰু কি ৰূপত গঠন কৰা হ'ব সেইটো থিৰ কৰিবলৈ বাকী।

২৭ আগষ্ট ঃ ত্ৰিপাক্ষিক আলোচনাত এইদৰে ঐকমত্যত উপনীত হোৱা যায় যে অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ প্ৰত্যেকতে একোখনকৈ ন্যায়াধিকৰণ গঠন কৰা হ'ব আৰু আইনৰ জ্ঞান আৰু অভিজ্ঞতাৰে পৰিপুষ্ট লোকসকলৰ নেতৃত্বত ইয়াক গঠন কৰা হ'ব। ১৯৬৭ চনৰ ভোটাৰ তালিকাক ৰাষ্ট্ৰীয় তালিকা হিচাপে ব্যৱহাৰ কৰা হ'ব আৰু সেই তালিকাত নাম থকা যিকোনো নাগৰিকে বা এদল নাগৰিকে ন্যায়াধিকৰণৰ ওচৰত

আন্দোলনকাৰীসকলৰ মাজত স্বাৱলম্বী হোৱাৰ অৰ্থনৈতিক আঁচনি লোৱা হৈছিল। অসমৰ খিলঞ্জীয়া লোকৰ হাতত যাতে অৰ্থনীতিৰ মূল চালিকাশক্তিটো থাকে তাৰ বাবে স্বাৱলম্বী হৈ উঠাৰ এক আৱেগিক ঢৌ চাৰিওপিনে বিয়পি পৰিছিল। অসংখ্য অসমীয়াভাষী ল'ৰা-ছোৱালীয়ে এই আৱেগিক ঢৌৰ প্ৰভাৱত পৰি নাপিত, চিলাই কৰা বৃত্তি, ৰিক্সা-ঠেলাচালক আদি বৃত্তিও গ্ৰহণ কৰা দেখা গৈছিল। অৱশ্যে এই আৱেগিক ঢৌৰ প্ৰভাৱ সৰহ দিন নাথাকিল।

১৯৮২ চনৰ ১৮ জানুৱাৰীত পুনৰ ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত অসম-বাংলাদেশ সীমান্তৰ সীমা সুৰক্ষা প্ৰসংগটো মুখ্যভাৱে আলোচিত হ'ল যদিও আলোচনাই একো ফল নধৰিলে। ৮ ফেব্ৰুৱাৰীত দিল্লীত আলোচনাৰ বাবে তাৰিখ নিৰ্ধাৰণ কৰা হয়। এই আলোচনাত জাইল সিঙে আন্তৰ্জাতিক চুক্তিৰ বিষয়ে উল্লেখ কৰে আৰু এনে চুক্তি যে ভাৰত চৰকাৰে ভংগ কৰিব নোৱাৰে তাক আন্দোলনকাৰীসকলক জনায়। যি চুক্তিৰ আধাৰত ভাৰত চৰকাৰে বিদেশী লোকক শৰণাৰ্থীৰ মৰ্যাদা প্ৰদান কৰিছে তেনে লোকক পুনৰ বিদেশী বুলি অভিহিত কৰি বহিষ্কাৰ কৰাটো অসম্ভৱ বুলি তেওঁ কয়।

ইয়াৰ পিচত ক্ৰমাগতভাৱে ৭ এপ্ৰিল আৰু ২৫ আগষ্টৰ পৰা ২৭ আগষ্টলৈ আলোচনা অনুষ্ঠিত হয়। ১৯৮২ চনৰ ১ ছেপ্টেম্বৰৰ পৰা ৮ ছেপ্টেম্বৰৰ সময়ছোৱাত এলানি গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত গৃহ মন্ত্ৰী আৰ ভেংকটৰমনে কেইটামান গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। এই প্ৰস্তাৱসমূহ আছিল এনেধৰণৰ—

(১) অসমৰ ভাষা, অস্তিত্ব আৰু সংস্কৃতি অটুট ৰাখিবলৈ সাংবিধানিক সুৰক্ষাৰ ব্যৱস্থা ৰখা।

(২) ১৯৬০ চনৰ পিচৰ বিদেশী নাগৰিকক কোনো নাগৰিকৰ প্ৰমাণপত্ৰ নিদিয়াৰ ব্যৱস্থা কৰা।

সেই তালিকাৰ কোনো লোকক ভাৰতৰ নাগৰিক নহয় বুলি তেওঁৰ নাম তালিকাৰ পৰা বাদ দিবলৈ আৱেদন জনাব পাৰিব।

৩১ আগষ্ট ঃ ৰাজ্য চৰকাৰে গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসন্তোষজনক বিত্তীয় অৱস্থালৈ লক্ষ্য ৰাখি বিত্তীয় মঞ্জুৰিৰ পৰিমাণ দুয়োখন বিশ্ববিদ্যালয়লৈ ক্ৰমে ৪০ লাখ টকাৰ ঠাইত ১০০ লাখ টকা আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত ৪০ লাখ টকাৰ ঠাইত ৭৫ লাখ টকালৈ বঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

২৪ ছেপ্টেম্বৰ ঃ অসম আন্দোলনৰ প্ৰবীণ নেতা নিবাৰণ বৰাই পূৰ্বাঞ্চলীয় লোক পৰিষদৰ (পি এল পি) সভাপতি পদ আৰু লগতে দলৰ প্ৰাথমিক সদস্য পদ ত্যাগ কৰে।

২৫ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় চৰকাৰে ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ ব'ৰ্ডক অনুসন্ধান আদি চলোৱাৰ বাবে ১৯৮২-৮৩ চনৰ বাবে দুই কোটি টকাৰ মঞ্জুৰি দিছে। এনে আঁচনিৰ বাবে ব'ৰ্ডে সাত কোটি টকাৰ আঁচনি দাখিল কৰে।

২৮ ছেপ্টেম্বৰ ঃ প্ৰখ্যাত সাহিত্যিক ড° ভবেন্দ্ৰ নাথ শইকীয়াই তেওঁৰ নিজৰে এটা গল্পৰ আধাৰত পৰিচালনা কৰা অসমীয়া ছবি ‘অনিৰ্বাণ’ পোলেণ্ড আৰু ৰোমানিয়াত প্ৰদৰ্শনৰ বাবে নিৰ্বাচিত।

১২ অক্টোবৰ ঃ অসম চৰকাৰে গঠন কৰি দিয়া দৰমহা আয়োগে দাখিল কৰা প্ৰতিবেদনৰ সৰহভাগ অনুমোদন চৰকাৰে গ্ৰহণ কৰে। ১৯৮১ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱা এই অনুমোদন অনুযায়ী ৰাজ্যিক চাকৰিয়ালসকল মাহে ২০ টকাৰ পৰা ১০০ টকালৈ উপকৃত হ'ব।

২ নৱেম্বৰ ঃ বিত্ত মন্ত্ৰী প্ৰণৱ কুমাৰ মুখাৰ্জীয়ে অসমত ৰাষ্ট্ৰপতিৰ শাসন নিৰ্দিষ্ট এবছৰৰ পিচতো অব্যাহত ৰাখিব পৰাকৈ সংবিধান সংশোধনী বিল এখন গৃহীত কৰাৰ বাবে সংসদৰ দুয়ো সদনৰ বিৰোধী নেতাসকলৰ এখন বৈঠক আহ্বান কৰে। মুখাৰ্জীয়ে সংবিধানৰ ৩৫৬ নং অনুচ্ছেদৰ প্ৰস্তাৱিত সংশোধনী অন্য ৰাজ্যৰ ক্ষেত্ৰত প্ৰযোজ্য নোহোৱাৰ আশ্বাস দিয়ে যদিও বিৰোধী দলবোৰৰ ভিন্ন

(৩) ১৯৭১ চনৰ পিচত সোমোৱা বিদেশীসকলক বহিষ্কাৰ কৰা।

ইয়াৰ পিচত ২৭ ছেপ্টেম্বৰত আৰ ভেংকটৰমনে আকৌ এক অনানুষ্ঠানিক আলোচনাৰ বাবে আন্দোলনৰ নেতৃবৰ্গক আমন্ত্ৰণ জনায়। অৱশ্যে এই আলোচনাতো কোনো সমাধানসূত্ৰ নোলাল। ২৩ নৱেম্বৰত আৰ ভেংকটৰমন, পি চি শেঠী আৰু আন্দোলনৰ নেতৃবৰ্গৰ মাজত গুৱাহাটীত আলোচনা অনুষ্ঠিত হয়।

১৯৮৩ চনৰ মধ্যৱৰ্তী নিৰ্বাচন আৰু অশান্ত অসম

১৯৮৩ চনৰ আদিভাগতে অসমত নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ ভাৰত চৰকাৰে যো-জা চলালে। অসমত বিধানসভাক নিষ্ক্ৰিয় কৰি ৰাষ্ট্ৰপতিৰ শাসন বলৱৎ কৰা হৈছিল বাবে ছমাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাটো জৰুৰী বুলি সাংবিধানিক বাধ্যবাধকতাৰ কথা কোৱা হৈছিল। ১৯৮৩ চনৰ মাৰ্চ মাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰাৰ সম্ভাৱনীয়তা বিচাৰ কৰি চাবলৈ এখন বিশেষ সভা অনুষ্ঠিত হয় আৰু এই সভাত কেন্দ্ৰীয় বিশেষ সচিব (গৃহ) পি পি নায়াৰ, অসমৰ মুখ্য সচিব ৰমেশ চন্দ্ৰ, আৰক্ষী সঞ্চালক পি চি দাস, গৃহ আয়ুক্ত গোপালকৃষ্ণ নাইডু আৰু আৰক্ষী মহাপৰিদৰ্শক কে পি এছ গিল উপস্থিত থাকে। এই আলোচনাৰ পিচত তেওঁলোকে অসমৰ বিভিন্ন স্তৰৰ বিষয়াৰ সৈতে আলোচনা কৰি সমষ্টিসমূহ সন্দৰ্ভত এক বিশ্লেষণ কৰে। সেই অনুসৰি ২৯টা সমষ্টিত নিৰ্বাচন শান্তিপূৰ্ণভাৱে, ৯৭টা সমষ্টিত কিছু অশান্তিজনক পৰিস্থিতি হ'ব পাৰে বুলি আৰু ইয়াৰে ২০টা সমষ্টিত নিৰ্বাচন বৰ্জন হ'ব বুলি আশংকা প্ৰকাশ কৰিলে।

১৯৮৩ চনৰ ৫ জানুৱাৰীত মাননীয় উচ্চতম ন্যায়ালয়ৰ

মত পৰিলক্ষিত হয়। চি পি এম দলে নিৰ্বাচন পতাৰ সপক্ষে শক্তিশালী মত পোষণ কৰে। বিধানসভাৰ চলিত অধিৱেশনত এই সংশোধনী বিলখন গৃহীত কৰোৱাত চৰকাৰ ব্যৰ্থ হয়। বিৰোধী দলসমূহে ৬ নৱেম্বৰত অসম আন্দোলনৰ নেতৃবৰ্গৰ সৈতে হ'ব লগা আলোচনাৰ আগেয়ে বিলখন অনাৰ বিৰুদ্ধে চৰকাৰক পৰামৰ্শ দিয়ে।

১১ নৱেম্বৰ ঃ নৱগঠিত ব্ৰহ্মপুত্ৰ ব'ৰ্ডে ব্ৰহ্মপুত্ৰৰ উচ্চ অংশত পলস পৰাটো ৰোধ কৰি নদীৰ তলি বাম হৈ পৰাটো বন্ধ কৰাৰ বাবে চাৰিটা বান্ধ নিৰ্মাণৰ আঁচনি লয়।

২৩ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কবি আৰু সাহিত্যিক সীতানাথ ব্ৰহ্মচৌধুৰীৰ বঙাইগাঁৱৰ নিজ বাসভৱনত মৃত্যু হয়।

২ ডিচেম্বৰ ঃ ২৪ ঘণ্টীয়া অসম বন্ধ পালন।

৭ ডিচেম্বৰ ঃ আছু আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানক্ৰমে দুঘণ্টীয়া নিষ্প্ৰদীপ পালন।

১৬ ডিচেম্বৰ ঃ বিদেশী নাগৰিকৰ সমস্যা সমাধান নকৰাকৈ অসমত নিৰ্বাচন নাপাতিবৰ বাবে হাজোত প্ৰায় এহাজাৰ লোকে তীব্ৰ আন্দোলন কৰি চি আৰ পি আৰু অসম আৰক্ষীৰ ওপৰত আক্ৰমণ চলায়। এই ঘটনাত এজন চি আৰ পিৰ জোৱান নিহত হোৱাৰ লগতে অসম আৰক্ষীৰ উপ-পৰিদৰ্শকক ধৰি ৪জন আৰক্ষী জোৱান আহত হয়। এই ঘটনাৰ পিচত হাজোত অনিৰ্দিষ্ট কাললৈ সান্ধ্য আইন জাৰি কৰা হয়।

২৪ ডিচেম্বৰ ঃ মামণি ৰয়ছম গোস্বামীলৈ ১৯৮২ চনৰ সাহিত্য অকাদেমী বঁটা ঘোষণা।

২৭ ডিচেম্বৰ ঃ অসমৰ অন্যতম গান্ধীবাদী নেতা, প্ৰাক্তন মুখ্যমন্ত্ৰী, পঞ্জাবৰ প্ৰাক্তন ৰাজ্যপাল, প্ৰবীণ ৰাজনীতিক মহেন্দ্ৰ মোহন চৌধুৰীৰ মৃত্যু। স্বাধীনতা সংগ্ৰামীজনে ১৯৩২, ১৯৪১ আৰু ১৯৪২ চনত কাৰাবৰণ কৰিছিল। ১৯৩৬ চনত তেওঁ প্ৰথম বিধানসভাৰ সদস্য হিচাপে নিৰ্বাচিত হয়। ১৯৫৮ চনত ৰাজ্যসভাৰ সদস্য আৰু সেই চনতে অসমৰ প্ৰাগজ্যোতিষপুৰত বহা ভাৰতীয়

তিনিজনীয়া খণ্ড বিচাৰপীঠ এখনে ড° পি নন্দা থাপ্লিয়ে অসমৰ ভোটাৰ তালিকা সন্দৰ্ভত কৰা ৰাজহুৱা স্বাৰ্থজড়িত আৱেদনখনৰ ৰায় প্ৰদান কৰে। ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ যশোৱন্ত বিষ্ণু চন্দ্ৰচূড়ৰ সভাপতিত্বত বহা এই তিনিজনীয়া খণ্ড পীঠে অসমৰ ভোটাৰ তালিকাৰ পৰা সকলো বিদেশী নাগৰিকৰ নাম আঁতৰ কৰিহে নিৰ্বাচন পাতিব লাগে বুলি ৰায় দিছিল। সেই আৱেদনত সীমান্তৰ আৰক্ষী বাহিনী আৰু সামৰিক বাহিনীৰ সহায়ত বাংলাদেশ আৰু নেপাল সীমান্তৰ কোনো অবৈধ অনুপ্ৰৱেশকাৰীয়ে যাতে ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে নজৰ দিবলৈ ভাৰত চৰকাৰক নিৰ্দেশ দিয়া হৈছিল।

উচ্চতম ন্যায়ালয়ৰ এই নিদেৰ্শৰ পিচতো ভাৰত চৰকাৰ থমকি নৰ'ল আৰু ৬ জানুৱাৰীত নিৰ্বাচন আয়োগে ১৪, ১৭ আৰু ২০ ফেব্ৰুৱাৰীত তিনি খলপীয়া নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি ঘোষণা আগবঢ়ালে। মেঘালয় বিধানসভাৰ কাৰ্যকাল ১৩ মাৰ্চত অন্ত পৰালৈ লক্ষ্য ৰাখি আয়োগে একে সময়তে মেঘালয়ৰো নিৰ্বাচনৰ দিন ঘোষণা কৰিলে। অসমৰ জনসাধাৰণৰ আশা-আকাংক্ষা আৰু শংকাৰ প্ৰতি সন্মান নজনাই অবৈধ নাগৰিক সন্নিৱিষ্ট ভোটাৰ তালিকাৰে বিধানসভাৰ নিৰ্বাচন আয়োজন কৰিবলৈ যোৱাটোক অসমবাসীয়ে সাধাৰণভাৱে গ্ৰহণ কৰিব নোৱাৰিলে। আৰম্ভ হ'ল প্ৰতিৰোধৰ এক বৃহৎ অধ্যায়ৰ— য'ত সন্নিৱিষ্ট হ'ল অসমৰ ইতিহাসৰ আটাইতকৈ ৰক্তাক্ত ঘটনাৱলী।

নিৰ্বাচন অনুষ্ঠিত কৰাৰ উমান পাই সদৌ অসম ছাত্ৰ সন্থাই ১৯৮৩ চনৰ ১ জানুৱাৰীত নিৰ্বাচনী প্ৰতিৰোধ সংগ্ৰামৰ ৰণকৌশল তৈয়াৰ কৰি ৰাইজক এনেদৰে গোহাৰি জনালে— 'নিৰ্বাচন প্ৰতিৰোধৰ বাবে যিকোনো কাৰ্যব্যৱস্থা ল'বলৈ আন্দোলন সমৰ্থনকাৰী প্ৰতিটো পৰিয়ালৰ পৰা কমপক্ষেও এজনকৈ সদস্য সাজু থাকিব লাগিব। তেওঁলোকৰ ওপৰত ন্যস্ত কৰা যিকোনো দায়িত্ব এজন স্বেচ্ছাসেৱক ৰূপে পালন

কংগ্ৰেছ অভ্যৰ্থনা সমিতিৰ সভাপতি, কিছুদিনৰ পিচত ভাৰতীয় কংগ্ৰেছৰ এজন সাধাৰণ সম্পাদক, ১৯৭০/৭১ চনত মুখ্যমন্ত্ৰী আৰু ১৯৭৩ চনত পঞ্জাবৰ ৰাজ্যপাল হয়। তেওঁৰ চেষ্টাত গঢ়ি উঠা অনুষ্ঠানসমূহৰ ভিতৰত গুৱাহাটীৰ বিহাবাৰীৰ শংকৰ মন্দিৰ, গান্ধীমণ্ডপ, ক্ষেত্ৰীৰ ওচৰত হাস্পতাল, ডাঃ ভুৱনেশ্বৰ বৰুৱা কেন্সাৰ হাস্পতাল, বৃন্দাবনত শংকৰ মন্দিৰ গৱেষণা কেন্দ্ৰ আদি উল্লেখযোগ্য।

কৰিবলৈ বাধ্য থাকিব।' সদৌ অসম ছাত্ৰ সন্থাই লগতে ৰাইজক দলবোৰৰ নিৰ্বাচনী কাৰ্যালয়ৰ বাবে ঘৰভাৰা নিদিবলৈ, মাইক আদি ভাৰাত নিদিবলৈ আহ্বান জনাইছিল। প্ৰেছসমূহলৈ নিৰ্বাচনী সম্পৰ্কীয় পোষ্টাৰ, প্ৰচাৰপত্ৰ আদি ছপা নকৰিবলৈ হুকুম জাৰি কৰা হৈছিল। কোনো অঞ্চলত নিৰ্বাচন সম্পৰ্কীয় কাম-কাজৰ বাবে প্ৰৱেশত নিষেধাজ্ঞা, ভোটগ্ৰহণ কেন্দ্ৰ বিকল কৰাৰ নিৰ্দেশ তথা নিৰ্বাচনৰ সৈতে জড়িত লোকসকলক যিকোনো প্ৰকাৰে খেদি দিবলৈও আদেশ জাৰি কৰা হৈছিল।

সদৌ অসম ছাত্ৰ সন্থাই ২৮ জানুৱাৰীত অসমবাসীক নিৰ্বাচনৰ বিৰোধিতা কৰিবলৈ আন এক আহ্বান জনায়। এই আহ্বানত এনেদৰে কোৱা হৈছিল— 'বিদেশী নাগৰিকৰ ভোটেৰে অসমত নিৰ্বাচন পাতিবলৈ তথাকথিত চৰকাৰ উন্মাদ হৈ পৰিছে। এই ষড়যন্ত্ৰ আৰু চক্ৰান্তৰ ৰূপ আমি আটায়ে বুজিব লাগিব। অসমৰ জাতীয় স্বাৰ্থৰ বাবেই বিশাল অসমীয়া জাতিক উন্নত শিৰে শক্তিশালী কৰাৰ মহান স্বাৰ্থত আমি আটায়ে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে এই অবৈধ নিৰ্বাচনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিৰোধ গঢ়ি তুলি চৰকাৰৰ সকলো ষড়যন্ত্ৰক থানবান কৰি দিব লাগিব।' তীব্ৰ প্ৰতিৰোধ আন্দোলনৰ মাজতে কংগ্ৰেছ (আই), চি পি আই (এম) আৰু চি পি আই দলে নিৰ্বাচনৰ প্ৰতি সমৰ্থন আগবঢ়ায়। সেই সময়ত অসমৰ কংগ্ৰেছ আইৰ সভাপতি আছিল হৰেন তালুকদাৰ। তেওঁ ঘোষণা কৰে যে কংগ্ৰেছ দলে অসমৰ ১২৬টা বিধানসভা সমষ্টিত আৰু লোকসভাৰ ১২খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব আৰু ইয়াৰ বাবে ইতিমধ্যে ১,০০০জন কংগ্ৰেছ কৰ্মীয়ে দলীয় টিকট বিচাৰি আবেদন জনাইছে। এই নিৰ্বাচনত ভাৰতীয় জনতা দল, লোক দল আৰু ডি এছ পিয়ে অংশগ্ৰহণ কৰা নাছিল। আন্দোলনকাৰী জনতাৰ প্ৰবল হেঁচাৰ পিচতো ১২৬খন বিধানসভা আসনৰ বাবে ৬২৮ জন আৰু ১২খন লোকসভাৰ আসনৰ বাবে ৪২জন প্ৰাৰ্থীয়ে মনোনয়নপত্ৰ দাখিল কৰে।

১৯৮৩

২ জানুৱাৰী ঃ ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত আটক হোৱা জয়নাথ শৰ্মা আৰু নৰেন তাঁতীক মুক্তি।

● ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত ১ বছৰ কাৰাবাস খাটি পূৰ্বাঞ্চলীয় লোক পৰিষদৰ তেজপুৰ শাখাৰ সভাপতি ধনঞ্জয় দাসৰ মুক্তি।

৩ জানুৱাৰী ঃ নতুন দিল্লীত অসম সমস্যা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা আয়োজিত ত্ৰিপাক্ষিক আলোচনাত অংশগ্ৰহণ কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ ছজনীয়া দলৰ দিল্লীলৈ যাত্ৰা। দলটোত আছে সৰ্বশ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, জয়নাথ শৰ্মা, নৰেন তাঁতী, অতুল বৰা আৰু বিৰাজ শৰ্মা।

৪ জানুৱাৰী ঃ নতুন দিল্লীত আজি সপ্তমলানি ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হয়। আবেলি কেন্দ্ৰীয় গৃহ মন্ত্ৰী পি চি শেঠী আৰু কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ভেংকটৰমণে আন্দোলনকাৰী নেতৃবৰ্গৰ লগতে ৰবীন্দ্ৰ বাৰ্মাৰ সৈতে এলানি অনানুষ্ঠানিক আলোচনাত মিলিত হয়। ইয়াত ১৯৬১-৭১ৰ মাজৰ বিদেশী লোকসকলৰ ক্ষেত্ৰত ৰবীন্দ্ৰ বাৰ্মাই এটা নতুন প্ৰস্তাৱ দাঙি ধৰে।

● সদৌ অসম ছাত্ৰ সন্থাৰ সিদ্ধান্ত অনুসৰি প্ৰতিখন জিলা ছাত্ৰ সন্থাৰ আহ্বানত জিলা পৰ্যায়ত ছাত্ৰ সন্থাৰ প্ৰতিনিধিত্বমূলক সভা অনুষ্ঠিত হয়। চৰকাৰে নিৰ্বাচন ঘোষণা কৰিলে ল'ব লগা প্ৰতিৰোধৰ ব্যৱস্থা সন্দৰ্ভত এই সভাত বিতং আলোচনা কৰা হয়।

৫ জানুৱাৰী ঃ উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ যশোৱন্ত বিষ্ণু চন্দ্ৰচূড়ৰ নেতৃত্বত বহা তিনিজনীয়া খণ্ডপীঠে অসমৰ ভোটাৰ তালিকা সংক্ৰান্তীয় এটা গোচৰৰ ৰায় প্ৰদান কৰি কয় যে অসমৰ ভোটাৰ তালিকাৰ পৰা সকলো বিদেশী নাগৰিকৰ নাম অপসাৰণ কৰিহে ভোটাৰ তালিকা প্ৰস্তুত কৰি উলিয়াব লাগে। এনেদৰে ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ পিচতহে নিৰ্বাচন অনুষ্ঠিত কৰিব লাগে।

● নতুন দিল্লীত আছু-গণ সংগ্ৰাম পৰিষদ, কেন্দ্ৰীয় চৰকাৰ আৰু বিৰোধী দলসমূহৰ নেতাসকলৰ মাজত

ইপিনে কংগ্রেছ (এছ), চি পি আই (এম), চি পি আই, আৰু চি পি আই, এছ ইউ চি আই আৰু এছ পিয়ে এক মৰ্চা গঠন কৰি ১২৬খন অসমত উমৈহতীয়া কাৰ্যসূচী লৈ নিৰ্বাচন খেলাৰ সিদ্ধান্ত লয়। লোকসভাৰ আসনবোৰৰ ভিতৰত কংগ্ৰেছ (এছ) দলে ৮খনত আৰু বাকী দলবোৰে ৪খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লয়। এই সৰ্বদলীয় মৰ্চাৰ আহ্বায়ক আছিল অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী শৰৎ সিংহ।

অসমৰ নিৰ্বাচনৰ দিন ঘোষণাৰ পিচত জনসাধাৰণ তথা আন্দোলনকাৰীৰ প্ৰতিৰোধ সংগ্ৰামক ভেটা দিবলৈ চৰকাৰেও ভালেমান পদক্ষেপ হাতত লোৱা পৰিলক্ষিত হৈছিল। নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ চৰকাৰী কৰ্মচাৰীসকললৈ কিছু পেকেজ আগবঢ়োৱা হ'ল। কৰ্তব্যৰত অৱস্থাত কোনো ৰাজপত্ৰিত (গেজেটেড) বিষয়াৰ মৃত্যু হ'লে নগদ এক লাখ আৰু অ-ৰাজপত্ৰিত বিষয়াৰ মৃত্যুত পঞ্চাশ হাজাৰ টকাৰ ক্ষতিপূৰণ দিয়াৰ ঘোষণা দিয়া হ'ল। ইমান প্ৰলোভন, সুবিধা আদিৰ পিচতো আন্দোলনৰ প্ৰতি থকা নৈতিক সমৰ্থন বা আন্দোলনকাৰীৰ ভয়ত চৰকাৰী কৰ্মচাৰীসকলে নিৰ্বাচনৰ কামত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত ল'লে। চৰকাৰে বিহাৰৰ পৰা কৰ্মচাৰী অনাৰ যো-জা চলালে যদিও সিও ফলৱতী নহ'লগৈ। নিৰ্বাচনটো চলাবলৈ অৱশেষত চৰকাৰে ৫,০০০জন কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী অসমলৈ আনিলেগৈ।

বিভিন্ন হিংসাত্মক ঘটনাৰে ভাৰাক্ৰান্ত হৈ পৰা এই নিৰ্বাচনৰ সময়ছোৱাত সমগ্ৰ অসমৰে চৰকাৰী কাৰ্যালয়, স্কুল-কলেজ আদি সম্পূৰ্ণৰূপে অচল হৈ পৰা দেখা গৈছিল। ৰাজ্য চৰকাৰে ৰাজ্যিক পৰিবহণ, উৎপাদনৰ লগত জড়িত থকা প্ৰতিষ্ঠান, যোগান বিভাগ, স্বাস্থ্য বিভাগ আৰু জনসেৱাৰ লগত জড়িত সকলো শ্ৰেণীৰ চাকৰিকে অত্যাৱশ্যকীয় সেৱাৰ অধীন বুলি ঘোষণা কৰি দিছিল। এই ঘোষণাৰ পিচতে ৰঙিয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৪৮জন শিক্ষকক নিৰ্বাচনত

ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত। মাত্ৰ এঘণ্টা সময় ত্ৰিপাক্ষিক আলোচনা হোৱাৰ পিচতেই আলোচনা ব্যৰ্থ হৈ যায়। আলোচনা ব্যৰ্থ হোৱাৰ পিচতেই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে বিৰোধী দলৰ নেতাসকলৰ লগত অসম সন্দৰ্ভত আলোচনা কৰে। আলোচনাৰ ব্যৰ্থতাৰ বাবে চৰকাৰক দায়ী কৰি ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে সুকীয়া সুকীয়া বিবৃতিযোগে চৰকাৰক কঠোৰভাৱে সতৰ্ক কৰি দিয়ে যে অসমত অবাঞ্ছিত নিৰ্বাচন জাপি দিলে তাৰ যোগ্য প্ৰত্যুত্তৰ দিয়া হ'ব, ছাত্ৰ সন্থাই কয় যে 'লক্ষ লক্ষ তৰুণ আশাপ্ৰদ ব্যক্তিক নিৰ্বাচনৰ বেদীত বলি দিব নালাগিব।' গণ সংগ্ৰাম পৰিষদে কয় যে তেওঁলোক ৰক্তস্নানৰ বাবে সাজু আছে।

৬ জানুৱাৰী ঃ আজি নিৰ্বাচনী আয়োগে ১৪, ১৭ আৰু ২০ ফেব্ৰুৱাৰীত অসমত নিৰ্বাচনৰ দিন ঘোষণা কৰে।

• ইপিনে অসমত নিৰাপত্তামূলক ব্যৱস্থা হিচাপে সদৌ অসম ছাত্ৰ সন্থা আৰু উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থাৰ ১৫জন ছাত্ৰ নেতাক গ্ৰেপ্তাৰ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে নতুন দিল্লীত ভাৰতৰ বিৰোধী ৰাজনৈতিক দলসমূহক নিৰ্বাচন বন্ধ কৰিবলৈ আহ্বান জনায়। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকনে বিবৃতিযোগে কয় যে চৰকাৰে নিৰ্বাচনী ঘোষণাৰে বিদেশী লোকৰ দ্বাৰা অসমীয়া জাতি নিঃশেষ কৰাত সহায় কৰিলে। গণ সংগ্ৰাম পৰিষদৰ আহ্বায়কদ্বয় অতুল বৰা আৰু বিৰাজ শৰ্মাই কয় যে নিৰ্বাচনী ঘোষণাৰে চৰকাৰে বিদেশীৰ নীৰৱ আক্ৰমণৰ সন্মুখীন হোৱা অসমক বিদায় জনোৱাহে হ'ল।

• সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ আহ্বানত অসমত বলেৰে জাপি দিয়া নিৰ্বাচনৰ প্ৰতিবাদস্বৰূপে পুৱা ৯ বজাৰ পৰা ২৪ ঘণ্টীয়া গুৱাহাটী বন্ধ পালন কৰা হয়। সন্ধিয়া 'প্ৰতিবাদ শিখা' প্ৰদৰ্শন আৰু নিৰ্বাচনবিৰোধী ধ্বনি দিয়া হয়।

• অসমত 'মুক্ত আৰু ন্যায়সংগত' নিৰ্বাচন নিশ্চিত কৰিবলৈ চৰকাৰে বিমানযোগে ১৫টা বেটেলিয়ন চি আৰ পি গুৱাহাটীলৈ পঠিয়ায়।

অংশগ্ৰহণ কৰিবলৈ অমান্তি প্ৰকাশ কৰাত আটক কৰা হয় আৰু হাজোতত ৰখা হয়। এইসকল শিক্ষকে আটকৰ বিৰুদ্ধে উচ্চ ন্যায়ালয়ত আবেদন জনোৱাত ন্যায়ালয়ে অসম চৰকাৰক তেওঁলোকক মুকলি কৰি দিবলৈ নিৰ্দেশ দিয়ে। একেদৰে অইল ইণ্ডিয়া লিমিটেডৰ প্ৰায় আঢ়ৈ হাজাৰ কৰ্মচাৰীয়ে কোনো কামত সহযোগ নকৰাৰ সিদ্ধান্ত লোৱাত কৰ্তৃপক্ষৰ ফালৰ পৰা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

গহপুৰ আৰু নেলীৰ গণহত্যা

১৪ ফেব্ৰুৱাৰীত সেই সময়ৰ দৰং জিলাৰ অন্তৰ্গত গহপুৰত বড়ো আৰু অসমীয়াভাষীৰ মাজত সংঘৰ্ষ লাগি শতাধিক লোকৰ মৃত্যু হয়। আন্দোলনৰ ভৰপক সময়ত সংঘটিত এই নাৰকীয় সংঘৰ্ষৰ বাতৰি সংবাদ মাধ্যমত সঠিকভাৱে প্ৰকাশিত নহ'ল। ইয়াৰ পিচতে ১৮ ফেব্ৰুৱাৰীত তেতিয়াৰ নগাঁও জিলাৰ অন্তৰ্গত নেলীত সাম্প্ৰদায়িক সংঘৰ্ষত দুহাজাৰৰো অধিক লোকৰ মৃত্যু ঘটিছিল। আন্দোলনৰ সমৰ্থন কৰা নেলীৰ স্থানীয় একাংশ লোকে সংখ্যালঘু অধ্যুষিত এলেকাত আক্ৰমণ চলাই নিৰ্বিচাৰে হাজাৰ হাজাৰ লোকক হত্যা কৰাৰ লগতে ঘৰ-বাৰী জ্বলাই দিছিল। স্বৰাজোত্তৰ ভাৰতবৰ্ষত সংঘটিত সাম্প্ৰদায়িক হত্যাকাণ্ডসমূহৰ ভিতৰত নেলীৰ হত্যাকাণ্ডক অন্যতম এক পাশৱিক ঘটনা বুলি অভিহিত কৰিব পাৰি।

নিৰ্বাচন অনুষ্ঠিত

১৪ ফেব্ৰুৱাৰীৰ প্ৰথম নিৰ্বাচনৰ দিনা ৬২টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হয়। নিৰ্বাচন প্ৰতিৰোধৰ বাবে ছাত্ৰ সন্থাৰ নিৰ্দেশমৰ্মে ভোটগ্ৰহণ কেন্দ্ৰৰ ৫০ গজ ব্যাসাৰ্ধৰ ভিতৰৰ ঠাইক 'জনশূন্য' অঞ্চল ৰূপে ঘোষণা কৰি তাত সকলোৰে প্ৰৱেশ নিষেধ কৰা হয়। এই জনশূন্য অঞ্চলৰ বাহিৰত

● সদৌ অসম ছাত্ৰ সন্থাৰ হিতেন গোস্বামী আৰু যতীন মালীক আটক।

৭ জানুৱাৰী ঃ অসমত Assam Special Power (press) Act, 1960 প্ৰৱৰ্তন। ইয়াৰ জৰিয়তে বাতৰিকাকতসমূহত বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত ভালেমান নিষেধাজ্ঞা জাৰি কৰা হয়। দিল্লীৰ আলোচনাৰ পৰা ঘূৰি অহাৰ পিচত বৰঝাৰ বিমানবন্দৰৰ পৰা প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, জয়নাথ শৰ্মা, নৰেন তাঁতী, অতুল বৰা, বিৰাজ শৰ্মা আৰু কুমুদ নাথ শৰ্মাক ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত গ্ৰেপ্তাৰ।

● অসমীয়া দৈনিক বাতৰিকাকত 'দৈনিক অসম'ত বিদেশী নাগৰিকৰ সম্পৰ্কত হোৱা অসম আন্দোলন সংক্ৰান্ত সকলো ধৰণৰ বা-বাতৰি, সম্পাদকীয়, প্ৰবন্ধ, অন্যান্য প্ৰবন্ধ, সম্পাদকলৈ চিঠি, কাৰ্টুন, মতামত, বিজ্ঞাপন আৰু আলোকচিত্ৰৰ প্ৰকাশ নিষিদ্ধ কৰি ৰাজ্যপালে 'আছাম স্পেচিয়েল পাৱাৰ্ছ (প্ৰেছ) এক্ট ১৯৬০ (আছাম এক্ট নং ৩ অব ১৯৬১)ৰ বিশেষ ক্ষমতাৰ বলত ৰাজহুৱা শৃংখলা ব্যাহত হোৱা বা ব্যাহত কৰিব পৰা কাৰ্যকলাপ প্ৰতিহত কৰিবলৈ গৃহ বিভাগৰ এটা জাননীযোগে এটা ঘোষণা কৰে।

৮ জানুৱাৰী ঃ পুৱা ৯ বজাৰ পৰা ২৪ ঘণ্টীয়া গুৱাহাটী বন্ধ।

● বাতৰিকাকতৰ ওপৰত নিষেধাজ্ঞা জাৰি কৰাৰ প্ৰতিবাদত অসমৰ কেই খনমান বাতৰিকাকতত সম্পাদকীয় প্ৰকাশ কৰা নহ'ল।

১০ জানুৱাৰী ঃ সমগ্ৰ অসমতে জোঁৰ লৈ সমদল উলিওৱা হয় তথা ৰাজপথত বন্তি প্ৰজ্বলন কৰা হয়।

● গুৱাহাটী উচ্চ ন্যায়ালয়ত ইন্দ্ৰজিৎ বৰুৱাৰ হৈ অধিবক্তা পাচুগোপাল বৰুৱাই, ১৯৭৯ চনৰ ভোটাৰ তালিকাৰ ভিত্তিত অসমত পাতিব খোজা নিৰ্বাচন স্থগিত ৰাখিবলৈ এখন আৱেদন দাখিল কৰে।

● সংসদীয় সদস্য দীনেশ গোস্বামী, বিশ্ব গোস্বামী আৰু ৰবীন কাকতীয়ে আজি কেন্দ্ৰীয় চৰকাৰ আৰু নিৰ্বাচনী আয়োগক অসমৰ নিৰ্বাচন সন্দৰ্ভত আনুষ্ঠানিক জাননী জাৰি নকৰিবলৈ অনুৰোধ জনায়; লগতে তেওঁলোকে দেশৰ অইন অংশৰ ৰাইজ, অনুষ্ঠান আৰু দললৈও অসমত জাপি দিব

নির্বাচনৰ দিনা প্ৰধানমন্ত্ৰী, মুখ্য নিৰ্বাচন আয়ুক্তৰ প্ৰতিকৃতিৰ দাহ চলিল। ৬২টা সমষ্টিৰ ভিতৰত কোনো কোনো কেন্দ্ৰত এটাও ভোট নপৰিল। সৰ্বমুঠ ১৬টা সমষ্টিৰ বহু কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ কৰিব লগা পৰিৱেশৰ সৃষ্টি হ'ল।

১৭ ফেব্ৰুৱাৰীৰ দিনা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন গোৱালপাৰা, কামৰূপ, নগাঁও আৰু দৰং জিলাৰ ৩৭টা সমষ্টিৰ বাবে অনুষ্ঠিত হ'ল। এই দিনটোত মুঠ ২৮জন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০খন গাঁও ভস্মীভূত হয়। ১৮ তাৰিখৰ দিনা প্ৰায় ৭৩টা ভোটগ্ৰহণ কেন্দ্ৰত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হয়। ১৮ ফেব্ৰুৱাৰীত নেলীত ঘটা পাশৱিক হত্যাকাণ্ডৰ পিচত নিৰ্বাচন স্থগিত ৰখা হ'ব বুলি ধাৰণা কৰা হৈছিল যদিও বাস্তৱত সি নঘটিলগৈ। ২০ ফেব্ৰুৱাৰীত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ল আৰু উক্ত দিনাও সমগ্ৰ ৰাজ্যখনতে ব্যাপক হত্যা-সংঘৰ্ষৰ ঘটনা ঘটিল।

ভোটগ্ৰহণ পৰ্বৰ অন্ত পৰাৰ পিচত ২২ ফেব্ৰুৱাৰীত ক্ষতিগ্ৰস্ত এলেকা, সংঘৰ্ষপীড়িত এলেকাত সাহায্য প্ৰদান আৰু শ্ৰমদান কাৰ্যসূচী ঘোষণা কৰা হয়। এই ঘোষণাত কোৱা হয় যে 'বিদেশী ভোট'-এৰে নিৰ্বাচিত নতুন মন্ত্ৰীসভাই কাৰ্যভাৰ লোৱাৰ দিনাই ২৪ ঘণ্টীয়া সৰ্বাত্মক অসহযোগ পালন কৰা হ'ব। ২৩ ফেব্ৰুৱাৰীপৰ্যন্ত বিক্ষিপ্ত সংঘৰ্ষৰ ঘটনা অব্যাহত থাকে। ২৬ ফেব্ৰুৱাৰীত 'শোক আৰু সাহায্য' দিৱস পালন কৰা হয়। ইয়াৰ পূৰ্বে ২২ ফেব্ৰুৱাৰীত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু ফুকন, অতুল বৰা, বিৰাজ শৰ্মা আদি ছাত্ৰনেতাক জে'লৰ পৰা মোকলাই দিয়া হৈছিল। সেইদিনাই কৰ্মচাৰীসকলৰ অসহযোগৰো সামৰণি ঘটে। ফেব্ৰুৱাৰী মাহত মুঠ ১২জন কৰ্মচাৰীৰ মৃত্যু হয় আৰু ১৩৯জনক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয়। নেলীৰ হত্যাকাণ্ডক বাদ দি ১৭ আৰু ১৮ ফেব্ৰুৱাৰীত ৰাজ্যখনত অতি কমেও ১০০জন লোকে হিংসাত্মক ঘটনাত প্ৰাণ হেৰুৱাব লগাত পৰিছিল।

খোজা নিৰ্বাচনৰ বিৰুদ্ধে প্ৰবল প্ৰতিবাদ গঢ়ি তুলিবলৈ আহ্বান জনায়।

• সমগ্ৰ অসমত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত সন্ধিয়া ৬ বজাৰ পৰা ৮ বজালৈ প্ৰতিবাদী শিখা লৈ সমদল উলিওৱা হয় আৰু ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহত কলৰ ভূৰত বান্ধি প্ৰতিবাদী শিখা উটুৱাই দিয়া হয়।

১১ জানুৱাৰী ঃ অসমত বাতৰিকাকতৰ ওপৰত চলোৱা নিষেধাজ্ঞা ব্যৱস্থাৰ প্ৰতিবাদত গুৱাহাটীত সাংবাদিকসকলে পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ অনশন কৰে। লগতে পুৱা ৬ বজাৰ পৰা ২৪ ঘণ্টীয়া কৰ্মবিৰতি পালন কৰে।

• নিশা ৮ বজাৰ পৰা পুৱা ৪ বজালৈ সমগ্ৰ অসমত নিষ্প্ৰদীপ আৰু পথ বন্ধ কাৰ্যসূচী পালন কৰা হয়।

১২ জানুৱাৰী ঃ অসমত অহা ১৪, ১৭, ২০ ফেব্ৰুৱাৰীত অসম বিধানসভাৰ ১২৬টা সমষ্টি আৰু অসমৰ লোকসভাৰ ১৪টা সমষ্টিৰ নিৰ্বাচনৰ বাবে নিৰ্বাচনী আয়োগে এখন জাননী জাৰি কৰে। ৰাষ্ট্ৰপতি জাইল সিং আৰু আয়োগে সুকীয়া জাননীৰ দ্বাৰা ৰাজ্যখনৰ স্বায়ত্তশাসিত জিলাৰ উপ-নিৰ্বাচনত এজন লোকসভাৰ সদস্য নিৰ্বাচিত কৰিবলৈ তাৰ ভোটাৰসকলক আহ্বান জনায়।

• চৰকাৰে অত্যাৱশ্যকীয় সেৱা সুৰক্ষা অধ্যাদেশৰ (Essential Service Maintenance Act) যোগেদি নিৰ্বাচন সংক্ৰান্তত সকলো ধৰণৰ ধৰ্মঘট নিষিদ্ধ ঘোষণা কৰে।

• জজ খেলপথাৰত আয়োজিত এখন জনসভাত ভাৰতীয় জনতা পাৰ্টীৰ অটল বিহাৰী বাজপেয়ী আৰু যশোৱন্ত সিং আৰু লোকদলৰ শ্যামনন্দন মিশ্ৰই অসমৰ নিৰ্বাচন স্থগিত ৰাখিবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনায়।

• কপুৰী ঠাকুৰৰ লোকদলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকে আজি অসমৰ নিৰ্বাচন বৰ্জনৰ সিদ্ধান্ত লয়।

১৩ জানুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত নিশা ৮ বজাৰ পৰা ১২ বজালৈ জাপি দিয়া নিৰ্বাচনৰ প্ৰতিবাদত ৰণধ্বনি পালন কৰা হয়।

নিৰ্বাচনী ফলাফল

১৯৮৩ চনৰ বিধানসভা নিৰ্বাচনত মুঠ ভোটদাতাৰ এক তৃতীয়াংশ লোকে ভোটদান কৰিছিল আৰু ইয়াৰে ব্যাপক ভোটদান হৈছিল সংখ্যালঘু এলেকাসমূহত। সৰ্বাধিক ভোট প্ৰদান কৰা সমষ্টিসমূহ আছিল মানকাচৰ (৭৯.৪৪%), দক্ষিণ শালমৰা (৭৩.৪৯%), জনিয়া (৬৯.৩০%), পশ্চিম বিলাসীপাৰা (৬৮.৯৬%) আৰু বাঘবৰ (৭০.৯৭%)। এই নিৰ্বাচনত ভোটদানৰ পৰিসংখ্যা আছিল এনেধৰণৰ—

	পুৰুষ	মহিলা	মুঠ
ভোটাৰৰ সংখ্যা	৪০,৪৬,৬৪২	৩৫,৩৬,১৩০	৭৫,৮২,৭৭২
নিৰ্বাচন অনুষ্ঠিত সমষ্টিৰ ভোট দিয়া লোকৰ সংখ্যা	১৩,৯৩,৬৯৬	৯,৯১,৪৯৪	২৩,৮৫,১৯০
ভোটদানৰ শতকৰা হাৰ	৩৫.৮৪%	২৯.২০%	৩২.৭৪%

নিৰ্বাচনত কংগ্ৰেছ দলে (INC) ৯১খন, চি পি আয়ে ১, চি পি এমে ২, পি টি চিয়ে ৩, সমাজবাদী কংগ্ৰেছে (ICS) ২ আৰু নিৰ্দলীয়ই ১০খন আসন লাভ কৰিছিল। একক সংখ্যাগৰিষ্ঠতা লাভ কৰি কংগ্ৰেছ দলে পুনৰ চৰকাৰ গঠন কৰিছিল।

১৯৮৩ চনৰ নিৰ্বাচনৰ পিচৰ সময়ছোৱাত অসমৰ জনগোষ্ঠীসমূহৰ মাজত বিভেদ আৰু বিযোদ্গাৰৰ স্থায়ী বীজ ৰুপিত হ'ল। সংঘৰ্ষ আৰু বিক্ষোভৰ ঘটনাত সমগ্ৰ অসমৰ সংঘবদ্ধতা ঠনঠনকৈ ভাগি পৰিল। এপ্ৰিল মাহৰ (১৯৮৩) ২০ তাৰিখৰ পৰা সদৌ অসম জন-সাংস্কৃতিক পৰিষদৰ পৃষ্ঠপোষকতাত ড° ভূপেন হাজৰিকা আৰু ড° বীৰেন্দ্ৰকুমাৰ

১৪ জানুৱাৰী ঃ অসমত বলপূৰ্বকভাৱে জাপি দিয়া নিৰ্বাচনত ভাগ নল'বলৈ সদৌ অসম বেংক কৰ্মচাৰী পৰিষদে সকলো কৰ্মচাৰীলৈ আহ্বান জনায়।

১৬ জানুৱাৰী ঃ অসম নিৰ্বাচনত অংশগ্ৰহণ নকৰিবলৈ আজি নিখিল ভাৰত কমিউনিষ্ট পাৰ্টীয়ে (এ আই চি পি) সিদ্ধান্ত গ্ৰহণ কৰে।

● ভাৰতৰ মুক্তিযুঁজাৰু উপদেষ্টা ব'ৰ্ডৰ সঁজাতী দলে কেন্দ্ৰীয় গৃহ মন্ত্ৰী পি চি শেঠীক সাক্ষাৎ কৰি এক স্মাৰকপত্ৰযোগে অসমৰ নিৰ্বাচন বন্ধ কৰিবলৈ দাবী জনায়।

১৭ জানুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত আজি পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ সমগ্ৰ অসমৰ চৰকাৰী, অৰ্ধচৰকাৰী, বেচৰকাৰী কাৰ্যালয়সমূহ বন্ধ থাকে।

● ৰাষ্ট্ৰীয় বিৰোধী দলৰ নেতা সৰ্বশ্ৰী ৰাম জেঠমালানী, জৰ্জ ফাৰ্ণাণ্ডেজ, শ্যামনন্দন মিশ্ৰ, সুৰেন্দ্ৰ মোহন আদিয়ে মুখ্য নিৰ্বাচনী আয়ুক্ত শ্ৰীআৰ কে ত্ৰিবেদীক নতুন দিল্লীত লগ ধৰি অসমৰ নিৰ্বাচন পিছুৱাই দিবলৈ অনুৰোধ জনায়। আনহাতে বিৰোধী দলৰ নেতা এল কে আদৱানি, যশোৱন্ত সিং, সুৰেন্দ্ৰ মোহন, শ্যামনন্দন মিশ্ৰ, বাপু কালদেৱে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক লগ ধৰি নিৰ্বাচন স্থগিত ৰাখিবলৈ অনুৰোধ জনায়।

● আজি ইন্দিৰা কংগ্ৰেছৰ তৰুণ সাংসদৰ দল এটাই নতুন দিল্লীত মুখ্য নিৰ্বাচনী আয়ুক্তক লগ ধৰি অসমত যিকোনো উপায়েৰে নিৰ্বাচন পাতিবলৈ দাবী জনায়।

১৮ জানুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত আজি পুৱা ৫ বজাৰ পৰা ৩৫ ঘণ্টীয়া সৰ্বাত্মক অসম বন্ধ পালন কৰা হয়।

১৯ জানুৱাৰী ঃ সমগ্ৰ অসমত পালন কৰা 'সৰ্বাত্মক অসম বন্ধ' আজি আবেলি ৪ বজাত সামৰণি পৰে।

● নগাঁও জিলাৰ তেঁতেলীসৰাত আজি নিৰ্বাচনবিৰোধী ৰাইজৰ ওপৰত পুলিচে গুলী চালনা কৰে, ফলত বহুতো লোক আহত হয়। পিচত অঞ্চলটোত সান্ধ্য আইন বলবৎ কৰা

ভট্টাচাৰ্যৰ উদ্যোগত এক সাংস্কৃতিক বাহিনীয়ে অসম ভ্ৰমণ কৰে। মানুহৰ মাজত বৈৰিতাৰ অৱসান ঘটোৱাই এই সাংস্কৃতিক বাহিনীৰ মূল লক্ষ্য আছিল।

১ জুনত আছু আৰু গণ সংগ্ৰাম পৰিষদৰ উদ্যোগত নতুন দিল্লীৰ ব'ট ক্লাবত ৭২ ঘণ্টীয়া অনশনেৰে পুনৰ আন্দোলনৰ কাৰ্যসূচী আৰম্ভ হয়। জুন মাহৰ পৰা পুনৰ ধাৰাবাহিক আন্দোলন আৰম্ভ হ'ল যদিও সেই আন্দোলনত পুনৰ আগৰ প্ৰাবল্য আৰু চোক পৰিলক্ষিত নহ'ল। প্ৰকৃতপক্ষে ১৯৮৩ৰ হিংসাত্মক নিৰ্বাচনে সমগ্ৰ অসমৰ সাধাৰণ মানুহৰ মন হতাশাৰে ভৰাই তুলিছিল আৰু বহুতে আন্দোলনৰ হিংসাত্মক পন্থাৰ ওপৰত প্ৰশ্নও তুলিছিল। ইয়াৰ পিচৰ আন্দোলনৰ কাৰ্যসূচীসমূহে বহু পৰিমাণে আনুষ্ঠানিকতাৰ খাতিৰত কৰা আন্দোলনৰ ৰূপ পাইছিলগৈ আৰু ১৯৮৫ চনৰ ১৪ আগষ্টপৰ্যন্ত এই অলসতা অব্যাহত আছিল।

আন্দোলনৰ অন্ধকাৰ দিশ

যদিও অসম আন্দোলনৰ নেতৃবৃন্দই অহিংস উপায়েৰে আন্দোলন চলাই থকা বুলি কৈছিল তথাপি ১৯৮৩ চনৰ নিৰ্বাচনত এই আন্দোলনৰ প্ৰকৃত স্বৰূপ যে অহিংস নহয়, সেয়া জলজল-পটপটকৈ ওলাই পৰিছিল। কেৱল গহপুৰ আৰু নেলীত সাম্প্ৰদায়িক সংঘৰ্ষত দুই সহস্ৰাধিক লোকৰ মৃত্যু ঘটাটোৱে আন্দোলনটোত থকা অহিংস উপাদানৰ কথাটোকে প্ৰতিষ্ঠাপিত কৰে। সমগ্ৰ অসম আন্দোলনত কেইবা শতাধিক আন্দোলনকাৰী চৰকাৰী বাহিনীৰ হাতত নিহত হোৱাৰ সমান্তৰালভাৱে আন্দোলনকাৰীৰ হাততো ব্যাপক নিগ্ৰহ আৰু হিংসাত্মক ঘটনা সংঘটিত হৈছিল। আন্দোলনকাৰীসকলে মূলতঃ লক্ষ্য কৰি লৈছিল বাঁওপন্থী দলৰ কৰ্মীসকলক। বাঁওদলৰ সদস্যসকলক মুকলিভাৱে হত্যা কৰাৰ লগতে নাক, আঙুলি, কাণ আদি কাটি চিৰদিনৰ বাবে পংগু কৰি দিয়া হৈছিল।

হয়।

২০ জানুৱাৰী ঃ The Assam Tribune আৰু দৈনিক অসম কাকত দুখনৰ ওপৰত আৰোপ কৰা আইন প্ৰত্যাহাৰৰ বাবে উচ্চতম ন্যায়ালয়ত আৱেদন দাখিল।

● দিল্লী সাংবাদিক সন্থাৰ তৰফৰ পৰা অসমৰ বাতৰিকাকতৰ ওপৰত কৰা নিষেধাজ্ঞাৰ ওপৰত গভীৰ উদ্বেগ প্ৰকাশ কৰা হয়।

২১ জানুৱাৰী ঃ নিৰ্বাচন স্থগিতকৰণৰ বাবে উচ্চতম ন্যায়ালয়ত ৰীট আৱেদন দাখিল। এই আৱেদন ভূতপূৰ্ব মুখ্যমন্ত্ৰী যোগেন হাজৰিকাই তৰিছিল আৰু আৱেদন অগ্ৰাহ্য হয়।

● অসম চাহ মজদুৰ সংঘই আজি নিৰ্বাচন বৰ্জনৰ সিদ্ধান্ত গ্ৰহণ কৰে।

● পাটনাৰ পৰা ছজন বিশিষ্ট সৰ্বোদয় নেতাই প্ৰকাশ কৰা এটা বিবৃতিত অসমৰ জনগণৰ মতৰ বিপৰীতে নিৰ্বাচন পাতিবলৈ লোৱা চৰকাৰী সিদ্ধান্ত গণতন্ত্ৰৰ পৰিপন্থী বুলি আখ্যা দিয়ে।

২২ জানুৱাৰী ঃ গণৰাজ্য দিৱস উপলক্ষে বুৰঞ্জীবিদ আৰু বিশিষ্ট সাহিত্যিক বেণুধৰ শৰ্মাক মৰণোত্তৰভাৱে 'পদ্মভূষণ' উপাধিৰে সন্মানিত কৰা হয়।

● অসমৰ বিশিষ্ট চিকিৎসক, অসম মেডিকেল কলেজৰ অধ্যক্ষ নেকিবুৰ জামানক 'পদ্মশ্ৰী' উপাধিৰে সন্মানিত কৰা হয়।

● সমগ্ৰ অসমত চলা পুলিচ, চি আৰ পিৰ নিৰ্বিবাদ অত্যাচাৰ অনতিপলমে বন্ধ কৰিব লাগে বুলি আজি সৰ্বশ্ৰী ৰেণুকা দেৱী বৰকটকী, গোলাপ বৰবৰা, ৰমেশমোহন কুলী, প্ৰেমধৰ বৰা, অজয় দত্ত আদিয়ে ৰাজ্যপালৰ উপদেষ্টা শ্ৰীনটৰাজনৰ ওচৰত দাবী জনায়।

২৩ জানুৱাৰী ঃ আহমেদাবাদত সাংবাদিকসকলৰ আগত জনতা দলৰ নেতা ৰবীন্দ্ৰ বাৰ্মাই অসমত নিৰ্বাচন পতাৰ চৰকাৰী সিদ্ধান্তটোক এটা প্ৰহসন মাথোঁ বুলি অভিহিত কৰে।

২৪ জানুৱাৰী ঃ উচ্চতম ন্যায়ালয়ে আজি 'দৈনিক অসম' আৰু 'আছাম ট্ৰিবিউন' কাকতৰ ওপৰত দিয়া চৰকাৰী নিষেধাজ্ঞাৰ কাৰ্যকৰীকৰণ স্থগিত ৰাখিবলৈ নিৰ্দেশ দিয়ে।

চৰকাৰী হিচাপ মতে ১৯৮৩ চনৰ ১ জানুৱাৰীৰ পৰা ৩০ এপ্ৰিললৈ ডিব্ৰুগড়ত ৫৪জন, গোৱালপাৰাত ১১৯জন, কামৰূপত ৯২জন, অবিভক্ত দৰং জিলাত ৪৯৩জন, শিৱসাগৰত (অবিভক্ত) ৮৮জন, লখিমপুৰত ৩৫০জন, নগাঁৱত ১,৮১১জন আৰু কাৰ্বি আংলঙত ১৬জনক হত্যা কৰা হৈছিল। এই আন্দোলনৰ বুকুতে অসমৰ পৰৱৰ্তী দশকসমূহৰ হিংসাত্মক ঘটনাৱলীৰ বীজ অংকুৰিত হোৱা বুলি ক'লেও হয়তো বঢ়াই কোৱা নহয়।

● বৰপেটা মহকুমাৰ চেঙা আৰু দৰং জিলাৰ ঘাহিগাঁও আৰু পানেৰীত পুলিচে নিৰ্বাচনবিৰোধী জনসাধাৰণৰ ওপৰত গুলীচালনা কৰে। ঘাহিগাঁৱত এজন নিহত হয়।

● কাছাৰ জিলাৰ ইণ্ডিজেনাছ পিপলছ কনফাৰেঞ্চৰ (Indigenous People's Conference) সভাপতি আৰু সম্পাদক ক্ৰমে ছহিদুল আলম চৌধুৰী আৰু মহিউদ্দিন বৰভূঞাই এক বিবৃতিত অসমত নিৰ্বাচন পাতিবলৈ লোৱাত গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে নিৰ্বাচন বৰ্জন কৰিবলৈ ৰাইজলৈ আহ্বান জনায়।

● সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি নুৰুল হুছেইন আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই মুখ্য নিৰ্বাচনী আয়োগলৈ এখন পত্ৰযোগে অসমৰ নিৰ্বাচনৰ প্ৰশ্নটো পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ জনায়।

২৫ জানুৱাৰী ঃ দৰং জিলাৰ ঘাহিগাঁও অঞ্চলত অনিৰ্দিষ্ট কাললৈ সান্ধ্য আইন বলৱৎ কৰা হয়।

● জনতা দলৰ সভাপতি চন্দ্ৰশেখৰে আজি কোচিনত এখন সংবাদমেলত মন্তব্য কৰে যে অসমত নিৰ্বাচন পাতিবলৈ নিৰ্দেশ দি কেন্দ্ৰীয় চৰকাৰে দেশখনত আন এখন নাগালেণ্ড সৃষ্টি কৰিলে।

২৬ জানুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ জনতা সান্ধ্য আইন পালন কৰা আৰু গণৰাজ্য দিৱসৰ সকলো চৰকাৰী কাৰ্যসূচী বৰ্জন কৰা হয়।

২৭ জানুৱাৰী ঃ বিৰোধী দলৰ নেতা ৰাজনাৰায়ণে আজি অসমত নিৰ্বাচন পিচুৱাই দিবলৈ উচ্চতম ন্যায়ালয়ত এখন আবেদনপত্ৰ দাখিল কৰে।

● গুৱাহাটী বিশ্ববিদ্যালয় শিক্ষক সন্থাই আগন্তুক নিৰ্বাচনত সহযোগ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

● অসম চৰকাৰে ঘোষণা কৰে যে নিৰ্বাচনী কৰ্তব্যত মৃত্যু হ'লে চৰকাৰী কৰ্মচাৰীৰ মাজত গেজেটেড বিষয়াসকলৰ ক্ষেত্ৰত ১ লাখ আৰু ননগেজেটেড বিষয়াসকলৰ ক্ষেত্ৰত ৫০ হাজাৰ টকা তেওঁলোকৰ পৰিয়ালক দিয়া হ'ব।

অসম চুক্তি

অসম চুক্তি স্বাক্ষৰিত হোৱাৰ প্ৰায় দুবছৰৰ আগৰ পৰা অসমৰ সমস্যাসমূহৰ ৰাজনৈতিক সমাধানৰ বাবে বিভিন্ন ধৰণৰ আনুষ্ঠানিক আৰু অনানুষ্ঠানিক প্ৰক্ৰিয়া এটি আৰম্ভ হৈছিল। কিন্তু বিষয়টোৱে এক নিৰ্দিষ্ট গতি লাভ কৰাৰ ক্ষেত্ৰত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দই প্ৰদৰ্শন কৰিছিল এক বুজিব নোৱৰা নিস্পৃহতা। আৱেগসৰ্বস্ব ঢৌত আক্ৰান্ত এই নেতৃবৃন্দই বাৰে বাৰে ভিত্তি বৰ্ষক লৈয়ে আপত্তি দৰ্শাইছিল, যাৰ ফলত কোনো এটা আলোচনাই পূৰ্ণতা লাভ কৰিব পৰা নাছিল।

আন্দোলনৰ নেতৃবৃন্দই ১৯৫১ চনক বিদেশী চিনাক্ত কৰাৰ ভিত্তি বছৰ হিচাপে বিচৰাৰ

২৮ জানুৱাৰী ঃ অসমৰ চাহ শ্ৰমিকসকললৈ নিৰ্বাচন বৰ্জন কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাই আহ্বান জনায়।

২৯ জানুৱাৰী ঃ অসমত পুলিচৰ অন্যায়, অত্যাচাৰৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি চৰকাৰক সতৰ্ক কৰি দিয়ে যে পুলিচে মানৱীয় মৰ্যাদাক সন্মান কৰা উচিত।

● অসম চৰকাৰে ৰাষ্ট্ৰপতিৰ নিৰ্দেশযোগে 'অসম কাৰ্যবাহী দণ্ডাধীশ (অস্থায়ী ক্ষমতা) আইন ১৯৮৩ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰৱৰ্তন কৰে।

৩০ জানুৱাৰী ঃ ৰাজ্যখনত পুলিচী অত্যাচাৰ বন্ধ আৰু নিৰ্বাচন স্থগিত ৰাখিবলৈ দাবী জনাই গোলাপ বৰবৰা আৰু বিশ্ব গোস্বামীয়ে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহ মন্ত্ৰী আৰু মুখ্য নিৰ্বাচনী আয়ুক্তলৈ তাঁৰ বাৰ্তা প্ৰেৰণ কৰে।

● নিৰ্বাচনৰ কামত অসমলৈ নাযাবলৈ বিহাৰ ৰাজ্যিক গেজেটেড বিষয়া ফেডাৰেচনে সিদ্ধান্ত লয়।

● জগজীৱন ৰামে অসম নিৰ্বাচনক এটা প্ৰহসন বুলি মন্তব্য কৰে।

● সংসদীয় সদস্য যশোৱন্ত সিঙে অসমৰ নিৰ্বাচনটো মিছা আৰু জালিয়াতি বুলি অভিহিত কৰে।

৩১ জানুৱাৰী ঃ বিহাৰ চৰকাৰে অসম নিৰ্বাচনত যোৱা কৰ্মচাৰীসকলক এমাহৰ ধন অগ্ৰিম দিয়াৰ সিদ্ধান্ত লয়। লগতে কোনোবা কৰ্মচাৰীৰ মৃত্যু হ'লে তেওঁৰ পৰিয়াললৈ ২ লাখ টকা আৰু অৱসৰৰ সময়লৈ প্ৰমোচনসহ দৰমহা দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে।

● সদৌ অসম ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি নুৰুল হুছেইন আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই কেন্দ্ৰীয় মন্ত্ৰী গনিখান চৌধুৰীকে ধৰি কংগ্ৰেছী নেতাসকল আৰু তথাকথিত বামপন্থী নেতাসকলে সাম্প্ৰদায়িক কূটাঘাতমূলক ভাষণৰ দ্বাৰা অসমত বাস কৰা ভাৰতীয় নাগৰিকসকলৰ মাজত অস্বস্তিকৰ পৰিস্থিতি সৃষ্টি কৰা বুলি অভিযোগ কৰে।

● অসম কলেজ শিক্ষক সন্থাই নিৰ্বাচনত অসহযোগ কৰাৰ সিদ্ধান্ত লয়। লগতে মুখ্য নিৰ্বাচনী আয়ুক্তক নিৰ্বাচন বন্ধ কৰিবলৈ দাবী জনায়।

বিপৰীতে কেন্দ্ৰীয় চৰকাৰে ১৯৭১ চনটোহে ভিত্তি বৰ্ষ হিচাপে বান্ধি দিছিল। মাজতে কেন্দ্ৰীয় চৰকাৰে এই ভিত্তি বছৰ ১৯৬৫ চনলৈকে নমাই আনিলে। কিন্তু এই প্ৰস্তাৱত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দ ৰাজী নহ'ল। এই প্ৰস্তাৱ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা তেতিয়াৰ ডি আই জি হিৰণ্য ভট্টাচাৰ্যৰ যোগেৰে ছাত্ৰ সন্থালৈ প্ৰেৰণ কৰা হৈছিল যদিও আছুৰ একাংশ নেতাই ইয়াক মানি নল'লে।

তেনেকুৱা আন এটা প্ৰচেষ্টাৰ মাজতেই ১৯৮৩ চনৰ মাজভোখৰত ভাৰত চৰকাৰৰ এগৰাকী শীৰ্ষ আমোলা আৰ কে পাটিলে সমস্যা সমাধানৰ বাবে কিছু পৰামৰ্শ আগবঢ়াইছিল। এই পৰামৰ্শসমূহ আছিল—

(১) ১৯৭১ চনৰ ২৪ মাৰ্চৰ পিচত অসমত প্ৰৱেশ কৰা হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ লোকক চিনাক্ত কৰি বহিষ্কাৰ কৰিব লাগে।

(২) ১৯৬৮-১৯৭১ চনৰ সময়ছোৱাত ২.৮ লাখ মুছলমান সম্প্ৰদায়ৰ লোকৰ বিতাড়নৰ ক্ষেত্ৰত যি আদেশ ইতিমধ্যে দিয়া হৈছে তাক সফলভাৱে ৰূপায়ণ কৰিব লাগে।

(৩) অসমত বিদেশী নাগৰিক প্ৰৱেশ কৰাৰ সঠিক সময় নিৰ্ধাৰণ কৰিবলৈ অনা-অসমীয়াৰে পৰিচালিত বিশেষ আদালত গঠন কৰাৰ সুবিধা দিব লাগে।

(৪) সীমান্তৰে প্ৰৱেশ কৰিব নোৱৰাকৈ সীমান্ত বন্ধ কৰি পথ অৱৰোধৰ ব্যৱস্থা কৰিব লাগে।

(৫) উভয় পক্ষক মাত্ৰ এবাৰহে আইনৰ সুযোগ গ্ৰহণ কৰাৰ সুবিধা দিব লাগে।

(৬) নদীৰে প্ৰৱেশ কৰিব নোৱৰাকৈ পহৰাদাৰী নাও ব্যৱহাৰ কৰিব লাগে।

(৭) অসমীয়া সংস্কৃতি ৰক্ষাৰ বাবে ব্যৱস্থা কৰিব লাগে।

(৮) জনজাতি লোকৰ সুৰক্ষা নিশ্চিত কৰিব লাগে।

• অসমৰ কৰ্মচাৰী পৰিষদসমূহৰ সমন্বয়ৰক্ষী সমিতিয়ে অসমৰ চুবুৰীয়া ৰাজ্যৰ কৰ্মচাৰীসকলক অসম নিৰ্বাচনত সহযোগিতা নকৰিবলৈ আহ্বান জনায়।

• নগাঁও জিলা ছাত্ৰ সন্থাই ননৈত চি আৰ পিৰ অত্যাচাৰত নিহত হোৱা আইতি তামুলীৰ স্মৃতিত আজি সন্ধিয়া ৫ বজাৰ পৰা ১২ ঘণ্টীয়া নগাঁও জিলা বন্ধ আৰু অন্ধকাৰ দিৱস পালন কৰে।

১ ফেব্ৰুৱাৰী ঃ আছু আৰু গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত নিৰ্বাচনৰ বিৰুদ্ধে সমগ্ৰ অসমত মুক্তি-যুঁজাৰুসকলৰ সমদল।

• ৰাজনাৰায়ণে অসমৰ নিৰ্বাচন স্থগিতকৰণৰ বাবে উচ্চতম ন্যায়ালয়ত কৰা আবেদন নাকচ।

• নিৰ্বাচনত সহযোগ কৰা অসমৰ আৰু অসমৰ বাহিৰৰ বিষয়া আৰু কৰ্মচাৰীক Group Insurance Benefit দিয়াৰ চৰকাৰী ঘোষণা।

• অসমৰ বিভিন্ন স্থানত নিৰ্বাচন বিৰোধীৰ দ্বাৰা বোমা বিস্ফোৰণ। অসম প্ৰদেশ কংগ্ৰেছৰ (ই) সভাপতি হৰেন্দ্ৰ নাথ তালুকদাৰলৈ পত্ৰবোমা প্ৰেৰণ।

• অসমৰ শতাধিক দলঙত অগ্নিসংযোগ। চাপাগুৰিৰ এজন ৰাজনৈতিক কৰ্মী অপহৰণ।

• শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিত এখন বজাৰত অগ্নিসংযোগ।

• কামৰূপ জিলাৰ কমলপুৰত দুটা দলৰ মাজত সংঘৰ্ষ।

২ ফেব্ৰুৱাৰী ঃ পুলিচৰ গুলীচালনাত মঙলদৈ চহৰৰ ওচৰৰ জোনাৰাম চৌকা আৰু বৰদৌলগুৰিত পাঁচজন লোকৰ মৃত্যু। ছিপাঝাৰত চি আৰ পি এফে তিনিজন লোকক মৰিয়াই জুইত জাপি দিয়ে।

• আছু-গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত নিৰ্বাচনৰ বিৰুদ্ধে উকীলসকলৰ সমদল।

৩ ফেব্ৰুৱাৰী ঃ মঙলদৈৰ বুঢ়াত পুলিচৰ গুলীত কেইবাজনো লোকৰ মৃত্যু। নিশা শদিয়াত গুলীচালনা। এজন আন্দোলনকাৰী নিহত।

• ৫ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ ১৮ দিনীয়া কৰ্মচাৰীৰ সৰ্বাত্মক অসহযোগ কাৰ্যসূচী আন্দোলনৰ

(৯) বিধানসভা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ কৰিব লাগে, যাতে অসমীয়াৰ হাতৰ পৰা বহিৰাগতই শাসন কাঢ়ি ল'ব নোৱাৰে।

অসমৰ স্বাধীনতা যুঁজাৰুসকলেও প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ হাতত অসমৰ সমস্যাৰাজি সমাধানৰ বাবে এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। স্বাধীনতা যুঁজাৰুসকলৰ পৰা আগবঢ়োৱা সমাধানসূত্ৰ আছিল এনেধৰণৰ ঃ

(১) সংবিধানৰ আধাৰত নিৰ্দিষ্ট আইনৰ সীমাৰ ভিতৰত থাকি ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীক মূল প্ৰতিপাদ্য হিচাপে লৈ বিদেশী চিনাক্তকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে।

(২) ১৯৭১ চনৰ পিচত অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিকৰ চিনাক্তকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব লাগে।

(৩) ১৯৬১ৰ পৰা ১৯৭১ চনৰ সময়ছোৱাত যিসকল বিদেশী অসমত সোমাল সেইসকলক অসমৰ পৰা স্থানান্তৰিত কৰি ভাৰতৰ অন্য ৰাজ্যত সংস্থাপিত কৰিব লাগে যাতে অসমৰ ভাষিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক সমস্যাৰ সৃষ্টি নহয়।

(৪) ১৯৫১ৰ পৰা ১৯৬০ চনৰ সময়ছোৱাত যিসকল বিদেশী নাগৰিক অসমত প্ৰৱেশ কৰিলে সেইসকলক মানৱীয় দৃষ্টিভংগী আগত ৰাখি ভাৰতীয় নাগৰিকৰ মৰ্যাদা দি অসমতে ৰখাৰ ব্যৱস্থা কৰিব লাগে।

(৫) ১৯৬১ৰ পৰা ১৯৬৫ চনৰ ভিতৰত যিসকল বিদেশীক অসমত শৰণাৰ্থী হিচাপে ৰখা হ'ল সেইসকলক আন্তৰ্জাতিক চুক্তি অনুসৰি অসমত ৰাখিব লাগে।

(৬) কোনো বিদেশীয়ে যাতে অবৈধভাৱে পুনৰ প্ৰৱেশ কৰিব নোৱাৰে তাৰ ব্যৱস্থা সুনিশ্চিত কৰিব লাগে।

(৭) অসমৰ অস্তিত্ব বিপন্ন কৰিব নোৱৰাকৈ সাংবিধানিক সুৰক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(৮) ভাৰতীয় নাগৰিকত্ব প্ৰদানৰ ব্যৱস্থা কেৱল কেন্দ্ৰীয়

নেতৃবৃন্দৰ দ্বাৰা ঘোষিত।

৪ ফেব্ৰুৱাৰী : উত্তৰ লখিমপুৰৰ নাওবৈচাত নিৰ্বাচনবিৰোধী জনতাৰ ওপৰত পুলিচৰ গুলীচালনা। কেইবাজনো আহত।

● কামৰূপ, দৰং, নগাঁও আৰু উত্তৰ লখিমপুৰত শতাধিক কাঠৰ দলঙত অগ্নিসংযোগ।

● শিৱসাগৰৰ ৰাঙলী ৰিজাৰ্ভৰ পৰা চি পি আই (এম-এল) প্ৰাৰ্থীৰ দুজন সমৰ্থকৰ মৃতদেহ উদ্ধাৰ।

৫ ফেব্ৰুৱাৰী : কৰ্মচাৰী পৰিষদৰ সৰ্বাত্মক অসহযোগ আৰম্ভ। সমগ্ৰ অসমত বেচৰকাৰী যান-বাহন আৰু চৰকাৰী কাৰ্যালয়সমূহো বন্ধ ৰখা হয়।

● মঙলদৈৰ টংলাত পুলিচৰ গুলীচালনাত ৪জন লোকৰ মৃত্যু।

● নিৰ্বাচন বন্ধৰ দাবীত কাৰ্বি আংলঙৰ দুটা ছাত্ৰ সন্থাৰ আহ্বানত ৩৬ ঘণ্টীয়া কাৰ্বি আংলং জিলা বন্ধ।

● গুৱাহাটীৰ উজানবজাৰ আৰু পল্টনবজাৰত আৰু লখিমপুৰত কেইবাটাও বোমা বিস্ফোৰণ।

● কেন্দ্ৰৰ পৰা অসমলৈ চি আৰ পিৰ অতিৰিক্ত ৩০টা বেটেলিয়ন পঠোৱাৰ সিদ্ধান্ত।

৬ ফেব্ৰুৱাৰী : গুৱাহাটী জজ খেলপথাৰত পিচদিনাৰ (৭ তাৰিখ) বাম-গণতান্ত্ৰিক মৰ্চাৰ নিৰ্বাচনী সভা ব্যৰ্থ কৰাৰ উদ্দেশ্যে জিলা ছাত্ৰ সন্থাৰ কামৰূপ জিলা বন্ধৰ আহ্বান।

৭ ফেব্ৰুৱাৰী : ছাত্ৰ সন্থাৰ কামৰূপ জিলা বন্ধ অৱজ্ঞা কৰি বাম-গণতান্ত্ৰিক মৰ্চাৰ গুৱাহাটীৰ জজ খেলপথাৰত জনসভা।

● পুলিচ এছ আই বিপিন মহন্ত নিৰ্বাচনবিৰোধী লোকৰ গুলীচালনাত তেজপুৰৰ ছাগলী বজাৰত নিহত হয়।

● যোৰহাটৰ দণ্ডাধীশ নুৰুল হক এদল দুৰ্বৃত্তৰ দ্বাৰা অপহৃত।

● লৰ গগৈ নামৰ এজন কংগ্ৰেছ (ই) কৰ্মীৰ মৃতদেহ ডিব্ৰুগড় জিলাৰ টিংখাঙত উদ্ধাৰ।

● ৰঙিয়াৰ তিতকুৰি আৰু টিহুৰ নাথকুছিতো পুলিচ, চি আৰ পিৰ দ্বাৰা নিৰ্বাচনবিৰোধী লোকৰ ওপৰত গুলীবৰ্ষণ। বহু লোক আহত।

● অসমলৈ অতিৰিক্ত বি এছ এফ

চৰকাৰৰ হাতত ৰাখিব লাগে।

১৯৮৩ চনৰ বিধানসভা নিৰ্বাচনৰ পিচত জনসাধাৰণৰ ব্যাপক নিৰ্বাচন বিসৰ্জনৰ পিচতো যেতিয়া কংগ্ৰেছী চৰকাৰ এখন ক্ষমতাত অধিষ্ঠিত হ'ল সিয়ে অসমীয়া মানুহৰ মনত সৃষ্টি কৰিলে তুমুল হতাশা আৰু ক্ষোভ। এই আন্দোলনত সৰ্বাধিক ক্ষতি হৈছিল অসমৰ ছাত্ৰ-ছাত্ৰী সমাজৰ। এক অন্ধকাৰাচ্ছন্ন ভৱিষ্যতৰ শংকা গা কৰি উঠাৰ সমান্তৰালভাৱে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ মাজত ক্ৰমান্বয়ে আন্দোলনৰ প্ৰতি এক নিস্পৃহ মনোভাবে দেখা দিছিল। সেই সময়তে অসমৰ ভালেসংখ্যক উচ্চ মধ্যবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকে নিজৰ ল'ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ ব্যৱস্থা অসমৰ বাহিৰৰ বিদ্যালয়ত আৰম্ভ কৰিলে। ঠায়ে ঠায়ে আন্দোলনবিৰোধী এক প্ৰৱণতাও গা কৰি উঠিবলৈ ধৰিলে। বিশ্ববিদ্যালয়, মহাবিদ্যালয়, ইঞ্জিনীয়াৰিং কলেজ, মেডিকেল কলেজত বিদ্যা লাভৰ বাবে অসমৰ ছাত্ৰ-ছাত্ৰীৰ অবাধ প্ৰব্ৰজন ঘটিবলৈ আৰম্ভ কৰিলে। 'সন্তানৰ ভৱিষ্যতক লৈ খেলা নকৰিব। আন্দোলন বন্ধ কৰক আৰু সন্তানৰ ভৱিষ্যৎ নিৰাপদ কৰক। ভাল বিদ্যা লাভ হ'লে পৃথিৱীয়েই সিহঁতৰ ঘৰ হ'ব।'— এনেধৰণৰ শ্লোগান তথা বেনাৰেৰে অসমৰ ৰাজপথ, বিদ্যালয়ৰ চৌহদৰ বেৰ আদি ভৰি পৰিল।

১৯৮৩ চনৰ নিৰ্বাচনত কংগ্ৰেছ দল ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিচত চৰকাৰী চাকৰিয়ালসকলৰ ওপৰত চৰকাৰী ভালেমান নিয়ন্ত্ৰণমূলক ব্যৱস্থাৰ সূচনা কৰা হ'ল। স্থানান্তৰ আৰু পদোন্নতিৰ ক্ষেত্ৰত বাধা সৃষ্টি কৰাৰ ফলত চৰকাৰী চাকৰিয়ালসকলে মুকলিভাৱে আন্দোলনত অংশগ্ৰহণ কৰিব নোৱৰা এক অৱস্থাৰ সৃষ্টি হ'ল। একেদৰে কৰ্মচাৰী পৰিষদৰ মাজতো বিভাজনে দেখা দিলে আৰু আন্দোলনক কেন্দ্ৰ কৰি ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকল দুটা ভাগত বিভক্ত হৈ পৰিল।

আনহাতে হিতেশ্বৰ শইকীয়া চৰকাৰে ইন্দিৰা গান্ধীৰ নেতৃত্বাধীন

আৰু চি আৰ পি পঠাবলৈ কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত।

● ভাৰতীয় জনতা পাৰ্টীৰ সৰ্বভাৰতীয় নেতা অটল বিহাৰী বাজপেয়ীৰ নেতৃত্বত চৌধাৰী চৰণ সিং, যশোৱন্ত সিং আৰু শ্যামনন্দনৰ উপস্থিতিত জজ খেলপথাৰত নিৰ্বাচনবিৰোধী সভা।

৮ ফেব্ৰুৱাৰী ঃ নলবাৰী মহকুমাৰ বেলশৰত এদল উন্মত্ত জনতালৈ পুলিচে গুলীবৰ্ষণ কৰাত ৭জন লোকৰ মৃত্যু। শিৱসাগৰৰ সৰুচৰাইত নিৰ্বাচন প্ৰাৰ্থীৰ দেহৰক্ষীৰ গুলীচালনাত এজনৰ মৃত্যু। নগাঁও জিলাৰ ননৈত, যোৰহাটত চি আৰ পি এফৰ গুলীত এজনকৈ লোকৰ আৰু হাজোত আৰক্ষীৰ গুলীত ২জন লোকৰ মৃত্যু।

● নগাঁও জিলাৰ লংকাত এটা শক্তিশালী বোমা বিস্ফোৰণৰ ফলত তিনিজন লোক নিহত আৰু ২৩জন লোক আহত হয়।

● ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা ৫,০০০ নিৰ্বাচনী বিষয়াৰ অসম অভিমুখে যাত্ৰা।

৯ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ চান্দ মহম্মদলৈ আগিয়াঠুৰীত বোমা নিক্ষেপ।

● নলবাৰীৰ কমাৰকুছি আৰু চামতাত ৫জনক আৰু বালিসত্ৰত ২জনক পুলিচে গুলীয়াই হত্যা কৰে। শিৱসাগৰৰ ফুকন নগৰত পুলিচৰ গুলীত এজনৰ মৃত্যু।

● নগাঁও জিলাৰ মৈৰাবাৰীত প্ৰধানমন্ত্ৰীৰ বাবে হেলিপেড নিৰ্মাণ কৰিবলৈ অমান্তি হোৱাত গড়কাপ্তানী বিভাগৰ কাৰ্যবাহী অভিযন্তা এম ৰহমানক পুলিচে গ্ৰেপ্তাৰ কৰে।

● অসমলৈ নিৰ্বাচনী অভিযান উপলক্ষে প্ৰধানমন্ত্ৰীৰ আগমনৰ বিৰোধিতা কৰি ছাত্ৰ সন্থাৰ নিষ্প্ৰদীপ কাৰ্যসূচী ঘোষণা।

● জনতা সান্ধ্য আইনৰ ফলত জীৱনযাত্ৰা অচল।

● উত্তৰ লখিমপুৰত পুলিচৰ গুলীচালনাত এজন আৰু নগাঁৱৰ ধিঙত এজন লোক নিহত হয়।

১০ ফেব্ৰুৱাৰী ঃ পাঠশালাৰ কেন্দুগুৰিত পুলিচৰ গুলীচালনাত ৩জন লোকৰ মৃত্যু। পাটাছাৰকুছিৰ পাহলাচ'ক, উত্তৰ লখিমপুৰ আৰু

কংগ্ৰেছ চৰকাৰক অসমত বাস কৰি থকা পমুৱা মুছলমানসকলক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে এক নতুন আইনৰ পোষকতা কৰিলে — যি কেৱল অসমৰ ক্ষেত্ৰতহে প্ৰযোজ্য হ'ব।

অসমৰ আইন মন্ত্ৰী আব্দুল মুহিব মজুমদাৰে এই আইনৰ খচৰা তৈয়াৰ কৰিছিল আৰু ১৯৮৩ চনৰ ১৫ ডিচেম্বৰত বিধেয়কখন সদনত উত্থাপন কৰা হয়। যিহেতু অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ কোনো সাংসদ সেই সময়ছোৱাত অসম আন্দোলনৰ বাবে লোকসভাৰ সদস্য হ'ব পৰা নাছিল, সেই কাৰণে কোনো ধৰণৰ বিতৰ্ক আৰু বিৰোধ নোহোৱাকৈয়ে ১৫ ডিচেম্বৰৰ দিনাই এই আইনখন সংসদত পাৰিত হয়, যাৰ নাম ৰখা হয় Illegal Migrants (Determination) by tribunal (IMDT) Act. এই আইনখন কেৱল অসমৰ কাৰণেহে প্ৰযোজ্য আছিল কাৰণ আন ৰাজ্যৰ কাৰণে বিদেশী বিতাড়নৰ কাৰণে Foreigner's Act, 1946 আছিলেই।

দুয়োখন আইনৰ মূল পাৰ্থক্য এয়ে আছিল যে Foreigner's Act মতে এজন সন্দেহযুক্ত বিদেশীয়ে নিজে প্ৰমাণ কৰিব লাগিব যে তেওঁ ভাৰতীয় হয়। কিন্তু IMDT Act মতে এজন সন্দেহযুক্ত বিদেশীক বিদেশী বুলি অভিযোগকাৰীজনে প্ৰমাণ কৰিব লাগিব আৰু অভিযোগকাৰীজন অভিযুক্তৰ তিনি কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থাকিব লাগিব আৰু এজন অভিযোগকাৰীয়ে ১০ টকা জমা দি মাথোঁ ১০জনৰ বিৰুদ্ধেহে অভিযোগ কৰিব পাৰিব। তাৰ পিচত অৱসৰপ্ৰাপ্ত ন্যায়াধীশেৰে গঠিত বিশেষ ন্যায়াধিকৰণৰ জৰিয়তে অভিযুক্তৰ বিচাৰ হ'ব আৰু এই বিচাৰ প্ৰক্ৰিয়াত অভিযুক্তই যথাযথ সাক্ষ্যৰ দ্বাৰা নিজকে ভাৰতীয় বুলি প্ৰমাণ কৰিব পাৰিব।

সকলোৱে বুজিবলৈ বাকী নাছিল যে এই আইন অকল বাংলাদেশীক ৰক্ষণাবেক্ষণ দিবলৈহে অনা হৈছিল। সকলো ক্ষোভত ফাটি পৰিছিল কিন্তু সেই হিচাপে আন্দোলন আকৌ সজীৱ হৈ উঠা নাছিল। বৰঞ্চ আই এম

গোৰেশ্বৰত পুলিচৰ গুলীত এজনকৈ লোকৰ মৃত্যু। গহপুৰত চি পি আই প্ৰাৰ্থীৰ দেহৰক্ষীৰ গুলীচালনাত এজনৰ মৃত্যু। কমলাবাৰী আৰু ধিঙত গুলীচালনাত দুজন লোকৰ মৃত্যু।

১১ ফেব্ৰুৱাৰী ঃ নলবাৰী মহকুমাৰ ধমধমা আৰু মুছলপুৰত পুলিচৰ গুলীচালনাৰ ফলত ৩জন, বৰপেটা মহকুমাৰ শিনাবাৰীত ৩জন লোক নিহত হয়।

- ৰাজ্যত বলপূৰ্বকভাৱে পাতিব খোজা অবৈধ নিৰ্বাচন প্ৰত্যাহাৰ কৰাৰ দাবীত ৰাজ্যজুৰি চলা গণ আন্দোলনাৰ বিৰুদ্ধে চৰকাৰে চলোৱা দমনমূলক ব্যৱস্থাত ২৪ ঘণ্টাত পুলিচ, চি আৰ পিৰ গুলীচালনাত ১৩জন নিহত।
- নলবাৰীৰ মুছলপুৰ আৰু ধমধমাত (বৰ্তমান বাক্সা জিলাৰ অন্তৰ্গত) পুলিচৰ গুলীচালনাত তিনিজন লোকৰ মৃত্যু। বৰপেটাৰ শিলাবাৰীত অনুৰূপ ঘটনাত আন তিনিজন লোকৰ মৃত্যু।

১২ ফেব্ৰুৱাৰী ঃ সন্দেহযুক্ত বাংলাদেশী লোকৰ আক্ৰমণত বকোৰ চমৰীয়া গাঁৱৰ কেইবাটাও ঘৰ ভস্মীভূত আৰু ৯জন লোকৰ মৃত্যু হয়। বৰ্তমান বাক্সা জিলাৰ অন্তৰ্গত তামুলপুৰত আন্দোলনকাৰী আৰু বিৰোধী দলৰ মাজত সংঘৰ্ষ লাগি দুজন লোকৰ মৃত্যু হয়।

- প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ গুৱাহাটীৰ মালিগাঁৱত পুলিচ আৰু চি আৰ পিৰ কটকটীয়া পহৰাত নিৰ্বাচনী সভা।
- লখিমপুৰৰ বঠালতাত দুটা সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ।
- তামুলপুৰত অসমীয়া আৰু জনজাতিৰ মাজত সংঘৰ্ষ।
- যোৰহাটৰ লাহদৈগড় আৰু নগাঁৱৰ ৰাইদিঙিয়াত পুলিচৰ গুলীচালনাত দুজন লোক নিহত।
- উত্তৰ লখিমপুৰ জিলাত সাম্প্ৰদায়িক সংঘৰ্ষত পাঁচজন লোক নিহত।

১৩ ফেব্ৰুৱাৰী ঃ নগাঁও জিলাৰ ভুৰবন্ধা, দলংঘাট, ৰাইদিঙিয়া, বকুলগুৰি, জাগীৰোড, জুৰীয়া, লাহৰীঘাটত আদিত নিৰ্বাচনবিৰোধী সাম্প্ৰদায়িক সংঘৰ্ষত ১০জন লোকৰ মৃত্যু হয়। মৰিগাঁৱৰ দন্দুৱাগাঁৱত পুলিচৰ গুলীচালনাত ১৩জন, বিহপুৰীয়াত নিৰ্দলীয় প্ৰাৰ্থীৰ

ডি টি আইনৰ প্ৰতিলিপি এটা জ্বলাবৰ কাৰণেও মানুহ গোটাব লগাত পৰিছিল। সঁচা কথাত ১৯৮৪ চনৰ পৰা অসম আন্দোলন ভাগি পৰিছিল আৰু জন সমৰ্থন ক্ৰমান্বয়ে কমি আহিছিল।

অসম আন্দোলনে ক্ৰমাগতভাৱে এক সীমিত ৰূপ পৰিগ্ৰহণ কৰিবলৈ আৰম্ভ কৰাৰ পিচতে ১৯৮৪ চনৰ ৩১ অক্টোবৰত ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নিজৰ দেহৰক্ষীৰ গুলীত মৃত্যু হয়। এই ঘটনাই সমগ্ৰ বিশ্বক জোকাৰি যোৱাৰ লগতে অসমৰ ৰাজনৈতিক পটভূমিতো গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়। ইন্দিৰা গান্ধীৰ কনিষ্ঠ পুত্ৰ সঞ্জয় গান্ধীৰ (১৯৪৬-১৯৮০) এক বিমান দুৰ্ঘটনাত মৃত্যুৰ পিচত আকস্মিকভাৱে মাকৰ আমন্ত্ৰণমৰ্মে ৰাজনীতিৰ পথাৰত ভৰি দিয়া ৰাজীৱ গান্ধীয়ে (১৯৮১ চনৰ উপ-নিৰ্বাচনত ৰাজীৱ গান্ধী লোকসভালৈ নিৰ্বাচিত হয় আৰু জুন মাহত যুৱ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য পদ লাভ কৰে) মাতৃৰ মৃত্যুৰ পিচত প্ৰধানমন্ত্ৰীৰ শপত লয় আৰু কিছুদিনৰ ভিতৰতে দলৰ নেতৃত্ব গ্ৰহণ কৰে। ১৯৮৪ চনৰ ডিচেম্বৰ মাহত অনুষ্ঠিত লোকসভা নিৰ্বাচনত ৰাজীৱ গান্ধী নেতৃত্বাধীন কংগ্ৰেছ দলে বিপুল সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰে। ৰাজীৱ গান্ধীয়ে নতুন চৰকাৰ গঠন কৰাৰ পিচতে উত্তৰ-পূব ভাৰতৰ পিনে মনোনিৱেশ কৰিবলৈ আৰম্ভ কৰে আৰু অসম তথা মিজোৰামৰ সমস্যাসমূহ সমাধানৰ বাবে বিশেষ তৎপৰতা দেখুৱায়। প্ৰধান মন্ত্ৰিত্ব গ্ৰহণ কৰাৰ পিচৰে পৰা অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত ভালেমান উত্থান-পতনৰ ঘটনা সংঘটিত হ'বলৈ আৰম্ভ কৰে।

১৯৮৫ চনত ৬ জানুৱাৰীত অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ সৈতে এক আলোচনাত মিলিত হয়। এই আলোচনাত কেন্দ্ৰীয় গৃহ মন্ত্ৰী এছ বি চৱন আৰু প্ৰতিৰক্ষা মন্ত্ৰী পি ভি নৰসিংহ ৰাও উপস্থিত থাকে। এই আলোচনাৰ পিছদিনাই ভাৰত চৰকাৰে অসম আন্দোলনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত মিলিত হোৱাৰ সিদ্ধান্ত লয় আৰু নেতাসকলক তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যাৰাজিৰ সমাধানসূত্ৰ

দেহৰক্ষীৰ গুলীত এজন, উত্তৰ লখিমপুৰত দলীয় সংঘৰ্ষত ২জন, গোগামুখত ৫জন লোকৰ আৰু বকোৰ ওচৰত পুলিচৰ গুলীচালনাত এজন লোকৰ মৃত্যু হোৱাৰ উপৰি বহু লোক হতাহত হয়।

- ছয়গাঁৱত অসম প্ৰদেশ কংগ্ৰেছৰ (ই) সভাপতি হৰেন্দ্ৰ নাথ তালুকদাৰলৈ হাতবোমা নিক্ষেপ।

১৪ ফেব্ৰুৱাৰী ঃ গহপুৰত জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজত হোৱা সংঘৰ্ষত শতাধিক লোক নিহত, ৩০খন গাঁও ভস্মীভূত।

- দুৰ্ঘোৰ পৰিস্থিতিৰ মাজত অসমৰ ৬২টা বিধানসভা সমষ্টিত নিৰ্বাচন।
- টিহুৰ পৰা ৫ কিলোমিটাৰ নিলগৰ খাচ সুৰাপাৰাত ৬জন নিৰ্বাচনবিৰোধী লোক চি আৰ পিৰ গুলীত নিহত।
- উত্তৰ কামৰূপৰ পাটাছাৰকুছিত, ডিগবৈৰ এটা ভোট গ্ৰহণ কেন্দ্ৰত আৰু যোৰহাটৰ টীয়ক সমষ্টিত নিৰ্বাচনবিৰোধী উন্মত্ত জনতাৰ ওপৰত পুলিচৰ গুলী চালনা। মুঠ ১৯জন লোক নিহত।
- পুলিচৰ গুলীচালনাত নগাঁৱৰ ভুৰবন্ধাত ৮জনৰ, নগাঁৱৰ দলংঘাট আৰু ৰাইদিঙীয়াত ৩জনৰ, ডিগবৈত দুজনৰ, টীয়কত এজন আৰু লাহোৱালত দুজন লোকৰ মৃত্যু হয়।

১৫ ফেব্ৰুৱাৰী ঃ অসমত নিৰ্বাচনবিৰোধী আন্দোলনে দ্ৰুতভাৱে ভাষিক আৰু ধৰ্মীয় জটিলতাৰ সৃষ্টি কৰাৰ ফলত হোৱা সংঘৰ্ষত চি আৰ পি আদিৰ গুলীচালনাত ৩ ফেব্ৰুৱাৰীৰ পৰা ১৫ ফেব্ৰুৱাৰীলৈ ২৭২জনৰ মৃত্যু।

- পুলিচৰ গুলীচালনাত বঙাইগাঁৱৰ ভাক্ৰিপিঠাত দুজনৰ, চাবুৱাৰ ওচৰৰ ৰৌমাৰীয়াত দুজনৰ নগাঁৱৰ জুৰীয়াত এজনৰ, শিৱসাগৰৰ বৰহাটত এজনৰ, বিশ্বনাথ চাৰিআলিত এজনৰ মৃত্যু হয়।

১৬ ফেব্ৰুৱাৰী ঃ চাউলখোৱা চাপৰিত ব্যাপক সাম্প্ৰদায়িক সংঘৰ্ষ। সদৌ অসম স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক জয়নাথ শৰ্মাৰ ভায়েক দয়ানাথ শৰ্মা নিহত হয়; তেওঁৰ লগতে আৰু প্ৰায় ৮৫জন লোক মৰণ জালত পৰি শোচনীয়ভাৱে মৃত্যু মুখত পৰে।

- লাকুৱাৰ ওচৰৰ চিলাকাটিত পুলিচৰ

উলিওৱাৰ আহ্বান জনায়। ইয়াৰ পিছদিনা অৰ্থাৎ ৮ জানুৱাৰীত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে স্বাধীনতা দিৱসৰ সমগ্ৰ চৰকাৰী কাৰ্যসূচী বৰ্জন কৰাৰ হুংকাৰ দিয়ে। ১১ জানুৱাৰীত আছু আৰু গণ সংগ্ৰাম পৰিষদৰ সদস্যসকলে প্ৰস্তাৱিত আলোচনাৰ বাবে দিল্লীলৈ যোৱাটো সাময়িকভাৱে বাতিল কৰে। ইয়াৰ পিচতে ২৮ জানুৱাৰীত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত পাঁচজনীয়া এটা দল দিল্লী অভিমুখে ৰাওনা হয় আৰু এই আলোচনাত বিদেশী সমস্যাৰ প্ৰসংগটোকে মুখ্য বিষয় হিচাপে লোৱা হয়। ৩০ জানুৱাৰীত আছুৰ আন এটা পাঁচজনীয়া দল আলোচনাৰ বাবে দিল্লীত উপস্থিত হয়। এই আলোচনা পুনৰ ১ ফেব্ৰুৱাৰীত অনুষ্ঠিত হয়।

আন্দোলনৰ নেতৃবৃন্দই বুজিব পাৰিছিল আলোচনা মীমাংসাৰ ফাললৈ আগবাঢ়িছে। এফালে আন্দোলনৰ চোক কমি অহাৰ শংকা আৰু আনহাতে ৰাজীৱ গান্ধীৰ ঐকান্তিক প্ৰচেষ্টা— এই দুয়োটাকে আছুৰ নেতৃবৰ্গই অনুধাৱন কৰিব পাৰিছিল।

ইতিমধ্যে বিদেশী খেদাৰ লগতে আন দুটা মূল দাবী লগ লাগিছিল। প্ৰথমতো হিতেশ্বৰ শইকীয়াৰ চৰকাৰ বৰ্খাস্ত আৰু দ্বিতীয়তে আই এম ডি টি আইন প্ৰত্যাহাৰ।

ছাত্ৰ সন্থাৰ নেতৃত্বই বুজি উঠিছিল যে আন্দোলনৰ পৰিসমাপ্তিৰ পিচত নিৰ্বাচন হ'ব আৰু নিজকে নিৰ্বাচন খেলিবলৈ অধিক শক্তিৱান কৰিবৰ কাৰণে প্ৰথমতেই তেওঁলোকে গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বক গুৰুত্বহীন কৰি তুলিছিল। গণ সংগ্ৰাম পৰিষদ বহুকেইটা সংগঠনৰ এক মাতৃ সংগঠন আছিল যদিও মাথোঁ ৩-৪ জনমান নেতাই দৰাচলতে বক্তব্য ৰাখিছিল বা নিজৰ বিচাৰ-বুদ্ধি ব্যৱহাৰ কৰিবলৈ সুযোগ পাইছিল। বাকীবোৰ মাথোঁ নেতৃত্বৰ সোৱাদ ল'বলৈহে তাত আছিল।

ইফালে আন্দোলনৰ প্ৰতি সমমৰ্মিতা থকা তথা সমস্যাটোৰ কাৰিকৰী

গুলীত এজন লোক নিহত হয়।

● গোৱালপাৰাত অসম পুলিচ আৰু চি আৰ পিৰ সংঘৰ্ষত ৬জন চি আৰ পি জোৱান নিহত।

● ধুবুৰী মহকুমাৰ গোলকগঞ্জত ২৩ ঘৰ আৰু নলবাৰীৰ ঘগ্ৰাপাৰত ১৫টা ঘৰ ভস্মীভূত।

● ১৪ তাৰিখে সম্পূৰ্ণ কৰিব নোৱৰা ১৩৭টা ভোট কেন্দ্ৰত পুনৰ ভোট গ্ৰহণ।

● নগাবন্ধাত নৃশংস পন্থাৰে গণহত্যা। নগাবন্ধা হাইস্কুলত আশ্ৰয় লোৱা মুছলমান সম্প্ৰদায়ৰ লোকক স্কুল ঘৰত তলা লগাই অগ্নিসংযোগ কৰি হত্যা কৰা হয়।

১৭ ফেব্ৰুৱাৰী ঃ দ্বিতীয় পৰ্যায়ৰ ভোট গ্ৰহণ ঃ ৩৭টা বিধানসভা, ১১টা লোকসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হয়।

● মঙলদৈৰ ধূলা, হীৰাপাৰা, থেকেৰাবাৰী আৰু গৰাপৰি থলুৱা গাঁৱত চলোৱা সশস্ত্ৰ লোকৰ আক্ৰমণত শতাধিক অসমীয়া লোক নিহত আৰু বহু লোক আহত হয়। পূৰ্বপৰিকল্পিত আক্ৰমণত শ শ ঘৰ ভস্মীভূত হয় আৰু হাজাৰ হাজাৰ লোক গৃহহীন হয়।

● শিৱসাগৰ জিলাৰ ধলানসৰা, চাপৰি আলিত আৰু যোৰহাটৰ তিতাবৰত, গোৱালপাৰা জিলাৰ কোকৰাঝাৰ আৰু বিলাসীপাৰাত, ডিব্ৰুগড় জিলাৰ চাবুৱাত মতিয়া গাঁও আৰু চতিয়া পুলিচৰ গুলীচালনাত সৰ্বমুঠ ৬জন লোকৰ মৃত্যু হয়। নলবাৰী জিলাৰ বৰমাত সংঘৰ্ষৰ ফলত দুজন লোকৰ মৃত্যু হয়।

১৮ ফেব্ৰুৱাৰী ঃ নগাঁও জিলাৰ নেলীত ঘটা সাম্প্ৰদায়িক সংঘৰ্ষত দুহেজাৰৰো অধিক লোকৰ মৃত্যু।

● দৰং জিলাৰ বিভিন্ন ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ। এই সংঘৰ্ষত ২৬জন আৰু পুলিচৰ গুলীত চাৰিজন লোক নিহত হয়।

● গোৱালপাৰা জিলাৰ বইটামাৰী অঞ্চলৰ ৮খন গাঁও, বিজনী অঞ্চলৰ ৬খন গাঁও, কামৰূপ জিলাৰ গোৰেশ্বৰত ৮খন গাঁও, নগাঁও জিলাৰ যমুনামুখ আৰু কামৰূপ অঞ্চলৰ ৭খন গাঁও ভস্মীভূত হয়। নিহত ৩৯জন, ১২,০০০ গৃহহীন।

দিশত ব্যুৎপত্তি থকা লোকসকলক ছাত্ৰ সন্থাৰ নেতৃবৃন্দই এৰাই চলিলে, যাতে ভৱিষ্যতে ক্ষমতাৰ ভাগ দিব নালাগে।

ত্ৰিপাক্ষিক আলোচনাৰ দলবোৰ সেই কাৰণেই ৩৫-৪০জনীয়া হৈছিলগৈ আৰু ৩-৪জনৰ বাহিৰে বাকী কোনো অংশীদাৰ নাছিল। বেছিভাগেই দিল্লী চাবলৈ গৈছিল বা গৃহ মন্ত্ৰণালয়ৰ কাৰ্যালয়ত ভৰি থৈ নিজকে ধন্য মানিছিল। তাৰ সুযোগ আলোচনাৰ টেবুলত মন্ত্ৰণালয়ৰ বিষয়াসকলেও লৈছিল।

আলোচনাৰ দলবিলাকত কোনো আইনজীৱী নাছিল। কেৱল জ্যেষ্ঠ আইনজ্ঞ কুমুদ শৰ্মা দোভাষী হিচাপে গৈছিল। যাৰ ফলত আইনৰ মেৰপেঁচবোৰ আৱেগৰ ঢৌত উটি থকা নেতাসকলৰ কাৰণে হৈ পৰিছিল বহুক্ষেত্ৰত এক মায়াজাল। আলোচনাৰ টেবুলত আন্দোলনকাৰী নেতৃবৃন্দৰ মূল মানুহ আছিল ভৃগু কুমাৰ ফুকন। সভাপতি প্ৰফুল্ল কুমাৰ মহন্তই কথা কমকৈ কৈছিল আৰু ভৰত নৰহ আছিল প্ৰায়বোৰ কথাৰে জোঁট-পোট লগোৱাত সিদ্ধহস্ত। এক ৰাজনৈতিক আলোচনা ক্ৰমে আইনী মেৰপাকত সোমাই পৰিছিল আৰু এক যথাযথ সমাধানসূত্ৰৰ সলনি আছুৰ নেতৃবৃন্দই বিচাৰিছিল সোনকালে নিৰ্বাচন খেলাৰ সুগম আৰু সন্মানীয় পথ।

মাৰ্চ মাহত অসমত আন দুটি ঐতিহাসিক ঘটনা সংঘটিত হয়। ৯ মাৰ্চত পি টি চি এই (The Plains Tribal Council of Assam) ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে 'উদয়াচল' নামৰ এখন সুকীয়া ৰাজ্যৰ দাবী তোলে। ইয়াৰে কেইদিনমানৰ পিচত, সদৌ অসম ছাত্ৰ সন্থাৰ এক উলম্ব বিভাজন ঘটাৰ উপক্ৰম হয়। ৫১খন মহাবিদ্যালয়ৰ নিৰ্বাচিত ছাত্ৰ প্ৰতিনিধিসকলে লগ হৈ All Assam Elected Students Representations Union (AAESRU) নামৰ ছাত্ৰ সংগঠনটোৰ জন্ম দিবলৈ বিচৰাক লৈয়ে এই বিভাজনৰ সূত্ৰপাত ঘটিছিল।

● নগাঁও জিলাৰ খিং অঞ্চলৰ বিভিন্ন ঠাইত সাম্প্ৰদায়িক সংঘৰ্ষ, গোৱালপাৰা জিলাৰ লক্ষীমপুৰত ৩টা মৃতদেহ উদ্ধাৰ। জামুগুৰিত এদল দুষ্কৃতিকাৰীৰ ওপৰত চি আৰ পিৰ গুলীবৰ্ষণৰ ফলত এজন লোক নিহত।

● শিৱসাগৰৰ নাওজানত এশটা মুছলমান পৰিয়াল ক্ষতিগ্ৰস্ত।

১৯ ফেব্ৰুৱাৰী ঃ কামৰূপ জিলাৰ গোৰেশ্বৰত ভাষিক সংখ্যালঘুৰ ওপৰত আক্ৰমণ। বহু লোক আহত। অভয়াপুৰীৰ কাৰাদাংগা আদিত সাম্প্ৰদায়িক সংঘৰ্ষ।

● কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ নেলী আৰু নগাবন্ধাৰ গণহত্যাৰ পৈশাচিক দৃশ্য পৰিদৰ্শন।

● লখিমপুৰ জিলাৰ ঢকুৱাখনাত ৬ জন, কামৰূপ জিলাৰ সাউদৰ ভিঠাত ২জন লোক দলীয় সংঘৰ্ষত আৰু পুলিচৰ গুলীচালনাত নিহত।

● দৰং জিলাৰ খৈৰাবাৰীৰ ওচৰৰ ৰংগাজুলিৰ এখন ভাষিক সংখ্যালঘু গাঁও সম্পূৰ্ণৰূপে ভস্মীভূত। নিহত প্ৰায় ডেৰ শতাধিক।

● শিৱসাগৰ জিলাৰ থাওৰা সমষ্টিৰ খাৰহাটত এজন, আমগুৰি সমষ্টিৰ বৰবাম বাগিচাত দুজন লোক পুলিচৰ গুলীত নিহত।

● চতিয়াত দলীয় সংঘৰ্ষত ছজন নিহত হয়। ঠেকেৰাবাৰী ধূলা চৌকাগাঁও দুখন ভস্মীভূত।

২০ ফেব্ৰুৱাৰী ঃ মঙলদৈ মহকুমাৰ খৈৰাবাৰী চহৰৰ নিকটৱৰ্তী ৰংগাজুলি গাঁওখনত এহাজাৰমান দুষ্কৃতিকাৰীয়ে এফালৰ পৰা হত্যালীলা চলাই ঘৰ-বাৰীবোৰ জ্বলাই দিয়ে।

২১ ফেব্ৰুৱাৰী ঃ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নেলী আৰু গহপুৰ ভ্ৰমণ।

● কামৰূপ জিলাৰ গোৰেশ্বৰৰ পৰা প্ৰায় দুহেজাৰ ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ লোকে পলাই গৈ পশ্চিম বংগত আশ্ৰয় লয়।

● কামৰূপ আৰু নগাঁও জিলাৰ বিভিন্ন ঠাইৰ পৰা ৪৮টা মৃতদেহ উদ্ধাৰ।

২২ ফেব্ৰুৱাৰী ঃ অসমৰ ঘটনাত ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান পেৰেজ ডি কুৱেলাৰে দুখ প্ৰকাশ কৰে আৰু কয়—'It goes without saying that the loss of life in the state of Assam is a matter of great sorrow to the secre

অসম চুক্তি

এপ্রিল মাহৰ ২ তাৰিখে লোকসভাত অসমৰ বিদেশী সমস্যাক লৈ এক আলোচনা হয় আৰু সংসদত এই সমস্যাটোৰ তৎকালে সমাধানৰ দাবী উঠে। লোকসভাত এই দাবী উত্থাপন হোৱাৰ পিচতে কেন্দ্ৰীয় গৃহ মন্ত্ৰী এছ বি চৱনে আছুৰ প্ৰতিনিধিবৰ্গক জনায় যে বিদেশী সমস্যাৰ আশুসমাধান নোহোৱাপৰ্যন্ত অসমত জোৰকৈ নিৰ্বাচন অনুষ্ঠিত কৰা নহ'ব। ২৪ এপ্ৰিলত ভাৰত চৰকাৰে অসম আন্দোলনৰ নেতৃবৰ্গক মে'ৰ প্ৰথম সপ্তাহত হ'বলগীয়া এক আলোচনাৰ বাবে নিমন্ত্ৰণ জনায়। এই আলোচনাত অসমৰ সমস্যাৰাজি সমাধানাৰ্থে কেন্দ্ৰ আৰু আছু নেতৃবৰ্গৰ মাজত এক বিস্তাৰিত আলোচনা অনুষ্ঠিত হয়। মে' মাহৰ পৰা জুন মাহলৈ কেন্দ্ৰীয় কেইবাজনো নেতাৰ অসমলৈ আগমন ঘটে আৰু প্ৰতিবাৰেই আলোচনা বিফল হ'ব লগা হয়।

অৱশেষত আগষ্ট মাহৰ প্ৰথম ভাগত আছু নেতৃবৃন্দ আৰু কেন্দ্ৰীয় চোৰাংচোৱা বিষয়াসকলে অসমৰ সমস্যাসমূহ সমাধানৰ বাবে আন এটা প্ৰচেষ্টা আৰম্ভ কৰে, যাতে এক চুক্তিত উপনীত হ'ব পৰা যায়।

সেয়া কিন্তু দৰাচলতে অসম আন্দোলনৰ পৰিসমাপ্তিৰ এক সফল চুক্তি নাছিল। সেয়া আছিল সদৌ অসম ছাত্ৰ সন্থাৰ শীৰ্ষস্থানীয় এক অংশ নেতাৰ ক্ষমতা দখলৰ চুক্তিৰ খচৰা।

জুলাই মাহৰে পৰা কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ বিষয়ববীয়াসকলে আন্দোলনৰ নেতৃবৃন্দৰ লগত অহৰহ গোপনে আলোচনা কৰি থাকে, যাৰ ফলত আন্দোলনৰ নেতৃবৃন্দই বুজি পায় যে নতুন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী সমস্যা সমাধান কৰাৰ কাৰণে সঁচাকৈয়ে আগ্ৰহী।

১৯৮৫ চনৰ ২৪ জুলাইত পঞ্জাব চুক্তি চহী হোৱাৰ পিচত দেশজুৰি সমিলমিলৰ এক বাতাৱৰণ সৃষ্টি হৈছিল আৰু সকলোৱে ধৰিব পাৰিছিল যে অসম আন্দোলনো সমাপ্তিৰ পথত। কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাৰ

tary general and he hopes very much that harmony will soon prevail.'

● গুৱাহাটী উচ্চ ন্যায়ালয়ে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, বিৰাজ শৰ্মা আৰু অতুল বৰাৰ মুক্তিৰ নিৰ্দেশ দিয়ে।

● অসমৰ চৰকাৰী কৰ্মচাৰীসকলৰ ঐতিহাসিক ১৮ দিনীয়া অসহযোগৰ আজি সামৰণি পৰে।

● অসমৰ অবৈধ নিৰ্বাচনৰ যোগেদি শাসন ল'ব খোজা মন্ত্ৰীসভাই কাৰ্যভাৰ গ্ৰহণ কৰাৰ লগে লগে ২৪ ঘণ্টীয়া সৰ্বাত্মক অসহযোগ পালন কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে যুটীয়া বিবৃতিৰে অসমবাসীলৈ আহ্বান জনায়।

২৪ ফেব্ৰুৱাৰী ঃ অসমৰ নিৰ্বাচনৰ নামত ঘটা সকলো ঘটনাৰ এক পূৰ্ণ ন্যায়িক তদন্ত হ'ব লাগে বুলি আজি জনতা দলৰ নেতা ৰবীন্দ্ৰ বাৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনায়।

২৫ ফেব্ৰুৱাৰী ঃ অসমৰ প্ৰাক্তন শিক্ষা মন্ত্ৰী হিতেশ্বৰ শইকীয়া অসম কংগ্ৰেছ (ই)ৰ বিধায়িনী দলৰ নেতা নিৰ্বাচিত।

২৬ ফেব্ৰুৱাৰী ঃ সু-সাহিত্যিক আৰু গৱেষক-অধ্যাপক নন্দ তালুকদাৰৰ মৃত্যু।

২৭ ফেব্ৰুৱাৰী ঃ সপ্তম ৰাজ্য বিধানসভাৰ মুখ্যমন্ত্ৰী হিচাপে হিতেশ্বৰ শইকীয়াৰ শপত গ্ৰহণ।

১ মাৰ্চ ঃ কাৰ্বি আংলং জিলাৰ হামৰেণ মহকুমাৰ ভকচং আৰু ডালিমবাৰী গাঁৱৰ আৰু নগাঁও জিলাৰ অন্তৰ্গত কাৰ্বি আংলং জিলাৰ সীমাৰ কামপুৰীয়া, লাওপানী আৰু ডাফলং গাঁও আক্ৰমণ কৰি সন্দেহযুক্ত বাংলাদেশীয়ে প্ৰায় ১০০জন লোকক হত্যা কৰে।

● নগাঁৱৰ কামপুৰত ব্যাপক হাৰত লুটপাত, অগ্নিসংযোগৰ ঘটনা আদিৰ ফলত ৭০জনৰো অধিক লোক নিহত হয়।

● সংঘৰ্ষ আৰু পুলিচৰ গুলীচালনাত কমেও ৩৪জন লোক নিহত হয়।

২ মাৰ্চ ঃ ৰাজ্যৰ বিভিন্ন অঞ্চলত হিংসাত্মক ঘটনা, অগ্নিসংযোগ, সংঘৰ্ষ আদিৰ ফলত প্ৰায় ৩ লাখ লোক গৃহহীন হয়।

২২ মাৰ্চ ঃ ১৯৮৩-৮৪ চনৰ ৰাজ্যৰ

বিষয়ববীয়াসকলে ছাত্র সন্থাৰ নেতৃবৃন্দৰ লগত ভিত্তি বছৰ সম্পৰ্কত আলোচনা চলাই গ'ল। দৰাচলতে অকল সেই প্ৰশ্নটোতে বাৰে বাৰে আলোচনা বিফল হৈ আছিল।

প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে বিচাৰিলে যে ১৫ আগষ্টত লালকিল্লাৰ প্ৰথমটো ভাষণত তেওঁ অসম চুক্তিৰ কথা ঘোষণা কৰিব বিচাৰে। সেই কাৰণেই ৯ আগষ্টৰ দিনা প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত এটা সৰু দল নতুন দিল্লীলৈ আলোচনাৰ কাৰণে গ'ল। লগত দোভাষী কুমুদ শৰ্মা। কেন্দ্ৰীয় মন্ত্ৰীসভাৰ দুই সদস্য জগদীশ টাইটলাৰ আৰু ৰাজেশ পাইলটৰ নেতৃত্বত কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা আৰু আন্দোলনৰ নেতৃবৃন্দৰ গোপনে আলোচনা আগবাঢ়িল আৰু সেই দলটোৰ লগত মোটামুটিভাৱে খচৰা অসম চুক্তিৰ মীমাংসা হৈ গ'ল। সেই মীমাংসা মতে যি তিনিটা মূল সিদ্ধান্ত হ'ল সেইসমূহ হৈছে—

(১) ১৯৭১ চন বিদেশী চিনাক্তকৰণৰ ভিত্তি বছৰ হ'ব।

(২) অসমত নতুনকৈ নিৰ্বাচন হ'ব আৰু হিতেশ্বৰ শইকীয়া চৰকাৰক বৰ্খাস্ত কৰা হ'ব।

(৩) আই এম ডি টি আইন অসমত থাকিব।

এই তিনিটা হ'ল মূল অলিখিত সিদ্ধান্ত, যাক পৰৱৰ্তী পৰ্যায়ত বেলেগ বেলেগ ভাষাৰে সজোৱা হ'ল আৰু লগতে গাঁঠি দিয়া হয় অসমলৈ কিছু অৰ্থনৈতিক প্ৰস্তাৱ।

এই সিদ্ধান্ত গোপনে কিয় ল'ব লগা হ'ল বা কিয় ১৯৭১ মানি লোৱা হ'ল তাৰ ভিতৰুৱা উত্তৰ জনা নাযায় যদিও সত্য এয়ে আছিল যে আন্দোলনৰ নেতৃবৃন্দই অসম শাসন কৰিবলৈ ব্যাকুল হৈ পৰিছিল।

এই সিদ্ধান্তখিনিক আনুষ্ঠানিকতা দিবৰ কাৰণে বিশদ আৰু বহল আলোচনাৰ নামত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ কাৰ্যনিৰ্বাহকৰ সমূহ সদস্যকে ১৩ আগষ্টৰ দিনা ততাতৈয়াকৈ

বাজেটত ১৪৫.৯৫ কোটি টকাৰ ঘাটি। ১৯৮৩-৮৪ চনৰ বিত্তীয় বছৰটোত মুঠ আয় ১,৩৬৩ কোটি ৪৪ লাখ ৪৭ হাজাৰ টকা আৰু মুঠ ব্যয় ১,৪৭৩ কোটি ৪৫ লাখ ৪৬ হাজাৰ টকা ধাৰ্য কৰা হয়। বছৰটোৰ মুঠ ১১০ কোটি ৯৯ লাখ ঘাটি পৰে। কিন্তু ১৯৮২-৮৩ চনৰ বছৰটোত হোৱা ৩৫ কোটি ৯৪ লাখ টকা ঘাটিৰে পৰৱৰ্তী বছৰটো আৰম্ভ হোৱাত মুঠ ঘাটি ১৪৫ কোটি ১৫ লাখ টকা হয়।

২৬ মাৰ্চ ঃ প্ৰখ্যাত সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মিত্ৰদেৱ মহন্তৰ মৃত্যু।

৩০ মাৰ্চ ঃ হাজো পুলিচ থানাৰ অন্তৰ্গত বুল্লুত বজাৰত বোমা বিস্ফোৰণত কমেও ২১জন নিহত।

৩ এপ্ৰিল ঃ অসম আন্দোলনকাৰীৰ ওপৰত পুলিচৰ গুলীচালনাত গোলাঘাটত ৯জন নিহত।

- অসমৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে পৰিকল্পনা আয়োগে ১৯৮৩-৮৪ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ৩৯১.৫৭ কোটি টকাৰ অনুমোদন জনায়।

২১ এপ্ৰিল ঃ গুৱাহাটীৰ ভৰলুমুখত 'স্নেহালয় শিশু ভৱন' মাদাৰ টেৰেছাই উদ্বোধন কৰে।

২ জুন ঃ নিউ বঙাইগাঁৱৰ পৰা বৰপেটাৰোডলৈ প্ৰথম ব্ৰডগজ মালবাহী ৰে'ল উদ্বোধন।

৩ জুন ঃ দিল্লী উচ্চ ন্যায়ালয়ে অসম অশান্ত অঞ্চল আইনৰ (১৯৫৫) ব্যৱস্থা থকা অসম ৰাইফল্‌ছৰ এজন বিষয়াক অশান্ত অঞ্চলত এজন লোকক গুলীয়াই নিহত কৰিবলৈ কিম্বা অস্ত্ৰভাণ্ডাৰ বা আশ্ৰয়থল ধ্বংস কৰিবলৈ ক্ষমতা দিয়া আইনখনৰ অনুচ্ছেদ ৪ আৰু ৫ৰ অংশ বাতিল কৰে।

৯ জুন ঃ অসম মাধ্যমিক শিক্ষা পৰিষদে এই বছৰৰ পৰা স্কুলসমূহত 'ত্ৰিভাষা সূত্ৰ' প্ৰয়োগ কৰে। ১৯৮৬ চনত স্কুল শিক্ষান্ত পৰীক্ষা আৰু অসম হাই মাদ্ৰাছা পৰীক্ষাত এই ত্ৰিভাষা সূত্ৰ প্ৰযোজ্য হ'ব।

১৯ জুন ঃ শ্ৰেষ্ঠ সাহিত্যকৰ্ম স্বৰূপে 'ৰংমিলিৰ হাঁহি'ৰ ঔপন্যাসিক ৰংবং তেৰাঙক অসম সাহিত্য সভা ঘোষিত কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা প্ৰদান।

দিল্লীলৈ মাতি পঠিওৱা হ'ল।

সকলোকে ১৪ তাৰিখে পুৱা পাঁচ বজাত বৰঝাৰ বিমানবন্দৰত লগ পাবৰ কাৰণে কোৱা হ'ল। ছাত্ৰ সন্থা, অসম সাহিত্য সভা, অসম যুৱক সমাজ, যুৱ-ছাত্ৰ পৰিষদ, পি এল পি সকলো মিলি মুঠ ১৮জন আৰু লগত কেন্দ্ৰীয় চোৰাংচোৱা বিষয়া পদ্মনাভন আৰু অসমৰ মুখ্য সচিব শ্ৰীমতী পি পি ত্ৰিবেদী, আৰু আছিল সাহিত্য সভাৰ হৈ হিৰণ্য কুমাৰ ভট্টাচাৰ্য। এই দলটোৱে বৰঝাৰ বিমানবন্দৰৰ পৰা দিল্লী অভিমুখে উৰা মাৰিছিল।

ভাৰতীয় বায়ুসেনাৰ বিমানখনে নতুন দিল্লী পাওঁতে প্ৰায় আবেলি ৫মান বাজে। সকলোকে সীমা সুৰক্ষা দলৰ অতিথিশালালৈ লৈ অনা হৈছিল। তাতেই গোটেই দলটো আগতে যোৱা দলটোৰ অপেক্ষাত নিশা ১১ বজালৈ বহি আছিল।

প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত যোৱা সৰু দলটো দিনটো ধৰি খচৰা চুক্তিখনক লৈ কেন্দ্ৰীয় চোৰাংচোৱা সন্থাৰ বিষয়ববীয়াসকলৰ লগত আলোচনাত ব্যস্ত আছিল। এই দলটোত আছিল ফুকন আৰু মহন্তৰ বাহিৰেও নগেন শৰ্মা, ললিত ৰাজখোৱা, বিৰাজ কুমাৰ শৰ্মা আৰু কুমুদ নাথ শৰ্মা।

১৯৮৫ চনৰ ১৪ আগষ্টৰ আবেলি আন্দোলনৰ নেতৃবৰ্গৰ পাঁচজনীয়া প্ৰতিনিধি দল এটাই প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত প্ৰধানমন্ত্ৰীৰ ওচৰ চাপে আৰু আবেলি তেওঁলোকে প্ৰধানমন্ত্ৰীৰ সৈতে আলোচনাত বহে। ইয়াৰ আগতে নেতৃবৰ্গই গৃহ মন্ত্ৰী এছ বি চৱনৰ লগতো এক আলোচনাত মিলিত হৈছিল আৰু চৱনৰ পৰামৰ্শক্ৰমে প্ৰধানমন্ত্ৰীক এই পাঁচজনীয়া দলটোৱে আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে অনুৰোধ কৰে। আলোচনাৰ শেষত আন্দোলনৰ নেতৃবৰ্গই গৃহ সচিব আৰ ডি প্ৰধানৰ লগত এক দীঘলীয়া আলোচনাত বহে। সেইদিনা সন্ধিয়া আলোচনাত নেতৃবৰ্গই প্ৰধানমন্ত্ৰী

২৩ জুন ঃ ব্ৰহ্মপুত্ৰ ব'ৰ্ডে দিহিং আৰু সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ প্ৰতিবেদন অনুমোদনৰ বাবে কেন্দ্ৰলৈ পঠায়।

১ জুলাই ঃ ৰাজ্যত ধুবুৰী, কোকৰাঝাৰ, বৰপেটা আৰু মঙলদৈ নতুন জিলা হিচাপে আনুষ্ঠানিকভাৱে উদ্বোধন।

২০ জুলাই ঃ গোৱালপাৰা, শিৱসাগৰ আৰু কৰিমগঞ্জ নতুন জিলা হিচাপে আনুষ্ঠানিকভাৱে উদ্বোধন।

২১ জুলাই ঃ পুলিচৰ গুলীচালনাত কৰিমগঞ্জত ৩ জনৰ মৃত্যু।

২৪ জুলাই ঃ গুৱাহাটীৰ খ্ৰীষ্টানবস্তি অঞ্চলত বোমা বিস্ফোৰণ।

২ আগষ্ট ঃ ব্ৰহ্মপুত্ৰ উপত্যকাত বান নিয়ন্ত্ৰণৰ কামৰ কাৰণে চলিত বছৰটোত অসম চৰকাৰলৈ ঋণ সাহায্য হিচাপে ১৪ কোটি টকা আগবঢ়োৱা হয়।

- ১৯৮৩-৮৪ চনৰ চূড়ান্ত বাজেটত ১০০ কোটি ৫৬ লাখ টকাৰ ঘাটি বাজেট।

৩ আগষ্ট ঃ কেন্দ্ৰই অসমত বিধানসভাৰ নিৰ্বাচনৰ পিচত সংঘটিত হিংসাত্মক ঘটনাত ক্ষতিগ্ৰস্ত লোকৰ সাহায্য আৰু পুনৰ্সংস্থাপনৰ বাবে ৪৯.৭১ কোটি টকা দিয়ে।

৬ আগষ্ট ঃ অসম সাহিত্য সভাৰ সোণালী জয়ন্তী অধিৱেশন বঙাইগাঁৱত আৰম্ভ। সভাপতি ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য।

১৫ আগষ্ট ঃ স্বাধীনতা দিৱসৰ দিনা দক্ষিণ শালমাৰা, মানকাচৰ, গোসাঁইগাঁও, উত্তৰ শালমাৰা, ৰঙিয়া, ওদালগুৰি, বিশ্বনাথ চাৰিআলি, চৰাইদেউ আৰু হোজাইক নতুন মহকুমা হিচাপে মুকলি কৰা হয়।

৩১ আগষ্ট ঃ বিশিষ্ট সাহিত্যিক আৰু অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি তৰুণ চন্দ্ৰ পামেগামৰ মৃত্যু।

২ ছেপ্টেম্বৰ ঃ বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লক্ষেশ্বৰ ব্ৰহ্মৰ মৃত্যু।

- ১৯৮২ চনৰ প্ৰকাশন পৰিষদ বঁটা প্ৰথিতযশা সাহিত্যিক ৰংবং তেৰাঙক তেওঁৰ 'ৰংমিলিৰ হাঁহি' নামৰ গ্ৰন্থখনিৰ বাবে প্ৰদান কৰা হয়।

৭ অক্টোবৰ ঃ বিশ্ববিশ্ৰুত পণ্ডিত, শিক্ষাবিদ, সু-সাহিত্যিক স্বৰ্গীয়

আৰু গৃহ মন্ত্ৰীৰ লগত একেলগে এবাৰ আলোচনাত বহে। সেই আলোচনাত বিদেশী নাগৰিকৰ ক্ষেত্ৰত দুটা সিদ্ধান্তত একমত প্ৰকাশ কৰা হয়— (১) ১৯৬৬ চনৰ ১ জানুৱাৰী আৰু ১৯৭১ চনৰ ২৪ মাৰ্চৰ ভিতৰত অসমত প্ৰৱেশ কৰা বিদেশী নাগৰিকসকলৰ ১০ বছৰলৈ ভোটাধিকাৰ ৰহিত থাকিব আৰু (২) ১৯৭১ চনৰ ২৫ মাৰ্চকে ধৰি তাৰ পিচত অবৈধভাৱে প্ৰৱেশ কৰা সকলো বিদেশী নাগৰিকক ৰাজ্যখনৰ পৰা বহিষ্কাৰ কৰা হ'ব। লগতে ১৯৮৩ৰ নিৰ্বাচিত চৰকাৰ অবৈধ বুলি বৰ্খাস্ত কৰা তথা নৱেশ্বৰ মাহত ৰাজ্য বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সন্মতি আদায় কৰা হয়। ১৯৭১ চনৰ ভোটাৰ তালিকাৰ ব্যৱহাৰ কৰা হ'ব যদিও চুক্তি অনুসৰি ১৯৬৬ চনৰ ১ জানুৱাৰীৰ পিচত প্ৰৱেশ কৰা লোকসকলৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ দিয়া হ'ব আৰু তেওঁলোকৰ বাবে 'D' অৰ্থাৎ dropped লিখা হ'ব।

তাৰ পিচতে তেওঁলোকে নিশা চাৰে ১১ বজাত বি এছ এফৰ অতিথিশালাত মূল দলটোৰ লগত খচৰা চুক্তিখনৰ আলোচনা কৰিবলৈ আহিছিল। বেছিভাগৰে চুক্তিখনত অসন্মতি থাকিলেও 'বেষ্ট আইডিয়েল' আৰু 'বেষ্ট এচিভেবল' দুটা শীৰ্ষক পৰিস্থিতি বিবেচনা কৰি সন্মতি দিলে। কিছুমান বাক্য সলনি কৰিব বিচৰা হৈছিল যদিও কুমুদ নাথ শৰ্মাই জনালে যে খচৰাৰ কোনো বাক্য বদলাব পৰা নাযাব। ভৃগু কুমাৰ ফুকনেও ইতিমধ্যে জনাই দিছিল যে দলটোৰ কাৰোবাৰ আপত্তি থাকিলেও মানি লোৱা নহ'ব আৰু খচৰা চুক্তিয়েই মূল চুক্তি হ'ব।

ইয়াৰ পিচত নিশা ১২ বজাত আগতীয়া দলটো খচৰা চুক্তিক লৈ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ যায়গৈ আৰু বাকীসকলক লোডী হোটেললৈ লৈ অনা হ'ল। তাৰ পৰা ততাতৈয়াকৈ অলপ সময়ৰ পিচতে গোটেই দলটোকে প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ লৈ যোৱা হ'ল। লয়াৰ্ছ ফ'ৰামৰ হেম

কৃষ্ণকান্ত সন্দিকৈৰ সোঁৱৰণত ডাক টিকট মুকলি।

১৫ অক্টোবৰ ঃ অসমত বিদেশী চিনাক্তকৰণৰ কাৰণে এক সুকীয়া অধ্যাদেশ জাৰি কৰা হয়। ইয়াৰ ফলত অসমৰ বিদেশীসকলক এক সুকীয়া ট্ৰিবুনেলৰ দ্বাৰা চিনাক্ত কৰা হ'ব।

৭ নৱেম্বৰ ঃ গুৱাহাটী ৰে'ল ষ্টেচনত বোমা বিস্ফোৰণ। নিহত হয় ১৭জন লোক আৰু প্ৰায় ৬০জন লোক আহত।

১০ নৱেম্বৰ ঃ গুৱাহাটীৰ বিষ্ণুপুৰ, চেৰাপভাটি আৰু পাণ্ডুত বোমা বিস্ফোৰণ। নিহত এজন আৰু আহত ১২জন।

১১ নৱেম্বৰ ঃ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে পঞ্চৰত্নৰ কুমৰিবিলৰ পাৰত নৰনাৰায়ণ সেতুৰ আধাৰশিলা স্থাপন কৰে।

১২ নৱেম্বৰ ঃ বোন্দাৰ ওচৰত ঠাকুৰকুছিত, উজানবজাৰ-চেনিকুঠিৰ ওচৰত এম চি পথৰ কাষত আৰু আৰ জি বৰুৱা পথৰ পৰা ফাটি যোৱা নাৰেংগী পথৰ ওচৰত বোমা বিস্ফোৰণ। এজন লোক নিহত।

১৫ ডিচেম্বৰ ঃ সংসদত আই এম ডি টি আইন উত্থাপন আৰু কোনো বিতৰ্ক অবিহনে গ্ৰহণ।

২২ ডিচেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই মুছলমানসকলৰ বাবে চৰকাৰী চাকৰিৰ ২৪ শতাংশ সংৰক্ষণ কৰাৰ সিদ্ধান্ত লয়।

শৰ্মা, পি এল পিৰ পবীন্দ্ৰ ডেকা আৰু জনজাতি যুব-ছাত্ৰ পৰিষদৰ প্ৰসন্ন কোঁৱৰ কিন্তু প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়লৈ নগ'ল।

নিশা এক বাজি পোন্ধৰ মিনিটত অসম চুক্তি চহী কৰা হ'ল। প্ৰধানমন্ত্ৰীৰ সন্মুখত সদৌ অসম ছাত্ৰ সন্থাৰ হৈ প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকন আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ হৈ বিৰাজ শৰ্মাই চহী কৰে।

গৃহ দপ্তৰৰ সচিব আৰ ডি প্ৰধান আৰু অসমৰ মুখ্য সচিব শ্ৰীমতী পি পি ত্ৰিবেদীয়েও চুক্তিখনত স্বাক্ষৰ কৰে। পৰৱৰ্তী দশককেইটাত অসমৰ জাতীয় জীৱনৰ মূল কেন্দ্ৰবিন্দু হৈ পৰা এই চুক্তিখনৰ সবিশেষ পাঠ (text) তলত উল্লেখ কৰা হৈছে—

অসম চুক্তি, ১৯৮৫

সমাধানৰ স্মাৰকপত্ৰ

(১) অসমৰ বিদেশী নাগৰিকৰ সমস্যাৰ সন্তোষজনক সমাধান এটা বিচাৰি চৰকাৰ অনবৰত অতিশয় উদ্বিগ্ন হৈ আছিল। সদৌ অসম ছাত্ৰ সন্থা (সঃ অঃ ছাঃ সঃ) আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে এনে এটা সমাধানৰ বাবে ব্যগ্ৰতা প্ৰকাশ কৰিছে।

(২) স্বৰ্গীয় প্ৰধানমন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীক ১৯৮০ৰ ২ ফেব্ৰুৱাৰীত দিয়া স্মাৰকপত্ৰৰ যোগেদি সঃ অঃ ছাঃ সঃই অসমত হৈ থকা বিদেশী নাগৰিকসকলৰ প্ৰব্ৰজনৰ বিষয়ে গভীৰ সংশয় কৰি ই ৰাজ্যখনৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক জীৱনত কু-প্ৰভাৱ পেলাব বুলি ভয় প্ৰকাশ কৰিছিল।

(৩) অসমৰ জনসাধাৰণৰ প্ৰকৃত সংশয়ৰ প্ৰতি সজাগ হৈ তেতিয়াৰ প্ৰধানমন্ত্ৰীয়ে সঃ অঃ ছাঃ সঃ/সঃ অঃ গঃ সঃ পঃৰ সৈতে আলোচনা

১৯৮৪

৪ জানুৱাৰী ঃ অসমত অনুপ্ৰৱেশকাৰীৰ প্ৰৱেশৰ ওপৰত চকু দিবলৈ এটা ন্যায়ালয় স্থাপনৰ বাবে সংসদে গ্ৰহণ কৰা বিলৰ ওপৰত ৰাষ্ট্ৰপতিৰ সন্মতি।

৬ জানুৱাৰী ঃ কবি নিৰ্মলপ্ৰভা বৰদলৈলৈ তেওঁৰ কাব্য সংকলন 'সুদীৰ্ঘ দিন আৰু ঋতু'ৰ বাবে সাহিত্য অকাদেমী বঁটা আগবঢ়োৱা হয়।

১৮ জানুৱাৰী ঃ অসমৰ বাৰ্ষিক পৰিকল্পনাত ৩৬০ কোটি টকা ধাৰ্য।

২২ জানুৱাৰী ঃ গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱন চৌহদত সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনৰ দ্বাৰ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বিনন্দ চন্দ্ৰ বৰুৱাই উদ্বোধন কৰে। যোৰহাটৰ বিখ্যাত চাহ খেতিয়ক, সমাজকৰ্মী আৰু প্ৰাক্তন সাংসদ প্ৰফুল্ল চন্দ্ৰ বৰুৱা আৰু তেওঁৰ ভাতৃ প্ৰয়াত পৰশুৰাম বৰুৱাই দেউতাকৰ স্মৃতিত অসম সাহিত্য সভাই নিৰ্মাণ কৰা সদনৰ বাবদ ২ লাখ টকাৰ দান আগবঢ়ায়।

২৬ জানুৱাৰী ঃ গণৰাজ্য দিৱস উপলক্ষে অসমৰ সাহিত্যিক চৈয়দ আব্দুল মালিক আৰু গুৱাহাটী মেডিকেল কলেজৰ অধ্যাপক ডাঃ মুক্তিপ্ৰসাদ গগৈলৈ 'পদ্মশ্ৰী' উপাধি প্ৰদান।

৩০ জানুৱাৰী ঃ দেশৰ সৰ্বাধিক দূৰত্ব সামৰা 'ত্ৰিবান্দ্ৰম এক্সপ্ৰেছ' যাত্ৰীবাহী ৰে'লখন নিউ বঙাইগাঁৱত উদ্বোধন কৰা হয়। এইখন ৰে'লে অসমসহ উত্তৰ-পূৰ্বাঞ্চলক দাক্ষিণাত্যৰ সৈতে সংযোগ কৰে।

২৫ ফেব্ৰুৱাৰী ঃ নগাঁৱৰ শিলঘাটত থকা অসম সমবায় মৰাপাট কলটো আনুষ্ঠানিকভাৱে বন্ধ কৰা হয়। ১,০৮২জন কৰ্মী কৰ্মচ্যুত হয়। উত্তৰ-পূবৰ ভিতৰত এই মৰাপাট কল প্ৰথম আছিল।

৫ মাৰ্চ ঃ ৰাজ্যৰ বাজেটত ৬২.২২ কোটি টকাৰ ঘাটি বাজেট দাখিল কৰা হয়। ১৯৮৪-৮৫ চনৰ বাবে নতুন কৰ-কাটলৰ প্ৰস্তাৱ নথকা ১০৫ কোটি ৯৫ লাখ টকাৰ এখন ঘাটি বাজেট দাখিল কৰা হৈছে।

১০ মাৰ্চ ঃ গুৱাহাটীলৈ প্ৰথম ব্ৰডগজ ৰে'ল আনুষ্ঠানিকভাৱে উদ্বোধন। ব্ৰডগজ ডিপাৰ্টমেণ্টেল ৰে'ল এখন

আৰম্ভ কৰে। পৰৱৰ্তী কালত ১৯৮০-৮৩ৰ কালছোৱাত প্ৰধানমন্ত্ৰী আৰু গৃহ মন্ত্ৰীৰ (মন্ত্ৰণালয়) পৰ্যায়ত আলোচনা চলে। ১৯৮৪ত কেইবালানি অনানুষ্ঠানিক আলোচনা চলে। ১৯৮৫ৰ মাৰ্চত আনুষ্ঠানিক আলোচনা পুনৰানুষ্ঠিত হয়।

(৪) সাংবিধানিক আৰু আইনগত ব্যৱস্থা, আন্তঃৰাষ্ট্ৰীয় চুক্তি, ৰাষ্ট্ৰীয় প্ৰতিশ্ৰুতি আৰু মানৱীয় বিবেচনাকে ধৰি আটাইবোৰ দিশ সামৰি তলত দিয়া ধৰণে আগবাঢ়িবলৈ সিদ্ধান্ত কৰা হৈছে।

বিদেশী সমস্যা

(৫ঃ১) বিদেশীসকলৰ চিনাক্তকৰণ আৰু নাম বাতিলৰ বাবে ভিত্তি তাৰিখ আৰু চন হ'ব ১-১-১৯৬৬।

(৫ঃ২) ১৯৬৭ৰ নিৰ্বাচনত ব্যৱহৃত ভোটাৰ তালিকাত থকা নামকে ধৰি ১-১-১৯৬৬ৰ আগতে অসমলৈ অহা লোকৰ নাম নিয়মিতকৰণ হ'ব।

(৫ঃ৩) ১-১-১৯৬৬ৰ পৰা ১৯৭১ৰ ২৪ মাৰ্চলৈকে (অন্তৰ্ভুক্ত কৰি) অসমলৈ অহা বিদেশীসকলক ১৯৪৬ৰ বিদেশী আইন আৰু ১৯৬৪ৰ বিদেশী (ন্যায়াধিকৰণ) আদেশৰ ব্যৱস্থা অনুসৰি চিনাক্ত কৰা হ'ব।

(৫ঃ৪) চিনাক্ত হোৱা বিদেশীসকলৰ নাম চলিত ভোটাৰ তালিকাৰ পৰা বাতিল কৰা হ'ব। চিনাক্ত হোৱা লোকসকলে ১৯৩৯ৰ বিদেশী পঞ্জীবন্ধন আইনৰ আৰু ১৯৩৯ ৰ বিদেশী পঞ্জীবন্ধন নিয়মৰ ব্যৱস্থা অনুসৰি সংশ্লিষ্ট জিলাৰ পঞ্জীবন্ধন বিষয়াৰ ওচৰত পঞ্জীবদ্ধ হোৱাৰ আৱশ্যক হ'ব।

(৫ঃ৫) ভাৰত চৰকাৰে এই উদ্দেশ্যে চৰকাৰী যন্ত্ৰৰ যথোচিত শক্তিশালীকৰণৰ ব্যৱস্থা ল'ব।

(৫ঃ৬) চিনাক্ত হোৱাৰ পৰা দহ বছৰ পাৰ হোৱাৰ পিচত ভোটাৰ তালিকাৰ পৰা বাতিল হোৱা এনে লোকৰ নাম পুনৰ্লিখন কৰা হ'ব।

(৫ঃ৭) আগতে বহিষ্কৃত হোৱা যিসকল লোক অসমত অবৈধভাৱে

গুৱাহাটী ৰে'ল ষ্টেচনত প্ৰৱেশ কৰাত আদৰা হয়। এই পদক্ষেপে উত্তৰ-পূব অঞ্চলটোৰ ৰাইজৰ এটা দীৰ্ঘদিনৰ হেঁপাহ পূৰণ কৰে।

২৯ মাৰ্চ ঃ অসমৰ পৰা ৰাজ্যসভাত খালী হোৱা তিনিখন আসনত ই-কংগ্ৰেছ প্ৰাৰ্থী নিৰ্বাচিত। নিৰ্বাচিত প্ৰাৰ্থী তিনিজন হ'ল— প্ৰদেশ যুৱ কংগ্ৰেছৰ (ই) সভাপতি ভুৱনেশ্বৰ কলিতা, পৃথিৱী মাঝি আৰু কমলেন্দু ভট্টাচাৰ্য।

১৫ এপ্ৰিল ঃ ভীষ্ম নাৰায়ণ সিঙৰ অসমৰ ৰাজ্যপাল হিচাপে শপত গ্ৰহণ।

২০ এপ্ৰিল ঃ বাংলাদেশ ৰাইফলছে অসমৰ গোৱালপাৰা জিলাৰ ৰামকাইকুটিত ১০০১ নম্বৰ খুঁটিটোত বেৰা দিয়া কামত ব্যস্ত থকা শ্ৰমিকৰ ওপৰত গুলীচালনা কৰে। বাধ্য হৈ সীমান্তৰক্ষী বাহিনীয়ে (বি এছ এফ) গুলীৰে প্ৰত্যুত্তৰ দিয়ে।

২৪ এপ্ৰিল ঃ অসমত প্ৰথম ব্ৰডগজ পথেৰে দিল্লীলৈ যাত্ৰীবাহী ৰে'লৰ যাত্ৰা আৰম্ভ। দিল্লী অভিমুখী ১৫৫ নং নামনি তিনিচুকীয়া মেইলখনে ব্ৰডগজ পথেৰে গুৱাহাটী এৰাৰ লগে লগে গুৱাহাটী ৰাষ্ট্ৰীয় ব্ৰডগজ মানচিত্ৰৰ এক অন্যতম কেন্দ্ৰ হিচাপে অন্তৰ্ভুক্ত হয়। অনুষ্ঠান উদ্বোধন কৰে ৰে'ল মন্ত্ৰী আবু বৰকত আতাউল গনিখান চৌধুৰীয়ে।

- সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰা নিৰ্মাণ বন্ধ কৰিবৰ কাৰণে বাংলাদেশ ৰাইফলছে ভাৰত-বাংলাদেশ সীমান্তৰ গোৱালপাৰা খণ্ডৰ মোনাহাটত গুলীচালনা কৰাত সীমান্ত নিৰাপত্তা বাহিনীৰ দুজন জোৱান আহত হয়।

৭ মে' ঃ সাহিত্যিক সত্যেন বৰকটকীৰ মৃত্যু।

১২ মে' ঃ ষ্টক এক্সচেঞ্জ আৰু ইউনিট ট্ৰাষ্ট অব ইণ্ডিয়াৰ আঞ্চলিক কাৰ্যালয় গুৱাহাটীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী প্ৰণৱ মুখাৰ্জীয়ে উদ্বোধন কৰে।

২৮ মে' ঃ ৰাষ্ট্ৰপতি গিয়ানী জাইল সিঙে মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতাল উদ্বোধন কৰে।

২৮ জুন ঃ প্ৰখ্যাত প্ৰবীণ সাহিত্যিক আৰু সমালোচক ত্ৰৈলোক্য নাথ গোস্বামীক ১৯৮৩ চনৰ অসম প্ৰকাশন পৰিষদৰ বঁটা প্ৰদান। 'নন্দন তত্ত্ব ঃ প্ৰাচ্য আৰু পাশ্চাত্য' শীৰ্ষক গ্ৰন্থখনৰ বাবে এই পুৰস্কাৰ লাভ কৰে।

৪ জুলাই ঃ দৰং জিলাৰ মণ্ডলদৈৰ

সোমাইছে তেওঁলোকক বহিষ্কাৰ কৰা হ'ব।

(৫ঃ৮) ১৯৭১ৰ ২৫ মাৰ্চৰ পিচত অসমত সোমোৱা বিদেশীসকলক আইন অনুসৰি চিনাক্ত কৰা হ'ব। (ভোটাৰ তালিকাৰ পৰা) নাম বাতিল কৰা হ'ব আৰু বহিষ্কৃত কৰা হ'ব। এনে বিদেশীসকলক বহিষ্কাৰ কৰিবলৈ ততাতৈয়া আৰু কাৰ্যকৰী ব্যৱস্থা লোৱা হ'ব।

(৫ঃ৯) ১৯৮৩ৰ অবৈধ প্ৰব্ৰজনকাৰী (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্ণয়) আইন প্ৰয়োগৰ ক্ষেত্ৰত সঃ অঃ ছাঃ সঃ/সঃ অঃ গঃ সঃ পঃএ প্ৰকাশ কৰা কিছুমান অসুবিধাৰ প্ৰতি চৰকাৰে যথোপযুক্ত বিবেচনা কৰিব।

ৰক্ষাকৱচ আৰু অৰ্থনৈতিক বিকাশ

(৬) অসমীয়া মানুহৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক পৰিচয় আৰু ঐতিহ্য ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে যথোচিত সাংবিধানিক, আইনগত আৰু প্ৰশাসনীয় ৰক্ষাকৱচ দিয়া হ'ব।

(৭) জনসাধাৰণৰ জীৱন ধাৰণৰ মানৰ উৎকৰ্ষ সাধনৰ বাবে অসমৰ তৎকালীন সামগ্ৰিক অৰ্থনৈতিক উন্নয়নৰ কাৰণে প্ৰতিশ্ৰুতিৰ নবীকৰণৰ সুবিধা চৰকাৰে এই সুযোগতে গ্ৰহণ কৰে। ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান স্থাপনৰ যোগেদি শিক্ষা, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাত বিশেষ জোৰ দিয়া হ'ব।

আন আন বিষয়

(৮ঃ১) ভৱিষ্যতে কেৱল কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃপক্ষৰ দ্বাৰাইহে নাগৰিকত্বৰ প্ৰমাণপত্ৰ দিয়াবলৈ চৰকাৰে ব্যৱস্থা কৰিব।

(৮ঃ২) ভাৰতীয় নাগৰিকত্ব প্ৰমাণপত্ৰৰ (ভা না প্ৰ) অনিয়ম প্ৰদান সম্পৰ্কে সঃ অঃ ছাঃ সঃ/সঃ অঃ গঃ সঃ পঃ-এ কৰা সুনিৰ্দিষ্ট আপত্তিবোৰ বিবেচনা কৰা হ'ব।

(৯ঃ১) যথাস্থানত দেৱাল, কাঁইটীয়া তাঁৰৰ জেওৰা আৰু আন ধৰণৰ প্ৰতিবন্ধক নিৰ্মাণ কৰি ভৱিষ্যৎ অনুপ্ৰৱেশৰ বিৰুদ্ধে আন্তঃৰাষ্ট্ৰীয় সীমান্ত

মাজমজিয়াত ঘটা এটা প্ৰচণ্ড বোমা বিস্ফোৰণত চাৰিজন নিহত আৰু ৩৮-জন আহত হয়।

৯ জুলাই ঃ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই তেওঁৰ মন্ত্ৰীসভাৰ সদস্যৰ সংখ্যা ৩২ৰ পৰা ৩৮লৈ সম্প্ৰসাৰিত কৰে। নতুনকৈ অন্তৰ্ভুক্ত হোৱা মন্ত্ৰীসকল হ'ল— জীৱকান্ত গগৈ, খৰছিং টেৰণ, বৰ্গৰাম দেউৰী, নেপাল দাস আৰু মিথিয়াছ টুডু। ৬জন উপমন্ত্ৰীক ৰাজ্যিক পৰ্যায়লৈ পদোন্নতি দিয়া হয়। মন্ত্ৰীকেইজন হ'ল— লংকেশ্বৰ সোণোৱাল, নগেন নেওগ, মুনীন গৌতম, লুইছ ইছলাৰী আৰু লক্ষ্মীপ্ৰসাদ হাজৰিকা।

১২ জুলাই ঃ ৪ হাজাৰ সাঁচিপতীয়া পুথি সংগ্ৰহ কৰোঁতা বিখ্যাত গণিতজ্ঞ, অংকৰ যাদুকৰ ৰূপে খ্যাত দণ্ডীৰাম দত্তৰ মৃত্যু।

২৪ জুলাই ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ পৰিষদে যুটীয়াভাৱে প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীক লগ ধৰি অসমত ১৯৭১ চনৰ ভিত্তিত হ'বলগীয়া নিৰ্বাচনৰ ঘোৰ বিৰোধিতা কৰে।

৭ আগষ্ট ঃ সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভাই স্থগিত ৰখা বিদেশী নাগৰিকৰ প্ৰশ্নক লৈ কৰা আন্দোলনত পুনৰ নতুন আন্দোলনসূচী লোৱাৰ সিদ্ধান্ত।

১৪ আগষ্ট ঃ উত্তৰ-পূবৰ ৰাজ্যৰ বিভিন্ন আঞ্চলিক দলৰ ১২ ঘণ্টা বন্ধৰ আহ্বান।

১ ছেপ্টেম্বৰ ঃ ব্ৰহ্মপুত্ৰৰ খহনীয়াত ধুবুৰী জিলাৰ দক্ষিণ শালমাৰাৰ চৈধ্যখন গাঁও নিশ্চিহ্ন।

২ ছেপ্টেম্বৰ ঃ তেজপুৰত ১০০ কিলোৱাট শক্তিসম্পন্ন দূৰদৰ্শন ৰিলে কেন্দ্ৰ এটা কেন্দ্ৰীয় বাণিজ্য দপ্তৰৰ উপমন্ত্ৰী পি এ চাংমাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

১০ ছেপ্টেম্বৰ ঃ ভাৰতৰ ১২৪সংখ্যক দূৰদৰ্শন প্ৰেৰক কেন্দ্ৰ কেন্দ্ৰীয় শিক্ষা উপমন্ত্ৰী পি কে থুংগনে ডিব্ৰুগড়ত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

১৫ অক্টোবৰ ঃ অসম সাহিত্য সভাৰ একপঞ্চাশৎ অধিৱেশনৰ সভাপতি ৰূপে নিৰ্বাচিত হয় প্ৰসিদ্ধ কথা-সাহিত্যিক, অধ্যাপক যোগেশ দাস।

১৬ নৱেম্বৰ ঃ যোৰহাট কৃষি বিশ্ববিদ্যালয় চৌহদত সদৌ অসম ছাত্ৰ

নিৰাপদ কৰা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ স্থলপথ আৰু নদীপথৰ সকলোতে সীমান্ত নিৰাপত্তা বাহিনীৰ পহৰাদান যথোচিতভাৱে বৃদ্ধি কৰা হ'ব। নিৰাপত্তা ব্যৱস্থা শক্তিশালীকৰণ আৰু ভৱিষ্যৎ অনুপ্ৰৱেশত সফল বাধাদানৰ উদ্দেশ্যে যথেষ্টসংখ্যক তালাচী চকী স্থাপন কৰা হ'ব।

(৯ঃ২) ওপৰত উল্লিখিত ব্যৱস্থাবোৰৰ বাহিৰে আৰু নিৰাপত্তাৰ বিবেচনা আগত ৰাখি নিৰাপত্তা বাহিনীয়ে পহৰাদান কৰাৰ সুবিধা হোৱাকৈ আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ কাষে কাষে এটা ৰাস্তা নিৰ্মাণ কৰা হ'ব। সীমান্ত আৰু ৰাস্তাৰ মাজৰ ঠাইখিনি, য'তেই সম্ভৱপৰ, জনবসতিশূন্য কৰি ৰখা হ'ব। আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ নদীপথেদি পহৰাদান বৃদ্ধি কৰা হ'ব। অনুপ্ৰৱেশকাৰীয়ে সীমান্ত পাৰ হোৱা বা পাৰ হ'বলৈ চেষ্টা কৰাত বাধা দিবলৈ সকলো ধৰণৰ কাৰ্যকৰী ব্যৱস্থা লোৱা হ'ব।

(১০) চৰকাৰী মাটি আৰু জনজাতীয় বেষ্টনী আৰু খণ্ডত বেদখল কৰাত বাধা দিবলৈ থকা সংশ্লিষ্ট আইনবোৰ কটকটীয়াকৈ প্ৰয়োগ কৰা আৰু আইনৰ ব্যৱস্থা অনুযায়ী বেদখলকাৰীক উচ্ছেদ কৰাৰ নিশ্চয়তা দিয়া হ'ব।

(১১) অসমত বিদেশীসকলৰ স্থাৱৰ সম্পত্তি আহৰণ নিয়ন্ত্ৰণ কৰা সংশ্লিষ্ট আইনবোৰ কটকটীয়াকৈ কাৰ্যকৰী কৰাৰ নিশ্চয়তা দিয়া হ'ব।

(১২) জন্ম আৰু মৃত্যুৰ পঞ্জী যথাযথভাৱে তৈয়াৰ কৰাৰ নিশ্চয়তা দিয়া হয়।

স্বাভাৱিক অৱস্থা ঘূৰাই অনা ঃ

(১৩) সদৌ অসম ছাত্ৰ সন্থা (সঃ অঃ ছাঃ সঃ) আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে (সঃ অঃ গঃ সঃ পঃ) আন্দোলন প্ৰত্যাহাৰ কৰিব, সম্পূৰ্ণ সহযোগিতা আগবঢ়াব আৰু দেশৰ উন্নয়নত আত্মনিয়োগ কৰিব।

(১৪) কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ সন্মত হয়—

(ক) আন্দোলনৰ সংক্ৰান্তত কৰ্মচাৰীসকলৰ বিৰুদ্ধে গ্ৰহণ কৰা

সন্থাৰ উদ্যোগত জাতীয় অভিবৰ্তন। ৰাজনৈতিক দল গঠনৰ পোষকতা।

১৯ নৱেম্বৰ ঃ বৰপেটা জিলাৰ কেওটকুছিৰ ওচৰৰ এখন কাঠৰ দলঙৰ পৰা ৰেলিং ভাগি যাত্ৰীবাহী বাছ বাগৰি পৰাত ১৫জন যাত্ৰী নিহত।

২৩ নৱেম্বৰ ঃ মেডিকেল কলেজত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ ক্ষেত্ৰত অসম চৰকাৰে ৰখা সংৰক্ষিত আসনৰ ব্যৱস্থা সংবিধানবিৰোধী বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়।

২ ডিচেম্বৰ ঃ ঐতিহ্যমণ্ডিত 'বাঁহী' আলোচনীৰ খ্যাতিমান মহিলা সাংবাদিক আৰু প্ৰবীণ শিক্ষাবিদ উষা বেজবৰুৱাৰ মৃত্যু।

৩ ডিচেম্বৰ ঃ ১৯৮৪ চনৰ অসম প্ৰকাশন পৰিষদৰ বঁটা প্ৰখ্যাত শিক্ষাবিদ-সাহিত্যিক ত্ৰৈলোক্য নাথ গোস্বামীক প্ৰদান কৰা হয়।

৪ ডিচেম্বৰ ঃ বড়োভাষী অঞ্চলৰ বাবে বড়ো ভাষা সহযোগী চৰকাৰী ভাষা হিচাপে প্ৰযোজ্য হ'ব বুলি ৰাজ্য চৰকাৰে স্বীকৃতি দিয়ে। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই বিধানসভাত এই কথা ঘোষণা কৰে।

৩১ ডিচেম্বৰ ঃ কাছাৰ অঞ্চলত এটা বৃহৎ ভূমিকম্প হয়। প্ৰায় কুৰিজন লোক নিহত আৰু এশ লোক আহত হয়। অসমৰ দক্ষিণ অঞ্চলত ব্যাপক ক্ষতি।

অনুশাসনমূলক কাৰ্যব্যৱস্থা (Disciplinary Action) সহানুভূতি সহকাৰে পুনৰীক্ষণ কৰিব আৰু এনে গোচৰবোৰ উঠাই ল'ব তথা কোনো প্ৰকাৰৰ দণ্ডাৰ্হকৰণ নাথাকিব।

(খ) আন্দোলনত মৃত্যু হোৱা লোকৰ ওচৰ সম্পৰ্কীয় লোকক এককালীন সাহায্য দিবৰ বাবে এখন আঁচনি কৰিব।

(গ) অসম আন্দোলন সংক্ৰান্তত সৃষ্টি হোৱা ব্যতিক্ৰমমূলক পৰিস্থিতিৰ বাবে অসমৰ লোকসেৱাত নিয়োগৰ কাৰণে শিক্ষামূলক আৰু প্ৰতিযোগিতামূলক পৰীক্ষা আদি পাতোঁতে বয়সৰ ঊৰ্ধ্বসীমা ৰেহাই দিবৰ কাৰণে আগবঢ়োৱা প্ৰস্তাৱৰ প্ৰতি সহানুভূতিসূচক বিবেচনা কৰিব।

(ঘ) আটকবন্দীৰ গোচৰ যদি আছে সেইবোৰ তথা জঘন্য অপৰাধত অভিযুক্তসকলৰ বাহিৰে আন্দোলন সংক্ৰান্ত অপৰাধৰ গোচৰবোৰ পুনৰীক্ষণ কৰিব।

(ঙ) প্ৰতিষেধমূলক নিৰ্দেশ/বলৱৎ হৈ জাননী যদি আছে উঠাই লোৱাৰ বাবে বিবেচনা কৰিব।

(১৫) উক্ত সিদ্ধান্তবোৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত গৃহ পৰিক্ৰমা মন্ত্ৰণালয় হ'ব ন'ডেল মন্ত্ৰণালয় (Nodal Ministry)।

স্বাঃ প্ৰফুল্ল কুমাৰ মহন্ত, ১৫/৮/৮৫	স্বাঃ আৰ ডি প্ৰধান
সভাপতি	গৃহ সচিব
সদৌ অসম ছাত্ৰ সন্থা	ভাৰত চৰকাৰ
স্বাঃ ভৃগু কুমাৰ ফুকন, ১৫/৮/৮৫	স্বাঃ পি পি ত্ৰিবেদী
সাধাৰণ সম্পাদক	মুখ্য সচিব
সদৌ অসম ছাত্ৰ সন্থা	অসম চৰকাৰ
স্বাঃ বিৰাজ শৰ্মা, ১৫/৮/৮৫	উপস্থিতিত—
আহ্বায়ক	

১৯৮৫

৭ জানুৱাৰী ঃ দেবেন্দ্ৰ নাথ আচাৰ্যলৈ সাহিত্য অকাদেমী বঁটা। তেওঁৰ কিতাপ 'জঙ্গম'ৰ বাবে ১৯৮৪ চনৰ বাবে পুৰস্কৃত হয়।

৮ জানুৱাৰী ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে বিদেশী সমস্যা সমাধান নোহোৱালৈ গণৰাজ্য দিৱসৰ সকলো অনুষ্ঠান বৰ্জন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

● অসমৰ বান নিয়ন্ত্ৰণৰ বাবে সপ্তম পৰিকল্পনাত কেন্দ্ৰীয় চৰকাৰৰ ১৫০ কোটি টকা মঞ্জুৰ।

২৮ জানুৱাৰী ঃ অসমৰ বিদেশী সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনা কৰিবলৈ অসম আন্দোলনৰ পাঁচজনীয়া দল নতুন দিল্লীলৈ ৰাওনা হয়। এই দলৰ সদস্যকেইজন হৈছে— সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত, সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকন, গণ সংগ্ৰাম পৰিষদৰ আহ্বায়ক বিৰাজ শৰ্মা, কাৰ্যনিৰ্বাহক প্ৰবীণ গগৈ আৰু তেওঁলোকৰ সৈতে দোভাষী হিচাপে যায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ কুমুদ নাথ শৰ্মা।

৩১ জানুৱাৰী ঃ 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্যলৈ সাহিত্য সভাৰ 'বিষ্ণুপ্ৰসাদ ৰাভা' বঁটা প্ৰদান।

৩ ফেব্ৰুৱাৰী ঃ অসম জাতীয়তাবাদী দলৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ পৰা দলৰ সভাপতি বিনোদ গোস্বামী আৰু ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক অৰুণ বৰদলৈয়ে দলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত 'আঞ্চলিক দলসমূহৰ একত্ৰীকৰণ' সম্পৰ্কত দলে লোৱা এক প্ৰস্তাৱ প্ৰেছ বিবৃতি মুকলি কৰে। দলৰ কাৰ্যনিৰ্বাহকে একত্ৰীকৰণৰ প্ৰবল আগ্ৰহ প্ৰকাশ কৰি পূৰ্বাঞ্চলীয় লোক পৰিষদৰ লগত যোগাযোগ কৰি দুয়ো দলৰ একত্ৰীকৰণ কাৰ্যকৰী কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে ১৯৮৪ চনৰ ফেব্ৰুৱাৰী মাহত মৰাণত অনুষ্ঠিত অসম জাতীয়তাবাদী দলৰ অভিৱৰ্তনত লোৱা সিদ্ধান্ত অনুযায়ী দল দুটাৰ একত্ৰীকৰণৰ প্ৰথম পদক্ষেপ হিচাপে এখন আঞ্চলিক গণমৰ্চা গঠন কৰে আৰু ইয়াৰ পিচতেই পূৰ্বাঞ্চলীয়

অসম চুক্তি

সদৌ অসম গণ সংগ্ৰাম পৰিষদ   স্বাঃ ৰাজীৱ গান্ধী, ১৫/৮/৮৫
ভাৰতৰ প্ৰধানমন্ত্ৰী

১) শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতিৰ নিশ্চয়তা দিবলৈ নিৰ্বাচন আয়োগক অনুৰোধ কৰা হ'ব।

২) নিৰ্বাচনী নিয়মমতে সংগত হ'লে দাবী আৰু আপত্তি দাখিলৰ সময় ৩০ দিন বঢ়াই দিয়া হ'ব।

৩) কেন্দ্ৰীয় পৰ্যবেক্ষক পঠাবলৈ নিৰ্বাচন আয়োগক অনুৰোধ কৰা হ'ব।

স্বাঃ আৰ ডি প্ৰধান
গৃহ সচিব

১) অসমত তেল শোধনাগাৰ স্থাপন কৰা হ'ব।

২) কেন্দ্ৰীয় চৰকাৰে—

০১) অশোক কাগজ কল

০২) মৰাপাট কল

৩) অসমত আই আই টি স্থাপন কৰিব।

স্বাঃ আৰ ডি প্ৰধান
গৃহ সচিব

সদৌ অসম ছাত্ৰ সন্থাৰ তিনি-চাৰিজন নেতাৰ বাহিৰে সকলোৱে ধৰিব পাৰিছিল যে এইখন বিজয়ৰ অসম চুক্তি নাছিল, বৰঞ্চ সেইখন আছিল প্ৰৱঞ্চনাৰ দলিল। ভাৰত চৰকাৰে ১৯৬৬ ৰ সময়সীমা দিয়াৰ পিচত আকৌ ১৯৭১তে গোঁজপুতি লোৱাত এই কথা প্ৰতিপন্ন হৈছিল। ইয়াৰ বাহিৰেও এই চুক্তিৰ দ্বাৰা আই এম ডি টি আইনখন মানি লোৱা হ'ল।

দৰাচলতে অসম চুক্তি কৰিবলৈ এক বিয়াগোম দল গৈছিল যদিও আছুৰ চাৰি-পাঁচজনেহে আলোচনা কৰিছিল আৰু সেই ১৪ আগষ্টৰ

লোক পৰিষদলৈ একত্ৰীকৰণৰ প্ৰস্তাৱ আগবঢ়ায়।

৮ ফেব্ৰুৱাৰী : বিহপুৰীয়াৰ শ্ৰীশ্ৰীমাধৱদেৱ ক্ষেত্ৰত অসম সাহিত্য সভাৰ একপঞ্চাশতম অধিৱেশনৰ আৰম্ভণি। এই অধিৱেশনৰ সভাপতি বিশিষ্ট সাহিত্যিক যোগেশ দাস।

১১ ফেব্ৰুৱাৰী : ৰাজ্য চৰকাৰে এক জাননীযোগে উত্তৰ-পূব পৰিষদৰ সৌজন্যত স্থাপন কৰা গুৱাহাটী মেডিকেল কলেজৰ বি ডি এছ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত ডেণ্টেল উইংটোক এখন আঞ্চলিক দন্ত্য চিকিৎসা মহাবিদ্যালয় হিচাপে ঘোষণা কৰে।

২০ ফেব্ৰুৱাৰী : আজগৰ আলী আহমেদৰ নেতৃত্বত সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাৰ ৫জনীয়া এটা সঁজাতী দলে কেন্দ্ৰীয় গৃহ মন্ত্ৰী এছ বি চৱনক সাক্ষাৎ কৰে। আইন মন্ত্ৰী অশোক সেন আৰু উপ-নিৰ্বাচন আয়ুক্ত ভি ৰামকৃষ্ণণকো লগ ধৰে আৰু দলটোৱে অসম সমস্যা সমাধানাৰ্থে ১৯৭১ চনৰ আগৰ ভিত্তি বছৰ নিৰ্ধাৰণ কৰাৰ বাতৰিৰ প্ৰতিবাদ জনায়। নিৰ্বাচন আয়োগে ইচ্ছুক ভোটাৰসকল অসমত স্বীকৃত অধিবাসী হয় নে নহয় তাক ঠাৱৰ কৰিবলৈ পুলিচৰ সাহায্য লোৱা হ'ব বুলি আৰু ১৯৭১ চনৰ জানুৱাৰী আৰু মাৰ্চৰ ভিতৰত ৰাজ্যখনত তেওঁলোকে বাস কৰিছিল নে নাই তাক ঠাৱৰ কৰাৰ উপৰি তেওঁলোকৰ জন্ম তাৰিখ আৰু বৃত্তি, ভোটাৰ তালিকা সংশোধনৰ বাবে বিবেচনা কৰাৰ কথা সঁজাতী দলটোৰ আগত স্পষ্টভাৱে প্ৰকাশ কৰে।

- অসম জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চলীয় লোক পৰিষদৰ দ্বাৰা গঠিত আঞ্চলিক গণমৰ্চাৰ বৈঠকত দুয়োটা আঞ্চলিক দল একত্ৰিত হোৱাৰ বাবে নীতিগতভাৱে সন্মতি প্ৰকাশ কৰে। অসম জাতীয়তাবাদী দলৰ কেন্দ্ৰীয় কাৰ্যালয়ত বহা গণমৰ্চাৰ এই বৈঠকত সভাপতিত্ব কৰে অসম জাতীয়তাবাদী দলৰ সভাপতি বিনোদ গোস্বামীয়ে।

৯ মাৰ্চ : ভৈয়াম জনজাতি পৰিষদে (PTCA) ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে উদয়াচল নামেৰে এখন জনজাতীয় ৰাজ্যৰ দাবী উত্থাপন কৰে।

নাটকীয় ঘণ্টাবোৰত আলোচনাৰ দলটোৰ বেছিভাগেই ধৰিব পৰা নাছিল আলোচনাৰ টেবুলত কি হৈ আছে।

সকলোতকৈ প্ৰথমে বিৰোধ কৰিছিল আলোচনাৰ দলতে থকা পূৰ্বাঞ্চলীয় লোক পৰিষদৰ দুই নেতা পবীন্দ্ৰ ডেকা আৰু থানেশ্বৰ বড়োৱে। ১৬ আগষ্টৰ দিনা তেওঁলোকে প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে নিজৰ স্থিতি প্ৰকাশ কৰিছিল আৰু আলোচনাৰ মূল দলক দিল্লীত এৰি থৈ গুৱাহাটী অভিমুখী ৰে'লত উঠিছিল। সেইখিনি সময়ত আন্দোলনৰ ইমান দুৰৱস্থা হৈছিলগৈ যে আছুৰ নেতৃত্বই যিকোনো প্ৰকাৰে চুক্তিত চহী কৰিবৰ কাৰণে ব্যাকুল হৈ পৰিছিল।

কিন্তু আছুৰ নেতৃবৃন্দই গুৱাহাটীলৈ ঘূৰি আহি অসমবাসীৰ সন্মুখীন হ'বলৈ সাহ কৰিব পৰা নাছিল। অৱশেষত ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যৰ নেতৃত্বত সদৌ গুৱাহাটী ছাত্ৰ সন্থাই ২১ আগষ্টৰ দিনা দিয়া ৰাজহুৱা অভিনন্দনৰ যোগেৰেহে অসম চুক্তিৰ পিনে জনসমৰ্থন ঘূৰাবলৈ সক্ষম হয়।

কিন্তু সাধাৰণ মানুহে নুবুজিলেও বুজিব লগা মহলত সকলোৱে বুজিছিল যে এইখন চুক্তিৰ কাৰণে ৮৫৫জন শ্বহীদে ছটা বছৰত নিজৰ জীৱন আহুতি দিয়া নাছিল।

অসম চুক্তিখনক সবাতোকৈ প্ৰথমে নাকচ কৰিলে পূৰ্বাঞ্চলীয় লোক পৰিষদে।

চুক্তিখনৰ ওপৰত ছাত্ৰ সন্থাৰ যিটো ক্ষুদ্ৰ দলে গণ সংগ্ৰাম পৰিষদৰ বিৰাজ শৰ্মাক লৈ আগতীয়াকৈ দিল্লীলৈ গৈছিল তেওঁলোকেহে খৰচী মাৰি আলচ কৰিব পাৰিছিল। বি এছ এফ কেণ্টিনত যিখন যুটীয়া বৈঠক বহিছিল সেইখন আনুষ্ঠানিক বৈঠক হোৱা নাছিল আৰু সদস্যসকলেও অভিমত দিয়াৰ প্ৰকৃত সুযোগ পোৱা নাছিল।

ইতিমধ্যে প্ৰস্তুত কৰি লোৱা খচৰা চুক্তিখনৰ সন্দৰ্ভতহে যে আলোচনা হৈছিল তাক মাথোঁ ক্ষুদ্ৰ দলটোৱেহে জানিছিল। তাৎপৰ্যপূৰ্ণ

১২ মার্চ : ৰাজ্যৰ ৫১খন মহাবিদ্যালয়ৰ নিৰ্বাচিত প্ৰতিনিধিক লৈ গুৱাহাটীত আয়োজিত এখন অভিৱৰ্তনত এটা নতুন ছাত্ৰ সংস্থা গঠন কৰা হয়। এই সংস্থাটোৰ নাম দিয়া হয় 'সদৌ অসম নিৰ্বাচিত ছাত্ৰ প্ৰতিনিধি সংস্থা'। যোৰহাট জে বি কলেজৰ সাধাৰণ সম্পাদক দুদু দত্তক সভাপতি হিচাপে লৈ এই অভিৱৰ্তনে ১২জনীয়া এখন তদৰ্থ কমিটী গঠন কৰে।

২৪ মার্চ : গুৱাহাটীত দূৰদৰ্শনৰ স্থানীয় অনুষ্ঠান প্ৰযোজনা কেন্দ্ৰ কেন্দ্ৰীয় তথ্য আৰু অনাতাঁৰ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ভি এন গেদগিলে উদ্বোধন কৰে।

১ এপ্ৰিল : গুৱাহাটীত থকা ডাঃ ভুৱনেশ্বৰ বৰুৱা কেন্সাৰ প্ৰতিষ্ঠানটোৰ পৰিচালনাৰ দায়িত্ব ৰাজ্য চৰকাৰে গ্ৰহণ কৰে।

২ এপ্ৰিল : কেন্দ্ৰীয় গৃহ মন্ত্ৰী এছ বি চৱনে সদৌ অসম ছাত্ৰ সন্থাৰ এটা সাঁজাতী দলক কয় যে বিদেশী সমস্যা সমাধান নোহোৱালৈকে অসমত নিৰ্বাচন জাপি দিয়া নহয়।

- মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই কয় যে বিদেশী সমস্যা সমাধানৰ এটা নিৰ্ভৰযোগ্য সূত্ৰ বিচৰা হ'ব।

৮ এপ্ৰিল : গৃহ সচিব আৰ ডি প্ৰধানে সদৌ অসম ছাত্ৰ সন্থাৰ লগত বিদেশী সমস্যা সন্দৰ্ভত আলোচনা কৰে।

১৪ এপ্ৰিল : অসমৰ প্ৰবীণ নাট্যকাৰ, মঞ্চ আৰু চলচ্চিত্ৰৰ বলিষ্ঠ অভিনেতা আৰু সু-পৰিচালক প্ৰবীণ ফুকনৰ ৭১ বছৰ বয়সত মৃত্যু।

১৫ এপ্ৰিল : ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো জিলা পৰ্যায়ৰ কাৰ্যালয় আৰু আদালতত কেৱল অসমীয়া ভাষা ব্যৱহাৰৰ নিৰ্দেশ অসম চৰকাৰৰ। কোকৰাঝাৰ আৰু ওদালগুৰিৰ বড়ো অধ্যুষিত অঞ্চলত বড়ো ভাষাক ৰাজ্যিক ভাষাৰ সহযোগী ভাষা হিচাপে ব্যৱহাৰ কৰিবলৈ চৰকাৰৰ নিৰ্দেশ। কাৰ্বি আংলঙত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষা ব্যৱহাৰৰ নিৰ্দেশ।

২৪ এপ্ৰিল : অসম আন্দোলনৰ নেতৃবৃন্দক কেন্দ্ৰৰ ৬ মে'ৰ আলোচনালৈ আমন্ত্ৰণ।

২৫ এপ্ৰিল : অসমৰ ভোটাৰ তালিকা সংশোধনৰ কাম অসম্পূৰ্ণ বুলি নিৰ্বাচন

কথাটো হ'ল এই আলোচনাত আই এম ডি টি সম্পৰ্কে কোনোধৰণৰ আলচ হোৱা নাছিল।

হিতেশ্বৰ শইকীয়াৰ অপসাৰণ আৰু নিৰ্বাচনৰ জৰিয়তে চৰকাৰত অধিষ্ঠিত হোৱা— সেই আকাংক্ষা লৈয়ে তেওঁলোকে ২০ আগষ্টলৈ নতুন দিল্লীতে থাকিল। পৰৱৰ্তী চৰকাৰ গঠনৰ ব্লু-প্ৰিণ্ট মোটামুটিভাৱে সেইখিনি সময়তে ৰচনা কৰা হ'ল। ২১ আগষ্টত তেওঁলোক গুৱাহাটী পালেহি। ছবছৰীয়া আন্দোলনৰ সফল সমাপ্তিৰ আনন্দত হাজাৰ হাজাৰ জনতাই দলটোক উষ্ম অভিনন্দন জনাই বৰঝাৰ বিমানবন্দৰৰ পৰা আদৰি আনিলে। অসম চুক্তিৰ জৰিয়তে ঐতিহাসিক আন্দোলনৰ সমাপ্তি ঘটিল। আৰম্ভ হ'ল অসমৰ আঞ্চলিক ৰাজনীতিৰ এক নতুন পৰিক্ৰমা।

আয়োগৰ স্বীকাৰ।

৩০ এপ্ৰিল : চি পি আয়ে দিল্লীত কেন্দ্ৰীয় চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা আৰম্ভ হোৱাৰ আগতে সকলো ৰাজনৈতিক দলৰ এখন ঘূৰণীয়া মেজমেল হোৱাটো উচিত বুলি মত প্ৰকাশ কৰে।

২ মে' : সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দই ভাৰতৰ নিৰ্বাচন আয়োগে কৰা ভোটাৰ তালিকাৰ সংশোধনী প্ৰক্ৰিয়াত অসন্তুষ্টি প্ৰকাশ কৰি ২০.১২.১৯৮৪ তাৰিখে ভাৰতৰ মুখ্য নিৰ্বাচন আয়ুক্তৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰখনৰ কথা পুনৰ উল্লেখ কৰি প্ৰস্তাৱিত পৰামৰ্শসমূহ আগবঢ়ায়। এই পৰামৰ্শসমূহৰ দ্বাৰা (১) ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, (২) ১৯৭১ চনৰ পূৰ্বৰ সকলো ভোটাৰ তালিকা, (৩) পি আই পি আঁচনিৰ অন্তৰ্গত চিনাক্ত অভাৰতীয়ৰ তালিকা, (৪) চৰকাৰে সংস্থাপিত কৰা লোকৰ তালিকা, (৫) ১৯৭১ চনত ভাৰতত প্ৰৱেশ কৰা প্ৰায় দহ লাখ অভাৰতীয়ৰ তালিকা, (৬) ১৯৫১ চনৰ পৰা নাগৰিকত্ব প্ৰদান কৰা লোকৰ তালিকা, (৭) বৈধ পাৰপত্ৰসহকাৰে অসমত প্ৰৱেশ কৰি অবৈধভাৱে থাকি যোৱা অভাৰতীয়ৰ তালিকা, (৮) পশ্চিম বংগ আৰু ত্ৰিপুৰা চৰকাৰে নাগৰিকত্ব প্ৰদান কৰা লোকৰ তালিকা ইত্যাদি ব্যৱহাৰ কৰিবলৈ দাবী উত্থাপন কৰে।

৭ মে' : আন্দোলনৰ নেতৃবৰ্গৰ সৈতে চৰকাৰী পৰ্যায়ৰ আলোচনা আৰম্ভ। ৰাজীৱ গান্ধীয়ে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিচত এয়াই প্ৰথম পৰ্যায়ৰ আলোচনা। বৈঠকত নেতৃবৃন্দই সময়সীমা ১৯৬১ চনৰ পিচলৈকে আগুৱাই দিয়াত সন্মত হয় আৰু ১৯৭১ চনৰ আগত অহাসকলক ৰাজ্যত থাকিবলৈ অনুমতি দিয়াত একমত হয়।

৮ মে' : বিদেশী নাগৰিকৰ প্ৰশ্নটোৰ মীমাংসা কৰাৰ আলোচনাত ১৯৬৫ চনৰ পৰা ১৯৭১ চনলৈকে অনুপ্ৰৱেশ কৰা লোকসকলৰ ভৱিষ্যৎ সম্পৰ্কে আলোচনা কৰা হয়।

৯ মে' : গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যখনত চলিত সময়ছোৱাত পুলিচে

অসম গণ পৰিষদ

সন্দেহ নাই যে অসম আন্দোলনৰে পৰিণতি অসম গণ পৰিষদ। কিন্তু সকলোৰে ভবাৰ নিচিনাকৈ গোলাঘাটত ১৯৮৫ চনত জন্ম হোৱাৰ বহু আগতেই দৰাচলতে অসমত অসম আন্দোলনৰ দ্বাৰা গঢ় লৈ উঠা জাতীয়তাবাদী শক্তিটোক এচামে এক ৰাজনৈতিক শক্তিলৈ ৰূপান্তৰিত কৰিবলৈ চিন্তা-চৰ্চা কৰিছিল।

এই চিন্তা আছিল অৱধাৰিত। সকলোৰে বুজিছিল যে অসমক এক শক্তিশালী আঞ্চলিক ৰাজনৈতিক দল লাগে আৰু অসম আন্দোলনে সেই সুবিধা কৰি দিছিল।

দৰাচলতে তাৰো আগতে জনতা পাৰ্টীয়ে ১৯৭৭ চনত কেন্দ্ৰত চৰকাৰ গঠন কৰাৰ

জেৰা কৰাৰ উদ্দেশ্যে নাইবা তেনে ঠাইত শিবিৰ পতাৰ উদ্দেশ্যে অসমৰ শিক্ষানুষ্ঠান, গিৰ্জা বা উপাসনাৰ অন্যান্য স্থানত সশস্ত্ৰ বাহিনী প্ৰৱেশ কৰিব নোৱৰাৰ এক ৰায় প্ৰদান কৰে। উল্লেখযোগ্য যে এই বিষয় সন্দৰ্ভত অসমৰ মুক্তিযুঁজাৰুসকলে গুৱাহাটী উচ্চ ন্যায়ালয়ত এক ৰিট আবেদন দাখিল কৰিছিল।

৪ জুন ঃ ৱ'খা জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীত নাগালেণ্ড আৰু অসমৰ পুলিচৰ মাজত গুলীয়াগুলি। মেৰাপানী অঞ্চলত নগা লোক আৰু নাগালেণ্ডৰ পুলিচে মেৰাপানীৰ সীমান্ত চকী জ্বলাই আৰু কেউপিনে বোমা নিক্ষেপ কৰে।

৬ জুন ঃ বিগত দুটা দিনত অসম-নাগালেণ্ড সীমান্তৰ মেৰাপানীৰ অসম আৰু নাগালেণ্ড পুলিচৰ মাজত হোৱা গুলীয়াগুলিত অসম পুলিচৰ কেইবাজনো নিহত আৰু বহুসংখ্যক লোক আহত হয়।

● মেৰাপানীত উত্তেজনা শাম কটাবলৈ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী এছ চি জমিৰৰ মাজত ডিমাপুৰত প্ৰথমলানি আলোচনা।

৭ জুন ঃ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই গুৱাহাটীৰ চানমাৰিত আনন্দৰাম বৰুৱা সেতুৰ আধাৰশিলা স্থাপন কৰে।

● কেন্দ্ৰৰ নিৰ্দেশত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী এছ চি জমিৰৰ ইম্ফলত পুনৰ আলোচনা। মধ্যস্থতাকাৰী হিচাপে থাকে নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক এ কে এণ্টনী।

১০ জুন ঃ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী এছ চি জমিৰে মেৰাপানীত ইম্ফল চুক্তিৰ কাৰ্যকাৰিতাৰ বিষয়ে আলোচনা কৰে। কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী ৰামদুলাৰী সিংহ আৰু মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই উচ্চপদস্থ অসামৰিক আৰু আৰক্ষী বিষয়াক লৈ বিবদমান মেৰাপানী অঞ্চল পৰিদৰ্শন কৰে।

১৮ জুন ঃ অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে নতুন দিল্লীত গৃহ মন্ত্ৰী এছ বি চৱনক সাক্ষাৎ কৰে।

৩০ জুন ঃ গুৱাহাটী আৰু দিল্লীৰ

সময়ৰে পৰা জাতীয়তাবাদী শক্তিবোৰে অসমৰ ৰাজনৈতিক আকাশত লাহে লাহে মূৰ তুলিবলৈ আৰম্ভ কৰিছিল। একে সময়তে দুটাকৈ জাতীয়তাবাদী আঞ্চলিক দলে অসমত আত্মপ্ৰকাশ কৰে। প্ৰথমটো অসম জাতীয়তাবাদী দল আৰু আনটো পূৰ্বাঞ্চলীয় লোক পৰিষদ।

প্ৰথম আত্মপ্ৰকাশ কৰে ১৯৭৭ চনত অসম জাতীয়তাবাদী দলে। এই আঞ্চলিক ৰাজনৈতিক দল গঠনৰ বাবে মূল উদ্যোগ লোৱা ব্যক্তিজন আছিল ড° নেচাৰ আহমেদ। তেওঁৰ লগত আছিল মীৰ মুকিব, কালীৰাম চৌধুৰী, সুনীল ৰাজা আৰু অজিত বেজ। পিচত লগ লাগিছিল মলয় বৰুৱা, মুকুল বৰকটকী আৰু অৰূপ বৰদলৈ।

১৯৭৭ চনৰ পাঁচ জুলাইত জন্ম হৈছিল অসম জাতীয়তাবাদী দলৰ। ডেৰ মাহৰ পিচত ৰাজনৈতিক অভিৱৰ্তনেৰে দলটোৱে পূৰ্ণাংগ ৰূপে আত্মপ্ৰকাশ কৰিছিল।

কিন্তু দলীয় তৎপৰতা বেছি আগবঢ়াৰ আগতেই ১৯৭৮ চনৰ নিৰ্বাচনত যোগ দিব নে নাই তাকে লৈ দলটো দুভাগত ভাগ হৈ পৰে। ড° নেচাৰ আহমেদৰ নেতৃত্বৰ ফৈদটোৱে নিৰ্বাচন খেলিব বিচৰা নাছিল; কিন্তু আনটো ফৈদৰ নেতা নগেন হাজৰিকা নিৰ্বাচন খেলিবলৈ হৈ পৰিছিল বদ্ধপৰিকৰ।

নিৰ্বাচনত কিন্তু অসম জাতীয়তাবাদী দলে গা কৰিব নোৱাৰিলে। এইবাৰ নগেন হাজৰিকাক একাষৰীয়া কৰি ১৯৭৯ চনৰ ২৪-২৫ জুলাইত দলৰ নেতৃত্ব এক বিশেষ অভিৱৰ্তনৰ মাজেৰে যায়গৈ গিৰীন বৰুৱাৰ হাতলৈ।

ইতিমধ্যে অসম আন্দোলনত জাতীয়তাবাদী দলৰ দুই কাণ্ডাৰী নগেন হাজৰিকা আৰু গিৰীন বৰুৱা দলসহ জঁপিয়াই পৰিছিল আৰু অৱধাৰিতভাৱে ১৯৮৫ চনত অসম গণ পৰিষদৰ লগত বিলীন হৈ গৈছিল দুয়োটা দলেই। অৱশ্যে এটা সৰু গোটে অসম চুক্তিৰ বিৰোধিতা কৰি

মাজত ব্ৰডগজেৰে সংযোগ স্থাপন। গুৱাহাটী ৰে'ল ষ্টেচনৰ পৰা দিল্লীলৈ যোৱা প্ৰথমখন ৮৫ নামনি অসম মেইল ৰে'ল আনুষ্ঠানিকভাৱে ৰাজ্যিক মন্ত্ৰী দীপক মুৰ্মুৱে মুকলি কৰে।

৯ জুলাই ঃ মেৰাপানীত নগা লোকে অসমৰ মুঠ ১,২৬২টা পৰিয়ালৰ ঘৰ জ্বলাই দিয়ে। ইয়াৰ পিচতে দুয়ো ৰাজ্যৰ পুলিচ বাহিনীৰ মাজত দীঘলীয়া আৰু পোনপটীয়া সংঘৰ্ষ হয়।

১০ জুলাই ঃ কেন্দ্ৰীয় গৃহ সচিব আৰ ডি প্ৰধানৰ অসম আন্দোলনৰ নেতৃবৃন্দৰ লগত আলোচনা কৰিবলৈ অসম আগমন।

১৮ জুলাই ঃ অসম চৰকাৰে অসম অশান্ত অঞ্চল আইন ১৯৫৫ আৰু সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন ১৯৪৮ বাতিল কৰে।

২৮ জুলাই ঃ অসম আন্দোলনৰ নেতৃবৃন্দৰ সৈতে আলোচনা কৰিবলৈ গৃহ সচিব আৰ ডি প্ৰধান গুৱাহাটীত উপস্থিত।

২৯ জুলাই ঃ কেন্দ্ৰীয় গৃহ সচিব আৰ ডি প্ৰধান আৰু অসম আন্দোলনৰ নেতৃবৃন্দৰ মাজত আলোচনা আৰম্ভ।

৯ আগষ্ট ঃ প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত দিল্লীলৈ আছুৰ এটা সৰু দল আলোচনাৰ বাবে যায়। আলোচনা সফলভাৱে আগবাঢ়ে।

১৪ আগষ্ট ঃ আন্দোলনৰ পৰিসমাপ্তি ঘটাই চুক্তি কৰিবৰ কাৰণে ততাতৈয়াকৈ আন্দোলনৰ নেতৃবৃন্দৰ ১৮জনক দিল্লীলৈ লৈ যোৱা হ'ল। অসমৰ মুখ্য সচিব পি পি ত্ৰিবেদীও একেলগে যায়।

১৫ আগষ্ট ঃ অসম চুক্তি সম্পাদন আৰু লগে লগে অসমৰ বিদেশী নাগৰিক সম্পৰ্কত হোৱা ছবছৰীয়া আন্দোলনৰ সমিধান। নিশা এক বাজি পোন্ধৰ মিনিটত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিত অন্যান্য বিষয়ৰ লগতে ১৯৬৬ আৰু ১৯৭১ চনৰ মাজৰ কালছোৱাত ৰাজ্যখনত প্ৰৱেশ কৰা বিদেশী নাগৰিকক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰাৰ বিষয়টো আছে। চুক্তিখনত কেন্দ্ৰীয় গৃহ সচিব আৰ ডি প্ৰধান, অসমৰ মুখ্য সচিব পি পি ত্ৰিবেদী, সদৌ অসম ছাত্ৰ সন্থাৰ

দলটোক জীয়াই ৰাখিবলৈ কিছুদিনৰ কাৰণে চেষ্টা কৰিছিল।

ঠিক এনে সময়তে আন এচাম প্ৰাক্তন ছাত্ৰনেতাৰ উদ্যোগত আৰম্ভ হয় আন এক ৰাজনৈতিক কুচকাৱাজ। তেওঁলোক আছিল— অতুল বৰা, পবীন্দ্ৰ ডেকা আৰু কৃষ্ণগোপাল ভট্টাচাৰ্য।

পবীন্দ্ৰ ডেকাৰ উদ্যোগত ১৯৭৭ চনৰ ২৪ এপ্ৰিলৰ দিনা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ষ্টুডেণ্ট ডে হোমত এইচাম প্ৰাক্তন ছাত্ৰনেতাৰ এখন সভা অনুষ্ঠিত হয় যদিও কোনো নতুন দল গঠন কৰা নহ'ল।

অৱশেষত ১৯৭৭ চনৰ ১৪ আগষ্টত হেপীভিলাত কৃষ্ণগোপাল ভট্টাচাৰ্যৰ ঘৰত জন্ম হ'ল অসম লোকদল। লোকদলৰ তদৰ্থ কমিটীৰ আহ্বায়ক হিচাপে আছিল কৃষ্ণগোপাল ভট্টাচাৰ্য, অতুল বৰা আৰু পবীন্দ্ৰ ডেকা। লগত আছিল খনীন মহন্ত, প্ৰণৱ বৰা, লালন প্ৰসাদ সিং, হৰিপ্ৰসন্ন দাস আৰু দোলেন হাজৰিকা। প্ৰায় সকলোৱেই সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন নেতা।

১১ ছেপ্টেম্বৰত গুৱাহাটীৰ ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত অসম লোকদলৰ নাম সলনি হৈ হয়গৈ পূৰ্বাঞ্চলীয় লোক পৰিষদ। সভাপতি নিৰ্বাচিত হয় নিবাৰণ বৰা। উপ-সভাপতি কৃষ্ণগোপাল ভট্টাচাৰ্য আৰু কৃষ্ণপ্ৰসাদ দত্ত। সাধাৰণ সম্পাদক হ'ল অতুল বৰা, জ্ঞানেন চৌধুৰী, পবীন্দ্ৰ ডেকা, টাইমুৰ ৰহমান আৰু খনীন মহন্ত। পুলকেশ বৰুৱা, হৰিপ্ৰসন্ন দাস, বৃন্দাবন গোস্বামী আদি হৈছিল কাৰ্যনিৰ্বাহক সদস্য। সেই তেতিয়াৰ পৰা ১৯৮২ চনলৈ দলৰ সভাপতি হৈ থাকিল নিবাৰণ বৰা। কিন্তু দুৰ্ভাগ্যবশতঃ আঞ্চলিকতাবাদী ৰাজনীতিৰ আন এক বিভাজনত নিবাৰণ বৰাও আঁতৰি যাব লগা হ'ল সেই মঞ্চৰ পৰা।

ইতিমধ্যে অসম আন্দোলনে গোটেই জাতীয়তাবাদী শিবিৰটোকে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত একগোট কৰিছিল আৰু তাত পূৰ্বাঞ্চলীয় লোক পৰিষদে অন্তঃকৰণেৰে

সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকন আৰু গণ সংগ্ৰাম পৰিষদৰ হৈ বিৰাজ শৰ্মাই স্বাক্ষৰ কৰে। চুক্তি স্বাক্ষৰ কৰাৰ সময়ত ৰাজীৱ গান্ধী আৰু গৃহ মন্ত্ৰী এছ বি চৱনৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সচিব পি কে কউল আৰু সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ কাৰ্যনিৰ্বাহক সদস্যসকল উপস্থিত আছিল।

১৭ আগষ্ট ঃ কেন্দ্ৰীয় নেতৃবৃন্দৰ সৈতে আলচ কৰিবলৈ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ দিল্লী যাত্ৰা।

১৮ আগষ্ট ঃ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন সপ্তম বিধানসভা ভংগ। নিৰ্বাচন নোহোৱালৈ ১৭জন সদস্যৰে হিতেশ্বৰ শইকীয়া তত্ত্বাৱধায়ক মুখ্যমন্ত্ৰী। এই বিধানসভা ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত গঠিত হৈছিল। প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী তথা কেন্দ্ৰীয় চৰকাৰৰ লগত অসম আন্দোলনৰ নেতৃত্বৰ ৰাজনৈতিক বুজাবুজি অনুসৰি মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া নেতৃত্বাধীন সপ্তম বিধানসভা ভংগ কৰা হয়। অসম মন্ত্ৰীসভাৰ পৰামৰ্শক্ৰমে ৰাজ্যপাল ভীষ্মনাৰায়ণ সিঙে বিধানসভা ভংগ কৰি দিয়ে। মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত সোতৰজনীয়া তত্ত্বাৱধায়ক চৰকাৰে পৰৱৰ্তী কাৰ্যব্যৱস্থা গ্ৰহণ নকৰালৈকে কাৰ্যনিৰ্বাহ কৰিব। ৩৭জনীয়া মন্ত্ৰীসভাৰ ২০জন মন্ত্ৰীয়ে ৰাজ্যপালৰ ওচৰত পদত্যাগ দাখিল কৰে। হিতেশ্বৰ শইকীয়াৰ বাহিৰে আন ১৬জন মন্ত্ৰী হ'ল— কেবিনেট পৰ্যায়ৰ ঃ কেশৱ চন্দ্ৰ গগৈ, মুকুট শৰ্মা, ৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী, মহম্মদ ইদ্ৰিছ, গোবিন্দ চন্দ্ৰ লাংথাচা, সাধনৰঞ্জন সৰকাৰ, আনোৱাৰা টাইমুৰ, দীপক মুৰ্মু আৰু আব্দুল মুহিব মজুমদাৰ। ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰায় চাৰে তিনি হাজাৰ লোকৰ প্ৰাণৰ বিনিময়ত অতি অস্বাভাৱিক প্ৰক্ৰিয়াৰে অসমত নিৰ্বাচন পাতি কংগ্ৰেছ ক্ষমতালৈ আহিছিল।

২০ আগষ্ট ঃ হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত জোখতকৈও ডাঙৰ তত্ত্বাৱধায়ক চৰকাৰখন অন্ত কৰিবলৈ প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ৬জনীয়া দল এটাই প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক

জঁপিয়াই পৰিছিল।

তাৰ আগতে অসম আন্দোলন বা অসমৰ বিদেশী সমস্যাৰ এই গণ আন্দোলনৰ দুই মূল পুৰোধা হিৰণ্য ভট্টাচাৰ্য আৰু প্ৰেমকান্ত মহন্তই দুয়ো দলকে একলগ কৰিবৰ কাৰণে যৎপৰোনাস্তি চেষ্টা চলাইছিল। কিন্তু পূৰ্বাঞ্চলীয় লোক পৰিষদে ইয়াৰ প্ৰতি সঁহাৰি নজনালে। একলগ কৰা প্ৰচেষ্টাটোক অন্তঃকৰণেৰে বাধা দিয়া মানুহজনেই আছিল পবীন্দ্ৰ ডেকা।

অসম বুৰঞ্জীয়ে হিৰণ্য ভট্টাচাৰ্য আৰু প্ৰেমকান্ত মহন্তক কেতিয়াও পাহৰিব নোৱাৰিব। এই দুজন শীৰ্ষ আৰক্ষী বিষয়াই নিজৰ চাকৰি বিপন্ন কৰি হ'লেও অসমৰ বিদেশী সমস্যাটোক এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমস্যালৈ ৰূপান্তৰিত কৰিছিল। তেওঁলোকে কৰা আশাশুধীয়া প্ৰচেষ্টাৰ বলতহে আজিলৈকে অসমত বিদেশী সমস্যা এক গণচেতনাৰ বিষয় হৈ আছে। ভাৰতীয় পুলিচ সেৱাৰ বিষয়া হিৰণ্য ভট্টাচাৰ্যক আন্দোলন সমৰ্থন কৰাৰ কাৰণেই অসম পুলিচৰ পৰা বৰ্খাস্ত কৰা হৈছিল।

অৱশ্যে এয়া সত্য যে ১৯৮৩ চনত বিধানসভাৰ নিৰ্বাচন হৈ যোৱাৰ পিচৰে পৰা অসম আন্দোলন স্তিমিত হৈ পৰে। মাথোঁ আঠ শতাংশ ভোটেৰে চৰকাৰ গঠন কৰা হিতেশ্বৰ শইকীয়াৰ মন্ত্ৰীসভাক অসমত অবৈধ বুলি মানিলেও দৰাচলতে আন্দোলনৰ চোক কমি আহিছিল। ৰাজপথলৈ লাহে লাহে কমকৈ ওলাইছিল অসমৰ সাধাৰণ ৰাইজ। ১৯৮৩ৰ পিচৰ পিনে কেইবাটাও মজলীয়া ধৰণৰ বোমা বিস্ফোৰণেৰে আলফাইহে দৰাচলতে জাতীয়তাবাদী শিবিৰটোক জীপাল কৰি ৰাখিছিল।

দৰাচলতে অসম আন্দোলন সফলভাৱে সমাধা কৰি নিৰ্বাচন পাতিবলৈ ১৯৮০ চনতে সুবিধা আহিছিল যদিও ছাত্ৰ সন্থাৰ প্ৰায়কেইজন নেতা ক্ষমতালিপ্সু হৈ পৰিছিল আৰু নিৰ্বাচন খেলিব পৰা বয়স হোৱা নাই কাৰণেই অসম চুক্তিতকৈও ভাল প্ৰস্তাৱ তেওঁলোকে গ্ৰহণ কৰা নাছিল।

১৯৮০ চনৰ ২০ এপ্ৰিলত ভাৰতৰ গৃহ মন্ত্ৰী জাইল সিঙে আছুৰ

সাক্ষাৎ কৰে।

২১ আগষ্ট ঃ গুৱাহাটীত কেন্দ্ৰীয়ভাৱে চুক্তিত চহী কৰি অহা আন্দোলনকাৰী নেতৃবৃন্দক জজ খেলপথাৰত সম্বৰ্ধনা জনোৱা হয়।

২৬ আগষ্ট ঃ নিৰ্বাচন আয়োগে অসমৰ নিৰ্বাচনৰ ভোটাৰ তালিকা পুনৰ সংশোধনৰ কাৰণে আদেশ দিয়ে।

৩ ছেপ্টেম্বৰ ঃ ডিমাচা ভাষাৰ প্ৰথম কথাছবি 'দ্য আনটʼল্ড ষ্টৰী অব ব্লু হিল্‌ছ' বন্দনা ছবিঘৰত প্ৰদৰ্শন হয়। ছবিখনৰ পৰিচালক প্ৰফুল্ল শইকীয়া।

- অসম চুক্তিৰ আধাৰত অসম চৰকাৰে চাকৰিপ্ৰাপ্তিৰ বয়স তিনি বছৰৰ কাৰণে ৬ বছৰ বঢ়াই দিয়ে।

১৪ ছেপ্টেম্বৰ ঃ প্ৰখ্যাত সাহিত্যিক, সমালোচক আৰু সাংবাদিক মুনীন বৰকটকীলৈ তেওঁৰ গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম'ৰ বাবে ১৯৮৪ চনৰ অসম প্ৰকাশন পৰিষদ বঁটা ঘোষণা।

৩০ ছেপ্টেম্বৰ ঃ হিতেশ্বৰ শইকীয়াৰ নেতৃত্বত সোতৰজনীয়া তত্ত্বাৱধায়ক চৰকাৰৰ ৭জন সদস্যৰ পদত্যাগ।

৫ অক্টোবৰ ঃ অসম চুক্তি অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ ৩৬৬জন কৰ্মচাৰীৰ বিৰুদ্ধে থকা গোচৰ ত্যাগ।

- অসম চুক্তি অনুসৰি বিদেশী তালিকাত অন্তৰ্ভুক্ত হোৱা লোকসকলৰ প্ৰধান অধিকাৰসমূহ ৰক্ষা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এখন বিস্তাৰিত আইনৰ ব্যৱস্থা কৰাৰ সিদ্ধান্ত।

৬ অক্টোবৰ ঃ গুৱাহাটীৰ নাৰেংগী আৰু পানীখাইতীৰ মাজৰ এটা লেভেল ক্ৰছিঙত ৰেʼল আৰু বেচৰকাৰী যাত্ৰীবাহী বাছৰ মুখামুখি সংঘৰ্ষত ২৭জন নিহত হয়।

১৩ অক্টোবৰ ঃ অসম চুক্তিৰ পিচত গোলাঘাটত সদৌ অসম ছাত্ৰ সন্থাৰ ঐতিহাসিক জাতীয় ৰাজনৈতিক অভিৱৰ্তন আৰম্ভ হয়। স্থানীয় বাণিজ্য মহাবিদ্যালয়ত অধ্যক্ষ পোনাৰাম নেওগে প্ৰতিনিধি শিবিৰ মুকলি কৰে। বিশিষ্ট সাংবাদিক অৰুণ শৰ্মাই বাণিজ্য মহাবিদ্যালয়ত প্ৰতিনিধি অধিৱেশন উদ্বোধন কৰে। শশধৰ কাকতী আৰু কাৰ্তিক হাজৰিকা সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আৰু সভাপতি হিচাপে নিৰ্বাচিত হয়।

১৪ অক্টোবৰ ঃ অসমত নতুন

নেতৃবৃন্দৰ লগত আলোচনা কৰিবলৈ গুৱাহাটীলৈ আহে। আলোচনা হ'ল, কিন্তু ব্যৰ্থ হ'ল। পিচদিনা গৃহ মন্ত্ৰী দিল্লীলৈ উভতিব। সেই ৰাতিয়েই প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ৰাজ্যপাল লালন প্ৰসাদ সিঙৰ লগত কথা পাতি আন এটা অনানুষ্ঠানিক প্ৰস্তাৱ আগবঢ়াইছিল। সেইটো আছিল আন্দোলনকাৰীসকলে দাবী কৰা তিনিওটা 'D' অৰ্থাৎ Detection, Deletion আৰু Deportationৰ বিতাড়নৰ সময়সীমা ১৯৬৫ চনৰ ৩১ ডিচেম্বৰ হওক।

ৰাজ্যপালে মাজৰাতিয়েই হিৰণ্য ভট্টাচাৰ্যক মতাই নি আন্দোলনকাৰীসকলক প্ৰস্তাৱটো অৱগত কৰাব ক'লে। ৰাজ্যপালে জনালে যে যদি আন্দোলনকাৰী মান্তি হয় তেনেহ'লে জাইল সিঙৰ প্ৰত্যাবৰ্তন স্থগিত হ'ব আৰু চুক্তি চহী কৰিহে উভতিব।

পিচদিনা পুৱা হিৰণ্য ভট্টাচাৰ্য আৰু প্ৰেমকান্ত মহন্তই খানাপাৰাৰ ভেটেৰিনাৰী কলেজত বহা আছুৰ কাৰ্যনিৰ্বাহকত এই প্ৰস্তাৱ ৰাখিলে। ইয়াৰ আগলৈকে ইন্দিৰা গান্ধীয়ে ১৯৭১ চনৰ সময়সীমাতে গোজ পুতি বহি আছিল। কিন্তু আছুৱে সেই প্ৰস্তাৱ মানি নল'লে। প্ৰথমতে জয়নাথ শৰ্মাই বিৰোধিতা কৰিলে। তেওঁৰ মতে সময়সীমা হ'ব লাগে ১৯৫০ চনৰ ১ জানুৱাৰী। তাৰ পিচত জোঁট লগালে ভৰত চন্দ্ৰ নৰহে।

জাইল সিং ঘূৰি গ'ল। অসংখ্যজনক ঘূণীয়া কৰি, কেইবাশক শ্বহীদ কৰি ১৯৮৫ চনত সেই একেই আছুৱে কিন্তু পাঁচ বছৰৰ পিচত বিদেশী চিনাক্তকৰণৰ সময়সীমা ১৯৭১ মানি ল'লে। কাৰণ সকলোকে তেতিয়া লাগে ক্ষমতা। আৰু এই ক্ষমতা আহিব নিৰ্বাচনৰ পৰা। কিন্তু নিৰ্বাচন খেলিব পৰা বয়স তেতিয়া বেছিভাগ আছু নেতৃত্বৰে হোৱা নাছিল। গতিকে সকলো আঞ্চলিকতাবাদী শক্তিকে আন্দোলনৰ মঞ্চলৈ আনি আৱেগিকভাৱে চলাই লৈ গ'ল, অসমৰ গণ আন্দোলন, যাৰ নেতৃত্ব সদৌ অসম ছাত্ৰ সন্থাই এবাৰৰ কাৰণেও এৰি নিদিলে। ১৯৮৩ চনৰ ৰক্তাক্ত নিৰ্বাচনৰ পিচৰে পৰা তেতিয়াৰ

আঞ্চলিক ৰাজনৈতিক দল 'অসম গণ পৰিষদ' গঠিত। পৰিষদৰ মুখ্য সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত। গোলাঘাটৰ ৰাজনৈতিক অভিৱৰ্তনৰ ফলত নতুন আঞ্চলিক দল 'অসম গণ পৰিষদ' গঠন। অসম জাতীয়তাবাদী দল আৰু পূৰ্বাঞ্চলীয় লোক পৰিষদে কোনো চৰ্ত নোহোৱাকৈ নতুন দলত যোগ দিয়ে। নতুন দলৰ এখন ৰাজ্যিক কমিটী গঠন কৰা হয়। সভাপতিমণ্ডলীত ৬জন সদস্য আছে। মুখ্য সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত, সভাপতি থানেশ্বৰ বড়ো, বিনোদ গোস্বামী, বৃন্দাবন গোস্বামী, আতাউৰ ৰহমান, বীৰেন বড়ো। সাধাৰণ সম্পাদক তিনিজন ক্ৰমে ভৃগু কুমাৰ ফুকন, অতুল বৰা, বিৰাজ শৰ্মা। উপ-সভাপতি ক্ৰমে ললিত ৰাজখোৱা, প্ৰবীণ গগৈ, পবীন্দ্ৰ ডেকা, চন্দ্ৰ আৰন্ধৰা, দীনেশ্বৰ তাছা। সম্পাদক ৮জন ক্ৰমে নগেন শৰ্মা, ভৰত নৰহ, দিগেন বৰা, চন্দ্ৰ মোহন পাটোৱাৰী, খনীন্দ্ৰ মহন্ত, বলোভদ্ৰ তামুলী, নাৰায়ণ ৰয় আৰু বাৰ্কি প্ৰসাদ টেলেংগা।

৮ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ ৫২ সংখ্যক অধিৱেশনৰ বাবে কবি-সাহিত্যিক, সাংবাদিক বীৰেন বৰকটকী সভাপতি নিৰ্বাচিত হয়।

● চি পি আই (এম)ৰ সাধাৰণ সম্পাদক ই এম এছ নামবুদ্ৰিপদে সংশোধিত অসম নাগৰিকত্ব বিলখন সমালোচনা কৰে। গৃহ মন্ত্ৰী এছ বি চৱনে লোকসভাত অসম চুক্তি আৰু নাগৰিকত্ব সংশোধনী বিলখন সন্দৰ্ভত প্ৰতিবাদ সাব্যস্ত কৰে।

২১ নৱেম্বৰ ঃ কামৰূপীয়া ঢুলীয়া ভাওনাৰ খ্যাতনামা শিল্পী মোহন চন্দ্ৰ বৰ্মনলৈ (মোহন ভাৱৰীয়া নামে জনাজাত) সংগীত নাটক একাদেমী বঁটা।

৩ ডিচেম্বৰ ঃ নতুনকৈ গঠিত অসমৰ আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদে ৰাইজৰ আগত নিৰ্বাচনৰ প্ৰচাৰ অভিযান আৰম্ভ কৰে।

৭ ডিচেম্বৰ ঃ লোকসভাত উত্থাপিত নাগৰিকত্ব সংশোধনী বিলখন ৰাষ্ট্ৰপতিৰ দ্বাৰা গৃহীত হয়।

১৬ ডিচেম্বৰ ঃ অসম বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন। অসমৰ

ছাত্ৰ সন্থাৰ নেতৃবৃন্দই এক ৰাজনৈতিক শক্তিক জন্ম দি তাৰ নেতৃত্ব ল'বলৈ মনে মনে আকাংক্ষা পোষণ কৰিছিল।

সেই কাৰণেই 'জাতীয় অভিবৰ্তন' অনুষ্ঠিত কৰাৰ চিন্তা কৰিলে সদৌ অসম ছাত্ৰ সন্থা আৰু আন্দোলনৰ নেতৃবৰ্গই। ইয়াৰ উদ্দেশ্য আছিল ৰাজনৈতিক শক্তিৰ গঠন আৰু তাৰ আঁৰৰ মানুহজন আছিল বৃন্দাবন গোস্বামী। সকলোৱে বুজিছিল যে এক আঞ্চলিক ৰাজনৈতিক শক্তিৰ বাহিৰে অসমৰ স্বাৰ্থ পূৰণ নহ'ব।

আন্দোলনৰ নেতৃত্বত আৰম্ভণিতে বৃন্দাবন গোস্বামী জড়িত নাছিল যদিও জাতীয় অভিবৰ্তনৰ মাজেৰে তেওঁ আন্দোলনৰ নেতৃবৃন্দৰ মাজত সোমাই পৰিল আৰু পিচলৈ হৈ পৰিল আন্দোলনৰ এক মূল চালিকাশক্তি।

১৯৮৪ চনৰ নৱেম্বৰ মাহত যোৰহাট কৃষি বিশ্ববিদ্যালয় চৌহদত হৈছিল এই জাতীয় অভিবৰ্তন। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল কুমাৰ মহন্তৰ পৌৰোহিত্যত হোৱা এই অভিবৰ্তনৰ মূল ৰাজনৈতিক প্ৰস্তাৱ আছিল— অসমৰ বিভিন্ন জনগোষ্ঠীৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক আশা-আকাংক্ষাক প্ৰতিফলিত কৰি অসমবাসীক আঞ্চলিক ৰাজনৈতিক সত্তাৰে গঢ়ি তোলাৰ সময় আহি পৰিছে। সেয়ে পৰৱৰ্তী সময়ত এখন জাতীয় ৰাজনৈতিক অভিবৰ্তন অনুষ্ঠিত কৰাৰ বাবে এখন প্ৰস্তুতি সমিতি গঠন কৰাটো প্ৰয়োজনীয়।

অৰ্থাৎ মূল অভিবৰ্তন অনুষ্ঠিত কৰাৰ আগতে সেইখন আছিল প্ৰস্তুতি অভিবৰ্তন। অভিবৰ্তনে ৰাজনৈতিক প্ৰস্তাৱটো গ্ৰহণ কৰি এঘাৰজনীয়া এখন প্ৰস্তুতি সমিতি গঠন কৰিছিল। সমিতিৰ আহ্বায়ক আছিল বৃন্দাবন গোস্বামী আৰু দীনেশ্বৰ তাছা। এই সমিতিত আছিল গুণীন হাজৰিকা, মায়াৰাম কছাৰী, আনোৱাৰা মনচুৰ, কামাখ্যাচৰণ চৌধুৰী, অধিবক্তা অতুল বৰা, নগেন গগৈ, ফণী টামুং আৰু বীৰেন চন্দ্ৰ বড়ো।

ঐতিহাসিক নিৰ্বাচনত ৭৫ শতাংশৰ পৰা ৮০ শতাংশ ভোটাৰে ভোটদান কৰে। অসমৰ নিৰ্বাচনত এই হাৰত ভোট দিয়া এয়ে প্ৰথম আৰু অভূতপূৰ্ব বুলি কোৱা হৈছে।

২০ ডিচেম্বৰ ঃ অসমৰ নতুন আঞ্চলিক ৰাজনৈতিক দল অসম গণ পৰিষদে নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা অৰ্জন কৰে।

২১ ডিচেম্বৰ ঃ অসমৰ নিৰ্বাচনত আঞ্চলিক দল হিচাপে আৱিৰ্ভাৱ হৈ অসম গণ পৰিষদে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰে। মুঠ ১২৬খন আসনৰ ১২৫খন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। তাৰে অসম গণ পৰিষদে লাভ কৰে ৬০খন, কংগ্ৰেছ (ই)-এ ২৫খন, সংযুক্ত সংখ্যালঘু মৰ্চাই ১৭খন, কংগ্ৰেছ (এছ)-এ ৪খন, চি পি এমে ২খন, পি টি চিয়ে ৩খন আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে ১৪খন আসন লাভ কৰে। লোকসভাৰ চৈধ্যখন আসনৰ অসম গণ পৰিষদে ৭খন লাভ কৰে। এই আসনকেইখন হ'ল— গুৱাহাটী, বৰপেটা, মঙলদৈ, নগাঁও, কলিয়াবৰ, যোৰহাট আৰু লখিমপুৰ। এই আসনকেইখনত জয়ী হোৱা প্ৰাৰ্থীসকল হ'ল— ক্ৰমে সৰ্বশ্ৰী দীনেশ চন্দ্ৰ গোস্বামী, আতাউৰ ৰহমান, চাইফুদ্দিন আহমেদ, মুহিৰাম শইকীয়া, ভদ্ৰেশ্বৰ তাঁতী, পৰাগ চলিহা আৰু গকুল শইকীয়া।

২২ ডিচেম্বৰ ঃ ছবছৰীয়া ঐতিহাসিক অসম আন্দোলনৰ নেতা আৰু অসম গণ পৰিষদৰ মুখ্য সভাপতি ৩২ বছৰীয়া প্ৰফুল্ল কুমাৰ মহন্তক ৰাজ্যপাল ভীষ্মনাৰায়ণ সিঙে সাংবিধানিক ব্যৱস্থা অনুযায়ী মুখ্যমন্ত্ৰী নিযুক্ত কৰে।

২৪ ডিচেম্বৰ ঃ অসমৰ প্ৰথম আঞ্চলিক দল অসম গণ পৰিষদৰ চৰকাৰ গঠন। অসম গণ পৰিষদে ৩৫ বছৰীয়া কংগ্ৰেছৰ শাসন ওফৰাই চৰকাৰ গঠন কৰে। অসমৰ স্বৰাজোত্তৰ কালৰ ৰাজনৈতিক ইতিহাসত এটা আঞ্চলিক দলে চৰকাৰ গঠন কৰাটো এয়ে প্ৰথম।

মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন ২১জনীয়া অসম গণ পৰিষদ মন্ত্ৰীসভাৰ শপত গ্ৰহণ।

তাৰ পিচত আহিল অসম চুক্তি। ক্ষমতাৰ গোন্ধ পাবলৈ আৰম্ভ কৰা আন্দোলনৰ নেতৃবৃন্দই মানি ল'লে এক অশুদ্ধ অসম চুক্তি। অসম আন্দোলনৰ একাংশৰ কাৰণে ই এক প্ৰতাৰণাৰ দলিল। পূৰ্বাঞ্চলীয় লোক পৰিষদে তাক বিৰোধিতা কৰিলে আৰু চুক্তিত চহী নকৰি ৰে'লেৰে অসমলৈ ঘূৰি আহিল। কিন্তু বাকীসকলে মানি ল'লে। সকলোকে লাগে তেতিয়া ক্ষমতা।

অসম চুক্তিৰেই পৰিণতি হিচাপে ১৯৮৫ চনৰ ১৩ আৰু ১৪ অক্টোবৰত গোলাঘাট চহৰত অনুষ্ঠিত হ'ল ৰাজনৈতিক অভিবৰ্তন। উদ্দেশ্য এক সুসংগঠিত আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম।

১৯৮৪ চনৰ নৱেম্বৰ মাহত যোৰহাটত অনুষ্ঠিত অভিবৰ্তনত মনোনীত হোৱা দুই আহ্বায়ক বৃন্দাবন গোস্বামী আৰু দীনেশ্বৰ তাছাই নেতৃত্ব ল'লে এই অভিবৰ্তনৰ। অৱশ্যে সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগতে অনুষ্ঠিত হৈছিল এই অভিবৰ্তন আৰু তেওঁলোকে নিজৰ মাজতেই ভগাই ল'লে তেওঁলোকৰ নেতৃত্ব।

এই অভিবৰ্তনত সকলোতকৈ সক্ৰিয় আছিল বৃন্দাবন গোস্বামী। অসম জাতীয়তাবাদী দল, পূৰ্বাঞ্চলীয় লোক পৰিষদ, সদৌ অসম গণ সংগ্ৰাম পৰিষদ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ জিলাভিত্তিক নেতৃবৃন্দক আমন্ত্ৰণ কৰা হৈছিল এই অভিবৰ্তনলৈ। বিভিন্ন জনগোষ্ঠীয় সংগঠন আৰু ৰাজনৈতিক দলসমূহকো আমন্ত্ৰণ কৰা হৈছিল এই অভিবৰ্তনলৈ।

আঞ্চলিক মঞ্চ সুসংহত কৰাৰ বাবে গোলাঘাটৰ অভিবৰ্তন আহ্বান কৰা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছিল যদিও কাৰো বুজিবলৈ বাকী নাছিল যে এক আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম হ'বলৈ গৈ আছে।

পূৰ্বাঞ্চলীয় লোক পৰিষদ আৰু অসম জাতীয়তাবাদী দলৰ একাংশৰ কিছু আপত্তি থাকিলেও সৰহসংখ্যকৰ হেঁচাত দুয়োটা দলকে চামিল কৰি আন্দোলনৰ যোগেদি জাতীয় সত্তাক ধৰি ৰখা লোকসকলৰ চেষ্টাত জন্ম

গুৱাহাটী নেহৰু ষ্টেডিয়ামত বিপুলসংখ্যক দৰ্শকৰ সন্মুখত ৰাজ্যপাল ভীষ্মনাৰায়ণ সিঙে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকন প্ৰমুখ্যে ১৪জন কেবিনেট মন্ত্ৰীক এজন এজনকৈ কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰায়। ৰাজ্য পৰ্যায়ৰ সাতোজন মন্ত্ৰীয়ে একেলগে শপত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ উপৰি শপত লোৱা কেবিনেট আৰু ৰাজ্য পৰ্যায়ৰ মন্ত্ৰীসকল হ'ল— সৰ্বশ্ৰী ভৃগু কুমাৰ ফুকন, ললিত চন্দ্ৰ ৰাজখোৱা, অতুল বৰা, বৃন্দাবন গোস্বামী, থানেশ্বৰ বড়ো, ভৰত নৰহ, সুৰেন মেধি, নগেন শৰ্মা, দিগেন বৰা, ছহিদুল আলম চৌধুৰী, বাৰ্কিপ্ৰসাদ টেলেংগা, নীলমণি দাস আৰু চন্দ্ৰ আৰন্ধৰা। ৰাজ্যিক পৰ্যায়ৰসকল হ'ল— প্ৰদীপ গগৈ, ৰেখাৰাণী দাস বড়ো, দীপেন তাঁতী, অনিৰুদ্ধ সিংহ চৌধুৰী, পদ্মেশ্বৰ দলে, যতীন মালী আৰু মতি দাস।

২৮ ডিচেম্বৰ ঃ ৫জন নিৰ্দলীয় এম এল এৰ অসম গণ পৰিষদত যোগদান।

৩১ ডিচেম্বৰ ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই কলিয়াবৰ সমষ্টি পৰিত্যাগ কৰে।

হ'ল অসম গণ পৰিষদ। জাতীয়তাবাদী দলৰ অৰূপ বৰদলৈ আৰু দিলীপেশ্বৰ বৰবৰা আঁতৰি থাকিল।

নতুন দলৰ সভাপতি হ'বলৈ ইচ্ছা আছিল বৃন্দাবন গোস্বামীৰ। কিন্তু সেয়া হৈ নুঠিলগৈ। অভিৱৰ্তনে সভাপতি পাতিলে প্ৰফুল্ল কুমাৰ মহন্তক। তাক বিৰোধিতা কৰিলে পূৰ্বাঞ্চলীয় লোক পৰিষদৰ হৈ অতুল বৰাই।

সেয়েহে বহু আলোচনা-বিলোচনাৰ অন্তত অভিৱৰ্তনত গঠিত হৈছিল সভাপতিমণ্ডলী। প্ৰফুল্ল কুমাৰ মহন্তৰ লগত সভাপতিমণ্ডলীত আছিল বৃন্দাবন গোস্বামী, পূৰ্বাঞ্চলীয় লোক পৰিষদৰ হৈ থানেশ্বৰ বড়ো আৰু অসম জাতীয়তাবাদী দলৰ বিনোদ গোস্বামী আৰু বীৰেন বড়ো। অৱশ্যে পৰৱৰ্তী সময়ত সভাপতিমণ্ডলীৰ পৰা গৈ প্ৰফুল্ল কুমাৰ মহন্ত মুখ্য সভাপতি হৈছিলগৈ।

ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকন আৰু গণ সংগ্ৰাম পৰিষদৰ আহ্বায়ক অতুল বৰাক দলৰ সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰিছিল। লগত থাকিল অসম জাতীয়তাবাদী দলৰ বিৰাজ কুমাৰ শৰ্মা।

পি টি চি এ, কাৰ্বি আংলং পিপল্‌ছ কনফাৰেঞ্চ আৰু কাছাৰ জনগোষ্ঠীয় ফ'ৰামে অসম গণ পৰিষদ দলৰ লগত চামিল নহ'লেও পূৰ্ণ নৈতিক সমৰ্থন আগবঢ়াইছিল।

অসম গণ পৰিষদৰ মূল লক্ষ্য আছিল—

(১) সামাজিক নিৰাপত্তা, অৰ্থনৈতিক উন্নতিৰ এখন প্ৰগতিশীল আৰু সুষম সমাজ গঠন কৰা।

(২) ৰাজ্যৰ কাৰণে ফেডাৰেল চৰকাৰৰ আঁচনিৰ ভিত্তিত অধিক ক্ষমতা আহৰণ।

(৩) ৰাজ্যখনৰ প্ৰাকৃতিক সা-সম্পদৰ ওপৰত পূৰ্ণ অধিকাৰ।

(৪) অসমৰ সকলো বননিক সুৰক্ষা প্ৰদান কৰা আৰু পতিত মাটিত খেতি কৰা।

১৯৮৬

৪ জানুৱাৰী : অসম চৰকাৰে সকলো জিলাৰ উপায়ুক্তক ইতিমধ্যে বাজেয়াপ্ত কৰা অনুমতি থকা আগ্নেয়াস্ত্ৰবোৰ পুনৰ গৰাকীক ঘূৰাই দিবলৈ নিৰ্দেশ দিয়ে।

৮ জানুৱাৰী : এছ চি সিংহই সাময়িক অধ্যক্ষ হিচাপে ৰাজভৱনত ৰাজ্যপাল ভীষ্মনাৰায়ণ সিঙৰ আগত শপত গ্ৰহণ কৰে।

৯ জানুৱাৰী : পুলকেশ বৰুৱা সৰ্বসন্মতিক্ৰমে অসম বিধানসভাৰ অধ্যক্ষ নিৰ্বাচিত হয়।

- অষ্টম অসম বিধানসভাৰ ১২২জন সদস্যৰ শপত গ্ৰহণ।
- গোলোক ৰাজবংশী সৰ্বসন্মতিক্ৰমে কংগ্ৰেছ বিধায়িনী দলৰ নেতা নিৰ্বাচিত।
- অসম গণ পৰিষদে আহ্বান কৰা সৰ্বদলীয় সভাত কংগ্ৰেছ (আই) অনুপস্থিত।

২০ জানুৱাৰী : অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিদ্ৰোহী কবি প্ৰসন্নলাল চৌধুৰীৰ বৰপেটাৰ নিজ বাসভৱনত মৃত্যু।

৪ ফেব্ৰুৱাৰী : অসম চৰকাৰে চলিত বছৰৰ পৰা শিক্ষা বৰ্ষ মে'ৰ পৰা মাৰ্চলৈ আগুৱাৰ সিদ্ধান্ত লয়।

২০ ফেব্ৰুৱাৰী : নতুনকৈ মনোনীত অসমৰ লোকসভাৰ সদস্যৰ নতুন দিল্লীত শপত গ্ৰহণ।

২২ ফেব্ৰুৱাৰী : নগাঁৱৰ কামপুৰৰ মাধৱ কন্দলী ক্ষেত্ৰত অসম সাহিত্য সভাৰ ৫২সংখ্যক অধিৱেশনৰ আৰম্ভণি। এই অধিৱেশনৰ সভাপতি হ'ল বিশিষ্ট কবি বীৰেন বৰকটকী। ২৬ ফেব্ৰুৱাৰীত অনুষ্ঠিত এই অধিৱেশনৰ মুকলি সভাই উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ সাংস্কৃতিক জীৱনৰ তথা সম্পদসমূহৰ চৰ্চা আৰু অধ্যয়নৰ বাবে সেই অঞ্চলৰে যিকোনো ঠাইত কেন্দ্ৰীয় সাংস্কৃতিক কেন্দ্ৰ নিৰ্মাণ কৰিবলৈ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে।

৩ মাৰ্চ : উপ-নিৰ্বাচনত অগপৰ কলিয়াবৰ আৰু গোলোকগঞ্জ দুয়োটা সমষ্টিতে জয়লাভ।

১৫ মাৰ্চ : অসমত প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণৰ কাৰণে ৰাজ্য চৰকাৰে আঁচনি গ্ৰহণ কৰে আৰু ইয়াৰ ফলত পৰিকল্পনাৰ প্ৰথম বছৰটোত (১৯৮৫-

(৫) স্থানীয় উদ্যোগীক উৎসাহ যোগাই উদ্যোগ আৰু কৃষিক্ষেত্ৰত এক সুষম প্ৰগতি অনা।

(৬) নিয়োগৰ সময়ত স্থানীয় লোকক সম্পূৰ্ণ সুৰক্ষা প্ৰদান।

(৭) ৰাজ্যিক আঁচনিৰ আমূল পৰিৱৰ্তন আনি সমাজৰ দুৰ্বল শ্ৰেণীৰ ওপৰত বিশেষ যোজনা।

(৮) স্থানীয় কৃষকসকলৰ ভূমি সুৰক্ষা কৰা।

(৯) বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তন আৰু উচ্চ শিক্ষানুষ্ঠানসমূহক স্বায়ত্ততা (Autonomy) প্ৰদান।

(১০) সকলো জনগোষ্ঠীয় লোকৰ ভাষা, সংস্কৃতি আৰু কৃষ্টিৰ সম-উন্নতি আৰু সংৰক্ষণ।

(১১) সামাজিকভাৱে দুৰ্বলসকলৰ প্ৰতি বিশেষ চিকিৎসা প্ৰদান কৰা।

(১২) জাতীয় সত্তাৰে অসমখনক একতাৰে গঢ় দিয়া।

(১৩) যাতায়াত আৰু পৰিবহণ ব্যৱস্থাৰ উন্নতি কৰি চহৰমুখী প্ৰৱণতাক ৰোধ কৰা।

(১৪) ভৱিষ্যতৰ উদ্যোগীকৰণ প্ৰক্ৰিয়া সুগম কৰি তুলিবলৈ বৈজ্ঞানিক বিপ্লৱৰ সূচনা কৰা।

(১৫) আঞ্চলিক বৈষম্য দূৰ কৰা আৰু ক্ষুদ্ৰ জাতিসত্তাক সন্মান কৰা।

(১৬) জনজাতিসকলক সংবিধানপ্ৰদত্ত সকলো সা-সুবিধা প্ৰদান আৰু তাৰ নিশ্চিতকৰণ।

(১৭) উত্তৰ-পূৰ্বাঞ্চলৰ সমভাবাপন্ন আঞ্চলিক শক্তিৰ লগত একগোট হৈ উমৈহতীয়া সমস্যাৰ সমাধান।

অগপ দলটো আছিল পাঁচ তৰপীয়া। এই দলৰ একেবাৰে শীৰ্ষত আছিল কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতি। তাৰ তলত কেন্দ্ৰীয় সমিতি, তাৰ তলত জিলা সমিতি, তাৰ পিচত আঞ্চলিক সমিতি আৰু একেবাৰে শেষত গাঁও সমিতি।

৮৬) ১৫ কোটি ২৩ লাখ টকা আৰু দ্বিতীয় বছৰত (১৯৮৬-৮৭) ৩০ কোটি ৪০ লাখ টকা ধাৰ্য কৰা হয়।

১৯ মাৰ্চ ঃ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনে অসম বিধানসভাত চৰকাৰে ৰাজ্যখনত তিনিটা নতুন পুলিচ বাহিনী খোলাৰ সিদ্ধান্ত লোৱাৰ কথা জনায়।

২০ মাৰ্চ ঃ সাহিত্যিক মুনীন বৰকটকীক গ্ৰন্থ 'বিস্মৃত ব্যতিক্ৰম'ৰ বাবে প্ৰকাশন পৰিষদৰ বঁটা প্ৰদান।

২১ মাৰ্চ ঃ ৰাজ্যসভালৈ অসম গণ পৰিষদৰ প্ৰাৰ্থী ড° নগেন শইকীয়া আৰু বিজয়া চক্ৰৱৰ্তী নিৰ্বাচিত হয়।

২৮ মাৰ্চ ঃ ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ 'অগ্নিস্নান' ছবিখনে ৩৩ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত সৰ্বশ্ৰেষ্ঠ চিত্ৰনাট্যৰ ৰাষ্ট্ৰীয় বঁটা লাভ কৰে।

৩১ মাৰ্চ ঃ অসমৰ ৰাজ্যপাল ভীষ্মনাৰায়ণ সিঙৰ উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদৰ সকলো কাৰ্য আৰু ক্ষমতা নিজৰ হাতলৈ নিয়াৰ আদেশৰ প্ৰতি বিধানসভাই অনুমোদন জনায়।

৩ এপ্ৰিল ঃ ভাৰতৰ প্ৰাক্তন প্ৰধান বিচাৰপতি ৱাই ভি চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত অসম-মেঘালয় সীমা সম্পৰ্কীয় কমিটীৰ প্ৰথমখন বৈঠক নতুন দিল্লীত অনুষ্ঠিত হয়। দিল্লী উচ্চ ন্যায়ালয়ৰ ভূতপূৰ্ব মুখ্য ন্যায়াধীশ ভি এছ দেশপাণ্ডে এই কমিটীৰ আন এগৰাকী সদস্য। ১৯৮৫ চনৰ ৩১ আগষ্টত অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰী দুগৰাকীৰ মাজত হোৱা চুক্তি অনুসৰি এই কমিটী গঠন কৰা হয়।

৪ এপ্ৰিল ঃ ৰাজ্য চৰকাৰে অসম আন্দোলনৰ কালছোৱাত নিৰ্যাতিত হোৱা সকলো ৰাজ্যিক কৰ্মচাৰীৰ বিৰুদ্ধে থকা সমস্ত শাস্তিমূলক ব্যৱস্থা অসম চুক্তিৰ প্ৰতি সন্মান ৰাখি উঠাই লয়।

- অসম বিধানসভাই ১৯৮৫ চনৰ অসম কলেজ (পৰিচালনা আৰু নিয়ন্ত্ৰণ হাতলৈ নিয়া) আইনখন বাতিল কৰে আৰু বিধানসভাই অসম কৃষি বিশ্ববিদ্যালয় আইন (১৯৬৮ চনৰ অসম আইন) খনৰ কিছু সংশোধনী আনে।

২৯ এপ্ৰিল ঃ অসমৰ ভৈয়াম জনজাতি পৰিষদৰ ১৫জন প্ৰতিনিধিয়ে মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তক সাক্ষাৎ কৰি এখন বেলেগ জনজাতি ৰাজ্য স্থাপন কৰাৰ কথা কয়।

আন্দোলনত অংশগ্ৰহণকাৰী অসমীয়া ৰাইজৰ আকাংক্ষাৰ প্ৰতি শিৰ নত কৰি অসম গণ পৰিষদৰ মজিয়াত অসম জাতীয়তাবাদী দল, পূৰ্বাঞ্চলীয় লোক পৰিষদ আৰু যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন বিষয়ববীয়া একলগ হ'ল। কিন্তু ঐকমত্য হ'ল নে নাই তাক ঠাৱৰ কৰা টান হ'ল।

কাৰণ এফালেদি প্ৰফুল্ল মহন্ত, বিনোদ গোস্বামী প্ৰমুখ্যে অসম চুক্তিৰ ঘোৰ সমৰ্থক গোটটোৰ লগত পি এল পি দলৰ দৰে ঘোৰ চুক্তিবিৰোধী গোটটো একে মঞ্চত থিয় দিয়াত একলগ হোৱাহে বুজায়, ঐকমত্য হোৱাটো নুবুজায়। ভিতৰি ভিতৰি অগপত একনায়কত্ববাদ তেতিয়াই আৰম্ভ হৈছিল।

সি যি নহওক, জন্মৰ দুমাহৰ ভিতৰতে অসম গণ পৰিষদে বিধানসভাৰ নিৰ্বাচনত ভাগ ল'লে। খুব কম দিনৰ ভিতৰতে নিৰ্বাচন খেলিব লগা হোৱাত যথেষ্ট অসুবিধা হৈছিল আৰু তাৰ ফলত প্ৰাৰ্থী নিৰ্বাচন কৰাত বিশেষ অসুবিধা হৈছিল।

১১জনীয়া অসম গণ পৰিষদৰ এখন সমিতি আছিল যদিও ইয়াৰ নেতৃত্ব লৈছিল মূলতঃ বৃন্দাবন গোস্বামী আৰু অতুল বৰাই।

পূৰ্বাঞ্চলীয় লোক পৰিষদৰ নিৰ্দিষ্ট কেইটামান সমষ্টিত যোগ্য প্ৰাৰ্থী থকাৰ উপৰি সংগঠনো ভাল আছিল। বাকী সংগঠনসমূহৰ প্ৰাৰ্থিত্বপ্ৰয়াসী লোক আছিল যদিও তেনেকুৱা কোনো নিৰ্দিষ্ট সমষ্টি নাছিল, যাৰ বাবে তেনে প্ৰাৰ্থীৰ সমষ্টি ঠিক কৰোঁতে বহু সময় অতিবাহিত হৈছিল।

কিছু সমষ্টিত যোগ্যতা থকা প্ৰাৰ্থীৰ অভাৱ হৈছিল। কিন্তু প্ৰাৰ্থিত্ব বিচৰা লোকৰ সংখ্যা কম নাছিল। যাৰ কাৰণে এঘাৰজনীয়া নিৰ্বাচনী সমিতিৰ প্ৰত্যেক সদস্যকে সময়ে সময়ে টিকটৰ কাৰণে হেঁচা দি থকা হৈছিল।

নিৰ্বাচনী সমিতিখন অগপৰ চানমাৰিৰ অস্থায়ী কাৰ্যালয়ত বহিব লগা আছিল যদিও টিকটপ্ৰত্যাশীৰ ভিৰত কেতিয়াবা জালুকবাৰীত বা কেতিয়াবা নমাইলত থকা দ্বিজেন ফুকনৰ ঘৰতো বহিব লগা হৈছিল। কাৰণ সকলোকে লাগে টিকট।

৪ মে'ঃ গুজৰাট আৰু অসমৰ খাৰুৱা তেলৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৰয়েল্টী ৬২ টকাৰ পৰা ১৯২ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লয়।

৭ মে'ঃ ৰাজ্য চৰকাৰে ১৯৪৬ চনৰ বিদেশী আইনৰ অধীনত কোনসকল ব্যক্তি বিদেশী বা বিদেশী নহয় সেই বিষয়ত সংশ্লিষ্ট ন্যায়াধিকৰণৰ মতামত লাভ কৰাৰ বাবে ১৯৬৬ চনৰ ১ জানুৱাৰীৰ পৰা ১৯৭১ চনৰ ২৫ মাৰ্চৰ ভিতৰত অহা বিদেশী প্ৰব্ৰজনৰ কথা নিৰ্দিষ্টকৈ উল্লেখ কৰিবৰ বাবে ৰাজ্যখনত মুঠ ১২খন বিদেশী ন্যায়াধিকৰণ গঠন কৰে।

২৮ মে'ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন অসম গণ পৰিষদ মন্ত্ৰীসভা ৩২জনলৈ বৃদ্ধি। নৱনিযুক্ত মন্ত্ৰীকেইজন হ'ল— চন্দ্ৰমোহন পাটোৱাৰী, পবীন্দ্ৰ ডেকা, বিৰাজ শৰ্মা, প্ৰবীণ গগৈ আৰু ছামছিং হান্সে।

২৯ মে' ঃ বৌতাত আজিৰে পৰা নিখিল বড়ো ছাত্ৰ সন্থাৰ অধিৱেশন তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হৈছে। এই অধিৱেশনতে দুটা তাৎপৰ্য তথা যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰা হয়। প্ৰথমটো হৈছে, এখন সুকীয়া ৰাজ্যৰ (বড়োলেণ্ড) দাবীত নিখিল বড়ো ছাত্ৰ সন্থাই অচিৰে আন্দোলন আৰম্ভ কৰাৰ প্ৰস্তাৱ আৰু আনটো প্ৰস্তাৱ হৈছে, পৰীক্ষাৰ কোনোধৰণৰ বাধাৰ সৃষ্টি নকৰাকৈ অসমীয়া ভাষাক বাধ্যতামূলক চতুৰ্থ ঐচ্ছিক ভাষা হিচাপে ল'বলৈ বড়ো সাহিত্য সভাই গ্ৰহণ কৰা সিদ্ধান্তক তীব্ৰ বিৰোধিতা কৰি লোৱা প্ৰস্তাৱ। এই অধিৱেশনথলীতে নলবাৰী জিলা বড়ো ছাত্ৰ সন্থাই উক্ত প্ৰস্তাৱ দুটাৰ সমৰ্থন কৰিব নিবিচৰাত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয় আৰু অৱশেষত তেওঁলোকে অধিৱেশনথলী সম্পূৰ্ণ ত্যাগ কৰি ওলাই আহি সুকীয়াকৈ এটা বড়ো ছাত্ৰ সংগঠনৰ সৃষ্টি কৰে। যিটো পিচলৈ নিখিল বড়ো ছাত্ৰ সন্থা অৰ্থাৎ এবছু (ৰা) নামেৰে জনাজাত হয়। ইতিহাসত এই বৌতা অধিৱেশন সেই কাৰণে বিশেষ তাৎপৰ্যপূৰ্ণ।

৩০ মে' ঃ এবছুৰ বৌতা অধিৱেশনত উপেন্দ্ৰ নাথ ব্ৰহ্ম অষ্টমজন সভাপতি হিচাপে নিৰ্বাচিত।

৭ জুন ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন

চুক্তিৰ বিৰোধিতাৰে সংখ্যালঘুৰ দল

অসম চুক্তিয়ে যদি জাতীয়তাবাদী সত্তাটোক একলগ কৰি অসম গণ পৰিষদৰ জন্ম দিলে। ঠিক একে সময়তে অসম চুক্তিৰ বিৰোধিতা কৰি জন্ম হ'ল এক সংখ্যালঘুৰ দল।

অসমৰ সংখ্যালঘু জনসাধাৰণে অসম চুক্তিৰ বিৰোধিতা কৰিলে। ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুৰ স্বাৰ্থবিৰোধী এই চুক্তি বাতিল কৰাৰ বাবে প্ৰয়োজনসাপেক্ষে আন্দোলন গঢ়ি তোলাৰো ভাবুকি দিলে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংখ্যালঘু ৰাইজে।

চুক্তিৰ বিৰুদ্ধে জনমত গঠনৰ ক্ষেত্ৰত উদ্যোগ ল'লে একালত জনতা পাৰ্টী নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰী আৰু পিচলৈ কংগ্ৰেছ সাংসদ হোৱা আবুল ফজল গোলাম ওচমানি, অধিবক্তা কালীপদ সেন, তাৰাপদ ভট্টাচাৰ্য, জনতা চৰকাৰৰ মন্ত্ৰী শান্তিৰঞ্জন দাশগুপ্ত, পিচলৈ কংগ্ৰেছ মন্ত্ৰী হোৱা ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে', সাধনৰঞ্জন সৰকাৰ আদিয়ে।

১৯৮৫ চনৰ অক্টোবৰ মাহত এইকেইজন সংখ্যালঘু নেতাৰ আহ্বানতে হোজাই চহৰত অনুষ্ঠিত এক ৰাজনৈতিক অভিৱৰ্তনত গঠিত হয় সংখ্যালঘুৰ দল 'সংযুক্ত সংখ্যালঘু মৰ্চা'। এই দলৰ সভাপতি হ'ল কালীপদ সেন। সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হ'ল গোলাম ওচমানি। অসম চুক্তিৰ বিৰোধিতা কৰি গঠন হোৱা দলটোৱে ধৰ্মীয় সংখ্যালঘুসকলৰ সমৰ্থন পাবলৈ সক্ষম হৈছিল আৰু নিৰ্বাচনত তেওঁলোকৰ মাজত বিপুল সঁহাৰি পাইছিল।

'৮৫ৰ নিৰ্বাচন

১৯৮৫ চনৰ ১৬ ডিচেম্বৰত অসমত একেলগে বিধানসভা আৰু লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ল। '৮৩ৰ নিৰ্বাচনৰ সেই ভয়াৱহ স্মৃতিবোৰ আঁতৰাই অসমৰ জনসাধাৰণে স্বতঃস্ফূৰ্তভাৱে ভোট দিলে।

সভাপতি সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ ৮৩ বছৰ বয়সত মৃত্যু।

১১ জুন ঃ অসম চুক্তি অনুসৰি বাংলাদেশৰ সীমাত ৰাস্তা আৰু বেৰা নিৰ্মাণ সোনকালে কৰিবলৈ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই কেন্দ্ৰীয় গৃহ মন্ত্ৰী বুটা সিঙক সাক্ষাৎ কৰে।

২২ জুলাই ঃ ভাষানীতি সম্পৰ্কে বড়ো সাহিত্য সভাৰ লগত অসমৰ শিক্ষা মন্ত্ৰী বৃন্দাবন গোস্বামীৰ আলোচনা। এই আলোচনাত বড়ো সাহিত্য সভাৰ সভাপতি যোগেন্দ্ৰ নাথ বসুমতাৰী আৰু সাধাৰণ সম্পাদক বিহুৰাম বড়োৱে বড়ো সাহিত্য সভাৰ সঁজাতী দলটোৰ নেতৃত্ব দিয়ে। এই আলোচনাত অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীয়ে জনজাতীয় অঞ্চলৰ মূল জনজাতীয় ভাষাটো যিটো স্তৰৰ পৰা শিকিব জনজাতীয় ছাত্ৰ-ছাত্ৰীয়েও সেই স্তৰৰ পৰাই আঞ্চলিক ভাষা আৰু সংযোগী ভাষা হিচাপে অসমীয়া ভাষা শিকাৰ এক সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২৬ জুলাই ঃ ৰাজ্য চৰকাৰে ১৯৮৬ চনৰ আগষ্ট মাহৰ পৰা অসমৰ ১০০খন প্ৰাথমিক বিদ্যালয়ত মিচিং ভাষা প্ৰৱৰ্তন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

২৮ জুলাই ঃ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পৱিত্ৰ স্মৃতি আৰু কীৰ্তি সদৌ ভাৰতবৰ্ষত প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সৰ্বভাৰতীয় ভিত্তিত শংকৰদেৱ বঁটা প্ৰদানৰ ৰাজ্য চৰকাৰৰ ঘোষণা।

১০ ছেপ্টেম্বৰ ঃ যশস্বী নাট্যকাৰ, অভিনেতা সত্যপ্ৰসাদ বৰুৱালৈ ১৯৮৬ চনৰ সংগীত নাটক একাদেমী বঁটা প্ৰদান।

১১ ছেপ্টেম্বৰ ঃ পূৰ্বোত্তৰ সীমান্ত ৰে'লৱেৰ ৰঙাপৰা আৰু উত্তৰ লখিমপুৰ শাখাৰ তাতিবাহাৰ ষ্টেচনৰ ওচৰত এটা লেভেল ক্ৰছিঙত ৰে'ল আৰু যাত্ৰীবাহী বাছ এখনৰ সংঘৰ্ষত ৩১জন যাত্ৰী নিহত আৰু ৭৪জন আহত হয়।

৩ অক্টোবৰ ঃ সুকীয়া স্বাধীন বড়ো ৰাষ্ট্ৰৰ দাবীত বড়ো ছিকিউৰিটী ফ'ৰ্চৰ জন্ম। নেতৃত্বত ৰঞ্জন দৈমাৰী। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত বড়ো ছিকিউৰিটী ফ'ৰ্চৰ নাম গুচি নেচনেল ডেমক্ৰেটিক ফ্ৰণ্ট অব বড়োলেণ্ড হয়।

ব্ৰহ্মপুত্ৰ উপত্যকাত সম্পূৰ্ণ আৱেগেৰে অসম গণ পৰিষদক সমৰ্থন জনালে। ফলাফল ঘোষণা হ'ল—

বিধানসভাৰ মুঠ আসন	—	১২৬
অগপ	—	৬০
কংগ্ৰেছ (ই)	—	২৫
ইউ এম এফ	—	১৭
কংগ্ৰেছ (স)	—	৪
পি টি চি এ	—	৩
চি পি আই (এম)	—	২
নিৰ্দলীয় —		১৪

লোকসভাৰ মুঠ আসন	—	১৪
অগপ	—	৭
কংগ্ৰেছ (ই)	—	৪
কংগ্ৰেছ (শ)	—	১
ইউ এম এফ	—	১
অন্যান্য	—	১

'৮৫ৰ নিৰ্বাচন অসম আন্দোলনৰ যেন এটা পৰ্যায়হে আছিল। অন্ততঃ সেই সময়ত তেনেদৰেই আলোচনা হৈছিল। তথাপি অসম গণ পৰিষদে একক সংখ্যাগৰিষ্ঠতা লাভ কৰা নাছিল। ১২৬জনীয়া বিধানসভাৰ চৰকাৰ গঠন কৰিবলৈ ৬৪জন বিধায়কৰ প্ৰয়োজন। অগপৰ আছিল ৬০জন।

পিচত ক্ৰমে ডিফু, আলগাপুৰ, উত্তৰ কৰিমগঞ্জ আৰু হাওৰাঘাট সমষ্টিক প্ৰতিনিধিত্ব কৰা নিৰ্দলীয় বিধায়ক ছামছিং হান্সে, ছহিদুল আলম

১৯৮৬

২৩ অক্টোবৰ ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰাচ্যতত্ত্ববিদ পণ্ডিত, শিক্ষাবিদ তীৰ্থনাথ শৰ্মাৰ দেহাৱসান।

১৯ নৱেম্বৰ ঃ অবৈধ প্ৰব্ৰজন (ট্ৰিবুনেলৰ দ্বাৰা নিৰ্ধাৰণ) আইনখন সংশোধনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ ব্যৰ্থ হোৱাৰ প্ৰতিবাদত লোকসভাত দীনেশ গোস্বামীৰ নেতৃত্বত অসম গণ পৰিষদ গোটে সদন ত্যাগ কৰে।

২২ নৱেম্বৰ ঃ জাৰ্মানী গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ লিপপজিগত অনুষ্ঠিত হ'ব লগা উনবিংশ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱলৈ অসমৰ চলচ্চিত্ৰ নিৰ্মাতা গৌতম বৰাৰ তথ্যচিত্ৰ 'উইভাৰ্ছ অব দ্য গ'ল্ডেন থ্ৰেড' নিৰ্বাচিত হয়।

২ ডিচেম্বৰ ঃ অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই অভয়াপুৰীত অসমৰ বন আৰু বন্যপ্ৰাণীৰ সৰ্বাংগীণ উন্নয়ন আৰু সংৰক্ষণৰ কাৰণে দেশৰ সৰ্বপ্ৰথম বন সংৰক্ষণ বাহিনী গঠন কৰে।

চৌধুৰী, চিৰাজুল হক চৌধুৰী আৰু খৰছিং ইংতিয়ে অসম গণ পৰিষদত যোগদান কৰে। ইপিনে বৈঠালাংছ' সমষ্টিৰ পি ডি এফ বিধায়ক হলিৰাম তেৰাঙো অগপৰ সহযোগী হ'ল। তাৰ পিচতহে অসম গণ পৰিষদে চৰকাৰ কৰিবলৈ সক্ষম হ'ল।

২৪ ডিচেম্বৰত নেহৰু ষ্টেডিয়ামত মুকলি আকাশৰ তলত হাজাৰ হাজাৰ সমৰ্থকৰ আগত অসম মন্ত্ৰীসভাই শপত লোৱাৰ লগে লগে প্ৰথমবাৰৰ বাবে অসমত এখন আঞ্চলিক দলৰ চৰকাৰ গঠন হয়।

এক অভূতপূৰ্ব আৱেগৰ মাজেৰে বিশ্ববিদ্যালয়ৰ হোষ্টেলৰ পৰা আহি জনতা ভৱন গৰকিলে বেছিভাগ অগপৰ মন্ত্ৰীয়ে। প্ৰায়কেইজন অসম গণ পৰিষদৰ নিৰ্বাচিত বিধায়কৰ বয়স ৩০ৰ পৰা ৪০ৰ ভিতৰত আৰু প্ৰথম অৱস্থাত আৱেগেৰে কিছুদিন পাৰ হ'ল। কিন্তু ভিতৰি ভিতৰি মন্ত্ৰিত্বৰ কাৰণে খোৱা-কামোৰা লাগি গৈছিল। বিৰাজ শৰ্মাই মন্ত্ৰিত্ব নোপোৱাৰ কাৰণে শপত গ্ৰহণৰ দিনাই আবেলি উজানবজাৰত প্ৰতিবাদী সমদল উলিয়াইছিল।

তাৰ আগতে টিকট বিলোৱাৰ শেষৰ দিনা, নমাইলত থকা দ্বিজেন ফুকনৰ ঘৰত দুপৰ নিশা ঠিক হৈছিল নিৰ্বাচনত জয়ী হ'লে কোন মুখ্যমন্ত্ৰী হ'ব— প্ৰফুল্ল কুমাৰ মহন্ত নে ভৃগু কুমাৰ ফুকন?

অসমৰ বুৰঞ্জীৰ এক ডাঙৰ সিদ্ধান্ত তেনেকৈয়ে হৈ গ'ল। দৰাচলতে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন আৰু অতুল বৰা— এই তিনিওজনেই এই পদবীটোৰ দাবীদাৰ আছিল। শেষ ৰক্ষা হিচাপে ফুকনে অতুল বৰাৰ লগ লাগি দুটা উপ-মুখ্যমন্ত্ৰীৰ পদবীৰ বাবে চেষ্টা কৰিব বিচাৰিছিল। কিন্তু সেয়া হৈ নুঠিল, কাৰণ অতুল বৰাই সেই ৰাজনীতিৰ উঁহ ধৰিব নোৱাৰিলে।

ভাৰতৰ সবাতোকৈ তৰুণ মুখ্যমন্ত্ৰী হিচাপে প্ৰফুল্ল কুমাৰ মহন্তই কাৰ্যভাৰ গ্ৰহণ কৰিলে আৰু লগে লগে সমগ্ৰ অসমৰ আশাৰ কেন্দ্ৰবিন্দু হৈ পৰিল।

১৯৮৭

১ জানুৱাৰী ঃ এবছৰ দ্বাৰা মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ ওচৰত ৯২ দফীয়া দাবীসম্বলিত স্মাৰকপত্ৰ প্ৰদান।

৫ জানুৱাৰী ঃ কেন্দ্ৰীয় বিত্ত দপ্তৰে বান সাহায্যমূলক ব্যৱস্থাৰ বাবে অসমলৈ ৩১.৮৩ কোটি টকা মঞ্জুৰ কৰে।

২১ জানুৱাৰী ঃ গুৱাহাটীত অসমৰ বাবে সুকীয়াকৈ প্ৰথমবাৰৰ বাবে এটা টেলিসংযোগ চাৰ্কোল মুকলি কৰা হয়। এই চাৰ্কোলৰ জেনেৰেল মেনেজাৰৰ হিচাপে এছ কে পাণ্ডেই কাৰ্যভাৰ গ্ৰহণ কৰে।

২২ জানুৱাৰী ঃ বড়োসকলৰ বাবে সুকীয়া শাসনব্যৱস্থা বিচাৰি প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক স্মাৰকপত্ৰ প্ৰদান।

২৬ জানুৱাৰী ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক আব্দুছ ছাত্তাৰক পদ্মশ্ৰী সন্মান।

২৮ জানুৱাৰী ঃ পলাশবাৰী থানাৰ অন্তৰ্গত ৰামপুৰৰ পৰা বৰদোৱা সত্ৰলৈ যোৱা তীৰ্থযাত্ৰীসহ বাছ এখন পানীত পৰাত ৫৭জন নিহত।

১০ ফেব্ৰুৱাৰী ঃ গুৱাহাটীকে ধৰি পূৰ্বাঞ্চলৰ এঘাৰখন সদৰ ঠাইৰ সৈতে বিশ্বৰ ১৫খন ৰাষ্ট্ৰৰ লগত টেলিফোন গ্ৰাহকৰ প্ৰত্যক্ষ যোগাযোগ ব্যৱস্থা আন্তঃৰাষ্ট্ৰীয় গ্ৰাহক ডায়েলিং সুবিধাৰ ব্যৱস্থা আৰম্ভ। গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱনত আয়োজিত এক অনুষ্ঠানত কেন্দ্ৰীয় যোগাযোগ দপ্তৰৰ ৰাজ্য পৰ্যায়ৰ মন্ত্ৰী সন্তোষমোহন দেৱে এই সুবিধা উদ্বোধন কৰে।

১৬ ফেব্ৰুৱাৰী ঃ ভাৰত-বাংলাদেশ সীমান্তৰ (২৬ কিলোমিটাৰ দৈৰ্ঘ্য আগুৰি থকা এলেকাৰ) পাৰে পাৰে ১ কিলোমিটাৰ বেষ্টনীত থকা নাগৰিকসকলক পৰিচয়পত্ৰ দিবলৈ অসম চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে।

২৩ ফেব্ৰুৱাৰী ঃ প্ৰয়াত তীৰ্থনাথ শৰ্মাক মৰণোত্তৰভাৱে সাহিত্য অকাদেমী বঁটা প্ৰদান।

১ মাৰ্চ ঃ বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, পদ্মশ্ৰীপ্ৰাপক আব্দুছ ছাত্তাৰৰ মৃত্যু।

২ মাৰ্চ ঃ বড়ো আন্দোলন আৰম্ভ। সুকীয়া ৰাজ্যৰ দাবী উত্থাপন।

২৩ মাৰ্চ ঃ এবছুৰে উপায়ুক্ত, মহকুমাধিপতি আৰু উপপ্ৰতি সমাহৰ্তাৰ

প্ৰথম বছৰৰ শাসন অন্ধ আৱেগ আৰু উগ্ৰ জাতীয়তাবাদৰ মাজেৰে পাৰ হ'ল। শাসনব্যৱস্থা সম্পৰ্কে কাৰো জ্ঞান নাই। কেইজনমান জাতীয়তাবাদী আৱেগেৰে উদ্বুদ্ধ উৰ্ধ্বতন বিষয়াৰ পৰামৰ্শ মতে আগবাঢ়িছিল অসম চৰকাৰ।

প্ৰথম অৱস্থাত অনভিজ্ঞ বুলিয়ে সকলোৱে সকলো ভুলকে সাবটি লৈ অসম গণ পৰিষদ চৰকাৰক আঁকোৱালি লৈছিল। প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকন যেন হৈ পৰিছিল প্ৰতিজন অসমীয়াৰ বুকুৰ কুটুম। তেওঁলোকৰ বেমাৰ-আজাৰত এচাম হোজা অসমীয়াই চাকি-বন্তি দি আশু আৰোগ্য কামনা কৰিছিল।

২১জনীয়া মন্ত্ৰীসভাত ১৪জন আছিল কেবিনেট মন্ত্ৰী আৰু ৭জন ৰাজ্যিক মন্ত্ৰী।

গৃহ আৰু ৰাজনৈতিক মন্ত্ৰী হয় ভৃগু কুমাৰ ফুকন। গড়কাপ্তানী দপ্তৰটো অতুল বৰাৰ হাতত আৰু শিক্ষা দপ্তৰটো ন্যস্ত কৰা হৈছিল বৃন্দাবন গোস্বামীৰ হাতত। অৱশ্যে পাঁচ মাহৰ পিচতে মন্ত্ৰীসভা বৃদ্ধি কৰি ৩২জনীয়া কৰা হয় আৰু মুঠ পাঁচ বছৰীয়া শাসন কালত অগপই ছবাৰৰ কাৰণে মন্ত্ৰীসভাৰ ৰদবদল কৰিছিল।

অগপ চৰকাৰে প্ৰথমতে অসম আন্দোলনত জড়িত হোৱা কাৰণে নিৰ্যাতিত অসম চৰকাৰৰ কৰ্মচাৰীসকলৰ ওপৰত থকা গোচৰসমূহ প্ৰত্যাহাৰ কৰে। তাৰ পিচত বিদেশী চিনাক্তকৰণৰ কাৰণে ১২খন বিদেশী ন্যায়াধিকৰণ গঠন কৰে আৰু অসমীয়া ভাষাক বাধ্যতামূলক হিচাপে সকলো বিদ্যালয়তে প্ৰৱৰ্তন কৰে।

ইয়াৰ শেষ সিদ্ধান্তটোৰ কাৰণে অসম গণ পৰিষদৰ প্ৰথমটো সংঘাত আৰম্ভ হয়। কাৰণ বড়োসকলে ইয়াৰ তীব্ৰ বিৰোধিতা কৰে। এই সিদ্ধান্ত অসম চৰকাৰে পৰৱৰ্তী পৰ্যায়ত প্ৰত্যাহাৰ কৰে যদিও বড়োসকলৰ মাজত ই এক গভীৰ সংশয়ৰ সৃষ্টি কৰিলে।

কাৰ্যালয়ৰ সন্মুখত গণধৰ্ণা কাৰ্যসূচী গ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ ওচৰত কাৰ্যসূচীৰ জৰিয়তে ধৰ্ণা দিয়ে।

১৩ এপ্ৰিল ঃ সমগ্ৰ ৰাজ্যতে এবছুৰ আঞ্চলিক সমিতিয়ে গণসমাৰেশ আয়োজন কৰে।

১৬ এপ্ৰিল ঃ ব্ৰহ্মপুত্ৰৰ ওপৰৰ দ্বিতীয়খন কলিয়াভোমোৰা পথ দলং প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ দ্বাৰা মুকলি।

১ মে' ঃ চাৰুকমল হাজৰিকাৰ 'বান' নামৰ চলচ্চিত্ৰখনে শ্ৰেষ্ঠ অসমীয়া চলচ্চিত্ৰ হিচাপে ৰজত কমল বঁটা লাভ কৰে।

১৪ মে' ঃ অসম চৰকাৰৰ ৰাজ্যখনত বাস কৰা লোকসকলক চিনাক্তকৰণ পত্ৰ দিয়াৰ ব্যৱস্থা। ইয়াক প্ৰাথমিক চিনাক্তকৰণ পত্ৰ বুলি কোৱা হয়।

১২ জুন ঃ গুৱাহাটীৰ জজ ফিল্ডত এবছুৰ বিশাল গণসমাৰেশ। প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এই গণসমাৰেশত 'ডিভাইড আছাম ৫০ ঃ ৫০' ধ্বনি দিয়া হয়। গণসমাৰেশৰ পৰা ঘূৰি যোৱাৰ পথত টিহুৰ আখৰাত হোৱা আক্ৰমণত সুজিত নাৰ্জাৰীৰ মৃত্যু হয়। কোকৰাঝাৰ চৰকাৰী হায়াৰ ছেকেণ্ডাৰীৰ নৱম শ্ৰেণীৰ এই ছাত্ৰজনক বড়ো আন্দোলনৰ প্ৰথম শ্বহীদ বুলি ঘোষণা কৰা হয়। সুভাষ বসুমতাৰীৰ এটা চকু নষ্ট হয়। সুজিত নাৰ্জাৰীৰ ঘৰ ভাটিয়াপাৰাত।

১৬ জুন ঃ কৃষি মন্ত্ৰী নীলমণি দাস আৰু ৰাজ্যিক মন্ত্ৰী মইদুল ইছলাম বড়াই মুখ্যমন্ত্ৰীৰ পৰামৰ্শ মতে মন্ত্ৰীসভাৰ পৰা ইস্তফা দিয়ে।

২২ জুন ঃ পৃথক বড়োলেণ্ড সন্দৰ্ভত বড়ো ছাত্ৰ সন্থা (উ)ৰ এটা ৮জনীয়া সঁজাতী দলৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ সৈতে আলোচনা অনুষ্ঠিত হয়।

২ জুলাই ঃ পৃথক বড়োলেণ্ড দাবীৰ সমৰ্থনত আবছু (উ)ৰ উদ্যোগত জনতা ভৱনৰ সন্মুখত বড়ো ছাত্ৰ-ছাত্ৰীৰ বিক্ষোভ প্ৰদৰ্শন।

৯ জুলাই ঃ সদৌ অসম ছাত্ৰ সন্থা আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ (উপেন্দ্ৰ নাথ ব্ৰহ্ম গোট) মাজত বৰমা মহাবিদ্যালয়ত গুৰুত্বপূৰ্ণ বৈঠক।

১৩ জুলাই ঃ কেন্দ্ৰীয় চৰকাৰৰ আগৰ শক্তি সচিব পি ভি সুব্ৰমণিয়মৰ অসমৰ ৰাজ্যপালৰ উপদেষ্টা হিচাপে যোগদান।

১৫ জুলাই ঃ 'দৈনিক অসম'ৰ প্ৰতিষ্ঠাপক সম্পাদক, বিশিষ্ট সাংবাদিক

সেয়াই বড়ো জাতীয়তাবাদৰ পুনৰ উত্থানৰ মূল কেন্দ্ৰবিন্দু। তেতিয়াৰ পৰাই বড়োসকলে অসম গণ পৰিষদক জনজাতিসকলৰ পৰিপন্থী বুলিয়ে চিৰদিনৰ কাৰণে ধৰি ল'লে।

কিন্তু অসম গণ পৰিষদ প্ৰথমখন চৰকাৰৰ মূল সমস্যা আছিল অনুশাসনহীনতা। সহজ ভাষাত অগপ আছিল এক শৃংখলাবিহীন দল আৰু অসম আন্দোলনৰ মাজেৰে অহা কাৰণে কোনোধৰণৰ দলীয় শৃংখলা মানিবলৈ নেতাসকল আছিল অসন্মত। কোনোধৰণৰ জ্যেষ্ঠতাকে তেওঁলোকে গুৰুত্ব দিয়া নাছিল।

প্ৰত্যেকে নিজক সকলোতকৈ গুৰুত্বপূৰ্ণ বুলি ভাবিবলৈ ল'লে আৰু কোনোধৰণৰ প্ৰশাসনীয় অভিজ্ঞতা নথকা কাৰণে খুব সোনকালেই সাধাৰণ ৰাইজৰ আগত নিজৰ দুৰ্বলতাবোৰ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলে। যাৰ ফলত বিষয়াসকলেও মন্ত্ৰীসকলৰ পৰা আঁতৰি অহাটো পৰিলক্ষিত হ'ল।

দলীয় অনুশাসনহীনতা, বিসম্বাদ, দলাদলি সকলো সাধাৰণ মানুহৰ চকুলৈ ১৯৮৮ চনৰ পৰা আহে যদিও প্ৰফুল্ল মহন্ত আৰু ভৃগু কুমাৰ ফুকনৰ শীতল যুদ্ধ শপত গ্ৰহণৰ মুহূৰ্তৰ পৰাই চলি আছিল। সেয়া কিন্তু অকল ভিতৰৰ মানুহখিনিয়েহে গম পাইছিল।

ফুকনে নিজে উপ-মুখ্যমন্ত্ৰী হ'ব নোৱাৰিলেও গৃহ বিভাগকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিভাগ নিজৰ হাতৰ মুঠিত ৰাখিবলৈ সক্ষম হৈছিল। যাৰ ফলত পুলিচ প্ৰশাসন ফুকনৰ হাতত থাকিল। মুখ্যমন্ত্ৰী মহন্তই পিচতহে ধৰিব পাৰিলে যে পুলিচ বিভাগ হাতত নথকা মুখ্যমন্ত্ৰী বিৰল।

অগপৰ মূল শীতল যুঁজ আছিল দুখন। প্ৰথমখন প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনৰ মাজত আৰু দ্বিতীয়খন অতুল বৰা আৰু বৃন্দাবন গোস্বামীৰ মাজত। দ্বিতীয়খন যুঁজ পূৰ্বাঞ্চলীয় লোক পৰিষদ গঠনৰ দিনৰে বুলি ক'ব পাৰি।

কীৰ্তিনাথ হাজৰিকালৈ দুৰ্গা ৰতন বঁটা।

২১ জুলাই ঃ পৃথক গৃহভূমিৰ বাবে বড়ো আন্দোলনকাৰীসকলে গণ প্ৰাৰ্থনা আৰু শপত গ্ৰহণ কৰে। জিলা সমিতিয়ে আয়োজন কৰা এই কাৰ্যসূচীত 'কৰিম কিম্বা মৰিম' ধ্বনি শুনা যায়।

২৬ জুলাই ঃ বন মন্ত্ৰী ভৰত নৰহৰ মন্ত্ৰীসভাৰ পৰা ব্যক্তিগত কাৰণত ইস্তফা।

২৮ জুলাই ঃ পলিয়েষ্টাৰ ফিলামেণ্ট ইয়াৰ্ন প্ৰকল্পৰ কাৰণে আৱশ্যক হোৱা কাৰিকৰী তথ্য সম্পৰ্কত ছুইজাৰলেণ্ডৰ ই এম এছ ইনভেণ্টা' নামৰ প্ৰতিষ্ঠান এটাৰ সৈতে অসম ঔদ্যোগিক উন্নয়ন নিগম আৰু বোম্বে ছিল্ক মিল লিমিটেডৰ (বছিমি) চুক্তি হয়। নিগমৰ হৈ নিগমৰ মেনেজিং ডিৰেক্টৰ নগেন বুঢ়াগোহাঁয়ে আৰু বছিমিৰ হৈ মেনেজিং ডিৰেক্টৰ হেমন্ত ব্যাসে আৰু ইনভেণ্টাৰ হৈ তেওঁলোকৰ প্ৰতিনিধি মেক্স ওছবাল্ড আৰু আৰ্ছ আৰ্নণ্টে চুক্তিপত্ৰত স্বাক্ষৰ কৰে। স্বাক্ষৰ কৰাৰ সময়ত উদ্যোগ মন্ত্ৰী দিগেন বৰা আৰু উদ্যোগ বিভাগৰ আয়ুক্ত জ্যোতিপ্ৰসাদ ৰাজখোৱাও উপস্থিত থাকে।

● আন্তঃৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন সংগীতশিল্পী ড° ভূপেন হাজৰিকালৈ ১৯৮৬ চনৰ কমল নাৰায়ণ চৌধুৰী সোঁৱৰণী বঁটা।

৫ আগষ্ট ঃ অসম চুক্তি অনুযায়ী অসমত স্থাপন কৰিবলগীয়া তেল শোধনাগাৰটো যুটীয়া খণ্ডত আৰু প্ৰস্তাৱিত শোধনাগাৰটোৰ বাৰ্ষিক শোধন ক্ষমতা দুই নিযুত টনৰ পৰা তিনি নিযুত টনলৈ বঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰে সন্মতি প্ৰদান কৰে।

১০ আগষ্ট ঃ ৯২ দফীয়া দাবীৰ সমৰ্থনত এবছু (উ)ৰ আহ্বানত পুৱা ১০ বজাৰ পৰা আবেলি ৪ বজালৈ সৰ্বাত্মক অনশন ধৰ্মঘট পালন।

১৪ আগষ্ট ঃ প্ৰবীণ সাংবাদিক, 'দৈনিক অসম'ৰ প্ৰতিষ্ঠাপক সম্পাদক কীৰ্তিনাথ হাজৰিকা আৰু খ্যাতনামা শিল্পী ড° ভূপেন হাজৰিকালৈ অসমত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা শংকৰদেৱ বঁটা।

২৭ আগষ্ট ঃ এবছুৰ ১২ ঘণ্টীয়া জনজাতীয় অঞ্চল বন্ধৰ আহ্বান।

২৮ আগষ্ট ঃ কাৰ্বি আংলং জিলাক স্বায়ত্তশাসিত ৰাজ্য হিচাপে গঠন কৰাৰ কাৰণে তোলা দাবী সম্পৰ্কে গৃহ মন্ত্ৰী

অসম আন্দোলনৰ মুল কাণ্ডাৰী এই চাৰিওজনৰ প্ৰতিজনৰে নিজৰ নিজৰ এক সুকীয়া সমৰ্থক, বিধায়ক আৰু দলীয় নেতা আছিল। গতিকে পৰস্পৰৰ বিৰুদ্ধে উচটাই দিয়াৰ ফলত অসম গণ পৰিষদ হৈ পৰিছিল কিছু অপৰিপক্ক আৰু অনুশাসনহীন নেতাৰ ৰণথলী আৰু তাৰেই ফল ভোগ কৰিছিল অসম গণ পৰিষদ চৰকাৰখনে।

প্ৰথম চিন পোৱা গৈছিল ১৯৮৮ চনত, যেতিয়া বান নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যমন্ত্ৰী উৎপল দত্তক মন্ত্ৰীসভাৰ পৰা বাদ দিয়া হৈছিল। উৎপল দত্তই মানাহ অভয়াৰণ্য ভ্ৰমণৰত এগৰাকী বিদেশী পৰ্যটকক অশালীন ব্যৱহাৰ কৰিছিল আৰু তাৰ কাৰণেই আৰম্ভ হৈছিল ৰাজ্যজুৰি প্ৰতিবাদৰ ঢৌ। তাৰেই ফলস্বৰূপে উৎপল দত্তক মন্ত্ৰিত্বৰ পৰা বৰ্খাস্ত কৰা হৈছিল।

কিন্তু তাতকৈ ডাঙৰ বিস্ফোৰণ ঘটিছিল যেতিয়া ১৯৮৮ চনৰ ৭ ছেপ্টেম্বৰত অবিভক্ত কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি হৃষীকেশ গোস্বামীয়ে কেইবাজনো অগপ মন্ত্ৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ পোনপটীয়া অভিযোগ সংবাদমেলযোগে সদৰী কৰে। সেই অভিযোগে কঁপাই তুলিছিল দিছপুৰক।

একেই ছাত্ৰ সন্থাৰ বুকুৰ পৰা জন্ম হোৱা অগপ মন্ত্ৰীয়ে সেই ছাত্ৰ সন্থাৰে পৰা অভিযোগৰ সন্মুখীন হোৱা ঘটনাই ৰাজ্যজুৰি খলকনি তুলিছিল। মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই এই অভিযোগৰ ওচৰত সেও মানি ১২জনকৈ মন্ত্ৰীক মন্ত্ৰীসভাৰ পৰা বাদ দি আন সাতজনক অন্তৰ্ভুক্ত কৰিছিল।

বাদ পৰা মন্ত্ৰীসকল হ'ল— দিগেন বৰা, ললিত ৰাজখোৱা, চন্দ্ৰমোহন পাটোৱাৰী, বিৰাজ শৰ্মা, পবীন্দ্ৰ ডেকা, নগেন শৰ্মা, অভিজিৎ শৰ্মা, দীপেন তাঁতী, কামাখ্যাচৰণ চৌধুৰী, প্ৰদীপ গগৈ আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা। অৱশ্যে কেউজনৰ বিৰুদ্ধে সদৌ অসম ছাত্ৰ সন্থাই দুৰ্নীতিৰ অভিযোগ অনা নাছিল। এই ১২জনীয়া তালিকাৰ প্ৰথম পাঁচজনেই আছিল অগপৰ

ভৃগু কুমাৰ ফুকনে কাৰ্বি ছাত্ৰ সন্মিলন আৰু স্বায়ত্তশাসিত ৰাজ্য দাবী সমিতিৰ সৈতে জনতা ভৱনত আলোচনা কৰে। এই আলোচনাত এখন শাখা সমিতি গঠন কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

৩১ আগষ্ট ঃ প্ৰবীণ সাংবাদিক, সাহিত্যিক, মুক্তিযোদ্ধা আৰু সমাজকৰ্মী হৰেন্দ্ৰনাথ বৰুৱাৰ ৭৮ বছৰ বয়সত মৃত্যু।

৯ ছেপ্টেম্বৰ ঃ এবছু (উ)ৰ আহ্বানত কোকৰাঝাৰ জিলা আৰু দৰং জিলাৰ বড়ো জনজাতি অধ্যুষিত এলেকাত বন্ধ পালন। দৰং জিলাৰ লাইলংপাৰাত ৫২নং ৰাষ্ট্ৰীয় ঘাইপথ আগুৰি থকা এদল উচ্ছৃংখল বড়ো লোকক ছত্ৰভংগ দিয়াবলৈ আৰক্ষীয়ে গুলীচালনা কৰাত কবিৰাম বসুমতাৰী (২৮) আৰু অলেন্দ্ৰ বসুমতাৰীৰ মৃত্যু। চবিন গয়াৰীয়ে এটা চকু হেৰুৱাব লগা হয়। ইয়াৰ প্ৰতিবাদত ১৫ ছেপ্টেম্বৰত ১২ ঘণ্টীয়া দৰং জিলা বন্ধৰ আহ্বান দিয়া হয়।

১৫ ছেপ্টেম্বৰ ঃ ৯ ছেপ্টেম্বৰৰ ঘটনাৰ প্ৰতিবাদত দৰং জিলাত ১২ ঘণ্টীয়া বন্ধ পালন।

২৪-২৫ ছেপ্টেম্বৰ ঃ ৩৬ ঘণ্টীয়া জনজাতি অঞ্চল বন্ধ পালন।

৩ অক্টোবৰ ঃ জিলা, মহকুমা আৰু আঞ্চলিক পৰ্যায়ত এবছুৰ প্ৰতিবাদী শোভাযাত্ৰা।

৮ অক্টোবৰ ঃ ৰাজ্যসভাত প্ৰাগজ্যোতিষপুৰ জিলাৰ চন্দ্ৰপুৰত থকা এছ'চিয়েটেড ইণ্ডাষ্ট্ৰিজ (অসম) লিমিটেডৰ ৰাসায়নিক গোটৰ পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব ৰাজ্য চৰকাৰৰ হাতলৈ অনাৰ বাবে উদ্যোগ মন্ত্ৰী দিগেন চন্দ্ৰ বৰাই প্ৰস্তাৱ কৰা 'এছ'চিয়েটেড ইণ্ডাষ্ট্ৰিজ (অসম) পৰিসীমিত ৰসায়ন গোট অধিগ্ৰহণ আৰু হস্তান্তৰ বিধেয়েক'খন গৃহীত হয়।

১৩ অক্টোবৰ ঃ অসম চৰকাৰৰ দ্বাৰা 'সীমান্ত অঞ্চল বিভাগ' নামেৰে এটা নতুন বিভাগ গঠন।

১৫ অক্টোবৰ ঃ অসম চৰকাৰে বন সম্পৰ্কত ১৯৮৬ চনৰ ১ মাৰ্চত এছ ডি ফেনীক লৈ গঠন কৰা এজনীয়া কমিটীয়ে অসম বিধানসভাত প্ৰতিবেদন দাখিল কৰে। এই কমিটীয়ে অসমৰ বনাঞ্চল, বন্যপ্ৰাণী, গছ-গছনি, মাটিকালি আদি উপযুক্তভাৱে সংৰক্ষণ আৰু উন্নয়নৰ কাৰণে হ্ৰস্ব আৰু

বিয়াগোম নেতা। তেনে অৱস্থাত প্ৰফুল্ল কুমাৰ মহন্তই ১২জনকৈ মন্ত্ৰীক মন্ত্ৰীসভাৰ পৰা অব্যাহতি দিয়াটো যথেষ্ট সাহসী পদক্ষেপ বুলিয়ে ক'ব লাগিব। কিন্তু লগে লগে ই প্ৰমাণিত কৰিছিল যে দুবছৰ আগতে জন্ম লোৱা দলটোৰ ভিতৰত দৰাচলতে কি হৈ আছে।

এই ১২জনৰ ঠাইত অনা হ'ল সাতখন নতুন মুখ। তেওঁলোক হ'ল—জয়নাথ শৰ্মা, দেৱকুমাৰ বৰা, গুণীন হাজৰিকা, গণেশ কুটুম, হলিৰাম টেৰাং, দিলীপ শইকীয়া সোণোৱাল আৰু দুৰ্গাদাস বড়ো।

সেয়াই আৰম্ভণি। মহন্তবিৰোধী শিবিৰে লগে লগে আত্মপ্ৰকাশ কৰে অগপত। তাৰেই ফলস্বৰূপে প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক ১৯৮৮ চনৰ ১৬ নৱেম্বৰত দলবিৰোধী কাৰ্যকলাপৰ কাৰণে দলৰ প্ৰাথমিক সদস্য পদৰ পৰা নিলম্বিত কৰা হয়। পৰৱৰ্তী কালত তেওঁ এটা সুকীয়া দল খুলি লয়।

চৰকাৰৰ তৃতীয়বাৰৰ বাবে মন্ত্ৰীসভা বৃদ্ধি হয় ১৯৮৯ চনৰ ২৩ জুনত। এইবাৰ মন্ত্ৰীসভাত সোমায় ভৰত নৰহ আৰু ইয়াৰ আগৰবাৰ মন্ত্ৰিত্ব হেৰুওৱা ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

তাৰ বহু আগৰ পৰাই মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনৰ মাজৰ সন্দেহ আৰু অৰিয়াঅৰি তুংগত উঠিছিল। দুয়োজনে দুয়োজনক সম্পূৰ্ণ অবিশ্বাস কৰিছিল আৰু দুয়ো দুয়োকে বিব্ৰত কৰিবলৈ কোনো কুণ্ঠাবোধ কৰা নাছিল।

এইবাৰ সংঘাত হৈছিল আৰক্ষী সঞ্চালকপ্ৰধানক লৈ। এফালে আলফা আৰু আনফালে বড়ো আন্দোলনে হিংসাত্মক ৰূপ লোৱাৰ পিচত অসমৰ আইন-শৃংখলা পৰিস্থিতিয়ে দিনকদিনে শোচনীয় ৰূপ লৈছিল। ইয়াৰ ফলতে কেন্দ্ৰ আৰু অসমৰ সাধাৰণ ৰাইজ সম্পূৰ্ণ ৰূপে চিন্তিত হৈছিল, কাৰণ আৰক্ষীক মুকলিভাৱে কাম কৰিবলৈ সুবিধা দিয়া হোৱা নাছিল।

এই পৰিস্থিতিৰ কাৰণে ভৃগু কুমাৰ ফুকনৰ গৃহ বিভাগকে মূলতঃ

দীৰ্ঘকালীন এক ব্যাপক নীতি ল'বলৈ পৰামৰ্শ আগবঢ়ায় আৰু এই নীতিক বিধানসভাত প্ৰস্তাৱ আকাৰে লোৱাটোত কমিটীয়ে গুৰুত্ব দিয়ে।

১৬ অক্টোবৰ ঃ অসমৰ স্থায়ী ৰাজধানীৰ কাৰণে শিলঘাটেই একমাত্ৰ উপযুক্ত স্থান আৰু তাতেই ৰাজধানী পাতিব লাগে বুলি স্থায়ী ৰাজধানী স্থান নিৰ্ণয় কমিটীয়ে চৰকাৰক দিয়া প্ৰতিবেদনখন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই বিধানসভাত দাখিল কৰে। অইল ইণ্ডিয়াৰ প্ৰাক্তন মুখ্য আৱাসিক বিষয়া অজিত কুমাৰ শৰ্মাক লৈ গঠিত ৭জনীয়া কমিটীৰ প্ৰতিবেদনত শিলঘাটত ৰাজধানী পতাৰ বাবে ৪টা প্ৰধান কাৰণ দৰ্শায়। সেইকেইটা হ'ল— যথেষ্ট পৰিমাণৰ মাটি আছে, শিলঘাটৰ ওচৰত ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ হোৱাৰ পিচত যোগাযোগৰ অনুকূল ব্যৱস্থা, জনগাঁথনি আৰু ভৌগোলিক দৃষ্টিভংগীৰ ফালৰ পৰা শিলঘাট ৰাজ্যৰ মধ্যস্থানত অৱস্থিত আৰু পৰিকল্পিত নগৰ হিচাপে পৰিৱৰ্ধিত কৰাৰ সকলো সুবিধা বিদ্যমান আৰু শিলঘাটত ৰাজধানী পাতিলে জনাকীৰ্ণ গুৱাহাটীৰ ভিৰ কমোৱাত ই সহায়ক হ'ব বুলি প্ৰতিবেদনত উল্লেখ থাকে আৰু বেতকুছি আৰু চন্দ্ৰপুৰক নাকচ কৰাৰ কথাও উল্লেখ থাকে।

২৩ অক্টোবৰ ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ দ্বাৰা আনুষ্ঠানিকভাৱে গোলাঘাট জিলা উদ্বোধন।

৩০ অক্টোবৰ ঃ কবি হীৰেন ভট্টাচাৰ্যলৈ ১৯৮৭ চনৰ বাবে ছোভিয়েট দেশ নেহৰু বঁটা।

৩ নৱেম্বৰ ঃ 'দৈনিক অসম'ৰ প্ৰতিষ্ঠাপক সম্পাদক কীৰ্তিনাথ হাজৰিকালৈ ১৯৮৬ চনৰ গোৰেংকা বঁটা।

১০ নৱেম্বৰ ঃ ড° ভূপেন হাজৰিকাক অসমৰ লোকসংগীতলৈ আগবঢ়োৱা বৰঙণিৰ বাবে ১৯৮৭ চনৰ সংগীত নাটক একাদেমীৰ বাবে মনোনীত কৰা হয়।

- বড়ো আন্দোলনকাৰীৰ দ্বাৰা দিল্লীৰ বট ক্লাবত গণ প্ৰতিবাদী কাৰ্যসূচী। ইণ্ডিয়া গে'টৰ পৰা ৰফি মাৰ্গলৈ শোভাযাত্ৰা। প্ৰতিনিধি দলৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক স্মাৰকপত্ৰ প্ৰদান।

১৯ নৱেম্বৰ ঃ নিখিল বড়ো ছাত্ৰ সন্থাৰ (নীৰেন চৈনাৰী গোট) জজ ফিল্ডত

দোষী কৰা হৈছিল। চৰকাৰৰ অতি জাতীয়তাবাদী মনোভাবে প্ৰত্যক্ষভাৱে আলফাক সহায় কৰিছিল। তেনে অৱস্থাত অসম আৰক্ষীয়ে নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ নাপাই ক্ষুণ্ণ হৈ উঠিছিল। আৰক্ষী সঞ্চালকপ্ৰধান নিশিনাথ চাংকাকতীয়ে পোনপটীয়াভাৱে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ ওচৰলৈ নিৰ্দেশনা বিচাৰি যোৱাটোত ভৃগু কুমাৰ ফুকন বাৰুকৈয়ে ক্ষুণ্ণ হৈছিল আৰু এই কাৰণতেই ১৯৮৮ৰ আগষ্টৰ দুই তাৰিখে গৃহমন্ত্ৰীৰ পদবীৰ পৰা ফুকনে পদত্যাগ কৰে।

পদত্যাগপত্ৰত ফুকনে আইন-শৃংখলা ব্যৱস্থাৰ দ্ৰুত অৱনতি ঘটাৰ কাৰণেই পদত্যাগ কৰা বুলি উল্লেখ কৰিছিল। তেওঁৰ পদত্যাগপত্ৰখনত লিখিছিল— 'বৰ্তমান ৰাজ্যখনৰ আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কে আপুনি মুখ্যমন্ত্ৰী হিচাপে নিশ্চয় অৱগত। ৰাজ্যৰ আৰক্ষী বিভাগক আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কে বহুবাৰ সকীয়াই দিয়াৰ পিচতো কোনোধৰণৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিব নোৱৰাত বিভাগীয় মন্ত্ৰী হিচাপে এনে পৰিস্থিতিত মই আপোনাৰ মন্ত্ৰীসভাৰ সদস্যৰ পৰা পদত্যাগ কৰি এই পত্ৰৰ জৰিয়তে মোৰ পদত্যাগপত্ৰ আপোনাৰ ওচৰত দাঙি ধৰিলো...।'

ভৃগু কুমাৰ ফুকনৰ পদত্যাগপত্ৰ পাই এইবাৰ মহন্তই এঘণ্টা-দুঘণ্টামানৰ ভিতৰত নিজে পদত্যাগ কৰে। অসম গণ পৰিষদৰ বিধায়িনী দলৰ সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকন আৰু অগপৰ সাধাৰণ সম্পাদক অতুল বৰালৈ লিখা এই পদত্যাগপত্ৰখনত মহন্তই লিখিছিল— 'যোৱা কেইবামাহো ধৰি অসমত সংঘটিত কিছুমান হিংসাত্মক ঘটনাই মোক চিন্তান্বিত কৰি তুলিছে। অসমৰ অন্যান্য অঞ্চলৰ কথা বাদেই দিছোঁ, নগাঁৱত মোৰ নিজা সমষ্টিত যোৱা ৩০ দিনৰ ভিতৰত হোৱা দুটাকৈ বোমা বিস্ফোৰণৰ ফলত বহুজন লোক গুৰুতৰভাৱে আহত হয়। অসম চৰকাৰৰ সৰ্বোচ্চ পদত থাকিও মই যি সমষ্টিৰ পৰা নিৰ্বাচিত হৈ আহিছোঁ, সেই সমষ্টিৰে জনসাধাৰণক নিৰাপত্তা দিব নোৱৰাৰ অন্তৰ্দ্বন্দ্বত মই

কেন্দ্ৰীয় গণসমাৱেশ পালন।

২৪ নৱেম্বৰ ঃ ১২ ঘণ্টীয়া কোকৰাঝাৰ জিলা বন্ধ।

২৬ নৱেম্বৰ ঃ অবৈধ প্ৰব্ৰজন (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্ধাৰণ) আইনখন সংশোধনৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰী বুটা সিঙে এখন বিধেয়ক উত্থাপন কৰে। এই বিধেয়কখনৰ প্ৰতিবাদ কৰি মুছলিম লীগৰ কেইজনমান সদস্যৰ উপৰি আন বিৰোধী দলৰ তিনিজন মুছলিম সদস্যই লোকসভাৰ সদন ত্যাগ কৰে। চি পি এম দলেও ইয়াৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

২৬-২৮ নৱেম্বৰ ঃ এবছুৰ দ্বাৰা ৪৮ ঘণ্টীয়া ৰে'ল-ৰুক' কাৰ্যসূচী।

৯-১১ ডিচেম্বৰ ঃ এবছু (উ)ৰ আহ্বানত পুৱা ৫ বজাৰ পৰা ১১ ডিচেম্বৰলৈ ৪৮ ঘণ্টীয়া ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ।

১২ ডিচেম্বৰ ঃ হাজোত প্ৰথমখন অসমৰ লোক-আদালত উদ্বোধন। লোক-আদালত মুকলি কৰে উৰিষ্যা উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ডম্বৰুধৰ পাঠকে।

২৪ ডিচেম্বৰ ঃ গুৱাহাটীত উত্তৰ-পূবৰ প্ৰথমটো তাৰকাগৃহৰ আধাৰশিলা মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ দ্বাৰা স্থাপন।

২৬ ডিচেম্বৰ ঃ অসমীয়া কবি হৰেকৃষ্ণ ডেকালৈ ১৯৮৭ চনৰ সাহিত্য অকাদেমী বঁটা।

২৭ ডিচেম্বৰ ঃ দ্বিতীয় নেচনেল গেম্ছত টেবুল টেনিছত চেম্পিয়নশ্বিপ লাভ কৰি অসমৰ সোণৰ পদক অৰ্জন।

ভুগিছোঁ। অসম চৰকাৰৰ উচ্চতৰ পদত থাকি মই মোৰ নিজৰ বিষয়া আৰু জনসাধাৰণ আৰু নিজৰ সমষ্টিৰ মানুহকো নিৰাপত্তা দিব নোৱৰাৰ বাবে নৈতিক কাৰণত মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ বিচাৰিছোঁ, সেয়ে আপোনালোকে অসম বিধানসভাৰ বিধায়িনী দলৰ সভা আহ্বান কৰি মুখ্যমন্ত্ৰী পদৰ বাবে প্ৰাৰ্থী নিৰ্বাচিত কৰি ব্যৱস্থা ল'ব বুলি আশা কৰিলোঁ।'

দুয়োখন পদত্যাগপত্ৰৰ কথা শুনি মুহূৰ্ততে হুৱাদুৱা লাগিল। পদত্যাগৰ খবৰ বাহিৰলৈ যাবলৈ নিদি সেইদিনাই কেইঘণ্টামানৰ পিচতেই দুয়োজনক ১নং অতিথিশালালৈ অতুল বৰাই মাতি পঠিয়ালে, যাতে ইয়াৰ কিবা মীমাংসা কৰিব পাৰি।

অভিযোগ-প্ৰতিঅভিযোগৰ মূল কাৰণ আছিল আৰক্ষী সঞ্চালকপ্ৰধান নিশিনাথ চাংকাকতী। ফুকনৰ দাবী যে সঞ্চালকপ্ৰধানে গৃহ মন্ত্ৰী হিচাপে তেওঁক একো কথাই নজনায় আৰু কেতিয়াবা দেখাও নকৰে। তেওঁৰ অভিযোগ যে মুখ্যমন্ত্ৰীৰ লগতে আন বহু লোকে জনাৰ পিচতহে তেওঁ নিজৰ বিভাগটোৰ কথা জানিব পাৰে।

মহন্তৰ কথা হ'ল যে মুখ্যমন্ত্ৰীৰ ওচৰলৈ আৰক্ষী সঞ্চালকপ্ৰধান আহিবই লাগিব। অৱশ্যে অতুল বৰাৰ হস্তক্ষেপত এইবাৰলৈ দুয়োৰে যুদ্ধ শাম কাটিলে। দুয়ো সেইদিনাই পদত্যাগপত্ৰ উঠাই ল'লে আৰু বাহিৰত সাধাৰণ ৰাইজকো জানিবলৈ দিয়া নহ'ল।

দুয়োৰে ভিতৰুৱা যুদ্ধ কিন্তু অব্যাহত থাকিল। বৰঞ্চ বাঢ়িহে গ'ল। মহন্তৰ ভয় যে ফুকনে তেওঁক ওফৰাব নেকি! ইফালে ফুকন আলফাৰ প্ৰতি নৰম বুলি অভিযোগ উঠি থাকিল।

আনহাতে অতুল বৰা আৰু বৃন্দাবন গোস্বামীৰ পুৰণি কাজিয়া চলিয়েই থাকিল। প্ৰত্যেকে ভাবে যে দলটোৰ তেৱেঁই শীৰ্ষনেতা। শিক্ষকৰ নিযুক্তিৰ পৰা দলীয় সিদ্ধান্তলৈ দুয়োজনে বাদানুবাদ কৰাৰ কোনো সুবিধা নেৰিলে। ইফালে অসম বিধানসভাৰ অধ্যক্ষ পুলকেশ বৰুৱা আৰু চৰকাৰৰ

১৯৮৮

৪ জানুৱাৰী : বিশিষ্ট সংস্কৃত পণ্ডিত আৰু সাহিত্যিক আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ ৭৭ বছৰ বয়সত মৃত্যু।

● এবছুৰ আহ্বানত কোকৰাঝাৰত এক বিশাল সমাৱেশ আৰু শোভাযাত্ৰা উলিওৱা হয়।

৫ জানুৱাৰী : ক্ৰীড়াক্ষেত্ৰত পাৰদৰ্শিতাৰ স্বীকৃতিস্বৰূপে ৰাজ্য চৰকাৰৰ 'লাচিত বঁটা' প্ৰদান কৰাৰ ব্যৱস্থা।

৯ জানুৱাৰী : হৰেকৃষ্ণ ডেকা, বিশ্বনাৰায়ণ শাস্ত্ৰী আৰু নেপালী সাহিত্যক লীল বাহাদুৰ চেত্ৰীলৈ ১৯৮৭ চনৰ সাহিত্য অকাদেমী বঁটা প্ৰদান। সাহিত্য অকাদেমীৰ বাছনিত একেখন ৰাজ্যৰ তিনিজন ব্যক্তিয়ে তিনিটা পৃথক পৃথক ভাষাৰ বাবে পুৰস্কাৰ পোৱাটো ১৯৮৭ চনত প্ৰথম।

১১ জানুৱাৰী : কোকৰাঝাৰ জিলাৰ পৰা জনজাতিবিৰোধী বিষয়া বদলিৰ বাবে ১২ ঘণ্টীয়া কোকৰাঝাৰ বন্ধ পালন। আৰক্ষীৰ গুলীত কাচিকট্টাত (চিদলী) চৰ্কা নাৰ্জাৰীৰ থিতাতে মৃত্যু।

১৮ জানুৱাৰী : এবছুৰ সভাপতি উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ ৰাষ্ট্ৰপতি আৰ ভেংকটৰমণক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ।

২২ জানুৱাৰী : এবছুৰ পাঁচজনীয়া প্ৰতিনিধিৰ দলে কেন্দ্ৰীয় গৃহ মন্ত্ৰীক স্মাৰকপত্ৰ প্ৰদান কৰে।

● ভূপেন হাজৰিকাক লোকসংগীতৰ বাবে ১৯৮৭ চনৰ সংগীত নাটক একাদেমী বঁটা প্ৰদান।

২৫-২৭ জানুৱাৰী : কৰ্তব্যৰত নিৰাপত্তাৰক্ষীয়ে কোকৰাঝাৰ জিলাৰ ভূমকাত দহগৰাকী বড়ো মহিলাক বলাৎকাৰ কৰে। সমগ্ৰ দেশতে ই জঘন্য ঘটনা বুলি আখ্যায়িত হয়।

২ ফেব্ৰুৱাৰী : শ্ৰীশ্ৰীশংকৰদেৱ কলাক্ষেত্ৰৰ আধাৰশিলা অসমৰ ৰাজ্যপাল ভীষ্মনাৰায়ণ সিঙৰ দ্বাৰা স্থাপন।

১০-১১ ফেব্ৰুৱাৰী : এবছুৰ উদ্যোগত দুদিনীয়াকৈ জিলা, মহকুমা আৰু উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয়ৰ সন্মুখত গণসমাৱেশ আৰু ধৰ্মঘট পালন কৰা হয়।

১২ ফেব্ৰুৱাৰী : গুৱাহাটীৰ নিউ ফিল্ডত এন আই এছৰ প্ৰস্তাৱিত উত্তৰ-পূৰ্বাঞ্চল ক্ৰীড়া প্ৰশিক্ষণ কেন্দ্ৰৰ

শীতল যুদ্ধই চৰম সীমা পাইছিলগৈ আৰু এটা সময়ত বৰুৱাই চৰকাৰখনকেই অস্থিৰ কৰিব পাৰে বুলি শংকা কৰা হৈছিল।

অসম গণ পৰিষদৰ প্ৰথমটো কালৰ শেষৰটো বছৰ আছিল অশান্তি আৰু বাদ-বিবাদেৰে ভৰা। ইয়াৰ মূল কাৰণ আছিল তিনিটা—

(১) দলীয় অন্তৰ্কলহ,

(২) আলফাৰ শক্তি বৃদ্ধি আৰু

(৩) বড়োসকলৰ হিংসাত্মক আন্দোলন।

আলফাৰ শক্তি বৃদ্ধিয়ে দিনকদিনে আইন-শৃংখলাৰ লগত জড়িত অনুষ্ঠানবোৰক চিন্তিত কৰি তুলিছিল। স্বাধীন অসম বিচৰা আলফাৰ লগত যে অগপ চৰকাৰৰ কেইবাজনো মন্ত্ৰীৰ সুসম্পৰ্ক আছিল সেয়া সকলোৰে জনাজাত আছিল। ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে ধৰিব পাৰিছিল আগন্তুক বিপদৰ কথা। সেই কাৰণে অসম আৰক্ষীক কঠোৰ হ'বলৈ কোৱা হৈছিল। বহু ক্ষেত্ৰত কঠোৰ হ'বলৈ দিয়া নাছিল অগপৰ একাংশ মন্ত্ৰীয়ে আৰু সেই কাৰণেই আৰক্ষী সঞ্চালকপ্ৰধানে গৃহ মন্ত্ৰীক এৰাই মুখ্যমন্ত্ৰীৰ লগত আলচ কৰি নিজাকৈ সিদ্ধান্ত ল'বলৈ চেষ্টা কৰিছিল।

সেই একেটা কাৰণতেই মহন্তই গৃহ বিভাগৰ পৰা ফুকনক আঁতৰাবলৈ পাং পাতিলে। আৰু ঠিক সেই একে সময়তে অদক্ষতাৰ কাৰণে বৃন্দাবন গোস্বামীকো শিক্ষা বিভাগৰ পৰা আঁতৰাব খোজা হ'ল। কিন্তু মহন্তই সিদ্ধান্ত ল'ব পৰা নাছিল বা সিদ্ধান্ত ল'বলৈ দিয়া হোৱা নাছিল।

তাৰ মাজতে ১৯৯০ চনৰ ২৮ জানুৱাৰীত অসম মন্ত্ৰীসভাৰ চতুৰ্থবাৰলৈ সম্প্ৰসাৰণ কৰা হয়। ছজন নতুন মুখেৰে মন্ত্ৰীসভাৰ কলেৱৰ হয়গৈ ৩২জনীয়া। কেবিনেট পৰ্যায়ৰ শপত গ্ৰহণ কৰা মন্ত্ৰীসকল হ'ল— ৰেখাৰাণী দাস বড়ো, থানেশ্বৰ বড়ো, বিৰাজ কুমাৰ শৰ্মা, গিৰীন্দ্ৰ কুমাৰ বৰুৱা, হবিবুৰ ৰহমান আৰু অনিৰুদ্ধ সিংহ চৌধুৰী। আন ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীসকল হ'ল— দ্বীপেন তাঁতী, উৎপল দত্ত, কমলা কলিতা আৰু কুমাৰ

আধাৰশিলা কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মাৰ্গাৰেট আলভাৰ দ্বাৰা স্থাপন।

১৪ ফেব্ৰুৱাৰী ঃ বঙাইগাঁও চহৰত বোমা বিস্ফোৰণ, ১৭জনৰ মৃত্যু।

১৫ ফেব্ৰুৱাৰীঃ অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকলৈ পাঁচজন উপ-সভাপতি নিৰ্বাচিত। তেওঁলোক হ'ল— থানেশ্বৰ বড়ো, বৃন্দাবন গোস্বামী, চন্দ্ৰ আৰন্ধৰা, আতাউৰ ৰহমান আৰু ললিত চন্দ্ৰ ৰাজখোৱা।

১৭ ফেব্ৰুৱাৰী ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, জ্ঞানপীঠ বঁটা বিজয়ী বিশিষ্ট সাংবাদিক-সাহিত্যিক ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য সাহিত্য অকাদেমীৰ সভাপতি নিৰ্বাচিত। এনে সন্মান লাভ কৰা তেওঁ প্ৰথম অসমীয়া। তেওঁ সপ্তমজন সভাপতি।

২২ ফেব্ৰুৱাৰী ঃ বিশিষ্ট শিক্ষাবিদ, অসম সাহিত্য সভাৰ ভূতপূৰ্ব সভাপতি ত্ৰৈলোক্য নাথ গোস্বামীৰ মৃত্যু।

২৬ ফেব্ৰুৱাৰী ঃ যোৰহাটত ইনষ্টিটিউট ফৰ বায়'টেকন'লজী এণ্ড জিঅ'টেকনিক ষ্টাডিজ নামৰ উচ্চ গৱেষণা প্ৰতিষ্ঠান স্থাপনৰ সিদ্ধান্ত।

২৭ ফেব্ৰুৱাৰী ঃ অসম চুক্তি ৰূপায়ণৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে দেখুওৱা অৱহেলাৰ প্ৰতিবাদত ৬০ ঘণ্টীয়া খাৰুৱা তেল অৱৰোধ।

● ৰাজ্যৰ আইন মন্ত্ৰী সুৰেন্দ্ৰনাথ মেধিৰ দ্বাৰা গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ত আইন সাহায্য ক্লিনিক উদ্বোধন।

৭ মাৰ্চ ঃ নগাঁৱৰ ৰহাত ৰহা মীন মহাবিদ্যালয় ভৱন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই। এইখন ভাৰতৰ ভিতৰত সপ্তম মীন মহাবিদ্যালয়। উত্তৰ-পূৰ্বাঞ্চল আৰু অসমৰ ভিতৰত ই প্ৰথম।

১৪ মাৰ্চ ঃ ধুবুৰী জিলাত অসম-বাংলাদেশ সীমান্তত অসম পুলিচ বেটেলিয়নৰ লোকেৰে ১৫টা অনুপ্ৰৱেশবিৰোধী পহৰা চকী স্থাপন কৰিবলৈ অসম চৰকাৰৰ সিদ্ধান্ত।

১৬ মাৰ্চ ঃ অসম আন্দোলনৰ শ্বহীদৰ পৰিয়ালক এককালীন সাহায্য হিচাপে ২০ হাজাৰ টকাকৈ অসম চৰকাৰক দিবলৈ কেন্দ্ৰই নীতিগতভাৱে মানি লয়।

৩০ মাৰ্চ ঃ অবৈধ প্ৰব্ৰজন (ন্যায়াধিকৰণৰ দ্বাৰা নিৰ্ধাৰণ) আইনখন

দীপক দাস।

কিন্তু মন্ত্ৰীসভাৰ শপতগ্ৰহণলৈ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকন নাহিল। তেওঁৰ আচৰণে স্পষ্ট কৰি দিলে যে এই সম্প্ৰসাৰণত তেওঁ সুখী নহয়। পিছদিনা অৰ্থাৎ ২৯ জানুৱাৰীৰ দিনা সংবাদমেল পাতি মহন্তই জনালে যে চৰকাৰ গঠন হোৱাৰ দিনৰে পৰা তেওঁ ফুকনৰ পৰা কোনো সহযোগ পোৱা নাছিল। এজন মুখ্যমন্ত্ৰীয়ে গৃহ মন্ত্ৰীজনৰ আচৰণ সন্দৰ্ভত ৰাজহুৱাকৈ অভিযোগ অনাটো আছিল অসমৰ ৰাজনৈতিক ইতিহাসৰ এক অভূতপূৰ্ব ঘটনা।

এক আচৰিত অৱস্থা। মুখ্যমন্ত্ৰী এজনে নিজৰে চৰকাৰৰ গৃহ মন্ত্ৰীৰ বিৰুদ্ধে সংবাদমেল পাতিছিল। ভৃগু কুমাৰ ফুকনেও এৰি দিয়া নাছিল। মহন্তৰ অভিযোগৰ প্ৰত্যুত্তৰ দিলে। তেওঁৰ মতে গৃহ মন্ত্ৰীগৰাকী মুখ্যমন্ত্ৰীৰ বেয়া কামৰ অংশীদাৰ হ'ব নোৱাৰে।

মুঠতে দলীয় অন্তৰ্কলহে চৰম অৱস্থা পাইছিলগৈ। সকলোৱে বুজিছিল যে চৰকাৰে নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছে। মহন্তৰ দল বা চৰকাৰৰ ওপৰত কোনো নিয়ন্ত্ৰণ নাই। সঁচা অৰ্থত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই যেনেকৈ বিষয়াবৰ্গৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই আনিছিল, ঠিক তেনেকৈ নিজৰ দলৰ নেতা, বিধায়ক আৰু মন্ত্ৰীসকলৰ ওপৰতো নিয়ন্ত্ৰণ হেৰুৱাইছিল। কোনেও কাৰো কথা নুশুনা এটা অৱস্থা।

মুখ্যমন্ত্ৰী মহন্তই বিধায়ক নোহোৱা সত্বেও হবিবুৰ ৰহমানক মন্ত্ৰী পাতিছিল। আকৌ ছমাহৰ ভিতৰত নিৰ্বাচিত হ'ব নোৱাৰিলে কাৰণে হবিবুৰ ৰহমানে পদত্যাগ কৰিব বিচাৰিছিল। সম্পূৰ্ণ আজৱ ঘটনা। অসমৰ ইতিহাসত নজিৰবিহীন ঘটনা।

১৯৯০ চনৰ মাজভাগৰে পৰা অগপ চৰকাৰৰ এক নিয়ন্ত্ৰণহীন অৱস্থা। বিধায়ক আৰু মন্ত্ৰী পবীন্দ্ৰ ডেকাই এইবাৰ মুখ্যমন্ত্ৰী মহন্তৰ কুকীৰ্তিৰ অভিযোগ তুলি জেহাদ ঘোষণা কৰিলে। অকল তাতেই ক্ষান্ত নাথাকি

লোকসভাই অনুমোদন কৰে।

৭ এপ্ৰিল ঃ গোলাঘাট জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ হকাই টেকাছি গাঁৱৰ নগা লোকে এক, দুই আৰু তিনি নং ৰজাপুখুৰী গাঁৱৰ অধিবাসীৰ মাজত গুলীবৰ্ষণ কৰি ৩০জন লোকক নিহত আৰু ১০০জনক আহত কৰে।

১২ এপ্ৰিল ঃ গুৱাহাটীৰ চানমাৰি লেভেল ক্ৰছিঙৰ ওপৰেৰে নিৰ্মাণ হোৱা আনন্দৰাম বৰুৱা উৰণীয়া সেতু গড়কাপ্তানী মন্ত্ৰী অতুল বৰাৰ দ্বাৰা উদ্বোধন।

২৭ এপ্ৰিল ঃ এবছুৰ আহ্বানত তিনিদিনীয়া অসম বন্ধৰ আহ্বান। বন্ধৰ কালছোৱাত কেতবোৰ হিংসাত্মক ঘটনাৰ অভিযোগ। বন্ধৰ আৰম্ভণিৰ দিনাই গোসাঁই গাঁৱৰ নিকটৱৰ্তী ৰংগাপাৰাত গুঞ্জাৰ বসুমতাৰী (২৮) নামৰ এজনৰ থিতাতে মৃত্যু।

২০ মে' ঃ আছু আৰু এবছু (উ)ৰ মাজত গুৱাহাটী বিশ্ববিদ্যালয়ত যুটীয়া সভা অনুষ্ঠিত।

২৫ মে' ঃ বান নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যমন্ত্ৰী উৎপল দত্তক প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন মন্ত্ৰীসভাৰ পৰা বাদ।

২০ জুন ঃ এবছু নেতা উপেন ব্ৰহ্মৰ সৈতে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ আলোচনা।

২১ জুন ঃ দুলীয়াজানৰ 'অইল ইণ্ডিয়া'ৰ উচ্চ জনসম্পৰ্কৰক্ষী বিষয়া পি কে ভি ৰামমূৰ্তিক গুলীয়াই হত্যা।

২৮ জুন ঃ গুৱাহাটীক সদৰ হিচাপে লৈ ৰাজ্যখনৰ বাবে সুকীয়াকৈ গঠন কৰা 'অসম ডাক চাৰ্কোল' কেন্দ্ৰীয় গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী সন্তোষমোহন দেৱৰ দ্বাৰা উদ্বোধন।

- বৰপেটাৰ 'দিলীপ' চিনেমা হলৰ সন্মুখত সন্ধিয়া ৭.৪৫ বজাত বোমা বিস্ফোৰণ। শক্তিশালী এই বিস্ফোৰণত বিস্তৰ ক্ষয়ক্ষতি হোৱাৰ উপৰি ৮জন লোক নিহত হয়। আহতৰ সংখ্যা ৮৪।

৯ জুলাই ঃ পুৱা ১০.২৭ বজাত বঙাইগাঁও ৰে'ল ষ্টেচনৰ ৩ নম্বৰ প্লেটফৰ্মত ৰৈ থকা ২৯ নং উজনিমুৱা ধুবুৰী যাত্ৰীবাহী ৰে'লৰ এটা দবাত বোমা বিস্ফোৰণ। দবাটোত কোনো লোক নাছিল বাবে বিশেষ ক্ষতি নহ'ল।

১০ জুলাই ঃ নগাঁৱৰ এটা চিনেমা হলৰ সন্মুখত নিশা প্ৰায় ৯.৩০ বজাত সংঘটিত এটা শক্তিশালী বোমা

মহন্তৰ বিৰুদ্ধে অনশনো কৰিছিল পবীন্দ্ৰ ডেকাই।

তাৰেই উত্তৰ আহিছিল ২৬ মাৰ্চত। যি পবীন্দ্ৰ ডেকাই পাটাছাৰকুছি সমষ্টিৰ পৰা সৰ্বাধিক ভোট পাই বিধায়ক হৈছিল, সেই পবীন্দ্ৰ ডেকা মাথোঁ পাঁচ বছৰৰ ভিতৰতে ১৯৯০ চনৰ ২৬ মাৰ্চত দলৰ পৰা বহিষ্কৃত হ'ল।

অগপ যেন নিজে বদ্ধপৰিকৰ হৈ পৰিছিল নিজকে ধ্বংস কৰিবৰ কাৰণে। ১৯৯০ চনৰ ১৬ মে'ৰ দিনা পঞ্চমবাৰৰ বাবে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰি ইয়াক বঢ়াই নি ৩৪জনীয়া কৰিছিল।

নতুন মন্ত্ৰী তিনিজন হ'ল— দিগেন বৰা, নগেন শৰ্মা আৰু প্ৰবীণ গগৈ। কেবিনেট মন্ত্ৰী নগেন শৰ্মাক শক্তি আৰু দিগেন বৰাক সমবায় দপ্তৰ আৰু ৰাজ্যিক মন্ত্ৰী প্ৰবীণ গগৈক আইন, ন্যায় আৰু বন বিভাগ অৰ্পণ কৰা হয়।

কিন্তু এইবাৰৰ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা কাৰ্যৰ বিৰোধিতা কৰিলে সদৌ অসম ছাত্ৰ সন্থাই। মুঠতে এক চৰম অস্বস্তিকৰ পৰিস্থিতি। কেবিনেট মিটিঙতে মন্ত্ৰী প্ৰবীণ গগৈয়ে নিজৰেই সতীৰ্থ ৰেখাৰাণী দাস বড়োক অশালীন ব্যৱহাৰ কৰিলে আৰু তাৰ ফলত ২৫ জুলাইৰ দিনা প্ৰবীণ গগৈক অব্যাহতি দিয়া হ'ল।

এই ধৰণৰ আজৱ ঘটনা আৰু অন্তৰ্দলীয় কলহত জৰ্জৰিত অগপ চৰকাৰৰ হাতত আছিল দুটা সমস্যা, যি দুটাত অগপ চৰকাৰে কোনোধৰণৰ গুৰুত্ব নিদিলেও পৰৱৰ্তী দশক দুটাত সেয়াই অসমৰ সমস্যা হিচাপে মূৰ দাঙি উঠিলে।

প্ৰথমটো বড়ো সমস্যা আৰু দ্বিতীয়টো আলফা সমস্যা। দুয়োটা সমস্যাকে অৱশ্যে সমস্যা হিচাপে লোৱা নাছিল অগপ চৰকাৰে। যি অসম চুক্তিৰ আধাৰত অগপ চৰকাৰ গঠন হৈছিল, সেই চুক্তিকো পাহৰি পেলাইছিল অগপই।

অসম চুক্তিক বিৰোধিতা কৰাৰে পৰা ছেবা চাৰ্কুলাৰলৈ সকলোতে

বিস্ফোৰণত প্ৰায় ৫০জন লোক গুৰুতৰভাৱে আহত হয়।

১০-১৫ জুলাই : আজিৰ পৰা এবছু (উ)ৰ আহ্বানত ১০০ ঘণ্টীয়া অসম বন্ধ আৰম্ভ। এই বন্ধ, জনজাতীয় এলেকাৰ পৰা ১৪৪ ধাৰা প্ৰত্যাহাৰ আৰু আটকবন্দীৰ মুক্তিৰ প্ৰতিশ্ৰুতি চৰকাৰে পালন নকৰাৰ প্ৰতিবাদত আহ্বান কৰা হৈছে বুলি জনায়। বন্ধৰ কালছোৱাত বহুবোৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হয়। অসম পৰিবহণ নিগমৰ এখন নৈশবাছলৈ দলগাঁও আৰু ৰৌতাৰ মাজত লালপুৰ বীজপামৰ ওচৰত নিশা প্ৰায় ১.৩০ বজাত বোমা নিক্ষেপ কৰাত বিস্তৰ ক্ষয়ক্ষতি হোৱাৰ লগতে চালকজন গুৰুতৰভাৱে আহত হয়।

১ আগষ্ট : নগাঁৱৰ হয়বৰগাঁৱৰ লাওখোৱা পথৰ এছ এছ খাটোৱাৰ দোকানৰ গাদীত বোমা বিস্ফোৰিত হৈ দুজন লোক আহত হয়।

২ আগষ্ট : এবছুৱে আৰক্ষীৰ অত্যাচাৰৰ বিৱৰণী 'এমনেষ্টী ইণ্টাৰনেচনেল'ক দিয়ে।

৬ আগষ্ট : ১৯৫০ চনৰ পিচত বৃহত্তম ভূঁইকঁপৰ জোকাৰণি। লামডিং-ডিফুৰ মাজৰ একাংশ ৰে'লপথ বহি যায়। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ লাকুৱা আৰু নামৰূপ কেন্দ্ৰৰ ক্ষতি। চাৰিজনৰ মৃত্যু।

৮ আগষ্ট : ৰাষ্ট্ৰীয় জনমৰ্চা দলত অগপ চৰকাৰৰ যোগদান।

১৬ আগষ্ট : অসমীয়া চলচ্চিত্ৰ 'হালধীয়া চৰায়ে বাওধান খায়'ক ৪১ সংখ্যক লোকাৰ্নো আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত দ্বিতীয় শ্ৰেষ্ঠ ছবিৰ স্বীকৃতি।

● অসমীয়া চলচ্চিত্ৰ 'হালধীয়া চৰায়ে বাওধান খায়'ৰ মূল চৰিত্ৰত অভিনয় কৰা ইন্দ্ৰ বণিয়াক ছুইজাৰলেণ্ডৰ লোকাৰ্নোত ৪১সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ অভিনেতা বঁটা।

৮ ছেপ্টেম্বৰ : ডিব্ৰুগড় চহৰৰ পৰা ১৫ কিলোমিটাৰ নিলগত হোৱা এটা নাও দুৰ্ঘটনাত কমেও ১৪জন স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ সলিল সমাধি।

১৭ ছেপ্টেম্বৰ : বড়ো নিৰাপত্তা বাহিনীৰ দুজন লোকক গুৱাহাটী আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

২৩ ছেপ্টেম্বৰ : ১৯৮৮ চনৰ বাবে প্ৰতিমা পাণ্ডে বৰুৱালৈ সংগীত নাটক

তীব্ৰ বিৰোধিতা কৰি নিখিল বড়ো ছাত্ৰ সন্থাই যি সময়ত বড়ো জাতীয়তাবাদী সত্তাটো গঢ়ি আনিছিল তেতিয়া অগপ চৰকাৰে বড়ো সমস্যাটোক মাথোঁ কংগ্ৰেছৰ অগপক অস্থিৰ কৰি ৰখাৰ ষড়যন্ত্ৰৰ এটা অংশ বুলি ভাবি লৈছিল।

বড়ো সমস্যা সমাধানত গুৰুত্ব দিয়াৰ পৰিৱৰ্তে অগপ চৰকাৰে নিখিল বড়ো ছাত্ৰ সন্থা (উপেন ব্ৰহ্ম), চৰণ নাৰ্জাৰী পৰিচালিত পি টি চি এ আৰু এবছুৰ ৰামচিয়াৰী গোটৰ মাজত অৰিয়াঅৰি কৰাৰ চেষ্টা চলাই গ'ল।

মহন্তই ধৰিব নোৱাৰিলে যে পি টি চি এ আৰু এবছুৰ (ৰামচিয়াৰী) নিজৰেই ভৰিৰ তলৰ মাটি কমি আহিছে। যাৰ ফলত বড়োভূমিত হিংসাত্মক কাৰ্যকলাপ বাঢ়ি গ'ল। অগপবিদ্বেষো বাঢ়ি গ'ল আৰু উপেন্দ্ৰ ব্ৰহ্মৰ এবছু গোটে বড়ো আন্দোলনৰ নেতৃত্বৰ বাঘজৰী নিজৰ হাতলৈ আনিলে।

এইটো সত্য যে হিতেশ্বৰ শইকীয়াই অগপ চৰকাৰক অস্থিৰ কৰি ৰাখিব বিচাৰিছিল আৰু বড়ো আন্দোলনে তেওঁক এক সুৱৰ্ণ সুযোগ আনি দিছিল। সেই সুযোগ হিতেশ্বৰ শইকীয়াই এৰা নাছিল। যাৰ ফলত আন্দোলনকাৰীসকলৰ লগত কংগ্ৰেছৰ ঘনিষ্ঠতা বাঢ়ি গৈছিল আৰু অগপ হৈ পৰিছিল দুয়োফালৰ পৰা এক নম্বৰ শত্ৰু।

তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী আৰু কেন্দ্ৰৰ হেঁচাত বড়ো আলোচনা আৰম্ভ হৈছিল যদিও অগপ চৰকাৰে ইয়াৰ আশুসমাধান বিচৰা নাছিল। যাৰ কাৰণে সমগ্ৰ বড়োভূমিতে হিংসাত্মক কাৰ্যকলাপ বাঢ়ি গৈছিল। বোমা বিস্ফোৰণ, অপহৰণ, চৰকাৰী কাৰ্যালয় আক্ৰমণ আদিয়ে সমগ্ৰ বড়োভূমি অস্থিৰ কৰি তুলিছিল।

দীঘলীয়া ৰে'ল আৰু পথ অৱৰোধেৰে বড়ো আন্দোলনকাৰীসকলে উত্তৰ-পূৰ্বাঞ্চলৰ সমগ্ৰ যোগাযোগ ব্যৱস্থাটোকে তচ্‌নচ্‌ কৰি দিছিল। যাৰ

একাদেমী বঁটা।

২৭ ছেপ্টেম্বৰ : এবছৰ লগত চৰকাৰৰে হোৱা আলোচনাত বড়ো ছাত্ৰ সন্থাটোৰ মুঠ ৩৫টা দাবীৰ ভিতৰত কেইটামানৰ সমাধান।

৯ অক্টোবৰ : হাজোৰ পৰা পাঁচ কিলোমিটাৰ দূৰৰ চৰাবৰী গাঁৱত হোৱা বাছ দুৰ্ঘটনাত মহিলা-শিশুসহ ৪০জন লোকৰ মৃত্যু।

১৫ অক্টোবৰ : বিশিষ্ট ব্যৱসায়ী আৰু কামৰূপ চেম্বাৰ্ছ অব কমাৰ্চৰ প্ৰাক্তন সভাপতি গিৰিধাৰিলাল হৰলালকাক গুলীয়াই হত্যা।

১৯ অক্টোবৰ : গুৱাহাটীৰ পৰা কেইকিলোমিটাৰমান নিলগত দুৰ্গম পাহাৰত হোৱা বায়ুদুত বিমান দুৰ্ঘটনাত বিমানত থকা ৩৪জন যাত্ৰী নিহত। বিমানখন শিলচৰৰ পৰা গুৱাহাটীলৈ আহিছিল।

২২ অক্টোবৰ : মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ মন্ত্ৰীসভাৰ পৰা ১২জনক বাদ দি নতুনকৈ ৭জনক লোৱা হয়। বাদ পৰা মন্ত্ৰীসকল হ'ল— দিগেন বৰা, ললিত ৰাজখোৱা, চন্দ্ৰমোহন পাটোৱাৰী, বিৰাজ শৰ্মা, পবীন্দ্ৰ ডেকা, নগেন শৰ্মা, অভিজিৎ শৰ্মা, দীপেন তাঁতী, কামাখ্যাচৰণ চৌধুৰী, প্ৰদীপ গগৈ আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা। অন্তৰ্ভুক্ত হয়— জয়নাথ শৰ্মা, দেৱ কুমাৰ বৰা, গুণীন হাজৰিকা, গণেশ কুটুম, হলিৰাম তেৰাং, দিলীপ শইকীয়া সোণোৱাল আৰু দুৰ্গাদাস বড়ো।

৩১ অক্টোবৰ : কোকৰাঝাৰৰ পৰা ৩০ কিলোমিটাৰ নিলগৰ পাটিগাঁৱত ভৈয়াম জনজাতি পৰিষদৰ নেতা চৰণ ব্ৰহ্মৰ দেহৰক্ষী প্ৰবীৰ তালুকদাৰক গুলীয়াই আহত।

৮ নৱেম্বৰ : বড়ো পিপল্‌ছ একচন কমিটী (বি পি এ চি) দোতমাৰ সুৰ্যখাটাৰ এখন বৈঠকত গঠন হয়। তাত কৰেন্দ্ৰ বসুমতাৰী আৰু চাণ্ডুমা খুংগুৰ বিছমুতিয়াৰী সভাপতি আৰু মুখ্য আহ্বায়ক ৰূপে নিৰ্বাচিত হয়।

২ ডিচেম্বৰ : ভাৰতীয় বিমানবাহিনীৰ দুখন বিমানৰ চাবুৱাৰ পৰা ৪ কিলোমিটাৰ আঁতৰৰ হাতীআলি চাহ বাগিচাৰ আকাশমাৰ্গত হোৱা মুখামুখি সংঘৰ্ষত দুজনৰ মৃত্যু।

১৬ ডিচেম্বৰ : অসম গণ পৰিষদ দলে প্ৰাক্তন স্বাস্থ্য মন্ত্ৰী চন্দ্ৰমোহন

ফলত এই আন্দোলনটোক চম্ভালিবলৈ অগপই অধিক হেঁচাৰ সন্মুখীন হৈছিল।

কংগ্ৰেছ চৰকাৰ কেন্দ্ৰত থকা সময়ছোৱাত অগপ চৰকাৰ বড়ো আন্দোলনৰ প্ৰতি কিছু নমনীয় আছিল যদিও বিশ্বনাথ প্ৰতাপ সিঙৰ নেতৃত্বাধীন নেচনেল ফ্ৰন্ট চৰকাৰ অহাৰ লগে লগেই অগপ চৰকাৰ আকৌ কঠোৰ হৈ উঠিল।

অগপ চৰকাৰৰ সবাতোকৈ ডাঙৰ সাফল্য আছিল কেন্দ্ৰৰ সাহায্যৰ পৰিগাঁথনি বদলোৱা। বিশ্বনাথ প্ৰতাপ সিঙৰ চৰকাৰৰ দিনত (য'ত দুজনকৈ অগপৰ মন্ত্ৰী আছিল), অগপই অসমক বিশেষ ৰাজ্য হিচাপে মান্যতা দিয়াই কেন্দ্ৰৰ সাহায্যকে ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণলৈ পৰিৱৰ্তন কৰিব পাৰিছিল। যাৰ ফল পৰৱৰ্তী চৰকাৰসমূহে আজিপৰ্যন্ত পাই আছে।

আনটো সমস্যা আছিল আলফা। সেইখিনি সময়তে আলফাৰ লগত অগপৰ ইমানেই সুসম্পৰ্ক আছিল যে আলফাক নিয়ন্ত্ৰণ কৰিব পৰাৰ চিন্তাই কাৰো মনলৈ অহা নাছিল। বৰঞ্চ ব্যৱসায়ীসকলে আলফাক অগপৰ 'বি' টীম বুলিয়েই ধৰি লৈছিল।

এয়া সত্য যে ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহৰ অবৈধ নিৰ্বাচনৰ পিচৰে পৰা অসম আন্দোলন স্তিমিত হৈ আহিছিল আৰু ১৯৮৩-৮৫ৰ ভিতৰত যিমানবোৰ বোমা ফুটিছিল সেই সকলো আলফাই ফুটাই আন্দোলনটো কোনোৰকম জীপ দি ৰাখিছিল। সেয়া মুকলিকৈ কোনেও স্বীকাৰ নকৰিলেও সত্য।

ঠিক তেনেকৈ ইউ এম এফ দলৰ সভাপতি কালীপদ সেনৰ হত্যা, হিতেশ্বৰ শইকীয়াৰ ভাতৃ ৰোহিতেশ্বৰ শইকীয়া আৰু আছাম ফ্ৰণ্টিয়াৰ টী কোম্পানীৰ পৰিচালন সঞ্চালক সুৰেন্দ্ৰ পালক আলফাই হত্যা কৰাৰ পিচত কেন্দ্ৰৰ ধৈৰ্যৰ বান্ধ কমি আহিছিল। কেন্দ্ৰই ধৰিব পাৰিছিল যে

পাটোৱাৰীক দলবিৰোধী কাৰ্যকলাপৰ অভিযোগত দলৰ প্ৰাথমিক সদস্য পদৰ পৰা নিলম্বিত কৰে।

১৮-২২ ডিচেম্বৰ ঃ ধুবুৰীৰ বাঁশবাৰীত অনুষ্ঠিত এবছুৰ ২০সংখ্যক অধিৱেশনত ৯২ দফীয়া দাবীচনদৰ পৰা ৮৯টা দাবী পৰিহাৰ কৰে। ইউনিয়ন টেৰিটৰীৰ দাবীটো ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভৈয়াম জনজাতিৰ বাবে পূৰ্ণ পৰ্যায়ৰ ৰাজ্যলৈ উন্নীত কৰা হয়। পৃথক ৰাজ্যৰ লগতে কাৰ্বি আংলঙত অ-কাৰ্বিৰ বাবে আঞ্চলিক পৰিষদ, ব্ৰহ্মপুত্ৰৰ দক্ষিণাঞ্চলত জিলা পৰিষদৰ দাবী কৰে। উপেন ব্ৰহ্ম এবছুৰ পুনৰ সভাপতি নিৰ্বাচিত হয়।

২২ ডিচেম্বৰ ঃ ড° লক্ষ্মীনন্দন বৰাৰৈ ১৯৮৮ চনৰ সাহিত্য অকাদেমী বঁটা। তেওঁ 'পাতাল ভৈৰৱী' নামৰ উপন্যাসখনৰ বাবে এই পুৰস্কাৰ লাভ কৰে।

২৫ ডিচেম্বৰ ঃ তেজপুৰৰ প্ৰবীণ নাগৰিক পুষ্পলাল উপাধ্যায়লৈ নেপালী ভাষাৰ কবিতা সংকলন 'উষা-মঞ্জৰী'ৰ বাবে সাহিত্য অকাদেমী বঁটা।

২৭ ডিচেম্বৰ ঃ উপেন ব্ৰহ্ম আৰু ৰবিৰাম ব্ৰহ্ম নেতৃত্বাধীন সংগঠন এবছুৱে অসমৰ ভৈয়াম জনজাতিসকলৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে পৃথক 'বড়োলেণ্ড' ৰাজ্য গঠনৰ দাবী তোলে।

২৮ ডিচেম্বৰ ঃ অসমৰ হোটেল ব্যৱসায়ৰ অন্যতম বাটকটীয়া যতীন্দ্ৰনাথ বেজবৰুৱাৰ মৃত্যু।

৩০ ডিচেম্বৰ ঃ সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰাৰ আৰ্হিক কেন্দ্ৰৰ অনুমোদন।

৩১ ডিচেম্বৰ ঃ শক্তি, হস্ততাঁত আৰু বস্ত্ৰৰ ৰাজ্যিক মন্ত্ৰী অতুল কোচৰ পদত্যাগ।

আলফাইহে অগপক নিয়ন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰিছে।

ইয়াৰ বাহিৰেও আছিল গুৱাহাটী শোধনাগাৰৰ মহাপ্ৰবন্ধকক অপহৰণ। এই সকলোবোৰলৈ চাই অসমৰ চাহ কোম্পানীসমূহৰ পৰা বিশাল পৰিমাণৰ ধন দাবী কৰাৰ পৰিপ্ৰেক্ষিতত 'ৰ' (RAW) নামৰ ভাৰতীয় চোৰাংচোৱা সংস্থাটোৱে উজনি অসমৰ পৰা চাহ বাগিচাৰ বিষয়া আৰু পৰিয়ালক অসম চৰকাৰক নজনোৱাকৈয়ে বিমানেৰে দিল্লীলৈ লৈ যায়গৈ। এয়া আছিল এখন নিৰ্বাচিত চৰকাৰৰ কাৰণে চৰম অপমান।

এইক্ষেত্ৰতে প্ৰমাণ পোৱা যায় যে নতুন দিল্লীয়ে অগপ চৰকাৰৰ ওপৰত সম্পূৰ্ণ আস্থা হেৰুৱাই পেলাইছিল আৰু ৰাজ্যিক চৰকাৰখনৰ প্ৰতি সততে সন্দেহৰ দৃষ্টি ৰাখিছিল।

আলফাৰ বিৰুদ্ধে অগপ চৰকাৰ নৰম হোৱাই নহয়, বৰঞ্চ আলফাই বহু পৰিমাণে পুলিচৰ অপাৰেচনবোৰৰ কথা আগতেই দিছপুৰৰ পৰা ভিতৰুৱাকৈ গম পাই গৈছিল। তথাপি নেচনেল ফ্ৰণ্ট চৰকাৰ থকা কাৰণেহে দৰাচলতে অগপ চৰকাৰ বৰ্তি আছিল।

অগপ চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকল দৰাচলতে আৱেগৰ ঢৌত নিৰ্বাচিত হৈ অহা কাৰণে তেওঁলোকে কিমান জনপ্ৰিয়তা হেৰুৱাইছে তাৰ উমান পোৱা নাছিল। সদৌ অসম ছাত্ৰ সন্থা আৰু আলফাৰ বোকোচাত উঠি আকৌ এবাৰ নিৰ্বাচনী বৈতৰণী পাৰ হ'ম বুলি অগপৰ নেতাসকলে ভাবিছিল যদিও তেওঁলোকৰ কাণ্ড-কাৰখানাই বিতুষ্ট কৰিছিল সাধাৰণ অসমীয়াক।

সদৌ অসম ছাত্ৰ সন্থাই কিন্তু ধৰিব পাৰিছিল যে অগপ এতিয়া আৰু ৰাইজৰ লগত নাই। সেই কাৰণেই ১৯৯০ চনৰ পৰা তদানীন্তন সম্পাদক সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই ক্ৰমান্বয়ে আছুক অগপৰ পৰা আঁতৰাই আনিলে। ইয়াৰ ফলত দলটোৱে নিৰ্বাচনত জয়লাভ কৰাৰ শেষ আশাকণো হেৰুৱাই পেলাইছিল আৰু দলটো হৈ পৰিছিল আৰু বিভ্ৰান্ত।

১৯৮৯

২৫ জানুৱাৰী ঃ 'সংযুক্ত লোক পৰিষদ' নামেৰে এটা নতুন আঞ্চলিক ৰাজনৈতিক দল গঠন। দলৰ সভাপতি নিবাৰণ বৰা আৰু সাধাৰণ সম্পাদক তপন ডেকা।

- বিশিষ্ট সাহিত্যিক ৰংবং তেৰাঙলৈ পদ্মশ্ৰী সন্মান।

২৯ জানুৱাৰী ঃ ড° বিশ্বনাৰায়ণ শাস্ত্ৰীলৈ ১৯৮৭ চনৰ ভাৰতীয় ভাষা পৰিষদৰ বঁটা। তেওঁ 'অবিনাশী' নামৰ গ্ৰন্থখনৰ বাবে এই বঁটা লাভ কৰে।

১১ ফেব্ৰুৱাৰী ঃ বঙাইগাঁৱৰ ঢালিগাঁৱৰ ওচৰৰ কাজলগাঁৱত এখন যাত্ৰীবাহী বাছৰ ভিতৰত হোৱা এটা শক্তিশালী বোমা বিস্ফোৰণত ১৭জনৰ মৃত্যু। ২২জন গুৰুতৰভাৱে আহত হয়।

১৫ ফেব্ৰুৱাৰী ঃ এবছু (উ)ৰ আহ্বানত ১২০ ঘণ্টীয়া অসম বন্ধ আৰম্ভ। কোকৰাঝাৰ জিলাত সামৰিক বাহিনীৰ ফ্লেগমাৰ্চ। কোকৰাঝাৰ আৰু দৰং জিলাৰ একাংশৰ বাহিৰে আন ঠাইত বন্ধৰ প্ৰভাৱ নাই।

- পুলিচৰ সৈতে বড়ো উগ্ৰপন্থীৰ সংঘৰ্ষ। দৰং জিলাত বন্ধৰ কালছোৱাত এটা বোমা বিস্ফোৰণ আৰু চাৰিটা অগ্নিসংযোগৰ ঘটনা সংঘটিত। পুলিচৰ দ্বাৰা বিস্ফোৰক সামগ্ৰী উদ্ধাৰ। কোকৰাঝাৰ জিলাত চাৰিখন দলং আৰু তিনিখন ডিজেল টেংকাৰত অগ্নিসংযোগ। ৯জন বড়ো উগ্ৰপন্থীক হত্যা।

১৬ ফেব্ৰুৱাৰী ঃ চেৰফাংগুৰি থানা এলেকাৰ এটা বন সংৰক্ষণ কেম্পত উগ্ৰপন্থীৰ আক্ৰমণ, গুলীয়াগুলি। তিনিজন উগ্ৰপন্থীক গ্ৰেপ্তাৰ। পাটগাঁৱৰ পশু চিকিৎসা কেন্দ্ৰৰ ঔষধৰ গুদামত বোমা বিস্ফোৰণ।

১৭ ফেব্ৰুৱাৰী ঃ কোকৰাঝাৰ জিলাৰ বামুণীকাটাত অসম গণ পৰিষদৰ আঞ্চলিক সভাপতি বিনোদ দত্ত বড়োক গুলীয়াই হত্যা। কোকৰাঝাৰৰ জলসিঞ্চন বিভাগৰ এজন কৰ্মচাৰীক হত্যা। এজন গুৰুতৰভাৱে আহত। দুজন বন বিভাগৰ কৰ্মচাৰীৰ মৃতদেহ উদ্ধাৰ। তিনিজন সন্ধানহীন। পুলিচৰ সৈতে হোৱা সংঘৰ্ষত এজন উগ্ৰপন্থী নিহত।

- কোকৰাঝাৰৰ অসম গণ পৰিষদৰ

সবাতোকৈ পৰিতাপৰ বিষয় যে বিদেশী ন্যায়াধিকৰণকেইখন স্থাপন কৰাৰ বাহিৰে অগপ চৰকাৰে নিজেই চুক্তি কৰা অসম চুক্তিখনৰ বিদেশী প্ৰসংগটোক লৈ বৰ বেছি আগ্ৰহ নেদেখুৱালে। যিখিনি কৰিলে সেয়া সম্পূৰ্ণ নিয়মমাফিকহে আছিল।

সাধাৰণ মানুহৰো বুজিবলৈ বাকী নাছিল যে আন্দোলনৰ নামত সাধাৰণ অসমীয়া মানুহক আৱেগিক কৰি সেই ঢৌৰ ওপৰতে খৰলুটি মাৰিছিল কিছু লুভীয়া, অপৰিপক্ক আৰু বদমেজাজী নেতাই, যাৰ মূল লক্ষ্য আছিল নিজ স্বাৰ্থসিদ্ধি আৰু ক্ষমতাৰ অপব্যৱহাৰ কৰি ধন ঘটা।

সেই কাৰণেই প্ৰত্যাশিতভাৱেই ৰাষ্ট্ৰপতি শাসনেৰে ভংগ কৰা হৈছিল অগপ চৰকাৰ। নেচনেল ফ্ৰণ্ট চৰকাৰ থকালৈকে অগপ চৰকাৰ বাচি আছিল; কিন্তু চন্দ্ৰশেখৰ প্ৰধানমন্ত্ৰী হোৱাৰ লগে লগে অগপৰ প্ৰথমখন চৰকাৰৰ বন্তি নুমুৱাই দিয়া হৈছিল। ১৯৯০ চনৰ ২৮ নৱেম্বৰত অসমত ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হয়।

ধ্বংস হৈ গৈছিল আঞ্চলিকতাবাদৰ সপোন। বুৰঞ্জীয়ে আৰু সাধাৰণ অসমৰ ৰাইজে কেতিয়াও নাপাহৰিব কিদৰে সামূহিক ভালপোৱা আৰু আৱেগক নেওচা দি এচাম অন্ধ স্বাৰ্থান্বেষী নেতাই এটা জাতিৰ সত্তাক লৈ পাঁচটা বছৰে খেলা খেলিছিল।

১৯৮৫ চনৰ পৰা ১৯৯০ চনৰ সেই দিনবোৰলৈ লুটিয়াই চালে আচৰিত লাগে কিদৰে দলাদলি কৰি এটা দলে ইমান কম সময়ৰ ভিতৰত নিজকে ধ্বংসৰ মুখলৈ লৈ যাব পাৰে। অগপই কিন্তু তাক নিয়াৰিকৈ সম্পন্ন কৰিছিল।

আঞ্চলিক সভাপতি বিনোদ দত্ত বড়োৰ হত্যাৰ খবৰ ল'বলৈ যোৱা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ গাড়ীলৈ উগ্ৰপন্থীৰ বোমা নিক্ষেপ। কিন্তু ৰক্ষণাবেক্ষণ দি যোৱা গাড়ীখনহে ক্ষতিগ্ৰস্ত হয়। বেংতলত উগ্ৰপন্থীৰ এটা দলে পুলিচৰ দললৈ বোমা নিক্ষেপ কৰে। পুলিচৰ সৈতে উগ্ৰপন্থীৰ সুদীৰ্ঘ চাৰি ঘণ্টাজুৰি গুলীয়াগুলিত এজন উগ্ৰপন্থী পুলিচৰ গুলীত নিহত।

● কোকৰাঝাৰৰ জিগ্নিবিল গাঁৱত বীৰেন নাৰ্জাৰী নামৰ এজন লোক উগ্ৰপন্থীৰ গুলীত নিহত। চিদলী থানাৰ অন্তৰ্গত এলেকাত বড়ো উগ্ৰপন্থীয়ে অগ্নি সংযোগ কৰিবলৈ চেষ্টা চলাওঁতে পুলিচে গুলী কৰে আৰু এজন বড়ো উগ্ৰপন্থীৰ মৃত্যু হয়।

● দৰং জিলাৰ খাগ্ৰাবাৰী ৰেচম পামৰ আটাইবোৰ গৰু বান্ধি বড়ো উগ্ৰপন্থীয়ে জুই লগাই দিয়ে। সন্ধিয়া প্ৰায় ৬ বজাত এহাজাৰমান উগ্ৰপন্থীৰ এটা দলে কোকৰাঝাৰৰ লৰিয়াপাৰাত পুলিচৰ দলটোক আক্ৰমণ কৰাত গুলীয়াগুলিৰ ঘটনা ঘটে। কোনো হতাহত হোৱা নাই যদিও পুলিচে উগ্ৰপন্থীৰ পৰা বহুসংখ্যক বন্দুক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। নিশা পানেৰী-ওদালগুৰি পথৰ খ্ৰীষ্টানপাৰা গাঁৱত বড়ো উগ্ৰপন্থীয়ে চাৰিখন কাঠৰ দলঙত অগ্নিসংযোগ কৰে।

১৮ ফেব্ৰুৱাৰী ঃ পুলিচৰ সৈতে হোৱা সংঘৰ্ষত ডাংতলত নিখিল বড়ো ছাত্ৰ সন্থাৰ সক্ৰিয় কৰ্মী এজনৰ মৃত্যু।

২১ ফেব্ৰুৱাৰী ঃ আজি পুৱা সামৰণি পৰা এবছু (উ)ৰ ১২০ ঘণ্টীয়া অসম বন্ধৰ কালছোৱাত কোকৰাঝাৰ জিলা আৰু ওদালগুৰি মহকুমাত ঘটা হিংসাত্মক ঘটনাত ৮জন বড়ো উগ্ৰপন্থীকে ধৰি মুঠ ১৫জন নিহত হয়। উগ্ৰপন্থীক সামৰিক প্ৰশিক্ষণ দিয়া আৰু কেতবোৰ হিংসাত্মক কাৰ্যত উগ্ৰপন্থীক নেতৃত্ব দিয়া সামৰিক বাহিনীৰ হাবিলদাৰ এজন পুলিচৰ দ্বাৰা কৰায়ত্ত। ৩৫জন বড়ো উগ্ৰপন্থী গ্ৰেপ্তাৰ।

১ মাৰ্চ ঃ অসমৰ টেবল টেনিছ খেলুৱৈ মনালিছা বৰুৱালৈ ১৯৮৭ চনৰ অৰ্জুন বঁটা।

২ মাৰ্চ ঃ পুৱা ৫ বজাৰ পৰা এবছু (উ)ৰ আহ্বানত ১৭৫ ঘণ্টীয়া অসম

অসম আন্দোলন আৰু আলফা

অসম আন্দোলন সংঘটিত হৈছিল অসম প্ৰদেশলৈ নিৰৱচ্ছিন্নভাৱে ঘটি থকা বহিৰাগতৰ প্ৰব্ৰজন ৰোধ কৰাৰ দাবী তথা অঞ্চলটোত আহি খোপনি পুতি লোৱা বিদেশীসকলক বহিষ্কাৰ কৰাৰ প্ৰসংগত। অসম আন্দোলনৰ নেতৃবৰ্গই, বিশেষকৈ সদৌ অসম ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ ফালৰ পৰা অসমৰ সমস্যাসমূহৰ এক সমাধান ভাৰতবৰ্ষৰ সাংবিধানিক গণ্ডীৰ ভিতৰতে হোৱাটো কামনা কৰিছিল। সেয়েহে এই আন্দোলনে প্ৰথমৰে পৰা ভাৰতবৰ্ষৰ সাংবিধানিক আওতাৰ মাজতে অসমৰ সমস্যাসমূহৰ সমাধান হোৱাটো সম্ভৱ বুলি বিশ্বাস কৰিছিল।

ইফালে সদৌ অসম ছাত্ৰ সন্থাৰ মজিয়াত দুই

বন্ধ আৰম্ভ। বিগত ১২০ ঘণ্টীয়া বন্ধত ৯জন বড়ো যুৱকৰ হত্যাৰ প্ৰতিবাদত এই বন্ধ পালন কৰা হয়।

● ওদালগুৰি মহকুমাৰ বামোৰাত পুলিচ আৰু বড়ো উগ্ৰপন্থীৰ মাজত সংঘৰ্ষত ৩জন উগ্ৰপন্থীৰ মৃত্যু, ৫জনক গ্ৰেপ্তাৰ।

৩ মাৰ্চ ঃ এবছুৰ ১৭৫ ঘণ্টাজোৰা বন্ধৰ কালছোৱাত আজি আবেলি ৩ বজালৈকে কোকৰাঝাৰ জিলাত ৩টা অগ্নিসংযোগৰ ঘটনা, ওদালগুৰি মহকুমাত দুটা হত্যাকাণ্ড, সাত ঠাইত অগ্নিসংযোগ আৰু অন্যান্য জিলাত এটি বোমা বিস্ফোৰণ, অস্ত্ৰ উদ্ধাৰ আৰু ১২জন বড়ো উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰা হয়।

৫ মাৰ্চ ঃ এবছু (উ)ৰ ১৭৫ ঘণ্টীয়া অসম বন্ধৰ চতুৰ্থ দিনা উগ্ৰপন্থীৰ হাতত আৰু তিনিজন নিহত। ইয়াকে ধৰি বন্ধৰ কালছোৱাত উগ্ৰপন্থী ৬জনকে ধৰি নিহতৰ সংখ্যা হ'লগৈ ১২। আনহাতে যোৱা ১০ ফেব্ৰুৱাৰীৰ পৰা নিহত লোকৰ সংখ্যা হ'লগৈ ৫১।

৯ মাৰ্চ ঃ এবছুৰ ১৭৫ ঘণ্টীয়া অসম বন্ধৰ আজি দুপৰীয়া সামৰণি পৰে। এই বন্ধৰ কালছোৱাত ১৬জনৰ মৃত্যু, ৬৩টা অগ্নিসংযোগ, ২৯টা বোমা বিস্ফোৰণ, পুলিচ আৰু নিৰাপত্তাৰক্ষীৰ ওপৰত ৪১বাৰ, সৰ্বসাধাৰণ ৰাইজৰ ওপৰত ১২বাৰ উগ্ৰপন্থীৰ আক্ৰমণ সংঘটিত হয়। আনহাতে এই বন্ধৰ কালছোৱাত পুলিচে ৯৬জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। নিহত হোৱা ১৬জন লোকৰ ভিতৰত ৮জন বড়ো উগ্ৰপন্থী আৰু ৭জন সাধাৰণ নাগৰিক।

১৪ মাৰ্চ ঃ দিনৰ ১১.২০ বজাত বঙাইগাঁৱৰ তিনি ঠাইত একেলগে তিনিটা শক্তিশালী বোমা বিস্ফোৰণ ঘটে। ১৭জন নিহত। আহত ৭২।

১৯ মাৰ্চ ঃ ওদালগুৰিৰ কলাইগাঁও বজাৰৰ বোমা বিস্ফোৰণত ১৮জন আহত হয়।

২৩ মাৰ্চ ঃ কোকৰাঝাৰ চেঁচাপানী ষ্টেচনৰ ওচৰত ৰে'লগাড়ীলৈ বোমা নিক্ষেপ। বিস্ফোৰণত আহত ২জন। ১৭খন মালবাহী ট্ৰাকত অগ্নিসংযোগ।

● শ্ৰীৰামপুৰ আৰু গোসাঁইগাঁৱৰ মাজত ৰে'ললাইনৰ চাৰ্জাৰ ফিচ বৰ্ল আঁতৰাই পেলোৱাত ৬৭নং উজনিমুৱা কাঞ্চনজংঘা এক্সপ্ৰেছ দুৰ্ঘটনাত পতিত হয়। ৩৯জন আহত।

ধৰণৰ ভাবাদৰ্শৰ লোকৰ সমাগম ঘটিছিল। ইয়াৰে এচাম ৰেডিকেল বাঁওপন্থী শিবিৰ চি পি আই (এম-এল)ৰ সদস্য আছিল আৰু সংগঠনটোক এই ভাবাদৰ্শৰ দ্বাৰা প্ৰভাৱিত কৰাৰ প্ৰয়াস কৰিছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, এনে কঠোৰ বাঁওপন্থী মতাদৰ্শৰ প্ৰভাৱাধীন হোৱাৰ বাবেই সদৌ অসম ছাত্ৰ সন্থাৰ সংবিধানখনত সমাজবাদ আদিৰ প্ৰসংগ আহিছিল। পৰৱৰ্তী সময়ত ছাত্ৰ সন্থাৰ ভিতৰত অসমীয়া সোঁপন্থী জাতীয়তাবাদীসকলৰ প্ৰভাৱ দৃঢ় হ'ল বাবে বাঁওপন্থীসকলে ছাত্ৰ সন্থা ত্যাগ কৰিবলৈ বাধ্য হ'ল আৰু কিছুসংখ্যকে অসম আন্দোলনৰ আদৰ্শগত তত্ত্বটোৰ ওপৰতে প্ৰশ্ন উত্থাপন কৰিবলৈ আৰম্ভ কৰিলে।

তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, সদৌ অসম ছাত্ৰ সন্থাৰ মঞ্চত যিসকল অসমীয়া জাতীয়তাবাদীৰ সমাৱেশ ঘটিছিল সেইসকলৰ মাজত বাঁওপন্থী বিৰাগ আছিল তীব্ৰ। কংগ্ৰেছ তথা আন আন অ-বাঁওপন্থী ৰাজনৈতিক দলৰ সৈতে সম্পৰ্ক ৰখা এই জাতীয়তাবাদীসকলে অসম আন্দোলনৰ জৰিয়তে অন্য এক বিকল্প ৰাজনৈতিক দলৰ গঠন সম্ভৱ বুলি মনে-প্ৰাণে বিশ্বাস কৰিছিল আৰু সেয়েহে প্ৰথমৰে পৰা আন্দোলনৰ একাংশই ভাৰতবৰ্ষৰ সাংবিধানিক গণ্ডীৰ ভিতৰত সমগ্ৰ কচৰৎ কৰাটো উচিত বুলি বিবেচনা কৰিছিল।

সদৌ অসম ছাত্ৰ সন্থাৰ মঞ্চৰ পৰা কট্টৰপন্থী বাঁও শিবিৰৰ লোকসকল আঁতৰি যোৱাৰ পিচতো কিন্তু সংগঠনটোৰ এচামে পৰম্পৰাগত আন্দোলনৰ পন্থাৰে অসমৰ সমস্যা সমাধান কৰিব নোৱাৰি বুলি বিশ্বাস কৰিছিল। একে সময়তে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ নিচিনা হিন্দু মৌলবাদী অনুষ্ঠানৰ দ্বাৰা আছুৰ নেতৃবৰ্গ প্ৰভাৱান্বিত হোৱা বিষয়টোৱেও আছুৰ ভিতৰত মৃদু-বৃহৎ ভালেখিনি জোকাৰণি তুলিছিল। গতিকে স্বাভাৱিকতে বিশ্বাসভংগৰ প্ৰক্ৰিয়া এটা আশীৰ দশকৰ আৰম্ভৰ পৰাই আন্দোলনকাৰীসকলৰ মাজত গা কৰি উঠা দেখা গৈছিল।

২৭ মাৰ্চ-৫ এপ্ৰিল ঃ ১৪ দিনীয়া অসম বন্ধ এবছুক অসম চৰকাৰে আলোচনালৈ নিমন্ত্ৰণ জনোৱা বাবে দহ দিনলৈ হ্ৰাস কৰা হয়। এবছুৱে আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি বিচাৰে।

১৭ এপ্ৰিল ঃ অসম চৰকাৰ আৰু বড়ো নেতৃবৃন্দৰ মাজৰ আলোচনা আৰম্ভ। কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি নথকা কাৰণে আলোচনা বিফল হয়।

● বিগত ২৪ ঘণ্টাত বড়ো উগ্ৰপন্থীৰ হাতত ৫জন লোকৰ মৃত্যু, ৬জন আহত।

২০ এপ্ৰিল ঃ অসম চৰকাৰৰ লগত দিছপুৰত এবছুৰ সৈতে তৃতীয়লানি আলোচনা হয়। আলোচনা ব্যৰ্থ।

২২ এপ্ৰিল ঃ কোকৰাঝাৰত যোৱা ২৪ ঘণ্টাত ৮জন বড়ো উগ্ৰপন্থীসহ ১১লোকৰ মৃত্যু।

২৩ এপ্ৰিল ঃ কোকৰাঝাৰত যোৱা ২৪ ঘণ্টাৰ ভিতৰত ৫ জন পুলিচ এজন হোমগাৰ্ডসহ বড়ো উগ্ৰপন্থীৰ দ্বাৰা ২০জনক হত্যা।

২৮ এপ্ৰিল ঃ ৰাজস্থানৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী হৰিদেৱ যোশী অসমৰ ৰাজ্যপাল হিচাপে নিযুক্ত।

৩০ এপ্ৰিল ঃ যোৱা ২৪ ঘণ্টাত কোকৰাঝাৰত বড়ো উগ্ৰপন্থীৰ দ্বাৰা দুজন নিহত, তিনিখন মালবাহী ট্ৰাকত অগ্নিসংযোগ।

● ৩৭২জন বড়ো উগ্ৰপন্থী পুলিচৰ দ্বাৰা আটক।

১ মে' ঃ যোৱা ২৪ ঘণ্টাত উগ্ৰপন্থীৰ দ্বাৰা ৫জন আহত। দুটা মৃতদেহ উদ্ধাৰ।

৬ মে' ঃ এবছু (উ)ৰ আহ্বানত ৩০০ ঘণ্টাজোৰা অসম বন্ধ আৰম্ভ।

১৩ মে' ঃ এবছুৱে আলোচনাৰ বাবে ৩৬০ ঘণ্টীয়া বন্ধ স্থগিত কৰে।

১ জুন ঃ বিশিষ্ট সাংবাদিক-সাহিত্যিক, শিক্ষাবিদ মহেশ চন্দ্ৰ দেৱগোস্বামীৰ দেহাৱসান। তেওঁ 'বিহলঙনী'ৰ উপৰি 'বাঁহী' আলোচনীৰ সম্পাদকৰ পদতো আছিল।

৭ জুন ঃ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট পণ্ডিত ড° মহেশ্বৰ নেওগলৈ ১৯৮৯ চনৰ বাবে শ্ৰীমন্ত শংকৰদেৱ বঁটা।

● বড়োভূমিক শান্ত কৰিবলৈ অসম বিধানসভাৰ সৰ্বদলীয় কমিটী গঠন। নেতৃত্বত অধ্যক্ষ পুলকেশ বৰুৱা।

যিসকল লোকে আছুৰ নেতৃবৰ্গৰ ওপৰত ক্ৰমাগতভাৱে আস্থা হেৰুৱাই এক বিকল্প ব্যৱস্থাৰে অসমৰ সমস্যাসমূহৰ স্থায়ী সমাধান হ'ব বুলি পতিয়ন গৈছিল সেইসকলৰ মাজত নিম্নোল্লিখিত ধাৰণা দুটা দকৈ গা কৰি উঠিছিল। এই ধাৰণা দুটা হৈছে এনেধৰণৰ—

প্ৰথমতে, অসমৰ যি অশান্তি বা বিক্ষোভ সেয়া নতুন দিল্লীৰ সমৃদ্ধিৰ সমানুপাতিক। অৰ্থাৎ অসমৰ সা-সম্পদ, ঐশ্বৰ্য আদিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ যিমানে সমৃদ্ধি বাঢ়িব, সিমানে অসম তথা অসমীয়াৰ অশান্তি বাঢ়ি গৈ থাকিব। এই পক্ষৰ পৰা ক'ব বিচৰা হৈছিল যে স্বৰাজোত্তৰ ভাৰতবৰ্ষত নতুন দিল্লীৰ পৃষ্ঠপোষকতাত যি এক আঞ্চলিক অসাম্যৰ সৃষ্টি কৰা হৈছে তাৰেই অৱধাৰিত পৰিণতি হৈছে এই আঞ্চলিক পৰ্যায়ত হোৱা অশান্তি বা বিদ্ৰোহ। উল্লেখ্য যে আলফাৰ মুকলি উত্থান হোৱাৰ আগলৈকে অসম আন্দোলনৰ নেতৃবৰ্গই এনেধৰণৰ আভ্যন্তৰীণ ঔপনিৱেশিকতাৰ বিষয়ে কোনো শব্দ উচ্চাৰণ কৰা নাছিল। অসম আন্দোলনৰ সমান্তৰালভাৱে বিকশিত আলফাৰ মঞ্চৰ পৰাহে প্ৰথমবাৰৰ বাবে এনে কথা উনুকিওৱা হৈছিল। তদুপৰি এই সংগঠনটোৱে মুকলিভাৱে বৈজ্ঞানিক সমাজবাদ, মাৰ্ক্সবাদী ধ্যান-ধাৰণাৰ কথা তেওঁলোকৰ বিবৃতিত উল্লেখ কৰিছিল।

দ্বিতীয়তে, অসমৰ ক্ষেত্ৰত হৈ থকা এনেকুৱা আভ্যন্তৰীণ ঔপনিৱেশিকতাৰ মূল গুৰি লুকাই আছে ভাৰতবৰ্ষৰ পুঁজিবাদী আৰ্থিক সামাজিক বিন্যাসটোত। অৱশ্যে পৰৱৰ্তী সময়ত আলফাই এই তত্ত্বটোৰ ব্যাপক ব্যাখ্যা আগবঢ়াবলৈ সমৰ্থ হোৱা নাছিল।

গতিকে দেখা যায় যে অসম আন্দোলনৰ আদৰ্শগত ভিত্তিটোত থকা কেইবাটাও সুৰুঙাৰ অজুহাত লৈয়েই অসম আন্দোলনৰ সৈতে জড়িত কিছুসংখ্যক লোক তথা কট্টৰ বাঁওপন্থাত বিশ্বাসী এচামে এক সশস্ত্ৰ পন্থাৰ জৰিয়তেহে অসমৰ সামগ্ৰিক সমস্যাৰ সমাধান সম্ভৱ বুলি ক'বলৈ চাইছিল। পৰৱৰ্তী সময়ত অসম আন্দোলনৰ সমাপ্তিৰ পিচত বিভিন্ন কাৰণত

৮ জুন ঃ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ বড়ো সমস্যাক লৈ উদ্বিগ্নতা প্ৰকাশ। ৰাজ্য চৰকাৰক আন্দোলন প্ৰশমিত কৰিব নোৱৰাৰ কাৰণে ভৰ্ৎসনা।

● ১৯৮৮-৮৯ চনৰ সৰ্বভাৰতীয় বেডমিণ্টন খেলুৱৈ বাছনিত পুৰুষৰ শীৰ্ষত মাধুৰ্য বৰুৱা আৰু সুশান্ত বৰাই তৃতীয়, ছোৱালীৰ ডাবল্‌ছ শাখাত মল্লিকা বৰুৱাই শীৰ্ষস্থান পায়।

● গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ড° হীৰেন গোহাঁইলৈ ১৯৮৯ চনৰ সাহিত্য অকাদেমী বঁটা।

১৫ জুন ঃ এবছুৰ নেতাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা প্ৰত্যাহাৰ নকৰা আৰু কেন্দ্ৰই প্ৰতিনিধি প্ৰেৰণৰ আশ্বাস নিদিয়া বাবে দিছপুৰৰ আলোচনা কৰাত এবছুৱে অসন্মতি প্ৰকাশ কৰে।

২০ জুন ঃ কোকৰাঝাৰ ৰে'ল ষ্টেচনত হোৱা এটা শক্তিশালী বোমা বিস্ফোৰণত ৭জন লোক নিহত আৰু ১১জন আহত হয়।

২৩ জুন ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন ২১জনীয়া অসম মন্ত্ৰীসভা ২৩জনলৈ বৃদ্ধি। প্ৰাক্তন মন্ত্ৰী ভৰত নৰহ আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতাক মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰা হয়।

২৬ জুন ঃ এবছু (উ)ৰ আহ্বানত ৩৬০ ঘণ্টীয়া অসম বন্ধ আৰম্ভ। ৮ জুলাইলৈ চলে এই বন্ধ।

২৭ জুন ঃ পুলিচৰ দলৰ ওপৰত ৰুণীখাটাত বড়ো উগ্ৰপন্থীৰ বোমা বিস্ফোৰণ। ১১জন পুলিচ নিহত। ইয়াকে লৈ যোৱা সপ্তাহটোত হিংসাত্মক ঘটনাত নিহতৰ সংখ্যা হ'লগৈ ২৪।

২৮ জুন ঃ কোকৰাঝাৰত বোমা বিস্ফোৰণত ৩জন নিহত। তিনিজন পুলিচকে ধৰি ১৪জন আহত।

● কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীক বি-২ মহানগৰী আৰু কৰিমগঞ্জক চি মহানগৰী হিচাপে শ্ৰেণীভুক্ত কৰাৰ সিদ্ধান্ত লয়।

৬ জুলাই ঃ বড়ো উগ্ৰপন্থীৰ বৰ্ধিত হিংসাত্মক ঘটনাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে কোকৰাঝাৰ জিলাত অসম অশান্ত এলেকা আইন, ১৯৫৫ বলৱৎ কৰে।

৭ জুলাই ঃ কোকৰাঝাৰ জিলাক অশান্ত অঞ্চল ঘোষণা।

১১ জুলাই ঃ কোকৰাঝাৰ থানাৰ

ৰাজনৈতিকভাৱে হতাশাগ্রস্ত কিছুসংখ্যক যুৱকে এই সংগঠনত যোগ দিছিলহি। আলফাৰ উত্থানক লৈ আৰু দুটা প্ৰচাৰ চলিছিল। ইয়াৰে প্ৰথমটোৰ মতে, উত্তৰ-পূব ভাৰতত যাতে এক চিৰস্থায়ী অশান্তি (durable disorder) বিৰাজ কৰি থাকে তাৰ বাবে (যাতে এই অঞ্চলটোত চীনকেন্দ্ৰিক বাঁওপন্থী ভাবাদৰ্শই বিস্তাৰ কৰিব নোৱাৰে) ভাৰত চৰকাৰৰ প্ৰত্যক্ষ সহযোগত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন সংস্থাসমূহে এনে সশস্ত্ৰ সংগঠনসমূহৰ জন্ম দিছে আৰু প্ৰয়োজন থকালৈকে তেনে সংগঠনসমূহক জীয়াই ৰাখিছে। সীমান্তৱৰ্তী এক এলেকাত গণতান্ত্ৰিক বাতাৱৰণৰ সলনি এক যুদ্ধজনিত সংশয় বিৰাজ কৰি থকাটোৱেই ভাৰত চৰকাৰে বিচাৰে বুলি এই মহলটোৱে ক'ব বিচাৰে। এওঁলোকৰ মতে আলফাৰ প্ৰথম সশস্ত্ৰ প্ৰশিক্ষণ ভাৰত চৰকাৰৰ এটা সংস্থাৰ কিছুসংখ্যক বিষয়ববীয়াৰ তত্ত্বাৱধানত হৈছিল। আনটো পক্ষৰ মতে, ভাৰতৰ সামৰিক আৰু ৰাজনৈতিক স্থিতিক প্ৰত্যাহ্বান জনাবলৈ চুবুৰীয়া চীন তথা পাকিস্তানে উত্তৰ-পূবৰ সশস্ত্ৰ বিদ্ৰোহীসকলক লালন-পালন কৰিছে।

ইতিমধ্যে কোৱা হৈছে যে অসম আন্দোলনৰ এটা পক্ষই ভাৰতীয় সংবিধানৰ ভিতৰত থাকিয়েই অসমৰ সমস্যাসমূহৰ সমাধান হোৱাটো বিচাৰিছিল। আন এটা পক্ষই অসমক বহিৰাগতৰ আগ্ৰাসনৰ পৰা মুক্ত কৰিবলৈ স্বাধীন অসমৰ কথা কৈছিল। ১৯৮৩ চনৰ ১৪ মাৰ্চত ভাৰতৰ গৃহ মন্ত্ৰী পি চি শেঠীয়ে লোকসভাত এই আন্দোলনটোত বিচ্ছিন্নতাবাদী শক্তি কিমান গভীৰভাৱে জড়িত আছে তাৰ কিছুমান উদাহৰণ দাঙি ধৰিছিল। শেঠীয়ে উল্লেখ কৰা পোষ্টাৰ, পত্ৰিকা, বেনাৰ আদিত ব্যৱহৃত শব্দবোৰে এনে বিচ্ছিন্নতাকামী মনোভাবৰে ইংগিত বহন কৰে। এনে কিছু শ্লোগান আছিল 'শ্বহীদৰ কেঁচা তেজেৰে আমি আমাৰ দেশ গঢ়িম', 'অসম কেতিয়া স্বাধীন হ'ব', 'অসমক শাসন কৰিবলৈ ভাৰতৰ কোনো অধিকাৰ নাই', 'Indian Dogs Leave Assam' ইত্যাদি। আন্দোলনৰ ভিতৰচ'ৰাত যিসকলে

অন্তৰ্গত চন্দ্ৰপাৰাত বোমা বিস্ফোৰণত পুলিচৰ জীপ এখন বিধ্বস্ত হোৱাত ৩জন পুলিচ নিহত।

১৫ জুলাই : সমগ্ৰ কোকৰাঝাৰ জিলাক তিনি মাহৰ বাবে ১৯৫৮ চনৰ সশস্ত্ৰ বাহিনীৰ (বিশেষ ক্ষমতা) আইনৰ ৩ ধাৰাৰ অধীনত অসম চৰকাৰে 'অশান্ত অঞ্চল' বুলি ঘোষণা কৰে।

২০ জুলাই : বিশিষ্ট সাহিত্যিক ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যক পশ্চিম বংগৰ 'বংগীয় সাহিত্য পৰিষদ'ৰ সাহিত্য বঁটা প্ৰদান।

২ আগষ্ট : এবছু-বি পি এ চিৰ শীতকালীন অধিৱেশনত কেন্দ্ৰক পৃথক ৰাজ্যৰ বাবে বিধেয়ক উত্থাপনৰ আহ্বান।

৭ আগষ্ট : কোকৰাঝাৰ জিলাত ১৯জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ। ৭টা বোমা উদ্ধাৰ।

৯-১২ আগষ্ট : শোণিতপুৰ জিলাৰ গহপুৰ আৰু লখিমপুৰ জিলাৰ শিমলুগুৰি আৰু লেটেকুজান অঞ্চলত বড়ো আৰু অবড়োসকলৰ মাজত হোৱা সংঘৰ্ষ আৰু ব্যাপক হিংসাত্মক ঘটনাত কমেও কুৰিজন লোক নিহত আৰু চল্লিশজন লোক আহত হয়।

১২ আগষ্ট : ইণ্ডিয়ান এয়াৰলাইন্‌ছে গুৱাহাটী আৰু কলিকতাৰ মাজত এয়াৰ বাছ এ-৩২০ জেট বিমান আৰম্ভ কৰে।

১৪ আগষ্ট : কেন্দ্ৰই আলোচনাৰ বাবে দিল্লীলৈ নিমন্ত্ৰণ জনোৱা বাবে প্ৰস্তাৱিত ১০০ ঘণ্টীয়া অসম বন্ধ প্ৰত্যাহাৰ কৰা বুলি শ্বিলঙৰ সংবাদমেলত এবছুৰ ঘোষণা।

১৫ আগষ্ট : দৰং জিলাৰ খৈৰাবাৰী থানাৰ অন্তৰ্গত কাপোৰপোৰা চ'কত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰাৰ পিচত কিছুমান বড়ো যুৱকে ক'লা পতাকা উত্তোলন কৰাত ৰাষ্ট্ৰীয় পতাকাৰ সন্মান ৰাখিবলৈ যাওঁতে বোমা বিস্ফোৰণত পুলিচৰ উপ-পৰিদৰ্শক শোভন কলিতা প্ৰথমতে গুৰুতৰভাৱে আহত হয়, পিচত মৃত্যু হয়।

২৪ আগষ্ট : ধুবুৰীত দুটা বোমা বিস্ফোৰণত নিহত ৫, আহত ১৮।

২৮ আগষ্ট : বড়ো সমস্যা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু এবছু(উ)ৰ নেতৃবৃন্দৰ মাজত প্ৰথমলানি ত্ৰিপাক্ষিক আলোচনা আৰম্ভ। এবছুৰ আন্দোলন স্থগিত ৰখাৰ প্ৰতিশ্ৰুতি প্ৰদান। আনহাতে হিংসাত্মক কাৰ্য বন্ধ

দ্বিতীয় পক্ষৰ পোষকতা কৰিছিল তেওঁলোকৰ ভালেসংখ্যকে পিচত আলফাত যোগ দিছিল।

১৯৮০ চনৰ পৰাই আন্দোলনৰ এক অংশই হিংসাত্মক পন্থা ল'বলৈ আৰম্ভ কৰে। নাম প্ৰকাশত অনিচ্ছুক এজন বৰ্ষীয়ান ৰাজনীতিবিদৰ মতে, '১৯৬২ চনৰ চীনযুদ্ধৰ পিচত ভাৰত ৰাষ্ট্ৰই সমগ্ৰ উত্তৰ-পূবৰ বাবে কৌশল সলনি কৰে। ইয়াৰ জনগণে কমিউনিষ্ট আগ্ৰাসন তথা চীনৰ আগ্ৰাসন যাতে প্ৰতিৰোধ কৰিব পাৰে তাৰ বাবে ভাৰত চৰকাৰৰ এক সংস্থাই গাঁৱে গাঁৱে গৈ, বিশেষকৈ হিন্দু যুৱকসকলৰ মাজত আত্ম-প্ৰতিৰক্ষাৰ (self defence) প্ৰশিক্ষণ দিছিল। আন্দোলনত হিংসাত্মক উপাদান যোগ দিয়াৰ ক্ষেত্ৰত এইসকল লোকৰ যথেষ্টখিনি অৱদান আছে।' আন্দোলনটোত হিংসাত্মক উপাদান জড়িত হোৱাৰ পিচতে ১৯৮০ চনত কংগ্ৰেছ নেতা টংকেশ্বৰ দিহিঙীয়া আততায়ীৰ গুলীত নিহত হয়। ১৯৮০ চনৰ ১৯ এপ্ৰিলত হিতেশ্বৰ শইকীয়াৰ চলন্ত গাড়ীত হেণ্ড গ্ৰেনেড নিক্ষেপ কৰিবলৈ গৈ লাকুৱাৰ যুৱক হৰি বৰকাকতী মৃত্যুমুখত পৰে। আনুষ্ঠানিক অৰ্থত এওঁকেই আলফাৰ প্ৰথম শ্বহীদ বুলি কোৱা হয়। ১৯৮১ চনৰ ৬ এপ্ৰিলত উজনি অসমৰ আয়ুক্ত ই এছ পাৰ্থসাৰথি তেওঁৰ যোৰহাটৰ কাৰ্যালয়ত বোমা বিস্ফোৰণ ঘটি মৃত্যুমুখত পৰে। এই ঘটনা আলফাৰ দ্বাৰা সংঘটিত হৈছিল বুলি সন্দেহ কৰা হৈছিল।

১৯৮৩ চনৰ নিৰ্বাচনক কেন্দ্ৰ কৰিয়েই আলফাৰ সাংগঠনিক কাম-কাজ অধিক সক্ৰিয় হ'বলৈ ধৰে। সেই সময়ত সংযুক্ত মুক্তি বাহিনী, অসম বা আলফাৰ নামটো প্ৰচাৰ মাধ্যম বা জনসাধাৰণৰ মাজত জনপ্ৰিয় হোৱা নাছিল আৰু সেয়েহে অসম আন্দোলনৰ আওতাত থাকিয়েই আলফাই নিজৰ শক্তি বৃদ্ধি কৰিছিল। ১৯৮৯ চনৰ ৭ এপ্ৰিলত 'সংযুক্ত মুক্তি বাহিনী, অসম'ৰ দশম প্ৰতিষ্ঠা দিৱস উপলক্ষে ওলোৱা এখন বিশেষ প্ৰচাৰপত্ৰত সংগঠনটোৱে নিজৰ বিষয়ে এনেদৰে কৈছিল— "আলফা' এটা বিপ্লৱী গণ

কৰিলে দমনমূলক আইন প্ৰত্যাহাৰ কৰাৰ ৰাজ্য চৰকাৰৰ আশ্বাস।

২৯ আগষ্ট : বৰপেটাৰ যাত্ৰীবাহী বাছত বড়ো উগ্ৰপন্থীৰ বোমা বিস্ফোৰণ। ৯জন নিহত। ৩০জন আহত। আনহাতে এই ঘটনাক কেন্দ্ৰ কৰি সংঘটিত এটা ঘটনাত এজন নিহত আৰু কেইবাজনো আহত হয়। নতুন দিল্লীৰ সংবাদমেলত উপেন ব্ৰহ্মই 'বড়োলেণ্ড নহ'লে অসম পুনৰ জ্বলিব' বুলি ঘোষণা কৰে।

৩১ আগষ্ট : বৰপেটাৰ পাটাছাৰকুছিত ঘটা ঘটনা এটাত ৬জনৰ মৃত্যু। ইয়াৰে তিনিজন পি টি চি এৰ আৰু আন তিনিজন বড়ো উগ্ৰপন্থী।

১ ছেপ্টেম্বৰ : অসম চৰকাৰে সমগ্ৰ কোকৰাঝাৰ জিলাক অশান্ত অঞ্চল (১৯৫৫) ঘোষণাৰ কাৰ্যকৰীকৰণ সাময়িকভাৱে স্থগিত ৰাখে।

২ ছেপ্টেম্বৰ : কোকৰাঝাৰত অশান্ত এলেকা আইন ১৯৫৫ৰ বলবৎ স্থগিত। ইয়াক আদৰণি জনাই এবছুৱে টাডা আৰু বিশেষ সশস্ত্ৰ আইন প্ৰত্যাহাৰৰ দাবী জনায়।

- গোবেশ্বৰৰ ওচৰত পুলিচ আৰু উগ্ৰপন্থীৰ সংঘৰ্ষত দুজন উগ্ৰপন্থী নিহত।

৩ ছেপ্টেম্বৰ : যোৱা ২৪ ঘণ্টাত বড়ো উগ্ৰপন্থীৰ দ্বাৰা নলবাৰী জিলাত ৫জনক হত্যা আৰু ১৮জন আহত।

৮ ছেপ্টেম্বৰ : নলবাৰী জিলাৰ বোৰ্কাজুলি গাঁৱত বড়ো উগ্ৰপন্থীৰ আক্ৰমণত ৩০জন লোক নিহত।

১০ ছেপ্টেম্বৰ : ডিব্ৰুগড় জিলাৰ চাবুৱাত আলফাৰ আক্ৰমণত ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক এ এম মল্লিকৰ পত্নীসহ গাড়ীখনৰ চালক, ব্যক্তিগত নিৰাপত্তা বিষয়াৰ মৃত্যু।

১২ ছেপ্টেম্বৰ : যোৱা ২৪ ঘণ্টাত দুজন উগ্ৰপন্থীকে ধৰি ৫জন লোক বড়ো অধ্যুষিত নলবাৰী আৰু কোকৰাঝাৰ জিলাত নিহত হয়। নিহতসকলৰ এগৰাকী মহিলা।

১৪ ছেপ্টেম্বৰ : নিৰ্মল ব্ৰহ্ম নামৰ এজন দুৰ্ধৰ্ষ বড়ো উগ্ৰপন্থীৰ তামুলপুৰ থানাত আত্মসমৰ্পণ।

২৩ ছেপ্টেম্বৰ : অগ্ৰণী চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাৰ 'হালধীয়া চৰায়ে বাওধান খায়'খন টকিঅ' আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ বাবে

সংগঠন। কিছুমান তথাকথিত বুদ্ধিজীৱীয়ে ক'বৰ দৰে ই এটা সন্ত্ৰাসবাদী অথবা উগ্ৰপন্থী সংগঠন নহয়; যিহেতু আলফাৰ উদ্দেশ্য সন্ত্ৰাসৰ দ্বাৰা লক্ষ্য সিদ্ধ কৰা নহয়। 'আলফা'ই নিৰস্ত্ৰ বা নিৰপৰাধী জনগণৰ মাজত আক্ৰমণ চলাই সন্ত্ৰাস সৃষ্টিৰে সফল হ'ব খোজা নাই। আকৌ কেইবাটাও কৰ্মপন্থা থকা সত্ত্বেও আপেক্ষিকভাৱে উগ্ৰতৰ পন্থা এটা গ্ৰহণ কৰিলে উগ্ৰপন্থী বুলি কোৱাৰ যুক্তি থাকে। কিন্তু বিগত গণ আন্দোলনসমূহ তথা বিশেষকৈ '৮৩ৰ অবৈধ নিৰ্বাচনে তৰ্কাতীতভাৱে প্ৰমাণ কৰি দিছে যে অসমৰ জনগণৰ সন্মুখত কোনো তথাকথিত নৰমপন্থা নাই। সেয়ে সশস্ত্ৰ সংগ্ৰাম চলোৱাৰ বিকল্প নাই। অতএব 'আলফা'ক উগ্ৰপন্থী সংগঠন বোলাৰ কোনো যুক্তিযুক্ততা নাই।'

সেই সময়তে অসমত আলফাৰ লেখীয়া আন কেইবাটাও সংগঠনৰ জন্ম হৈছিল। এই সংগঠনসমূহ হৈছে— নৰ্থ-ইষ্ট ৰিজিঅ'নেল ডিফেঞ্চ আৰ্মী (NERDA), ছেভেন ইউনিট লিবাৰেছন আৰ্মী (SULA), ইউনাইটেড লিবাৰেছন আৰ্মী অব্ ছেভেন ষ্টেট্‌ছ (ULASS), NAMMAT আদি। তেজপুৰত অৰ্পণ বেজবৰুৱাই আছাম পিপল্‌ছ লিবাৰেচন আৰ্মী (APLA) প্ৰতিষ্ঠা কৰিছিল আৰু এই সংগঠনটোৱে মঙলদৈ, বৰপেটা, নগাঁও, কামৰূপ আদিত সাংগঠনিক তৎপৰতা বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত পাঠশালাৰ ওচৰে-পাঁজৰে জাগ্ৰত মাতৃ মুক্তি বাহিনীৰ (JMMB) সক্ৰিয়তাও চকুত লগা হৈ পৰিছিল। এ পি এল এৰ এগৰাকী সক্ৰিয় সদস্য আছিল মুনীন নবিশ। অৰবিন্দ ৰাজখোৱা আৰু পৰেশ বৰুৱাই এ পি এল এৰ সাংগঠনিক পৰিসৰৰ কথা অনুধাৱন কৰি অসমৰ স্বাধীনতাৰ বাবে দলটোৰ প্ৰয়োজনীয়তাৰ কথা বিবেচনা কৰে। প্ৰাৰম্ভিক বাৰ্তালাপৰ পিচত ১৯৮৫ চনত নগাঁৱত মুনীন নবিশ আৰু আলফাৰ হীৰকজ্যোতি মহন্তৰ মাজত এক আনুষ্ঠানিক চুক্তি স্বাক্ষৰিত হয় আৰু দুয়োটা দল লগ লাগে। ১৯৮৩ চনৰ নিৰ্বাচনক কেন্দ্ৰ কৰি অসমত হোৱা হিংসাত্মক ঘটনাৰ

এছিয়াৰ একমাত্ৰ চলচ্চিত্ৰ হিচাপে নিৰ্বাচিত হয়।

২৫ ছেপ্টেম্বৰ ঃ পাকিস্তানৰ ইছলামাবাদত অনুষ্ঠিত চতুৰ্থ দক্ষিণ এছিয়া গেম্ছৰ (ছাফ গেম্ছ) বাবে ভাৰতীয় এথলেটিক্ছ দলত অসমৰ মৃদুল দুৱৰা আৰু জুনুমণি শইকীয়া অন্তৰ্ভুক্ত।

৩ অক্টোবৰ ঃ প্ৰথমলানি ত্ৰিপাক্ষিক আলোচনাত অসম চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি বড়ো অধ্যুষিত অঞ্চলৰ পৰা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনখন প্ৰত্যাহাৰ কৰা হয়।

৫ অক্টোবৰ ঃ বড়ো সমস্যা সম্পৰ্কে নতুন দিল্লীৰ অসম ভৱনত দ্বিতীয়লানি ত্ৰিপাক্ষিক আলোচনা আৰম্ভ। আলোচনাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিবলৈ উভয় পক্ষৰ সন্মতি প্ৰকাশ। গহপুৰৰ সংঘৰ্ষপীড়িত অঞ্চললৈ যুটীয়া প্ৰতিনিধি দল প্ৰেৰণৰ সিদ্ধান্ত।

৭ অক্টোবৰ ঃ নলবাৰী জিলাৰ চাৰিখন গাঁৱত বড়ো উগ্ৰপন্থীৰ আক্ৰমণত দহজন নিহত।

১০ অক্টোবৰ ঃ নলবাৰী জিলাৰ বৰবৰী থানাৰ অন্তৰ্গত দক্ষিণকুছি গাঁৱত বোমা বিস্ফোৰণ। দশম অসম পুলিচ বাহিনীৰ ৬জন জোৱানকে ধৰি ১১জন নিহত। দুজন গুৰুতৰভাৱে আহত।

১৬ অক্টোবৰ ঃ খনিকৰ, নাট্যকাৰ, চিত্ৰশিল্পী, খেলুৱৈ, সাহিত্যিক, সুবক্তা যুগল দাসৰ বাৰ্ধক্যজনিত কাৰণত মৃত্যু। তেওঁৰ ৭৯ বছৰ হৈছিল।

১৭ অক্টোবৰ ঃ কেন্দ্ৰীয় বন, পাৰিপাৰ্শ্বিকতা আৰু বন্যপ্ৰাণী বিভাগৰ মন্ত্ৰী জেড আৰ আনচাৰিৰ দ্বাৰা উত্তৰ-পূব অঞ্চলৰ একমাত্ৰ ফৰেষ্ট ৰেঞ্জাৰ্ছ কলেজ জালুকবাৰীত আনুষ্ঠানিকভাৱে উদ্বোধন।

১৯ অক্টোবৰ ঃ বৰাক উপত্যকাত নতুনকৈ গঠন কৰা হাইলাকান্দি জিলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়।

৩০ অক্টোবৰ ঃ বড়ো সাহিত্য সভাৰ নলবাৰী জিলাৰ সভাপতি ৰথীন ব্ৰহ্মক বড়ো উগ্ৰপন্থীয়ে গুলীয়াই হত্যা কৰে।

২ নৱেম্বৰ ঃ কোকৰাঝাৰ জিলাৰ বেংতল বজাৰত পহৰাৰত আৰক্ষী দলৰ ওপৰত বড়ো উগ্ৰপন্থীৰ গুলীচালনাত দুজন কনিষ্টবল থিতাতে নিহত।

৫ নৱেম্বৰ ঃ ছোভিয়েট ৰাছিয়াত প্ৰশিক্ষণ

কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। ১৯৮৩ চনৰ নিৰ্বাচনৰ আগে আগে সমগ্ৰ অসমত ১৬০০ খন দলং জ্বলাই দিয়া হৈছিল। নিৰ্বাচন যাতে অনুষ্ঠিত কৰিব পৰা নাযায় তাৰ বাবে বহু ঠাইত স্কুলঘৰবোৰ জ্বলাই দিয়া হৈছিল। আন্দোলনৰ সময়ছোৱাত হাতেৰে নিৰ্মিত বোমা, পাইপ গান আৰু আন মাৰণাস্ত্ৰবোৰ সুলভ হৈ পৰিছিল। ১৯৭৯-৮৪ চনৰ মাজত ৪৭১টা বোমা বিস্ফোৰণ সংঘটিত হৈছিল আৰু চৰকাৰী সূত্ৰ অনুসৰি ১০১জন লোকৰ মৃত্যু ঘটিছিল।

আনহাতে ১৯৮৩ চনৰ ১৫ মাৰ্চত হিতেশ্বৰ শইকীয়াৰ ভতিজাক ওঠৰ বছৰীয়া কেশৱ শইকীয়াক হত্যা কৰা হয়। এপ্ৰিল মাহত দক্ষিণ শৰণীয়াত কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি হলধৰ পাঠকৰ ঘৰত এটা শক্তিশালী বোমা বিস্ফোৰণ হয়। ইয়াৰ ফলত আৰ্য বিদ্যাপীঠ কলেজৰ অনিল ডেকা আৰু মঃ অতিউৰ ৰহমান নামৰ দুজন ছাত্ৰৰ মৃত্যু ঘটে। পাঠকৰ ল'ৰা শৈলেন পাঠক গুৰুতৰভাৱে আহত হয়। তাৰে আলম লৈ ১০ এপ্ৰিলত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই আছু আৰু আগছুৰ মাজত সন্ত্ৰাসবাদীও আছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

এনেদৰে আলফাৰ দ্বাৰা বিভিন্ন ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হৈ থকাৰ মাজতে ১৯৮৩ চনৰ জুলাই-আগষ্ট মাহৰ ভিতৰত এটা দল গৈ বাৰ্মা সীমান্তৰ এন এছ চি এনৰ শিবিৰত উপস্থিত হয়। প্ৰশিক্ষণৰ বাবে যোৱা এইটোৱেই আছিল প্ৰথম দল। এই দলটোৰ মুঠ সদস্যৰ সংখ্যা আছিল ৪০। এওঁলোকৰ ভিতৰত উল্লেখযোগ্য আছিল পৰেশ বৰুৱা, ৰাজীৱ ৰাজকোঁৱৰ, কল্পজ্যোতি নেওগ, ঋষিৰাজ সিন্‌হা, বন হাজৰিকা, ভাস্কৰ বৰুৱা, উপেন ডেকা আৰু বিজয় বড়ো। কিছুদিনৰ পিচত হীৰকজ্যোতি মহন্তই এই দলটোত যোগদান কৰে। তাত অস্ত্ৰ-শস্ত্ৰৰ প্ৰশিক্ষণ লৈ এওঁলোকে ১৯৮৪ চনৰ জানুৱাৰী মাহত অসমলৈ ঘূৰি আহে।

১৯৮৪ চনৰ ১৬ আগষ্টৰ নিশা গুৱাহাটীৰ চৌধুৰী টকিজত এক

গ্ৰহণৰ বাবে সাঁতোৰবিদ মিঠু বৰুৱা নিৰ্বাচিত। মিঠু প্ৰথম অসমীয়া সাঁতোৰবিদ, যি বিদেশত প্ৰশিক্ষণ লাভৰ বাবে নিৰ্বাচিত হৈছে।

১৬ নৱেম্বৰ : বিদেশী বহিষ্কৰণ আন্দোলনত ফৌজদাৰী গোচৰত অভিযুক্ত লোকসকলৰ গোচৰ চৰকাৰে উঠাই লয়।

২৯ নৱেম্বৰ : নলবাৰী জিলাৰ মুছলপুৰত বড়ো সাহিত্য সভাৰ নলবাৰী জিলাৰ সভাপতি ৰথীন ব্ৰহ্ম আৰু ভৈয়াম জনজাতি পৰিষদ (পি টি চি)ৰ কাৰ্যবাহী সদস্য ভুবন ব্ৰহ্মক বড়ো উগ্ৰপন্থীয়ে গুলীয়াই হত্যা কৰে।

৪ ডিচেম্বৰ : কোকৰাঝাৰ নগৰৰ মাজমজিয়াত দিনৰ ভাগতে পুলিচ আৰু বড়ো উগ্ৰপন্থীৰ গুলীয়াগুলিত এজন বড়ো উগ্ৰপন্থী নিহত, এজন আহত আৰু আন এজন পলাই সাৰিবলৈ সক্ষম হয়।

৫ ডিচেম্বৰ : বিশ্বনাথ প্ৰতাপ সিং নেতৃত্বাধীন ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰত অসম গণ পৰিষদ দলৰ দীনেশ গোস্বামীয়ে কেন্দ্ৰীয় মন্ত্ৰীসভাত প্ৰতিনিধিত্ব লাভ কৰে। তেওঁক তীখা আৰু খনিৰ লগতে অতিৰিক্ত দায়িত্ব হিচাপে আইন আৰু ন্যায় দপ্তৰ দিয়া হয়।

১০ ডিচেম্বৰ : নগাঁও জিলাৰ ৰহাত মিনিবাছ এখন পথৰ পৰা বাগৰি কাষৰ পিটনিত পৰাত ১৪জন যাত্ৰীৰ মৃত্যু হয়।

২৯ ডিচেম্বৰ : নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু এবছুৰ মাজত ত্ৰিপাক্ষিক আলোচনা আৰম্ভ।

শক্তিশালী বোমা বিস্ফোৰণ সংঘটিত হৈ চিনেমা হলৰ কৰ্মচাৰী এজন থিতাতে নিহত হয় আৰু কেইবাজনো লোক আহত হয়। উল্লেখ্য যে ১৯৮৪ চনৰ ১ আগষ্টত আলফাই ভাৰতৰ ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰা চৰমপত্ৰত অসম গণমুক্তি বাহিনীৰ দাবীসমূহ মানি নল'লে পৰিস্থিতি আয়ত্তৰ বাহিৰলৈ যাব পাৰে বুলি সকীয়াই দিছিল। কেন্দ্ৰীয় চোৰাংচোৱা সংস্থা আৰু অসম চৰকাৰৰ চোৰাংচোৱা বিভাগে আন্দোলনৰ নৰমপন্থীসকলে আপোচনীতিৰে সমস্যা সমাধান কৰিবলৈ আগবঢ়াত আৰু চৰকাৰৰ লগত গোপনে আলোচনাত মিলিত হৈ থাকিবলৈ লোৱাত আন্দোলনৰ চৰমপন্থীসকলৰ দ্বাৰা গঠিত সন্ত্ৰাসবাদী সংগঠনটোৱে এনে হিংসাত্মক কাৰ্য সংঘটিত কৰা বুলি সন্দেহ প্ৰকাশ কৰিছিল।

১৯৮৫ চনৰ পৰা আলফাৰ সক্ৰিয়তা অধিক হ'বলৈ ধৰে আৰু অসমত এখন আঞ্চলিক দলৰ চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচত আলফাৰ প্ৰভাৱ চৰকাৰৰ বাহিৰে-ভিতৰে সকলোতে বিয়পি পৰে। অসম আন্দোলনৰ পটভূমিতে অসম গণ পৰিষদ আৰু আলফাৰ জন্ম হৈছিল বাবে এনে হোৱাটো সম্ভৱ হৈছিল বুলি ৰাজনৈতিক বিশ্লেষকসকলে ক'ব খোজে। এইখিনিতে এটা তাৎপৰ্যপূৰ্ণ পৰিঘটনা উল্লেখযোগ্য। অস্ত্ৰ প্ৰশিক্ষণৰ বাবে ১৯৮৩ চনত আলফাৰ প্ৰথম দলটো অসমৰ বাহিৰলৈ গৈছিল বুলি কোৱা হয় যদিও ইয়াৰ বহু আগতেই ১৯৮০ চনমানৰ পৰাই আন্দোলনকাৰীৰ হাতত অস্ত্ৰ সুলভ হৈ পৰিছিল। এই অস্ত্ৰবোৰ কেনেদৰে আহিছিল বা কোনে যোগান ধৰিছিল সি আজিও এক ৰহস্যৰ বিষয়।

অসম আন্দোলনৰ এক সামগ্ৰিক পৰিণতি হিচাপে গোলাঘাটত জন্মলাভ কৰিছিল 'অসম গণ পৰিষদ' নামৰ আঞ্চলিক দলটোৰ। পূৰ্বতে জনতা দল, সমাজবাদী কংগ্ৰেছ আদিৰ সৈতে নিবিড় সম্পৰ্ক ৰখা কিছুসংখ্যক লোকে অসম গণ পৰিষদ দলৰ ভেটি গঢ়াৰ ক্ষেত্ৰত প্ৰধান ভূমিকা লৈছিল। ইতিমধ্যে উল্লেখ কৰিছোঁ যে ১৯৮৩ চনৰ নিৰ্বাচনত যথেষ্ট পৰিমাণে

১৯৯০

১ জানুৱাৰী ঃ আলোচনাৰ বাবে ভি পি সিং চৰকাৰে জনোৱা আমন্ত্ৰণক এবছু-বি পি এ চিৰ আদৰণি।

২ জানুৱাৰী ঃ প্ৰধানমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিং, কেন্দ্ৰীয় তথ্য আৰু প্ৰচাৰ মন্ত্ৰী পি উপেন্দ্ৰ, তেল মন্ত্ৰী পি গুৰুপদস্বামী, গৃহ মন্ত্ৰী মুফতি মহম্মদ ছয়িদৰ অসম ভ্ৰমণ। প্ৰধানমন্ত্ৰীৰ ভাষণত নুমলীগড়ত তেল শোধনাগাৰ আৰু খাৰুৱা তেলত প্ৰতি মেট্ৰিক টনত ১০০ টকাকৈ ৰয়েল্টী বৃদ্ধিৰ ঘোষণা।

৮ জানুৱাৰী ঃ অসম বিধানসভাৰ ২৩জন কংগ্ৰেছ (ই) বিধায়কৰ ভিতৰত ১৬জন বিধায়কেই কংগ্ৰেছ বিধায়িনী দলৰ নেতৃত্বত থকা গোলোক ৰাজবংশীৰ ওপৰত অনাস্থা প্ৰকাশ কৰি দলৰ সভাপতি ৰাজীৱ গান্ধীলৈ স্মাৰকপত্ৰ প্ৰদান কৰে।

১১ জানুৱাৰী ঃ বড়ো সমস্যা সম্পৰ্কত নতুন দিল্লীত নিখিল বড়ো ছাত্ৰ সন্থা (উপেন ব্ৰহ্ম গোট), অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত তৃতীয়লানি বৈঠকত ত্ৰিপাক্ষিক সমিতি গঠনৰ প্ৰস্তাৱ গৃহীত। কেন্দ্ৰৰ হৈ শ্ৰম মন্ত্ৰী ৰামবিলাস পাছোৱানে প্ৰতিনিধিত্ব কৰে।

১৬ জানুৱাৰী ঃ কংগ্ৰেছ (ই) দলৰ সভাপতি ৰাজীৱ গান্ধীয়ে অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটীৰ নেতৃত্বত থকা গোলোক ৰাজবংশীক তেওঁৰ নেতৃত্বৰ পৰা অপসাৰণ নকৰাৰ সিদ্ধান্ত লয়।

২০ জানুৱাৰী ঃ অসম গণ পৰিষদৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী ললিত ৰাজখোৱাৰ মটৰ দুৰ্ঘটনাত মৃত্যু।

- গুৱাহাটী চেম্বাৰ্ছ অৱ কমাৰ্চৰ সভাপতি শংকৰ বিৰমিৱালক তেওঁৰ গান্ধীবস্তিত থকা নিজ বাসভৱনত অচিনাক্ত লোকৰ গুলীয়াই হত্যা।
- উপ-প্ৰধানমন্ত্ৰী দেৱীলালৰ অসম ভ্ৰমণ ঃ এই ভ্ৰমণসূচীত উপ-প্ৰধানমন্ত্ৰী দেৱীলালে অসমত কৃষি উন্নয়নৰ কাৰণে ৪টা নতুন প্ৰতিষ্ঠান স্থাপনৰ কথা ঘোষণা কৰে। ইয়াৰ এটা ৰাষ্ট্ৰীয় কল গৱেষণা কেন্দ্ৰ (দেশৰ ভিতৰত প্ৰথম), বিশ্বনাথ চাৰিআলিত এটা 'ফাৰ্ম মেচিনেৰী এণ্ড ট্ৰেইনিং ইনষ্টিটিউট', দুধনৈৰ ওচৰৰ দৰংগিৰিত ৰাষ্ট্ৰীয় কল

হিংসাত্মক ঘটনা সংঘটিত হৈছিল আৰু এই ঘটনাসমূহে অসম আন্দোলনৰ সৈতে সম্পৃক্ত হৈ থকা হিংসাত্মক উপাদানসমূহক প্ৰতিষ্ঠা কৰিছিল। আন্দোলনকাৰীসকলৰ এচামে হিংসাত্মক তথা সশস্ত্ৰ পন্থাৰ ওপৰত গভীৰ বিশ্বাস ৰাখিছিল বাবেই যে এনেবোৰ ঘটনাই ব্যাপক ৰূপ লৈছিল, তাক আৰু দোহৰাৰ প্ৰয়োজন নাই।

সি যি নহওক, অসম আন্দোলনৰ এই ৰাজনৈতিক পৰিণতিক লৈ ছাত্ৰ সন্থা, যুৱ-ছাত্ৰ পৰিষদ আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ কিছুসংখ্যক সদস্য সন্তুষ্ট হ'ব পৰা নাছিল। ইতিমধ্যে আলফা আৰু আন্দোলনকাৰীসকলৰ মাজত থকা মতাদৰ্শগত বিভাজনটোৱে তীব্ৰ ৰূপ ধাৰণ কৰিলে বাবে এইসকল বিতুষ্ট সদস্যই অতি সহজতে আলফাৰ প্ৰতি গভীৰ অনুৰাগ অনুভৱ কৰিবলৈ ল'লে। এই সময়ৰ ভিতৰত আলফাৰ সৈতে অসম আন্দোলনৰ তাত্ত্বিক পাৰ্থক্যবোৰো ভালদৰে প্ৰতিষ্ঠাপিত হৈছিল। এই পাৰ্থক্যবোৰ আছিল এনেধৰণৰ— প্ৰথমতে, আলফাই ভাৰতীয় সংবিধানক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰি এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ সপোন আগত লৈ বিপ্লৱ আৰম্ভ কৰিছিল। ইয়াৰ বিপৰীতে বিদেশী বহিষ্কাৰ আন্দোলনৰ 'বিদেশী' সংজ্ঞাটো আছিল সম্পূৰ্ণৰূপে সংবিধানৰ ওপৰত নিৰ্ভৰশীল।

দ্বিতীয়তে, আলফাৰ সশস্ত্ৰ বিপ্লৱটো পৰিচালিত হৈছিল ভাৰত ৰাষ্ট্ৰই অসমৰ ওপৰত ধাৰাবাহিকভাৱে চলাই অহা ঔপনিৱেশিক শোষণৰ বিৰুদ্ধে। (অসম আন্দোলনে এনে ঔপনিৱেশিক শোষণৰ প্ৰসংগ উল্লেখ কৰা নাছিল।) অসম আন্দোলনৰ সময়ছোৱাত সৰ্বভাৰতীয় বাতৰিকাকত, আৰ এছ এছ জনতা দল, ভাৰতীয় জনতা পাৰ্টী আদি সৰ্বভাৰতীয় কিছু দলে অসম আন্দোলনৰ প্ৰতি মুকলি সমৰ্থন দিছিল। আলফাই প্ৰথমৰে পৰা ভাৰতীয় যিকোনো সত্তাৰ পৰা অসমক পৃথক কৰাৰ সুদৃঢ় ঘোষণা আগবঢ়াইছিল।

শেষত অসম আন্দোলনে বাংলাদেশীৰ আগ্ৰাসনৰ কথাৰে এক জাতীয় ভাবাৱেগ গঢ়াৰ যি ঐতিহাসিক প্ৰচেষ্টা হাতত লৈছিল তাক আলফাৰ সশস্ত্ৰ

গৱেষণা কেন্দ্ৰ প্ৰতিষ্ঠাৰ উপৰি কৃষি অভিযান্ত্ৰিক কলেজ আৰু ৰেচম কলেজ অসম বিদ্যালয়ৰ অধীনত স্থাপন।

২১ জানুৱাৰী ঃ পূৰ্বোত্তৰ নাগৰিক সুৰক্ষা পৰিষদৰ প্ৰতিনিধি দল আৰু প্ৰধানমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙৰ মাজত অনুষ্ঠিত এক বৈঠকত 'আলফা'ৰ কাৰ্যকলাপ ৰোধ কৰিবৰ বাবে অতিৰিক্ত কেন্দ্ৰীয় বাহিনী অসমলৈ পঠিওৱাৰ নিৰ্দেশ।

২৩ জানুৱাৰী ঃ অসম চুক্তিক সময়সূচী ভিত্তিত ৰূপায়ণ কৰা সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ ত্ৰিপাক্ষিক আলোচনা নতুন দিল্লীত আৰম্ভ হয়।

২৭ জানুৱাৰী ঃ অসম চুক্তিৰ বিভিন্ন দফাৰ ৰূপায়ণৰ বাবে এখন কৰ্ম-আঁচনি সম্পৰ্কীয় চুক্তি সম্পাদন কৰা হয়। অসম চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ আৰু 'আছু'ৰ মাজত হোৱা দ্বিতীয় পৰ্যায়ৰ ত্ৰিপাক্ষিক আলোচনাৰ অন্তত এই চুক্তিত কেন্দ্ৰীয় গৃহ সচিব শিৰোমণি শৰ্মা আৰু অসমৰ তথ্য সচিব এ পি ছাৰোৱানে স্বাক্ষৰ কৰে।

২৮ জানুৱাৰী ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন ২৬জনীয়া মন্ত্ৰীসভাখন ৩২জনলৈ সম্প্ৰসাৰণ কৰা হয়। এই নতুন মন্ত্ৰীসভাৰ কেবিনেট পৰ্যায়ৰ শপত গ্ৰহণ কৰা মন্ত্ৰীসকল হ'ল— ৰেখাৰাণী দাস বড়ো, থানেশ্বৰ বড়ো, বিৰাজ কুমাৰ শৰ্মা, গিৰীন্দ্ৰ কুমাৰ বৰুৱা, হবিবুৰ ৰহমান আৰু অনিৰুদ্ধ সিংহ চৌধুৰী। আন ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰীসকল হ'ল— দীপেন তাঁতী, উৎপল দত্ত, কমলা কলিতা আৰু কুমাৰ দীপক দাস। উল্লেখযোগ্য যে হবিবুৰ ৰহমান বিধানসভাৰ সদস্য নোহোৱাকৈয়ে মন্ত্ৰী হোৱাৰ দ্বিতীয়টো উদাহৰণ। প্ৰথম আছিল বিমলাপ্ৰসাদ চলিহা। তেওঁ বিধানসভাৰ সদস্য নোহোৱাকৈয়েই মুখ্যমন্ত্ৰী হৈছিল। পিচত ৬ মাহৰ ভিতৰত বৰাক উপত্যকাৰ বদৰপুৰ সমষ্টিৰ পৰা বিধানসভাৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল।

- মন্ত্ৰীসকলৰ শপত গ্ৰহণ অনুষ্ঠানত অসম গৃহ দপ্তৰৰ মন্ত্ৰী ভৃগু কুমাৰ ফুকন উপস্থিত নথকাত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই উদ্বেগ প্ৰকাশ কৰে। ২৯ জানুৱাৰীত হোৱা এখন সংবাদমেলত

বিপ্লৱে সম্পূর্ণ অসাৰ বুলি প্রতিপন্ন কৰাৰ প্রয়াস কৰিলে। বাংলাদেশীসকল নহয়, বৰঞ্চ ভাৰত ভূখণ্ডৰ লোকসকলহে অসমৰ প্ৰধান শত্ৰু বুলি আলফাই প্রচাৰ চলাইছিল।

অসম আন্দোলনৰ শেষৰ সময়ছোৱাত, বিশেষকৈ ১৯৮৩ চনৰ নির্বাচনৰ পিচৰ সময়ছোৱাত আন্দোলনৰ তীব্রতা ক্রমে হ্রাস পাই আহিল আৰু এই সময়ছোৱাতে আন্দোলনৰ শক্তিটো সশস্ত্রপন্থীসকলে ধৰি ৰাখিবলৈ চেষ্টা চলালে। এই সময়ছোৱাতে আলফাই নিজৰ সাংগঠনিক ভিত্তিটো গঢ় দিবলৈ চেষ্টা কৰে। ১৯৮৪ চনৰ জানুৱাৰী মাহত এটা প্রশিক্ষণপ্রাপ্ত দলে অসমত প্ৰৱেশ কৰাৰ পিচৰে পৰা অসমৰ বিভিন্ন জিলাত আলফাৰ সদস্যভুক্তি বৃদ্ধি পাবলৈ ধৰে।

১৯৮৫ চনৰ ২৬ জানুৱাৰীত শোণিতপুৰ জিলাৰ মদপী অঞ্চলত গণমুক্তি বাহিনীয়ে স্বতন্ত্র পতাকা উত্তোলন কৰে। এই ঘটনাৰ পিচতে আৰক্ষীয়ে বিষয়টো সম্পর্কত তৎপৰ হৈ উঠে আৰু তিনিজন লোকক গ্রেপ্তাৰ কৰে।

১৯৮৫ চনৰ ১০ মে'ত গুৱাহাটীৰ শিলপুখুৰীৰ ইউনাইটেড কমার্চিয়েল বেংকত পৰেশ বৰুৱা আৰু হীৰকজ্যোতি মহন্তৰ নেতৃত্বত আলফাই এটা ডকাইতি অভিযান চলায়। আলফাৰ দ্বাৰা এয়াই আছিল সর্বপ্রথম বৃহৎ অভিযান। এই ডকাইতিৰ ঘটনাত সশস্ত্র ডকাইতৰ দলটোৱে বেংকৰ মেনেজাৰ গিৰীশ গোস্বামীক গুলীয়াই হত্যা কৰে। দিনৰ ১১ বজাত ঘটা এই ঘটনাই সমগ্ৰ অসমতে চাঞ্চল্যৰ সৃষ্টি কৰে। ঘটনাৰ অনুসন্ধানৰ ভাৰ ৰাজ্যিক চি আই ডিক অর্পণ কৰাৰ পিচত মাকুমৰ পৰা পুলিচে ঘটনাৰ লগত জড়িত মহীকান্ত হাতীবৰুৱাক গ্রেপ্তাৰ কৰে। ইয়াৰ পিচতে পুলিচ সূত্রৰ দ্বাৰা প্রকাশিত এক বাতৰিযোগে ডকাইতিৰ ঘটনাৰ লগত জড়িত থকাৰ অপৰাধত কেইবাজনো ব্যক্তিক গ্রেপ্তাৰ কৰাৰ কথা প্রকাশ পায়। এই ডকাইতিৰ ঘটনাত জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে সংযুক্ত মুক্তি

মুখ্যমন্ত্ৰী মহন্তই যোৱা ৪ বছৰে ধৰি গৃহ মন্ত্ৰী ফুকনৰ পৰা একো সহযোগ নোপোৱাৰ কথা ৰাজহুৱাভাৱে ব্যক্ত কৰে।

২৯ জানুৱাৰী ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই এখন সংবাদমেলত গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনৰ বিষয়ে কৰা মন্তব্যৰ প্ৰত্যুত্তৰত গৃহমন্ত্ৰীগৰাকীয়ে মুখ্য মন্ত্ৰীৰ বেয়া কামৰ অংশীদাৰ হ'ব নোৱাৰাৰ কথা সাংবাদিকৰ আগত প্ৰকাশ কৰে আৰু লগতে তেওঁ অসম গণ পৰিষদ চৰকাৰ আৰু দল ৰাইজৰ দল বা চৰকাৰ হৈ আছে নে নাই, সেই বিষয়ে ৰাজহুৱা মতামত লোৱাৰ প্ৰয়োজনীয়তাৰ বিষয়ে মন্তব্য কৰে। উক্ত দিনা পাৰ্বত্য অঞ্চল উন্নয়ন দপ্তৰৰ মন্ত্ৰী ছামছিং হান্সেই মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে।

৩০ জানুৱাৰী ঃ তেজপুৰৰ ৰঙাপৰাৰ ষ্টেট বেংকৰ শাখা কাৰ্যালয়ৰ পৰা বড়ো উগ্ৰপন্থীৰ দ্বাৰা দিনদুপৰতে এক কোটি সাত লাখ টকা লুট। এই উগ্ৰপন্থী দলটোৰ দ্বাৰাই এজন নিৰীহ বাছযাত্ৰী নিহত আৰু আন চাৰিজন গুৰুতৰভাৱে আহত হয়।

৪ ফেব্ৰুৱাৰী ঃ অসম গণ পৰিষদ দলৰ ডিফুৰ কাৰ্যালয়ত স্বাস্থ্য মন্ত্ৰী ছামছিং হান্সেৰ সভাপতিত্বত অনুষ্ঠিত অগপৰ ৰাজনৈতিক বৈঠকত গৃহীত প্ৰস্তাৱৰ দ্বাৰা কাৰ্বি আংলং জিলা পৰিষদখন ভংগ কৰি চৰকাৰে নিজৰ হাতলৈ ক্ষমতা অনাৰ দাবী জনায়।

- বড়ো সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে লোৱা ব্যৱস্থাৰ প্ৰতি সঁহাৰি জনাই সকলো আন্দোলনৰ কাৰ্যসূচী সম্প্ৰতি স্থগিত ৰখিবলৈ এবছু আৰু বি পি এ চিৰ সিদ্ধান্ত।
- ভাৰতৰ গৱেষণা আৰু বিশ্লেষণ সংস্থাই (RAW) অসমৰ বড়ো উগ্ৰপন্থীক প্ৰশিক্ষণ দিয়া বিষয়টো ভিত্তিহীন বুলি বৰ্ণনা কৰে।

১৫ ফেব্ৰুৱাৰী ঃ গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত অনুষ্ঠিত এক সংবাদমেলত পৰৱৰ্তী নিৰ্বাচনত কোনো ৰাজনৈতিক দলক সমৰ্থন নকৰাৰ কথা ঘোষণা কৰে। সম্পাদক সমুজ্জ্বল ভট্টাচাৰ্যই কয় যে পৰৱৰ্তী নিৰ্বাচনত আছুৰ কোনো সদস্যাই প্ৰাৰ্থিত্ব বিচাৰিব নোৱাৰিব, প্ৰাৰ্থিত্ব বিচাৰিবলৈ কোনো সদস্যাই পদত্যাগ কৰিব

বাহিনী, অসমৰ স্বয়ম্ভূ সভাপতি বুদ্ধেশ্বৰ গগৈ, সাধাৰণ সম্পাদক সুৰেন দিহিঙীয়া, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ভুবন বৰগোহাঁই, ৰাষ্ট্ৰদূত ভীমকান্ত বুঢ়াগোহাঁই, লিখন মৰাণ আৰু অমূল্য গগৈক গ্ৰেপ্তাৰ কৰে। তদুপৰি কল্পজ্যোতি নেওগ, ৰাজেন ফুকন (ভাইটি), স্বপন কাকতি, বিকাশ নাৰায়ণ শৰ্মা, পৱিত্ৰ গোহাঁই, মুকুট গোহাঁই, মুনীন গগৈ আৰু ৰাজেন কুমাৰ বৰুৱাক এই ডকাইতিৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বুলি পুলিচ সূত্ৰই নিশ্চিত কৰে। ইয়াৰ পিচতে কল্পজ্যোতি নেওগকো গ্ৰেপ্তাৰ কৰা হয়। মাকুমত গ্ৰেপ্তাৰ হোৱা মহীকান্ত হাতীবৰুৱাই ইতিমধ্যে আৰক্ষীৰ আগত ঘটনাটোৰ সৈতে জড়িত আটাইকেইজন ইউনাইটেড লিবাৰেচন ফ্ৰণ্টৰ সদস্য বুলি স্বীকাৰোক্তি দিছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, অসমীয়া সংবাদ মাধ্যম-আলোচনী আদিয়ে শিলপুখুৰীৰ এই ঘটনাক সম্পূৰ্ণভাৱে এক ডকাইতিৰ ঘটনা বুলি অভিহিত কৰিছিল আৰু অসম চৰকাৰক বেংকসমূহৰ নিৰাপত্তা নিশ্চিত কৰিবলৈ তথা দুষ্কৃতিকাৰীসকলৰ বিৰুদ্ধে যথাযথ ব্যৱস্থা ল'বলৈহে আহ্বান জনাইছিল।

শিলপুখুৰীৰ বেংক ডকাইতিৰ ঘটনাৰ পিচত অসম আৰক্ষীয়ে যিবোৰ নথি, চিঠি-পত্ৰ আদি জব্দ কৰিছিল তাত অসম সংযুক্ত মুক্তি বাহিনীৰ অৰবিন্দ ৰাজখোৱাই কমাণ্ডাৰ-ইন-চীফ তথা সামৰিক বিভাগৰ মুৰববীলৈ লিখা চিঠি পাইছিল। ১৯৮৫ চনৰ মাৰ্চ মাহৰ ১৮ তাৰিখে লিখা চিঠিখনত বাহিনীটোৰ ছীল-মোহৰো মৰা আছিল। চিঠিখনত আলফাৰ গঠন তথা নাগালেণ্ডৰ এন এছ চি এন আৰু মণিপুৰৰ ইউনাইটেড লিবাৰেচন ফ্ৰণ্টৰ আৰ্হি আৰু আদৰ্শত আলফা গঠন কৰা কথাটো উল্লেখ কৰা হৈছিল। চিঠিখনত আলফা গঠনৰ বাতৰি চীনা কমিউনিষ্ট পাৰ্টী আৰু কাচিন ইণ্ডিপেণ্ডেণ্ট অৰ্গেনাইজেচনক জনোৱা হৈছে বুলি উল্লেখ কৰা হৈছিল।

জব্দ কৰা এই চিঠি তথা আন নথিৰ জৰিয়তে অসম আৰক্ষীয়ে নিশ্চিত কৰে যে পৰেশ বৰুৱাৰ নেতৃত্বত সাতজনীয়া সামৰিক বাহিনীৰ এটা দল

নোৱাৰিব আৰু এই সিদ্ধান্ত অৱমাননা কৰিব বিচৰা সদস্যক সম্থাই বিৰোধিতা কৰাৰ কথা উল্লেখ কৰে।

● বৰপেটা জিলাত দুদল বড়ো লোকৰ মাজত হোৱা সংঘৰ্ষত দুজনৰ প্ৰাণহানিৰ লগতে কেইবাজনো আহত হয়। এই ঘটনাত এবছু (উপেন ব্ৰহ্ম গোট) আৰু অসম ভৈয়াম জনজাতি পৰিষদৰ (PTCA) সমৰ্থকসকল জড়িত থকাৰ বাতৰি প্ৰকাশ।

১৭ ফেব্ৰুৱাৰী ঃ শান্তখাটাত ৭জন বড়ো লোকক (দুটা কম বয়সৰ ল'ৰা-ছোৱালীসহ) বড়ো উগ্ৰপন্থীয়ে হত্যা কৰে। গাঁওখনৰ লোকসকল এবছু (উ)ৰ সমৰ্থক নহয় বাবেই এই নৃশংস হত্যাকাণ্ড সংঘটিত হয় বুলি এবছুৰ ৰামচিয়াৰী গোটৰ অভিযোগ।

● এবছু-বি পি এ চিয়ে প্ৰধানমন্ত্ৰী ভি পি সিঙক স্মাৰকপত্ৰ প্ৰদান কৰে।

২০ ফেব্ৰুৱাৰী ঃ অসম বিধানসভাৰ উপাধ্যক্ষ ভদ্ৰেশ্বৰ বুঢ়াগোহাঁয়ে নিজৰ পদৰ পৰা অব্যাহতি বিচাৰি মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ ওচৰত পদত্যাগপত্ৰ প্ৰদান কৰে।

২৮ ফেব্ৰুৱাৰী ঃ এখন সংবাদমেলত সোৱণশিৰি বান্ধ প্ৰকল্প সংগ্ৰাম সমিতিয়ে গোগামুখত নিৰ্মাণ কৰিবলৈ স্থিৰ কৰা সোৱণশিৰি বান্ধ প্ৰকল্প আঁচনিক কেন্দ্ৰীয় চৰকাৰে অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্ত কৰি শীঘ্ৰে বান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰিবৰ বাবে চৰকাৰক দাবী জনায়।

৬ মাৰ্চ ঃ অসম বিধানসভাত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন অসম মন্ত্ৰীসভা অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হয়। এই অনাস্থা প্ৰস্তাৱৰ অনুমতি দানত প্ৰয়োজনীয় সমৰ্থন লাভ কৰাৰ কথা অধ্যক্ষ পুলকেশ বৰুৱাই সদনত ঘোষণা কৰে। কংগ্ৰেছ (ই), ইউ এম এফ (দুয়োটা ফৈদ), চি পি এম, ইউ টি এন এল এফ আৰু এজন নিৰ্দলীয় সদস্যই প্ৰস্তাৱটো সমৰ্থন কৰে; কিন্তু পি টি চি এ আৰু কংগ্ৰেছ (এছ)-এ প্ৰস্তাৱটো সমৰ্থন নকৰিলে।

৮ মাৰ্চ ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই, বড়োসকলৰ এখন সুকীয়া ৰাজ্যৰ দাবীৰ ঠাইত এখন স্বায়ত্তশাসিত জিলা পৰিষদ গঠন কৰাৰ সম্ভাৱনাও নাই বুলি সাংবাদিকৰ আগত মন্তব্য কৰে। তেওঁ বড়োলেণ্ড বিচৰা অঞ্চলত

এন এছ চি এনৰ শিবিৰলৈ গৈছে আৰু এই দলটোৰ নাম হ'ল 'ফগটীম'; 'ৰেইনিং টীম' নামৰ আন এটা দলৰ কথাও উল্লেখ কৰা হৈছিল। চিঠিখনত উল্লেখ কৰা অনুসৰি কাউঞ্চিলৰ (এন এছ চি এনৰ) হেডকোৱাৰ্টাৰ পাতি লোৱা ঠাইখনক 'ফাই' নামে ১৯৮২ চনত নামকৰণ কৰা হৈছিল আৰু তাত এন এছ চি এনৰ সভাপতি আইজাক শ্বু, উপ-সভাপতি খাপলাং আৰু সচিবপ্ৰধান মুইভা প্ৰমুখ্যে প্ৰথম শাৰীৰ নেতাসকল থাকে।

অসমত অসম গণ পৰিষদৰ চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ দিনাখনেই সংযুক্ত মুক্তি বাহিনী, অসমে ৰাজ্যখনৰ বিভিন্ন ঠাইত প্ৰচাৰপত্ৰ বিতৰণ কৰিছিল। চৰকাৰ গঠনৰ পিচত এন এছ চি এনৰ সদস্য কেপ্টেইন টাও সিং আৰু আলফা সদস্য বন হাজৰিকাই ৰাজ্যখনৰ নানা প্ৰান্তত গেৰিলা প্ৰশিক্ষণত সদস্য পঠাবলৈ সাংগঠনিক অভিযান চলায়। এনেভাৱে সংগঠিত যুৱকসকলে পিচলৈ নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে গৈ এন এছ চি এনৰ শিবিৰত প্ৰশিক্ষণ ল'বলৈ আৰম্ভ কৰে। ১৯৮৬ চনত কেইবাটাও দলে ভাগে ভাগে গৈ এন এছ চি এনৰ শিবিৰ হৈ কাচিনলৈ যাত্ৰা কৰে। সোণাৰিৰ পৰা নাগালেণ্ডৰ লোকুনবস্তি হৈ এন এছ চি এনৰ প্ৰথম শিবিৰটো পোৱা গৈছিল। আলফাৰ প্ৰশিক্ষণৰ বাবে যোৱা দলে প্ৰথমতে এই শিবিৰতে বাহৰ পাতিছিল। এই শিবিৰৰ পৰা প্ৰায় তেৰ দিন খোজকাঢ়ি গ'লে ইয়ানোবস্তি পোৱা যায়। এন এছ চি এনৰ এই মুখ্য কাৰ্যালয়তে সামৰিক আৰু অসামৰিক প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ পৰা দুৰ্গম পাহাৰীয়া পথেৰে কাচিনলৈ যোৱা হয়। সীমান্তত থকা ভাৰতীয় সৈন্যৰ উপৰি ম্যানমাৰৰ সৈন্যৰ চকুত ধূলি দি ম্যানমাৰৰ সীমান্তৱৰ্তী এলেকাত প্ৰৱেশ কৰাটো আছিল এক দুৰূহ কাম। ডেথ ভেলী বা মৃত্যু উপত্যকা বুলি আলফাৰ যুৱকসকলে আখ্যায়িত কৰা এই অঞ্চলটোত ৰোগাক্ৰান্ত হৈ আলফাৰ পঁচিশজন যুৱকৰ মৃত্যু হৈছিল। এই উপত্যকাতে আছে কাচিন ইণ্ডিপেণ্ডেণ্ট আৰ্মীৰ তেৰ নম্বৰ বেটেলিয়ন।

তেওঁলোক সংখ্যাগুৰু নহয় বুলিও মত পোষণ কৰে।

৯ মাৰ্চ ঃ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বড়ো প্ৰতিনিধিসকলৰ মাজত নতুন দিল্লীত বড়ো সমস্যা সমাধানৰ কাৰণে চতুৰ্থলানি বৈঠক বহে। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰক প্ৰতিনিধিত্ব কৰে কেন্দ্ৰীয় শ্ৰম মন্ত্ৰী ৰামবিলাস পাছোৱানে। পাছোৱানে আলোচনাৰ অন্তত অনুসূচিত জাতি আৰু জনজাতিসকলৰ চাকৰি সংৰক্ষণৰ ক্ষেত্ৰত থকা 'বেকলগ' পূৰণৰ আশু-পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি ৰাজ্য চৰকাৰকক আশ্বাস দিয়ে। পাছোৱান, প্ৰফুল্ল মহন্ত আৰু গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনক লৈ গঠিত প্ৰতিনিধি দলে চলিত বৰ্ষৰ ১ এপ্ৰিলৰ পৰা বড়ো অধ্যুষিত অঞ্চলসমূহ ভ্ৰমণ কৰাৰ কথা ব্যক্ত কৰে। এই ভ্ৰমণসূচীৰ পিচত পৰৱৰ্তী মাহৰ ১৮ এপ্ৰিলত অঞ্চলটোৰ উন্নয়ন আৰু জনজাতিসকলক দিব লগা স্বায়ত্ত শাসনৰ মাত্ৰা সম্পৰ্কত নিৰ্দিষ্ট প্ৰস্তাৱসমূহৰ ক্ষেত্ৰত আলোচনা হ'ব বুলি জনায়। ইয়াৰ উপৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনজাতীয় লোকৰ ওপৰত হাৰাশাস্তিৰ ঘটনাৰ ব্যৱস্থা ল'বৰ বাবে ৰাজ্য চৰকাৰে বিশেষ আদালত গঠন কৰাৰ কথা বড়ো প্ৰতিনিধিসকলক জনায়। আনহাতে এবছু আৰু বড়ো পিপল্‌ছ একচন কমিটীসহ বড়ো প্ৰতিনিধিসকলে সংবিধানৰ পৰিসীমাৰ ভিতৰত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এখন পৃথক ৰাজ্য আৰু দক্ষিণ পাৰে স্বায়ত্তশাসিত জিলা আৰু তেওঁলোকে কাৰ্বি আংলং জিলাত থকা বড়ো কছাৰীসকলক অনুসূচিত জনজাতি হিচাপে স্বীকৃতি দিবলৈ দাবী উত্থাপন কৰে। এই আলোচনাত বড়ো প্ৰতিনিধিসকলৰ নেতৃত্ব লয় নিখিল বড়ো ছাত্ৰ সন্থা (উ)ৰ সাধাৰণ সম্পাদক ৰবিৰাম ব্ৰহ্মই।

৯ মাৰ্চ ঃ অসম গোৰ্খা সন্মিলনৰ লখিমপুৰ জিলাৰ সভাপতি নৰজাং গুৰুঙক সন্দেহযুক্ত আলফাই অপহৰণ কৰে।

১৩ মাৰ্চ ঃ আলফাই নলবাৰীত ৪জন আৰু গহপুৰত এজন লোকক গুলীয়াই হত্যা কৰে। উল্লেখযোগ্য যে ইয়াৰে নলবাৰীৰ এজন ব্যৱসায়ী আৰু গহপুৰত নিহত হোৱা উৎসৱানন্দ গোস্বামী এজন

প্ৰশিক্ষণ আৰু সাংগঠনিক ভিত্তি শক্তিশালী কৰাৰ এই সময়ছোৱাতে আলফাৰ সাংগঠনিক পৰিৱৰ্তন সাধন কৰা হয় আৰু তাৰ ফলত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ এসময়ৰ সদস্য ৰাজীৱ ৰাজকোঁৱৰ আলফাৰ সভাপতি হয়। আলফাত এওঁ অৰবিন্দ ৰাজখোৱা হিচাপে সাংগঠনিক নাম লয়। সংগঠনৰ সৰ্বোচ্চ ক্ষমতা অৰ্পিত হয় স্থায়ী পৰিষদৰ ওপৰত। এই স্থায়ী পৰিষদৰ সদস্য হ'ল চাৰিজন। এওঁলোক হ'ল— ৰাজীৱ ৰাজকোঁৱৰ ওৰফে অৰবিন্দ ৰাজখোৱা (সভাপতি), গোলাপ বৰুৱা ওৰফে অনুপ চেতিয়া (সাধাৰণ সম্পাদক), সমীৰণ গগৈ ওৰফে প্ৰদীপ গগৈ (উপ-সভাপতি), পৰেশ বৰুৱা ওৰফে পৰন বৰুৱা (মুখ্য সেনাধিনায়ক)। পৰৱৰ্তী সময়ত আলফাৰ ভিতৰত অসামৰিক ভাগতকৈ সামৰিক বাহিনীটোৰ আধিপত্য বিস্তাৰিত হয় আৰু আলফাৰ মুখ্য সেনাধিনায়কজনেই সৰ্বোচ্চ কৰ্তৃত্বলৈ ৰূপান্তৰিত হয়।

১৯৮৬ চনৰ ১ মাৰ্চৰ পুৱা ১০.৩০ বজাত নামৰূপৰ ভাৰতীয় ষ্টেট বেংকৰ শাখাত সশস্ত্ৰ ডকাইতি সংঘটিত হয়। নিজকে আলফা দলৰ সদস্য বুলি কোৱা দলটোৱে ষ্টেনগান ব্যৱহাৰ কৰিছিল। ঘটনাৰ খবৰ পাই নামৰূপ থানাৰ অ' চি পুতুল বৰা সদলবলে বেংকত উপস্থিত হয়। ডকাইত আৰু পুলিচৰ মাজত হোৱা গুলীয়াগুলিত পুতুল বৰা সহিতে চাৰিজন চিপাহী আৰু তিনিজন বেংকৰ কৰ্মচাৰী গুৰুতৰভাৱে আহত হয়। আহত পুতুল বৰাৰ পিচত হিন্দুস্থান নিগমৰ চিকিৎসালয়ত মৃত্যু হয়।

অসম পুলিচৰ সৈতে আলফাৰ প্ৰত্যক্ষ সংঘৰ্ষ লাগে ১৯৮৬ চনৰ ২৩ মে'ত। শিৱসাগৰ জিলাৰ চৰাইদেউ মহকুমাৰ সোণাৰি থানাৰ পুলিচে ২৩ মে'ত উগ্ৰপন্থীৰ দল এটা নাগালেণ্ড হৈ ব্ৰহ্মদেশলৈ যাব বুলি বাতৰি পাই দলটোক কৰায়ত্ত কৰিবলৈ চেষ্টা চলায় আৰু দুয়োপক্ষৰ মাজত গুলীয়াগুলি লাগে। আলফাৰ দলটোৱে ঘটনাস্থলীত ড্ৰাইভাৰ-হেণ্ডিমেনসহ গাড়ীখন এৰি পলাই যায়। আলফা আৰু অসম পুলিচৰ মাজত এই ঘটনাটোকে প্ৰথম

কংগ্ৰেছ (ই) কৰ্মী।

১৬ মাৰ্চ ঃ কোনো অচিনাক্ত লোকে বৰপেটা ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক, বজালী মহকুমা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক আৰু জালাহ আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সম্পাদক নৰেন কলিতাক নৃশংসভাৱে হত্যা কৰে।

- গুৱাহাটী বিশ্ববিদ্যালয়ত সদৌ অসম ছাত্ৰ সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। এই সভাত আছুৰ সভাপতি অতুল বৰা আৰু সাধাৰণ সম্পাদক সমুজ্জ্বল ভট্টাচাৰ্যই পূৰ্বে ৰাজহুৱা অভিযোগক ভিত্তি কৰি আৰু অশোভনীয় আচৰণৰ বাবে অপসাৰিত মন্ত্ৰী ক্ৰমে থানেশ্বৰ বড়ো আৰু উৎপল দত্তক পুনৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাত ৰাজহুৱাভাৱে অভিযোগ খণ্ডন কৰিবলৈ নাইবা মন্ত্ৰীসভাৰ পৰা অপসাৰণ নকৰিলে ছাত্ৰ সন্থাৰ আঞ্চলিকৰ পৰা ৰাজ্যিক কাৰ্যনিৰ্বাহকলৈ সকলো গোটে অসহযোগ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।
- ১৬ মাৰ্চৰ পৰা ১৮ মাৰ্চলৈকে অসম চুক্তিৰ ৭নং দফাৰ আধাৰত ৰাজ্যখনৰ অৰ্থনৈতিক উন্নয়নৰ উদ্দেশ্যে এক বিশেষ আঁচনি প্ৰস্তুত কৰাৰ বাবে ভাৰত চৰকাৰে পৰিকল্পনা আয়োগৰ সদস্য এল চি জৈনৰ অধ্যক্ষতাত গঠন কৰি দিয়া অসম চুক্তি কমিটীয়ে ৰাজ্য চৰকাৰ, বিভিন্ন ৰাজনৈতিক দল আৰু সংগঠন, অৰ্থনীতিবিদ আৰু বিভিন্ন ব্যক্তিৰ লগত গুৱাহাটীৰ ৰাজ্যিক অতিথিশালাত আলোচনা কৰে।

১৮ মাৰ্চ ঃ গুৱাহাটীত এখন সংবাদমেলত সদৌ বড়ো ছাত্ৰ সন্থাই (উ) আলফাৰ সৈতে কোনো বিৰোধিতা নোহোৱাৰ কথা স্পষ্টভাৱে ব্যক্ত কৰে।

২৪ মাৰ্চ ঃ নগাঁৱৰ ৰাইদিঙিয়াত সন্দেহযুক্ত আলফা কৰ্মীয়ে তিনিজন লোকক গুলীয়াই হত্যা কৰে।

২৫ মাৰ্চ ঃ নিখিল ভাৰত ছাত্ৰ ফেডাৰেচনে গুৱাহাটীত অনুষ্ঠিত এখন সংবাদমেলত গৃহ মন্ত্ৰী মুফতি মহম্মদ ছয়িদে আলফা সম্পৰ্কত 'বন্দুকধাৰী'ৰ লগত কোনো আলোচনা নহ'ব বুলি কৰা মন্তব্যক তীব্ৰ বিৰোধিতা কৰে।

২৬ মাৰ্চ ঃ অগপ দলৰ প্ৰাক্তন মন্ত্ৰী আৰু বিধায়ক পবীন্দ্ৰ ডেকাক 'দলবিৰোধী' কাৰ্যকলাপৰ বাবে অসম

প্ৰত্যক্ষ সংঘৰ্ষৰ ঘটনা বুলি অভিহিত কৰিব পাৰি। মে' মাহৰে ২৯ তাৰিখে অসম পুলিচৰ ৰোশন আলী নামৰ এগৰাকী হাবিলদাৰ আলফা সদস্যৰ গুলীত নিহত হয়। ইয়াৰ পিচত আগষ্ট মাহৰ ২৯ তাৰিখে আলফাৰ সদস্যই গোলাঘাটৰ প্ৰাক্তন মুখ্য কাউঞ্চিলৰ দেৱজিৎ ধৰ চৌধুৰীক হত্যা কৰে। ১৯৮৩ চনৰ অবৈধ চৰকাৰৰ অনুগ্ৰহত গোলাঘাটৰ মুখ্য কাউঞ্চিলৰ পদ লাভ কৰা আৰু অসমীয়া জাতিৰ বিৰুদ্ধে গঢ় লৈ উঠা এটা সংগঠনৰ সক্ৰিয় সদস্য হোৱাৰ অভিযোগত আলফাই তেওঁক হত্যা কৰিছিল বুলি ১৯৮৬ চনৰ ২৯ ছেপ্টেম্বৰত আলফাই প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰিছিল।

১৯৮৬ চনৰ ১৭ ছেপ্টেম্বৰত সংযুক্ত সংখ্যালঘু মৰ্চাৰ (United Minorities Front) সভাপতি তথা চিটিজেন ৰাইট্‌ছ প্ৰিজাৰ্ভেছন কমিটীৰ (CRPC) সভাপতি কালীপদ সেনক আলফা সদস্যই গুলীয়াই হত্যা কৰে। সন্ধিয়া ৬.৩০ বজাত তিনিজন অজ্ঞাত আততায়ীয়ে নিজৰ বাসভৱনতে সেনক গুলীয়াই থৈ যায়। এই ঘটনাত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি তদানীন্তন গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনে ইয়াক আঞ্চলিক দলৰ চৰকাৰখনক অস্থিৰ কৰাৰ এক ষড়যন্ত্ৰ বুলি অভিহিত কৰে। ইয়াৰ বিপৰীতে অসমীয়া জাতিৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত থকাৰ অভিযোগত কালীপদ সেনক হত্যা কৰা হৈছে বুলি আলফাই মুকলিকৈ ঘোষণা কৰিছিল।

আনহাতে উজনি অসমত ১৯৮৭ চনৰ ৮ জানুৱাৰীৰ নিশা যোৰহাট জিলা যুৱ কংগ্ৰেছৰ উপ-সভাপতি তথা প্ৰাক্তন বন মন্ত্ৰী দীননাথ ৰাজখোৱাৰ পুত্ৰ ৰাজীৱ ৰাজখোৱাক আৰু তেওঁৰ এগৰাকী কংগ্ৰেছী সতীৰ্থ ৰঞ্জিত বৰুৱাক যোৰহাটৰ ইলি চিনেমা হলৰ কাষত আলফা সদস্যই গুলীয়াই হত্যা কৰে। অসমত আঞ্চলিক দলটোৰ চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচৰে পৰা কংগ্ৰেছীসকলৰ ওপৰত আক্ৰমণ বৃদ্ধি হোৱাত শংকিত হৈ কংগ্ৰেছ বিধায়িনী নেতাসকলে অসমৰ আইন-শৃংখলাৰ পৰিস্থিতিৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ হস্তক্ষেপ বিচাৰিছিল।

গণ পৰিষদৰ পৰা নিলম্বিত কৰা হয়। উল্লেখযোগ্য যে তেওঁ দলৰ স্বাৰ্থত অগপ বিধায়িনী দলৰ সভাপতি আৰু মুখ্যমন্ত্ৰী পদৰ পৰা প্ৰফুল্ল কুমাৰ মহন্তৰ পদত্যাগ দাবী কৰিছিল।

২৭ মাৰ্চ ঃ সংবাদ মাধ্যমত আলফাই অসমৰ বিভিন্ন ঠাইত বন্দুকৰ মালিকৰ পৰা প্ৰায় এহাজাৰ বন্দুক লুট কৰাৰ বাতৰি প্ৰকাশ।

২৯ মাৰ্চ ঃ ৰাজ্যসভাৰ ৩খন আসনৰ বাবে নিৰ্বাচন হয় আৰু এই নিৰ্বাচনত অগপ প্ৰাৰ্থী দীনেশ গোস্বামী, ভদ্ৰেশ্বৰ বুঢ়াগোহাঁই আৰু কংগ্ৰেছ (ই) দলৰ ভুবনেশ্বৰ কলিতাই জয়লাভ কৰে। এই নিৰ্বাচনত গোস্বামীয়ে ৩৫টা, বুঢ়াগোহাঁয়ে ৩৪টা, কলিতাই ৩৭টা আৰু আন ৪জন প্ৰাৰ্থীৰ ভিতৰত ইউ এম এফৰ গোলাম ওচমানিয়ে ৯টা, নিৰ্দলীয় প্ৰাৰ্থী পদ্মনাথ কৈৰীয়ে এটা আৰু আন দুজন প্ৰাৰ্থী ইউ এম এফৰ মজিবুদ্দিন আহমেদ আৰু আব্দুল হামিদে ওচমানিৰ সপক্ষে নিৰ্বাচনৰ পৰা আঁতৰি থাকে।

১ এপ্ৰিল ঃ প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক কংগ্ৰেছ (ই) সভাপতি ৰাজীৱ গান্ধীয়ে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি হিচাপে নিয়োগ কৰে।

● প্ৰফুল্ল কুমাৰ মহন্ত মন্ত্ৰীসভাৰ বিৰুদ্ধে বিৰোধী পক্ষই অনা অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত অসম বিধানসভাত দুদিনজোৰা আলোচনাচক্ৰ আৰম্ভ হয়।

● জনতা দলৰ অসম শাখাৰ সভাপতি গোলাপ বৰবৰাই অগপক আগন্তুক নিৰ্বাচনৰ বাবে উমৈহতীয়া মঞ্চত ভাগ ল'বৰ বাবে আমন্ত্ৰণ জনায়।

২ এপ্ৰিল ঃ বিধানসভাত চলিত চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ সন্দৰ্ভত হোৱা বিতৰ্কত উত্তৰৰ মাজতে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সাংবাদিক সম্পৰ্কে কৰা মন্তব্যই সাংবাদিকসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে আৰু এই সন্দৰ্ভত সাংবাদিকসকলে অধ্যক্ষক ন্যায় কামনা কৰি এখন পত্ৰ অৰ্পণ কৰে।

● প্ৰফুল্ল কুমাৰ মহন্ত মন্ত্ৰীসভাৰ বিৰুদ্ধে বিৰোধী পক্ষ কংগ্ৰেছ (ই) দলে অনা অনাস্থা বিধানসভাত মৌখিক ভোটত নাকচ হয়।

৩ এপ্ৰিল ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই সাংবাদিকৰ বিষয়ে মন্তব্য কৰাৰ প্ৰতিবাদত সাংবাদিকসকলে ৪ এপ্ৰিলৰ

ইতিমধ্যে সংযুক্ত মুক্তি বাহিনীৰ ভিতৰচ'ৰাৰ খবৰ আৰক্ষী তথা চোৰাংচোৱা সংস্থাবোৰৰ হাতত নিয়মীয়াকৈ পৰিবলৈ আৰম্ভ কৰে। অসম গণ পৰিষদৰ চৰকাৰ থকা অনুকূল পৰিৱেশটোত আলফাই যিবোৰ বীৰত্বমূলক আৰু ভাবমূৰ্তি উজ্জ্বল কৰাৰ কাম হাতত লৈছিল সেইবোৰ দেখি আলফাৰ ইতিহাস, আদৰ্শগত তত্ত্ব, ভাৰত ৰাষ্ট্ৰৰ সৈতে সংগঠনটোৰ থকা দ্বন্দ্ব, অসমত চলি থকা ঔপনিৱেশিক লুণ্ঠন আদিৰ বিষয়ে সামান্যতম জ্ঞান নোলোৱাকৈ অসংখ্য যুৱক-যুৱতী আলফাত ভৰ্তি হৈছিল। এন এছ চি এন অথবা মিজো নেচনেল ফ্ৰণ্টৰ মাজত যি এক শক্তিশালী জাতীয়তাবাদী ভাবধাৰা শিপাই আছিল সেয়াও সমূলি আলফাৰ ভিতৰত উহ্য আছিল বুলি ক'ব পাৰি।

বৰঞ্চ অসম আন্দোলনে সৃষ্টি কৰি থৈ যোৱা অসমীয়া জাত্যাভিমানৰ সংজ্ঞাটোক আলফাৰ আদৰ্শগত ভিত্তিটোৱে দুৰ্বলহে কৰিছিল। বাংলাদেশী প্ৰব্ৰজনকাৰীসকলক নহয়, ভাৰতৰ ভিন ভিন প্ৰান্তৰ পৰা আহি অসমত থিতাপি লোৱাসকলকহে সংগঠনটোৱে শত্ৰু ৰূপে বিবেচনা কৰিছিল। ছটা বছৰৰ ভিতৰত অসম আন্দোলনে অসম আৰু অসমীয়াৰ বাবে যি এক জাতীয়তাবাদৰ পৰিধি গঢ়ি তুলিছিল তাক আলফাৰ সশস্ত্ৰ তৎপৰতাই ১৯৮৫-৮৭ চনৰ ভিতৰতে একপ্ৰকাৰ তচ্‌নচ্ কৰি পেলাইছিল। বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ছোৱাত বা ইয়াৰ পূৰ্বৱৰ্তী ভাষা আৰু মাধ্যম আন্দোলনত অসমত বাস কৰি থকা মাৰোৱাৰী সম্প্ৰদায়ৰ লোকসকলে অসমীয়া জাতিৰ সৰ্বাত্মক দাবীবোৰৰ বিৰোধিতা কৰা নাছিল। অসমৰ জাতীয় জীৱনত বাংলা-অসমীয়াৰ যি এক ভাষিক সংঘাত ঐতিহাসিকভাৱে বিৰাজ কৰি আহিছে তাৰ বিপৰীতে ব্যৱসায়িক স্বাৰ্থৰ খাতিৰত এই সম্প্ৰদায়টোৱে ভাষিক-সাংস্কৃতিক আদি বিষয়ত কোনো সংঘাতলৈ যোৱা পৰিলক্ষিত হোৱা নাছিল। আলফাৰ সশস্ত্ৰ বিপ্লৱীসকলে অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া জাতীয়তাবাদত ক্ৰমান্বয়ে লীন যাবলৈ আৰম্ভ কৰা

পৰা অসম বিধানসভাৰ চলিত বাজেট অধিৱেশনত উপস্থিত নথকা আৰু বাতৰি পৰিৱেশন নকৰাৰ সিদ্ধান্ত লয়। আনহাতে ৪ এপ্ৰিলত অসম বিধানসভাৰ অধ্যক্ষ পুলকেশ বৰুৱাই বিষয়টো পৰীক্ষা কৰি এটা ৰুলিং দিয়াৰ কথা সাংবাদিকসকলক জনায়।

৫ এপ্ৰিল ঃ গুৱাহাটীৰ সাংবাদিকসকলে মুখ্য মন্ত্ৰীয়ে বিধানসভাত সাংবাদিকৰ বিৰুদ্ধে মত পোষণ কৰা বিষয়টোৰ এটা সু-মীমাংসা নোহোৱাপৰ্যন্ত চৰকাৰ আৰু অগপৰ সংবাদমেল বৰ্জন কৰাৰ সিদ্ধান্ত লয়। ইয়াৰ উপৰি সাংবাদিকসকল জড়িত থকা বিভিন্ন কমিটীৰ পৰাও তেওঁলোকে পদত্যাগ কৰে। এই প্ৰতিবাদত 'দ্য আছাম ট্ৰিবিউন' কাকতৰ সম্পাদক ৰবীন্দ্ৰনাথ বৰুৱাই এক্ৰেডিটেচন কমিটী আৰু 'ছেন্টিনেল' কাকতৰ সম্পাদক ধীৰেন্দ্ৰনাথ বেজবৰুৱাই অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সদস্য পদৰ পৰা পদত্যাগ কৰে।

৯ এপ্ৰিল ঃ অসম বিধানসভাৰ অধ্যক্ষ পুলকেশ বৰুৱাই প্ৰফুল্ল কুমাৰ মহন্তই সাংবাদিকক উদ্দেশ্যি কৰা মন্তব্য প্ৰসংগত বিধানসভাত সাংবাদিকসকলৰ সপক্ষে এটা ৰুলিং দিয়ে। অধ্যক্ষই সদনৰ কাৰ্য পৰিচালনা নিয়াৰিকৈ চলোৱাৰ স্বাৰ্থত বিধান মণ্ডল আৰু সংবাদসেৱীৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক স্থাপনৰ কাৰণে সদনৰ নেতা হিচাপে মুখ্যমন্ত্ৰীয়ে বিবৃতি দিয়াটো বাঞ্ছনীয় বুলি মন্তব্য কৰে।

১০ এপ্ৰিল ঃ প্ৰাক্তন মন্ত্ৰী তথা অগপৰ পৰা নিলম্বিত হৈ থকা বিধায়ক পবীন্দ্ৰ ডেকাই প্ৰফুল্ল কুমাৰ মহন্তক মুখ্যমন্ত্ৰী আৰু দলপতি পদৰ পৰা ৩০ এপ্ৰিলৰ ভিতৰত পদত্যাগ কৰিবলৈ পুনৰ দাবী জনায়।

১১ এপ্ৰিল ঃ বাতৰিকাকতত অসমৰ মুখ্যমন্ত্ৰীয়ে বিধানসভাত সংবাদকৰ্মী-সকলৰ বিষয়ে কৰা মন্তব্যত আন্তৰিক দুখ অনুভৱ কৰি সংসদীয় গণতন্ত্ৰত সংবাদসেৱা আৰু সংবাদসেৱীসকলৰ ভূমিকা সম্পৰ্কে তেওঁ যথেষ্ট সচেতন বুলি মন্তব্য কৰে আৰু সৃষ্টিমূলক যিকোনো সমালোচনাৰ বাবে সাংবাদিকসকলৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা সদায় অটুট ৰখাৰ কথা বিবৃতিৰ দ্বাৰা প্ৰকাশ কৰে।

প্ৰব্ৰজনকাৰী মুছলমান সম্প্ৰদায়টোক অসমৰ বাবে এক ভাবুকি বুলি ভবা নাছিল। ইয়াৰ বিপৰীতে শতিকাজুৰি অসমত বাস কৰিও অসমীয়া ভাষা-সংস্কৃতিক আঁকোৱালি নোলোৱা মাৰোৱাৰীসকলক (লগতে বিহাৰী সম্প্ৰদায়ৰ লোকসকলকো) আলফাই ভাৰতীয় ঔপনিৱেশিকতাবাদৰ প্ৰতিভূ বুলি বিবেচনা কৰিছিল।

১৯৮৭ চনৰ ১১ মে'ত আলফাৰ দ্বাৰা তৃতীয়টো লোমহৰ্ষক বেংক ডকাইতি সংঘটিত হয়। গুৱাহাটীৰ ফাঁচীবজাৰত অৱস্থিত ইউনিয়ন বেংকৰ পৰা ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা দিবলৈ নিয়া ৪৫ লাখ টকা চাৰিজন সশস্ত্ৰ যুৱকে ডকাইতি কৰি নিয়ে। হাতত ষ্টেনগান লৈ অহা এই যুৱক চাৰিজনে বেংকৰ নিৰাপত্তাৰক্ষীকেইজনক সেও মনাই এই ডকাইতি সংঘটিত কৰে। অসম আৰক্ষীয়ে অতি তৎপৰতাৰে এই ঘটনাৰ অনুসন্ধান কাৰ্য সমাপ্ত কৰি অতি কম দিনৰ ভিতৰতে টকাখিনি উদ্ধাৰ কৰিবলৈ সমৰ্থ হয় আৰু অপৰাধী চাৰিজনৰ ভিতৰত সুনীল নাথ আৰু শৈলেন দত্ত কোঁৱৰক গ্ৰেপ্তাৰ কৰে। সুনীল নাথ পৰৱৰ্তী সময়ত সিদ্ধাৰ্থ ফুকন ছদ্মনামেৰে আলফাৰ প্ৰচাৰ সম্পাদক হৈছিল আৰু ১৯৯২ চনত আত্মসমৰ্পণ নকৰালৈ সেই পদতে আলফাৰ কাম-কাজ চলাইছিল। ইফালে শৈলেন দত্ত কোঁৱৰেও আলফাৰ শীৰ্ষ বাব দখল কৰিছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল, আৰক্ষীৰ দ্বাৰা আটক হোৱাৰ সময়লৈকে দুয়ো সদৌ অসম ছাত্ৰ সন্থাৰ বিষয়ববীয়া আছিল।

মে' মাহৰ বেংক ডকাইতিৰ সৈতে জড়িত চক্ৰটোৰ প্ৰায়ভাগকে গ্ৰেপ্তাৰ কৰাৰ পিচত আৰক্ষী তথা চোৰাংচোৱা বাহিনীয়ে আলফাৰ সাংগঠনিক কাম-কাজ আদি সম্পৰ্কে ভালেখিনি সম্ভেদ উলিয়াবলৈ সক্ষম হয়। ৪ জুনৰ দুপৰীয়া ১২ বজাত আলফাৰ অস্থায়ী সভাপতি প্ৰদীপ গগৈ আৰু তেওঁৰ সতীৰ্থ দুৰ্গেশ্বৰ ৰাজকোঁৱৰক ধূপধৰাৰ পুলিচে গ্ৰেপ্তাৰ কৰে। ধূপধৰাৰ পুলিচে গুৱাহাটীৰ পৰা যোৱা যান-বাহনসমূহ পৰীক্ষা কৰি থাকোঁতে গগৈৰ বেগত সন্দেহজনক নথিপত্ৰ পাই তেওঁক গ্ৰেপ্তাৰ কৰে। এই দুজন সদস্য

• কোকৰাঝাৰ জিলাৰ বেংতল-ঢালিগাঁও সংযোগী পথত হোৱা এটা বোমা বিস্ফোৰণত ৭জন লোকৰ থিতাতে মৃত্যু হয় আৰু ৩জন গুৰুতৰভাৱে আহত হয়। এবছু (উ)ৰ সমৰ্থক বড়ো উগ্ৰপন্থীকে এই ঘটনাৰ দায়ী বুলি সন্দেহ কৰা হয়।

১২ এপ্ৰিল ঃ নতুন দিল্লীত ভাৰতীয় জনতা দল আৰু কংগ্ৰেছ সদস্যসকলে লোকসভাত সংযুক্ত মুক্তি বাহিনী, অসম (আলফা)ক তৎকালীনভাৱে নিষিদ্ধ কৰিবলৈ দাবী জনায়। তেওঁলোকে আলফাৰ বিৰুদ্ধে কোনো কাৰ্যব্যৱস্থা নোলোৱাৰ বাবে অসম চৰকাৰক সমালোচনা কৰে।

• নিশা প্ৰায় ৯.৩০ বজাত বিজনী আৰু চাপ্ৰাকাটা ষ্টেচনৰ মাজত হোৱা এটা বোমা বিস্ফোৰণত ৫৭১৮ ডাউনডুৱাৰ্ছ এক্সপ্ৰেছৰ কমেও এজন যাত্ৰীৰ মৃত্যু।

• শেষ নিশা প্ৰায় ২.৪০ বজাত কোকৰাঝাৰ আৰু ফকিৰাগ্ৰাম ষ্টেচনৰ মাজত হোৱা এটা বোমা বিস্ফোৰণত ৫৬০৯ ডাউন অৱধ অসম এক্সপ্ৰেছ যাত্ৰীবাহী ৰে'লৰ দুটা শিশুকে ধৰি কমেও পোন্ধৰজন যাত্ৰীৰ শোকাবহ মৃত্যু। ৰে'লখন গুৱাহাটীৰ পৰা ৱডগজেৰে দিল্লী অভিমুখে গৈ আছিল।

• মাজনিশা বড়ো উগ্ৰপন্থীয়ে বিজনীৰ ওচৰৰ ৰাষ্ট্ৰীয় ঘাইপথৰ মানাহ নৈৰ ওপৰৰ পকী দলংখন বোমা দি উৰুৱাই দিয়ে।

• কোকৰাঝাৰ জিলাৰ চিদলীত সুভাষ সিং আৰু তেওঁৰ লগুৱা পুৰণ সিং উগ্ৰপন্থীৰ গুলীত নিহত হয়।

• উগ্ৰপন্থীৰ গুলীত আহত কোকৰাঝাৰ গড়কাপ্তানী বিভাগৰ কাৰ্যবাহী অভিযন্তা ডি কে বৰঠাকুৰ আৰু কোকৰাঝাৰ জিলা পি টি চি এৰ প্ৰাক্তন সভাপতি চলীন চন্দ্ৰ উজীৰৰ চিকিৎসালয়ত মৃত্যু।

• কোকৰাঝাৰৰ ৰাষ্ট্ৰীয় ঘাইপথত উগ্ৰপন্থীয়ে তিনিখন টেংকাৰ আৰু তিনিখন মালবাহী ট্ৰাকত অগ্নিসংযোগ কৰে আৰু এখন ট্ৰাকৰ চালকক জীয়ন্তে অগ্নিদগ্ধ কৰে। ঘটনাস্থলীত পুলিচ আৰু বড়ো উগ্ৰপন্থীৰ মাজত তিনি ঘণ্টাজুৰি গুলীয়াগুলি চলে। এই সশস্ত্ৰ ঘটনাৰাজিত ৩০জন নিহত আৰু ৬০জন আহত হয়।

১৫ এপ্ৰিল ঃ জালাহৰ ৰূপহী নৈৰ

গ্ৰেপ্তাৰ হোৱাৰ পিচতে সমগ্ৰ অসমতে আলফাই সাংগঠনিক তৎপৰতা আৰু ঘাতক কাৰ্য বৃদ্ধি কৰিবলৈ আৰম্ভ কৰে।

১৯৮৭ চনৰ শেষৰ ফালে কাচিনৰ পৰা অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত ৪০জনীয়া দল এটাই ৭০টা বন্দুক লৈ আহে। শিৱসাগৰ জিলাৰ পৰা এই বন্দুকবোৰ বিতৰণ কৰা হৈছিল। চীনদেশৰ পৰা সংগৃহীত এই বন্দুকবোৰ অসম পোৱাৰ পিচত অসমত তীব্ৰ গতিত ধন সংগ্ৰহ অভিযান আৰম্ভ হয়। সেই সময়ছোৱাতে সংযুক্ত মুক্তি বাহিনীৰ সৰ্বাধিনায়ক পৰেশ বৰুৱাই ভাৰত-ব্ৰহ্ম সীমান্তৰ মূল ঘাটীৰ পৰা সংগঠনৰ কামত অসমলৈ প্ৰত্যাৱৰ্তন কৰে। অস্ত্ৰ ক্ৰয় কৰাৰ ক্ষেত্ৰতো এক আন্তৰ্জাতিক যোগাযোগে ক্ৰিয়া কৰিছিল। চীনৰ পৰা কাচিন ইণ্ডিপেণ্ডেণ্ট আৰ্মীয়ে বন্দুক ক্ৰয় কৰাৰ পিচত সেই অস্ত্ৰ আলফাক যোগান ধৰা হৈছিল। একেদৰে অসমত ধন দাবী অভিযানেৰে যি বৃহৎ মাত্ৰাত অৰ্থ গোটোৱা হৈছিল সেই টকাৰে শ্বিলং, নেপাল, শিলিগুৰি, ডিমাপুৰ, ক'লকাতাৰ পৰা বন্দুক ক্ৰয় কৰা হৈছিল। ব্যাপক পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰাৰ পিচত আলফাই এন এছ চি এনৰ আৰ্হিত অসমতে প্ৰশিক্ষণ শিবিৰ পাতিবলৈ আৰম্ভ কৰে। যিহেতু ম্যানমাৰৰ প্ৰশিক্ষণ শিবিৰত প্ৰশিক্ষণ লোৱাটো অৰ্থ তথা শাৰীৰিক কষ্টৰ ফালৰ পৰা এক কঠিন প্ৰত্যাহ্বানস্বৰূপ আছিল, সেইবাবে ব্যাপক হাৰত ভৰ্তি হোৱা সদস্যসকলক ন্যূনতম সামৰিক তথা ৰাজনৈতিক প্ৰশিক্ষণ দিয়াৰ প্ৰয়োজনে দেখা দিছিল। এনে প্ৰয়োজন পূৰাবলৈ লক্ষীপথাৰ, চৰাইপুঙৰ বনাঞ্চলত প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰা হয়। একে সময়তে অসমৰ বিভিন্ন ঠাইত স্থানীয় প্ৰশিক্ষণ শিবিৰো গঢ়ি তোলা হয়।

১৯৮৭ চনৰ জুলাই আৰু ছেপ্টেম্বৰ মাহত আলফাই পুনৰ কংগ্ৰেছৰ ওপৰত দুটা মোক্ষম আঘাত হানে। ২৭ জুলাইত অসম প্ৰদেশ যুৱ কংগ্ৰেছ (আই) কমিটীৰ সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ বৰুৱাক বৰপেটাত তেওঁ নিজৰ স্কুটাৰখনেৰে বৰপেটা-বাঘবৰ পথৰে আহি থাকোঁতে বৰপেটাৰ পুৰণি

এখন কাঠৰ দলঙত এদল বড়ো উগ্ৰপন্থীয়ে অগ্নিসংযোগ কৰে।

১৬ এপ্ৰিল ঃ কোকৰাঝাৰত সংঘটিত হিংসাত্মক কাৰ্যকলাপৰ বাবে অসম আৰক্ষীয়ে প্ৰায় ৫০জন বড়ো উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে।

১৭ এপ্ৰিল ঃ ১২ এপ্ৰিলত সংঘটিত হিংসাত্মক ঘটনালানি সন্দৰ্ভত পুলিচে কমেও ৫০জন বড়ো উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰিছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ।

১৮ এপ্ৰিল ঃ নতুন দিল্লীত বড়ো সমস্যা সম্পৰ্কত পঞ্চমলানি ত্ৰিপাক্ষিক বৈঠক। এই পঞ্চমলানি আলোচনাত বড়ো সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে আঠজনীয়া কমিটী এখন গঠন কৰি দিয়ে। এই বৈঠকত কেন্দ্ৰীয় চৰকাৰৰ হৈ ৰামবিলাস পাছোৱান, মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকন আৰু এবছুৰ সভাপতি উপেন্দ্ৰনাথ ব্ৰহ্মৰ নেতৃত্বত ১০জনীয়া বড়ো প্ৰতিনিধিৰ এটা দলে অংশগ্ৰহণ কৰে। এই নৱগঠিত ৮জনীয়া কমিটীখনত থাকিব বড়ো পক্ষৰ হৈ বি পি এ চিৰ সভাপতি এছ কে বসুমতাৰী, এবছুৰ সাধাৰণ সম্পাদক ৰবিৰাম ব্ৰহ্ম আৰু বি পি এ চিৰ আইন পৰামৰ্শদাতা এছ এন ব্ৰহ্মচৌধুৰী। কমিটীখনত অসম চৰকাৰক প্ৰতিনিধিত্ব কৰিব গৃহ আৰু ৰাজনৈতিক বিভাগৰ বিশেষ আয়ুক্ত তথা সচিব, কল্যাণ বিভাগৰ আয়ুক্ত তথা সচিব আৰু ৰাজনৈতিক বিভাগৰ সচিবে। কেন্দ্ৰীয় কল্যাণ সচিব আৰু উত্তৰ-পূব অঞ্চলৰ বাবে থকা কেন্দ্ৰীয় গৃহ দপ্তৰৰ যুটীয়া সচিব এই কমিটীৰ যুটীয়া আহ্বায়ক হ'ব। এই ৮জনীয়া কমিটীখনে অসমৰ জনজাতি অধ্যুষিত অঞ্চল পৰিভ্ৰমণ কৰি জনজাতিসকলৰ সাংবিধানিক আৰু ঐতিহাসিক বিষয়সমূহ অনুধাৱন কৰিব। এই বৈঠকে পৰৱৰ্তী ত্ৰিপাক্ষিক বৈঠক ২ জুলাইত অনুষ্ঠিত হোৱাৰ কথা জনায়।

- বৰপেটা জিলাৰ লমি বজাৰত বড়ো উগ্ৰপন্থীৰ দ্বাৰা বোমা বিস্ফোৰণ। এই ঘটনাত কেন্দ্ৰীয় সংৰক্ষিত পুলিচ বাহিনীৰ এজন প্লেটুন কমাণ্ডাৰ আৰু দুজন জোৱান নিহত হয়।

১৯ এপ্ৰিল ঃ উপেন্দ্ৰনাথ ব্ৰহ্মৰ নতুন দিল্লীত শেষবাৰৰ বাবে সংবাদমেলত বক্তব্য প্ৰকাশ।

২৩ এপ্ৰিল ঃ কলকাতাত এখন

বাছষ্টেগুত দুজন আলফা সদস্যাই সন্মুখৰ পৰা গুলীয়ায়। তাৰে এজন সদস্যক স্থানীয় ৰাইজ তথা পুলিচে কৰায়ত্ত কৰে যদিও যুৱকজন অতি কৌশলেৰে পলাই যায়। পিছদিনা পুৱা ৰঞ্জিত বৰুৱাৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু ঘটে।

১৬ ছেপ্টেম্বৰত শোণিতপুৰ জিলা কংগ্ৰেছ (আই) কমিটীৰ সভাপতি দুলাল ভূএগ্ৰাক তেজপুৰৰ দণ্ডীৰাম পথত আততায়ীয়ে গুলীয়াই হত্যা কৰে। দুগৰাকী শীৰ্ষ পৰ্যায়ৰ কংগ্ৰেছী নেতাক হত্যা কৰাৰ পিচত অসমৰ কংগ্ৰেছী সদস্যসকলৰ মাজত একপ্ৰকাৰ ত্ৰাসৰ সৃষ্টি হয়। বহু নেতা-সদস্যাই জীৱনৰ ভয়ত আনকি এইখিনি সময়ত কংগ্ৰেছৰ প্ৰাথমিক সদস্য পদো ত্যাগ কৰে। অসমৰ আঞ্চলিক দলৰ চৰকাৰখনক প্ৰশাসনিকভাৱে অচল কৰি তোলা আলফাই যে নিজে এক সমান্তৰাল চৰকাৰ চলাইছিল, তাক এই ঘটনাবোৰে সত্য বুলি প্ৰতীয়মান কৰিছিল। এনে হিংসাত্মক কাৰ্যবোৰ ঘটাৰ পিচতো আৰক্ষীয়ে অপৰাধী বিচৰাৰ ক্ষেত্ৰত তৎপৰতা দেখুৱাবলৈ সক্ষম নহ'ল আৰু বহু ক্ষেত্ৰত ভীতিগ্ৰস্ততা বা ৰাজনৈতিক নিৰ্দেশৰ বাবেই হওক— তেওঁলোক নিষ্ক্ৰিয় হৈ পৰাহে দেখা গ'ল। এনে নিষ্ক্ৰিয়তাৰ মাজতো অৱশ্যে ৮ অক্টোবৰৰ দিনা নগাঁও জিলাৰ কলিয়াবৰত আলফাৰ শীৰ্ষ নেতা চিত্ৰবন হাজৰিকাক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

১৯৮৮ বৰ্ষটোত সংযুক্ত মুক্তি বাহিনীৰ ফালৰ পৰা কেইবাটাও ৰাজনৈতিক হত্যাকাণ্ড সংঘটিত হয়। তদুপৰি ধন দাবী, অপহৰণৰ উপৰি ধন দিবলৈ অপাৰগতা প্ৰকাশ কৰা লোকক শাস্তি প্ৰদান আদি ঘটনা বৃদ্ধি পাবলৈ ধৰে।

আঞ্চলিক দলৰ চৰকাৰখন প্ৰতিষ্ঠা হোৱাৰ তিনি বছৰৰ ভিতৰতে আলফাই আৰক্ষী, প্ৰশাসনৰ শীৰ্ষ বিষয়া, চোৰাংচোৱা সংস্থা আদি সকলোতে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থ হয়। অসমৰ বিভিন্ন ঠাইত সংগঠনৰ সদস্যসকলে মুকলিভাৱে অস্ত্ৰসহ ঘূৰি ফুৰা, ৰাজহুৱা বিচাৰ কৰা

সংবাদমেলত আলফা, 'অগপ আৰু আছুৰ সামৰিক বাহিনী' হোৱা হেতুকে ৰাজ্য চৰকাৰে ৰাজনৈতিক আৰু প্ৰশাসনীয় ক্ষেত্ৰত ব্যৱস্থা ল'ব পৰা নাই আৰু প্ৰকৃত দোষীক গ্ৰেপ্তাৰ কৰিব পৰা হোৱা নাই বুলি মন্তব্য কৰে প্ৰাক্তন গৃহ ৰাজ্যমন্ত্ৰী সন্তোষমোহন দেৱে।

● গুৱাহাটীত হোৱা এখন সংবাদমেলত অসম ভৈয়াম জনজাতি পৰিষদৰ (পি টি চি এ) সাধাৰণ সম্পাদক চৰণ নাৰ্জাৰীয়ে নিখিল বড়ো ছাত্ৰ সন্থা (উ)ৰ নেতাসকলে আন্দোলনটো আৰু ইয়াৰ সমৰ্থকসকলৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ কথা কয় আৰু সেইমৰ্মে 'বড়োলেণ্ড'ৰ দাবী প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়।

২৪ এপ্ৰিল ঃ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ৰাজ্যখনৰ অধিক নিৰাপত্তা ব্যৱস্থাৰ বাবে কেন্দ্ৰীয় চৰকাৰক কেন্দ্ৰীয় বাহিনীৰ পোন্ধৰটা কোম্পানী পঠিয়াবৰ বাবে অনুৰোধ জনায়।

২৫ এপ্ৰিল ঃ জ্যেষ্ঠ কংগ্ৰেছ (ই) তথা কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ প্ৰাক্তন উপমন্ত্ৰী আৰু প্ৰাক্তন সংসদীয় সদস্য বিপিনপাল দাসে হিতেশ্বৰ শইকীয়াক অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটীৰ সভাপতি নিযুক্ত কৰা সন্দৰ্ভত তীব্ৰ বিৰোধিতা কৰে। এইক্ষেত্ৰত তেওঁ দলৰ সভাপতি ৰাজীৱ গান্ধীলৈ এখন চিঠি প্ৰদান কৰি উল্লেখ কৰে যে হিতেশ্বৰ শইকীয়াৰ শাসন কালত সংখ্যাগুৰু অসমীয়াসকলক পৃথক আৰু বিদ্বেষ ভাবেৰে নিলগ কৰি সংখ্যালঘুসকলৰ সৈতে সংঘৰ্ষৰ সৃষ্টি কৰিছিল আৰু যিমান পাৰি সামাজিক আৰু সাম্প্ৰদায়িক বিৰোধ ভাবৰ বীজ সিঁচিছিল।

২৬ এপ্ৰিল ঃ অসমৰ জ্যেষ্ঠ ৰাজ্যিক কংগ্ৰেছ (ই) নেতা হৰেন্দ্ৰনাথ তালুকদাৰে হিতেশ্বৰ শইকীয়াক অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটীৰ সভাপতি হিচাপে নিৰ্বাচিত কৰাত অসন্তুষ্টি প্ৰকাশ কৰি ৰাজীৱ গান্ধীলৈ এখন পত্ৰ প্ৰেৰণ কৰে।

১ মে' ঃ এবছু উপেন ব্ৰহ্ম গোটৰ সভাপতি উপেন্দ্ৰনাথ ব্ৰহ্মৰ বোম্বাইত টাটা মেম'ৰিয়েল হাস্পতালত চিকিৎসাধীন অৱস্থাত কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈ মৃত্যু। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৩০ বছৰ।

আদি ঘটনা ক্ৰমে সুলভ হৈ পৰিবলৈ ধৰে। এই বছৰৰ প্ৰথম ভাগত বঙাইগাঁও জিলাৰ চিদলী আৰক্ষী চকীৰ ওচৰত পুলিচে ২৫খন বোজাই ট্ৰাক শ্ৰীৰামপুৰৰ পৰা পহৰা দি আনি থাকোঁতে সংগঠনৰ সদস্যসকলে ইয়াত বাধা দিয়ে। ফলত দুয়োপক্ষৰ মাজত গুলীয়াগুলি লাগে। এই ঘটনাত পুলিচৰ পাঁচজন লোক গুৰুতৰভাৱে আহত হয়।

৪ এপ্ৰিলৰ সন্ধিয়া ৭ বজাত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সাংগঠনিক সম্পাদক, নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন উপ-সভাপতি দীনেশ কলিতাক নলবাৰী চহৰৰ মাজমজিয়াত হত্যা কৰা হয়। ঘটনা সংঘটিত হোৱাৰ পিচত এই কাৰ্য আলফাৰ দ্বাৰা সংঘটিত কৰা হৈছে বুলি প্ৰচাৰপত্ৰ বিতৰণ কৰা হৈছিল।

অসমৰ স্বাৰ্থৰ পৰিপন্থী কাৰ্য কৰা বুলি যিসকলক আলফাই চিনাক্ত কৰিছিল সেইসকলক সতৰ্ক কৰি দিয়াৰ প্ৰয়োজন নকৰি চিধাই হত্যা কৰাৰ এক পৰম্পৰা ইতিমধ্যে আৰম্ভ হৈ গৈছিল। দীনেশ কলিতাক হত্যা কৰাৰ ঠিক এমাহ পিচতে ৩ মে'ত নগাঁৱৰ আমোলাপট্টিত প্ৰাক্তন কংগ্ৰেছ (আই) বিধায়ক ৰমেশ ফুকনক তেওঁৰ নিজ বাসভৱনৰ সন্মুখত মটৰচাইকেলত অহা দুজন যুৱকে গুলীয়াই থৈ যায়। ফুকনৰ গাত তিনিটাকৈ গুলী লাগে যদিও তেওঁৰ প্ৰাণৰক্ষা পৰে।

১৯৮৭ চনৰ পৰা ১৯৯০ চনৰ অক্টোবৰ মাহলৈ আলফাই কংগ্ৰেছীৰ বাহিৰে আন যিসকলক নিজৰ লক্ষ্য কৰি লৈছিল তাৰে সৰহভাগেই আছিল মাৰোৱাৰী সম্প্ৰদায়ৰ। ভাৰত ৰাষ্ট্ৰই অসমক শোষণ কৰি অহা ঔপনিৱেশিক লুণ্ঠনৰ প্ৰতিনিধি বুলি আলফাই এওঁসকলক বিবেচনা কৰিছিল আৰু সংগঠনটো চলাই নিয়াৰ প্ৰায় সমগ্ৰ ব্যয় এই সম্প্ৰদায়টোৰ পৰাই তুলিব বিচাৰিছিল। সুদীৰ্ঘ সময় ধৰি অসমত বাস কৰিও অসমীয়া সংস্কৃতিৰ সৈতে লীন যাবলৈ প্ৰয়াস নকৰা মাৰোৱাৰী সম্প্ৰদায়ৰ ব্যৱসায়ীসকল অসমৰ সমাজ-জীৱনৰ প্ৰতি কোনোধৰণে দায়বদ্ধ নহয় বুলি আলফাই সম্প্ৰদায়টোক

২ মে' ঃ উপেন্দ্ৰনাথ ব্ৰহ্মাৰ মৃতদেহ বোম্বাইৰ পৰা বাগডোগ্ৰালৈ আনে। তাৰ পৰা এবছুৰ মুখ্য কাৰ্যালয় দেবৰগাঁৱলৈ আনে।

৩ মে' ঃ পুৱা মৃতদেহ লৈ শোভাযাত্ৰা।

৪ মে' ঃ কোকৰাঝাৰ জিলাৰ দোতমাৰ কস্তুৰবা বাকৰিত এবছু নেতা উপেন্দ্ৰনাথ ব্ৰহ্মাৰ শেষকৃত্য বিপুলসংখ্যক লোকৰ উপস্থিতিত সম্পন্ন। কোকৰাঝাৰ জিলাত প্ৰয়াত নেতাগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই দিনজোৰা বন্ধ পালন কৰা হয়।

৫ মে' ঃ উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ বাবে গঠিত মন্ত্ৰী পৰ্যায়ৰ কমিটীৰ প্ৰথম বৈঠকখন গুৱাহাটীত কেন্দ্ৰীয় গৃহ মন্ত্ৰী মুফতি মহম্মদ ছয়িদে উদ্বোধন কৰে। এই বৈঠকত আলফা, এন এছ চি এন, পি এল পি আদি উত্তৰ-পূৰ্বাঞ্চলৰ উগ্ৰপন্থী সংস্থাবোৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাত কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যৰ মাজত বিভিন্ন বিষয়ত থকা বিবাদবোৰ ওৰ পেলাবৰ বাবে এখন আন্তঃৰাজ্যিক পৰিষদ গঠনৰ কথা তেওঁ উল্লেখ কৰে। এই পৰিষদখনে বিকাশৰ দিশবোৰৰ উপৰি বিবাদৰ দিশবোৰতো গুৰুত্ব আৰোপ কৰিব।

- এবছুৰ উপ-সভাপতি প্ৰদীপ দৈমাৰীক দেবৰগাঁৱৰ সভাত সভাপতিৰ দায়িত্ব।

৯ মে' ঃ কাৰ্বি আংলং জিলাত ঘটি যোৱা হিংসাত্মক আন্দোলনত গভীৰ উদ্বেগ প্ৰকাশ কৰি ইউনাইটেড পিপলছ কনফাৰেঞ্চে জিলা পৰিষদত ৰাজ্যপালৰ হস্তক্ষেপ দাবী কৰে।

- গুৱাহাটীত বহা অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমিতিৰ সভাই দলীয় অনুশাসন ভংগ কৰাৰ অভিযোগত বিধায়ক পবীন্দ্ৰ ডেকাক প্ৰাথমিক সদস্য পদৰ পৰা বহিষ্কাৰ কৰাৰ সিদ্ধান্ত লয়।
- বলপূৰ্বক টকা আদায় কৰিবলৈ চেষ্টা কৰাৰ অভিযোগত আলফাৰ ৩জন সন্দেহযুক্ত কৰ্মীক কলকাতাৰ অসম ভৱনৰ পৰা গ্ৰেপ্তাৰ কৰা হয়।

১০ মে'ঃ উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ দোতমাত শ্ৰাদ্ধ পালন। মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত উপস্থিত। বৰপেটা জিলাত অসম-মধ্য প্ৰদেশৰ আৰক্ষীৰ তালাচী।

দোষাৰোপ কৰিছিল। মাৰোৱাৰী সম্প্ৰদায়ৰ লগতে অসমত থাকি কাৰ্যনিৰ্বাহ কৰি থকা শীৰ্ষস্থানীয় বিষয়াসকলক আলফাই ঔপনিৱেশিকতাৰ প্ৰতিনিধি বুলি গণ্য কৰি নিজৰ লক্ষ্য কৰি লৈছিল। দেখা যায় যে যদিও সংগঠনটোৱে এক মতাদৰ্শগত বিশ্লেষণেৰে এই ঘটনাবোৰ সংঘটিত কৰি ৰাইজৰ মাজত প্ৰচাৰ কৰিছিল তথাপি প্ৰায় সৰহভাগ ঘটনাতে দাবী কৰা অৰ্থ সময় মতে দিব নোৱৰা বা দিবলৈ অপাৰগতা দেখুওৱা অথবা এই সন্দৰ্ভত আৰক্ষীক জনোৱাৰ বাবেই আলফাই ঘাতক কাৰ্যবোৰ সংঘটিত কৰা বুলি প্ৰচাৰ কৰিছিল।

১৯৮৮ চনৰ ২১ জুনৰ নিশা প্ৰায় ৯ বজাত দুলীয়াজানত অইল ইণ্ডিয়াৰ জ্যেষ্ঠ জনসম্পৰ্কৰক্ষী বিষয়া কে পি ভি ৰামমূৰ্তিক নিজ বাসভৱনতে আততায়ীয়ে গুলীয়াই হত্যা কৰে। প্ৰথম অৱস্থাত এই হত্যাকাণ্ডৰ সৈতে জড়িত থকা লোক সন্দৰ্ভত ভালেখিনি বিভ্ৰান্তিৰ সৃষ্টি হয়। কিছুমানে ই এক ব্যক্তিগত আখেজৰ বাবে হোৱা ঘটনা বুলি সন্দেহ কৰিছিল। এই ঘটনা ঘটাৰ দুদিনৰ পিচতে ২৩ জুনত নামৰূপৰ হিন্দুস্থান ফাৰ্টিলাইজাৰ কৰ্প'ৰেচনৰ মুখ্য পাৰ্ছনেল অফিচাৰ দিলীপ কুমাৰ চলিহাক তিনিজন অচিনাক্ত স্কুটাৰ আৰোহীয়ে গুলীয়াই হত্যা কৰে। দুগৰাকী শীৰ্ষস্থানীয় বিষয়াৰ মৃত্যু হোৱাৰ পিচত অসমৰ দুখনমান সংবাদপত্ৰই আঞ্চলিক দলৰ চৰকাৰখনৰ স্থিতি দুৰ্বল কৰাৰ ই এক ষড়যন্ত্ৰ বুলি ক'ব বিচাৰিছিল যদিও ৬ জুলাইত আলফাই এই দুয়োজন ব্যক্তিৰ মৃত্যুৰ দায়িত্ব স্বীকাৰ কৰাত বিভ্ৰান্তিৰ ওৰ পৰে। দিলীপ চলিহা আৰু ৰামমূৰ্তিয়ে অসমবিৰোধী কামত লিপ্ত থকাৰ বাবেই সংযুক্ত মুক্তি বাহিনী, অসমে এই শাস্তি প্ৰদান কৰিছে বুলি প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰা হৈছিল।

এই দুটা ঘটনা সংঘটিত হোৱাৰ পিচত সমগ্ৰ অসমতে আলফাই অসংখ্য কূটাঘাতমূলক কাৰ্য সংঘটিত কৰিবলৈ লাগি গ'ল। আলফাৰ শীৰ্ষ নেতাৰ আজ্ঞাবাহী প্ৰশাসনযন্ত্ৰই এনে ঘটনাবোৰ প্ৰতিৰোধ কৰাৰ বাবে কোনো ব্যৱস্থা

৩৭গৰাকী মহিলাক গণধৰ্ষণ।

● গুৱাহাটীত এখন সংবাদমেলত পবীন্দ্ৰ ডেকাই বিধানসভাৰ অধ্যক্ষলৈ লিখা বিধায়ক পদত্যাগ কৰাৰ পত্ৰখনৰ প্ৰতিলিপি বিতৰণ কৰে। তেওঁ কয় যে ১৯৮৫ চনত অগপ দলৰ প্ৰাৰ্থী হিচাপেহে বিধানসভালৈ নিৰ্বাচিত হৈছিল, সেয়েহে এতিয়া তেওঁক বহিষ্কাৰ কৰাত তেওঁৰ বিধায়ক হৈ থকাৰ নৈতিক অধিকাৰ নাই। ইফালে মুখ্যমন্ত্ৰীৰ পদত্যাগ দাবী কৰি পবীন্দ্ৰ ডেকাই তেওঁৰ দীৰ্ঘম্যাদী আন্দোলনৰ কাৰ্যসূচীৰ দ্বিতীয় পদক্ষেপ হিচাপে ২৩ মে'ৰ দিনা ২৪ ঘণ্টীয়া অনশন কৰাৰ সিদ্ধান্ত লয়।

১১ মে' ঃ কোকৰাঝাৰত অনুষ্ঠিত নিখিল বড়ো ছাত্ৰ সন্থাৰ এখন জৰুৰী কেন্দ্ৰীয় প্ৰতিনিধি সভাত সৰ্বসন্মতিক্ৰমে চাঞ্চুমা খুংগুৰ বিছমুতিয়াৰীক সভাপতি হিচাপে নিৰ্বাচন কৰা হয়।

● কংগ্ৰেছ সদস্যসকলে ৰাজ্যসভাত অসমৰ অগপ চৰকাৰে আলফাৰ কাৰ্যকলাপ ৰোধ কৰিব নোৱৰা বাবে চৰকাৰখনক বাতিল কৰিব লাগে বুলি দাবী জনায়।

● ইটানগৰত অসম আৰু অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু গেগং আপং সীমা বিবাদ সম্বন্ধীয় এখন বৈঠকত মিলিত হয় আৰু এই বৈঠকত দুয়োখন ৰাজ্যৰ মন্ত্ৰীসকলক লৈ এখন যুটীয়া কমিটী গঠন কৰাৰ সিদ্ধান্ত লোৱা হয়। এই বৈঠকত অসমৰ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকন আৰু গেগং আপং মন্ত্ৰীসভাৰ কেইবাগৰাকী মন্ত্ৰীয়েও অংশগ্ৰহণ কৰে।

১৬ মে' ঃ প্ৰফুল্ল কুমাৰ মহন্ত নেতৃত্বাধীন মন্ত্ৰীসভাখন ৩৪জনীয়ালৈ সম্প্ৰসাৰণ কৰা হয়। নতুন মন্ত্ৰী তিনিজন হ'ল— দিগেন বৰা, নগেন শৰ্মা আৰু প্ৰদীপ গগৈ। ইয়াৰে প্ৰথম দুজন কেবিনেট আৰু শেষৰজন ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী। নগেন শৰ্মাক শক্তি, দিগেন বৰাক সমবায় দপ্তৰ আৰু প্ৰদীপ গগৈক আইন, ন্যায় আৰু বন বিভাগ অৰ্পণ কৰা হয়।

● মালিগাঁৱত আলফাৰ এজন শীৰ্ষস্থানীয় নেতা হীৰকজ্যোতি মহন্তক অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। তেওঁক গ্ৰেপ্তাৰ কৰোঁতে মহন্তই ৰিভলভাৰেৰে

লোৱা দূৰৰ কথা, বৰঞ্চ অসমবিৰোধীসকলক চূড়ান্ত শাস্তি প্ৰদান কৰা বীৰত্বমূলক কাৰ্যবোৰত বহু সময়ত হাত উজানহে দিছিল। আইন-প্ৰশাসন নিজৰ হাতত তুলি লৈ সমাজ সংস্কাৰ কৰাৰ যি এক ৰবীন হুদীয় প্ৰৱণতা আলফাই সূত্ৰপাত কৰিছিল, তাত বৃহত্তৰ সমাজ আৱেগবিহ্বল হৈ পৰিছিল আৰু অসম আন্দোলনে যিখিনি কৰিব নোৱাৰিলে তাক আলফাই কৰিব পাৰিছিল বুলি আলফাৰ প্ৰতি নমনীয় ভাব গ্ৰহণ কৰিছিল। ইমানখিনিলৈ অসমীয়া মধ্যবিত্ত সমাজখনে আলফাৰ কামবোৰক প্ৰশংসাসূচক দৃষ্টিৰেই চাইছিল, তেওঁলোকে মাৰোৱাৰী ব্যৱসায়ী নিধন, শীৰ্ষ পৰ্যায়ৰ কেন্দ্ৰীয় চৰকাৰৰ বিষয়া হত্যা আদি ঘটনাক সমস্বৰে প্ৰশংসা নকৰিলেও ধিক্কাৰ দিয়া নাছিল। ১৯৮৮ চনৰ পৰা অসম গণ পৰিষদৰ সৈতে আলফাৰ মুকলি শত্ৰুতা আৰম্ভ হয়। ১৯৮৮ চনৰ ৩১ জুলাইত অসম গণ পৰিষদৰ মন্ত্ৰী-বিষয়াসকলক আলফাই জাতিদ্ৰোহীৰ আখ্যা দিয়ে। এই ঘটনাৰ পিচত চৰকাৰ আৰু আলফাৰ মাজৰ সম্পৰ্কৰ ফাট মেলিবলৈ আৰম্ভ কৰে আৰু পূৰ্বে প্ৰশাসনৰ বিভিন্ন স্তৰত আলফা সদস্যৰ যি অবাধ বিস্তাৰ আছিল সি ক্ৰমাগতভাৱে হ্ৰাস পাই আহিবলৈ আৰম্ভ কৰে।

১৫ অক্টোবৰত আলফাই কামৰূপ জিলা চেম্বাৰ্ছ অব কমাৰ্চৰ প্ৰাক্তন সভাপতি আৰু বিশিষ্ট ব্যৱসায়ী গিৰিধাৰিলাল হৰলালকাক গুলীয়াই হত্যা কৰে। চোৰাং ব্যৱসায়, শোষণ আৰু দেশদ্ৰোহিতাৰ বাবে হৰলালকাক হত্যা কৰা হৈছে বুলি জনাই আলফাই এই হত্যাকাণ্ডৰ দায়িত্ব স্বীকাৰ কৰি লৈছিল।

১৯৮৮ চনত আলফাই পাকিস্তানৰ সৈতে এক সম্পৰ্ক স্থাপন কৰিবলৈ সক্ষম হয় আৰু সেই বছৰতে আলফাৰ পাকিস্তানৰ ৰাষ্ট্ৰীয় চোৰাংচোৱা সংস্থা আই এছ আইৰ সৈতে যোগাযোগ ঘটে। আলফাই যাতে পৰৱৰ্তী সময়ত দেশখনত আশ্ৰয় তথা শিবিৰ স্থাপন কৰিব পাৰে তাৰ বাবে এগৰাকী বাংলাদেশী ব্যৱসায়ীয়ে সমগ্ৰ যোগাযোগ স্থাপন কৰি দিছিল।

গুলী চলোৱাত জালুকবাৰী থানাৰ ছেকেণ্ড অফিচাৰ দুলাল পাঠক গুৰুতৰভাৱে আহত হয় আৰু এজন চিপাহীও আহত হয়।

১৮ মে'ঃ সদৌ বড়ো ছাত্ৰ সন্থাৰ নতুন সভাপতি চাওমা খুংগুৰ বিছমুতিয়াৰীয়ে এখন সংবাদমেলত ১৯৯০ চনৰ ২ জুলাইৰ ভিতৰত অৰ্থাৎ সপ্তমলানি আলোচনাত বড়োসকলৰ বাবে এখন পৃথক বড়োলেণ্ড ঘোষণা নকৰিলে পুনৰ আন্দোলনৰ ভাবুকি দিয়ে।

● মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ বিৰুদ্ধে ন্যায়িক তদন্তৰ দাবীত ৰাজ্যপাল দেৱীদাস ঠাকুৰৰ ওচৰত পবীন্দ্ৰ ডেকাই এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

২০ মে'ঃ মালিগাঁৱৰ অসম জাতীয় উন্নয়ন পৰিষদৰ কাৰ্যালয়ত ১৫জন আলফা কেডাৰক পুলিচে গ্ৰেপ্তাৰ কৰে।

২১ মে'ঃ গুৱাহাটীত অসমৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ সম্পৰ্কে আলোচনাৰ বাবে এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়।

২৪ মে'ঃ অগপ চৰকাৰে মন্ত্ৰীসভা সম্প্ৰসাৰণ কৰা বিষয়টোক আছুৱে বিৰোধিতা কৰে।

২৬ মে'ঃ কোকৰাঝাৰ জিলাৰ দুঠাইত এটা পুলিচ দলৰ ওপৰত দুবাৰ বোমা বিস্ফোৰণ। অৱশ্যে কোনো হতাহত হোৱা নাই। বড়ো উগ্ৰপন্থী আৰু পুলিচৰ মাজত দীঘলীয়া সময়জুৰি গুলী বিনিময়।

২৭ মে'ঃ নতুন দিল্লীৰ পৰা গুৱাহাটী অভিমুখী (তিনিচুকীয়া মেইল) ৰে'লগাড়ীত বোমা বিস্ফোৰণ। শ্ৰীৰামপুৰ আৰু গোসাঁইগাঁৱৰ মাজত বড়ো উগ্ৰপন্থীয়ে ঘটোৱা এই বিস্ফোৰণত ৪২জন যাত্ৰী আহত হয়। তিনিজন গুৰুতৰভাৱে আহত। ৮টা দবা লাইনচ্যুত। দিল্লীত বাস কৰা বড়োসকলে ইণ্ডিয়া গেট আৰু বট ক্লাবত গণধৰ্ষণৰ প্ৰতিবাদত অনশন কৰে।

● ভাৰতৰ উপ-প্ৰধানমন্ত্ৰী দেৱীলালে অসমৰ পৰিস্থিতি সন্দৰ্ভত ৰাজভৱনত ৰাজ্যপাল দেৱীদাস ঠাকুৰ, মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনৰ সৈতে এক আলোচনাত মিলিত হয়।

২৮ মে'ঃ অৰুণ চন্দ্ৰ ৰাভাক ৰাজ্যপাল দেৱীদাস ঠাকুৰে ৰাজ্যিক পৰ্যায়ৰ মন্ত্ৰী

১৯৮৯ চনতো আলফাৰ উদ্যোগত ধাৰাবাহিক হিংসাত্মক ঘটনা সংঘটিত হ'বলৈ ধৰে। উক্ত বছৰতে আলফাৰ প্ৰচাৰ সচিব উদ্দীপ্ত হাজৰিকাৰ মৃত্যু ঘটে। ১৯৯০ চনতো এনে ঘটনা অব্যাহত থাকে। উল্লেখ্য যে আলফাৰ এই অপ্ৰতিৰোধ্য উত্থানৰ সময়তে আৰ্মকাৰ (United Reservation Movement Council of Assam) ফালৰ পৰা আলফাক মুকলি প্ৰত্যাহ্বান জনোৱা হৈছিল আৰু ইয়াৰ ফলত সংগঠনটিৰ বহু সদস্যই আলফাৰ হাতত প্ৰাণ দিব লগাত পৰিছিল। আলফাৰ বিৰুদ্ধে আৰ্মকাৰ অভিযোগ আছিল এয়ে যে অসমৰ সাৰ্বভৌমত্ব বিচৰাৰ অজুহাতত সশস্ত্ৰ সংগঠনটোৱে অসমৰ ক্ষুদ্ৰ জাতিসত্তাবোৰৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ খৰ্ব কৰিছে। ইয়াৰ বিপৰীতে আলফাই আৰ্মকাক নিজৰ সংকীৰ্ণ জাতি-জনগোষ্ঠীৰ ৰাজনীতি পৰিহাৰ কৰি আলফাৰ সৈতে একে শাৰীত থিয় হৈ জাতীয় মুক্তি বিপ্লৱৰ পক্ষত থিয় হ'বলৈ আহ্বান জনাইছিল।

১৯৯০ চনৰ ১৬ জুলাইত গুৱাহাটী শোধনাগাৰৰ জেনেৰেল মেনেজাৰ এইচ কে এল দাস, তেওঁৰ একৈশ বছৰীয়া পুত্ৰ অমৰ আৰু গাড়ীৰ ড্ৰাইভাৰ অনুপ দুৱৰাক আলফাই অপহৰণ কৰে। আলফাৰ তিনিজন সদস্য ক্ৰমে হীৰকজ্যোতি মহন্ত, অনাদৰ ঠাকুৰীয়া আৰু অমৃত ৰাভাক আদালতে মুকলি কৰি দিয়াৰ পিচতহে অপহৃত তিনিজনক মুকলি কৰি দিয়া হৈছিল। ২৩ জুলাইত আলফা সদস্যৰ হাতত হিতেশ্বৰ শইকীয়াৰ কনিষ্ঠ ভাতৃ লোহিতেশ্বৰ শইকীয়াৰ মৃত্যু হয়। ২৯ জুলাইত আলফাই ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক দৌলত সিং নেগীক গুলীয়াই হত্যা কৰে।

এইলানি হিংসাত্মক কাৰ্যৰ কাৰণে ১৯৯০ চনত আলফাই সংবাদ মাধ্যমসমূহৰো বিৰোদগাৰত পৰিবলৈ আৰম্ভ কৰে। জুলাই মাহত সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা সতৰ্কবাণীত আলফাই তেওঁলোকৰ অনুমতি নোলোৱাকৈ আলফা সম্পৰ্কীয় কোনো বা-বাতৰি পৰিৱেশন নকৰিবলৈ হুকুম দিয়ে। অসমৰ সংবাদ মাধ্যম এই নিৰ্দেশত জাঙুৰ খাই উঠাত পিচলৈ

হিচাপে শপত গ্ৰহণ কৰায়।

৫ জুন ঃ গণেশগুৰিৰ দৈনিক বজাৰত সন্ধিয়া ৭.৪৫ বজাত বড়ো উগ্ৰপন্থীৰ দ্বাৰা শক্তিশালী বোমা বিস্ফোৰণ। ৩জন লোক গুৰুতৰভাৱে আহত হয়। এই ঘটনাত বোমা উদ্ধাৰ কৰা হেঙেৰাবাৰী অঞ্চলৰ ভূষণ বেজবৰুৱাক চৰকাৰীভাৱে পুৰস্কৃত কৰা হয়।

১০ জুন ঃ বৰপেটাৰ পৰা তিনি কিলোমিটাৰ নিলগৰ বাঁশবাৰীত বড়ো উগ্ৰপন্থীৰ দ্বাৰা এখন চলন্ত বেচৰকাৰী যাত্ৰীবাহী বাছত বোমা নিক্ষেপ। শক্তিশালী এই বোমা বিস্ফোৰণত ৮ জন লোক নিহত আৰু ২৮জন গুৰুতৰভাৱে আহত হয় যদিও পিচলৈ মৃতকৰ সংখ্যা ১১লৈ বৃদ্ধি পায়।

১৪ জুন ঃ বঙাইগাঁও তাপবিদ্যুৎ কেন্দ্ৰৰ জুনিয়ৰ ডিভিজনেল একাউনটেণ্ট ৰমেশ দত্ত উগ্ৰপন্থীৰ গুলীত আহত। তিনিখন স্কুটাৰ লৈ উগ্ৰপন্থীৰ দল উধাও।

১৫ জুন ঃ লখিমপুৰ জিলাৰ এখন জনজাতীয় গাঁৱত আলফাৰ কেন্দ্ৰীয় প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনে এখন সংবাদমেলত ভাগ লয়। সাংবাদিকসকলৰ লগত হোৱা আলোচনাত আলফাৰ প্ৰচাৰ সচিবগৰাকীয়ে 'সাৰ্বভৌমত্বৰ হস্তান্তৰ' বিষয়ক লৈহে আলফাই আলোচনাত বহাৰ কথা প্ৰকাশ কৰে আৰু আগন্তুক নিৰ্বাচনত 'আলফা'ৰ নিৰপেক্ষ ভূমিকাৰ বিষয়ে সাংবাদিকসকলক অৱগত কৰে; লগতে প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনে ৰাজনৈতিক দলসমূহক কঠোৰ ভাষাৰে সমালোচনা কৰে। এই আলোচনাত 'আলফা'ই 'আৰ্মকা' অৰ্থাৎ ইউনাইটেড ৰিজাৰভেচন ম'ভমেণ্ট অব আছামৰ সদস্যসকলক জাতি আৰু ধৰ্মৰ নামত ভাগ ভাগ কৰাৰ এক পৰিকল্পিত ষড়যন্ত্ৰৰ অংশবিশেষ বুলি অভিযোগ কৰে। চাহ বাগিচাসমূহৰ প্ৰসংগত প্ৰচাৰ সচিবগৰাকীয়ে ১৯৯০ চনৰ ভিতৰত চাহ বাগিচাৰ মুখ্য কাৰ্যালয়সমূহ অসমলৈ স্থানান্তৰ কৰিবলৈ দাবী জনায়।

১৬ জুন ঃ সংযুক্ত সংখ্যালঘু মৰ্চাৰ সভাপতি শান্তিৰঞ্জন দাশগুপ্তই ইউ এম এফক কংগ্ৰেছ (ই) দলত চামিল কৰিব বিচৰা মন্তব্যক বিধায়িনী দলৰ নেতা আব্দুল জব্বৰে চৰম প্ৰতাৰণা আখ্যা

আলফাৰ প্ৰচাৰ সচিবজনে নিৰপেক্ষ বাতৰি পৰিৱেশনত সংগঠনটোৱে কোনোধৰণৰ নিষেধাজ্ঞা আৰোপ কৰা নাই বুলি সংশোধনী দিয়ে যদিও সংবাদ মাধ্যমত ইতিমধ্যে আলফা সম্পৰ্কে সৃষ্টি হোৱা বিৰূপ ভাব নিৰসন কৰাত এনে সংশোধনীয়ে বিশেষ কাম নিদিলে। তেতিয়ালৈকে অসমৰ সংবাদপত্ৰসমূহে মুকলিভাৱে আলফাৰ কাম-কাজ, মতাদৰ্শ আদিৰ বিৰুদ্ধাচৰণ কৰা নাছিল। সংবাদ মাধ্যমৰ প্ৰতি দিয়া ভাবুকিয়ে নিৰ্মোহ বিশ্লেষণৰ এক পৰিৱেশ ৰচনা কৰিলে আৰু অসমৰ সংবাদ মাধ্যমত সংগঠনটোৰ কাম-কাজ আদি সম্পৰ্কত আলোচনা-সমালোচনা আদি আৰম্ভ হ'ল।

চাহ উদ্যোগৰ সৈতে সংঘাত আৰু ৰাষ্ট্ৰপতিৰ শাসন

অসমত কাম কৰা অনা-অসমীয়া ব্যৱসায়ীসকলে আলফাৰ ভয়ত ত্ৰস্তমান হৈ পৰিছিল আৰু আৰক্ষী-প্ৰশাসনৰ নিষ্ক্ৰিয়তাৰ বাবে নিজাববীয়াকৈ প্ৰতিৰোধ গঢ়াৰ প্ৰস্তুতি চলাইছিল। ১৯৮৯ চনৰ নৱেম্বৰ মাহত পূৰ্বোত্তৰ হিন্দীভাষী সমাজে অসমত কাম কৰা হিন্দীভাষী লোকসকলৰ ওপৰত চলোৱা অত্যাচাৰৰ প্ৰতিৰোধ গঢ়াৰ কথা বাৰুকৈয়ে অনুভৱ কৰে। একেদৰে ১৯৯০ চনৰ ১১ ফেব্ৰুৱাৰীত নগাঁৱৰ ডবকাত বহা জমিয়ত উলেমাৰ একাদশ বাৰ্ষিক সন্মিলনত চৈয়দ আৰ্ছাদ মাদানিয়ে অসমৰ মুছলমানসকলক সদৌ অসম ছাত্ৰ সন্থা আৰু আলফাৰ বিৰুদ্ধে সন্মিলিতভাৱে থিয় দিবলৈ আহ্বান জনায়।

এনেধৰণৰ বিৰোধিতাত কেন্দ্ৰীয় চৰকাৰ সতৰ্ক হৈছিল সঁচা, কিন্তু ৰাজ্য প্ৰশাসনক সতৰ্কতা শুনোৱাৰ বাদে আন একো পদক্ষেপ হাতত ল'ব পৰা নাছিল। অৱশ্যে আঞ্চলিক দলৰ চৰকাৰ এখনক তৎকালে ভংগ কৰি এক অনাকাংক্ষিত পৰিস্থিতি সৃষ্টি কৰাৰ বাবেও কেন্দ্ৰ প্ৰস্তুত নাছিল। তদুপৰি কেন্দ্ৰীয় চৰকাৰখনৰ জোঁটবন্ধনেও এনে কাৰ্যৰ অনুমতি দিয়া নাছিল। উল্লেখযোগ্য যে অসম গণ পৰিষদ নেচনেল ফ্ৰণ্ট চৰকাৰৰ অংশীদাৰ

দি এক জৰুৰী সভাৰ জৰিয়তে বিধায়ক ৰছিদুল হকক কাৰ্যবাহী সভাপতি হিচাপে নিৰ্বাচিত কৰে।

১৮ জুন ঃ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাত এখন পুলিচ বাছৰ সন্মুখত বোমা বিস্ফোৰণ হয় আৰু এই ঘটনাত ৪জন আৰক্ষী গুৰুতৰভাৱে আহত হয়।

- উত্তৰ লখিমপুৰৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ হেমকান্ত গোস্বামীক এদল ডকাইতে নিষ্ঠুৰভাৱে হত্যা কৰে আৰু যথেষ্ট পৰিমাণৰ অলংকাৰ লুটি নিয়ে।

২৪ জুন ঃ শ্বিলঙত উত্তৰ-পূৰ্বাঞ্চল কংগ্ৰেছ (ই) সমন্বয়ৰক্ষী কমিটীৰ এক বিবৃতিত অসমৰ সংযুক্ত সংখ্যালঘু মৰ্চাৰ (ইউ এম এফ) শান্তিৰঞ্জন দাসগুপ্ত নেতৃত্বাধীন ৭ জনীয়া বিধায়কে কংগ্ৰেছ (ই)ত যোগদান কৰে।

২৫ জুন ঃ কংগ্ৰেছ (ই)ৰ সভাপতি ৰাজীৱ গান্ধী অসমলৈ আহে আৰু ৰাজ্যিক কংগ্ৰেছ (ই) কৰ্মীৰ অভিৱৰ্তনত যোগদান কৰি কেন্দ্ৰীয় মৰ্চা আৰু অগপ চৰকাৰক কঠোৰভাৱে সমালোচনা কৰে। উল্লেখযোগ্য যে উক্ত দিনা সদৌ অসম ছাত্ৰ সন্থাই গান্ধীৰ এই ভ্ৰমণৰ প্ৰতিবাদত গুৱাহাটীত বন্ধ পালন কৰে।

২৬ জুন ঃ অসমৰ পৰা খাৰুৱা তেল বাহিৰলৈ নিব খোজাৰ প্ৰতিবাদত ২৭ জুনত অসম গণ পৰিষদ দলে ১২ ঘণ্টীয়া অসম বন্ধ পালন কৰিবলৈ জনসাধাৰণক আহ্বান জনায় আৰু সদৌ অসম ছাত্ৰ সন্থাই ইয়াৰ প্ৰতিবাদত ২৮ জুনত 'জনতা ভৱন বন্ধ' ঘোষণা কৰে।

- কংগ্ৰেছ (ই)ৰ সভাপতি ৰাজীৱ গান্ধীয়ে এখন সংবাদমেলত আলফাৰ সৈতে চৰকাৰক আলোচনা কৰাৰ পৰামৰ্শ দিয়ে।

২৮ জুন ঃ অসম-অৰুণাচল সীমা বিবাদ সম্পৰ্কে বাতৰি প্ৰকাশ ঃ ১৯৯০ চনৰ জুন মাহৰ আৰম্ভণিৰে পৰা অসম-অৰুণাচল প্ৰদেশ সীমান্তৰ শদিয়া খণ্ডত অৰুণাচল পুলিচৰ সহযোগত স্থানীয় লোকে আক্ৰমণ আৰু অগ্নিসংযোগ কৰাত অসম সীমাৰ ভিতৰৰ ৩,৫০০জন মানুহ গৃহহীন হয়। খেতি চপোৱাক কেন্দ্ৰ কৰি উত্তেজনাৰ ভিত্তিত অৰুণাচল প্ৰদেশ পুলিচে অসমৰ ৬জন লোকক গ্ৰেপ্তাৰ কৰে। এই সংক্ৰান্তত

আছিল। আলফাৰ নিষ্ঠুৰতা আৰু একনায়কত্ববাদী মনোভাৱে যেতিয়া অসমীয়া মধ্যবিত্ত শ্রেণীটোক বিতুষ্ট কৰিবলৈ ধৰিলে তেতিয়া এক পৰিৱেশ সৃষ্টি হ'ল আৰু সেই সুযোগ সৃষ্টি হ'ল যেতিয়া আলফাই চাহ উদ্যোগৰ ওপৰত হাত দিলে। ইয়াৰ লগত যোগ হ'লহি কেন্দ্ৰত শাসন ক্ষমতা পৰিৱৰ্তনৰ বিষয়টোৱে, কাৰণ ইতিমধ্যেই কেন্দ্ৰত চৰকাৰ বদলাৰ ৰাজনীতি আৰম্ভ হৈছিল।

১৯৯০ চনৰ ৯ এপ্ৰিলত তিনিচুকীয়াৰ সমীপৱৰ্তী খাৰজানত আছাম ফ্ৰণ্টিয়াৰ কোম্পানীৰ অধ্যক্ষ তথা প্ৰখ্যাত ব্যৱসায়ী স্বৰাজ পালৰ ভাতৃ সুৰেন্দ্ৰ পালক আলফা সদস্যই গুলীয়াই হত্যা কৰে। এই হত্যাকাণ্ডই সমগ্ৰ চাহ উদ্যোগক জোকাৰি যায়। কিছুমান বিশ্লেষকৰ মতে সুৰেন্দ্ৰ পালৰ হত্যাকাণ্ড সমগ্ৰ দেশতে চৰ্চিত হৈছিল আৰু ইয়াৰ পৰিণামতে অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তনৰ কুচকাৱাজ আৰম্ভ হৈছিল।

৮ নৱেম্বৰত ৰিছাৰ্চ এণ্ড এনালাইছিছ উইং বা চমুকৈ 'ৰ' নামৰ কেন্দ্ৰীয় চোৰাংচোৱা সংস্থাটোৱে অসম চৰকাৰক নজনোৱাকৈ উজনি অসমৰ 'ডুমডুমা ইণ্ডিয়া লিমিটেড' নামৰ চাহ কোম্পানীৰ অনা-অসমীয়া বিষয়াসকলক বিশেষ বিমানেৰে গুৱাহাটীৰ পৰা কলিকতালৈ লৈ যায়। ভাৰতীয় সামৰিক বাহিনী আৰু বায়ুবাহিনীৰ সহযোগত কৰা এই অভিযানে অসমত ৰাজনৈতিক পৰিৱৰ্তন ঘটাৰ সংকেত বহন কৰিছিল। উল্লেখ্য যে এই কোম্পানীসমূহে কিছুদিন আগেয়ে অসমত থকা অনা-অসমীয়া কৰ্মচাৰীসকলক আলফাই কৰা অত্যাচাৰৰ বাবে নিৰাপত্তা দিবলৈ কেন্দ্ৰীয় চৰকাৰক আৱেদন জনাইছিল। ইতিমধ্যে এই ঘটনা সংঘটিত হোৱাৰ আগদিনাখন অৰ্থাৎ ৭ নৱেম্বৰত লোকসভাত জাতীয় মৰ্চা চৰকাৰ আস্থাৰ ভোটত পৰাজিত হয় আৰু পদত্যাগ কৰে। কেন্দ্ৰত শাসন ক্ষমতা পৰিৱৰ্তন হোৱাৰ লগে লগে অসম গণ পৰিষদ চৰকাৰৰ সুৰক্ষাৰ কৱচটোও প্ৰায় নোহোৱা যেন হৈ পৰিল। যিহেতু লোকসভাত ৪ ছেপ্টেম্বৰত আলফাক

স্থানীয় ৰাইজে বন্ধ ঘোষণা কৰে আৰু প্ৰশাসনৰ সহযোগত গ্ৰেপ্তাৰ হোৱাসকলক মুক্ত কৰায়। ইয়াৰ পিচত অৰুণাচল পুলিচে অসমৰ দুগৰাকী মহিলাক বলাৎকাৰ কৰাৰ ফলত পুনৰ উত্তেজনাৰ সৃষ্টি হয়। এই ঘটনাৰ এদিন পিচতেই অসম সীমাৰ ভিতৰুৱা এলেকাত অৰুণাচল পুলিচ আৰু সাধাৰণ মানুহৰ দলে ধনু-কাঁড় আৰু বন্দুক লৈ অসমৰ গাঁৱত আক্ৰমণ কৰি ২০০টা ঘৰত অগ্নিসংযোগ কৰে। পিচত এই ঘটনাস্থলীত সাংসদ বিজয়া চক্ৰৱৰ্তী উপস্থিত হয় আৰু পৰিস্থিতিৰ বুজ লৈ মুখ্যমন্ত্ৰীক ব্যৱস্থা ল'বৰ বাবে পৰামৰ্শ দিয়ে।

● আছুৱে লোৱা 'জনতা ভৱন বন্ধ' কাৰ্যসূচীৰ ফলত, জনতা ভৱনৰ কাম-কাজ অচল হৈ পৰে আৰু কেইবাজনো আছু কৰ্মীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

২ জুলাই ঃ নতুন দিল্লীত অসমৰ বড়োসকলৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বড়ো সদস্যসকলৰ মাজত ষষ্ঠলানি ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ১৮ এপ্ৰিলত গঠন কৰি দিয়া পৰ্যবেক্ষক কমিটীখনৰ প্ৰতিবেদনৰ বিষয়ে আলোচনা কৰা হয় আৰু আগন্তুক আগষ্ট মাহৰ ৩ তাৰিখে এক বাস্তৱধৰ্মী প্ৰস্তাৱ লোৱাৰ সিদ্ধান্ত লোৱা হয়।

● সদৌ অসম ছাত্ৰ সন্থাই ৩ জুলাইত হ'ব লগা ত্ৰিপাক্ষিক আলোচনাৰ প্ৰস্তাৱক প্ৰত্যাখ্যান কৰে আৰু নিৰ্ধাৰিত সময়সূচী অনুসৰি অসম চুক্তিৰ বিভিন্ন দফা কাৰ্যকৰীকৰণৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দাবী জনায়।

৫ জুলাই ঃ গৃহ দপ্তৰৰ ৰাজ্যমন্ত্ৰী সুবোধকান্ত সাহাই কেন্দ্ৰীয় চৰকাৰৰ হৈ আলফাৰ বিৰুদ্ধে ৰাজ্য চৰকাৰক অধিক ব্যৱস্থা ল'বলৈ আহ্বান জনায়।

৮ জুলাই ঃ উত্তৰ-পূৰ্বাঞ্চলৰ চাৰিটা উগ্ৰপন্থী দল আলফা, ইউনাইটেড নেচনেলিষ্ট লিবাৰেচন ফ্ৰণ্ট, নেচনেলিষ্ট ছচিয়েলিষ্ট কাউন্সিল অব নাগালেণ্ড আৰু পিপল্‌ছ লিবাৰেচন আৰ্মীয়ে সীমান্তৱৰ্তী ৰাজ্যকেইখনত সমন্বয়পূৰ্ণ সন্ত্ৰাসবাদী আন্দোলন চলাবলৈ ইণ্ডো-বাৰ্মা ৰিভলিউচনাৰী ফ্ৰণ্ট নামে এটা যুটীয়া কমাণ্ড গঠন কৰাৰ বাতৰি প্ৰকাশ।

১৩ জুলাই ঃ অসমৰ বিভিন্ন সমস্যা সম্পৰ্কে আলোচনা কৰিবৰ বাবে

নিষিদ্ধ কৰাৰ দাবী উত্থাপন হৈছিল, সেয়েহে কেন্দ্ৰৰ চৰকাৰখনে অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তনৰ প্ৰাথমিক কাম-কাজৰ প্ৰস্তুতি আৰম্ভ কৰে।

তাৎপৰ্যপূৰ্ণভাৱে ৮ নৱেম্বৰৰ পৰা ২৮ নৱেম্বৰৰ ভিতৰত অসমত কেইবাটাও হিংসাত্মক কাৰ্য সংঘটিত হয় আৰু বহুতৰ মতে এই হিংসাত্মক কাৰ্যবোৰ ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তনৰ স্বাৰ্থত কৰা হৈছিল। ১৫ নৱেম্বৰত গুৱাহাটীৰ গণেশগুৰি বজাৰত এক শক্তিশালী বোমা বিস্ফোৰণ ঘটি ৬জন লোক নিহত আৰু ৭১জন লোক আহত হয়। এই সকলো ঘটনাই অসমক ক্ৰমান্বয়ে ৰাষ্ট্ৰপতিক শাসনলৈ ঠেলি দিছিল।

আলফাৰ হিংসাত্মক কাৰ্যকলাপ বাঢ়ি যোৱা হেতুকে কেন্দ্ৰই অৱশেষত ২৮ নৱেম্বৰৰ পৰা অসমত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰে। আলফাৰ কাৰ্যকলাপ সম্পৰ্কে ২৬ নৱেম্বৰত প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিচত ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰিবলৈ কেন্দ্ৰীয় মন্ত্ৰীসভাত সিদ্ধান্ত লোৱা হয়। সংবিধানৰ ৩৫৬ অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰাৰ পিচত ৰাজ্যখনক অশান্ত অঞ্চল হিচাপে ঘোষণা কৰা হয়। এই ব্যৱস্থাৰ অধীনত অসমৰ সংযুক্ত মুক্তি বাহিনী আৰু নাগালেণ্ডৰ এন এছ চি এনক বে-আইনী বুলি ঘোষণা কৰা হয়। অসমৰ ৰাজ্যপাল দেৱীদাস ঠাকুৰে ৰাজ্য প্ৰশাসনৰ দায়িত্ব চম্ভালি লয় আৰু প্ৰশাসনৰ সুবিধাৰ্থে সশস্ত্ৰ বাহিনী ব্যৱহাৰ কৰাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰে। ইতিমধ্যে অশান্ত অঞ্চল হিচাপে ঘোষণা কৰাৰ পিচত অসমত সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন প্ৰয়োগ কৰা হৈছিল। এই ঘোষণাৰ জৰিয়তে অসমৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া স্বপ্ন পূৰণ কৰিবলৈ অসম আন্দোলনৰ জৰিয়তে গঢ় লৈ উঠা আঞ্চলিক দলৰ চৰকাৰখনৰ পতন ঘটিল। আৰম্ভ হ'ল দমন, নিৰ্যাতন, সংঘাত, ভাতৃঘাতী সংঘৰ্ষ আৰু শাসনতন্ত্ৰ পৰিৱৰ্তনৰ আন এক অধ্যায়।

২৮ নৱেম্বৰত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন তথা সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনৰ অধীনত অশান্ত এলেকা ঘোষণা কৰাৰ লগে লগে উজনি-নামনি

বিধানসভাৰ অধ্যক্ষ পুলকেশ বৰুৱা আৰু বিধায়ক দীনবন্ধু চৌধুৰীৰ নেতৃত্বত এটা উচ্চ পৰ্যায়ৰ দল দিল্লীলৈ ৰাওনা হয়।

১৪ জুলাই ঃ এখন সুকীয়া বড়ো ৰাজ্যৰ দাবীত ১৫ দিনৰ সময়সীমা বান্ধি দি এবছুৰ (উ) কেন্দ্ৰীয় চৰকাৰক চৰমপত্ৰ প্ৰদান।

১৫ জুলাই ঃ ৰাষ্ট্ৰীয় মৰ্চাৰ জৰুৰী বৈঠকলৈ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু কংগ্ৰেছ (স) সভাপতি শৰৎ চন্দ্ৰ সিংহৰ দিল্লীলৈ ৰাওনা।

১৬ জুলাই ঃ আলফাই গুৱাহাটী তেল শোধনাগাৰৰ জেনেৰেল মেনেজাৰ এইচ কে এল দাসক অপহৰণ কৰে।

১৮ জুলাই ঃ এবছুৱে তেওঁলোকৰ সুকীয়া ৰাজ্যৰ দাবীত ১৫ দিনৰ সময়সীমা বান্ধি দি কেন্দ্ৰলৈ এখন চৰমপত্ৰ প্ৰদান কৰে।

২০ জুলাই ঃ এক প্ৰেছ বিজ্ঞপ্তিৰ দ্বাৰা আলফাই মুক্তিপণ দাবী কৰে ঃ চৰকাৰে কাৰাগাৰত আবদ্ধ কৰি ৰখা সংযুক্ত মুক্তি বাহিনী, অসমৰ সদস্য হীৰকজ্যোতি মহন্ত ওৰফে নৰেন ডেকা, অজয় কলিতা ওৰফে অনাদৰ ঠাকুৰীয়া আৰু অমৃত ৰাভা ওৰফে বিপুল ৰাভাক বিনাচৰ্তে ৬ দিনৰ ভিতৰত মুক্তি দিবৰ বাবে দাবী জনায়। উক্ত দিনৰ ভিতৰত আবদ্ধ কৰি ৰখা সদস্যসকলক মুক্তি নিদিলে আলফাই অপহৰণ কৰি ৰখা গুৱাহাটী তেল শোধনাগাৰৰ জেনেৰেল মেনেজাৰ আৰু তেওঁৰ পুত্ৰক হত্যা কৰাৰ ভাবুকি দিয়ে। আনহাতে ২১ জুলাইত চৰকাৰে আলফাক অপহৰণ কৰা এইচ কে এল দাস, তেওঁৰ পুত্ৰ আৰু গাড়ীচালককেইজনক মুকলি কৰি আলোচনাত বহিবলৈ আহ্বান জনায়।

এই ঘটনা সন্দৰ্ভত চৰকাৰে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত কামৰূপ জিলাৰ ডেজিগ্‌নেটেড আদালতৰ ন্যায়াধীশ পি জি আগৰৱালাৰ দ্বাৰা ২৭ জুলাইৰ দিনা হীৰকজ্যোতি মহন্ত আৰু অনাদৰ ঠাকুৰীয়াক জামিনত মুক্তিৰ নিৰ্দেশ দিয়ে আৰু গোৱালপাৰাত সেই জিলাৰ আদালতে তৃতীয়জন সদস্য অমৃত ৰাভাক মুক্তিৰ নিৰ্দেশ দিয়ে।

২১ জুলাই ঃ ৰৌতা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কনক চন্দ্ৰ নাথক বড়ো উগ্ৰপন্থীয়ে গুলীয়াই হত্যা কৰে।

- গুৱাহাটী তেল শোধনাগাৰৰ

উভয়তে সৈন্যবাহিনীৰ সামৰিক অভিযান আৰম্ভ হয়। উক্ত দিনাই সৈন্যবাহিনীয়ে উজনিত আলফাৰ ছটা ঘাটী ভাঙি দিয়ে আৰু প্ৰায় ৪০জন যুৱকক আলফাৰ সদস্য বুলি কৰায়ত্ত কৰে। নিৰাপত্তা বাহিনীয়ে অসম আৰু অৰুণাচল প্ৰদেশৰ মাজৰ সীমা, অসম আৰু নাগালেণ্ডৰ মাজৰ সীমান্ত সম্পূৰ্ণৰূপে বন্ধ কৰি দিছিল। ২৯ নৱেম্বৰত সেনাবাহিনীৰ ইষ্টাৰ্ন কমাণ্ডাৰ লেঃ জেনেৰেল কে এছ ব্ৰাৰে অসমত আলফাৰ বিৰুদ্ধে চলোৱা অভিযানক 'অপাৰেচন বজৰং' নামেৰে নামকৰণ কৰাৰ কথা ঘোষণা কৰে।

যিহেতু ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰত অসম গণ পৰিষদ সহযোগী দল আছিল সেইবাবে প্ৰধানমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিং প্ৰমুখ্যে মৰ্চাৰ শীৰ্ষ নেতৃত্বই ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তনৰ জৰিয়তে কেন্দ্ৰৰ চৰকাৰখনক অস্থিৰ কৰি তুলিব বিচৰা নাছিল। কিন্তু মৰ্চা চৰকাৰ পতনৰ পিচত চন্দ্ৰশেখৰে প্ৰধানমন্ত্ৰিত্ব গ্ৰহণ কৰিয়ে অসমত সামৰিক অভিযান জাৰি কৰাত এই কথাটোৱে ৰাষ্ট্ৰীয় স্তৰত তুমুল বিতৰ্কৰ সূত্ৰপাত কৰিলে। সেই সময়ছোৱাত ভাৰতবৰ্ষজুৰি সংঘীয়বাদৰ এক জোৱাৰ উঠিছিল বাবে এনে বিতৰ্কই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমতো স্থান দখল কৰিব পাৰিছিল। কংগ্ৰেছৰ হেঁচাতহে অসমত ৰাষ্ট্ৰপতিৰ শাসন জাৰি কৰা হৈছে বুলি এক অভিযোগ উত্থাপন হৈছিল বাবে প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰে সম্পূৰ্ণ তেওঁৰ বিবেচনাৰে এনে সিদ্ধান্ত লোৱা হৈছে বুলি বি বি চিৰ সৈতে হোৱা এক সাক্ষাৎকাৰত প্ৰকাশ কৰিছিল।

অসমত ৰাষ্ট্ৰপতি শাসন দিয়াৰ তীব্ৰ বিৰোধিতা স্বাভাৱিকতে অসম গণ পৰিষদ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ পৰাই উচ্চাৰিত হৈছিল। যিহেতু ১৯৮৫ৰ পৰা ১৯৯০ চনৰ ভিতৰত আলফাৰ দ্বাৰা সংঘটিত কোনো কূটাঘাতমূলক কাৰ্যৰ লক্ষ্য অগপ বা আছু নাছিল সেয়েহে এই তিনিওটা সংগঠনৰ মাজত থকা সুসম্পৰ্কৰ কথাটো বাৰুকৈয়ে আলোচিত হৈছিল। অসমত ৰাষ্ট্ৰপতি শাসন জাপি দিয়া আৰু উগ্ৰপন্থী ধৰাৰ নামত নিৰীহ লোকক অত্যাচাৰ কৰাৰ প্ৰতিবাদত অগপ আৰু আছুৱে ৩০ নৱেম্বৰত

মেনেজাৰক আলফাই অপহৰণ কৰা ঘটনাত অসম আৰক্ষীয়ে সদৌ অসম ছাত্ৰ সন্থাৰ কেইজনমান সদস্যক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত আছুৰে গুৱাহাটীত আমৰণ অনশন কাৰ্যসূচী আৰম্ভ কৰে।

২৩ জুলাই ঃ অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটীৰ সভাপতি হিতেশ্বৰ শইকীয়াৰ ভায়েক ৰোহিতেশ্বৰ শইকীয়াক সন্দেহযুক্ত আলফা সদস্যই তেওঁৰ ব্যক্তিগত নিৰাপত্তা বিষয়া আৰু চালকসহ গুলীয়াই হত্যা কৰে।

২৪ জুলাই ঃ ১৪ জুলাইত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত মন্ত্ৰী প্ৰবীণ গগৈয়ে সমাজ কল্যাণ মন্ত্ৰী ৰেখাৰাণী দাস বড়োৰ প্ৰতি কৰা আচৰণৰ প্ৰতিবাদত চানমাৰি মহিলা সন্থাই গগৈৰ পদত্যাগৰ দাবী জনায়।

২৫ জুলাই ঃ অসমৰ ৰাজ্যপাল দেৱীদাস ঠাকুৰে মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ পৰামৰ্শক্ৰমে খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী প্ৰবীণ কুমাৰ গগৈক মন্ত্ৰীসভাৰ পৰা অব্যাহতি দিয়ে।

২৬ জুলাই ঃ প্ৰচাৰ মাধ্যমসমূহলৈ আলফাৰ নিৰ্দেশ ঃ 'আলফা'ই অসমৰ বাতৰিকাকতসমূহক তেওঁলোকৰ পৰা অনুমতি নোলোৱাকৈ আলফাৰ বিষয়ে বা বাহিনীৰ লগত প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে জড়িত যিকোনো ধৰণৰ লেখা, প্ৰবন্ধ, বাতৰি আদি প্ৰকাশ কৰিব নোৱাৰিব বুলি জানিবলৈ দিয়ে আৰু এনে কৰা সাংবাদিকক হত্যা কৰা হ'ব বুলি ভাবুকি দিয়ে।

- অগপৰ ৰাজ্যসভাৰ সদস্য ড° নগেন শইকীয়াক ৰাজ্যসভাৰ ভাইচ চেয়াৰমেন মণ্ডলীৰ অন্যতম ৰূপে নিযুক্তি দিয়া হয়।

২৮ জুলাই ঃ অসমত সাংবাদিকক 'আলফা'ই বাতৰি প্ৰচাৰ বা পৰিৱেশনৰ ক্ষেত্ৰত নিৰ্দেশ দিয়া কাৰ্যৰ ভিত্তিত উৰিষ্যাৰ এগৰাকী সাংবাদিক আৰ পি শাস্ত্ৰীয়ে অসমত সাংবাদিকক সুৰক্ষা দিবৰ বাবে প্ৰধানমন্ত্ৰীক আহ্বান জনায়।

২৯ জুলাই ঃ ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক দৌলত সিং নেগি, তেওঁৰ নিৰাপত্তাৰক্ষী বিষয়াগৰাকী আৰু গাড়ীচালকজনক লাহোৱালৰ ওচৰত দুষ্কৃতিকাৰীয়ে গুলীয়াই হত্যা কৰে আৰু এই ঘটনাত আলফা জড়িত থকা বুলি সন্দেহ কৰা হয়। ঘটনাৰ পৰিপ্ৰেক্ষিতত সেই একেদিনাই গৃহ মন্ত্ৰী ভৃগু কুমাৰ

অসম বন্ধ পালন কৰে। আনহাতে বজৰং অভিযান আৰম্ভ হোৱাৰ ২৪ ঘণ্টাৰ ভিতৰত সেনাবাহিনীৰ সৈতে হোৱা সংঘৰ্ষত সেনাবাহিনীৰ এজন নিহত আৰু আন দুজন আহত হয়। আলফাৰো এজন নিহত আৰু আন তিনিজন আহত হয়।

৩০ নৱেম্বৰৰ পৰা আৰম্ভ কৰি সমগ্ৰ ডিচেম্বৰ মাহত আলফা বিচাৰি সামৰিক বাহিনীৰ জোৱানে অসমৰ বিভিন্ন ঠাইত, বিশেষকৈ উজনি অসমৰ আলফাৰ ঘাটীসমূহ উচ্ছেদ কৰিবলৈ আৰম্ভ কৰে। ৯ ডিচেম্বৰৰ ভিতৰত সৈন্যবাহিনী আৰু আৰক্ষীৰ হাতত প্ৰায় ৫৩১জন আলফা সদস্য ধৰা পৰে। আলফাৰ সদস্যসকলে ব্যৱহাৰ কৰা বিভিন্ন আচবাব, টিভি, ভি চি আৰ, বৃহৎ পৰিমাণৰ ঔষধ, টাইপ ৰাইটাৰ, কাগজ-পত্ৰ আদিও নিৰাপত্তা বাহিনীৰ লোকে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উগ্ৰবাদীসকলৰ বিৰুদ্ধে অভিযান চলাবলৈ অসম আৰক্ষীৰ গাঁথনিগত পৰিৱৰ্তন সধা হয়। অসম পুলিচত 'আই জি অপাৰেচন' নাম দি নতুন পদবী খোলা হয় আৰু ই এন মোহনক এই পদত নিযুক্তি দিয়ে।

আলফাৰ ঘাটীত নৰকংকাল

অপাৰেচন বজৰঙৰ জৰিয়তে আলফাৰ নিষ্ঠুৰতাৰ আন এক অধ্যায় মুকলি হ'ল। ৪ ডিচেম্বৰত লক্ষীপথাৰৰ শিবিৰত মাটি খান্দি সেনাবাহিনীয়ে ১৫টা নৰকংকাল উদ্ধাৰ কৰে। লক্ষীপথাৰৰ আলফাৰ ঘাটীৰ পৰা মৃতদেহ উদ্ধাৰৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে অসমৰ বিভিন্ন ঠাইৰ পৰা নিৰুদ্দেশ হোৱা আৰু অপহৰণ হোৱা বহু লোকৰ আত্মীয়-স্বজনে লক্ষীপথাৰৰ ঘাটীলৈ ঢপলিয়াই আহে। প্ৰাৰম্ভিক অৱস্থাত তিনিটা মৃতদেহ চিনাক্ত কৰা হয়। এই মৃতদেহ তিনিটা হ'ল— ডুমডুমাৰ ৰাণা গোস্বামী, ৰাধেশ্যাম লাহোৰী আৰু তিনিচুকীয়াৰ দেবু চৌধুৰী। এই অভিযানৰ সময়তে লক্ষীপথাৰ বনাঞ্চলৰ আলফাৰ ঘাটীত এটা কাৰাগাৰো উদ্ধাৰ কৰা হয়।

ফুকনে নৈতিক দায়িত্ব স্বীকাৰ কৰি মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ ওচৰত পদত্যাগপত্ৰ দাখিল কৰে। আনহাতে ৩০ জুলাইৰ দিনা বহা মন্ত্ৰীসভাৰ বৈঠকত মন্ত্ৰীসকলে তেওঁৰ পদত্যাগপত্ৰ উঠাই ল'বলৈ অনুৰোধ কৰে।

৩০ জুলাই ঃ গুৱাহাটী তেল শোধানাগাৰৰ জেনেৰেল মেনেজাৰ এইচ কে এল দাসক মুক্তি।

১ আগষ্ট ঃ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনে ৰাজ্যখনত বিভিন্ন ঘটনাৰ গইনা লৈ এটা প্ৰশাসনিক অস্থিৰতা সৃষ্টি কৰিবৰ বাবে এচাম চৰকাৰী বিষয়া এক গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

● নতুন দিল্লীত 'আলফা'ৰ সন্মুখীন হ'বলৈ 'কৰ্ম-আঁচনি' প্ৰস্তুত ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী মুফতি মহম্মদ ছয়িদে নতুন দিলীত আহ্বান কৰা এক বৈঠকত অসমৰ ৰাজ্যপাল দেৱীদাস ঠাকুৰ, মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, কেবিনেট সচিব বিনোদ পাণ্ডে, গৃহ দপ্তৰৰ সচিব এন চি ছাক্সেনাৰ উপৰি গৃহ দপ্তৰ আৰু অসম চৰকাৰৰ উচ্চ বিষয়াসকল উপস্থিত থাকে। এই গুৰুত্বপূৰ্ণ বৈঠকত আলফাৰ কাম-কাজ নিয়ন্ত্ৰণৰ বাবে এখন 'কৰ্ম-আঁচনি' লোৱা হয়। এই আঁচনিৰ ভিতৰত আলফাৰ কাম-কাজৰ প্ৰতি সহানুভূতিশীল শক্তিবোৰক আঁতৰ কৰি প্ৰশাসন সবল কৰি তোলাও অন্যতম।

৩ আগষ্ট ঃ আলফাই আৰক্ষী অধীক্ষকগৰাকীক হত্যা কৰে বুলি স্বীকাৰ কৰে।

৪ আগষ্ট ঃ সকলো উগ্ৰপন্থী সংগঠনক নিষিদ্ধ আৰু বে-আইনী ঘোষণা কৰি অত্যাধুনিক অস্ত্ৰৰে আৰক্ষী বাহিনীক আধুনিকীকৰণ কৰিবলৈ সদৌ অসম আৰক্ষী সন্থাই চৰকাৰক দাবী জনায়।

৫ আগষ্ট ঃ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনে মুখ্যমন্ত্ৰী আৰু মন্ত্ৰীসভাৰ অন্য সতীৰ্থসকলৰ সৈতে হোৱা আলোচনাৰ পিচত মন্ত্ৰিত্বৰ দায়িত্বভাৰ চলাই যাবলৈ সন্মতি প্ৰকাশ কৰে।

৭ আগষ্ট ঃ অসম দৰমহা আয়োগৰ প্ৰতিবেদন (১৯৮৮) আলোচনাৰ মাধ্যমত গ্ৰহণ কৰাৰ দাবীত সদৌ অসম কৰ্মচাৰী পৰিষদে আহ্বান কৰা গণ সত্যাগ্ৰহৰ ফলত ৰাজ্যখনৰ প্ৰশাসন

আলফাৰ শিবিৰত এনেধৰণৰ নৰকংকাল উদ্ধাৰ হোৱাৰ পিচত অসমৰ আন আন প্ৰান্ততো উৰলি যোৱা মৃতদেহ কিছুমান উদ্ধাৰ হ'বলৈ ধৰে। নলবাৰী জিলাৰ উত্তৰ দিশে অৱস্থিত দৰঙা বনাঞ্চলৰ নিকটৱৰ্তী এঙাৰকাটা নামৰ গাঁওখনত ১২ ডিচেম্বৰত মাটিৰ তলত পুতি থোৱা অৱস্থাত দুটা মৃতদেহ উদ্ধাৰ কৰা হয়। বজৰং অভিযানত উদ্ধাৰ হোৱা এই মৃতদেহ দুটা জোনাইৰ কৃষ্ণ বাহাদুৰ ৰাউত চেত্ৰী আৰু চিলাপথাৰৰ হৰেন শৰ্মাৰ বুলি চিনাক্ত কৰা হৈছিল। ১৪ ডিচেম্বৰত বিশ্বনাথ চাৰিআলিৰ সমীপৱৰ্তী গড়েহাগী গাঁৱত সেনাবাহিনী আৰু পুলিচে এটা গাঁতৰ পৰা উৰলি যোৱা মৃতদেহ এটা উদ্ধাৰ কৰে।

সেনাবাহিনীৰ সন্ত্ৰাস

সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইনেৰে বলীয়ান হৈ ভাৰতীয় সৈন্যবাহিনীয়ে অপাৰেচন বজৰঙৰ জৰিয়তে উজনি-নামনি উভয়তে তাণ্ডৱৰ সৃষ্টি কৰিবলৈ আৰম্ভ কৰে। লক্ষীপথাৰ-চৰাইপুং এলেকাত বহু লোকক নিৰ্বিচাৰে শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰা হয় আৰু সেনাৰ ভয়ত ত্ৰস্তমান হৈ ভালেসংখ্যক লোকে নিজ গৃহ ত্যাগ কৰিব লগা হয়। বিহপুৰীয়াত অঞ্জুমণি বৰা নামৰ এগৰাকী ছাত্ৰীক সেনাবাহিনীৰ লোকে বলাংকাৰ কৰাৰ এক গোচৰ ৰুজু কৰা হয় আৰু চিকিৎসা পৰীক্ষাত বলাংকাৰ কৰাটো সঁচা বুলি প্ৰমাণিত হয়। সামৰিক বাহিনীৰ হাতত নিৰ্যাতন আৰু বলাংকাৰৰ অজস্ৰ ঘটনা সংঘটিত হৈ থকাৰ সময়তে ১৮ ডিচেম্বৰত গোৱালপাৰা জিলাত সামৰিক বাহিনীয়ে অপাৰেচন চলাই থাকোঁতে আলফা সদস্যই সামৰিক বাহিনীৰ কনভয় এটাৰ ওপৰত গুলীবৰ্ষণ কৰে আৰু এই আক্ৰমণত তিনিজন জোৱান আহত হয়। এই ঘটনাৰ ২৪ ঘণ্টাৰ ভিতৰতে সামৰিক বাহিনী আৰু পুলিচে বিভিন্ন ঠাইৰ পৰা ২৮জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। ২৩ ডিচেম্বৰত মেঘালয়ৰ পশ্চিম গাৰো পাহাৰ জিলাত সেনা আৰু

সম্পূৰ্ণ অচল হৈ পৰে।

৮ আগষ্ট ঃ নতুন দিল্লীত বড়ো সমস্যা সন্দৰ্ভত সপ্তমলানি ত্ৰিপাক্ষিক আলোচনা। অসম চৰকাৰে বড়োৰ বাবে পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰস্তাৱ দিয়ে। এবছু-বি পি এ চিয়ে এই প্ৰস্তাৱ নাকচ কৰে। এই আলোচনাত ৰাজ্য চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি ৰামবিলাস পাছোৱান আৰু এবছুৰ চাপ্তুমা খুংগুৰ বিছমুতিয়াৰীৰ নেতৃত্বত যোৱা বড়ো সদস্যসকলৰ আগত অসমত নতুন পঞ্চায়তীৰাজ ব্যৱস্থাৰ প্ৰস্তাৱৰ লগতে এটা পেকেজ আঁচনি আগবঢ়ায়। এই পেকেজ আঁচনিৰ বিষয়সমূহ হ'ল— শিক্ষাৰ মাধ্যমিক পৰ্যায়ত ত্ৰিভাষা সূত্ৰ অব্যাহত আৰু উচ্চতৰ মাধ্যমিক, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাত অসমীয়াৰ লগতে ইংৰাজী ভাষা মাধ্যম ৰূপে থকা। ভাৰতৰ এটা আধুনিক ভাষা ৰূপে বড়ো ভাষাত শিক্ষাদান আৰু গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাষ্টাৰ ডিগ্ৰীত এই ভাষা সন্নিৱিষ্ট কৰা, বড়ো মাধ্যমৰ বিদ্যালয়বোৰ প্ৰাদেশিকীকৰণ কৰা, জনজাতীয় শিক্ষাৰ বাবে এটা পৃথক সঞ্চালকালয় গঢ়ি তোলা আৰু বড়ো ভাষাক সহযোগী ভাষা ৰূপে অন্তৰ্ভুক্ত কৰা। এই ত্ৰিপাক্ষিক বৈঠকত বড়ো সদস্যসকলে ৰাজ্য চৰকাৰৰ এই প্ৰস্তাৱক প্ৰত্যাখ্যান কৰে আৰু ৰামবিলাস পাছোৱানেও ৰাজ্য চৰকাৰৰ প্ৰস্তাৱটো বড়োসকলৰ বাবে যথেষ্ট নহয় বুলি মত পোষণ কৰে। এই আলোচনাত এবছু সদস্যসকলে পূৰ্বৰ স্থিতিকে বাহাল ৰাখে আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি ৰামবিলাস পাছোৱানে 'বড়োলেণ্ড' নামৰ পৃথক ৰাজ্যৰ দাবীটো অগ্ৰাহ্য কৰি পৰৱৰ্তী ত্ৰিপাক্ষিক আলোচনাৰ বাবে ১১ ছেপ্টেম্বৰ দিনটো ধাৰ্য কৰি এবছু আৰু ৰাজ্য চৰকাৰক আলোচনাৰ বাবে আহ্বান জনায়।

১৩ আগষ্ট ঃ আলফাই পোনপ্ৰথমবাৰৰ বাবে 'ভাৰতীয় ঔপনিৱেশিকতা'ৰ প্ৰতিবাদত ক'লা দিৱস হিচাপে স্বাধীনতা দিৱস পালন কৰিবলৈ জনসাধাৰণক আহ্বান জনায়। অসম জাতীয়তাবাদী দলেও এই স্বাধীনতা দিৱস বৰ্জন কৰিবলৈ দেশবাসীক আহ্বান জনায়।

আলফাৰ মাজত হোৱা এক গুলীয়াগুলিৰ ঘটনাত এজন আলফা সদস্যৰ মৃত্যু হয় আৰু ৪জনক গ্ৰেপ্তাৰ কৰা হয়। আলফাই ব্যৱহাৰ কৰা শিবিৰটো সেনাবাহিনীৰ দখললৈ আহে আৰু কিছু পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ জব্দ কৰা হয়। ইয়াৰ পিচত বঙাইগাঁৱত নীহাৰৰঞ্জন ৰাভা, বৰপেটাৰোডত গোলাপ দৈমাৰী, নলবাৰীত আব্দুল লতিফ ওৰফে ৰাজু আহমেদ, বাৰেগাঁৱত বলেন বসুমতাৰীক আৰু ৩০ ডিচেম্বৰত গুৱাহাটীত তিনিজন শীৰ্ষ নেতা শৈলেন দত্ত কোঁৱৰ, মহম্মদ ইনামুল ৰহমান আৰু মহম্মদ মফিদুল ৰহমানক আটক কৰা হয়। ১৯৯১ চনৰ ৩১ জানুৱাৰীপৰ্যন্ত চলোৱা বজৰং অভিযানত সেনাবাহিনীয়ে ১,১২১জন আলফা কৰ্মীক গ্ৰেপ্তাৰ কৰিছিল। বজৰং অভিযানে প্ৰত্যক্ষভাৱে আলফাৰ ৰাজহাড় ভাঙি দিবলৈ সক্ষম হৈছিল আৰু ইয়াৰ ফলতে প্ৰথমবাৰৰ বাবে আলফাৰ ভিতৰত প্ৰথম উলম্ব বিভাজনৰ সূত্ৰপাত ঘটিছিল। অসমৰ হিংসাত্মক জীৱনৰ আন এক অধ্যায়ৰ বীজো এই সময়তে অংকুৰিত হৈছিল।

১৫ আগষ্ট ঃ অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটীৰ সভাপতি হিতেশ্বৰ শইকীয়াৰ বিৰুদ্ধে একাংশ কংগ্ৰেছী নেতাই তেওঁক নেতৃত্বৰ পৰা আঁতৰোৱাৰ বাবে দলৰ সভাপতি ৰাজীৱ গান্ধীলৈ এখন চিঠি প্ৰেৰণ কৰে।

২৩ আগষ্ট ঃ ৰাজ্য চৰকাৰ আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ মাজত এখন চুক্তি সম্পাদিত হয় আৰু ইয়াৰ ফলত পৰিষদে দৰমহা আয়োগৰ প্ৰতিবেদন সন্দৰ্ভত চলাই থকা আন্দোলন কাৰ্যসূচী প্ৰত্যাহাৰ কৰে।

২৪ আগষ্ট ঃ কেন্দ্ৰীয় গৃহ মন্ত্ৰী মুফতি মহম্মদ ছয়িদৰ অসম ভ্ৰমণ ঃ গৃহ মন্ত্ৰী মুফতি মহম্মদ ছয়িদে ২৪ আগষ্টত নগাঁও, উঃ লখিমপুৰ, যোৰহাট আদিত অনুষ্ঠিত ৰাজহুৱা সভাত ভাগ লয় আৰু তেওঁৰ ভাষণত অসমৰ উগ্ৰপন্থীসকলক হিংসাৰ পথ পৰিহাৰ কৰিবলৈ আহ্বান জনায়। গৃহ মন্ত্ৰীগৰাকীয়ে বন্দুকধাৰীৰ লগত কোনোধৰণৰ আলোচনা নকৰাৰ কথা স্পষ্টভাৱে কয়। উল্লেখযোগ্য যে উক্ত দিনা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে কেন্দ্ৰই অসমক অৱহেলা কৰাৰ প্ৰতিবাদত নগাঁৱত বন্ধ পালন কৰে আৰু ক'লা পতাকা দেখুৱায়।

২৫ আগষ্ট ঃ পূৰ্বোত্তৰ পৰিষদৰ দুদিনীয়া অধিৱেশনখন সভাপতি দেৱীদাস ঠাকুৰৰ পৌৰোহিত্যত জৱাহৰ নগৰৰ ১নং অতিথিশালাত অনুষ্ঠিত হয়। এই সভাত কেন্দ্ৰীয় তীখা মন্ত্ৰী দীনেশ গোস্বামী, মুফতি মহম্মদ ছয়িদ, বিত্ত মন্ত্ৰী মধু দণ্ডৱতে আৰু পেট্ৰ'লিয়াম মন্ত্ৰী গুৰুপদস্বামী উপস্থিত থাকে।

২৮ আগষ্ট ঃ আইন আৰু ন্যায় মন্ত্ৰী দীনেশ গোস্বামীয়ে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰে। আইন মন্ত্ৰীগৰাকীয়ে অসমৰ আইন-শৃংখলাৰ পৰিস্থিতি সন্দৰ্ভত সৃষ্টি হোৱা সমালোচনা, কেন্দ্ৰীয় মন্ত্ৰীসকলৰ অসম ভ্ৰমণৰ কালছোৱাত গুৱাহাটীত ক'লা পতাকা প্ৰদৰ্শন, মন্ত্ৰীগৰাকীক সদৌ অসম ছাত্ৰ সন্থাৰ সদস্যসকলে ঘেৰাও কৰা আদি ঘটনাৰ পৰিপ্ৰেক্ষিতত মন্ত্ৰিত্বৰ পৰা পদত্যাগ কৰি পদত্যাগপত্ৰ প্ৰধানমন্ত্ৰী ভি পি সিঙৰ হাতত অৰ্পণ কৰে। মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই আইন মন্ত্ৰীগৰাকীক তেওঁৰ পদত্যাগপত্ৰ উঠাই ল'বলৈ অনুৰোধ

নাগালেণ্ডৰ লগত সীমা বিবাদ

অসম আৰু নাগালেণ্ডৰ সীমা সমস্যা স্বাধীনতাৰ পিচৰে পৰা ছেগা-চোৰোকাকৈ চলি আহিছিল যদিও ১৯৬৩ চনত নাগালেণ্ডক ভাৰতৰ ১৬সংখ্যক ৰাজ্য হিচাপে স্বীকৃতি দিয়াৰ পিচৰে পৰা ইয়াৰ মাত্ৰা বৃদ্ধি পাবলৈ ধৰে আৰু ই হিংসাত্মক ৰূপ ধাৰণ কৰে। তেতিয়াৰে পৰা বিগত পাঁচটা দশকজুৰি অসম-নাগালেণ্ড সীমা বিবাদ এক যেন সমাধানহীন সমস্যা হৈ ৰৈছে।

অৱশ্যে এই বিবাদ বহু পুৰণি আৰু ফিজো নেতৃত্বাধীন নগা নেচনেল কাউঞ্চিলে ১৯৪৭ চনতে দিয়া স্মাৰকপত্ৰত সীমামূৰীয়া ঠাইবোৰক তেওঁলোকে বিবদমান হিচাপে দাবী কৰিছিল। সেই স্মাৰকপত্ৰৰ ৬নং দফাত সীমা সম্পৰ্কে

জনায় আৰু আইন মন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰ সম্পৰ্কত অগপ দলৰ তথা ৰাজ্য চৰকাৰৰ এটা স্পষ্টীকৰণ বিচাৰে। পিচলৈ ৩১ আগষ্টত ৰাষ্ট্ৰীয় মৰ্চাৰ সভাপতিমণ্ডলী আৰু মুখ্যমন্ত্ৰীৰ অনুৰোধক্ৰমে আইন মন্ত্ৰীগৰাকীয়ে তেওঁৰ পদত্যাগপত্ৰ উঠাই লয়।

১ ছেপ্টেম্বৰ ঃ বড়ো সমস্যা সমাধানৰ বাবে ৰাজ্য চৰকাৰে আগবঢ়োৱা 'নতুন পঞ্চায়তীৰাজ ব্যৱস্থা'টো সন্দৰ্ভত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ আহ্বানমৰ্মে এখন সৰ্বদলীয় বৈঠক গুৱাহাটীত অনুষ্ঠিত হয়।

৪ ছেপ্টেম্বৰ ঃ ভূটানৰ দৰঙাৰ পৰা আহি থকা অসম ৰাজ্যিক পৰিবহণ নিগমৰ গুৱাহাটী অভিমুখী এখন যাত্ৰীবাহী বাছত বড়ো উগ্ৰপন্থীৰ বোমা বিস্ফোৰণ। ৫০জনৰো অধিক যাত্ৰীৰ শোকাবহ মৃত্যু।

- কংগ্ৰেছ (ই) দলৰ দুজন শীৰ্ষ নেতা ক্ৰমে ধৰণীধৰ দাস আৰু ৰমেশ মোহন কুলীয়ে কংগ্ৰেছ দল ত্যাগ কৰে।
- লোকসভাত অসমৰ আলফাক সকলো সদস্যই নিষিদ্ধ কৰিবৰ বাবে দাবী জনায়। সংসদৰ 'জিৰ' আৱাৰ'ত বিজেপিৰ নবীন পাঠকে আলফা প্ৰসংগটো উত্থাপন কৰে আৰু ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি লালকৃষ্ণ আদৱানিকে ধৰি প্ৰায়সকল সদস্যই আলফাৰ কাৰ্যকলাপ সম্পৰ্কত অসমত কেন্দ্ৰীয় চৰকাৰক হস্তক্ষেপ কৰিবলৈ পৰামৰ্শ দিয়ে।

৫ ছেপ্টেম্বৰ ঃ গুৱাহাটীত কংগ্ৰেছ (ই) দল বিভক্ত হৈ 'ইউনাইটেড পিপল্‌ছ কংগ্ৰেছ অব আছাম' নামৰ এটা ৰাজনৈতিক দল জন্ম হয়। ভূতপূৰ্ব কংগ্ৰেছী সদস্য বাহাৰুল ইছলামৰ সভাপতিত্বত কংগ্ৰেছ (ই) সদস্যসকলৰ উপস্থিতিত অনুষ্ঠিত এখন সভাত এই দলৰ জন্ম হয়।

৬ ছেপ্টেম্বৰ ঃ অসম চুক্তি ৰূপায়ণ সন্দৰ্ভত নতুন দিল্লীত প্ৰধানমন্ত্ৰী ভি পি সিং, কেন্দ্ৰীয় মন্ত্ৰীসভাৰ সকলো সদস্য, অসমৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যিক মন্ত্ৰীসকলৰ মাজত এক আলোচনা হয়। এই আলোচনাত তেজপুৰত কেন্দ্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ সিদ্ধান্ত লয় আৰু অসমত চতুৰ্থটো তেল শোধনাগাৰৰ কাম ১৯৯০ চনৰ অক্টোবৰ মাহত আৰম্ভ কৰাৰ সিদ্ধান্ত

এনেদৰে উল্লেখ কৰিছে— Boundaries that the present administrative divisions should be modified so as to bring back to the Naga hills district all the forest transferred to Sibsagar and Nagaon district in the past.

এয়াই আছিল অসম-নাগালেণ্ড সমস্যাৰ আৰম্ভণি। ইয়াৰ পিচৰে পৰা প্ৰায় নিৰৱচ্ছিন্নভাৱে নাগালেণ্ডে অসমৰ মাটি দখল কৰি আহিছে। আনহাতে নগাসকলে ভাবে যে অসমৰ এতিয়াও বহু ঠাই দৰাচলতে তেওঁলোকৰহে।

পঞ্চাশৰ দশকৰ শেষৰ ফালে নগা পাহাৰত শান্তিৰ প্ৰচেষ্টা আৰম্ভ হয় যদিও তাতেও নগা জনপ্ৰতিনিধি সভাই যি দীৰ্ঘ ১৬ দফীয়া দাবীচনদ তৈয়াৰ কৰে তাতো অসমৰ এক ব্যাপক অঞ্চল পুনৰ দাবী কৰে।

এই দাবীৰ মতে— Re-transfer of Reserve Forests : All the reserve forests and other Naga area will be returned to Nagaland with a clearly defined boundary under the present settlement.

এই বিষয়ে ভাৰত চৰকাৰৰ লগত কেইবালানিও আলোচনা কিছু পৰিমাণে আগবাঢ়িল যদিও কেন্দ্ৰীয় চৰকাৰে আন্তঃৰাজ্যিক সীমা বিবাদ সমাধানৰ সূত্ৰ বিচাৰি উলিয়াবলৈ চেষ্টা নকৰিলে।

সমস্যাই পুনৰ গা কৰি উঠিল যেতিয়া ১৯৬৩ চনত নাগালেণ্ড গঠন হ'ল আৰু তেতিয়াৰে পৰা নগা লোকসকলে চুৰ্চুৰীয়াকৈ গোলাঘাট, শিৱসাগৰ জিলাত অসমৰ মাটি দখল কৰাৰ চেষ্টা অব্যাহত ৰাখিলে আৰু সেয়া আজিলৈকে অব্যাহত আছে।

সীমান্তৱৰ্তী অঞ্চলসমূহত অসমৰ গাঁৱৰ সংখ্যা পাতলীয়া হোৱা কাৰণে নিৰ্বিবাদে কিছু পৰিমাণে নগাৰ দখল অব্যাহত থাকিল। নগা শান্তি আলোচনাৰ অংশ হিচাপে কিছু নগা বিদ্ৰোহীকো চৰকাৰে আত্মসমৰ্পণ কৰাই ডিমাপুৰৰ ওচৰে-পাঁজৰে ডিফু, নামবৰ আৰু ৰেংমা বনাঞ্চলত বাস

লোৱা হয়।

৯ ছেপ্টেম্বৰ ঃ নলবাৰী জিলাৰ বাগানপাৰাত বড়ো উগ্ৰপন্থীয়ে ৩জন লোকক গুলীয়াই হত্যা কৰে।

১১-১৩ ছেপ্টেম্বৰ ঃ নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু এবছুৰ সদস্যসকলৰ মাজত ত্ৰিপাক্ষিক অষ্টমলানি আলোচনা। এই আলোচনাত অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ জনজাতিপ্ৰধান অঞ্চলসমূহ চিনাক্ত কৰিবলৈ আৰু বড়ো তথা অন্যান্য ভৈয়াম জনজাতি লোকৰ বিধায়িনী, প্ৰশাসনিক আৰু বিত্তীয় ক্ষমতা প্ৰদানৰ বাবে অনুমোদন জনাবলৈ কেন্দ্ৰীয় চৰকাৰে ৩জনীয়া বিশেষজ্ঞ সমিতি গঠনৰ প্ৰস্তাৱ দিয়ে। এবছুৰ সদস্যসকলে এই বিশেষজ্ঞ সমিতিৰ প্ৰস্তাৱক আদৰি লয়। এই বিশেষজ্ঞ সমিতিয়ে ৪৫ দিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ কথা ৰাজ্য চৰকাৰ আৰু এবছুৰ সদস্যসকলক জানিবলৈ দিয়ে। কেন্দ্ৰীয় চৰকাৰে এই বিশেষজ্ঞ সমিতিৰ সদস্যসকলৰ নাম প্ৰস্তাৱ কৰিব বুলি কয় যদিও বড়ো প্ৰতিনিধিসকলে এই সদস্যসকল কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু এবছুৰ এই তিনিও পক্ষৰ পৰা হোৱাটো দাবী কৰে। আনহাতে ৰাজ্য চৰকাৰৰ সদস্যসকলে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা এই প্ৰস্তাৱ সম্পৰ্কে অভিমত দিবলৈ এমাহ সময় লয়।

১৫ ছেপ্টেম্বৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ আছুৰ গোটটো আছুৰ ৰাজ্যিক কমিটীয়ে ভংগ কৰি দিয়াৰ পিচত বিশ্ববিদ্যালয়ৰ প্ৰায় সাতশ সদস্যই সদৌ অসম ছাত্ৰ সন্থাৰ পৰা পদত্যাগ কৰিব বিচাৰে।

১৯ ছেপ্টেম্বৰ ঃ অসম চুক্তি ৰূপায়ণ প্ৰসংগত নতুন দিল্লীত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত হয়।

২০ ছেপ্টেম্বৰ ঃ এবছু আৰু বি পি চি এৰ সমৰ্থকৰ মাজত সংঘৰ্ষ। কোকৰাঝাৰৰ পৰা আৰম্ভ হৈ সকলো বড়ো অঞ্চললৈ এই সংঘৰ্ষ বিয়পি যায়।

২৭ ছেপ্টেম্বৰ ঃ আততায়ীৰ গুলীত ৰৌতাত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিহুৰাম বড়ো নিহত হয়।

৩ অক্টোবৰ ঃ বড়োসকলৰ সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য

কৰিবলৈ অনুমতি দিলে।

তাৰে কিছু বিপ্লৱীক নগা চৰকাৰে গাঁওবুঢ়া পাতি দিয়াত তেওঁলোকে অসমৰ বনাঞ্চল মোকলাই নগা গাঁও পাতিবলৈ আৰম্ভ কৰিলে। সেয়াই হৈছে অসমৰ ওপৰত নাগালেণ্ডৰ প্ৰণালীবদ্ধভাৱে ভূমি দখলৰ আৰম্ভণি।

গোটেই সংঘাত দুটা বেলেগ দৃষ্টিভংগীৰ পৰিণতি। অসমৰ দৃষ্টিভংগী হৈছে ভূমিৰ ক্ষেত্ৰত ব্ৰিটিছে প্ৰস্তুত কৰি যোৱা ৰাজহ ৰেকৰ্ডৰ ওপৰত। আনহাতে নগাসকলৰ সমগ্ৰ দাবীৰ আধাৰ হৈছে মুখে মুখে চলি অহা বুৰঞ্জীৰ ভিত্তিত।

অসমৰ বনাঞ্চল সংৰক্ষণৰ বাবে অসম চৰকাৰে ১৯৬৪ চনৰ ডিচেম্বৰ আৰু ১৯৬৫ চনৰ আগষ্ট মাহত উচ্ছেদৰ আঁচনি লয় যদিও নাগালেণ্ডৰ শান্তি প্ৰক্ৰিয়া ব্যাহত হোৱাৰ আশংকাত নগা চৰকাৰে উচ্ছেদ বন্ধ কৰিবলৈ জনোৱা অনুৰোধৰ প্ৰতি সঁহাৰি জনাই অসম চৰকাৰে উচ্ছেদ বন্ধ কৰে।

১৯৬৫ চনৰ পৰা অসম আৰু নাগালেণ্ডৰ মাজত মুখ্য সচিব পৰ্যায়ত কেইবালানিও আলোচনা অনুষ্ঠিত হয় যদিও এইবোৰ আলোচনাত সীমা বিবাদৰ কোনো সমাধান পোৱা নগ'ল।

১৯৬৮ চনৰ ৮ অক্টোবৰত দুয়োখন ৰাজ্যৰ মুখ্যমন্ত্ৰীদ্বয় বিমলাপ্ৰসাদ চলিহা আৰু পি চিল আওৰ মাজত শ্বিলঙত আলোচনা অনুষ্ঠিত হৈ যায় আৰু এই আলোচনাত দুয়োজন মুখ্যমন্ত্ৰীয়ে সীমান্তত উত্তেজনা হ্ৰাস কৰাত গুৰুত্ব আৰোপ কৰে।

চৰকাৰীভাৱে প্ৰথম সংঘৰ্ষ হয় ১৯৬৯ চনৰ আগষ্ট মাহত, যেতিয়া নাগালেণ্ড চৰকাৰে অসমৰ মাটিত দহটা আৰক্ষী চকী স্থাপন কৰে। তদুপৰি ১৯৬৮ চনৰ মাৰ্চ মাহত নগা সশস্ত্ৰ পুলিচে অসমৰ দৈয়াং বনাঞ্চলৰ শিশুপানী অঞ্চলৰ প্ৰায় দুশ বড়ো লোকৰ ঘৰত অগ্নিসংযোগ কৰে। এয়া নাগালেণ্ডৰ প্ৰথম বৃহৎ আক্ৰমণ আছিল। সেয়া যি আৰম্ভ হ'ল, এতিয়াও চলিয়েই আছে।

চৰকাৰ আৰু এবছুৰ মাজত হোৱা ত্ৰিপাক্ষিক বৈঠকত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা তিনিজনীয়া বিশেষজ্ঞ সমিতিৰ প্ৰস্তাৱক বড়ো সাহিত্য সভাই আদৰণি জনায়।

৯ অক্টোবৰ ঃ অসম বিধানসভাত অসম চুক্তি ৰূপায়ণ মন্ত্ৰী ভৃগু কুমাৰ ফুকনে ১৯৮৬ চনৰ পৰা ১৯৯০ চনৰ আগষ্টলৈকে মুঠ ৩১ হাজাৰ ৯৫জন বিদেশী বহিষ্কাৰ কৰাৰ কথা আন সদস্যসকলক জনায়। ইয়াৰে ৪৮৪জন অবৈধ প্ৰব্ৰজনকাৰী, ১০,৭৭৭জন পুনৰ অনুপ্ৰৱেশ কৰা অনুপ্ৰৱেশকাৰী আৰু ১৯,৮৩৪জন নেপালী অনুপ্ৰৱেশকাৰী বুলি জনায়।

১০ অক্টোবৰ ঃ সংযুক্ত মুক্তি বাহিনী, অসমে ৰাজ্যখনত মুঠ ১১৭জন লোকক হত্যা কৰা চৰকাৰী তথ্যক লৈ বাতৰি প্ৰকাশ।

● দল বাগৰা ৮জন ইউ এম এফ বিধায়কৰ সদস্য পদ বাতিল ঃ অসম বিধানসভাৰ অধ্যক্ষ পুলকেশ বৰুৱাই পোনপ্ৰথমবাৰৰ বাবে ইউ এম এফ দলৰ ৮জন সদস্যক দল বাগৰাৰ অভিযোগত বিধানসভাৰ সদস্য পদ বাতিল কৰাৰ এক ঐতিহাসিক ৰায় দিয়ে। অধ্যক্ষগৰাকীয়ে এই সদস্যসকলক বিধি ১৯৮৬ৰ ৰোল ৮ (১) মতে (দল বাগৰাৰ ভিত্তিত বাতিলকৰণ) বিধায়ক পদ বাতিল কৰে। এই সদস্যসকল হ'ল— শান্তিৰঞ্জন দাশগুপ্ত, শ্বেখ ছমন আলী, ইউছুফ আলী আহমেদ, অৰ্ধেন্দু কুমাৰ দে', আফজালুৰ ৰহমান, গোপীনাথ দাস, আব্দুল জলিল ৰাগিবী আৰু আব্দুল হুছেইন সৰকাৰ। আনহাতে অসম প্ৰদেশ কংগ্ৰেছ (ই) কমিটীয়ে অধ্যক্ষই দিয়া ৰায়ৰ বিপক্ষে গুৱাহাটী উচ্চ ন্যায়ালয়ত প্ৰত্যাহ্বান জনাবলৈ সিদ্ধান্ত লয়।

১১ অক্টোবৰ ঃ অসম ৰাজ্যিক বিজেপিৰ সভাপতি ডাঃ যোগেশ চন্দ্ৰ মহন্তই নতুন দিল্লীত অনুষ্ঠিত বড়ো সমস্যা সমাধানৰ বাবে অষ্টমলানি ত্ৰিপাক্ষিক আলোচনাত লোৱা বিশেষজ্ঞ সমিতি গঠনৰ কঠোৰ বিৰোধিতা কৰে।

● জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা মন্ত্ৰী জয়নাথ শৰ্মাক পেঞ্চন আৰু ৰাজহুৱা বিভাগৰ দায়িত্ব দিয়া হয় আৰু জলসিঞ্চনৰ ৰাজ্যিক মন্ত্ৰী পদ্মেশ্বৰ

পৰৱৰ্তী দশকটোতো যেতিয়া নাগালেণ্ড চৰকাৰে অসমৰ মাটিত ১৭টা আৰক্ষী চকী আৰু ১৩খন চেকগে'ট স্থাপন কৰে তেতিয়া ৰাজ্য দুখনৰ মাজত সীমাকেন্দ্ৰিক উত্তেজনা আৰু বৃদ্ধি পায়। আৰম্ভণিৰ পৰা কেন্দ্ৰীয় চৰকাৰে গা এৰা মনোভাব প্ৰদৰ্শন কৰি আহিছিল। যেতিয়া বিবাদ তুংগত উঠিল তেতিয়াহে কেন্দ্ৰীয় চৰকাৰ সতৰ্ক হৈ পৰিল আৰু সীমা সমস্যাৰ কাৰণে প্ৰথমখন আয়োগ গঠন কৰি দিয়ে। সেয়া আছিল সুন্দৰমন কমিটী। সেয়া সীমা সমস্যা সমাধানৰ প্ৰথম সঁচা পদক্ষেপ।

সুন্দৰমন আয়োগ

১৯৭১ চনৰ ১ আগষ্টত কে ভি কে সুন্দৰমনৰ নেতৃত্বত এখন সীমা আয়োগ গঠন কৰি দিয়া হয়। এইক্ষেত্ৰত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ পৰা কোৱা হ'ল — 'The adviser will ascertain the facts regarding the Assam-Nagaland boundary and the need for any adjustment, having regard to all the facts of the situation, including the provisions of section-III of the state of Nagaland Act 1962. He will consult the chief ministers of two state governments and such other persons as he consider necessary. He will try to bring about an agreed solution likely to promote the welfare and intererst of the people of the two states and to create faith and goodwill between them. He will also put forward suggestion, if necessary to maintain peace and tranquility in the border areas pending his final advice.

সুন্দৰমন আয়োগে ১৯৭১ চনৰ ছেপ্টেম্বৰ মাহত অসম ভ্ৰমণ কৰি অসমৰ কেবিনেট আৰু উচ্চ পৰ্যায়ৰ বিষয়াসকলৰ লগত সীমা বিবাদ সম্পৰ্কে আলোচনা কৰে।

দলেক চৰ উন্নয়ন বিভাগৰ অতিৰিক্ত দায়িত্ব দিয়া হয়।

১৯ অক্টোবৰ ঃ শোণিতপুৰ জিলাৰ ঢেকীয়াজুলিৰ ওচৰৰ বৰচলা ক্লাবত বড়ো উগ্ৰপন্থীৰ দ্বাৰা কোঠাৰীয়া গ্ৰুপৰ ডিৰাই চাহ বাগিচাৰ মেনেজাৰ জৱাহৰলাল জৈনক গুলীয়াই হত্যা। তিনিগৰাকী মহিলাসহ ১১জন আহত।

২১ অক্টোবৰ ঃ কেন্দ্ৰৰ উত্তৰ-পূৰ্বাঞ্চললৈ দুটা নতুন শিক্ষা অনুষ্ঠানৰ ঘোষণা ঃ কেন্দ্ৰীয় মানৱ সম্পদ বিভাগৰ ৰাজ্যমন্ত্ৰী চিমনভাই মেহতাই অষ্টম পৰিকল্পনাৰ কালছোৱাত উত্তৰ-পূৰ্বাঞ্চলত এখন আঞ্চলিক ইঞ্জিনীয়াৰিং কলেজ আৰু এখন আঞ্চলিক শিক্ষণ কলেজ স্থাপনৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে এই দুখনৰ এখন অসমত আৰু বাকীখন আন যিকোনো এখন ৰাজ্যত স্থাপন হোৱাৰ কথা জনায়।

- কোকৰাঝাৰত এবছু আৰু বি পি এ চিয়ে আয়োজন কৰা বিশাল ৰাজহুৱা সভাত কেন্দ্ৰীয় শ্ৰম আৰু কল্যাণ মন্ত্ৰী ৰামবিলাস পাছোৱান উপস্থিত থাকে।

২২ অক্টোবৰ ঃ অসম গণ পৰিষদ দলৰ বিধায়ক বলোভদ্ৰ তামুলী বিনাপ্ৰতিদ্বন্দ্বিতাৰে অসম বিধানসভাৰ উপাধ্যক্ষ হিচাপে নিৰ্বাচিত হয়।

২৩ অক্টোবৰ ঃ গুৱাহাটীত অনুষ্ঠিত অগপৰ এখন সভাই অসম বিধানসভা আৰু অসমৰ লোকসভা আসনকেইখনৰ বাবে ১৯৯০ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত নিৰ্বাচন পাতিবৰ বাবে নিৰ্বাচন আয়োগ আৰু কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায়।

- অসমৰ মুখ্যমন্ত্ৰী তথা ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ অন্যতম সভাপতি প্ৰফুল্ল কুমাৰ মহন্তই ভাৰতীয় জনতা পাৰ্টীক দায়িত্বজ্ঞানহীন আৰু বিশ্বাসঘাতক দল হিচাপে দোষাৰোপ কৰে। 'ৰামমন্দিৰ প্ৰসংগ'ত ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি লালকৃষ্ণ আদৱানিয়ে উলিওৱা ৰথযাত্ৰাৰ পৰিণতি হিচাপে ১৯৯০ চনৰ ২৩ অক্টোবৰত বিহাৰৰ সমষ্টিপুৰত তেওঁক গ্ৰেপ্তাৰ কৰা হয়। ইয়াৰ ফলস্বৰূপে বিজেপিয়ে প্ৰধানমন্ত্ৰী বিশ্বনাথ প্ৰতাপ সিঙৰ নৈতিক কাৰণত পদত্যাগ দাবী কৰে আৰু আদৱানিৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰে। এই সংক্ৰান্তত প্ৰফুল্ল কুমাৰ মহন্তই

৬ ছেপ্টেম্বৰৰ পৰা ৮ ছেপ্টেম্বৰলৈ তেওঁ অসমত কটোৱাৰ পিচত ৯ ছেপ্টেম্বৰৰ পৰা ১২ ছেপ্টেম্বৰলৈ তেওঁ নাগালেণ্ডত কটায়। দুয়োফালৰ পৰা তেওঁক বুজনসংখ্যক স্মাৰকপত্ৰ দিয়া হয়। তেওঁ অসম-নাগালেণ্ডৰ বিবদমান সীমাসমূহো ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ লয়।

ইয়াৰ পিচত ১৯৭২ চনৰ ৩১ মাৰ্চত শ্বিলঙত অসম আৰু নাগালেণ্ডৰ মুখ্য সচিব দুগৰাকীক লৈ সুন্দৰমনে এখন বৈঠক অনুষ্ঠিত কৰে আৰু এই বৈঠকত দুয়োখন ৰাজ্যৰ মাজত এখন অন্তৰ্বৰ্তী চুক্তি স্বাক্ষৰিত হয়। ইয়াৰ পিচত ১৯৭২ চনৰে ২০ মে'ত সুন্দৰমন আয়োগৰ মধ্যস্থতাত আৰু দুখন অন্তৰ্বৰ্তীকালীন চুক্তি স্বাক্ষৰিত হয়।

অৱশ্যে এই অন্তৰ্বৰ্তীকালীন চুক্তিকেইখনে টীয়ক নৈৰ পৰা দৈয়াং নদীপৰ্যন্ত সীমান্ত অঞ্চল সামৰি লয়। কিন্তু ডিফু, দক্ষিণ নামবৰ আৰু ৰেংমা বনাঞ্চল এই চুক্তিৰ পৰিসীমাৰ ভিতৰলৈ অহা নাছিল।

ইয়াৰ প্ৰধান কাৰণ আছিল সেই সময়লৈকে এই তিনি বনাঞ্চলত তুলনামূলকভাৱে বিশেষ বিবাদ হোৱা নাছিল। কিন্তু অন্তৰ্বৰ্তীকালীন চুক্তিকেইখন কৰাৰ পিচত টীয়ক নৈৰ পৰা দৈয়াং নদীলৈকে সীমা বিবাদ শান্ত হয়; কিন্তু সীমা বিবাদ আৰম্ভ হয় ডিফু, দক্ষিণ নামবৰ আৰু ৰেংমা বনাঞ্চলত আৰু আজিও সেই আগ্ৰাসন চলিয়েই আছে আৰু কেউটা অঞ্চলতে সীমা বিবাদ সবাতোকৈ শোচনীয়।

সুন্দৰমন আয়োগক নাগালেণ্ড চৰকাৰৰ তৰফৰ পৰা দিয়া স্মাৰকপত্ৰত মুঠ ৪,৯৭৪.১৬ বৰ্গমাইল অসমৰ মাটি তেওঁলোকৰ বুলি দাবী তোলে। কিন্তু তেওঁলোকৰ এই দাবীৰ সমৰ্থনত কোনো শক্তিশালী যুক্তি প্ৰদৰ্শন কৰিব নোৱাৰিলে নাইবা ঐতিহাসিক সমলবিলাকো এইক্ষেত্ৰত পৰ্যাপ্ত নহ'ল। যাৰ ক্ষেত্ৰত সুন্দৰমন আয়োগৰ চূড়ান্ত প্ৰতিবেদনত নাগালেণ্ডৰ প্ৰায়বোৰ দাবীয়েই অগ্ৰাহ্য কৰা হ'ল।

সুন্দৰমন আয়োগৰ মতে উত্তৰ কাছাৰ বা বৰ্তমানৰ ডিমা হাছাও

ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ পৰা সমৰ্থন উঠাই লোৱা বিজেপিক দায়িত্বজ্ঞানহীন আৰু বিশ্বাসঘাতক দল হিচাপে সমালোচনা কৰে।

২৫ অক্টোবৰ ঃ পাঠশালাৰ ছাগালচাৰী গাঁৱৰ ২২ দিনৰ পূৰ্বে অপহৃত যুৱক যতীন তালুকদাৰ আৰু ৰমেশ কলিতাৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

১ নৱেম্বৰ ঃ অসম জাতীয়তাবাদী দলে আগন্তুক পঞ্চায়ত, বিধানসভা আৰু লোকসভা নিৰ্বাচনত সম্পূৰ্ণ নিজাববীয়াকৈ প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লয়।

৬ নৱেম্বৰ ঃ কাৰ্বি আংলঙৰ ইউনাইটেড পিপল্‌ছ কনফাৰেঞ্চে (ইউ পি চি) অসম গণ পৰিষদৰ সৈতে ৰাজনৈতিক সম্পৰ্ক ছেদ কৰে।

৭ নৱেম্বৰ ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক ৰাজ্যসভালৈ নিৰ্বাচিত হোৱা বুলি ৰায়দান দিয়ে।

৮ নৱেম্বৰ ঃ 'ৰ' অৰ্থাৎ 'ৰিছাৰ্চ এণ্ড এনালাইছিছ উইং' নামৰ কেন্দ্ৰীয় সংস্থাটোৱে ৰাজ্য চৰকাৰক নজনোৱাকৈ উজনি অসমৰ 'ডুমডুমা ইণ্ডিয়া লিমিটেড' নামৰ চাহ কোম্পানীৰ অনা-অসমীয়া বিষয়াসকলক বিশেষ হেলিকপ্টাৰেৰে কলিকতালৈ লৈ যায়। উল্লেখযোগ্য যে এই কোম্পানীসমূহে কিছুদিন আগেয়ে অসমত থকা অনা-অসমীয়া কৰ্মচাৰীসকলক 'আলফা'ই কৰা অত্যাচাৰৰ বাবে নিৰাপত্তা দিবলৈ কেন্দ্ৰীয় চৰকাৰক আৱেদন জনায়।

১০ নৱেম্বৰ ঃ চন্দ্ৰশেখৰে ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে আৰু দেৱীলালে উপ-প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। জনতা দল (এছ)ৰ নেতা চন্দ্ৰশেখৰে ভাৰতৰ অষ্টম প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। তেওঁক কংগ্ৰেছ (ই), এ আই এ ডি এম কে, বহুজন সমাজ পাৰ্টী, মুছলিম লীগ, নেচনেল কনফাৰেঞ্চ, কেৰালা কংগ্ৰেছ, আকালি দলৰ উপৰি কেইজনমান নিৰ্দলীয় সদস্যই সমৰ্থন জনায়।

১১ নৱেম্বৰ ঃ আলফাৰ কাৰ্যকলাপৰ বিৰুদ্ধে অসম সংযুক্ত সংৰক্ষণ আন্দোলন পৰিষদে (আৰ্মকা) 'যুদ্ধ' ঘোষণা কৰে।

১৫ নৱেম্বৰ ঃ গুৱাহাটীৰ গণেশগুৰিৰ

জিলাখনত যিহেতু নগাসকলৰ বসবাস আছে, তাক নাগালেণ্ডলৈ এৰি দিব লাগে আৰু তাৰ বাহিৰে প্ৰায়বোৰ দাবীয়েই এই আয়োগে অগ্ৰাহ্য কৰে।

অসম-নাগালেণ্ড সীমান্তত যিবোৰ অঞ্চল নাগালেণ্ডে ঐতিহাসিক দৃষ্টিকোণৰ পৰা তেওঁলোকৰ বুলি যুক্তি প্ৰদৰ্শন কৰি আহিছিল ঐতিহাসিক তথ্যই সেই যুক্তিক সমৰ্থন কৰা নাছিল। যাৰ ফলত নগাসকলৰ দাবী মানি নল'লে সুন্দৰমন আয়োগে।

অসম চৰকাৰে সুন্দৰমন আয়োগৰ প্ৰতিবেদনক আদৰণি জনায়, কিন্তু নাগালেণ্ডে ইয়াক সম্পূৰ্ণ একপক্ষীয় বুলি অগ্ৰাহ্য কৰে। ফলত সুন্দৰমন আয়োগে অসম-নাগালেণ্ড সীমা বিবাদৰ এক সমাধানসূত্ৰ বিচাৰি উলিওৱাত ব্যৰ্থ হ'ল।

সুন্দৰমন আয়োগৰ মধ্যস্থতাত হোৱা অন্তৰ্বৰ্তীকালীন চুক্তিকেইখনে টীয়ক নৈৰ পৰা দৈয়াং নৈলৈকে সীমাখিনি বিবদমান হিচাপে মানি লয় আৰু তাৰ ফলত অসম চৰকাৰ বান্ধ খাই যায়। ইয়াৰ ফলত যিসকল অসমীয়া লোকে তাত বাস কৰি আছিল সেইসকল উচ্ছেদিত হ'ব লগাত পৰে।

১৯৭৯ চনৰ ৫ জানুৱাৰীত নগাই সীমান্তত এক বৃহৎ আক্ৰমণ কৰে। এই আক্ৰমণত ৫০ৰো অধিক লোকৰ মৃত্যু হয়। চুঙাজান, উৰিয়ামঘাট আদিত হোৱা সংঘৰ্ষৰ আগতীয়া খবৰ অসম চৰকাৰে পাইছিল যদিও নিৰাপত্তাৰ ব্যৱস্থা নকৰিলে। সেই সময়ৰ মুখ্যমন্ত্ৰী গোলাপ বৰবৰাই তাৰ মাথোঁ দুদিন আগতে নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ লগত সীমা সম্পৰ্কীয় এক বৈঠকত মিলিত হৈছিল। তথাপি চুঙাজানৰ সংঘৰ্ষ এৰাই চলিব পৰা নগ'ল আৰু পৰৱৰ্তী পৰ্যায়ত গোলাপ বৰবৰাক বিধায়কসকলে এই কাৰণে জবাবদিহি কৰিছিল।

চুঙাজানৰ হত্যালীলাৰ পিচত ২৮ জানুৱাৰীত অসম আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী দুগৱাকীৰ মাজত হোৱা এক বৈঠকত সিদ্ধান্ত লোৱা হয় এনে

দৈনিক বজাৰত সন্ধিয়া প্ৰায় ৬.৩৫ বজাত বড়ো উগ্ৰপন্থীৰ দ্বাৰা এটা শক্তিশালী বোমা বিস্ফোৰণ। আবেলিৰ জনসমাগমৰ মাজতে বিস্ফোৰিত বোমাৰ দ্বাৰা ৬জন লোকৰ থিতাতে মৃত্যু। প্ৰায় ৬০জন আহত। ইয়াৰে প্ৰায় ১৭জন গুৰুতৰভাৱে আহত। নিহতসকলৰ ভিতৰত মহিলাও আছে।

● প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰে ৰাজ্যখনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰসংগত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনক নতুন দিল্লীলৈ আমন্ত্ৰণ কৰে।

১৬ নৱেম্বৰ : অসমৰ ৰাজ্য চৰকাৰে চাহ কোম্পানীৰ অনা-অসমীয়া বিষয়াসকলক কঠোৰ নিৰাপত্তা দিয়াৰ আশ্বাস দিয়ে।

১৮ নৱেম্বৰ : দলীয় সংঘৰ্ষৰ পৰিণতিত হাইলাকান্দিত সৈন্য মোতায়েন। হাইলাকান্দিত এখন গৰুগাড়ীয়ে এজন লোকক খুন্দা মৰাৰ পিচত দলীয় সংঘৰ্ষৰ সূত্ৰপাত হয়। হাইলাকান্দিৰ উপকণ্ঠ অঞ্চলসমূহত অগ্নিসংযোগ আৰু লুটপাত আদি হিংসাত্মক ঘটনা ঘটে। এই ঘটনাসমূহত মুঠ ৭জন লোক নিহত হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত চৰকাৰে অনিৰ্দিষ্ট কাললৈ সান্ধ্য আইন প্ৰৱৰ্তন কৰে আৰু অসামৰিক কৰ্তৃপক্ষক সহায় কৰিবলৈ সৈন্যবাহিনী তলব কৰে।

২০ নৱেম্বৰ : অসমৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই গুৱাহাটীত হোৱা এক সংবাদমেলত অসমত নিৰ্ধাৰিত সময়মতে নিৰ্বাচন পতাৰ ক্ষেত্ৰত কংগ্ৰেছ (ই) দলে পোনপটীয়াকৈ বাধা দিয়াৰ কথা স্পষ্টভাৱে কয় আৰু নিৰ্বাচন নাইবা ৰাষ্ট্ৰপতি শাসন— এই দুয়োটা পৰিস্থিতিৰে মুখামুখি হ'বৰ বাবে অসম গণ পৰিষদ চৰকাৰ সাজু বুলি মন্তব্য কৰে।

● হাইলাকান্দিৰ পৰা ২৫ কিলোমিটাৰ আঁতৰত থকা পাঁচগ্ৰামত অগ্নিসংযোগ আৰু লুণ্ঠনৰ লগত লিপ্ত থকা কিছু জনতাৰ ওপৰত পুলিচে গুলীচালনা কৰাত সাতজন লোক আহত হয়।

২৭ নৱেম্বৰ : কেন্দ্ৰীয় চৰকাৰক বিশেষজ্ঞ সমিতি গঠনৰ হেঁচা এবছু-বি পি এ চিৰ।

২৮ নৱেম্বৰ : কেন্দ্ৰই অসমক ৰাষ্ট্ৰপতিৰ শাসনাধীন কৰি ৰাজ্যখনক

ধৰণে— 'It was agreed that the searches and arrest of Naga habitation would be made in the presence of magistrate and civil police officials of both the states.'

ইয়াৰ পিচত ১৯৭৯ চনৰ ১১ এপ্রিলত নতুন দিল্লীত নাগালেণ্ডৰ মুখ্যমন্ত্রীৰ লগত হোৱা বৈঠকত সিদ্ধান্ত লোৱা হয়—

'No new settlements should be allowed in this areas nor should any new encrochment be permitted. Even in the matter of resettling people who may have fled from the area out of fear or panic they should not be settled in new location and only the old settlement should use this purpose.'

আনহাতে ১৯৮১ চনৰ ২৮ জুনত অসমৰ মুখ্যমন্ত্রী চৈয়দা আনোৱাৰা টাইমুৰৰ শাসন কালত দুয়ো ৰাজ্যৰ মাজত অনুষ্ঠিত বৈঠকত নাগালেণ্ড চৰকাৰে ধৰ্ম আৰু শিক্ষাৰ দোহাই দি গিৰ্জা আৰু বিদ্যালয় নিৰ্মাণৰ বাবে অসম চৰকাৰক প্ৰস্তাৱ দিয়ে আৰু অসম চৰকাৰে তাক মানি লয়।

পৰৱৰ্তী পৰ্যায়ত স্কুল আৰু গিৰ্জাৰ লগে লগে অসংখ্য স্থায়ী-অস্থায়ী ঘৰো নিৰ্মাণ হ'বলৈ ধৰে। অসম আন্দোলনৰ সময়ছোৱাত সীমা বিবাদক লৈ কোনো চৰকাৰে গুৰুত্ব প্ৰদান নকৰিলে আৰু সেইখিনি সময়তে নগাসকলে বিবদমান এলেকাবোৰত অধিক খোপনি পুতিবলৈ আৰম্ভ কৰে।

সেই সময়কণৰ সুবিধা লৈ নাগালেণ্ড চৰকাৰে বিবদমান অঞ্চলবিলাকত গিৰ্জা আৰু স্কুলঘৰৰ উপৰি পানী যোগান আঁচনি, চিকিৎসালয়, আলিবাট, দলং আদি নিৰ্মাণ কৰে। সেইখিনি সময়ত অসম চৰকাৰ নিশ্চুপ হৈ বহি থাকে। লাহে লাহে অসম চৰকাৰে নিজৰ শাসন এই অঞ্চলবোৰত হেৰুৱাবলৈ ধৰে। এক কথাত ১৯৭৭ চনৰ পৰা অসমত আৰম্ভ হোৱা ৰাজনৈতিক অস্থিৰতাই নাগালেণ্ডক সহায় কৰে আৰু তাৰ ফলত বিশাল অঞ্চল নাগালেণ্ডৰ অধীনলৈ গুচি যায়।

অশান্ত অঞ্চল হিচাপে ঘোষণা কৰে। লগে লগে উজনি অসমত সৈন্যবাহিনীয়ে আলফাৰ ৬টা ঘাটী ভাঙি ৪০জন আলফা সদস্যক কৰায়ত্ত কৰে। এই ব্যৱস্থাৰ অধীনত অসমৰ সংযুক্ত মুক্তি বাহিনী (আলফা) আৰু নাগালেণ্ডৰ নেচনেল ছচিয়েলিষ্ট কাউঞ্চিলক (এন এছ চি এন) বে-আইনী বুলি ঘোষণা কৰে। সংবিধানৰ ৩৫৬ অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিৰ এটা ঘোষণাৰ জৰিয়তে ৰাজ্যখনত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰা হয়। অসমৰ ৰাজ্যপাল দেৱীদাস ঠাকুৰে ২৬ নৱেম্বৰত অসমৰ আইন-শৃংখলাৰ পৰিস্থিতি, বিশেষকৈ আলফাই ৰাজ্যখনত চলোৱা হিংসাত্মক কাৰ্যকলাপ আদি সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত এখন প্ৰতিবেদন দাখিল কৰে আৰু ২৮ নৱেম্বৰত ৰাজনৈতিক পৰিক্ৰমাৰ কেন্দ্ৰীয় কমিটীয়ে এই প্ৰতিবেদন সন্দৰ্ভত আলোচনা কৰি ৰাষ্ট্ৰপতি শাসনৰ সিদ্ধান্ত লয়। কেন্দ্ৰই লোৱা এই সিদ্ধান্তক কংগ্ৰেছ (ই) আৰু ভাৰতীয় জনতা পাৰ্টীয়ে সমৰ্থন জনোৱাৰ বিপৰীতে ৰাষ্ট্ৰীয় মৰ্চাৰ অংশীদাৰী দল আৰু কমিউনিষ্ট দলে এই সিদ্ধান্তক কঠোৰভাৱে সমালোচনা কৰে।

২৯ নৱেম্বৰ ঃ এবছু-বি পি এ চিয়ে দিল্লীত নতুন প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰক নিজ বাসভৱনত সাক্ষাৎ কৰি বিশেষজ্ঞ সমিতি গঠন আৰু অসমত বড়োলেণ্ড সমস্যা সমাধান নোহোৱালৈকে সাধাৰণ নিৰ্বাচন বন্ধ কৰিবলৈ আবেদন।

- সেনাবাহিনীৰ ইষ্টাৰ্ন কমাণ্ডৰ লেঃ জেনেৰেল কে এছ ব্ৰাৰে অসমত আলফাৰ বিৰুদ্ধে চলোৱা অভিযানক 'অপাৰেচন বজৰং' নামেৰে নামকৰণ কৰাৰ কথা জনায়।

- প্ৰধানমন্ত্ৰী চন্দ্ৰশেখৰে ব্ৰিটিছব্ৰডকাষ্টিং কৰ্প'ৰেচনক দিয়া এটা সুকীয়া সাক্ষাৎকাৰত কংগ্ৰেছৰ হেঁচাত অসমত ৰাষ্ট্ৰপতিৰ শাসন জাপি দিয়া বুলি উঠা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন আখ্যা দি ৰাষ্ট্ৰপতি শাসনৰ সম্পূৰ্ণ দায়িত্ব নিজে লয়।

৩০ নৱেম্বৰ ঃ অসমত ৰাষ্ট্ৰপতি শাসন জাপি দি গণতান্ত্ৰিক প্ৰক্ৰিয়া বন্ধ কৰা আৰু উগ্ৰপন্থী ধৰাৰ নামত নিৰীহ লোকক অত্যাচাৰ কৰাৰ প্ৰতিবাদত অসম গণ পৰিষদ দল আৰু সদৌ

১৯৮৩ চনত হিতেশ্বৰ শইকীয়া মুখ্যমন্ত্ৰী হ'ল হয়, কিন্তু সীমা সমস্যাৰ প্ৰতি তেওঁৰ চৰকাৰৰো দৃষ্টি নগ'ল। সেই সুযোগ লৈ নগাসকল আৰু আগবাঢ়ি থাকিল।

১৯৮৪ চনত অসম চৰকাৰে নাগালেণ্ড চৰকাৰক অসমৰ মাটিৰ ওপৰত সাতটা ভোটকেন্দ্ৰ স্থাপন কৰিবলৈ অনুমতি দিয়ে যদিও নাগালেণ্ডে দুটা অধিক ভোটকেন্দ্ৰ স্থাপন কৰে। তাৰ পিচত আহে মেৰাপানী।

১৯৮৫ চনৰ ৪ জুনৰ পৰা আৰম্ভ হোৱা এই সীমা সংঘৰ্ষ ভাৰতবৰ্ষৰ বুৰঞ্জীৰ সবাতোকৈ জঘন্য ঘটনা হিচাপে পৰিগণিত হৈ আহিছে। দুখন ৰাজ্যৰ পুলিচ বাহিনীৰ মাজত হোৱা এই ভয়াৱহ সংঘৰ্ষত ৪১জন লোকৰ মৃত্যু হয়। তাৰে ২৮জন অসম পুলিচৰ লোক।

দৰাচলতে সীমা সংঘৰ্ষ চুটুৰীয়াকৈ ১ জুনৰ পৰাই আৰম্ভ হৈছিল। নগা দুষ্কৃতিকাৰীসকলে ভেলেউগুৰি, মধুপুৰ, দয়ালপুৰ আৰু জয়াপুৰ গাঁৱত ভাবুকি দি আহিছিল। এই আটাইকেইখন গাঁও মেৰাপানী পুলিচ থানাৰ অন্তৰ্গত।

কিন্তু কোনেও ভবা নাছিল যে মেৰাপানীত নিৰ্মাণৰত এখন গে'টৰ কাৰণে চুটুৰীয়াকৈ আৰম্ভ হোৱা এক পৰিস্থিতি বুৰঞ্জীত স্থান পাবলগীয়া দুখন ৰাজ্যৰ সংঘৰ্ষলৈ ৰূপান্তৰিত হ'ব। কিন্তু দৰাচলতে সেয়ে হ'ল।

মূল আক্ৰমণ মেৰাপানী থানাৰ পৰা আৰম্ভ হয় ৩ জুনৰ নিশা। নগা দুষ্কৃতিকাৰীয়ে গুলীবৰ্ষণ কৰি গাঁওবোৰ আক্ৰমণ কৰে আৰু প্ৰায়বোৰ গাঁও জ্বলাই দিয়ে। নগাসকলৰ দাবী হ'ল— এই অসমীয়া গাঁওবোৰ নাগালেণ্ডৰ সীমাৰ ভিতৰত ভূমি অধিগ্ৰহণ কৰি বহিছিল। আনহাতে অসমৰ দাবী যে এই গাঁওবোৰতো বাদেই, বৰঞ্চ ৬-৭ কিলোমিটাৰ আগলৈ থকা অসমৰ মাটি নাগালেণ্ডে দখল কৰি লৈছিল।

৪ জুনৰ দিনা আক্ৰমণ তীব্ৰ হৈ পৰে আৰু নগাসকলে মেৰাপানী থানা আক্ৰমণ কৰাৰ লগে লগে সংঘৰ্ষ নাগালেণ্ড পুলিচ আৰু অসম পুলিচৰ

অসম ছাত্ৰ সন্থাই 'অসম বন্ধ' কাৰ্যসূচী পালন কৰে।

● সৈন্যবাহিনীয়ে উজনি অসমৰ ডিগবৈৰ ওচৰৰ লক্ষীপথাৰ সংৰক্ষিত বনাঞ্চলৰ আলফাৰ গোপন ঘাটীত 'অপাৰেচন বজৰং' অভিযান অব্যাহত ৰাখি ১১৩জন আলফা সদস্য কৰায়ত্ত কৰে আৰু এজন উগ্ৰপন্থী নিহত হয়।

৩ ডিচেম্বৰ ঃ লক্ষীপথাৰত আলফা আৰু সেনাবাহিনীৰ সংঘৰ্ষ অব্যাহত থাকে আৰু দুগৰাকী যুৱতীসহ ২২৬জন আলফা সদস্যক আটক কৰে।

৪ ডিচেম্বৰ ঃ অসম পুলিচত 'আই জি অপাৰেচন' নাম দি এটা নতুন পদবী খোলে আৰু ই এন মোহনক আই জি পি অপাৰেচন হিচাপে নিযুক্তি দিয়ে।

● উজনি অসমৰ বিভিন্ন ঠাইত সেনাবাহিনীৰ 'অপাৰেচন বজৰং' অব্যাহত ঃ সেনাবাহিনীয়ে 'অপাৰেচন বজৰঙ'ৰ প্ৰথম পৰ্যায়ত আলফাৰ প্ৰধান ঘাটী হিচাপে উজনি অসমৰ লক্ষীপথাৰ বনাঞ্চলক সন্দেহ কৰি এই বনাঞ্চলকে ধৰি ওচৰৰ ২৫খন গাঁও নিৰাপত্তা বাহিনীয়ে ঘেৰি ৰাখে। এই অভিযানত সেনাবাহিনীয়ে অঞ্চলটোৰ ভালেমান গাঁৱত গাভৰু ছোৱালী তথা মহিলাক অত্যাচাৰ কৰাৰ অভিযোগ উঠে। সেনাবাহিনীৰ গাড়ীসমূহে গাঁওবাসীৰ শস্যৰ বিস্তৰ ক্ষতিসাধন কৰে আৰু সেনাবাহিনীৰ অত্যাচাৰত গাঁওবাসীয়ে গাঁও এৰি ডিগবৈৰ কেন্দ্ৰীয় বিদ্যালয়ৰ শৰণাৰ্থী শিবিৰলৈ ঢাপলি মেলে। ৪ ডিচেম্বৰৰ দিনা সেনাবাহিনীয়ে আলফাৰ এই ঘাটীসমূহৰ পৰা ১৫টা মৃতদেহ উদ্ধাৰ কৰে আৰু লগতে বিভিন্ন আপত্তিজনক নথিপত্ৰ সংগ্ৰহ কৰে। ৭ ডিচেম্বৰত লখিমপুৰ জিলাৰ সুতাৰগাঁৱত এগৰাকী কলেজীয়া ছাত্ৰীক নিৰাপত্তা বাহিনীৰ লোকে বলাৎকাৰ কৰে। সেনাবাহিনীয়ে এই অভিযান দুলীয়াজান, ৰহমৰীয়া, গহপুৰ, লখিমপুৰ আদি বিভিন্ন অঞ্চলত ক্ষিপ্ৰতৰ কৰি তোলে আৰু ৯ অক্টোবৰপৰ্যন্ত মুঠ ৫৩১জন আলফা সদস্য কৰায়ত্ত কৰে। আলফাৰ এই গোপন ঘাটীসমূহৰ পৰা সেনাবাহিনীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ৰাজ্য চৰকাৰক উজনি অসমৰ পৰা উজনি ম্যানমাৰলৈ (ব্ৰহ্মদেশ) আলফাই ব্যৱহাৰ কৰি থকা গোপন পথ বন্ধ কৰাৰ এক লিখিত পৰামৰ্শ উদ্ধাৰ কৰি

মাজত কেন্দ্ৰীভূত হৈ পৰে। প্ৰচণ্ড গুলীয়াগুলিত অসম পুলিচৰ ২৮ জোৱান ৪ আৰু ৫ জুনৰ সংঘৰ্ষত নিহত হয়। প্ৰায় ২,৫০০ ভয়াৰ্ত অসমীয়া গঞাই সেইদিনাই প্ৰাণৰ ভয়ত মেৰাপানী এৰি গোলাঘাটৰ পিনে আহে। প্ৰায়বোৰেই গৰঙা, বালিজান আৰু চাকৌধৰা গাঁৱত প্ৰথমে আশ্ৰয় লয় যদিও গোলাঘাট শৰণাৰ্থীৰে ভৰি পৰে।

নগাসকলৰ খং উঠাৰ মূল কাৰণ আছিল— তেওঁলোকৰ মতে অসমে অন্তৰ্বৰ্তীকালীন চুক্তি ভংগ কৰি বিবদমান স্থানত প্ৰায় ২০টামান আৰক্ষী চকী স্থাপন কৰিছিল আৰু অসম আৰক্ষীয়ে নগাসকলৰ ওপৰত ২৮ মে'ৰ দিনা অপ্ৰৰোচিতভাৱে গুলীবৰ্ষণ কৰিছিল।

কাকতালীয়ভাৱে মেৰাপানীৰ ঘটনা সংঘটিত হোৱা সময়তেই পূৰ্বনিৰ্ধাৰিত কাৰ্যসূচী হিচাপে অসম আৰু নাগালেণ্ডৰ মাজত সীমা সম্পৰ্কে বিষয়া পৰ্যায়ৰ আলোচনা গুৱাহাটীত চলি আছিল।

১৯৭৯ চনৰ ৫ জানুৱাৰীত সংঘটিত চুঙাজানৰ সীমা সংঘৰ্ষৰ পিচতে এইটোৱেই সৰ্ববৃহৎ ঘটনা। সেইবাৰৰ সংঘৰ্ষত ৫০জন লোকৰ মৃত্যু হৈছিল।

কিন্তু এইবাৰ মেৰাপানীত আছিল দুটা পুলিচ বাহিনীৰ সংঘৰ্ষ আৰু দুয়ো পক্ষৰে হাতত আছিল মাৰণাস্ত্ৰ। যাৰ কাৰণে সমগ্ৰ মেৰাপানী অঞ্চলেই হৈ পৰিছিল বিভীষিকাময়। নগা পুলিচে লাইট মেচিনগান, মৰ্টাৰ আৰু টেলিস্কোপিক ৰাইফল ব্যৱহাৰ কৰিছিল। সেই অনুপাতে অসম পুলিচৰ হাতত আছিল .৩০৩ ৰাইফল আৰু তাৰে অধিককৈ গুলীৰ অভাৱ। নগাই প্ৰথমতে মেৰাপানী থানাখন জ্বলাই দিয়ে আৰু ভেলেউগুৰি আৰক্ষী চকী দখল কৰে।

ঘটনা বাঢ়ি যোৱাৰ আশংকাত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ নিৰ্দেশত অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু নাগালেণ্ডৰ মুখ্যমন্ত্ৰী এছ চি জমিৰৰ মাজত জুনৰ ৬ তাৰিখে ডিমাপুৰত এখন জৰুৰী সভা অনুষ্ঠিত হয়।

ৰাজ্যৰ ৰাজনীতিত এক চাঞ্চল্যকৰ পৰিৱেশ সৃষ্টি কৰে। আনহাতে প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই এই গোপন নিৰ্দেশনা পোৱাৰ কথা অস্বীকাৰ কৰে।

৫ ডিচেম্বৰ : ৰাষ্ট্ৰপতিৰ শাসনৰ প্ৰতিবাদত গুৱাহাটীত সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে অসম আন্দোলনৰ সহযোগী সংগঠনসমূহৰ মাজত এখন সভা অনুষ্ঠিত হয়। এই সভাই ৰাজ্যিক ভিত্তিত সদৌ অসম উকীল সন্থাৰ সহযোগত অধিবক্তা বিজন মহাজনক আহ্বায়ক হিচাপে লৈ এটা আইন সাহায্য সমিতি গঠন কৰে। এই সভাই অসম আন্দোলনৰ সহযোগী সংগঠনসমূহক লৈ এখন সমন্বয়ৰক্ষী সমিতি গঠন কৰাৰ সিদ্ধান্ত লয় আৰু সদৌ অসম ছাত্ৰ সন্থা, খনীন্দ্ৰ চন্দ্ৰ দাস, ৰাজীৱ ভট্টাচাৰ্য, বিজন মহাজন আদি সদস্যৰে এখন প্ৰস্তুতি সমিতি গঠন কৰে।

৭ ডিচেম্বৰ : আলফাই এখন স্মাৰকপত্ৰৰ দ্বাৰা অসমক 'ভাৰতীয় বাহিনী'ৰ পৰা মুক্ত কৰাৰ বাবে ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপ কামনা কৰে।

৮ ডিচেম্বৰ : আছুৰ গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাই অসমৰ জনসাধাৰণৰ লগতে ভাৰতৰ আন ৰাজ্যৰ জনসাধাৰণৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিব পৰাকৈ ভাৰতীয় সংবিধানৰ গাঁথনিৰ পৰিৱৰ্তন কৰি প্ৰকৃত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰৱৰ্তনৰ দাবী কৰে।

১২ ডিচেম্বৰ : ৰাজ্যখনত ৰাষ্ট্ৰপতি শাসনৰ কালছোৱাত সেনাবাহিনীয়ে 'অপাৰেচন বজৰং' চলোৱা অঞ্চলসমূহত সেনাবাহিনীৰ লগত দণ্ডাধীশ যাবৰ বাবে ৰাজ্যপাল দেৱীদাস ঠাকুৰে নিৰ্দেশ দিয়ে।

১৭ ডিচেম্বৰ : শোণিতপুৰ জিলাৰ চেঙাহি গাঁৱত তিনিগৰাকী বড়ো মহিলাক সেনাৰ দ্বাৰা বলাৎকাৰ।

১৮ ডিচেম্বৰ : সংযুক্ত সংখ্যালঘু মৰ্চাৰ গোলাম ওচমানি আৰু আব্দুল জব্বৰৰ দুয়োটা ফৈদ চামিল হৈ এটা ৰাজনৈতিক দল হিচাপে আত্মপ্ৰকাশ কৰে।

১৯ ডিচেম্বৰ : ৰাজনীতিবিদ নিবাৰণ বৰাই অসমত ৰাষ্ট্ৰপতিৰ শাসন আৰু সামৰিক বাহিনীৰ আতিশয্যৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত ৫ ডিচেম্বৰত

দুয়োজনে দুয়োপক্ষৰ সংঘৰ্ষপীড়িত ৰাইজক ধৈৰ্য ধৰিবৰ কাৰণে আহ্বান জনায় যদিও উত্তেজনাৰ শাম নাকাটিল। আলোচনাই ফল নিদিয়াত ৭ জুনত হিতেশ্বৰ শইকীয়া ইম্ফললৈ উৰা মাৰে আৰু তাত মণিপুৰৰ ৰাজ্যপাল কে ডি কৃষ্ণৰাওৰ মধ্যস্থতাত আন এলানি আলোচনা হয়। এইবাৰ নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ পৰা উপস্থিত থাকে এ কে এণ্টনী। এই সভাত ২৬ মে'ৰ আগলৈকে সীমান্তৰ যি পৰিস্থিতি আছিল তাক দুয়োপক্ষই মানি লোৱাৰ এক অন্তৰ্বৰ্তীকালীন চুক্তি হয়।

কিন্তু এই অন্তৰ্বৰ্তীকালীন চুক্তিক সহজে নল'লে অসমৰ একাংশ বুদ্ধিজীৱী আৰু বিষয়াই। তেওঁলোকৰ মতে ২৬ মে'ৰ আগলৈকে থকা পৰিস্থিতিক অসমে মানিব বুলি কৰা চুক্তিয়ে নাগালেণ্ডৰ ৮-৯ কিলোমিটাৰ আগ্ৰাসনক স্বীকৃতি প্ৰদান কৰিলে। এওঁলোকৰ মতে অসম চৰকাৰে সুন্দৰমন কমিটীৰ প্ৰতিবেদন থকা সত্ত্বেও নিজৰ ভূমি নাগালেণ্ডক এৰি দি নিজকে দুৰ্বল হিচাপে পৰিগণিত কৰিলে।

নাগালেণ্ডৰ এই আক্ৰমণত অসম পুলিচৰ এক দুখলগা প্ৰতিচ্ছবি ওলাই পৰিছিল। একাংশই যুঁজ কৰিবলৈ অধিক ৰচদ বিচৰাৰ বিপৰীতে দিছপুৰে কিন্তু বৰ বেছি আগ্ৰহ নেদেখুৱালে; যাৰ কাৰণে অসম চৰকাৰক দোষাৰোপো কৰা হ'ল।

নগাৰ মূল লক্ষ্য আছিল মেৰাপানী আৰক্ষী চকী। সেই সময়ত ভ্ৰমণৰত সাংবাদিকসকলৰ মতে মেৰাপানী বজাৰখন জ্বলাই দিয়া হৈছিল। তেওঁলোকৰ মতে তিনিখন ট্ৰাক আৰু লগতে ২৫জন পুলিচৰ মৃতদেহ মেৰাপানী থানাৰ ওচৰে-পাঁজৰে পৰি আছিল।

১০ জুনৰ পৰা উত্তেজনা লাহে লাহে শাম কাটিবলৈ ধৰে যদিও বেছিভাগ শৰণাৰ্থীয়ে শিবিৰ ত্যাগ কৰা নাছিল। সেইদিনাই মুখ্যমন্ত্ৰীদ্বয় হিতেশ্বৰ শইকীয়া আৰু এছ চি জমিৰে মেৰাপানী ভ্ৰমণ কৰে আৰু পৰিস্থিতিৰ দ্ৰুত গতিত উন্নতি হোৱা বুলি ঘোষণা কৰে।

এখন ৰিট আবেদন দাখিল কৰে।

● আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱা কেইজনমান জ্যেষ্ঠ নেতাৰ সৈতে ম্যানমাৰৰ 'কাচিন স্বাধীন সৈন্যবাহিনী'ৰ কাৰ্যালয়ত উপস্থিত হয়। ভাৰতৰ উত্তৰ-পূব অঞ্চল আৰু ম্যানমাৰৰ উত্তৰ-পশ্চিম অঞ্চল সামৰি যৌথ সংগ্ৰাম গঢ়ি তোলাৰ উদ্দেশ্যে ৰাজখোৱা, ইউ এন এল এফৰ আৰ কে মেমন আৰু এন এছ চি এনৰ এছ এছ খাপলাঙে 'ভাৰত-ব্ৰহ্ম বিদ্ৰোহী মৰ্চা' গঠন কৰে।

২৪ ডিচেম্বৰ ঃ উজনি অসমৰ পৰিস্থিতিৰ বুজ ল'বলৈ যোৱা সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গ ক্ৰমে অতুল বৰা, সমুজ্জ্বল ভট্টাচাৰ্য, সৰ্বানন্দ সোণোৱাল, জগদীশ ভূঞা, অনন্ত ফুকন আৰু হৰি বৰাক সেনাবাহিনীয়ে গ্ৰেপ্তাৰ কৰি সেনাৰ ছাউনীত জেৰা কৰে।

● আলফাৰ প্ৰচাৰ সচিব সিদ্ধাৰ্থ ফুকনে ভাৰতীয় সেনাবাহিনীয়ে অসমবাসীৰ ওপৰত কৰা অমানৱীয় অত্যাচাৰৰ সত্যতা ঢাকিবলৈ চেষ্টা কৰা ৰাজনীতিক আৰু বুদ্ধিজীৱীসকলক এক বিবৃতিৰ দ্বাৰা সতৰ্ক কৰি দিয়ে।

২৭ ডিচেম্বৰ ঃ দীনেশ গোস্বামীৰ নেতৃত্বত অগপৰ ৰাজ্যসভাৰ সাংসদকেইজনে ৰাষ্ট্ৰপতি শাসনৰ বিৰোধিতা কৰি সদন ত্যাগ কৰে।

● অগপ নেতাসকলে নতুন দিল্লীৰ ব'ট ক্লাবত ৰাষ্ট্ৰপতি শাসনৰ বিৰুদ্ধে ধৰ্ণা দিয়ে।

৩১ ডিচেম্বৰ ঃ এবছু-বি পি এ চিয়ে নতুন দিল্লীৰ ব'ট ক্লাবত গণ প্ৰতিবাদৰ কাৰ্যসূচী ঘোষণা কৰে।

কিন্তু নাগালেণ্ড চৰকাৰ আছিল সীমা সম্পৰ্কত নাচোৰবান্দা। অসম চৰকাৰে বিবদমান অঞ্চলবোৰত ভালেমান চকী আৰু তালাচী চকী স্থাপন কৰি ১৯৭২ চনৰ অন্তৰ্বৰ্তীকালীন সীমান্ত চুক্তিখন বাৰে বাৰে উলংঘা কৰিছে বাবেহে সীমা সংঘৰ্ষ হ'বলৈ পালে বুলি নাগালেণ্ডে অভিযোগ কৰিছিল।

নাগালেণ্ডৰ মতে অসমৰ ফালৰ পৰা চলোৱা এনে কাৰ্যকলাপে দুয়োখন প্ৰতিৱেশী ৰাজ্যৰ মাজত উত্তেজনা বৃদ্ধি কৰিলে আৰু তাৰে পৰিণতিত নাগালেণ্ড পুলিচ আৰু অসম পুলিচৰ মাজত মেৰাপানীত সংঘৰ্ষ হ'ল।

মুখ্যমন্ত্ৰী জমিৰে ১৩ জুনৰ দিনা সাংবাদিকসকলক ক'হিমাত জনায় যে নাগালেণ্ডে আহোমৰ দিনত স্পষ্টভাৱে প্ৰতিষ্ঠা কৰা ইয়াৰ পৰম্পৰাগত সীমাহে এতিয়াও মানে।

মুখ্যমন্ত্ৰী জমিৰৰ মতে ১৯৭২ চনৰ অন্তৰ্বৰ্তীকালীন চুক্তি উলংঘা কৰি অসমে বহুসংখ্যক নেপালী আৰু অন্য বাংলাদেশী মূলৰ ভগনীয়াক এই বিবদমান অঞ্চলত বাস কৰিবলৈ অনুমতি দিছে আৰু ইয়াৰ বাবেই সীমা বিবাদে জটিল ৰূপ ধাৰণ কৰিছে।

জমিৰে অভিযোগ কৰিলে যে অসম পুলিচৰ সমৰ্থনত এইসকল লোকে নগাসকলক কেৱল আমনি কৰাই নহয়, বৰঞ্চ নগাসকলৰ খেতিও অনিষ্ট কৰি আহিছে।

তেওঁ অভিযোগ কৰিলে যে ২৬ মে'ত অসম পুলিচে নাগালেণ্ডৰ সীমাৰ ১৩ কিলোমিটাৰ ভিতৰলৈ প্ৰৱেশ কৰি দুটাকৈ পুলিচ চকী স্থাপন কৰিছিল। তাত থকা নগাসকলক হাৰাশাস্তি কৰা দেখিহে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ নাগালেণ্ড চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলাইছিল।

ঘটি যোৱা সংঘৰ্ষৰ সময়ত তেওঁলোকে দখল কৰা অঞ্চলসমূহৰ পৰা নাগালেণ্ড পুলিচক অপসাৰণ কৰিবলৈ কিয় কোৱা হ'ল বুলি সোধাত

মুখ্যমন্ত্ৰীয়ে ক'লে যে নাগালেণ্ড পুলিচ এটা দখলদাৰী বাহিনী নহয় আৰু চূড়ান্ত মীমাংসা নোহোৱালৈকে নাগালেণ্ডে নিজৰ ফালৰ পৰা সদায় পূৰ্বৰ সকলো চুক্তি মানি ল'ব।

অসমে মেৰাপানী থানাখন ধ্বংস হৈ যোৱাত পিচত পাঁচ কিলোমিটাৰ নামনিত থকা গমাৰীগুৰিলৈ থানাখন নমাই আনিছিল আৰু সেইখিনি সময়ৰ আত্মসমৰ্পণমূলক মনোভাবক অসমৰ জনসাধাৰণে তীক্ষ্ণভাৱে সমালোচনা কৰিছিল।

১৮ জুনত দুয়ো ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰী এছ বি চৱনক সাক্ষাৎ কৰে। এই আলোচনাৰ সিদ্ধান্তমৰ্মে বিবদমান সীমান্ত অঞ্চলত অসম ৰাইফল্ছক পহৰা দিয়াৰ দায়িত্ব দিয়া হ'ল। তাৰ বাহিৰেও বি এছ এফকো নিয়োগ কৰিবলৈ সিদ্ধান্ত লোৱা হয়।

উল্লেখযোগ্য যে মেৰাপানীৰ সংঘৰ্ষ যিদিনাখন আৰম্ভ হৈছিল সেইদিনা ডিমাপুৰৰ কাষৰ চুমুকেডিমাত অসম আৰু নাগালেণ্ডৰ আয়ুক্ত পৰ্যায়ৰ আলোচনা আৰম্ভ হৈছিল। পিছদিনাখন অৰ্থাৎ ৪ জুনৰ দিনা আহি পাইছিল কেন্দ্ৰীয় পৰ্যবেক্ষক আৰু সেইদিনাই আবেলি ৫.১৫ বজাত আহিছিল সংঘৰ্ষৰ প্ৰথম খবৰটো।

এইলানি সংঘৰ্ষৰ মূল কাৰণ আছিল এয়ে যে মেৰাপানীত নাগালেণ্ডে এটা স্থায়ী তালাচী চকী বহুওৱাৰ যো-জা কৰিছিল আৰু তাত অসম চৰকাৰে আপত্তি দৰ্শাইছিল। ২০ এপ্ৰিলৰ দিনা নাগালেণ্ড চৰকাৰৰ হৈ ঠিকাদাৰে তালাচী চকীটো নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰে আৰু অসমৰ পুৱাৰাম কছাৰী নামৰ এজন লোকে তেওঁৰ মাটি দখল কৰি এই তালাচী চকী নিৰ্মাণ কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰিলে। মেৰাপানী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াজনে এই অভিযোগৰ ভিত্তিত ঠিকাদাৰজনক কাম বন্ধ কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু সেয়া নোহোৱাত নিৰ্মাণৰ সকলো সা-সঁজুলি আৰু সামগ্ৰী জব্দ কৰি থানালৈ লৈ অহা হয়। তাৰেই পোটক তোলা

হয় জুনৰ তিনি-চাৰি তাৰিখে।

দুয়োপক্ষৰ উচ্চপদস্থ বিষয়াৰ মধ্যস্থতাত সেইবাৰলৈ সংঘৰ্ষ এৰাই চলিব পৰা গ'লহেঁতেন যদিও বাস্তৱত সেয়া হৈ নুঠিল। সেইদিনা সন্ধিয়ালৈ অসম পুলিচে সামগ্ৰীখিনি ঘূৰাই নিদিয়াত উত্তেজিত নগা জনতাই মেৰাপানী থানা ঘেৰাও কৰিলে। উত্তেজনা ভিতৰি ভিতৰি বাঢ়ি গৈ থাকিল। তাৰেই সমিধান বিচাৰি ৩-৪ জুনত চুমুকেডিমাত দুয়ো ৰাজ্যৰ আয়ুক্ত পৰ্যায়ৰ বৈঠক বহিল।

কিন্তু আবেলি ৪.২০ বজাত সংঘৰ্ষ আৰম্ভ হৈ গ'ল। প্ৰথমতেই ভেলেউগুৰি, উত্তৰ মেৰাপানী আৰু নাম্ৰীবিল চকী আক্ৰমণ কৰি জ্বলাই দিয়া হ'ল। সংঘৰ্ষ সোনকালেই শিশুপানী আৰু দীঘলপানী সীমান্ত আৰক্ষী চকীলৈ সম্প্ৰসাৰিত হ'ল। মেৰাপানী থানাও জ্বলাই দিয়া হ'ল।

সংঘৰ্ষ সোনকালেই গুলীয়াগুলিলৈ ৰূপান্তৰিত হ'ল। ৫ জুনৰ গোটেই দিনটো গুলীয়াগুলি অব্যাহত থাকিল। ৬ জুনত দুয়োপক্ষৰ আয়ুক্ত পৰ্যায়ৰ এখন বৈঠকে গুলীয়াগুলি বন্ধ কৰাৰ চেষ্টা চলালে আৰু সফলো হ'ল।

কিন্তু হতাহতৰ সংখ্যা ভয়াৱহ হ'ল। ৯৬খন গাঁৱৰ ৭,৬০৭টা পৰিয়াল পোনপটীয়াকৈ ক্ষতিগ্ৰস্ত হ'ল। ১২খন স্কুল, ১৬টা মন্দিৰ, ৩টা মছজিদ, এটা গড়কাপ্তানীৰ জিৰণি ঘৰ, এটা ফৰেষ্ট বিট অফিচ, এটা দণ্ডাধীশৰ ঘৰ, এটা পশুপালন কেন্দ্ৰ, দুটা গাঁও পঞ্চায়তৰ কাৰ্যালয়, পাঁচটা সীমান্ত চকী, এটা ধানৰ মিল, এটা কেৰাচিন ডিপো, ২৩৮টা ঘৰ আৰু দোকান, এটা বেংক আৰু দুখন গড়কাপ্তানী দলং বেয়াকৈ ধ্বংস কৰা হ'ল। ৪৩৮৬টা গৰু মৰা হ'ল বা চুৰি কৰি লৈ যোৱা হ'ল। তিনিখন ট্ৰাক, এখন জীপ আৰু এখন পুলিচ ভান জ্বলাই দিয়া হ'ল।

মুঠ ২৮জন পুলিচ আৰু ১৩জন সাধাৰণ লোকৰ মৃত্যু হৈছিল। ইয়াৰ বাহিৰেও ৮৯জন পুলিচ আৰু ১২জন গৃহৰক্ষী আহত হৈছিল এই যুদ্ধখনত।

অৱশ্যে বেচৰকাৰী হিচাপ ইয়াতকৈ বহুগুণে বেছি। সংঘৰ্ষত আক্ৰান্ত

লোকসকলে গোলাঘাট জিলাৰ বিভিন্ন ঠাইত ৪৬টা শৰণাৰ্থী শিবিৰত আশ্ৰয় লৈছিল আৰু চৰকাৰী হিচাপ মতে সেই সংখ্যা আছিল ৩২,২২৯।

ৰজাপুখুৰীৰ সংঘৰ্ষ ঃ ৭ এপ্ৰিল, ১৯৮৯

মেৰাপানীৰ ঘটনাৰ ঠিক পাঁচ বছৰৰ পিচত সংঘটিত হ'ল সৰুপথাৰৰ কাষৰ ৰজাপুখুৰীত আন এক সংঘৰ্ষ। ধনশিৰি মহকুমাৰ ছেক্টৰ 'বি'ত আছে এই ৰজাপুখুৰী আৰু হকাই গাঁও।

এই গাঁওখনত আহি বসতি কৰিছিল কিছু আদিবাসী আৰু মুছলিম লোকে। এই গাঁৱৰ দাঁতিতে হকাই চেমা নামৰ এজন নগা লোকৰ ঘৰ। মুছলমান লোকসকলক গাঁৱৰ পৰা উলিয়াই দিবৰ বাবে তেওঁ চাৰি-পাঁচ বছৰমান ধৰি চেষ্টা চলাই আহিছিল আৰু বিষয়টোৱে ক্ৰমে এক গুৰুতৰ ৰূপ লৈছিল।

সেই উত্তেজনাৰেই বহিৰ্প্ৰকাশ ঘটিল ১৯৮৯ চনৰ ৭ এপ্ৰিলত। ৰাতি ৰজাপুখুৰীত আক্ৰমণ হ'ল। ঘৰ জ্বলোৱা গ'ল। মানুহ মৰা হ'ল। পিচদিনা অনগাসকলে হকাই গাঁৱৰ নগাসকলক আক্ৰমণ কৰিলে। ঘটনা আৰু ডাঙৰ হ'লহেঁতেন যদিহে ফাদাৰ মেথিউ চেনিকুজিয়ে সময় মতে ইয়াৰ মাজত সোমাই উত্তেজনা প্ৰশমিত নকৰিলেহেঁতেন।

চৰকাৰী হিচাপ মতে ২৫জন লোকক হত্যা, ১৫জনক আহত আৰু ১৭৮টা ঘৰ জ্বলাই দিয়া হৈছিল এইবাৰৰ সংঘৰ্ষত।

গাঁওবাসীৰ মতে অসম চৰকাৰে বিচৰা হ'লে এই হত্যালীলা বন্ধ কৰিব পাৰিলেহেঁতেন। কিন্তু কৰা নহ'ল। সীমাত থকা অৰ্ধসামৰিক বাহিনীৰ নিৰপেক্ষতা সম্পৰ্কেও যথেষ্ট প্ৰশ্ন তোলা হ'ল; কাৰণ তেওঁলোকে নগা গাঁওবাসীৰ পক্ষেহে থিয় দিছিলহি।

নগা আৰু অসমৰ সীমা সমস্যা সমাধানৰ পিনে আৰু আগ নাবাঢ়িল।

আশীৰ দশকত যি সংঘৰ্ষৰ সূত্ৰপাত হ'ল, সেয়া পৰৱৰ্তী দশককেইটাত বাঢ়িহে গ'ল।

বিবদমান অঞ্চলসমূহ

ৰিজাৰ্ভ	ছেক্টৰ	মুঠ গাঁও	নগা গাঁও	অনগা গাঁও
ডিফু	এ	৪৩	৩৮	৫
নামবৰ দক্ষিণ	বি	১৭৭	৫১	১২৬
ৰেংমা	চি	৮৪	৪	৮০
দৈয়াং	ডি	১৩৯	০	১৩৯

অসম-নাগালেণ্ড সীমান্তৰ বৃহৎ অঞ্চল নগাসকলে দাবী কৰে যদিও সমগ্ৰ অঞ্চলটো বিবদমান হিচাপে স্বীকৃতি দিয়া হোৱা নাই। বৰ্তমান বিবদমান অঞ্চল হিচাপে স্বীকৃত সীমান্তৰ বনাঞ্চলসমূহ ক্ৰমে এ বি ডি আৰু এফ ছেক্টৰত বিভক্ত কৰা হৈছে।

ইয়াৰে এ, বি, চি, ডি ছেক্টৰ হ'ল ক্ৰমে ডিফু, ৰেংমা, দক্ষিণ নামবৰ আৰু দৈয়াং বনাঞ্চল আৰু এই চাৰিটা ছেক্টৰত সীমান্তৰ নিৰাপত্তাৰ দায়িত্ব দিয়া হৈছে কেন্দ্ৰীয় নিৰপেক্ষ বাহিনীক।

আনহাতে দিচৈ, দিচৈভলী, তিৰু পাহাৰ, অভয়াপুৰী আৰু গেলেকী সংৰক্ষিত বনাঞ্চলক লৈ ক্ৰমে ই আৰু এফ ছেক্টৰ গঠিত। এই অঞ্চলত এ বি চি ডি ছেক্টৰতকৈ বিবাদ তুলনামূলকভাৱে কম আৰু ইয়াত অসম আৰক্ষীৰ লোকে নিৰাপত্তাৰ দিশসমূহ চোৱাচিতা কৰে।

'এ' ছেক্টৰ ঃ গোলাঘাট জিলা আৰু কাৰ্বি আংলং জিলাৰ কিছু অংশ লৈ গঠিত ডিফু সংৰক্ষিত বনাঞ্চলেই 'এ' ছেক্টৰ। ইয়াৰ মুঠ মাটিকালি ১৮,৩৬৫ হেক্টৰ। ইয়াত ৪৩ খন গাঁও বেদখলকাৰীয়ে প্ৰতিষ্ঠা কৰিছে।

তাৰে মাথোঁ ৫ খনহে অনগা গাঁও। মুঠ জনসংখ্যা ২২,৭৫০ আৰু তাৰে ৪,৭০০ জন অনগা আৰু এওঁলোক সন্দেহযুক্ত বাংলাদেশী নাগৰিক।

অধিকাংশ অঞ্চল নগাৰ দখলত থকা কাৰণে ইয়াত অসমৰ প্ৰশাসনিক কাম-কাজ নাই বুলিয়েই ক'ব পাৰি। ১৯৮৪ চন আৰু ১৯৮৭ চনত ইয়াত নাগালেণ্ডে ভোটকেন্দ্ৰ স্থাপন কৰাৰ পিচত ১৯৯১ চনৰ ২৮ নৱেম্বৰত নাগালেণ্ডে তাত কহুবতু নামৰ এটা মহকুমা স্থাপন কৰে।

পিচলৈ নগা সশস্ত্ৰ সংগঠন এন এছ চি এন (আই-এম)ৰ যুদ্ধবিৰতি হোৱাত মূল ডেজিগনেটেড কেম্পটো এই ছেক্টৰতে পতা হয়। সঁচা অৰ্থত 'এ' ছেক্টৰ সম্পূৰ্ণৰূপে নাগালেণ্ডৰ দখলত।

'বি' ছেক্টৰ ঃ দক্ষিণ নামবৰ বনাঞ্চলক সামৰি 'বি' ছেক্টৰৰ মুঠ মাটিকালি ২৭,০৫৭ হেক্টৰ। 'বি' ছেক্টৰৰ মুঠ গাঁৱৰ সংখ্যা ১৭৭। ইয়াৰে নগা গাঁও ৫১ আৰু অনগাৰ গাঁও ১২৬খন। মুঠ জনসংখ্যা ৭৪,৩৪৩ আৰু তাৰে নগা ২৩,৯২৩ আৰু অনগা জনসংখ্যা ৫০,২৪২। তুলনামূলকভাৱে 'এ' ছেক্টৰতকৈ 'বি' ছেক্টৰত অসম চৰকাৰৰ প্ৰশাসনিক কৰ্তৃত্ব অধিক। 'বি' ছেক্টৰত নিৰপেক্ষ বাহিনীৰ সাতটা সীমান্ত আৰক্ষী চকী আছে। সেইকেইটা হ'ল— ৰেংমাপানী, নখুঁটি, পাণজান, চেতিয়াগাঁও, ফামফা, মাজগাঁও আৰু ৰজাপুখুৰী।

নিৰপেক্ষ বাহিনীৰ এই চকীকেইটাৰ বাহিৰেও 'বি' ছেক্টৰত অসম পুলিচ বেটেলিয়নৰ পাঁচটা চকী আছে। সেইকেইটা হ'ল— চুঙাজান তিনিআলি, আমগুৰি, দগাঁও, ৰেংমাপানী, চুঙাজান এম ডি আৰু পাণজান।

এই ছেক্টৰ অৰ্থাৎ দক্ষিণ নামবৰ বনাঞ্চলতে নাগালেণ্ড চৰকাৰে ১৯৮৭ চনৰ ১০ ফেব্ৰুৱাৰীৰ দিনা নিউলেণ্ড নামৰ এটা মহকুমা স্থাপন কৰে।

এই ছেক্টৰতে তেল আৰু প্ৰাকৃতিক গেছ নিগমে খাৰুৱা তেলৰ সন্ধান পাইছে। মৰাঘাট, হালধিবাৰী, নিউ ৰজাপুখুৰী, গেলাজান, জানজুৰি,

নাচনিপাৰা আদি অঞ্চলত তেল আৰু গেছৰ সন্ধান পাইছে। অৱশ্যে নাগালেণ্ড চৰকাৰৰ লগত হোৱা সংঘাতৰ কাৰণে এতিয়ালৈকে তেল আৰু গেছ আহৰণ কৰিব পৰা হোৱা নাই।

'চি' ছেক্টৰ ঃ ৰেংমা সংৰক্ষিত বনাঞ্চলক লৈ 'চি' ছেক্টৰ গঠিত। এই বনাঞ্চলৰ মুঠ মাটিকালিৰ পৰিমাণ ১০,৯২১ হেক্টৰ। 'চি' চেক্টৰত মুঠ গাঁও ৮৪খন আৰু ইয়াৰ মাত্ৰ চাৰিখন নগা গাঁৱৰ বিপৰীতে আশীখন অনগা গাঁও। তেনেদৰে মুঠ জনসংখ্যা ৩৫,৮৯০ৰ মাত্ৰ ১,২৪৩জন নগা আৰু ৩৪,৬৪৭জন অনগা। সন্দেহযুক্ত বাংলাদেশী বেদখলকাৰীৰ হাতত ১১,৮০০ হেক্টৰ আৰু ইয়াৰে মাত্ৰ ২,০০০ হেক্টৰ মাটি নগা লোকৰ হাতত।

সামগ্ৰিকভাৱে অসম চৰকাৰৰ নিয়ন্ত্ৰণত থকা 'চি' ছেক্টৰত চাৰিটা নিৰপেক্ষ বাহিনীৰ সীমান্ত আৰক্ষী চকী আছে। সেইকেইটা হ'ল— উৰিয়ামঘাট, নপানী, চিলনীজান আৰু ঘোঁৰাঘাট। তদুপৰি নপানীত অসম পুলিচ বেটেলিয়নৰ এটা সীমান্ত আৰক্ষী চকী আছে। তেনেদৰে উৰিয়ামঘাটতো অসম পুলিচৰ এটা আৰক্ষী চকী আছে। এই ছেক্টৰৰে হালধিবাৰীত তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ এক খননস্থলীৰ পৰা তেল উদ্‌ঘাটন চলি আছে।

'ডি' ছেক্টৰ ঃ 'ডি' ছেক্টৰ গোলাঘাট মহকুমাত। দৈয়াং সংৰক্ষিত বনাঞ্চলেই বৰ্তমান এই 'ডি' ছেক্টৰ। 'ডি' ছেক্টৰৰ মুঠ মাটিকালি ২৪,৬৩৭ হেক্টৰ। অসমৰ বিভিন্ন স্থানৰ পৰা যাঠিৰ দশকত ভূমিহীন লোক আহি দৈয়াং বনাঞ্চলত অৰ্থাৎ 'ডি' ছেক্টৰত বাস কৰিবলৈ লয় আৰু ১৯৭৯ চনত জনতা চৰকাৰে দৈয়াং সংৰক্ষিত বনাঞ্চলক ৰাজহ অঞ্চললৈ ৰূপান্তৰিত কৰিবলৈ সিদ্ধান্ত লয়। ইতিমধ্যে বনাঞ্চলৰ মুঠ ২৪,৬৩৫ হেক্টৰ মাটিৰ ২৩,০০০ হেক্টৰ মাটি বেদখলকাৰীৰ কবলত আৰু ইয়াৰ ১,০০০ হেক্টৰ নগা আৰু ২২,০০০ হেক্টৰ অনগা লোকৰ দখলত। জনতা

চৰকাৰে ৰাজহ অঞ্চললৈ ৰূপান্তৰিত কৰাৰ বাবে লোৱা সিদ্ধান্ত ভাৰত চৰকাৰৰ অনুমোদন নোপোৱা কাৰণেই কাৰ্যকৰী কৰিব পৰা নগ'ল। এই ছেক্টৰত মুঠ ১১টা নিৰপেক্ষ বাহিনীৰ সীমান্ত আৰক্ষী চকী আছে। ১৯৮৫ চনৰ মেৰাপানী হত্যালীলাৰ পিচত স্থাপন কৰা এই সীমান্ত আৰক্ষী চকীকেইটা হ'ল— সৰুপানী, চন্দনপুৰ, মেৰাপানী, কানুজান, উদালি পথাৰ, চিউফাৰ্ম, নেঘেৰীবিল, ১নং তৰাণি, ৰতনপুৰ, কদমগুৰি আৰু বাৰঘৰীয়া।

পিচলৈ অসম চৰকাৰে আধামাইল বেল্ট খুলি নগাৰ বেদখল বন্ধ কৰিবলৈ চেষ্টা কৰিছিল যদিও এই ছেক্টৰৰ বহু অঞ্চল নগাৰ বেদখলৰ পৰা মুক্ত কৰিব পৰা নগ'ল। সম্প্ৰতি ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশমৰ্মে অসম-নাগালেণ্ডৰ সীমা বিবাদ বুজাপৰাৰ মাজেৰে সমাধান কৰাৰ প্ৰচেষ্টা লোৱা হৈছে।

বড়ো আন্দোলন

ষাঠিৰ দশকৰ পৰা গা কৰি উঠা বড়ো জাতীয়তাবাদে আশীৰ দশকত এক নতুন চৰিত্ৰ আৰু মাত্ৰা লাভ কৰে। বড়ো জাতীয়তাবাদৰ নেতৃত্ব ভৈয়াম জনজাতি পৰিষদৰ পৰা নিখিল বড়ো ছাত্ৰ সন্থাৰ হাতত ন্যস্ত হোৱা বাবেই জাতীয়তাবাদৰ এই ৰূপান্তৰ সম্ভৱ হৈছিল আৰু বড়ো জাতীয়তাবাদী শিবিৰৰ দাবীৰ পৰিসৰো ভিন্ন হৈ পৰিছিল।

অসম আন্দোলন, অসম চুক্তি আৰু অসম গণ পৰিষদ চৰকাৰেও বড়ো জাতীয়তাবাদৰ চৰিত্ৰক সলনি কৰিবলৈ বাধ্য কৰে। কাৰণ বড়োসকলৰ ধাৰণা আছিল যে এই অসমীয়া উগ্ৰ জাতীয়তাবাদ জনজাতিসকলৰ কাৰণে পৰিপন্থী আৰু সেয়া অসম আন্দোলনৰ কালছোৱাত বাৰে বাৰে প্ৰমাণিত

হৈছিল। অৱশ্যে সমগ্ৰ অসম আন্দোলনৰ কালছোৱাত বড়ো জাতীয়তাবাদৰ তীক্ষ্ণতা কিছু পৰিমাণে স্তিমিত হৈ পৰে।

ভৈয়াম জনজাতি পৰিষদৰ উদয়াচলৰ দাবীটো ছেগা-চোৰোকাকৈ আহি থাকিলেও আন্দোলনৰ কালছোৱাত ই বড়ো জাতীয়তাবাদক উজ্জীৱিত কৰিব পৰা নাছিল। পৰিষদৰ নেতাসকলৰ সুবিধাবাদৰ ৰাজনীতিয়েও তেওঁলোকক বড়ো মূলসুঁতিৰ পৰা লাহে লাহে আঁতৰাই নিছিল।

বড়ো জাতিৰ পিতামহ বা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্ম তেতিয়া সদৌ অসম ছাত্ৰ সন্থাতেই। প্ৰেমসিং ব্ৰহ্মও আন্দোলনৰ ঘোৰ সমৰ্থক। কিন্তু অসম চুক্তি আৰু তাৰ পিচত অহা অসম গণ পৰিষদ চৰকাৰক বড়ো নেতৃবৃন্দই উগ্ৰ জাতীয়তাবাদী বুলি ভাবিবলৈ ধৰিলে ল'লে আৰু বিশ্বাস হ'ল যে অগপই জনজাতিৰ কল্যাণৰ কাৰণে চিন্তা নকৰে।

উপেন্দ্ৰ নাথ ব্ৰহ্মাই বিশ্ববিদ্যালয়ৰ শিক্ষা সাং কৰি যেতিয়া চাকৰি জীৱনৰ পাতনি মেলিবলৈ লৈছে, ঠিক তেনেতে নিখিল বড়ো ছাত্ৰ সন্থাৰ ৰৌতা অধিৱেশনত তেওঁ অষ্টমজন সভাপতি হিচাপে নিৰ্বাচিত হয়। বড়ো জাতিৰ বুৰঞ্জীয়েও সেইদিনাৰ পৰা আন এক মোৰ লয়।

সেয়া ১৯৮৬ চনৰ ৩০ মে'। তেওঁৰ নেতৃত্বতেই বড়ো জাতিৰ এক নৱজাগৰণ আৰম্ভ হ'ল আৰু বড়ো ৰাইজে উপলব্ধি কৰিবলৈ আৰম্ভ কৰিলে নিজৰ গৌৰৱোজ্জ্বল ইতিহাস। এক জাতীয় চেতনাই জোকাৰি যায় সমগ্ৰ বড়ো ৰাইজক আৰু এক সুকীয়া ৰাজনৈতিক আৰু সামাজিক পৰিচয়ৰ ফালে আগবাঢ়ে বড়ো আন্দোলন।

১৯৭১ চনৰ ৰাজ্য পুনৰ্গঠনৰ সময়তেই বড়োসকলৰ উপেক্ষিত হোৱাৰ যি উপলব্ধি হৈছিল, সেয়া উপেন্দ্ৰ নাথ ব্ৰহ্মাৰ নেতৃত্বত আৰু গাঢ় হৈ উঠে। ইয়াৰ আন এক কাৰক আছিল অসম চুক্তি। বড়ো নেতৃবৃন্দই অসম চুক্তিক সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰিছিল। ইয়াৰ বাহিৰেও তেওঁলোকে অসম গণ পৰিষদ চৰকাৰখনক উগ্ৰ জাতীয়তাবাদী চৰিত্ৰৰ এক চৰম নিদৰ্শন হিচাপে ভাবিবলৈ

আৰম্ভ কৰিছিল আৰু অগপয়ো এই ভাবমূৰ্তি সলনি কৰিবলৈ কোনো পদক্ষেপ হাতত লোৱা নাছিল। বড়োসকলে বুজিবলৈ আৰম্ভ কৰিছিল যে পদে পদে তেওঁলোক বঞ্চিত হৈ আহিছে। জনজাতি লোকসকলৰ কাৰণে যি ট্ৰাইবেল বেল্ট বা ব্লকৰ গঠন কৰা হৈছিল, তাক সঘনেই উলংঘা কৰি অজনজাতীয় লোকসকলে ক্ৰমান্বয়ে বড়ো জনজাতিসকলক সংখ্যালঘু কৰি আনিছিল।

বড়ো জাতীয়তাবাদে উক দিলে তেতিয়া, যেতিয়া অসম গণ পৰিষদ চৰকাৰে Board of Secondary Education of Assam (SEBA)ৰ এক নিৰ্দেশনাৰ যোগেৰে ঘোষণা কৰিলে যে অসমীয়া বাধ্যতামূলক চতুৰ্থ ভাষা হ'ব লাগিব। এই নিৰ্দেশনা দিয়া হৈছিল ১৯৮৬ চনৰ ২৮ ফেব্ৰুৱাৰীত।

সদৌ বড়ো ছাত্ৰ সন্থা বা এবছুৱে ইয়াকে বড়ো নব্য জাতীয়তাবাদৰ প্ৰথমটো খোজ হিচাপে ব্যৱহাৰ কৰিলে। ২৭ জুলাইৰ দিনা এবছুৱে এই নিৰ্দেশনাৰ বিৰোধিতা কৰি তদানীন্তন শিক্ষা মন্ত্ৰী বৃন্দাবন গোস্বামীক সাক্ষাৎ কৰে। ছেবাৰ নিৰ্দেশনা সেইবাৰলৈ যেনিবা ৰোধ হ'ল। কিন্তু বড়ো নেতৃবৃন্দ একগোট হ'ল ১৯৮৬ চনৰ ছেপ্টেম্বৰৰ ২৭-২৮ তাৰিখে নগাঁও জিলাৰ বাটাবাৰীত। সংকল্প লোৱা হ'ল এক সুকীয়া বড়োভূমিৰ।

ঠিক একে সময়তে এক সুকীয়া স্বাধীন বড়ো ৰাষ্ট্ৰৰ দাবীৰে জন্ম হ'ল বড়ো ছিকিউৰিটী ফ'ৰ্চৰ। ১৯৮৬ চনৰ ৩ অক্টোবৰত জন্ম লোৱা বড়ো ছিকিউৰিটী ফ'ৰ্চৰ নেতৃত্ব দিলে ৰঞ্জন দৈমাৰীয়ে। অৱশ্যে পৰৱৰ্তী পৰ্যায়ত বড়ো ছিকিউৰিটী ফ'ৰ্চৰ নাম সলনি হৈ হয়গৈ 'নেচনেল ডেমক্ৰেটিক ফ্ৰণ্ট অব বড়োলেণ্ড'।

এবছুৱে আৰম্ভণিৰে পৰা কিন্তু এক নব্য বড়ো জাতীয়তাবাদী ৰাজনৈতিক দৰ্শন লৈ আগবাঢ়িছিল। তাৰেই ভিত্তিত ১৯৮৭ চনৰ পহিলা জানুৱাৰীৰ দিনটোতেই সভাপতি উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নেতৃত্বত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক ৯২ দফীয়া দাবীসম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

এই ৯২ দফীয়া দাবীচনদৰ প্ৰধান দাবী তিনিটা আছিল— (১) অসমৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা ভৈয়াম জনজাতিসকলৰ বাবে কেন্দ্ৰীয়শাসিত

অঞ্চলৰ মৰ্যাদাৰে এখন সুকীয়া ৰাজ্য গঠন কৰা, (২) ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা জনজাতি বসতিপ্ৰধান এলেকাবোৰক লৈ জিলা পৰিষদ গঠন কৰা আৰু (৩) কাৰ্বি আংলং স্বায়ত্তশাসিত জিলা পৰিষদ এলেকাত থকা অ-কাৰ্বি জনজাতিসকলৰ বাবে আঞ্চলিক পৰিষদ গঠন কৰা। বাকী দাবীসমূহৰ ভিতৰত মূলতঃ বড়োসহ ভৈয়ামৰ জনজাতিসকলৰ বিৰুদ্ধে চলি অহা বঞ্চনা, অন্যায়, অসুৰক্ষা আৰু হাৰাশাস্তিৰ অৱসান ঘটাই তেওঁলোকৰ আৰ্থ-সামাজিক, ভাষিক, সাংস্কৃতিক উত্তৰণৰ ব্যৱস্থাৰ দাবী তোলা হৈছিল। তাৰ ভিতৰত উল্লেখযোগ্য কেতবোৰ দাবী আছিল এনেধৰণৰ— (১) কোকৰাঝাৰ জিলা আৰু ওদালগুৰি মহকুমাত শীঘ্ৰে বড়ো ভাষাক সহযোগী চৰকাৰী ভাষা হিচাপে প্ৰয়োগ কৰা, ৰাজ্যখনৰ অন্য জিলালৈকো এই ব্যৱস্থা সম্প্ৰসাৰণ কৰা, (২) ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা কৰা আৰু এনে নতুন বেল্ট আৰু ব্লক গঠন কৰা, (৩) পৃথক বাজেটৰ ভিত্তিত ভৈয়ামৰ জনজাতিসকলৰ শিক্ষাৰ বাবে সুকীয়া সঞ্চালকালয় স্থাপন কৰা, (৪) শিক্ষানুষ্ঠানত অনুসূচিত জাতিৰ বাবে আসনৰ সংখ্যা বৃদ্ধি কৰা, (৫) চৰকাৰী চাকৰিত অনুসূচিত জাতিৰ বাবে থকা কোটা বৃদ্ধি কৰা আৰু বেকলগ পূৰণ কৰা, (৬) ৰাজ্যখনৰ জিলাবোৰৰ সীমা পুনৰ গঠন কৰা, (৭) বড়ো ভাষাৰ বাবে ৰোমান লিপি প্ৰচলন কৰা, (৮) সংবিধানৰ অষ্টম অনুসূচীত বড়ো ভাষাক অন্তৰ্ভুক্ত কৰা, (৯) ভাৰতীয় সংবিধানত জনজাতিসকলৰ বাবে থকা বিশেষ ব্যৱস্থাসমূহৰ সম্প্ৰসাৰণ কৰা আদি। আনহাতে দাবীচনদত অন্তৰ্ভুক্ত আন কেতবোৰ দফা আছিল এনেধৰণৰ— (১) অসম চুক্তিৰ ৬ নং দফাৰ বিৰোধিতা, (২) অসম চুক্তিৰ ১০ নং দফাৰ বিৰোধিতা আৰু বনাঞ্চলৰ পৰা জনজাতীয় লোকৰ উচ্ছেদৰ বিৰোধিতা, (৩) শিক্ষানুষ্ঠানত অসমীয়া ভাষাক বাধ্যতামূলক প্ৰৱৰ্তনৰ বিৰোধিতা, (৪) সংবিধানৰ ৩৩০ আৰু ৩৪৭নং অনুচ্ছেদ সংশোধনৰ বাবে আছুৰে উত্থাপন কৰা দাবীৰ বিৰোধিতা আদি।

এই স্মাৰকপত্ৰখনৰ ৯২নং দাবীটো আছিল— বড়োসকলৰ কাৰণে ব্ৰহ্মপুত্ৰৰ

উত্তৰ পাৰে কেন্দ্ৰীয়শাসিত অঞ্চল গঠন কৰা।

তাৰ বাহিৰে বাকী ৯১টা দাবীয়েই অসম চৰকাৰে অতি সহজভাৱে মানি লোৱাবিধৰ আছিল। কিন্তু উগ্ৰ জাতীয়তাবাদত অন্ধ হৈ অসম গণ পৰিষদ চৰকাৰে এই দাবীচনদক বৰকৈ গুৰুত্ব নিদিলে। যাৰ ফলত অগপৰ প্ৰতি বড়ো নেতৃত্বৰ ধাৰণা আৰু বেছি বেয়া হ'ল।

এইবাৰ এবছু দিল্লীলৈ ওলাল। ১৯৮৭ চনৰ ২২ জানুৱাৰীত তেওঁলোকে প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক দেখা কৰিলে আৰু ২৫ দফীয়া এক দাবীচনদ প্ৰধানমন্ত্ৰীক দিয়া হ'ল। বুৰঞ্জীৰ উদ্ধৃতিৰে এই দাবীচনদত দেখুওৱা হ'ল কিদৰে দশকৰ পিচত দশকজুৰি জনজাতি লোকসকলক কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সকলো ক্ষেত্ৰত বঞ্চনা কৰি আহিছে। বিশেষকৈ, অসম গণ পৰিষদ চৰকাৰক উগ্ৰ জাতীয়তাবাদী আখ্যা দি বড়োসকলে এক পৃথক শাসন ব্যৱস্থাৰ দাবী জনালে। লগতে জনজাতি বিদ্বেষপূৰ্ণ আখ্যা দি অসম চৰকাৰক এবছুৱে সকলো ক্ষেত্ৰতে প্ৰতাৰক আখ্যা দিলে।

এবছুৰ দ্বিতীয় দাবী আছিল— ব্ৰহ্মপুত্ৰৰ দক্ষিণে বাস কৰা জনজাতিসকলৰ সুৰক্ষাৰ কাৰণে সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ ভিত্তিত শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰা।

তৃতীয় মুখ্য দাবী আছিল— কাৰ্বি আংলঙত বাস কৰা জনজাতি, কিন্তু অ-কাৰ্বিসকলৰ কাৰণে এক আঞ্চলিক পৰিষদ গঠন কৰা।

ইয়াৰ বাহিৰেও কেন্দ্ৰীয় বিশ্ববিদ্যালয়কে ধৰি ভালেমান সৰু-বৰ দাবী তুলিছিল এবছুৱে। মুঠ দাবী আছিল ২৫টা।

স্মাৰকপত্ৰৰ পৰা গণ আন্দোলনৰ ৰূপ ল'লে ২ মাৰ্চ, ১৯৮৭ত; যেতিয়া জিলাই জিলাই এবছুৰ নেতৃত্বত সুকীয়া বড়ো ৰাজ্যৰ দাবী কৰি অনুষ্ঠিত কৰা হ'ল গণসমাৱেশ। তথাপি দিছপুৰৰ গা নলৰিল। এই আন্দোলনে কিন্তু বড়ো জাতীয়তাবাদকে ধুই জোকাৰি নতুন ৰূপ দিলে। যি বড়ো মহিলাই দখনা পিন্ধিবলৈ এৰিছিল, সেই দখনা জাতীয় পোছাকলৈ পৰিৱৰ্তিত হ'ল। ঠিক তেনেকৈ বড়ো সাহিত্য সভাই বড়ো ভাষাৰ উত্তৰণৰ কাৰণে দেহেকেহে খাটিবলৈ ধৰিলে।

১৯৮৭ চনৰ ২৩ মার্চৰ দিনা সেই গণসমাৱেশৰ কাৰ্যসূচী মহকুমা পৰ্যায়লৈ যায় আৰু কোকৰাঝাৰৰ পৰা ওদালগুৰিলৈ বড়ো আন্দোলনৰ জুই বিয়পি গ'ল।

কিন্তু যিটো গণসমাৱেশে দিছপুৰ কঁপাই দিলে সেয়া আছিল ১৯৮৭ চনৰ ১২ জুনত গুৱাহাটীত হোৱা গণসমাৱেশ। সেয়া গুৱাহাটীৰ ইতিহাসত হোৱা অন্যতম বৃহত্তম গণসমাৱেশ। হাজাৰ হাজাৰ বড়ো জনতাই সেইদিনা স্তব্ধ কৰি দিছিল গুৱাহাটী। সমগ্ৰ অসমবাসীকে বুজাই দিছিল কিমান জোৰ বড়ো আন্দোলনৰ।

সেই গণসমাৱেশতেই প্ৰথমবাৰৰ বাবে ঘোষণা কৰা হ'ল— ডিভাইড আছাম ফিফ্‌টী ফিফ্‌টী। মুকলিকৈ ঘোষণা কৰা হ'ল সুকীয়া কেন্দ্ৰীয়শাসিত অঞ্চল অবিহনে নাথামিব বড়ো আন্দোলনৰ চকৰি।

গুৱাহাটীৰ গণসমাৱেশ ঠিকেই পাৰ হৈ গ'ল, কিন্তু ঘূৰি যাওঁতে কিছুমান দুষ্কৃতিকাৰীয়ে চিহ্নিত এবছু সমৰ্থকসকলৰ গাড়ী এখনত আক্ৰমণ কৰিলে। এই আক্ৰমণত তিনিজন লোক গুৰুতৰভাৱে আহত হয় আৰু তাৰে এজন সুজিত নাৰ্জাৰীৰ মৃত্যু হয়। এইটোৱেই হ'ল বড়ো আন্দোলনৰ মেজৰ টাৰ্নিং পইণ্ট।

সুজিত নাৰ্জাৰীক বড়ো আন্দোলনৰ প্ৰথমজন শ্বহীদ হিচাপে ঘোষণা কৰা হ'ল আৰু তেওঁৰ মৃতদেহক লৈ কোকৰাঝাৰ উত্তাল হৈ পৰিল। পিচত উপেন্দ্ৰ নাথ ব্ৰহ্মই নিজেই সুজিতৰ মুখাগ্নি কৰিলে। এই ঘটনাই বড়ো আন্দোলনক আৰু আৱেগিক কৰি তুলিছিল।

প্ৰথম শ্বহীদ সুজিতৰ মাধ্যমেৰে বড়ো আন্দোলন আৰু শক্তিশালী হৈ পৰিল। আনহাতে অসম চৰকাৰে অসম আৰক্ষীক কঠোৰ হ'বলৈ নিৰ্দেশ দিলে। তাৰ ফলত বড়োভূমি হৈ পৰিল ৰক্তাক্ত। এফালে এবছুৰ যুদ্ধংদেহি মনোভাব আৰু আনফালে বড়ো ছিকিউৰিটী ফ'ৰ্চৰ নেতৃত্বত হিংসাত্মক অভিযান। লাহে লাহে বড়োভূমি হৈ পৰিল ৰক্তাক্ত।

অসম পুলিচৰ লগতে অসম চৰকাৰৰ সকলো অবড়ো চাকৰিয়াল হৈ পৰিল

বড়ো উগ্ৰপন্থীৰ লক্ষ্য। এফালে অগপ চৰকাৰৰ কঠোৰ দমননীতি আৰু আনফালে আন্দোলনৰ উগ্ৰমূৰ্তিয়ে সমগ্ৰ নামনি অসমকে অস্থিৰ কৰি তুলিলে। তাৰ লগতে সঘনাই ৰে'ল অৱৰোধ, পথ বন্ধ আৰু ৰে'ল আক্ৰমণে অসমক দেশৰ আন ঠাইৰ সৈতে একপ্ৰকাৰ বিচ্ছিন্ন কৰি পেলালে।

১৯৮৭ৰ বাকী দিনকেইটাত আন্দোলন আৰু তীব্ৰ হ'বলৈ ধৰিলে আৰু একে সময়তে অসম পুলিচেও কঠোৰ হাতেৰে আন্দোলন দমন কৰিবলৈ চেষ্টা কৰি গ'ল। অসম পুলিচ সফল নহ'ল। বড়ো ৰাইজে পুলিচক ৰুধিবলৈ অঞ্চলটোৰ সকলো কাঠৰ দলং জ্বলাই দিলে।

তদানীন্তন অসম গণ পৰিষদ চৰকাৰৰ এটা বদ্ধমূল ধাৰণা হৈছিল যে হিতেশ্বৰ শইকীয়া আৰু সন্তোষমোহন দেৱৰ নেতৃত্বত কংগ্ৰেছে বড়ো আন্দোলনৰ মাধ্যমেৰে চৰকাৰখনক অস্থিৰ কৰিব বিচাৰিছে। কিছু পৰিমাণে সেয়া আছিল শুদ্ধ। কাৰণ দুয়োজনে অগপৰ হাতলৈ শাসন যোৱাটো সহ্য কৰিব পৰা নাছিল।

সেই বৰ্ষৰে ১০ নৱেম্বৰত এবছুৱে নতুন দিল্লীৰ ব'ট ক্লাবত গণপ্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। এবছুৰ প্ৰতিনিধি দলে সেইদিনাই প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক আন এখন স্মাৰকপত্ৰ প্ৰদান কৰে। `Why Separate State' শীৰ্ষক এই বিস্তৃত স্মাৰকপত্ৰখনৰ প্ৰতিলিপি ৰাষ্ট্ৰপতি আৰু গৃহ মন্ত্ৰীকো প্ৰদান কৰা হয়। স্মাৰকপত্ৰখনত বড়োসকলৰ স্বকীয় ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক ইতিহাসৰ বিৱৰণ দি তাৰ আধাৰত বড়ো সংগ্ৰামৰ বস্তুনিষ্ঠ বিশ্লেষণ কৰা হয়। বড়োসহ জনজাতিসকলৰ বাবে সুকীয়া ৰাজ্য দাবীৰ কাৰণবোৰ উল্লেখ কৰাৰ লগতে এই দাবীৰ বাস্তৱিকতা সম্পৰ্কেও ধাৰণা দিয়া হয়। স্মাৰকপত্ৰত প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ মাটিকালি, জনসংখ্যা, জনবসতি আদিৰো খতিয়ান দিয়া হয়। লগতে এবছুৰ ৯২ দফীয়া দাবীচনদখনো ইয়াৰ সৈতে সংলগ্ন কৰা হয়।

এবছুৱে স্মাৰকপত্ৰত বিৱৰণ দিয়া প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ

অৱয়ব আৰু জনগাঁথনি হ'ল এনেধৰণৰ—

বৰ্তমান অসমৰ সৰ্বমুঠ মাটিকালি ৭৮,৫২৩ বৰ্গ কিলোমিটাৰ।

প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ মাটিকালি ২৫,৪৭৮.১ বৰ্গ কিলোমিটাৰ।

বৰ্তমান অসমৰ সৰ্বমুঠ জনসংখ্যা ২,২৫,০০,০০০।

প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ জনসংখ্যা ৬১,৩৭,৯১৪।

অঞ্চলটোৰ জনজাতিৰ সংখ্যা ৪২,৯৬,০০০।

অঞ্চলটোৰ জনজাতিৰ শতাংশ হাৰ ৭০%।

প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ মাটিকালিৰ বিন্যাস এনেধৰণৰ—

জিলা/মহকুমা	মুঠ মাটিকালি (বৰ্গ কিঃমিঃ)	প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলত অন্তৰ্ভুক্ত হ'বলগীয়া মাটিকালি (বৰ্গ কিঃমিঃ)
কোকৰাঝাৰ	৪,৭১৬.৫	৪,৭১৬.৫
ধুবুৰী	২,৭৪৫.৫	১,৩৭২.৭
গোৱালপাৰা	২,৮৪৩.৮	৭১০.৮
বৰপেটা	৩,৩০৭.৩	১,৬৫৩.৬
নলবাৰী	২,০২২.৮	১,১১১.৪
কামৰূপ	৪,৬২৫.৯	১,১৫৫.২
দৰং	৩,৪৬৫.৩	২,৭৫২.৩
শোণিতপুৰ	৫,২৫৫.৪	৪,২০৪.২
লখিমপুৰ	৫,৬৪৬.৪	৫,৬৪৬.৪
মাজুলী	১,২৪১.০	১,২৪১.০
শদিয়া	৯১৪.০	৯১৪.০
মুঠ		২৫,৪৭৮.১

প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ অন্তৰ্গত জনজাতিসমূহ আৰু তেওঁলোকৰ জনগাঁথনি এনেধৰণৰ—

বড়ো	৩৩,৫০,০০০
মিচিং	৫,০০,০০০
ৰাভা	১,৪১,০০০
সোণোৱাল	১,০০,০০০
দেউৰী	১,০০,০০০
গাৰো	৫,০০০
কাৰ্বি	৪০,০০০
তিৱা	৬০,০০০
মুঠ	৪২,৯৬,০০০

ইয়াৰ পূৰ্বে ২৩ আগষ্টত (১৯৮৭) এবছুৰে ৫৩টা প্ৰশ্ন আৰু তাৰ উত্তৰসম্বলিত 'ডিভাইড আছাম ফিফ্‌টী ফিফ্‌টী' শীৰ্ষক এখন পুস্তিকা প্ৰকাশ কৰি ৰাইজৰ মাজত প্ৰচাৰৰ ব্যৱস্থা কৰিছিল। প্ৰচাৰ পুস্তিকাখনত সুকীয়া ৰাজ্যৰ দাবীৰ ন্যায্যতা, প্ৰস্তাৱিত শাসন ব্যৱস্থাটোৰ ধৰণ, অসমক সমানে দুভাগ কৰাৰ প্ৰয়োজনীয়তা আদিৰ কাৰণবোৰ ব্যাখ্যা কৰা হৈছিল। অসমক সমানে দুভাগ কৰাৰ এই প্ৰস্তাৱৰ সমৰ্থনত উপৰিউক্ত স্মাৰকপত্ৰখনত খতিয়ান দিয়া হয় এনেধৰণে—

অসমৰ মুঠ মাটিকালি ৭৮,৫২৩ বৰ্গ কিলোমিটাৰ

প্ৰস্তাৱিত কেন্দ্ৰীয়শাসিত অঞ্চলটোৰ মাটিকালি ২৫,৪৭৮.১ বৰ্গ কিলোমিটাৰ

কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাক সামৰি গঠন হ'বলগীয়া প্ৰস্তাৱিত স্বায়ত্তশাসিত ৰাজ্যখনৰ মাটিকালি ১৫,২২২.০ বৰ্গ কিলোমিটাৰ

এই দুই প্ৰস্তাৱিত শাসন ব্যৱস্থাই সামৰা এলেকাৰ মুঠ মাটিকালি

৪০,৭০০.১ বৰ্গ কিলোমিটাৰ

অসমৰ বাকী অংশৰ মাটিকালি ৩৭,৮২২.৯ বৰ্গ কিলোমিটাৰ।

এই হিচাপ অনুযায়ীয়েই এবছুৱে 'ডিভাইড আছাম ফিফ্‌টী ফিফ্‌টী' ধ্বনিক ন্যায্যতা প্ৰদানৰ প্ৰয়াস চলাইছিল। বড়ো আন্দোলন তীব্ৰতৰ হৈ পৰাৰ সময়তে ১৯৮৮ চনৰ ১৮ জানুৱাৰীত এবছুৰ সভাপতি উপেন্দ্ৰ নাথ ব্ৰহ্মাই ৰাষ্ট্ৰপতি আৰ ভেংকটৰমনক সাক্ষাৎ কৰি আন এখন স্মাৰকপত্ৰ প্ৰদান কৰে। ২২ জানুৱাৰীত এবছুৰ প্ৰতিনিধি দলটোৱে স্মাৰকপত্ৰ দিয়ে কেন্দ্ৰীয় গৃহ মন্ত্ৰীক।

ভূমকাৰ বলাৎকাৰ

অসম পুলিচৰ কঠোৰ দমন আৰু বড়ো উগ্ৰপন্থীৰ নৃশংসতাৰ মাজতেই আহিল ভূমকাৰ সমূহীয়া বলাৎকাৰৰ বতৰা। অভিযোগ মতে গোসাইগাঁৱৰ কাষৰ ভূমকাগাঁৱত ১৯৮৮ চনৰ ২৫ আৰু ২৭ জানুৱাৰীৰ নিশা মুঠ দহগৰাকী বড়ো গাভৰুক সুৰক্ষা বাহিনীৰ লোকে সমূহীয়াভাৱে বলাৎকাৰ কৰে। এই ঘটনাই এফালে আন্দোলন তীব্ৰ কৰি তোলে আৰু আনফালে বড়ো আৰু অবড়োসকলৰ মাজত ব্যৱধান আৰু বঢ়াই তোলে।

১৯৮৮ বছৰটো অসমৰ কাৰণে হৈ পৰিছিল আৰু ভয়ংকৰ। উত্তৰ পাৰৰ নামনি অসমৰ কেউখন জিলাতেই এনে এটা সপ্তাহ পাৰ হোৱা নাছিল, য'ত কিবা নহয় কিবা এক ভয়ংকৰ হত্যা বা বোমা বিস্ফোৰণ ঘটোৱা নাছিল।

কেন্দ্ৰৰ কংগ্ৰেছ চৰকাৰে ইচ্ছাকৃতভাৱেই অসমক অস্থিৰ কৰি ৰাখিছে বুলি আৰু বড়ো উগ্ৰপন্থীসকলক কেন্দ্ৰীয় চৰকাৰে চোৰাংচোৱা বাহিনীৰ হতুৱাই বোমা বিস্ফোৰণৰ প্ৰশিক্ষণ দিয়াইছে বুলি অসম চৰকাৰ নিশ্চিত হৈছিল।

অসম চৰকাৰে ইয়াৰ প্ৰতিবাদ জনাইছিল যদিও ৰব লাভ নহ'ল। বৰঞ্চ বড়ো আৰু অসমীয়াভাষীসকলৰ মাজত সন্দেহৰ ভাব আৰু বাঢ়িহে গ'ল। এবছুৱে অগপ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ বিৰুদ্ধে ১৯৮৮ চনৰ ২ আগষ্টৰ দিনা এমনেষ্টী ইন্টাৰনেচনেল পালেগৈ।

এবছুৰ অভিযোগ যে অসম গণ পৰিষদ চৰকাৰে বড়োসকলৰ মানৱ

অধিকাৰ ভংগ কৰিছে। অসম গণ পৰিষদ চৰকাৰেও যিদৰে সহানুভূতিৰে বড়ো জনজাতিসকলৰ স্পৰ্শকাতৰ দাবীটো চালিজাৰি চাব লাগিছিল, তেনে কোনো সহানুভূতি নেদেখুৱালে। বৰঞ্চ অসমীয়া নেতৃত্বৰ উগ্ৰ জাতীয়তাবাদী মানসিকতাৰ কাৰণে বড়োসকলৰ লগত দিনকদিনে দূৰত্ব বাঢ়িহে গ'ল।

এবছুৱে ইফালে আন্দোলনৰ নেতৃত্বৰ চৰিত্ৰ আৰু পৰিসৰত গতিশীলতা আনিবৰ কাৰণে ১৯৮৮ চনৰ ৮ নৱেম্বৰত Bodo People's Action Committee (BPAC) গঠন কৰে। ইয়াৰ সভাপতি হয় কৰেন্দ্ৰ বসুমতাৰী আৰু আহ্বায়ক হয় চাওঙ্গুমা খুংগুৰ বিছমুতিয়াৰী। এই বি পি এ চি বড়ো সমাজৰ প্ৰথম বহল অনুষ্ঠান, য'ত বড়ো জাতীয়তাবাদী ধাৰাত বিশ্বাস কৰা প্ৰায়বোৰ দল-সংগঠন একগোট হৈছিলহি।

অৱশ্যে নৰমপন্থী ভৈয়াম উন্নয়ন পৰিষদ দলটো তেতিয়াও থিয় হৈয়ে আছিল। বড়ো জাতীয়তাবাদী ধাৰাৰ নেতৃত্ব তেতিয়া সম্পূৰ্ণৰূপে গুচি গৈছিল এবছুৰ হাতলৈ আৰু বহু সময়ত এবছু সমৰ্থকৰ দ্বাৰা নিগৃহীত হৈছিল পি টি চি এ সমৰ্থকসকল।

১৯৮৮ চনতেই অনুষ্ঠিত হয় এবছুৰ বিংশ বছৰেকীয়া অধিৱেশন। ধুবুৰী জিলাৰ বাঁশবাৰীত অনুষ্ঠিত এই অধিৱেশনতেই সিদ্ধান্ত লোৱা হয় যে বড়োসকলৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰফালে এক পৃথক বড়োলেণ্ড ৰাজ্য হ'ব লাগে।

১৯৮৮ চনৰ ২২ ডিচেম্বৰত লোৱা ঐতিহাসিক সিদ্ধান্ত দুটা আছিল ক্ৰমে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ জনজাতীয় লোকসকলৰ বাবে এক স্বায়ত্তশাসিত পৰিষদ গঠন আৰু কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধীনস্থ বড়োসকলক ষষ্ঠ অনুসূচীৰ আওতাত সুমুওৱা।

ইয়াৰ বাহিৰেও ফুকন চন্দ্ৰ বড়ো আৰু পৰমেশ্বৰ ব্ৰহ্মৰ নেতৃত্বত এক পূৰ্ণ পৰ্যায়ৰ ভলণ্টিয়াৰ ফ'ৰ্চ গঠন কৰা হয়। অসম চৰকাৰৰ মতে এই ভলণ্টিয়াৰ ফ'ৰ্চৰ দ্বাৰাই এবছুৱে সমগ্ৰ বড়ো অধ্যুষিত অঞ্চলটোত এক ভয় আৰু হিংসাৰ পৰিৱেশ বৰ্তাই ৰাখিছিল।

একপ্ৰকাৰ অবিৰতভাৱে চলি গ'ল বড়ো আন্দোলন। বড়ো আন্দোলনে ৰে'ল আৰু ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ পন্থা অৱলম্বন কৰি সমগ্ৰ উত্তৰ-পূব ভাৰতকে জোকাৰি দিছিল। প্ৰতিখন ট্ৰাক বা ৰে'ল বড়ো অধ্যুষিত অঞ্চলৰ মাজেৰে পাৰ হৈ যাব লাগে বাবে আন্দোলনকাৰীসকলে এই পন্থা গ্ৰহণ কৰিছিল।

ইয়াৰ ফলত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ ওচৰত এক হেঁচা বাঢ়ি আহিছিল। অসম চৰকাৰে ভাবিছিল যে হিতেশ্বৰ শইকীয়া-সন্তোষমোহন দেৱৰ প্ৰৰোচনাত বড়ো আন্দোলনক কেন্দ্ৰই উচটাই আছে। আনহাতে কেন্দ্ৰই ভাবিছিল যে অসম চৰকাৰে দৰকাৰতকৈ বেছি দমনমূলক নীতি লৈছে।

১৯৮৯ চনটোত হিংসা আৰু প্ৰতিহিংসাৰ দাবানলে নামনি অসমক স্তব্ধ কৰি দিলে। বন্ধবোৰ দিনকদিনে দীঘলীয়া হ'বলৈ আৰম্ভ কৰিলে। ২৪ ঘণ্টীয়া বন্ধৰ পৰা আৰম্ভ কৰি ৩৬০ ঘণ্টীয়া অসম বন্ধৰ আহ্বান কৰা হ'ল।

১৯৮৯ চনৰ ১১ ফেব্ৰুৱাৰীত বঙাইগাঁও চহৰৰ ওচৰৰ কাজলগাঁৱত এখন যাত্ৰীবাহী বাছত বোমা বিস্ফোৰণ ঘটোৱা হ'ল আৰু তাত ১৭জন লোকৰ মৃত্যু হ'ল। ইয়াৰ পিচত ৰাষ্ট্ৰীয় ঘাইপথত ৰৈ থকা ১৬খন ট্ৰাকত ২১ মাৰ্চৰ দিনা জুই লগাই দিয়া হ'ল।

মুঠতে একপ্ৰকাৰ সম্পূৰ্ণ নৈৰাজ্য। লাহে লাহে পুলিচো অসহায় হৈ পৰিছিল। এবছুৰ কেইবাজনো সমৰ্থকক শ্বিলঙত গ্ৰেপ্তাৰ কৰা হ'ল। মিজো উগ্ৰপন্থীৰ পৰা বোমা-বাৰুদ আৰু অস্ত্ৰ-শস্ত্ৰ কিনি কোকৰাঝাৰৰ বিজনীলৈ পঠোৱাৰ অভিযোগত এইসকলক আটক কৰা হৈছিল।

ইয়াৰ মাজতেই ১৭ এপ্ৰিলত অসম চৰকাৰে বড়ো আন্দোলনৰ নেতৃবৃন্দৰ লগত প্ৰথমলানি আলোচনা আৰম্ভ কৰিব বিচাৰিছিল যদিও সেয়া বিফল হ'ল; কাৰণ কেন্দ্ৰীয় চৰকাৰৰ কোনো প্ৰতিনিধি অহা নাছিল।

হিংসাজৰ্জৰ বড়োভূমি শান্ত কৰিবলৈ এইবাৰ আগবাঢ়িছিল অসম বিধানসভা। অধ্যক্ষ পুলকেশ বৰুৱাৰ নেতৃত্বত ১৯৮৯ চনৰ ৭ জুনত গঠন হৈছিল সদন

সমিতি। গাঁৱে গাঁৱে গৈছিল সদন সমিতি।

ইফালে বড়ো আন্দোলনক লৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মতভেদ তুংগত। ১৯৮৯ চনৰ ৮ জুনৰ দিনা এখন পত্ৰযোগে প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে চৰকাৰীভাৱে প্ৰফুল্ল মহন্তৰ চৰকাৰক বড়ো অধ্যুষিত হিংসাৰ কাৰণে দোষাৰোপ কৰে।

অগপ চৰকাৰ বদ্ধপৰিকৰ আছিল যে বড়োসকল অসমৰ মাটিতেই থাকিব লাগিব আৰু অসমক দ্বিখণ্ডিত কৰা নাযাব। বিশেষকৈ দুই মন্ত্ৰী ভৰত চন্দ্ৰ নৰহ আৰু চামছিং হান্সেই এইক্ষেত্ৰত লোৱা ভূমিকা উল্লেখনীয়।

ইয়াৰ মাজতেই নিখিল বড়ো ছাত্ৰ সন্থাই অসমৰ বাহিৰত অসম আৰু ভাৰত চৰকাৰৰ লগত ত্ৰিপাক্ষিক আলোচনাৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰে। ১৯৮৯ চনৰ ১৬ জুনৰ দিনা মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তয়ো ইয়াত সন্মতি প্ৰকাশ কৰে।

লগে লগে কিন্তু আলোচনা আৰম্ভ নহ'ল। বৰঞ্চ আন্দোলন তীব্ৰতৰহে হ'ল। ২৬ জুনৰ দিনা এবছু-বি পি এ চিয়ে ৩৬০ ঘণ্টীয়া অসম বন্ধ ঘোষণা কৰে। তাৰমানে একেৰাহে ১৫ দিন বন্ধ। নামনি অসম স্তব্ধ হৈ পৰিল।

সেইদিনাই তেওঁলোকে ঘোষণা কৰিলে যে সুকীয়া বড়োলেণ্ডৰ বিষয়টো যদি আলোচনাৰ মেজত নাথাকে তেনেহ'লে তেওঁলোক আলোচনাত নবহে।

পশ্চিম অসমৰ অৱস্থা দিনকদিনে বেয়া হ'বলৈ ধৰিলে। উপায়হীন হৈ অগপ চৰকাৰে কোকৰাঝাৰ জিলাক অশান্ত অঞ্চল হিচাপে ঘোষণা কৰিলে। কিন্তু হিতে বিপৰীতহে হ'ল। আন্দোলন আৰু হিংসা দুয়োটাই বাঢ়ি গ'ল।

এই আন্দোলনে অকল অসমকে ক্ষতি কৰা নাছিল। বৰঞ্চ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকে ক্ষতি কৰিছিল। কাৰণ কোকৰাঝাৰ জিলাৰ মাজেৰেই সকলো ট্ৰাক চলাচল কৰে। সেই কাৰণেই উত্তৰ-পূবৰ বাকী ছখন কংগ্ৰেছশাসিত চৰকাৰ আৰু মুখ্যমন্ত্ৰীসকলে এক আশু-সমাধান বিচাৰি প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ ওপৰত হেঁচা প্ৰয়োগ কৰিলে।

ইয়াৰ পিচতে আহিল ১৯৮৯ চনৰ ২৫ জুলাইৰ পৰা ১০ আগষ্টলৈ ৩৬০ ঘণ্টীয়া অসম বন্ধ। পশ্চিম অসমৰ বড়ো অধ্যুষিত অঞ্চলৰ প্ৰায়বোৰ কাঠৰ দলং, চৰকাৰী কাৰ্যালয় আৰু স্কুলঘৰ জ্বলাই দিয়া হ'ল। এফালে যদি চৰকাৰৰ আতিশয্যৰ অভিযোগ, আনফালে বড়ো আন্দোলনৰ যোগেৰে কংগ্ৰেছে অগপ চৰকাৰক অস্থিৰ কৰাৰ চেষ্টাৰ প্ৰতি-অভিযোগ।

এই বন্ধৰ মাজতেই মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই ৮ আগষ্টৰ দিনা প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীক লগ ধৰি ত্ৰিপাক্ষিক আলোচনাৰ তাৰিখ ঘোষণা কৰিবলৈ অনুৰোধ কৰে। ইফালে আলোচনাৰ নিমন্ত্ৰণ নোপোৱালৈকে এবছুৱে ১০০১ ঘণ্টীয়া অসম বন্ধৰ নতুন কাৰ্যসূচী গ্ৰহণ কৰে।

ঠিক এইখিনি সময়তে শোণিতপুৰ আৰু লখিমপুৰ জিলাত আগষ্টৰ ৯, ১০, ১১ আৰু ১২ তাৰিখে সংঘটিত গোষ্ঠীগত সংঘৰ্ষত কুৰিজন বড়ো লোক নিহত হয়।

ইয়াৰ মাজতেই ১৯৮৯ চনৰ ২৮ আগষ্টৰ দিনা নতুন দিল্লীত প্ৰথমলানি ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হয়। সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশত আৰম্ভ হোৱা এই আলোচনাত নেতৃত্ব দিয়ে অসম চৰকাৰৰ হৈ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত, কেন্দ্ৰীয় চৰকাৰৰ হৈ শ্ৰমমন্ত্ৰী ড° ৰাজেন্দ্ৰ কুমাৰী বাজপেয়ী আৰু এবছু-বি পি এ চিৰ হৈ নেতৃত্ব দিয়ে উপেন্দ্ৰ নাথ ব্ৰহ্মাই।

সেইদিনাই বিয়লি প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি এবছু-বি পি এ চিয়ে সুকীয়া ৰাজ্য দাবীসম্বলিত এক ৩৫ দফীয়া স্মাৰকপত্ৰ প্ৰদান কৰে। ইয়াৰ বাহিৰেও অগপ চৰকাৰক জনজাতিবিৰোধী আখ্যা দি ২২টা অভিযোগেৰে এক অভিযোগনামাও প্ৰদান কৰা হ'ল।

ঠিক তাৰ পিচতেই ৮ ছেপ্টেম্বৰৰ দিনা মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই অভিযোগ কৰে যে অৰুণাচলৰ মুখ্যমন্ত্ৰী গেগং আপাঙে বড়ো আন্দোলনটোক প্ৰৰোচিত কৰি আহিছে। আপাঙে অৱশ্যে তাৰ প্ৰতিবাদ কৰে যদিও এই অভিযোগৰ কিছু ভিত্তি নথকা নহয়।

ইয়াৰ পিচতে ১৯৮৯ত চনৰ ৫ অক্টোবৰত দ্বিতীয়লানি ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হয়।

দ্বিতীয়লানি আলোচনা অমীমাংসিত হৈ ৰয় আৰু সিদ্ধান্ত লোৱা হয় যে নৱেম্বৰত তৃতীয়লানি আলোচনা হ'ব। কিন্তু সেয়া হৈ নুঠিল। কাৰণ দিল্লীৰ সমীকৰণ বদলি হ'ল। কংগ্ৰেছ চৰকাৰৰ পতন হোৱাৰ পিচত দিল্লীত অসম গণ পৰিষদ সমৰ্থিত নেচনেল ফ্ৰণ্ট চৰকাৰ আহিল।

ৰাজীৱ গান্ধীৰ স্থলাভিষিক্ত হ'ল বিশ্বনাথ প্ৰতাপ সিং। সেই নতুন সমীকৰণৰ সুযোগ লৈ প্ৰফুল্ল মহন্তই তৃতীয়লানি আলোচনা আৰম্ভ নকৰি নতুন চৰকাৰৰ পৰা ১৮টা সৈন্য কোম্পানী বিচাৰিলে। এই ঘটনাই বড়োসকলৰ মাজত অসমীয়াবিদ্বেষ বাঢ়ি যোৱাত সহায়হে কৰিলে।

হিংসাত্মক ঘটনা আৰু প্ৰতিহিংসাৰ জুয়ে উত্তৰ অসম তেতিয়া ছানি ধৰিছে। সকলো পিনৰ পৰা মাথোঁ হিংসাৰ বাতৰি। তাৰ মাজতে ১৯৯০ চনৰ ১১ জানুৱাৰীৰ দিনা আৰম্ভ হ'ল তৃতীয় ত্ৰিপাক্ষিক আলোচনা।

এইবাৰ নতুন কেন্দ্ৰীয় চৰকাৰ। কেন্দ্ৰীয় চৰকাৰক প্ৰতিনিধিত্ব কৰিলে শ্ৰম আৰু সমাজ কল্যাণ মন্ত্ৰী ৰামবিলাস পাছোৱানে। কেন্দ্ৰীয় চৰকাৰে সুকীয়া ৰাজ্য গঠনৰ প্ৰক্ৰিয়াটো দীঘলীয়া বুলি এবছু-বি পি চি এক অৱগত কৰালে যদিও তাৰ আগতে বড়ো নেতৃবৃন্দৰ আন দাবীবোৰ সমাধান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে।

চতুৰ্থলানি আলোচনা হ'ল ১৯৯০ চনৰ ৯ মাৰ্চত। এবছু নেতা উপেন ব্ৰহ্মাই স্বাস্থ্যজনিত কাৰণত নেতৃত্ব দিব নোৱৰাৰ বাবে ৰবিৰাম ব্ৰহ্মাই এইলানি আলোচনাৰ আঁত ধৰে। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে সুকীয়া ৰাজ্যৰ দাবীটো পৰীক্ষা কৰিবলৈ এখন কমিটী গঠন কৰাৰ পোষকতা কৰিছিল যদিও এবছুৱে তাক মানি নল'লে। এই সভাতে সিদ্ধান্ত হ'ল যে পঞ্চমলানি ত্ৰিপাক্ষিক আলোচনা ১৯৯০ চনৰ ১৮ এপ্ৰিলত অনুষ্ঠিত হ'ব।

কিন্তু আলোচনাৰ দিন চপাৰ লগে লগে হিংসাত্মক ঘটনাও বাঢ়ি গ'ল।

বড়ো উগ্রপন্থীৰ বৰ্বৰ আৰু নিৰ্মম আক্ৰমণে অসম কঁপাই তুলিলে। ১০ এপ্ৰিলৰ নিশা বড়ো উগ্ৰপন্থীয়ে চেঁচাপানী ষ্টেচনৰ কাষত ৰে'লৰ ফিচপ্লেট খুলি থয় আৰু সেই নিশা হোৱা ৰে'ল দুৰ্ঘটনাত ২১জন লোকৰ মৃত্যু হয়। নিশ্চয়কৈ এইলানি হিংসালীলা পঞ্চমলানি ত্ৰিপাক্ষিক আলোচনাক প্ৰভাৱান্বিত কৰিবৰ কাৰণে চলোৱা হৈছিল।

ইফালে ভগ্ন স্বাস্থ্যৰে উপেন্দ্ৰ নাথ ব্ৰহ্মই এইলানি আলোচনাৰ নেতৃত্ব দিছিল। কৰ্কট ৰোগত আক্ৰান্ত উপেন্দ্ৰ নাথ ব্ৰহ্মই গম পাইছিল যে তেওঁৰ হাতত বেছি সময় নাই। তেতিয়া তেওঁৰ বয়স মাত্ৰ ৩০ বছৰ।

সেই কাৰণেই এইলানি আলোচনাত মূল তিনিটা দাবী সন্দৰ্ভত আলোচনা হ'ল। এই দাবীবোৰ হৈছে—

(১) বড়োসকলৰ কাৰণে এক সুকীয়া ৰাজ্য।

(২) ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে জনজাতিসকলৰ কাৰণে স্বায়ত্তশাসিত অঞ্চল।

(৩) কাৰ্বি আংলঙত বাস কৰা বড়োসকলক ষষ্ঠ অনুচ্ছেদত অন্তৰ্ভুক্ত কৰা।

কেন্দ্ৰীয় চৰকাৰ কিন্তু আঁকোৰগোঁজ হৈ থাকিল। সুকীয়া ৰাজ্য যে সম্ভৱ নহয়, সেয়া জনাই দিয়া হ'ল। তাতকৈ তিনিওটা পক্ষক সামৰি এখন কমিটী গঠনৰ পোষকতা কৰিলে, যিয়ে ক্ষমতাৰ বিকেন্দ্ৰীকৰণেৰে বড়োসকলৰ ন্যায্য দাবীসমূহৰ এটা সমাধানসূত্ৰ উলিয়াব পাৰে।

ঠিক তেনেকৈ দক্ষিণ পাৰৰ জনজাতিসকলৰ কাৰণে এক স্বায়ত্তশাসিত অঞ্চল গঠনৰ দাবীটোও অসম চৰকাৰে নস্যাৎ কৰিলে। অৱশ্যে কাৰ্বি আংলঙত থকা বড়োসকলৰ বিষয়টো অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ ঠেলিলে।

আলোচনাৰ এই অচলাৱস্থা দূৰ কৰিবলৈ অৱশেষত ভাৰত চৰকাৰৰ প্ৰস্তাৱটো মানি লোৱা হ'ল। তিনিও পক্ষৰ পৰা এখন সৰু কমিটী গঠন কৰা হ'ল— যাৰ কাম হ'ব বড়ো দাবীসমূহ আৰু ভৈয়ামৰ জনজাতিসকলৰ

সমস্যাসমূহৰ সমাধানসূত্ৰ উলিওৱা।

এই কমিটীখনৰ আহ্বায়ক হ'ল সচিব, সমাজ কল্যাণ মন্ত্ৰণালয়, ভাৰত চৰকাৰ; বিশেষ সচিব (গৃহ), অসম চৰকাৰ; সচিব (জনজাতি কল্যাণ), অসম চৰকাৰ; চাওমা খুংগুৰ বিছমুতিয়াৰী, উপদেষ্টা, এবছু; ৰবিৰাম ব্ৰহ্ম, সাধাৰণ সম্পাদক, এবছু আৰু সত্যেন্দ্ৰ ব্ৰহ্মচৌধুৰী, আইনী উপদেষ্টা, বি পি এ চি।

উপেন ব্ৰহ্মৰ মৃত্যু

কিন্তু এই কমিটীয়ে প্ৰতিবেদন দিয়াৰ আগতেই বড়ো আন্দোলনৰ মূল নেতা উপেন ব্ৰহ্মৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটিল। মুম্বাইৰ টাটা মেম'ৰিয়েল কেঞ্চাৰ হাস্পতালত তেওঁক আকৌ এবাৰৰ কাৰণে ভৰ্তি কৰা হ'ল যদিও স্বাস্থ্যৰ উন্নতি নহ'ল।

উপেন ব্ৰহ্মই গম পাইছিল যে এয়া তেওঁৰ জীৱনৰ অন্তিম পৰ্যায়। থোকাথুকি মাতেৰে হাস্পতালৰ বিছনাৰ পৰাই লগত থকা সতীৰ্থসকলক অনুৰোধ কৰিছিল আন্দোলন চলাই যাবলৈ।

১ মে'ৰ দিনা দুপৰীয়া ১.২২ বজাত শেষ নিশ্বাস ত্যাগ কৰে এই নেতাজনে। ৪ মে'ত কোকৰাঝাৰত তেওঁক শেষ শ্ৰদ্ধা নিৱেদন কৰা হয় আৰু সেয়া আজিলৈকে অসমৰ ইতিহাসৰ সকলোতকৈ বেছি সমৱেত লোকৰ এক অভিলেখ। বড়ো জাতিৰ কাৰণে উপেন ব্ৰহ্মৰ মৃত্যু এক অপূৰণীয় ক্ষতি আৰু সেই কাৰণেই তেওঁক আজি বড়ো জাতিৰ পিতা বুলি কোৱা হয়।

উপেন ব্ৰহ্মৰ মৃত্যুৰ পিচত বড়ো আন্দোলনৰ নেতৃত্ব লয় চাওমা খুংগুৰ বিছমুতিয়াৰীয়ে। তেওঁৰ নেতৃত্বতেই ১৯৯০ চনৰ ২ জুলাইৰ দিনা নতুন দিল্লীত ষষ্ঠলানি ত্ৰিপাক্ষিক আলোচনা হয়। এই আলোচনাতো একো সিদ্ধান্ত নোলাল। ত্ৰিপাক্ষিক কমিটীখনৰ প্ৰতিবেদন দাখিল কৰা হ'ল যদিও এবছু-বি পি এ চিয়ে সুকীয়া ৰাজ্যৰ দাবীটোৰ পৰা লৰচৰ নকৰিলে।

সপ্তম ত্ৰিপাক্ষিক আলোচনা আৰম্ভ হৈছিল ১৯৯০ চনৰ ৮ আগষ্টৰ পৰা। অসম চৰকাৰে এইবাৰ আলোচনাৰ মেজত ৰাখিছিল সবল পঞ্চায়তীৰাজ

ব্যৱস্থাৰ কথা, যাৰ দ্বাৰা বড়োসকলে নিজেই নিজৰ স্বায়ত্ত শাসন কৰিব পাৰিব। কেন্দ্ৰীয় চৰকাৰেও তাত আগ্ৰহ প্ৰকাশ কৰিলে। এবছু-বি পি এ চি কিন্তু এই প্ৰস্তাৱত কোনোমতে মান্তি নহ'ল। বৰঞ্চ ইয়াৰ পৰিণতি ভয়াৱহহে হ'ব বুলি ঘোষণা কৰিলে। অৱশেষত কেন্দ্ৰীয় চৰকাৰ মান্তি হ'ল যে অসম চৰকাৰৰ স্বায়ত্ত শাসনৰ প্ৰস্তাৱ বড়োসকলৰ কাৰণে যথেষ্ট নহয়।

অষ্টমলানি আলোচনা আছিল সকলোতকৈ গুৰুত্বপূৰ্ণ। ১১ ছেপ্টেম্বৰত অনুষ্ঠিত সেই আলোচনাত আকৌ এবাৰৰ কাৰণে অসম চৰকাৰে সবল পঞ্চায়তীৰাজৰ কথা দোহাৰে আৰু এবছু-বি পি এ চিয়ে আকৌ এবাৰৰ কাৰণে তাক প্ৰত্যাখ্যান কৰে।

উপায়বিহীন হৈ আলোচনা দুদিনৰ কাৰণে স্থগিত ৰখা হয়। এইখিনি সময়তে শ্ৰম মন্ত্ৰী ৰামবিলাস পাছোৱানে দুয়োপক্ষক বেলেগে বেলেগে লগ ধৰে। আকৌ যেতিয়া ১৩ ছেপ্টেম্বৰৰ দিনা বিয়লি আলোচনাত মিলিত হয় তেতিয়া কেন্দ্ৰীয় চৰকাৰে এটা নতুন প্ৰস্তাৱ আনে।

সেই প্ৰস্তাৱ মতে এবছুৱে দাবী কৰা সুকীয়া ৰাজ্য আৰু অসম চৰকাৰে দিব বিচৰা সবল পঞ্চায়তীৰাজৰ বিপৰীতে শ্ৰম মন্ত্ৰী ৰামবিলাস পাছোৱানে ৰাজ্যৰ ভিতৰতে স্বায়ত্ত শাসনৰ প্ৰস্তাৱ দাঙি ধৰে।

এই প্ৰস্তাৱত এবছু মান্তি হয়। তেওঁলোকে কিন্তু দাবী কৰে যে প্ৰস্তাৱিত স্বায়ত্তশাসিত বড়োলেণ্ডৰ চাৰিসীমা নিৰ্ধাৰণ হ'ব লাগিব আৰু ৰাজনৈতিক স্বায়ত্ত শাসন লাগিব।

কেন্দ্ৰীয় চৰকাৰো এই প্ৰস্তাৱত মান্তি হ'ল আৰু প্ৰস্তাৱিত বড়োলেণ্ডৰ চাৰিসীমা নিৰ্ধাৰণ কৰিবৰ কাৰণে তথা বড়োসকলক প্ৰস্তাৱিত স্বায়ত্ত শাসনেৰে কিদৰে ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে সুৰক্ষা দিব পাৰে তাৰ কাৰণে এক তিনিজনীয়া কমিটী গঠন কৰাৰ সিদ্ধান্ত লোৱা হ'ল।

অসম চৰকাৰ এই প্ৰস্তাৱত বৰকৈ বিৰোধিতা কৰিব পৰা অৱস্থাত নাছিল। তথাপি মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই এমাহৰ সময় বিচাৰিলে।

কিন্তু এইখিনি সময়তে বড়োসকলৰ মাজতেই সংঘৰ্ষ আৰম্ভ হ'ল। ২০ ছেপ্টেম্বৰৰ দিনা ভৈয়াম জনজাতি পৰিষদৰ সমৰ্থক থবৰাক কোনো দুষ্কৃতিকাৰীয়ে ৰামফলবিল তিনিআলিত গুলীয়াই হত্যা কৰে। তাৰ লগতে এবছুৰ ৰামচিয়াৰী গোটেও বহু সময়ত এবছুৰ উপেন ব্ৰহ্ম গোটক বিৰোধিতা কৰি আহিছিল।

তাৰ পৰাই আৰম্ভ হয় এবছু আৰু ভৈয়াম জনজাতি পৰিষদৰ সমৰ্থকৰ মাজত এক ভয়াৱহ সংঘৰ্ষ, যি সমগ্ৰ বড়ো অধ্যুষিত এলেকাতে বিয়পি পৰে। ভৈয়াম জনজাতি পৰিষদৰ এক ৰাজনৈতিক প্ৰভাৱ আছিল আৰু কিছু সমৰ্থকো আছিল। এটা ৰাজনৈতিক শক্তি, আনটো অৰাজনৈতিক শক্তি। কিন্তু ৭০ আৰু ৮০ৰ দশকত বড়ো জাতীয়তাবাদী শক্তিটোৰ নেতৃত্ব দি ভৈয়াম জনজাতি পৰিষদে কিছু আপোচ কৰা কাৰণে জনপ্ৰিয়তা কমি আহিছিল।

কিন্তু দুয়োপক্ষৰ মাজত সামাজিক নেতৃত্বৰ এখন শীতল অৰিয়াঅৰি চলি থাকিল। তাৰেই প্ৰতিফলন ঘটিল ২০ ছেপ্টেম্বৰৰ পৰা। এই অৰিয়াঅৰিৰ সবাতোকৈ শোকাৱহ বলি হ'ল বড়ো সাহিত্য সভাৰ সম্পাদক বিহুৰাম বড়ো।

তেওঁৰ হত্যাৰ পটভূমি আছিল বড়োসকলৰ মাজতেই লিপি সম্পৰ্কে থকা দুটা অভিমতক কেন্দ্ৰ কৰি। বড়ো সাহিত্য সভাই দেৱনাগৰী লিপি সমৰ্থন কৰিছিল যদিও মিছনেৰী প্ৰাদুৰ্ভাৱত গঢ় লৈ বড়ো উগ্ৰপন্থী দল নেচনেল ডেম'ক্ৰেটিক ফ্ৰণ্ট অব বড়োলেণ্ডে বিচাৰিছিল ৰোমান লিপি।

আনহাতে এবছু-বি পি এ চিয়ে সুকীয়া ৰাজ্য বিচৰাৰ বিপৰীতে এন ডি এফ বিয়ে বিচাৰিছিল এখন সুকীয়া ৰাষ্ট্ৰ। এন ডি এফ বিয়ে ভাবিছিল যে দেৱনাগৰী লিপি ব্যৱহাৰ কৰিলে ভাৰত ৰাষ্ট্ৰৰ প্ৰভুত্ব মানি লোৱা হ'ব।

প্ৰায় ত্ৰিকোণীয়া হৈ পৰিছিল এই বড়ো সংঘৰ্ষ। এফালে সুকীয়া ৰাজ্য নিবিচৰাকৈ বড়ো জাতিৰ উত্তৰণ বিচৰা ভৈয়াম জনজাতি পৰিষদ, যি আগৰ দুটা দশকৰ একমাত্ৰ বড়ো ৰাজনৈতিক শক্তি আছিল। আনহাতে এবছু-

বি পি এ চি— যাৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তাই ভৈয়াম জনজাতি পৰিষদক লাহে লাহে স্তিমিত কৰি আনিছিল। আনফালে ৰঞ্জন দৈমাৰীৰ নেতৃত্বত সুকীয়া ৰাষ্ট্ৰ বিচৰা বড়ো ছিকিউৰিটী ফ'ৰ্চ, যাক পিচলৈ নামকৰণ কৰা হৈছিল 'নেচনেল ডেম'ক্ৰেটিক ফ্ৰণ্ট অব বড়োলেণ্ড' হিচাপে। এই ত্ৰিকোণীয়া সংঘাতৰ মাজত অনাহকতে জীয়াতু ভুগিব লগা হ'ল সাধাৰণ বড়োসকল। নব্বৈৰ দশকটোৰ শেষৰ ফালে এই ভাতৃঘাতী সংঘৰ্ষত জুৰুলা হৈ পৰিছিল বড়োভূমি।

তাৰ পিচতেই ১৯৯০ চনৰ ২১ অক্টোবৰত কেন্দ্ৰীয় শ্ৰম মন্ত্ৰী ৰামবিলাস পাছোৱানে অশান্ত বড়োভূমি ভ্ৰমণ কৰি কোকৰাঝাৰত এক বিশাল জনসভাত সম্বোধন কৰিছিল। প্ৰায় দুই লাখ লোক সমৱেত হোৱা এই সমাৱেশৰ পিচত বড়ো আন্দোলন এক সমাধানৰ দিশে আগবাঢ়িছে বুলি বড়ো জনসাধাৰণে বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছিল। তেনে আশাৰেই শেষ হৈছিল ৰক্তাক্ত আশীৰ দশকটো।

নেলীৰ হত্যাকাণ্ড

স্বৰাজোত্তৰ অসমত নেলীৰ হত্যাকাণ্ডকে সবাতোকৈ ভয়ংকৰ সাম্প্ৰদায়িক হত্যাকাণ্ড বুলি চিহ্নিত কৰা হৈছে আৰু এই হত্যাকাণ্ডত নেলীৰ ওচৰত থকা তিৱা জনজাতিসকলৰ একাংশই সন্দেহযুক্ত বাংলাদেশী বুলি প্ৰায় ১,৮৯১জন লোকক হত্যা কৰিছিল।

স্বৰাজোত্তৰ ভাৰতৰ এই সৰ্ববৃহৎ হত্যাকাণ্ড সংঘটিত হৈছিল ১৯৮৩ চনৰ ১৮ ফেব্ৰুৱাৰীৰ পুৱাৰ ভাগত। বেচৰকাৰী তথ্য মতে প্ৰায় ৩,০০০ লোকক হত্যা কৰা হৈছিল যদিও চৰকাৰীভাৱে ইয়াক ১,৮৯১জন বুলি কোৱা হয়। নেলী অঞ্চলৰ মুঠ ১৪খন গাঁও এই নৰসংহাৰৰ বলি হৈছিল আৰু ১৯৮৩ৰ নিৰ্বাচনৰ

সময়ত হোৱা সাম্প্ৰদায়িক বাতাৱৰণেই ইয়াৰ কাৰণ আছিল।

১৯৮৩ চনৰ নিৰ্বাচন সদৌ অসম ছাত্ৰ সন্থাই বাৰণ কৰাৰ পিচতো নিৰ্বাচনত ভাগ লোৱাৰ কাৰণে তিৱাসকল প্ৰতিশোধপৰায়ণ হৈ মুছলমানসকলক আক্ৰমণ কৰিছিল বুলি সন্দেহ কৰা হয় আৰু এই হত্যাকাণ্ড সংঘটিত কৰাত ছাত্ৰ সন্থাৰ স্থানীয় নেতাসকলে প্ৰৰোচনা কৰিছিল বুলি বহুতে ভাবে।

হত্যাকাণ্ডৰ মূল কাৰণ আছিল ১৯৮৩ ৰ নিৰ্বাচন। অসম আন্দোলনৰ বাধা নেওচি যেতিয়া নিৰ্বাচনী আয়োগে অসমত বিধানসভাৰ নিৰ্বাচন পতাৰ কথা ঘোষণা কৰিলে তেতিয়া সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদে ইয়াক বৰ্জন কৰাই নহয়, বিৰোধিতাও কৰিলে। এই বৰ্জনৰ প্ৰতি সমৰ্থন জনাই কংগ্ৰেছ আৰু বাঁওপন্থী দলবোৰৰ বাহিৰে সকলো ৰাজনৈতিক দলেই নিৰ্বাচন বৰ্জন কৰি আন্দোলনৰ প্ৰতি সঁহাৰি দিছিল। সাধাৰণ ৰাইজেও, বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ জনসাধাৰণে এই বৰ্জনৰ সপক্ষে থিয় দিছিল আৰু সমগ্ৰ ৰাজ্যখনতে এক নিৰ্বাচনবিৰোধী পৰিস্থিতিয়ে গা কৰি উঠিছিল। কিন্তু কেন্দ্ৰীয় চৰকাৰ আৰু স্থানীয় কংগ্ৰেছ (আই) নেতাসকল কিন্তু নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নাচোৰবান্দা আছিল।

এফালে নিৰ্বাচন পাতিবলৈ নিৰ্বাচনী আয়োগৰ সাংবিধানিক বাধ্যবাধকতা আনহাতে অসম আন্দোলনৰ সমৰ্থকসকলৰ যুযুধান স্থিতিত অসম জ্বলি গৈছিল। আন্দোলনকাৰীৰ মূল যুক্তি যে যিহেতু ভোটাৰ তালিকা বাংলাদেশী লোকেৰে ভৰি আছে, গতিকে ভোটাৰ তালিকা শুদ্ধ নোহোৱালৈকে নিৰ্বাচনী প্ৰক্ৰিয়া স্থগিত ৰাখিব লাগে।

শাসনাধিষ্ঠিত কংগ্ৰেছ দলে সেয়া মানি নল'লে আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ অসহযোগ আৰু বাধা-বিঘিনিৰ মাজেৰে আগুৱাই গ'ল। অৱশ্যে বৰাক উপত্যকা আৰু পাহাৰীয়া জিলাকেইখনত ইয়াৰ প্ৰভাৱ কম আছিল। অসম পুলিচৰ হৈ তেতিয়াৰ আৰক্ষী উপ-মহাপৰিদৰ্শক কে

পি এছ গিলে প্ৰতিবেদন দিছিল যে অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ ৬৩টাত নিৰ্বাচন পতা সম্ভৱ আৰু ২৩টাত নিৰ্বাচন পতা অসম্ভৱ।

তৎসত্ত্বেও নিৰ্বাচন প্ৰক্ৰিয়া আগবাঢ়ি গ'ল আৰু লগে লগে অসমজুৰি আৰম্ভ হ'ল হত্যা-হিংসাৰ দাবানল। ফেব্ৰুৱাৰীৰ প্ৰথম পষেকটোত ব্ৰহ্মপুত্ৰ উপত্যকাত উজনিৰ পৰা নামনিলৈ হিংসাত্মক কাৰ্য বিয়পি গ'ল। ইয়াৰ মূল কাৰণ হ'ল অভিবাসী মুছলমানসকলৰ কংগ্ৰেছক সমৰ্থন আৰু নিৰ্বাচনত অংশগ্ৰহণৰ সিদ্ধান্ত। সেয়েহে সাম্প্ৰদায়িক ৰূপ লৈ পেলালে আন্দোলনটোৱে।

নিৰ্বাচন চমু চাপি অহাৰ লগে লগে ১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ল হত্যাৰ প্ৰতিযোগিতা। সাম্প্ৰদায়িক সংঘৰ্ষ, প্ৰতিবাদী সমদল, পুলিচৰ গুলীচালনা আৰু কূটাঘাতমূলক কাৰ্য চাৰিওফালে বিয়পি পৰিল। প্ৰতিদিনেই কিবা নহয় কিবা হিংসাত্মক ঘটনা হ'বলৈ ধৰিলে। অভিবাসী মুছলমানসকলে নিজৰ সুৰক্ষাৰ কাৰণে কংগ্ৰেছৰ কাষ চাপিল আৰু লগে লগেই আন্দোলনকাৰীৰ মূল লক্ষ্য হৈ পৰিল। দুয়োপক্ষৰ আক্ৰমণ আৰু প্ৰত্যাক্ৰমণ চলিল।

প্ৰায় প্ৰতিদিনেই হত্যালীলা আৰু পুলিচৰ গুলীচালনাৰ যেন প্ৰতিযোগিতা। তাৰ মাজেৰে নিৰ্বাচন অনুষ্ঠিত হ'ল। মুঠ ভোটাৰৰ ৩২ শতাংশ ভোটাৰেহে ভোট দিলে, কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাৰ জিলাসমূহত ভোটদান নগণ্য হ'ল। উজনি অসম আৰু কামৰূপত আৰু কম ভোটদান হ'ল। যিসকলে ভোটদান কৰিলে সেইসকল হৈ পৰিল গণশত্ৰু আৰু লগে লগেই প্ৰতিশোধৰ পৰিকল্পনা ৰচনা হ'ল। য'তেই পাৰিলে তাতেই পোটক তোলা হ'ল।

নেলীৰ হত্যাকাণ্ড তেনে এক প্ৰতিশোধমূলক পৰিকল্পনাৰ ফচল। ১৪ ফেব্ৰুৱাৰীত হোৱা প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ কাৰ্যসূচীত নেলীৰ কিছু লোকে ভোট দিছিল। সেয়া ছাত্ৰ সন্থাৰ বা ওচৰৰ তিৱা জনজাতীয় লোকসকলৰ পছন্দ নহ'ল। তদুপৰি তিৱাসকল আৰু মুছলমানসকলৰ সম্পৰ্কও কিছুদিনৰে পৰা বেয়া হৈ আহিছিল।

সেয়েহে প্ৰতিশোধৰ পৰিকল্পনা ৰচনা কৰা হ'ল। ১৪ আৰু ১৫

ফেব্রুৱাৰীত স্থানীয় ছাত্র সন্থাৰ নেতাৰ উদ্যোগত তিৱা সম্প্রদায়ৰ লোকৰ মাজত কেইবালানিও সভা পাতি নেলীৰ ওচৰে-পাঁজৰে থকা মুছলমান গাঁওকেইখন আক্রমণ কৰিবলৈ পৰিকল্পনা কৰা হ'ল। বুজাই দিয়া হ'ল যে তেওঁলোক দৰাচলতে বাংলাদেশী আৰু তিৱাসকলৰ ভূমি লাহে লাহে দখল কৰিছে। বেদখলৰ এই প্রক্রিয়া অব্যাহত থাকিলে কম দিনৰ ভিতৰতে তিৱাসকলৰ সমগ্র ভূমি বাংলাদেশীৰ হাতত পৰিব বুলি তিৱাসকলক পতিয়ন নিওৱা হ'ল।

অসমৰ চাৰিওফালে সি সাম্প্রদায়িক সংঘর্ষৰ বাতাৱৰণ সেই সময়ত চলি আছিল, তাৰ প্রতি লক্ষ্য ৰাখি নেলী অঞ্চলৰ মুছলমান লোকসকলেও তেনে আক্রমণৰ উমান পাই আতংকিত হৈ পৰিছিল।

উল্লেখযোগ্য যে নির্বাচনৰ প্রাকমুহূর্তত এচাম লোকে মুছলমান অধ্যুষিত অঞ্চলবোৰত প্রচাৰ কৰিছিল যে ভোটদান নকৰিলে বিদেশী হিচাপে চিনাক্ত কৰা হ'ব। সেই কাৰণে নগণ্যসংখ্যক লোকে নেলী ভোটকেন্দ্রত ভোটদান কৰিছিল। সেয়াই হৈ পৰিছিল নেলীৰ হত্যাকাণ্ডৰ মূল কাৰণ।

হিংসাত্মক ঘটনাৱলী সংঘটিত কৰাত যে আন্দোলনকাৰীক এচাম আৰক্ষী বিষয়াই সহায় কৰিছিল তাৰো প্রমাণ পোৱা যায়; কিয়নো নেলীৰ ঘটনাটোৰ পূর্বাভাস অসম আৰক্ষীয়ে পাইছিল যদিও একাংশ পুলিচ বিষয়াই তাক গুৰুত্ব নিদিলে।

সেই সময়ৰ নগাঁও থানাৰ ভাৰপ্রাপ্ত বিষয়া জহিৰুদ্দিন আহমেদে মৰিগাঁৱৰ ৫নং বেটেলিয়নৰ কমাণ্ডেণ্ট, মহকুমা আৰক্ষী বিষয়া আৰু জাগীৰোড থানাৰ ভাৰপ্রাপ্ত বিষয়া ভদ্রকান্ত চেতিয়ালৈ এনেধৰণৰ সাম্প্রদায়িক সংঘর্ষ হ'ব পাৰে বুলি আগতীয়াকৈ জৰুৰী বার্তা ১৫ ফেব্রুৱাৰীতেই পঠিয়াইছিল।

নেলীৰ হত্যাকাণ্ডৰ ওপৰত যি তদন্ত আয়োগ গঠন কৰা হৈছিল, সেই তিৱাৰী আয়োগৰ সাক্ষ্যত ওলাই পৰিছিল যে জহিৰুদ্দিন আহমেদে ১৫

ফেব্ৰুৱাৰীতেই জৰুৰী বাৰ্তা পঠিয়াইছিল, য'ত জনোৱা হৈছিল যে প্ৰায় ১,০০০মান তিৱা সম্প্ৰদায়ৰ লোকে জুই জ্বলাই, ডবা বজাই আক্ৰমণৰ কাৰণে সাজু হৈছিল।

সাক্ষ্য প্ৰদানৰ সময়ত ৫নং বেটেলিয়নৰ কমাণ্ডাৰ এম এন এ কবীৰে স্বীকাৰ কৰিছিল যে সেই জৰুৰী বেতাঁৰ বাৰ্তা তেওঁৰ পৰিবাৰৰ হাতত দিয়া হৈছিল বাবে তেওঁ কিছু পলমকৈ বাৰ্তা পাইছিল। কিন্তু মৰিগাঁও থানাৰ বিষয়া প্ৰমোদ চেতিয়াই জনাইছিল যে বেতাঁৰ বাৰ্তাটো কমাণ্ডেণ্টৰ টেবুলত ৰাখি থৈ অহা হৈছিল।

আনহাতে জাগীৰোড থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰকান্ত চেতিয়াই তিৱাৰী আয়োগৰ আগত জনাইছিল যে তেওঁ সেই জৰুৰী বাৰ্তা এক বেলেগ ফাইলৰ ভিতৰত থৈ দিয়াৰ কাৰণে সময় মতে দেখা নাপালে। এই তিনিজন আৰক্ষী বিষয়াই যদি সময় মতে ব্যৱস্থা ল'লেহেঁতেন তেনেহ'লে নেলীৰ হত্যাকাণ্ড নহ'লহেঁতেন। ঠিক একে সময়তে স্থানীয় হিন্দু লোকসকলে নগাঁৱৰ আৰক্ষী অধীক্ষকৰ কাষ চাপিছিল। তেওঁলোকে লিখিতভাৱে সাম্প্ৰদায়িক সংঘৰ্ষৰ সম্ভাৱনা আছে বুলি অধীক্ষকক জনাইছিল। সেয়া আছিল ১৫ ফেব্ৰুৱাৰীৰ কথা।

সেইদিনাই আৰক্ষী অধীক্ষকে আৰক্ষী উপ-মহাপৰিদৰ্শক গিলৰ নিৰ্দেশ অনুযায়ী জাগীৰোড থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভদ্ৰকান্ত চেতিয়াক সমগ্ৰ অঞ্চলটোত টহল দিবলৈ কয় আৰু লগতে শান্তি সমিতি গঠন কৰিবলৈ নিৰ্দেশ দিয়ে।

১৭ ফেব্ৰুৱাৰীৰ দিনা চেতিয়াই বৰবৰী নামৰ গাঁওখন ভ্ৰমণ কৰে। বৰবৰীত সকলো গাঁওবাসীয়ে সংঘৰ্ষৰ আশংকা কৰি স্থায়ী পুলিচী পহৰাৰ ব্যৱস্থাৰ কাৰণে চেতিয়াক টানি অনুৰোধ কৰিছিল। কিন্তু আৰক্ষীৰ সংখ্যা তাকৰ বুলি বৰবৰী গাঁৱৰ পৰা চেতিয়া আৰু আৰক্ষীৰ দলটো আঁতৰি আহিল। তাত কোনো টহলদাৰী পুলিচৰ ব্যৱস্থা কৰা নহ'ল।

পিচদিনা পুৱা ৮মান বজাত আক্ৰমণ আৰম্ভ হৈছিল। চাৰিওফালৰ পৰা জোং, যাঠী, বন্দুক, ধনু-কাঁড় আৰু জোঁৰ লৈ শ শ তিৰা মানুহে নেলী অঞ্চলৰ প্ৰায় এক ডজন গাঁও ঘেৰি ধৰিলে। এফালৰ পৰা ঘৰবোৰত জুই দিয়াত মানুহবোৰ আশ্ৰয়হীন হৈ পৰিল। চাৰিওফালে হাহাকাৰ অৱস্থা। বহু লোকে পথাৰত জুম বান্ধিলে।

ধনু কাঁড়, বন্দুকৰ গুলী আৰু তাৰ বাহিৰেও এচামে দাৰে কাটি গ'ল। চাৰিওফালে সকলো পলাবৰ চেষ্টা কৰিলে। কিন্তু আক্ৰমণকাৰীৰ সংখ্যা বহু বেছি হোৱা কাৰণে বেছিভাগেই পলাব নোৱাৰিলে।

পুৱা ৮ বজাৰ পৰা আৰম্ভ হোৱা সেই নৰসংহাৰ আবেলি চাৰি বজালৈকে চলিছিল। তিনিজন সাংবাদিক এই ঘটনাৰ সাক্ষী আছিল। তেওঁলোক আছিল ইণ্ডিয়ান এক্সপ্ৰেছৰ হেমেন্দ্ৰ নাৰায়ণ, আছাম ট্ৰিবিউনৰ বেদব্ৰত লহকৰ আৰু এ বি চি নিউজৰ শৰ্মা। পুলিচো জাগীৰোড থানাৰ পৰা বহু দেৰিকৈ নেলীত উপস্থিত হৈছিল।

একেলগে ১৪খন গাঁৱত এই আক্ৰমণ চলিছিল। সেই গাঁওকেইখনৰ নাম আছিল ভোগডোবা হাবি, ভোগডোবা বিল, আলিশিঙা, মাটিপৰ্বত, ১নং মূলাধাৰী, ২নং মূলাধাৰী, শিলভেটা, বৰিজলাহ, নেলী, ভাতানীমাৰা, এন্দুৰমাৰী, ভাইতাতী, বৰবৰী আৰু মিকিৰভেটা।

ইয়াৰে বৰবৰী নামৰ গাঁওখনতেই সেইদিনটোত ৫৮৫জন লোকক হত্যা কৰা হৈছিল। সমগ্ৰ দিনৰ পোহৰতে নিৰ্বিৰ্বাদে এই হত্যাকাণ্ড বিনাবাধাই সম্পন্ন কৰা হৈছিল। কাৰণ এইক্ষেত্ৰত কাৰো পৰা কোনো বাধা নাছিল।

এই বাতৰি তিনিজনকৈ সংবাদদাতাৰ সন্মুখতে হৈছিল যদিও অসম আন্দোলনক অন্ধভাৱে সমৰ্থন কৰা কেউখন দৈনিক বাতৰিকাকতত এই বাতৰি পিচদিনা প্ৰকাশ হোৱা নাছিল। মাথোঁ 'আছাম ট্ৰিবিউন'ত কেইটামান পেৰাগ্ৰাফৰ এক সৰু বাতৰি প্ৰকাশ হৈছিল। অৱশ্যে দিল্লীত 'ইণ্ডিয়ান এক্সপ্ৰেছ'ত হেমেন্দ্ৰ নাৰায়ণৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ পায় আৰু

তাকে দেখি বিবিচিৰ সংবাদদাতা সতীশ জেকবে দিল্লীৰ পৰা পুৱাই বিমান ধৰি দুপৰীয়া নেলী পাইছিলহি। বিবিচিৰ দুপৰীয়াৰ বাতৰিৰ পিচতহে সমগ্ৰ বিশ্বই গম পাইছিল ইয়াৰ ভয়াৱহতাৰ কথা।

তেতিয়াহে আগদিনাৰ নৰসংহাৰৰ সম্পূৰ্ণ প্ৰতিচ্ছবি জানিব পৰা গৈছিল। হাজাৰ হাজাৰ শৱদেহৰ গণকবৰ দিয়া প্ৰক্ৰিয়া আৰম্ভ হোৱাত সমগ্ৰ বিশ্ব যেন স্তম্ভিত হৈছিল। সতীশ জেকবৰ বিবিচিৰ বাতৰিয়েহে বিশ্বক এই ঘটনাৰ গভীৰতা জনাই দিছিল। অসমৰ বাতৰিকাকতসমূহে তাৰ পিচদিনাহে অৰ্থাৎ নৰসংহাৰৰ ৬৪ ঘণ্টাৰ পিচতহে বাতৰি পৰিবেশন কৰিছিল।

প্ৰায় ৫০০ মিটাৰ দীঘল গাঁত খান্দি ৩ হাজাৰজন লোকক গণকবৰ দিয়া হৈছিল। অসম চৰকাৰৰ মতে ১,৮৯১ জনক হত্যা কৰা হৈছিল। বেচৰকাৰী তথ্য মতে সেই সংখ্যা ৩,৩০০ জন। কিন্তু সত্য এয়ে যে এই সংখ্যা স্বৰাজোত্তৰ ভাৰতত সবাতোকৈ ভয়াৱহ। কোনো সাম্প্ৰদায়িক সংঘৰ্ষতে একেদিনাই ইমান লোকক হত্যা কৰা হোৱা নাছিল।

নেলীৰ ঘটনাৰ লগত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰত্যক্ষ সম্পৰ্ক নাথাকিলেও তিৰা সহজ-সৰল লোকসকলক ছাত্ৰ সন্থাৰ সদস্যসকলেই যে প্ৰৰোচিত কৰিছিল সেয়া সম্পূৰ্ণ পৰিষ্কাৰ আছিল।

উল্লেখযোগ্য যে ঘটনাৰ প্ৰায় দুমাহৰ পিচত চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই ১৯৮৩ চনৰ ১০ এপ্ৰিলৰ দিনা সংবাদমেল অনুষ্ঠিত কৰি ছাত্ৰ সন্থাৰ 'স্বেচ্ছাসেৱক বাহিনী'ৰ সাম্প্ৰদায়িক কাৰ্যকলাপৰ লগত সম্পৰ্ক থকাৰ অভিযোগ আনিছিল। সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰদৰ্শন কৰা নথি-পত্ৰৰ মাজত আছিল সংখ্যালঘু লোকৰ অধ্যুষিত এলেকাৰ মানচিত্ৰ আৰু সেই অঞ্চলত কোন পথেৰে কিদৰে আক্ৰমণ কৰিব লাগিব তাৰ নিৰ্দেশনা সন্নিৱিষ্ট ৰেখাচিত্ৰ। তেওঁ ক'ব বিচাৰিছিল ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনী এই হত্যালীলাৰ লগত প্ৰত্যক্ষভাৱে জড়িত আছিল।

কিন্তু দুৰ্ভাগ্যবশতঃ নেলীৰ হত্যাকাণ্ডৰ কোনো বিচাৰ আজিকোপতি নহ'ল। মুঠ ৬৬৮টা গোচৰ ৰুজু হৈছিল যদিও মাথোঁ ৩১০টা গোচৰৰ ক্ষেত্ৰতহে চাৰ্জশ্বীট দাখিল হৈছিল। প্ৰতিজন আহতক ২,০০০ টকা আৰু ঘৰ বান্ধিবলৈ এক বাণ্ডিল টিনপাত দিয়া হ'ল আৰু প্ৰতিজন মৃতকৰ কাৰণে ৫,০০০ টকাকৈ এককালীন সাহায্য দিয়া গ'ল।

তিৱাৰী প্ৰতিবেদনৰ মতে আকৌ ৬৬১জন লোককহে হত্যা কৰা হৈছিল আৰু তাৰে ১৪৩জনক চিনাক্ত কৰিব পৰা গৈছিল। ৬৮৮গোচৰৰ ভিতৰত ৩৭৮টা গোচৰ সাক্ষ্যৰ অভাৱত বন্ধ কৰা হৈছিল।

পিচত অগপ চৰকাৰ শাসনলৈ অহাত ৩১০টা চাৰ্জশ্বীট হোৱা গোচৰো অসম চুক্তিৰ আধাৰত তুলি লোৱা হ'ল। অৰ্থাৎ স্বৰাজোত্তৰ ভাৰতৰ সৰ্ববৃহৎ নৰসংহাৰৰ কাৰণে এজনকো দোষী সাব্যস্ত কৰিব পৰা নগ'ল।

তিৱাৰী কমিছনৰ প্ৰতিবেদনখনো ১৯৮৫ চনৰ পিচৰ প্ৰতিখন চৰকাৰে গাপ দি থ'লে। মাত্ৰ তিনিটা কপী থকা তিৱাৰী কমিছনৰ প্ৰতিবেদন আজিকোপতি প্ৰকাশ নাপালে অথচ ১৯৮৪ চনতেই এই প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰা হৈছিল।

দুৰ্ভগীয়া বহু আহত লোকে চুবুৰীয়া আক্ৰমণকাৰী তিৱাসকলক চিনি পাইছিল। কিন্তু কোনো এজনকো শাস্তি দিয়াবলৈ সক্ষম নহ'ল।

সকলোৱে ধৰিব পাৰিছিল যে অসম আন্দোলনৰ স্থানীয় নেতাসকলেই তিৱাসকলক উচটাই এই হত্যাকাণ্ড সংঘটিত কৰিছিল। হতভগীয়া মুছলমানসকলে কোনোধৰণৰ গোচৰ ৰুজু কৰিবলৈ সাহসেই গোটাব নোৱাৰিলে। বৰবৰী গাঁৱৰ নুৰজামাল ভূঞাই জাগীৰোড থানাত এটা গোচৰ ৰুজু কৰিছিল আৰু সাক্ষ্য প্ৰমাণ লৈ চাৰ্জশ্বীটো হৈছিল। কিন্তু কাৰো শাস্তি নহ'ল।

ঘটনাৰ চাৰি দিনৰ পিচত ২১ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী নেলীলৈ আহিছিল। পিচলৈ বিভিন্ন অধ্যয়নত দেখা গৈছে যে হত্যাকাণ্ডটো

ঘটি যোৱাৰ পিচত ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে ইয়াৰ দায়িত্ব স্বীকাৰ নকৰি সকলো দোষ তিৱাসকলৰ ওপৰত জাপি দিয়ে। তাৰ কাৰণে পিচলৈ তিৱা সমাজ ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ পৰা ক্ৰমান্বয়ে আঁতৰি আহিছিল।

আনহাতে আন্দোলনকাৰী নেতাসকলৰ মতে এই গণহত্যাৰ কাৰণ বহুদিনীয়া। স্থানীয় বাসিন্দাসকল নিজা ভূমিৰ পৰা বঞ্চিত হ'ব লগাটোৱেই এই হিংসাৰ মূল কাৰণ।

এই ঘটনাই কাকো শাস্তি দিব নোৱাৰিলেও কিন্তু সদৌ অসম ছাত্ৰ সন্থাৰ ভিতৰচ'ৰাত এক আলোড়নৰ সৃষ্টি কৰিছিল। ছাত্ৰ সন্থাৰ মুছলমান নেতাসকলে ১৯৮৩ চনৰ ১১ আৰু ১২ এপ্ৰিলৰ দিনা গুৱাহাটীৰ বি বৰুৱা কলেজত মিলিত হৈ একপ্ৰকাৰ আছুৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ বিৰুদ্ধে জেহাদ ঘোষণা কৰিছিল। তেওঁলোকে সেই সময়ৰ ছাত্ৰ সন্থাৰ স্বেচ্ছাসেৱক বাহিনীৰ সৰ্বাধিনায়ক জয়নাথ শৰ্মাক নেলীকে আদি কৰি বিভিন্ন নৰসংহাৰৰ মূল মানুহ বুলি চিনাক্ত কৰি ছাত্ৰ সন্থাৰ পৰা বহিষ্কাৰৰ দাবী তুলিছিল। ইয়াৰ বাহিৰেও সাধাৰণ মুছলমানক ৰক্ষণাবেক্ষণ দিবৰ কাৰণে মুঠ ১৫টা প্ৰস্তাৱ লৈছিল। এই সভাত ভাগ লৈছিল মণিৰুজ জামান, নেকিবুৰ জামান, আব্দুল হান্নান, নুৰুল হুছেইন, মতিউৰ ৰহমান আৰু নজৰুল ইছলামৰ দৰে কেইবাজনো ছাত্ৰ সন্থাৰ মুছলমান নেতাই।

১৯৮৩ চনৰ ২৮ আৰু ২৯ এপ্ৰিলত মুছলমান ছাত্ৰকেইজনৰ পত্ৰখন ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহকত বিশদভাৱে আলোচিত হয় আৰু এই পত্ৰৰ উত্তৰ হিচাপে এক দীঘলীয়া উত্তৰ দিয়া হয়।

থূলমূলকৈ এই উত্তৰৰ বক্তব্য এনেকুৱা যে ধৰ্মৰ ভিত্তিত বিদেশী বিতাড়ণৰ আন্দোলন চলোৱা হোৱা নাই আৰু জয়নাথ শৰ্মাৰ ওপৰত যিবোৰ অভিযোগ আহিছে সেইবোৰৰ সত্যতা নাই।

কিন্তু উক্ত পোন্ধৰ দফীয়া দাবীচনদ ৰচনা কৰা আৰু সেয়া আছুৰ নেতৃবৃন্দৰ হাতত অৰ্পণ কৰাৰ অপৰাধত নুৰুল হুছেইনক ছাত্ৰ সন্থাৰ পৰা

নিলম্বিত আৰু সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সভাপতি নেকিবুৰ জামান, উপদেষ্টা জেহিৰুল ইছলাম, সাংগঠনিক সম্পাদক জেহিৰুল হক আৰু বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নাজিৰুল ইছলামক ছাত্ৰ সন্থাৰ পৰা বহিষ্কাৰ কৰা হয়। সদৌ অসম ছাত্ৰ সন্থাৰ মতে কংগ্ৰেছে এই মুছলমান ছাত্ৰ নেতাকলক উচটাই এই সভাখন কৰাইছিল।

নেলীৰ ঘটনাই আজিও অসমৰ জাতীয় জীৱনক জোকাৰি থাকে। সৌভাগ্যৰ কথা যে এনে এক বৰ্বৰ সাম্প্ৰদায়িক হত্যাকাণ্ড সংঘটিত হোৱাৰ পিচতো কিন্তু অসমত সাম্প্ৰদায়িক বিষবাষ্প সম্প্ৰসাৰিত নহ'ল। অৱশ্যে ধৰ্মৰ আধাৰত শত্ৰুতা নিৰূপণৰ প্ৰক্ৰিয়া অবিৰতভাৱে চলি থাকিল।

১৯৮৩ৰ নিৰ্বাচন

বিনাদ্বিধাই ক'ব পাৰি যে স্বৰাজোত্তৰ অসমৰ সবাতোকৈ ভয়াৱহ মাহটো আছিল ১৯৮৩ চনৰ ফেব্ৰুৱাৰী মাহ। এই মাহতে অসমত নিৰ্বাচন পতাৰ চৰকাৰী আঁকোৰগোঁজ সিদ্ধান্ত আৰু আনহাতে নিৰ্বাচনবিৰোধী প্ৰতিহিংসাই ৰাজ্যখনক এনেকৈ ছানি ধৰিছিল যে তাৰ দ্বিতীয় উদাহৰণ সমগ্ৰ দেশখনতে আজিলৈকে পাবলৈ নাই। প্ৰায় ৫০০মান লোকৰ সাম্প্ৰদায়িক সংঘৰ্ষ, পুলিচৰ গুলীচালনা আৰু নিৰ্বাচনী প্ৰতিহিংসাত মৃত্যু হৈছিল। বিদেশী বিতাড়নৰ সেই অন্ধ আৱেগৰ মাজতে আকৌ আন্দোলনৰ নেতৃবৃন্দই এনে কিছুমান আচৰিত আপোচ কৰিছিল, যিবোৰৰ প্ৰকৃত সত্য যোৱা ২৮ বছৰে গাপ দি থৈ দিয়া হ'ল।

অসমীয়া কোন, অসমীয়া জাতীয়তাবাদী শক্তিৰ দৌৰ কিমান আৰু কিদৰে জনজাতীয় আৰু মুছলমান লোকসকলৰ মাজত এক সন্দেহৰ ভাব সুমুৱাই দিয়া হৈছে তাক এই নির্বাচনে চিৰদিনৰ কাৰণে উদঙাই দিছিল।

১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা বিদেশী বহিষ্কাৰ আন্দোলন ১৯৮০ চনত একেবাৰে তুংগত উঠেগৈ আৰু এটা সময়ত কার্যতঃ আন্দোলনকাৰীয়ে সমগ্র চৰকাৰখনকে একপ্রকাৰ নিয়ন্ত্রণলৈ লৈ আনে।

বিধানসভাৰ ভিতৰে-বাহিৰে, অসমবাসীৰ আছিল আন্দোলনৰ প্রতি অকুণ্ঠ সমর্থন। জনতা চৰকাৰৰ পতনৰ পিচত অসমক ৰাজনৈতিক অস্থিৰতাই ছানি ধৰিছিল আৰু যোগেন্দ্র নাথ হাজৰিকা, আনোৱাৰা টাইমুৰ আৰু কেশৱ গগৈৰ চৰকাৰো বেছি দিন টিকা নাছিল। তিনিখন চৰকাৰৰ অস্থিৰতাৰ পিচত অৱশেষত ১৯৮২ চনৰ ১৯ মার্চত অসম বিধানসভা ভংগ কৰি দিয়া হয়। ভংগ কৰি দিয়াৰ ছমাহৰ ভিতৰতে আকৌ নির্বাচন পতাৰ নিয়ম যদিও অসমৰ পৰিস্থিতি নির্বাচন পাতিবলৈ অনুকূল নাছিল। এনে এক পৰিস্থিতিত কেন্দ্রীয় চৰকাৰে ছমাহৰ পৰা এবছৰলৈকে ৰাষ্ট্রপতিৰ শাসন বৃদ্ধি কৰে আৰু একে সময়তে আন্দোলনকাৰীসকলৰ লগত আলোচনাও চলাই যায়। উদ্দেশ্য আছিল আলোচনাৰ মাজেৰে ৰাজ্যখনত এক নির্বাচনমুখী পৰিৱেশ ঘূৰাই অনা।

১৯৮২ চনৰ মাজভাগলৈ আলোচনা এক মীমাংসাৰ ফালে আগবাঢ়িছিল। সেই কাৰণে ২৪ আগষ্টত আলোচনাত ভাগ ল'বলৈ সদৌ অসম ছাত্র সন্থা আৰু সদৌ অসম গণ সংগ্রাম পৰিষদৰ ৩৩জনীয়া দল এটা নতুন দিল্লীলৈ আলোচনালৈ যায়।

এই আলোচনাত ১৯৬১ আৰু ১৯৭১ চনৰ ভিতৰত প্রৱেশ কৰা বিদেশী নাগৰিক চিনাক্তকৰণৰ নীতিক লৈ চৰকাৰ আৰু অসম আন্দোলনকাৰী নেতাসকলে প্রায় দুঘণ্টা কাল আলোচনা কৰে।

১৯৮২ চনৰ ২৮ আগষ্টৰ ভিতৰত ১২৬টা বিধানসভা সমষ্টিত একোখনকৈ বিদেশী ন্যায়াধিকৰণ গঠন কৰিবলৈ দিয়া প্রস্তাৱক

আন্দোলনকাৰীসকলে গ্ৰহণ কৰে যদিও এনে ন্যায়াধিকৰণ কিভাৱে গঠন কৰা হ'ব সেইটো থিৰাং নহ'ল।

সকলো পক্ষই ঐকমত্যত উপনীত হ'ল যে অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ প্ৰত্যেকটোৰ বাবে একোখনকৈ ন্যায়াধিকৰণ গঠন কৰা হ'ব। ১৯৭৭ চনৰ ভোটাৰ তালিকাক ৰাষ্ট্ৰীয় তালিকা হিচাপে ব্যৱহাৰ কৰা হ'ব আৰু সেই তালিকাত নাম থকা যিকোনো নাগৰিকে বা এদল নাগৰিকে ন্যায়াধিকৰণৰ ওচৰত সেই তালিকাৰ কোনো লোকক ভাৰতৰ নাগৰিক নহয় বুলি তেওঁৰ নাম তালিকাৰ পৰা বাদ দিবলৈ আৱেদন জনাব পাৰিব।

মাথোঁ বাকী আছিল বিদেশী চিনাক্তকৰণৰ ভিত্তি বছৰটোৰ। প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে ইয়াৰ আগতেই শংকৰ দয়াল শৰ্মাৰ হতুৱাই ১৯৬৭ চনক ভিত্তি বছৰ হিচাপে প্ৰস্তাৱ আগবঢ়াইছিল। কিন্তু সদৌ অসম ছাত্ৰ সন্থাই ইয়াক নামানিলে। তেওঁলোকে ১৯৫১ চনটো বিদেশী চিনাক্তকৰণৰ ভিত্তি বছৰ হিচাপে বিচাৰিলে।

আনহাতে চৰকাৰৰ সন্মুখত নিৰ্বাচন পতাৰ সাংবিধানিক বাধ্যবাধকতা আহিবলৈ আৰম্ভ হৈছিলেই। ২ নৱেম্বৰ, ১৯৮২ত বিত্ত মন্ত্ৰী প্ৰণৱ কুমাৰ মুখাৰ্জীয়ে অসমত ৰাষ্ট্ৰপতি শাসন নিৰ্দিষ্ট এবছৰৰ পিচতো অব্যাহত ৰাখিব পৰাকৈ সংবিধান সংশোধনী বিল এখন গৃহীত কৰাৰ বাবে সংসদৰ দুয়ো সদনৰ বিৰোধী নেতাসকলৰ এখন বৈঠক আহ্বান কৰে। কিন্তু এই বিষয়ে কোনো সিদ্ধান্তত উপনীত হ'ব পৰা নগ'ল। বাওঁপন্থী দলবোৰে নিৰ্বাচন বিচাৰিছিল কিন্তু লোক দল, জনতা দল আৰু ভাৰতীয় জনতা পাৰ্টীয়ে নিৰ্বাচনৰ কাৰণে অসমত উপযুক্ত পৰিৱেশ নাই বুলি কয়।

সকলোৱে আলোচনাৰ মাধ্যমেৰে আন্দোলনকাৰীসকলৰ লগত এক মীমাংসাত অৱতীৰ্ণ হ'ব বুলি আশা কৰি বিলখন সংসদৰ শীতকালীন অধিৱেশনত গৃহীত নকৰিলে।

ইফালে সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৃন্দই কাৰ্যনিৰ্বাহকত সিদ্ধান্ত

লৈ পেলাইছিল যে জানুৱাৰী মাহত হ'বলগীয়া পৰৱৰ্তী আলোচনাত আন্দোলনকাৰীৰ ফালৰ পৰা দ্বিতীয় স্তৰৰ নেতৃবৃন্দৰ এটা দলে আলোচনাত অংশগ্ৰহণ কৰিব।

কৌশলগতভাৱে লোৱা এই সিদ্ধান্তৰ মূল উদ্দেশ্য আছিল যে আলোচনা যদি এক মীমাংসাৰ ফালে আগবাঢ়ে তেনেহ'লে মূল নেতৃবৃন্দই আলোচনাত ভাগ ল'ব আৰু যদি আলোচনা ব্যৰ্থ হৈ নিৰ্বাচন ঘোষণা কৰে, তেনেহ'লে প্ৰথমলানি নেতৃত্বই আত্মগোপন কৰি আন্দোলনৰ নেতৃত্ব দি অসমত নিৰ্বাচন বিফল কৰিব।

কিন্তু এক ৰহস্যময় পৰিবেশৰ মাজেৰে কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তক উলাই কৰি ১৯৮৩ চনৰ জানুৱাৰী মাহৰ ৩ তাৰিখে সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকনৰ নেতৃত্বত মূল নেতৃত্বৰ দলটো আলোচনাৰ কাৰণে দিল্লীলৈ প্ৰস্থান কৰে।

কিন্তু ঠিক তাৰ পিচতেই সদৌ অসম ছাত্ৰ সন্থাৰ আন চাৰিজন নেতাই নতুন দিল্লীলৈ অনানুষ্ঠানিকভাৱে গোপনে যাত্ৰা কৰে। এই দ্বিতীয় দলটোত আছিল ভৰত নৰহ, দিগেন বৰা, দেৱ বৰা আৰু গগন দত্ত। তেওঁলোকে প্ৰথম দলটোৰ লগত সম্পৰ্ক স্থাপন নকৰিলে আৰু তেওঁলোকে দিল্লীলৈ কিয় গৈছিল তাক স্পষ্ট নকৰিলে।

উল্লেখযোগ্য যে প্ৰথম দলটোৱে দ্বিতীয় দলটো গোপনে দিল্লীত বাহৰ পাতি থকা কথাটো জনা নাছিল। কিয় এই দ্বিতীয় দলটো গোপনে নতুন দিল্লীলৈ গৈছিল তথা নিৰ্বাচন পতাৰ সমৰ্থনত ছাত্ৰ সন্থাৰ আন নেতাসকলক সৈমান কৰিবৰ কাৰণে কাৰ লগত কথা পাতিছিল তাৰ স্পষ্ট উত্তৰ কিন্তু আজিলৈকে নোলাল।

নতুন দিল্লীত ত্ৰিপাক্ষিক আলোচনা ব্যৰ্থ হ'ল আৰু তাৰ পিচদিনাই নিৰ্বাচনী আয়োগে অসমত নিৰ্বাচন ঘোষণা কৰিলে।

সেই দিনাৰ পৰাই চৰকাৰে কঠোৰ হাতেৰে আন্দোলন দমন

কৰিবলৈ আৰম্ভ কৰে আৰু দিল্লীৰ পৰা ওভতাৰ পথত সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন, জয়নাথ শৰ্মা, অতুল বৰা আৰু বিৰাজ শৰ্মাক বৰঝাৰ বিমানবন্দৰত আৰক্ষীয়ে আটক কৰে। লগতে বাতৰিকাকতৰ ওপৰতো নিষেধাজ্ঞা আৰোপ কৰা হয়। আনটো দল কিন্তু গ্ৰেপ্তাৰ নোহোৱাকৈ ঘূৰি অহাত আছুৰ বিভিন্ন গোটৰ জেৰাৰ সন্মুখীন হয়।

নিৰ্বাচন ঘোষণা কৰাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰে অসমৰ বুকুত এক ব্যাপক দমন কাৰ্য আৰম্ভ কৰিলে। অসমৰ বিভিন্ন ঠাইত জধে-মধে গ্ৰেপ্তাৰ আৰু আন আন পুলিচী অত্যাচাৰ আৰম্ভ হ'ল। অসমৰ ৰাইজৰ সকলো ধৰণৰ গণতান্ত্ৰিক অধিকাৰ এটা এটাকৈ কাঢ়ি নিয়া হ'ল। আৰম্ভ হ'ল এখনৰ পিচত এখনকৈ ক'লা আইনৰ প্ৰয়োগ।

৭ জানুৱাৰীৰ দিনা অসম বিশেষ ক্ষমতা (প্ৰেছ) আইনৰ জৰিয়তে অসমৰ সংবাদপত্ৰৰ ওপৰত আৰম্ভ হ'ল এক কঠোৰ চেঞ্চৰ ব্যৱস্থা। আছাম ট্ৰিবিউন, দৈনিক অসম, অগ্ৰদূত আৰু দৈনিক জনমভূমিৰ ওপৰত আন্দোলন সম্পৰ্কীয় কোনো ধৰণৰ বাতৰি, সম্পাদকীয়, সম্পাদকলৈ দিয়া চিঠি, কাৰ্টুন, মন্তব্য, বিজ্ঞাপন আৰু আলোকচিত্ৰ প্ৰকাশ কৰাত বাধা-নিষেধ লগোৱা হ'ল। চৰকাৰী হেঁচা আৰু ভাবুকিৰ ফলত ছপাশালবোৰতো আন্দোলন সম্পৰ্কীয় কোনোধৰণৰ তথ্যপাতি ছপাব নোৱৰা হ'ল।

৮ জানুৱাৰীৰ দিনা গুৱাহাটীত বহা ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদৰ যুটীয়া কাৰ্যনিৰ্বাহক সভাত নিৰ্বাচন বন্ধ কৰিবৰ কাৰণে কাৰ্যসূচী ঘোষণা কৰা হ'ল।

এইলানি কাৰ্যসূচীৰ জৰিয়তে নিৰ্বাচনত অৱতীৰ্ণ হ'ব পৰা সম্ভাব্য প্ৰাৰ্থীৰ ঘৰে ঘৰে গৈ মনোনয়নপত্ৰ দাখিল নকৰিবৰ আহ্বান কৰা হয়। নিৰ্বাচনী কাৰ্যালয়সমূহ ঘেৰাওৰ ব্যৱস্থা কৰা হ'ল। জোঁৰ লৈ শোভাযাত্ৰা, নিষ্প্ৰদীপ, ৰণধ্বনি আদি বিভিন্ন আন্দোলনৰ কাৰ্যসূচীৰে ১০ জানুৱাৰীৰ পৰাই অসম তোলপাৰ হৈ পৰিল। ছাত্ৰ সন্থাৰ আহ্বানৰ ফলত ইয়াৰ নিৰ্দেশ অনুযায়ী ব্ৰহ্মপুত্ৰ

উপত্যকাৰ নগৰে-চহৰে, গাঁৱে গাঁৱে নিৰ্বাচন প্ৰতিৰোধৰ সংগ্ৰাম জোৰদাৰ হৈ উঠিল।

কংগ্ৰেছ আৰু বাঁও ৰাজনৈতিক দলৰ নেতাসমূহ ৰাইজৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰি পুলিচ, চি আৰ পিৰ সশস্ত্ৰ পহৰাৰ মাজত থাকি মনোনয়নপত্ৰ দাখিল কৰিবলৈ চেষ্টা কৰিলে।

১৭ জানুৱাৰীত আন এখন কাৰ্যনিৰ্বাহকৰ সভাত ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদে মনোনয়নপত্ৰ দিয়াসকলক সেয়া প্ৰত্যাহাৰ কৰিবলৈ হেঁচা দিবলৈ সিদ্ধান্ত ল'লে। ২৩, ২৪, ২৫ জানুৱাৰীত নিৰ্বাচনবিৰোধী শোভাযাত্ৰা আৰু ৰাজহুৱা সভা অনুষ্ঠিত হয় আৰু ২৬ জানুৱাৰীত ৰাজ্যজুৰি জনতা সান্ধ্য আইন পালন কৰা হয়।

এই প্ৰতিবাদৰ মাজেৰেই কংগ্ৰেছ আৰু বাঁওপন্থী দলবোৰে নিৰ্বাচনী প্ৰচাৰ এৰা-ধৰাকৈ চলাই গ'ল। আব্দুল গনিখান চৌধুৰী আৰু নিহাৰৰঞ্জন লস্কৰে মুছলমান প্ৰধান অঞ্চলসমূহত প্ৰচাৰ চলাই বাতাৱৰণটো সাম্প্ৰদায়িক কৰি পেলালে। বাঁওপন্থী দলৰ পৰা আহিছিল নাম্বুদ্ৰিপদ আৰু ইন্দ্ৰজিৎ গুপ্তা। এই সাম্প্ৰদায়িক বাতাৱৰণে আন্দোলনটোক ফেব্ৰুৱাৰী মাহৰ পৰা হিংসাত্মক কৰি তোলে আৰু ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ নিয়ন্ত্ৰণ লাহে লাহে ঢিলা হ'বলৈ ধৰে। ফেব্ৰুৱাৰী মাহৰ আৰম্ভণিৰে পৰা আন্দোলনটোৱে সম্পূৰ্ণভাৱে হিংসাৰ ৰূপ লয়।

ইফালে দিল্লীলৈ গোপনে যোৱা দলটো গোপনে ঘূৰি অহাৰ পিচত তেওঁলোক মেডিকেল কলেজ ছাত্ৰ সন্থা, আয়ুৰ্বেদিক কলেজ ছাত্ৰ সন্থা আৰু অসম অভিযান্ত্ৰিক মহাবিদ্যালয় ছাত্ৰ সন্থাৰ আগত জবাবদিহি হ'বলগীয়া হয়।

ছাত্ৰসকলে অভিযোগ কৰিলে যে দিল্লীলৈ গোপনে যোৱা দলটোক কংগ্ৰেছে সহায় কৰিছিল আৰু তেওঁলোকে নতুন দিল্লীত ৰাজীৱ গান্ধীক গোপনে লগ ধৰিছিল। এই দলটোৰ কোনো এজনেও কিন্তু পতিয়ন যাব পৰাকৈ কোনো সদুত্তৰ দিব নোৱাৰিলে আৰু বিষয়টো বহুদিনলৈ চৰ্চিত হৈ থাকিল।

তাৰ পিচতে আন এক ৰহস্যঘন অৱস্থাৰ মাজতে ভৰত নৰহ গ্ৰেপ্তাৰ হ'ল। এক অৰ্থত ছাত্ৰ সন্থাৰ সমস্ত কেন্দ্ৰীয় নেতৃত্ব তেতিয়া জে'লৰ ভিতৰত। ভাৰপ্ৰাপ্ত সভাপতি নুৰুল হুছেইন আৰু ভাৰপ্ৰাপ্ত সম্পাদক গিৰীন্দ্ৰ কুমাৰ বৰুৱাই তেতিয়া আত্মগোপন কৰি প্ৰেছ বিজ্ঞপ্তিৰ মাজেৰে ছাত্ৰ সন্থাক জীয়াই ৰাখিছিল আৰু সেইবোৰ প্ৰায় সদায়েই বাতৰিকাকতত প্ৰকাশ হৈছিল।

সদৌ অসম ছাত্ৰ সন্থাই নিৰ্বাচন বৰ্জনৰ ঘোষণা কৰি ইয়াৰ বিৰোধ কৰিবলৈ আহ্বান দিলে আৰু লগে লগেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ অজনজাতীয় আৰু থলুৱা মুছলমান লোকসকলে সৰ্বান্তকৰণেৰে ইয়াক সমৰ্থন কৰিলে। যিহেতু বেছিভাগ চাকৰিয়াল, শিক্ষক, বিষয়া আৰু ব্যৱসায়ী অজনজাতীয় বৰ্ণহিন্দু আছিল গতিকে আন্দোলনৰ মাত্ৰা দিনক দিনে বাঢ়ি গ'ল। আৱেগত উথলি উঠিল বেছিভাগ অসমীয়া।

অসমৰ আটাইকেইখন বাতৰিকাকতে তেওঁলোকৰ নিৰপেক্ষ স্থানৰ পৰা আঁতৰি আহি আন্দোলনৰ উগ্ৰ আৰু আৱেগিক সমৰ্থক হৈ পৰিল। মূল নেতৃবৃন্দ কাৰাগাৰত থকা কাৰণে ভাৰপ্ৰাপ্ত নেতৃবৃন্দৰ কান্ধত বন্দুক থৈ বাতৰিকাকতকেইখনেই আন্দোলনটোক আৱেগিক কৰি পেলালে। দৈনিক বাতৰিকাকতসমূহত নিৰপেক্ষ সাংবাদিকতা হোৱাই নাছিল। কাৰণ দৈনিক বাতৰিকাকতসমূহ আন্দোলনটোৰ অন্ধ সমৰ্থক হৈ পৰা বাবে নিৰপেক্ষ সাংবাদিকতাৰ কোনো স্থানেই সেই সময়ৰ অসমৰ কাকতসমূহত নাছিল বুলি ক'ব পাৰি।

ইফালে ৰাম জেঠমালানী বা জনতা দলৰ ৰবীন্দ্ৰ বাৰ্মাৰ নিচিনা ৰাষ্ট্ৰীয় নেতাসকলে আন্দোলনৰ নেতৃবৃন্দই নিৰ্বাচনত অংশগ্ৰহণ কৰি আৱেগৰ ঢৌত নিৰ্বাচন জিকি চৰকাৰ গঠন কৰি অসমৰ বিদেশী সমস্যাৰ বাবে কাম কৰাটো বিচাৰিছিল। কিন্তু সদৌ অসম ছাত্ৰ সন্থাই সেই চিন্তা আগবাঢ়িবলৈ নিদি নিৰ্বাচন বৰ্জনহে কৰিলে। বৰ্জনৰ মূল কাৰণ এখন বিদেশীমুক্ত ভোটাৰ তালিকা যিমান আছিল, তাতকৈ বেছি প্ৰভাৱশালী কাৰণ আছিল এই যে ছাত্ৰ সন্থাৰ নেতৃবৃন্দৰ

তেতিয়ালৈকে নিৰ্বাচন খেলিব পৰা বয়স হোৱা নাছিল। নিৰ্বাচন খেলা হ'লে নিশ্চিতভাৱে আন্দোলনপন্থীয়ে জয়লাভ কৰিলেহেঁতেন, কিন্তু সেই নিৰ্বাচন গণ সংগ্ৰাম পৰিষদৰ নেতৃবৃন্দই খেলিলেহেঁতেন। যিটো ছাত্ৰ সন্থাই কোনোপধ্যে বিচৰা নাছিল।

ইফালে ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃবৃন্দ জে'লত থকাৰ কাৰণে কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি আঞ্চলিক নেতৃবৃন্দই নিজাববীয়াকৈ সিদ্ধান্ত ল'বলৈ আৰম্ভ কৰিলে। সেই সিদ্ধান্তবোৰ আঞ্চলিক পৰিস্থিতিৰ ওপৰত লোৱা হৈছিল। সেই কাৰণেই আন্দোলনে নিয়ন্ত্ৰণ হেৰুৱাই পেলালে।

নিৰ্বাচন ১৪ৰ পৰা ২১ ফেব্ৰুৱাৰীলৈ চাৰি তৰপীয়াকৈ পতাৰ ঘোষণা কৰা হ'ল। অসম পুলিচে প্ৰতিবেদন দিলে যে ১২৬টা বিধানসভাৰ ৬২টাত নিৰ্বাচন পতাত কোনো অসুবিধা নাই, ২৩টাত অসম্ভৱ আৰু বাকীকেইটা স্পৰ্শকাতৰ। পুলিচৰ সেই প্ৰতিবেদনৰ ওপৰতেই নিৰ্বাচনী যা-যোগাৰ আৰম্ভ হ'ল। আনহাতে নানাধৰণৰ প্ৰতিবাদো বাঢ়ি গ'ল।

নিৰ্বাচনী প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে ৰাইজ যেন জাণ্ডুৰ খাই উঠিল। এফালে কংগ্ৰেছ (ই), চি পি এম, পি টি চি, চি পি আই আৰু ছচিয়েলিষ্ট কংগ্ৰেছে নিৰ্বাচন খেলাৰ সিদ্ধান্ত ল'লে আৰু আনহাতে বাকী দলবোৰে নিৰ্বাচন বৰ্জনৰ আহ্বানক সমৰ্থন কৰিলে। নিৰ্বাচন প্ৰক্ৰিয়াত যোগদান কৰাজনক সামাজিকভাৱে বৰ্জন কৰা আৰম্ভ হ'ল।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ অজনজাতীয় সমষ্টিসমূহত ৰাইজৰ প্ৰতিবাদে সকলো ফালৰে পৰা স্বতঃস্ফূৰ্তভাৱে গা কৰি উঠিলে। নিৰ্বাচনী মনোনয়নপত্ৰ দিবৰ কাৰণে প্ৰাৰ্থীসকলে সমৰ্থক বিচাৰি নোপোৱা অৱস্থা হ'ল। ঘৰ ঘেৰাও কৰা হ'ল। বহু সমৰ্থকক আক্ৰমণ কৰি হত্যা কৰা হ'ল। যিসকলে মনোনয়নপত্ৰ দিব পাৰিলে তেওঁলোকে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ অকণো সুবিধা কৰিব নোৱাৰিলে। নিৰ্বাচনী সভা প্ৰায় পাতিব নোৱাৰিলেই।

তাৰ পিচতো, ১২৬টা বিধানসভাৰ কাৰণে ৬২৮খন মনোনয়নপত্ৰ

দাখিল হ'ল। মনোনয়নপত্ৰ পৰীক্ষাৰ পিচত যেনিবা ৫২৭গৰাকী প্ৰাৰ্থী নিৰ্বাচনলৈ সাজু হ'ল।

আনহাতে অসম চৰকাৰৰ কৰ্মচাৰীসকলে আন্দোলনৰ প্ৰতি সমৰ্থন জনাই সম্পূৰ্ণ অসহযোগ কাৰ্যসূচী গ্ৰহণ কৰিলে। তাৰ লগে লগেই অসমৰ চৰকাৰী শিক্ষকসকলেও একেই স্থিতি গ্ৰহণ কৰিলে। ইয়াৰ ফলত নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে ব্যাহত হোৱাৰ উপক্ৰম হ'ল।

প্ৰতিবাদৰ জোৱাৰে ইতিমধ্যে অহিংসৰ পৰা সম্পূৰ্ণ হিংসাৰ পৰ্যায়লৈ গতি কৰিছে আৰু অসম তেতিয়া প্ৰতিদিনে জ্বলিছে। ১ ফেব্ৰুৱাৰীৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ এনে এটা দিন নাই, য'ত তেতিয়া কিবা নহয় কিবা অঘটন হোৱা নাই। বৰাক উপত্যকা অৱশ্যে এই হিংসাৰ পৰা সম্পূৰ্ণভাৱে মুক্ত আছিল।

প্ৰথম ডাঙৰ সাম্প্ৰদায়িক সংঘৰ্ষ লাগিছিল মঙলদৈ-ছিপাঝাৰ অঞ্চলত। ৪ ফেব্ৰুৱাৰীৰ পৰা লাগি থকা এই জুই লাহে লাহে চাৰিওফালে বিয়পি পৰিল। আন্দোলনকাৰীয়ে কংগ্ৰেছৰ সমৰ্থক বুলি অভিবাসী মুছলমান অঞ্চলত আক্ৰমণ কৰিলে আৰু তাৰ পিচতে প্ৰত্যাক্ৰমণ আৰম্ভ হ'ল।

বিদেশী বিতাড়নৰ আন্দোলনটোৱে লগে লগেই সেইকেইদিনতে এক সাম্প্ৰদায়িক ৰূপ লৈ পেলালে। চৰ অঞ্চলত বাস কৰা মুছলমানসকলে নিজে বিদেশী হৈ পৰাৰ আশংকাতে ভোট দি বিদেশী নহয় বুলি প্ৰতিপন্ন কৰিব বিচৰাটোৱেই উচ্চবৰ্ণৰ আন্দোলন সমৰ্থকসকলৰ চকুত ভয়ংকৰ দোষ হৈ পৰিল। স্বতঃস্ফূৰ্তভাৱেই সেইসকলক শত্ৰুজ্ঞান কৰি এসেকা দিবলৈ পৰিকল্পনা চলিল। ইয়াত আগভাগ ল'লে স্থানীয় স্বেচ্ছাসেৱক বাহিনীয়ে, যাৰ নেতা আছিল জয়নাথ শৰ্মা।

কোমল বয়সৰ আৱেগসৰ্বস্ব এই স্বেচ্ছাসেৱকসকলক উদগনি জনাইছিল হিন্দু মৌলবাদী সংগঠনসমূহে। বাতৰিকাকতেও মুছলিম জনসমাজৰ প্ৰতি সম্পূৰ্ণ চকু মুদি দিলে। অভিযোগ উঠিছিল যে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ

এই উচটনিত প্ৰত্যক্ষভাৱে জড়িত হৈ পৰিছিল।

লগে লগে আৰম্ভ হ'ল ইটোৰ পিচত সিটোকৈ সাম্প্ৰদায়িক সংঘৰ্ষ। এটা সময়ত অভিবাসী মুছলমানসকলেও সংঘবদ্ধভাৱে ওলোটাই আক্ৰমণ কৰা আৰম্ভ কৰিলে। মণ্ডলদৈ তাৰ জ্বলন্ত উদাহৰণ। মণ্ডলদৈ আৰু ছিপাঝাৰ অঞ্চলত ১০জনৰ মৃত্যু হৈছিল। ৪ ফেব্ৰুৱাৰীৰ দিনা সৈন্যবাহিনী নমাব লগা হ'ল আৰু ঘোষণা কৰা হৈছিল সান্ধ্য আইন, যাক পিচৰদিনা হাজাৰ হাজাৰ ৰাইজে ভংগ কৰিছিল।

ইতিমধ্যে নিৰ্বাচন বিৰোধী আন্দোলন আৰু তীব্ৰতৰ হ'ল। গুৱাহাটীত ১৮৭ গৰাকী জ্যেষ্ঠ অধিবক্তা গ্ৰেপ্তাৰ হৈ ১৩ ফেব্ৰুৱাৰীলৈ জে'লতে থকাৰ সিদ্ধান্ত ল'লে। তেওঁলোকৰ ভিতৰত আছিল সাংসদ দীনেশ গোস্বামী, ৰমেশ চৌধুৰী, গৌৰীশংকৰ ভট্টাচাৰ্য, পাচুগোপাল বৰুৱা আৰু অনিল ভট্টাচাৰ্য। ব্ৰহ্মপুত্ৰ উপত্যকা তেতিয়া সম্পূৰ্ণৰূপে আৱেগৰ কবলত।

চৰকাৰো কঠোৰ হ'ল। নিৰ্বাচন চলাবলৈ অসমৰ বাহিৰৰ পৰা কৰ্মচাৰী আনি নিৰ্বাচন চলাবলৈ সিদ্ধান্ত ল'লে। কিয়নো ৬ ফেব্ৰুৱাৰীৰ পৰা সদৌ অসম কৰ্মচাৰী পৰিষদে ১৮ দিনীয়া সৰ্বাত্মক অসহযোগ ঘোষণা কৰিলে। এই অসহযোগ ইমান শক্তিশালী আছিল যে পুলিচৰ বাহিৰে আন কোনো বিভাগৰেই দৰাচলতে চৰকাৰী বিভাগ হিচাপে অস্তিত্ব নাছিল।

ৰাইজ আৰু চৰকাৰৰ মাজত ইমানেই হিংসাৰ ভাব সোমাই গ'ল যে দুলাল শৰ্মা নামৰ এজন আন্দোলনৰ সমৰ্থকে সচিবালয়ৰ মূল গে'টত থকা বি এছ এফৰ দুজন জোৱানক দাৰে আক্ৰমণ কৰিলে। তেনেকুৱা অজস্ৰ ঘটনা অসমৰ চুকে-কোণে সংঘটিত হৈছিল।

এনেধৰণৰ অসংখ্য আৱেগিক ঘটনাই অসমক হিংসাৰ দাবানললৈ ঠেলি দিলে। অসম সেনা আৰু অৰ্ধসামৰিক বাহিনীৰে ভৰাই দিয়া হ'ল। গুৱাহাটী হৈ পৰিল স্তব্ধ। সচিবালয়ৰ চৌহদত থকা সকলো কৰ্মচাৰীক চৰকাৰে ঘেৰাও কৰি ৰাখিলে, যাতে সেইসকলক বলপূৰ্বক নিৰ্বাচনী কামত

লগাব পাৰে।

৭ ফেব্ৰুৱাৰীৰ দিনা গুৱাহাটীত নিৰ্বাচনবিৰোধী গণ সমাবেশ হ'ল, য'ত বক্তব্য ৰাখিলে চৌধুৰী চৰণ সিং, অটল বিহাৰী বাজপেয়ী আৰু যশৱন্ত সিঙে। প্ৰতিদিনেই হয় বন্ধ, নহয় নিষ্প্ৰদীপ, নহয় জনতা সান্ধ্য আইন।

কিন্তু নিৰ্বাচনী আয়োগে নিৰ্বাচন স্থগিত নাৰাখিলে। সাম্প্ৰদায়িক সংঘৰ্ষ বিয়পি গ'ল। মঙলদৈ, চমৰীয়া, গহপুৰ আৰু নেলী জ্বলি ছাৰখাৰ হ'ল। কিন্তু কেন্দ্ৰীয় চৰকাৰ আঁকোৰগোঁজ হৈ থাকিল।

৮ ফেব্ৰুৱাৰীত অসমৰ মুখ্য সচিব ৰমেশ চন্দ্ৰৰ সৈতে আলোচনা কৰাৰ পিচত কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় বিমান বাহিনীৰ বিশেষ বিমানযোগে অসমলৈ প্ৰায় ৫,০০০ কৰ্মচাৰী নিৰ্বাচন চলাবলৈ পঠোৱাৰ ব্যৱস্থা কৰে।

এই নিৰ্বাচনত পি টি চি এই অংশগ্ৰহণ কৰিছিল আৰু তেওঁলোকৰ মূল দাবী আছিল ভৈয়ামৰ জনজাতিসকলৰ কাৰণে উদয়াচল নামৰ এখন সুকীয়া ৰাজ্য। গহপুৰত সেয়ে বড়ো সম্প্ৰদায়ৰ লোকসকলেই আন্দোলনকাৰীৰ শত্ৰু হিচাপে লক্ষ্য হৈ পৰিছিল। গোপালপুৰ, ৰঙাজান আৰু ডুবিয়া এই সংঘৰ্ষৰ মূল কেন্দ্ৰবিন্দু আছিল আৰু প্ৰায় ১৭৫জন লোক নিহত হৈছিল। বেছিভাগ মৃত আৰু আহত লোক বড়ো সম্প্ৰদায়ৰ আছিল আৰু আন্দোলনকাৰীসকলে নিৰ্বিচাৰে বড়ো সম্প্ৰদায়ৰ ওপৰত আক্ৰমণ চলাইছিল।

নিৰ্বাচনৰ বিৰোধিতা ইমানেই আৱেগিক হৈ পৰিছিল যে অইল ইণ্ডিয়া লিমিটেডৰ ১৫০জন উচ্চপদস্থ অসমীয়া বিষয়া আৰু কৰ্মচাৰীয়ে পদত্যাগ কৰিছিল। ১০ ফেব্ৰুৱাৰীৰ দিনা এইসকল কৰ্মচাৰীয়ে নিৰ্বাচনৰ বিৰোধিতা কৰি দুলীয়াজানত সমূহীয়াভাৱে পদত্যাগ কৰে। তেওঁলোকে যাতে পুনৰ কামত যোগ দিয়ে তাৰ বাবে অইল ইণ্ডিয়াৰ পৰিচালক কৰ্তৃপক্ষই তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থাৰ ভয় দেখুওৱাকে ধৰি নানাধৰণৰ হেঁচা দিছিল।

সেইদিনা পুৱা অইল ইণ্ডিয়াৰ চীফ ৰেছিডেন্ট এগ্‌জিকিউটিভৰ হাতত দিয়া তেওঁলোকৰ পদত্যাগপত্ৰত বিষয়াসকলে কয় যে পৰিস্থিতি তেওঁলোকৰ

কামৰ পক্ষে অনুকূল নহয়; গতিকে তেওঁলোকৰ অৱস্থাটো উপলব্ধি কৰিব নুখুজি তেওঁলোকৰ কাৰ্যক অনুশাসনহীনতা বুলি গণ্য কৰা হ'লে তেওঁলোকৰ এই চিঠিকে পদত্যাগপত্ৰ বুলি ধৰা হয় যেন।

উল্লেখযোগ্য যে শ্ৰমিক আৰু বিষয়াসকলৰ অসহযোগৰ কাৰণে অইল ইণ্ডিয়াৰ জৰুৰী কাম-কাজৰ বাদে সমস্ত ড্ৰিলিং আৰু পাম্পিং কাৰ্য প্ৰায় এপষেক অচল হৈ পৰিছিল আৰু যাৰ কাৰণে পৰৱৰ্তী পৰ্যায়ত সৈন্যবাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়াক ইয়াৰ পৰিচালন সঞ্চালক হিচাপে অনা হৈছিল।

১৪ ফেব্ৰুৱাৰীৰ দিনা ৬২টা সমষ্টিত নিৰ্বাচন পতা হ'ল। তিনি দিনৰ পিচত অৰ্থাৎ ১৭ ফেব্ৰুৱাৰীৰ দিনা আৰু ৩৭টা বিধানসভা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ল। তৃতীয় পৰ্যায়ত অৰ্থাৎ ২০ ফেব্ৰুৱাৰীত আৰু চতুৰ্থ পৰ্যায়ত ২১ ফেব্ৰুৱাৰীত নিৰ্বাচন পতাৰ সিদ্ধান্ত লোৱা হৈছিল।

এই নিৰ্বাচন ভাগ ভাগ কৰি কৰা হৈছিল যাতে অৰ্ধসামৰিক বাহিনীক সুচাৰুৰূপে এটা সমষ্টিৰ পৰা আনটো সমষ্টিলৈ নিব পৰা হয়। কাৰণ তেতিয়া বৰাক উপত্যকা আৰু পশ্চিম অসমৰ বাহিৰে সৰ্বত্ৰ জুই জ্বলি আছিল।

এক কথাত এয়া মুক্ত নিৰ্বাচন নাছিল। মাথোঁ পাঁচটা দলেহে নিৰ্বাচনত অংশগ্ৰহণ কৰিছিল। দল আৰু প্ৰতিদ্বন্দ্বিতা কৰা সমষ্টিৰ সংখ্যা এনেধৰণৰ—

কংগ্ৰেছ (ই)	১০৯
কংগ্ৰেছ (স)	৩৪
চি পি এম	২৪
চি পি আই	২৫
পি টি চি	২১
নিৰ্দলীয়	২৫৮
মুঠ	**৪৭১**

১৯৮৩ৰ নিৰ্বাচন

১২৬টা সমষ্টিৰ ১০৯টাতহে নিৰ্বাচন পতাৰ পৰিৱেশ আছিল। ১৭টা সমষ্টিত এখনো মনোনয়নপত্ৰ নপৰিল। আন তিনিটাত নামমাত্ৰ নিৰ্বাচন হ'ল।

বৰাক উপত্যকাৰ বাহিৰে দৰাচলতে নিৰ্বাচনী প্ৰচাৰ হোৱাই নাছিল। কংগ্ৰেছে যৎসামান্য চেষ্টা চলাইছিল যদিও প্ৰায়ে আন্দোলনপন্থীসকলৰ আক্ৰমণৰ সন্মুখীন হৈছিল। বিশ্বনাথ চাৰিআলিৰ কংগ্ৰেছ প্ৰাৰ্থী সত্যনাৰায়ণ ৰামক হত্যা কৰা হৈছিল আৰু কেইবাখনো নিৰ্বাচনী সভালৈ হাতবোমা নিক্ষেপ কৰা হৈছিল।

১৫০ৰো অধিক আন্দোলন সমৰ্থনকাৰী সেই পযেকটোৰ নিৰ্বাচনী প্ৰতিৰোধ কাৰ্যসূচীত অংশ লওঁতে পুলিচৰ গুলীত বা সাম্প্ৰদায়িক সংঘৰ্ষৰ প্ৰত্যাক্ৰমণত নিহত হৈছিল।

সংঘৰ্ষ ইমানেই ভয়াৱহ আছিল যে ৪৩টা সমষ্টিত নিৰ্দিষ্ট দিনত নিৰ্বাচন পাতিব নোৱাৰি ২১ ফেব্ৰুৱাৰীৰ দিনা একেলগে পতা হৈছিল।

নেলী, গহপুৰ, গোৰেশ্বৰ, খৈৰাবাৰী, চিলাপথাৰ, চমৰীয়া আৰু ধূলাত হোৱা সাম্প্ৰদায়িক সংঘৰ্ষত ৫,০০০ লোকৰ প্ৰাণহানি হৈছিল আৰু তাৰ ২,০০০ৰো অধিকক অকল নেলীতেই হত্যা কৰা হৈছিল। ইয়াৰ বাহিৰেও প্ৰায় তিনি লাখ লোক গৃহহীন হৈছিল। এই নিৰ্বাচনৰ এক পৰিসংখ্যা আছিল এনেধৰণৰ—

মুঠ সমষ্টি	**১২৬**
নিৰ্বাচন	১০৪
নিৰ্বাচন নহ'ল	১৭
বিনাপ্ৰতিদ্বন্দ্বিতা	৪
নিৰ্বাচন স্থগিত	১

নিৰ্বাচন বৰ্জনৰ ঘোষণা আৰু এক ভয়াৱহ পযেকীয়া আন্দোলনৰ

পিচতো কিন্তু এক-তৃতীয়াংশ অসমবাসীয়ে এই নিৰ্বাচনত অংশগ্ৰহণ কৰে। পিচৰ পৰ্যায়ত এই সংখ্যাৰ দ্বাৰা নিৰ্বাচনৰ বৈধতা আনিবৰ চেষ্টা কৰা হৈছিল।

২০ শতাংশতকৈ কম ভোটদান হৈছিল কামৰূপ, যোৰহাট, শিৱসাগৰ, লখিমপুৰ আৰু ডিব্ৰুগড় জিলাতহে। ৪০ শতাংশতকৈ অধিক ভোটদান হৈছিল ধুবুৰী, কোকৰাঝাৰ, গোৱালপাৰা, বৰপেটা, দৰং, উত্তৰ কাছাৰ জিলা, কাৰ্বি আংলং, কৰিমগঞ্জ আৰু কাছাৰ জিলাত।

এই ভোট বিন্যাসত স্পষ্ট হৈ পৰিছিল যে মূলতঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ সাতখন জিলাতেই এই আন্দোলন কেন্দ্ৰীভূত আছিল, যি লাহে লাহে অমুছলমান আৰু অজনজাতীয় চৰিত্ৰ ল'বলৈ ধৰিছিল। ফলস্বৰূপে আন্দোলনটোৱে আৰম্ভণিৰ জনপ্ৰিয়তা হেৰুৱাইছিল।

তাৰেই স্পষ্ট প্ৰতিফলন ঘটিছিল নিৰ্বাচনৰ ভোটত। জনজাতীয় অঞ্চলবোৰত অতি উচ্চহাৰত ভোটদান হ'ল আৰু মুছলমান অধ্যুষিত অঞ্চলবিলাকতো কোনো নিৰ্বাচন বৰ্জনৰ প্ৰভাৱ নপৰিল। ভোটদানৰ জিলাভিত্তিক পৰিসংখ্যা হৈছে এনেধৰণৰ—

কোকৰাঝাৰ	৬৭.৭%
ধুবুৰী	৬৪%
উত্তৰ কাছাৰ	৫৫%
কৰিমগঞ্জ	৫৮%
কাছাৰ	৬৪.৫%

নিশ্চয়কৈ এই নিৰ্বাচনে অসমখনক চিৰদিনৰ কাৰণে ভাগ ভাগ কৰি পেলালে। জনজাতীয় লোকসকল, বিশেষকৈ বড়োসকল অসমৰ মূলসুঁতিৰ পৰা আঁতৰি গ'ল। কিয়নো তেওঁলোকে আন্দোলনটোক বৰ্ণ হিন্দুৰ উগ্ৰ জাতীয়তাবাদৰ নামান্তৰ বুলি ভাবিছিল।

মুছলমান লোকসকল, যি নিজৰ মাতৃভাষা অসমীয়া বুলি চিনাকি দিছিল, সেই সকলকো এই আন্দোলনৰ নিৰ্বাচন বৰ্জন কাৰ্যসূচীৰ দ্বাৰা

চিৰদিনৰ কাৰণে বেলেগে ৰখা হ'ল। তেওঁলোকে কাষ চাপিব বিচাৰিলেও কাষ চাপিবলৈ দিয়া নহ'ল।

ঠিক তেনেকৈ মধ্য অসমৰ দুয়োখন জিলা দৰং আৰু নগাঁৱতো মধ্যমীয়া ভোট দিয়া দেখা গ'ল।

ভোট প্ৰদানৰ বিন্যাস—

সমষ্টি	ভোটৰ হাৰ
২৩	৬০%
১৯	৪৬-৬০%
৫৫	১-৩০%
২১	১-৫%
১৪	১৫-৩০%
৯	৩০-৪৫%

২১টা সমষ্টিত ভোট হোৱা নাছিল। তাৰে ৪টাত প্ৰাৰ্থীসকলে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জিকিছিল আৰু বাকী ১৭টাত কোনো প্ৰতিদ্বন্দ্বী নাছিল। জিলাভিত্তিক সেই সমষ্টিবোৰ এনেধৰণৰ —

মুঠ	২১ সমষ্টি
শোণিতপুৰ	৬
গোৱালপাৰা	৩
ডিব্ৰুগড়	৩
দৰং	৩
কামৰূপ	২
কোকৰাঝাৰ	১
যোৰহাট	১
বৰপেটা	১
নগাঁও	১

নির্বাচন শেষ হৈছিল। কিন্তু আৰম্ভ হৈছিল ঘৰে ঘৰে কান্দোনৰ ৰোল। অবৈধ নির্বাচন প্রতিৰোধ কৰিবলৈ গৈ ১৯৮৩ চনৰ ২৪ জানুৱাৰীৰ পৰা ২২ ফেব্রুৱাৰী সময়ছোৱাত পুলিচৰ গুলীচালনা, লাঠীচালনা আৰু অন্যান্য পুলিচী নির্যাতনত ১৩০জন আন্দোলনকাৰীৰ মৃত্যু হৈছিল।

নির্বাচনৰ ফলাফল ঘোষণাত কোনো আচৰিত নহ'ল। কংগ্রেছে (ই) আশা কৰা মতেই নির্বাচনত জয়লাভ কৰিলে। কাৰণ কংগ্রেছৰ কোনো প্রতিদ্বন্দ্বীয়েই নাছিল। নির্বাচনৰ ফলাফল আছিল এনেধৰণৰ —

নির্বাচন	১০৯
কংগ্রেছ (ই)	৯১
কংগ্রেছ (স)	২
চি পি এম	২
চি পি আই	১
পি টি চি	৩
নির্দলীয়	১০

কংগ্রেছ বিধায়িনী দলৰ সভাত নেতা হিচাপে জ্যেষ্ঠ কংগ্রেছ নেতা হৰেন্দ্ৰ নাথ তালুকদাৰক নির্বাচিত কৰা হয় যদিও শেষ মুহূর্তত ইন্দিৰা গান্ধীয়ে হিতেশ্বৰ শইকীয়াক নির্বাচিত কৰে।

২৭ ফেব্রুৱাৰীৰ দিনা হিতেশ্বৰ শইকীয়াই অসমৰ মুখ্যমন্ত্রী হিচাপে শপত গ্রহণ কৰে আৰু সদৌ অসম ছাত্র সন্থাই এই চৰকাৰখনক অবৈধ চৰকাৰ হিচাপে ঘোষণা কৰে। এক অর্থত চৰকাৰখন ১৯৮৫ চনলৈ অবৈধ হিচাপেই পৰিগণিত হৈ থাকিল।

পৰিতাপৰ কথা এয়ে যে ১৯৮২ চনত ১৯৬৭ চনক ভিত্তি বছৰ নামানি তিনি বছৰ পিচত অর্থাৎ ১৯৮৫ চনত সেই একেই সদৌ অসম

ছাত্ৰ সন্থাই ৫,০০০ লোকক মৃত্যু হ'বলৈ দি ১৯৭১ চনক ভিত্তি বৰ্ষ হিচাপে মানি ল'লে।

১৯৮২ আৰু ১৯৮৫ চনৰ আলোচনাত চৰকাৰৰ ফালৰ পৰা কোনো নতুন সুবিধা আগবঢ়োৱা হোৱা নাছিল। তথাপি ১৯৭১ মানি ল'লে। কাৰণ আন্দোলন তেতিয়ালৈ স্তিমিত হৈ পৰিছিল আৰু আছুৰ নেতাসকলো নিৰ্বাচন খেলিবলৈ বয়সৰ ফালৰ পৰা যোগ্য হৈছিল।

এফালে অসমীয়া উগ্ৰ জাতীয়তাবাদে চৰম ৰূপ পাইছিল। আনহাতে উগ্ৰ জাতীয়তাবাদে বৃহত্তৰ জাতি গঠন প্ৰক্ৰিয়াটোক চিৰদিনৰ কাৰণে স্তব্ধ কৰি দিছিল। মুছলমান, জনজাতি আৰু অসমীয়া কোৱা উচ্চ বৰ্ণৰ হিন্দুসকলৰ মাজৰ ভেদাভেদ সেইদিন ধৰি বাঢ়িয়েই আছে। কাৰণ মুছলমান আৰু জনজাতিসকলে ১৯৮৩ত আৰম্ভ হোৱা উগ্ৰ জাতীয়তাবাদী সত্তাটোক কোনো দিনে মানি নল'লে। যাৰ ফলত জনজাতিসকলে নিজকে পৃথক হিচাপে চাবলৈ ধৰিলে।

নিৰ্বাচনৰ পিচত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত থকা মুছলমান ছাত্ৰ নেতাসকল তেওঁলোকৰ নিজস্ব মুছলমান সমাজৰ পৰা যথেষ্ট সমালোচনাৰ সন্মুখীন হ'ব লগাত পৰে। ইতিমধ্যে মুছলমান সমাজখনে আছুক মুছলমানবিদ্বেষী বুলি গণ্য কৰিবলৈ আৰম্ভ কৰিছিল আৰু তাৰে পৰিণতিত এনে সমালোচনাৰ সূত্ৰপাত ঘটিছিল।

এই কথাবোৰ আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকত আলোচনা কৰিবলৈ কেন্দ্ৰীয় নেতৃবৃন্দক মুছলমান নেতাসকলে হেঁচা দিছিল যদিও নিৰ্বাচনৰ পিচতো কোনো কাৰ্যনিৰ্বাহক পতা নহ'ল আৰু বিষয়টো কৌশলেৰে আঁতৰাই ৰখা হ'ল।

তেতিয়া নিজৰ কথাখিনি পাতিবৰ কাৰণে ১৯৮৩ চনৰ ১১ আৰু ১২ এপ্ৰিলত সদৌ অসম ছাত্ৰ সন্থাৰ মুছলমান ছাত্ৰসকলে গুৱাহাটীৰ বি বৰুৱা কলেজত এক বিশেষ বৈঠকো অনুষ্ঠিত কৰিছিল। তালৈকে সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত আৰু সাধাৰণ সম্পাদক ভৃগু কুমাৰ ফুকন দুয়োকে

নিমন্ত্ৰণ জনোৱা হৈছিল যদিও দুয়োজনেই উপস্থিত নহ'ল।

তাত তেওঁলোকে আন্দোলনৰ মুছলমানবিদ্বেষী চৰিত্ৰৰ কথা উদঙাই দি নেত্ৰীবৰ্গক দিবলৈ এক ১৫ দফীয়া দাবীচনদ ৰচনা কৰিছিল। ছাত্ৰ সন্থাৰ ইতিহাসত এইটো আছিল এটা উল্লেখযোগ্য ঘটনা। এই বৈঠকত আছুৰ উপ-সভাপতি নুৰুল হুছেইনে সভাপতিত্ব কৰিছিল।

পিচে উক্ত পোন্ধৰ দফীয়া দাবী চনদ ৰচনা কৰাৰ আৰু সেয়া আছুৰ নেতৃবৃন্দৰ হাতত অৰ্পণ কৰাৰ অপৰাধত নৰুল হুছেইনক সন্থাৰ পৰা নিলম্বিত কৰা হয়। একেদৰে সদৌ কামৰূপ জিলা সমিতিৰ সভাপতি নেকিবুৰ জামান, উপদেষ্টা জেহিৰুল ইছলাম, সাংগঠনিক সম্পাদক জেহিৰুল হক আৰু বোকাখাত আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নাজিৰুল ইছলামক বহিষ্কাৰ কৰা হয়। আছুৰ মতে এই মুছলমান ছাত্ৰ নেতাসকলক কংগ্ৰেছে প্ৰৰোচিত কৰিছিল।

নিলম্বিত নেতৃবৃন্দৰ মতে ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ দিল্লীত গোপনে আলোচনা কৰিবলৈ যোৱা দলটোৱে নিজে বিপদত পৰিব বুলি আশংকা কৰিয়েই মুছলমান ছাত্ৰ নেতাসকলক বহিষ্কাৰ আৰু নিলম্বন কৰি কাৰ্যনিৰ্বাহকখনক সম্পূৰ্ণ বেলেগ দিশেৰে চালিত কৰে, যাতে তেওঁলোকৰ স্পৰ্শকাতৰ বিষয়টো আঁতৰাই ৰাখিব পৰা যায়।

আনহাতে কেন্দ্ৰীয় নেতৃবৃন্দৰ মতে মুছলমান ছাত্ৰ নেতাসকলৰ একাংশই মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ লগত সুসম্পৰ্ক ৰক্ষা কৰি সদৌ অসম ছাত্ৰ সন্থাক কালিমা সানিবৰ চেষ্টা কৰিছিল আৰু বি বৰুৱা মহাবিদ্যালয়ৰ সভাখনো তাৰেই এটা অংশ আছিল।

সত্য যিয়েই নহওক কিয়, সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰভাৱ আৰু আন্দোলনৰ চোক ১৯৮৩ৰ নিৰ্বাচনৰ পিচৰে পৰা কিছু পৰিমাণে কমি আহিছিল। ইয়াৰ বিপৰীতে এক ৰাজনৈতিক বুজাপৰাৰ অংকহে আছুৰ নেতৃবৰ্গৰ মাজত গা কৰি উঠিছিল। এই প্ৰৱণতাৰ প্ৰতিফলন ঘটিছিল পৰৱৰ্তী ওঠৰটা মাহত।


অংকুর